প্ৰাচ্যবিদ্যাৰ্ণৱ কৃষ্ণকান্ত

সম্পাদক

শিৱ বৰ্মন

DIRECTORATE OF LIBRARY SERVICES
ASSAM, GUWAHATI

অসম সাহিত্য সভা
১৯৮৪

PRASHYA VIDYARNAVA KRISHNAKANTA — a book of critical essays on different aspects on the life of Late Krishnakanta Handiqui M.A. (cal et oxon), the well-known Sanskritist & Linguist of India, 'Sadasya-Mahiyan' of Asam Sahitya Sabha, Honorary Fellow of the Deccan college & ex-Vice-Chancellor of the Gauhati University, Compiled and edited by Abdus Sattar, Jorhat, Assam, Published by Dr. Nagen Saikia, General Secretary, Asam Sahitya Sabha, Chandrakanta Handiqui Bhavan— Jorhat, First Edition March 1984 : Price Rs. 25.00 only.

প্ৰাচ্যবিদ্যাৰ্ণৱ কৃষ্ণকান্ত

প্ৰকাশক :

ড° নগেন শইকীয়া

প্ৰধান সম্পাদক

অসম সাহিত্য সভা

চন্দ্ৰকান্ত সন্দিকৈ ভৱন

যোৰহাট-৭৮৫০০১।

প্ৰথম প্ৰকাশ : মাৰ্চ ১৯৮৪

মূল্য : ২৫·০০ টকা

মুদ্ৰক : অপৰূপ প্ৰিণ্টাৰ্ছ

কুশল কোঁৱৰ পথ, যোৰহাট।

প্ৰধান সম্পাদকৰ একাষাৰ

'কৃষ্ণকান্ত সন্দিকৈ'—এই নিবন্ধকাৰ নামটিয়েই যথেষ্ট। নামটি উচ্চাৰণ কৰাৰ লগে লগে অতিশয় সৰল জীৱন যাপন আৰু উচ্চ চিন্তা কৰোঁতা, ঋষিতুল্য ব্যক্তিত্বৰ অধিকাৰীগৰাকীলৈ মনত পৰে। প্ৰাচ্যবিদ্যাৰ সাগৰস্বৰূপ, বহুভাষাবিদ, তপস্বীতুল্য গৱেষক সন্দিকৈ ডাঙৰীয়াৰ লগত অসম সাহিত্য সভাৰ সম্পৰ্ক কেৱল 'সভাপতি আৰু সভাৰ সম্পৰ্ক' নহয়; এই সম্পৰ্ক নাড়ীৰ সম্পৰ্ক। সভাই তেখেতক ডেকা কালতে সভাপতি আসনত বহুৱাই সন্মান কৰিছে আৰু শেহ বয়সতো সভাৰ প্ৰথম 'সদস্য-মহীয়ান' উপাধি প্ৰদানেৰে সন্মান যাচিছে। তথাপি ভাব হৈছে, এইগৰাকী ব্যক্তিৰ সোঁৱৰণত সভাই আৰু অনেকখিনি কাম কৰিবলৈ আছে।

১৯৮২ চনৰ ৭জুন তাৰিখে শেষ-নিশ্বাস পেলোৱাৰ কেইদিন মানৰ আগলৈকে এটি নিয়মীয়া জ্ঞানান্বেষণৰ জীৱন-যাপন কৰোঁতা সন্দিকৈ ডাঙৰীয়াৰ স্মৃতিত অসম সাহিত্য সভাই ১। সভাৰ পত্ৰিকাৰ এটি স্মাৰক সংখ্যা প্ৰকাশ, ২। এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ, ৩। সন্দিকৈ ডাঙৰীয়াৰ অসমীয়া ভাষাত লিখা ৰচনাৱলীৰ একত্ৰ প্ৰকাশ, ৪। এটি স্মাৰক-বক্তৃতাৰ আয়োজন, ৫। স্মাৰক ডাকটিকট উলিওৱাৰ বাবে সংশ্লিষ্ট বিভাগৰ লগত যোগাযোগ কৰা—এই কেইটা কাম কৰিবলৈ হাতত লয়। ইতিমধ্যে পত্ৰিকাৰ স্মাৰক সংখ্যা প্ৰকাশিত হৈছে আৰু 'কৃষ্ণকান্ত সন্দিকৈ ৰচনা-সম্ভাৰ' শ্ৰীযতীন্দ্ৰনাথ গোস্বামীৰ দ্বাৰা সম্পাদিত হোৱাৰ পিছত ছপা হৈ আছে। স্মাৰক 'ডাক-টিকটৰ' বাবে কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট বিভাগৰ লগত যোগাযোগ কৰা হৈছিল; কিন্তু ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে ডাকটিকট উলিয়ালে। স্মাৰক বক্তৃতাৰ প্ৰস্তাৱ এতিয়াও কাৰ্যকৰী কৰিবলৈ বাকী থকাৰ মাজতে সভাই সিদ্ধান্ত গ্ৰহণ কৰা মতে এই 'স্মৃতি-গ্ৰন্থ'খনিও প্ৰকাশ কৰা হ'ল। আমি আশা কৰিছো 'প্ৰাচ্যবিদ্যাৰ্ণৱ কৃষ্ণকান্ত'ই এইগৰাকী মনীষীৰ জীৱন, কৰ্ম আৰু প্ৰতিভাৰ বিভিন্ন দিশত আলোকপাত

কৰিবলৈ সক্ষম হ'ব। আমি আজি পুনৰ প্ৰাচ্যবিদ্যাৰ্ণৱ সন্দিকৈৰ স্মৃতিত জ্ঞাপন কৰিছোঁ গভীৰ শ্ৰদ্ধাঞ্জলি।

অসম সাহিত্য সভাই এই গ্ৰন্থখনি সেইগৰাকী ব্যক্তিৰ হাতেৰেই সম্পাদনা কৰাইছে, যিগৰাকীয়ে সন্দিকৈ ডাঙৰীয়াৰ অন্তৰংগ সান্নিধ্য লাভৰ বিৰল সুযোগ লাভ কৰিছিল আৰু তথ্য-নিৰ্ভৰ জীৱনীগ্ৰন্থখনি সন্দিকৈ ডাঙৰীয়াৰ জীৱদ্দশাতে প্ৰকাশ কৰি উলিয়াবলৈ সমৰ্থ হৈছিল। নকলেও হ'ব, সেইগৰাকী আমাৰ সাম্প্ৰতিক কালৰ অন্যতম বৰণীয় লেখক আব্দুছ ছাত্তাৰ ডাঙৰীয়া। সভাৰ হৈ গ্ৰন্থখনি গভীৰ আন্তৰিকতাৰে সম্পাদনা কৰি দিয়াৰ বাবে শ্ৰীযুত ছাত্তাৰ চাহাবলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

গ্ৰন্থখনিত সন্নিবিষ্ট কৰিবৰ বাবে যিখিনি দুষ্প্ৰাপ্য ছবি সন্দিকৈ ডাঙৰীয়াৰ পৰিয়ালবৰ্গৰ পোৱা হ'ল তাৰ বাবে সন্দিকৈ পৰিয়ালৰ সকলোটিৰে প্ৰতি আমাৰ কৃতজ্ঞতা জনালোঁ। আশা কৰিছোঁ 'দানবীৰ ৰাধাকান্ত' আৰু 'প্ৰাচ্যবিদ্যাৰ্ণৱ কৃষ্ণকান্ত' এই দুয়োটি পুথিয়ে সভাৰ লগত বান্ধি যোৱা সোণৰ সেতু গঢ় চিৰযুগমীয়া হৈ ৰ'ব আৰু সভাৰ কেন্দ্ৰীয় কাৰ্য্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ চৌহদটিতে—'ৰাধাকান্ত' আৰু 'কৃষ্ণকান্ত'ৰ স্মৃতিও যাউতিযুগীয়া হৈ থাকিব।

গ্ৰন্থখনিৰ প্ৰবন্ধ-লেখক সকললৈ সভাৰ পক্ষৰপৰা জ্ঞাপন কৰিছোঁ আন্তৰিক শলাগ। অপৰূপ প্ৰিন্টাৰ্চে গ্ৰন্থখনি ছপাই দিয়াৰ বাবে প্ৰেছৰ স্বত্বাধিকাৰী শ্ৰীঅৰুণ দত্ত প্ৰমুখ্যে কৰ্মীবৃন্দকো শলাগ লওঁ।

১ মাৰ্চ ১৯৮৪ — প্ৰধান সম্পাদক

চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট। — অসম সাহিত্য সভা

সম্পাদকৰ নিবেদন

প্ৰাচ্যবিদ্যাৰ্ণৱ কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াৰ সম্বন্ধে বিশিষ্ট যিসকল ব্যক্তিক বিভিন্ন বিষয়-সূচী দি অনুৰোধ কৰা হৈছিল সেই অনুক্ৰমে কেইটামান প্ৰবন্ধ পোৱা নহ'ল। নাছি দিয়া বিভিন্ন বিষয়ৰ যোগেদি সন্দিকৈ সম্বন্ধে সকলো তথ্য-পাতি বিভিন্ন দৃষ্টি কোণৰপৰা উত্থাপিত হ'ব বুলি আশা কৰা হৈছিল। কিন্তু আশা-কৰা ধৰণে পুথিখনি উলিয়াব নোৱাৰি দুঃখিত। তদুপৰি 'সেতুবন্ধ' সম্বন্ধে প্ৰবন্ধ এটা যোগাৰ কৰিব নোৱাৰি পৰিশিষ্টত এই মহাকাব্যখনৰ সম্পৰ্কে ময়ে এটা চমু আভাস দাঙি ধৰিছো যাতে সেই গ্ৰন্থখনৰ বিষয়ে উৎসুক পঢ়ুৱৈসকলে জানিব পাৰে।

দ্বিতীয়তে মই ব্যক্তিগতভাৱে প্ৰবন্ধপাতি নেলেখি 'ভূমিকা'-খন দীঘলীয়াকৈ এই কাৰণেই লিখিবলগা হ'ল যিহেতু এই ব্যক্তিজনাৰ সম্বন্ধে প্ৰায় সকলো দিশ প্ৰস্ফুটিত হয়।

যিসকল লেখকে অতি কষ্ট কৰি আমাক এই প্ৰবন্ধসমূহ যোগান ধৰিলে সেইসকললৈ মোৰ আন্তৰিক শলাগ আৰু ধন্যবাদ যাচিলো। তেখেতসকলৰ সহযোগিতাৰ অবিহনে এনে এখন গ্ৰন্থ প্ৰকাশ কৰিব পৰা সম্ভাৱনা নাছিল।

অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ড° নগেন শইকীয়াই বিভিন্ন ধৰণে আমাক পৰামৰ্শ আগবঢ়োৱা কাৰণে তেখেতলৈ মই আন্তৰিক ধন্যবাদ যচিছোঁ।

অতি আপুৰুগীয়া আলোকচিত্ৰ ছখন সন্দিকৈৰ সৰু জীয়াৰী শ্ৰীমতী অহল্যা গগৈৰ সৌজন্যত পোৱা কাৰণে মই তেখেতৰ কৃতজ্ঞতা স্বীকাৰ কৰি শলাগ যাচিছোঁ।

পুথিখনৰ আহি কাকত চোৱাৰ সম্পূৰ্ণ ভাৰ আছিল অসম সাহিত্য সভাৰ কাৰ্যালয় সচিব শ্ৰীপৱন বুঢ়াগোহাঁইৰ। কিন্তু কিতাপত

ছপাখানাৰ ভূত লম্ভিল। আৰৰ পৰি যোৱাত যি দুই চাৰিটা ভুল হ'ল তাৰ কাৰণে আমি ৰাইজৰ ওচৰত ক্ষমা বিচাৰিলো।

বহুতে অনুৰোধ কৰে কাৰণে সন্দিকৈৰ গ্ৰন্থ তিনিখনৰ পোৱাৰ ঠিকনা পৰিশিষ্টত দিয়া হ'ল।

১৭২ পৃষ্ঠাত ভুলকৈ ছপা হোৱা নামটো অনুগ্ৰহ কৰি পঢ়ুৱৈয়ে শুধৰাই ল'ব— হ'ব লাগে— বুদ্ধীন্দ্ৰনাথ দিহিঙীয়াল ভট্টাচাৰ্য। 'নৈষধ চৰিত আৰু সন্দিকৈৰ অনুবাদ' বোলা ড° বিশ্বনাৰায়ণ শাস্ত্ৰীৰ প্ৰবন্ধটোত ফুট ন'টৰ উল্লেখ কৰি প্ৰবন্ধৰ শেষতহে উল্লেখ আৰু টোকা দিয়া হ'ল। লগতে ১৩৩ পৃষ্ঠাত ফুট ন'টত দিয়া ১৫ অৰ সলনি ১৬ কৰি শুধৰাই ল'ব।

প্ৰাচ্যবিদ্যার্ণৱ কৃষ্ণকান্ত' গ্ৰন্থখনি অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহকে সম্পাদনা কৰিবলৈ দিয়াত মই চিৰকৃতজ্ঞ।

পুথিখনে ৰাইজৰ সমাদৰ পাব বুলি আশা ৰাখিলো। ইতি।

যোৰহাট
১৭.৩৮৪

সূচীপত্ৰ

প্ৰধান সম্পাদকৰ একাষাৰ ॥

গ্ৰন্থ-সম্পাদকৰ নিবেদন ॥

ভূমিকা ॥

কৃষ্ণ-চৰিত —সাহিত্যাচাৰ্য শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা ॥ ১

সন্দিকৈৰ জীৱনৰ দিশৰ ৰূপ – শ্ৰীঅজিতকুমাৰ শৰ্মা ॥ ২২

অধ্যাপক কৃষ্ণকান্ত সন্দিকৈ —ড° মহেশ্বৰ নেওগ ॥ ৫২

দূৰে দূৰে কাষে কাষে —চৈয়দ আব্দুল মালিক ॥ ৬৯

ঋষিতুল্য পণ্ডিত অধ্যাপক কৃষ্ণকান্ত সন্দিকৈ —ড° আদিনাথ নেমিনাথ উপাধ্যে ॥ ৭৮

কৃষ্ণকান্ত সন্দিকৈৰ অসমীয়া ৰচনা —শ্ৰীযতীন্দ্ৰনাথ গোস্বামী ॥ ৮৫

'যশস্তিলক'ত ব্যংগৰস : সন্দিকৈৰ দৃষ্টিৰে —ড° বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য ॥ ৯৭

নৈষধচৰিত আৰু সন্দিকৈৰ অনুবাদ —ড° বিশ্বনাৰায়ণ শাস্ত্ৰী ॥ ১০৯

এজন ছাত্ৰৰ দৃষ্টিৰে অধ্যক্ষ কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়া —শ্ৰীপৱনাথ শৰ্মা ॥ ১৪০

কৃষ্ণকান্ত সন্দিকৈ আৰু ভাৰতীয় সংস্কৃতি —শ্ৰীযোগেশ্বৰ শৰ্মা ॥ ১৫৭

অসম সাহিত্য সভা আৰু কৃষ্ণকান্ত সন্দিকৈ —অধ্যাপক শ্ৰীডিম্বেশ্বৰ দয়াল শৰ্মা ॥ ১৭১

আহি পুৰুষ সন্দিকৈ : মহান একৰ্মপ্ৰাৰ —শ্ৰীমুনীন বৰকটকী ॥ ১৮৩

প্ৰাচ্যবিদ্যাৰ্ণৱৰ বিশিষ্টতা অনুধাৱন —ড° নগেন শইকীয়া ॥ ২১৬

ব্যক্তিত্ব আৰু পাণ্ডিত্য - শ্ৰীপৰাগ চলিহা ॥ ২০৪

মই জনা মানুহজন —শ্ৰীৰাধানাথ হাজৰিকা ॥ ২২২

দেউতাৰ সোঁৱৰণত —শ্ৰীমতী অহল্যা গগৈ ॥ ২২৮

পৰিশিষ্ট —১ ॥ 'সেতুবন্ধ' —এটি চমু পৰ্যালোচনা ॥ ২৩৮

পৰিশিষ্ট —২ ॥ চকুৰ পচাৰতে স্বৰ্গীয় কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াৰ জীৱনৰ উল্লেখযোগ্য কথা কেইটামান ॥ ২৪৪

পৰিশিষ্ট —৩ ॥ শোকবাৰ্তা ॥ ২৪৭

পৰিশিষ্ট —৪ ॥ কৃষ্ণকান্ত সন্দিকৈৰ পাণ্ডিত্যপূৰ্ণ গ্ৰন্থ তিনিখনৰ পোৱাৰ ঠিকনা তলত দিয়া হ'ল ॥ ২৫২

পৰিশিষ্ট —৫ ॥ 'প্ৰাচ্য বিদ্যাৰ্ণৱ কৃষ্ণকান্ত'ৰ লেখকসকল ॥ ২৫৩

যিজন ব্যক্তি অনন্যসাধাৰণ, নিৰভিমানী, বিশেষণবিৰোধী, অল্পভাষী,
জ্ঞান-যোগী আৰু অধ্যয়নশীল; পাৰ্থিৱ খ্যাতিৰ প্ৰতি
যিজনৰ অনীহা, চৰিত্ৰ যাৰ নিষ্কলুষ, যিজনৰ ব্যক্তিত্ব
পাণ্ডিত্যত মিহলি হৈ গৈছে তেনে এজন
অনুসন্ধিৎসু গৱেষক পণ্ডিত
অধ্যাপক কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াৰ সম্বন্ধে লিখা বিভিন্নজনৰ
প্ৰবন্ধ-চয়ন

প্ৰাচ্যবিদ্যাৰ্ণৱ কৃষ্ণকান্ত

ভূমিকা

আব্দুছ ছাত্তাৰ

কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াৰ পৰলোকপ্ৰাপ্তিৰ পিচত অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্বাহক সমিতিৰ সৌজন্যত আজি যি এখন স্মৃতিগ্ৰন্থ সম্পাদনা কৰিবলৈ লৈছো তাৰ নাম ৰখা হৈছে—'প্ৰাচ্যবিদ্যাৰ্ণৱ কৃষ্ণকান্ত; যিজন বিশেষণ বিৰোধী ব্যক্তি আছিল সেইজনৰ নামৰ আগত 'প্ৰাচ্যবিদ্যাৰ্ণৱ' দিয়াত তেওঁৰ আত্মাই শান্তি পাইছেনে নাই তাকহে ভাবিছো; যদিও আমি আলোচনা-বিলোচনা কৰিহে এই নামটো দিয়া স্থিৰ কৰিলো কিন্তু প্ৰকৃততে প্ৰধান সম্পাদক ড° নগেন শইকীয়াইহে এই নামেৰে নামকৰণ কৰিছে।

বাস্তৱিকতে ক'বলৈ গ'লে কৃষ্ণকান্ত সন্দিকৈ কিন্তু এগৰাকী প্ৰখ্যাত সংস্কৃত পণ্ডিতৰূপেহে অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ পৰা ওলালে-হেঁতেন। কিন্তু ঘটনাচক্ৰতহে তেওঁ অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ পৰা আধুনিক বুৰঞ্জীত এম-এ ডিগ্ৰী লাভ কৰিলে। তেওঁ ১৯১৯ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা সংস্কৃতত এম-এ পাছ কৰি বিলাতলৈ যাবৰ কাৰণে মনস্থ কৰিলে। সন্দিকৈ কিন্তু পোছাক-পৰিচ্ছদত তেনেই অসমীয়া আছিল। বিলাতলৈ যাওঁতেহে প্ৰথম বাৰৰ কাৰণে তেওঁ চাহাবী পোছাক পিন্ধিছিল। কলিকতাৰ পৰা বিলাত যাত্ৰা কৰিবলৈ হাওৰা ষ্টেচনৰ পৰা বম্বেলৈ বুলি ৰেলত উঠোঁতে আগবঢ়াবলৈ যোৱা অসমীয়া ছাত্ৰসকলৰ দুই এজনে তেওঁৰ পোছাক দেখি ঠাট্টাৰ সুৰত কৈছিল— 'আপুনি বিলাতলৈ নগৈ, চুৰিয়া, পিন্ধি অসমলৈ যাব খুজিছেনে কি?' দলৰ লগত ৰথিকুমাৰ দ ম ডাঙৰীয়াও আছিল। সন্দিকৈয়ে কিন্তু মনে পোছাকে আগে ভাগে চাহাবী

পোছাকযোৰ প্ৰথম পিন্ধে আৰু তেতিয়াই নিজৰ চুৰিয়া-কামিজ জাপি-কুচি বাকচত ভৰাই থয়।

কৃষ্ণকান্ত সন্দিকৈয়ে ইউৰোপত থকা কালত ব্যৱহাৰ কৰা বিলাতী পোছাক-পৰিচ্ছদ সকলো'বোৰ ভাৰতলৈ আহিয়ে বম্বে আৰু কলিকতাতে ছাত্ৰ বন্ধুসকলক বিলাই দিলে। এযোৰো পোছাক নিজৰ বাবে নেৰাখিলে। মাত্ৰ নিজৰ 'ড্ৰেচিংগাওন'টো ঘৰত থকা বুঢ়া লগুৱা বাপুক দিছিল। বাপুৱে ৰৰমইনাৰ 'গাওন'টো পিন্ধিবলৈ পাই আনন্দত তত্তেই নোহোৱা হ'ল। (কৃষ্ণকান্ত সন্দিকৈৰ ঘৰত মতা নাম আছিল— ৰৰমইনা)। গতিকে সুবিধা পালেই বাপুৱে বজাৰে-সমাৰে গাওনটো পিন্ধি ঘূৰি ফুৰিছিল আৰু য'তেই সুবিধা পাইছিল ত'তে কৈছিল— এই চোলাটো মোক ৰৰমইনাই বিলাতৰ-পৰা আনি দিছে।

কৃষ্ণকান্ত সন্দিকৈৰ ভাতৃ শ্ৰীলক্ষ্মীকান্ত সন্দিকৈৰপৰা এটা কথা জানিছিলো যে দুয়ো ভাই-ককাই বিলাতলৈ গৈছিল। কিন্তু লক্ষ্মীকান্ত সন্দিকৈয়ে মেম বিয়া কৰি তেওঁতকৈ আগতে দেশলৈ ঘূৰি আহিল। যিদিনা কৃষ্ণকান্ত সন্দিকৈ বিলাতৰপৰা যোৰহাট পাইছিলহি সেইদিনা তেওঁৰ কাৰণে গোটেই পৰিয়াল বৰ আগ্ৰহেৰে বাটচাই আছিল। দেউতাক ৰাধাকান্ত সন্দিকৈ আৰু বাকী সকলোৱে ধুতি-কামিজ পিন্ধি অহা বিলাত ফেৰং ডেকা সন্দিকৈক দেখি অতি আচৰিত হ'ল। সকলোৱে মনে মনে ভাবি আছিল সাত বছৰকৈ বিজনে ইংলেণ্ড, ফ্ৰান্স, আৰু জাৰ্মানিত আছিল সেই জন কৃষ্ণকান্তই নিশ্চয় চাহাবী পোছাক পিন্ধি আহিব। কিন্তু প্ৰথম দৰ্শনতে সকলো হতাশ হ'ল— বিশেষকৈ দেউতাক ৰাধাকান্ত। তেতিয়া দেউতাকে কৈছিল— মোৰ ল'ৰা ছটা দুখন নদীৰ নিচিনা। এখনত এটাই উজাই গৈছে আৰু ইখনত এটাই ভটিয়াই গৈছে।

ওপৰত উল্লেখ কৰি অহা হৈছে যে সন্দিকৈ ডাঙৰীয়াৰ অক্সফোৰ্ড বিশ্ববিদ্যালয়ত বৈদিক সাহিত্য গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী

লোৱাৰ অভিপ্ৰায় আছিল। সেই সময়ত জগৎ বিখ্যাত বৈদিক পণ্ডিত আৰ্থাৰ এন্থনি ম্যাকদোনেল অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ সংস্কৃতৰ অধ্যাপক আছিল। ঋক বেদৰ বিশেষজ্ঞ হিচাপে আৰু বৈদিক ভাষাৰ বৃহৎ ব্যাকৰণ আৰু বৈদিক পুৰাণ শাস্ত্ৰ আদি গ্ৰন্থ লিখি তেওঁ যশস্বী হৈছিল। সন্দিকৈয়ে কলিকতা বিশ্ববিদ্যালয়ত সংস্কৃতত বি-এ (সন্মান) পঢ়োতে তেওঁ লিখা এখন চমু সংস্কৃত সাহিত্যৰ বুৰঞ্জীও পঢ়িছিল। সেই গ্ৰন্থত তেওঁ বৈদিক সাহিত্যৰ যিটো বিৱৰণ দিছিল সেইটো সন্দিকৈৰ এক ৰকম মুখস্থই আছিল। কিন্তু তেওঁৰ তলত গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লোৱা সংকল্প কৰা সত্বেও সন্দিকৈৰ মনত উগুল থুগুল লাগি আছিল। ইয়াৰ প্ৰধান কাৰণ হৈছিল যে তেওঁ এম-এ পঢ়োতে ৰীতিমতে কলিকতাৰ ইম্পিৰিয়েল লাইব্ৰেৰীত দিনৌ অন্ততঃ দুঘণ্টাকৈ প্ৰাচীন বুৰঞ্জী অধ্যয়ন কৰিছিল আৰু সেই সময়তে তেওঁ প্ৰাচীন বেবিলনৰ বেদ বুলি এটা দীঘলীয়া প্ৰবন্ধও লিখিছিল আৰু সেই প্ৰবন্ধটো সন্মিলন প্ৰৱন্ধাৱলীৰ দ্বিতীয় ভাগত ছপা হৈছিল। তদুপৰি এম-এ পঢ়াৰ সময়ছোৱাতে প্ৰথম মহাসমৰ অন্ত হৈছিল। সেই সময়ত তেওঁৰ আধুনিক পাশ্চাত্য বুৰঞ্জী অধ্যয়ন কাৰবলৈ এটা প্ৰবল ধাউতি হৈছিল। সেই সময়ত অপূৰ্বকুমাৰ চন্দ অক্সফোৰ্ডৰপৰা ইংৰাজী সাহিত্যত অনাৰ্চ ডিগ্ৰী লৈ কলিকতা বিশ্ববিদ্যালয়ত ইংৰাজী সাহিত্যৰ সাময়িকভাৱে লেক্‌চাৰাৰ হৈছিলহি। (পাচত চৰকাৰী কামলৈ আহি তেওঁ বঙ্গদেশৰ শিক্ষা বিভাগৰ ডি-পি আই হৈছিল গৈ।) সন্দিকৈয়ে তেতিয়া চন্দৰ লগত বিতংকৈ আলোচনা কৰি বিলাতলৈ গৈ সংস্কৃতত গৱেষণা কৰাৰ সিদ্ধান্ত কৰে। এই সম্পৰ্কে মই সন্দিকৈ ডাঙৰীয়াক সুধিছিলো—'আপুনি জানো কোনো এটা নিৰ্দিষ্ট বিষয় বাছি লোৱা নাছিল? তেতিয়া তেওঁ কৈছিল 'ব্ৰাহ্মণ যুগৰ সামাজিক ইতিবৃত্ত'। কিন্তু সেই সময়ত তেওঁক এই নিৱন্ধৰ কাৰণে পৰামৰ্শ দিবলৈ তেতিয়া কলিকতাত সামাজিক বুৰঞ্জীৰ কোনো নাছিল। গতিকে তেওঁ বিখ্যাত বুৰঞ্জী-বিদ চাৰ যদুনাথ চৰকাৰৰ লগত এই বিষয়ে আলোচনা কৰিবলৈ

থিৰ কৰিলে যদিও সংস্কৃতৰ মসৃহ নাছিল। তেওঁ আছিল মোগল বুৰঞ্জীৰ জগত বিখ্যাত বিশেষজ্ঞ, তথাপি সামাজিক বুৰঞ্জীৰ বিষয়ে তেওঁৰ নিচিনা এগৰাকী প্ৰবীণ ঐতিহাসকৰ পৰা পৰামৰ্শ লোৱা আৱশ্যক বুলি সন্দিকৈয়ে ভাবিছিল।

যথাসময়ত তেওঁ অধ্যাপক যদুনাথ চৰকাৰক ঘৰতে দেখা কৰিলেগৈ। সেইদিনা প্ৰায় তিনি ঘণ্টা সময়জুৰি তেওঁৰ লগত আলোচনা-বিলোচনা কৰি সামাজিক বুৰঞ্জীৰ বিষয়ে তেওঁ লিখিব খোজা নিবন্ধখনত কেনে ধৰণৰ বিষয় সন্নিবিষ্ট কৰিব লাগিব সেই সম্পৰ্কে এখন বিস্তৃত আঁচনি প্ৰস্তুত কৰি দিয়া দেখি তবধ মানিলে। লগতে চৰকাৰে ইয়াকো ক'লে যে তেতিয়ালৈকে ভাৰতবৰ্ষত সংস্কৃতমূলক যিবিলাক ঐতিহাসিক গৱেষণা হৈছিল সেই বিলাকৰ লগতো তেওঁৰ ঘনিষ্ঠ পৰিচয় আছিল।

লণ্ডন পোৱাৰ পিচ দিনাই সন্দিকৈয়ে প্ৰফেচাৰ ম্যাকদোনেলক লগ পাবলৈ গ'ল। অক্সফোৰ্ডত ইণ্ডিয়ান ইনষ্টিটিউট বুলি সংস্কৃত আৰু ভাৰতীয় কৃষ্টিমূলক গৱেষণাৰ কাৰণে এটা শিক্ষা প্ৰতিষ্ঠান আছে। তাত সংস্কৃত পুথিৰ এটা ভাল লাইব্ৰেৰীও আছিল। তাতে প্ৰফেচাৰ ম্যাকদোনেলৰ কাৰ্যালয়ো আছিল। তেওঁক তাতে লগ পাবলৈ বুলি সন্দিকৈ গ'ল। তেওঁ দুৱাৰ মুখ পাওঁতেই চুটি চাপৰ অতি সাধাৰণ পোছাক পিন্ধা তজবজীয়া বুঢ়া এজন তেওঁৰ কাষেদিয়েই ভিতৰলৈ সোমাই গ'ল। বুঢ়াজনে চোকা দৃষ্টি নিক্ষেপ কৰি সন্দিকৈক ক'লে — 'I am professor macdonal'। লগে লগে তেওঁ সন্দিকৈক ভিতৰলৈ লৈ গ'ল। তেতিয়া তেওঁ প্ৰফেচাৰজনক অক্সফোৰ্ডলৈ D. Phil ডিগ্ৰীৰ কাৰণে গৱেষণা কৰিবলৈ অহাৰ কথা ক'লে। তেওঁৰ গৱেষণাৰ বিষয়— 'ব্ৰাহ্মণযুগৰ বৈদিক সমাজ' বুলি জনালে। বিষয়টো শুনি প্ৰফেচাৰ গৰাকীয়ে গুৰুত্ব নিদিলে। লগতে তেওঁ ক'লে যে জাৰ্মানিত এই বিষয়ে বহুত গৱেষণা হৈ গৈছে আৰু 'শতপথ

ব্ৰাহ্মণ'ৰ বিস্তীৰ্ণ ব্যাখ্যাপূৰ্ণ ইংৰাজী অনুবাদৰ আৰু সেই ধৰণৰ আন অনুবাদৰ পৰাও তেনে এখন নিবন্ধ লিখিব পাৰি। তেওঁ ইয়াকো জনালে যে অক্সফোৰ্ডত তেতিয়া D. Phil degree নতুনকৈ খোলা হৈছে। সেই কাৰণে 'তুমি ইয়াত যজুৰ্বেদৰ ভাষাগত গৱেষণা কৰিলে ভাল হ'ব।' এইবুলি কৈ তেওঁ সন্দিকৈক তৈত্তিৰীয় ব্ৰাহ্মণ আৰু এখন শ্ৰৌতসূত্ৰৰ গৱেষণামূলক আৰু ব্যাখ্যানমূলক অনুবাদ প্ৰস্তুত কৰিবলৈ ক'লে। তেওঁৰ কথা শুনি তাকে কৰিবলৈ মান্তি হ'ল। কাৰণ কলিকতাত এম-এ পঢ়োতে সীতাৰাম শাস্ত্ৰীৰ লগত যজুৰ্বেদৰ কোনো কোনো অংশ অধ্যয়ন কৰিছিল। সেয়েহে তেওঁ তৈত্তিৰীয় ব্ৰাহ্মণৰ লগত শতপথ আৰু শ্ৰৌতসূত্ৰৰ ব্যাখ্যানমূলক অনুবাদ কৰিবলৈ মান্তি হ'লে। তেতিয়া অধ্যাপক ম্যাকদোনেলে তেওঁক ক'লে যে প্ৰস্তাৱিত অনুবাদৰ বিষয়ে হলেণ্ডৰ Utrecht বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° কালাণ্ডৰ লগতো পৰামৰ্শ কৰিব লাগে। কাৰণ তেওঁ ব্ৰাহ্মণ আৰু শ্ৰৌতসূত্ৰসমূহৰ বিশেষজ্ঞ পণ্ডিত বুলি বিখ্যাত আছিল। তেওঁলৈ সন্দিকৈয়ে চিঠি দি জনোৱাত উত্তৰত জনালে যে "আপুনি শতপথৰ আৰু শ্ৰৌত শাস্ত্ৰখন অনুবাদ কৰিবলৈ লোৱাত মই ভাল পাইছো। কিন্তু ইয়াত ভালেমান ভাৰদ্বাজ শ্ৰৌতসূত্ৰ সোমাই আছে। আপুনি সেইখন পঢ়ি ল'ব লাগিব। কিন্তু ভাৰদ্বাজ শ্ৰৌতসূত্ৰ ছপা হোৱা আৰু ভাৰদ্বাজৰ পুথিও ইউৰোপত পোৱা নাযায়। আপুনি এখন পুথি যোগাৰ কৰিব লাগিব।"

ড° কালাণ্ডৰ চিঠিখন সন্দিকৈয়ে প্ৰফেচাৰ ম্যাকদোনেলক দেখুওৱাত তেওঁ ক'লে যে লণ্ডনৰ ইণ্ডিয়া অফিচৰ যোগেদি ইয়াৰ এখন পুথি ভাৰতৰ পৰা অনাব লাগিব। সেই সময়ত ইণ্ডিয়া অফিচৰ লাইব্ৰেৰীয়ান আছিল ড° এফ টমাছ। সন্দিকৈৰ পৰা জনামতে ড° টমাছ সংস্কৃতৰ এজন বিখ্যাত পণ্ডিত আছিল। কেইবছৰমানৰ পাছত অধ্যাপক ম্যাকদোনেলৰ ঠাইত তেওঁৱেই

অক্সফোৰ্ডত সংস্কৃতৰ অধ্যাপক হৈছিল। সন্দিকৈ বিলাতলৈ আহিবৰ সময়ত কলিকতা সংস্কৃত কলেজৰ অধ্যক্ষ মহামহোপাধ্যায় ড° সতীশচন্দ্ৰ বিদ্যাভূষণেও তেওঁক কৈছিল যে ড° টমাছৰ নিচিনা সংস্কৃত পণ্ডিত বৰ বিৰল আৰু আৱশ্যকমতে তেওঁৰ লগত গৱেষণাৰ বিষয়েও পৰামৰ্শ কৰিবলৈ উপদেশ দিছিল।

কিন্তু সন্দিকৈয়ে ড° টমাছৰ লগত কথা হৈ জানিব পাৰিলে যে সাধাৰণতে লাইব্ৰেৰীবিলাকে আপুৰুগীয়া এনে পুথি নপঠায়। কিন্তু নকল কৰোৱাই দিলে খৰচ নিজে বহন কৰিব লাগে। কিন্তু তেওঁ যি বুজিলে ভাৰতৰ পৰা এনেদৰে নকল আনিলে অন্ততঃ ছমাহ লাগিব আৰু ভাৰতৰ পৰা পুথি আনি বিলাতত গৱেষণা কৰিবলৈ লোৱা কথাটো তেওঁৰ কেনেবা কেনেবা লাগিল।

এইদৰে থাকোতে সন্দিকৈয়ে ধাৰণা কৰিলে যে অক্সফোৰ্ডত এনে ধৰণে ব্যস্ত থাকিলে তেওঁৰ পাশ্চাত্য ভাষা আৰু বুৰঞ্জী শিক্ষা সম্পূৰ্ণ বাধা পৰিব আৰু অক্সফোৰ্ডলৈ অহাৰ মূল উদ্দেশ্য বিফল হ'ব। এই ভাবি তেওঁ অধ্যাপক ম্যাকদোনেলক 'আধুনিক বুৰঞ্জী' পঢ়াৰ কথা খুলি ক'লে। কথা শুনি অধ্যাপকে অলপ বিৰক্ত হৈ ক'লে— বৈদিক গৱেষণা আৰু আধুনিক বুৰঞ্জী এটা অদ্ভুত সংমিশ্ৰণ হ'ব। (It will be a curious combination)। কিন্তু অলপ পিচতে বিজ্ঞ অধ্যাপকজনে যেতিয়া ক'লে যে তেওঁ অক্সফোৰ্ডত আধুনিক বুৰঞ্জী অনাৰ্চ ডিগ্ৰী ল'বলৈ হ'লে তাৰ কাৰণেও বহুত পঢ়িব লাগিব আৰু তেতিয়া তেওঁৰ জ্ঞানৰ পৰিধিও বাঢ়িব — তেতিয়া তেওঁ যথেষ্ট উৎসাহিত হ'ল। এই কথাবোৰ শুনি সন্দিকৈ ডাঙৰীয়াক মই এটা প্ৰশ্ন সুধিছিলো— অধ্যাপক ম্যাকদোনেলৰ লগত আপোনাৰ ইমান আলোচনা-বিলোচনা হ'ল যদিও বৈদিক গৱেষণাৰ ক্ষেত্ৰত আপোনাৰ কোনো লাভ হ'ল যেন নেলাগিল। এই সম্বন্ধে আপোনাৰ কিবা মতামত আছেনে ? উত্তৰত তেওঁ কৈছিল — বাস্তৱিকতে অধ্যাপক ম্যাকদোনেলৰ লগত আলাপ-আলোচনা কৰি সেই কেই

দিনৰ ভিতৰতে মই তেওঁৰ পৰা বহুত কথা শিকিছিলো। তদুপৰি যজুৰ্বেদৰ আৰু সংশ্লিষ্ট ব্ৰাহ্মণ আৰু শেষত সূত্ৰবিলাকৰ পৰা এটা ভাষাগত গৱেষণাৰ আৱশ্যকতা আছে বুলি মই উপলব্ধি কৰিছিলো এই কাৰণেই মই ভাবতলৈ ঘূৰি আহি সংস্কৃত সাহিত্যৰ দীঘলীয়াকৈ পুনৰ অধ্যয়ন আৰম্ভ কৰোঁতে যজুৰ্বেদেও মোৰ মন আকৰ্ষণ কৰিছিল। এই কাৰণে Literary & Lexigraphical studies of Yajurveda বুলি এখন বিস্তৃত গ্ৰন্থ লিখাৰ অভিপ্ৰায় কৰিছিলো। কিন্তু নৈষধ চৰিত আৰু যশস্তিলক গ্ৰন্থৰ কাম অন্ত হোৱাৰ লগে লগেই মই গুৱাহাটী বিশ্ববিদ্যালয়লৈ যাব লগা হোৱাত মোৰ প্ৰস্তাৱিত কামত আগবাঢ়িব নোৱাৰিলো।

অক্সফোৰ্ডৰ এই গোটেই কথাখিনি সম্পৰ্কে ডাঙৰীয়াৰ লগত হোৱা মৃত্যুৰ মাত্ৰ অলপ দিনৰ আগৰ সাক্ষাতত্তহে বিতংকৈ জানিলো। তেওঁ কিদৰে সংস্কৃতত গৱেষণা কৰি ডক্টৰেট হ'বলৈ গৈ অক্সফোৰ্ডত আধুনিক বুৰঞ্জীত এম-এ পাছ কৰি ওলাল। এই কথাবিলাক সম্পৰ্কেয়ে আগতে গোপন কৰিয়ে ৰাখিছিল। জ্ঞান সন্ধানীয়ে কিদৰে জ্ঞানৰ সন্ধানত হাবাথুৰি খাই ফুৰিছিল তাৰেই সুন্দৰ নিদৰ্শন।

কৃষ্ণকান্ত সম্পৰ্কে মানুহজন চিৰদিনেই — প্ৰচাৰ বিমুখ আছিল। তেওঁৰ জীৱনৰ বৈশিষ্ট্যই আছিল প্ৰচাৰ বিমুখতা। জীৱনী লিখাটোও তেওঁ প্ৰচাৰ বুলিহে গণ্য কৰিছিল আৰু সেয়েহে সেই কথা গোপন কৰিবলৈ চেষ্টা কৰিছিল। ভাষাবিদ পণ্ডিত ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে তেওঁক এসময়ত ঠাট্টাৰ সুৰত ক'লেও প্ৰকৃত কথাকে কৈছিল— "আপোনাৰ নিজৰ কথা আৰু কৃতিত্ব লুকাই ৰখা বিদ্যাটো আপুনি ভালকৈ জানে।" এনে এজন ব্যক্তিত্বসম্পন্ন লোক আছিল কাৰণেই তেওঁ নিজে ক'ব পাৰিছিল যে তেওঁৰ সম্বন্ধে কোনেও একো নক'লেই আটাইতকৈ বেছি ভাল পায়। এটা নিয়ম শৃংখলাৰ জীৱনৰ প্ৰতিচ্ছবিহে তেওঁৰ জীৱনৰ প্ৰতিটো কামত উদ্ভাসিত হৈছিল। সময়নিষ্ঠা তেওঁৰ জীৱনৰে ব্ৰতস্বৰূপ

আছিল। তেনে এজন ব্যক্তিক সৰ্বসাধাৰণ জীৱনৰ জগত তুলনা কৰা ভুল। খোৱা-লোৱা, লিখা-পঢ়া আদি নিৰ্দিষ্ট সময়তেই সমাপন কৰিছিল। অধ্যয়ন আছিল তেওঁৰ মানসিক খাদ্য। পঢ়িবলৈ নেপালেই তেওঁৰ অশান্তি। যিজন ব্যক্তিয়ে ৰাতি শোৱাৰ আগতে গ্ৰীক নাটকৰ এটা বা দুটা অধ্যায় পঢ়িহে শুবলৈ গৈছিল সেইজনৰ কাৰণে এদিনৰ অধ্যয়ন বাদ পৰাটো কিমান চিন্তনীয় কথা তেওঁক বুজিবলৈ চেষ্টা কৰাজনেহে উপলব্ধি কৰিব।

সন্দিকৈ ডাঙৰীয়াই জীৱন কালত তিনিখন কঠিন আৰু দুষ্প্ৰাপ্য মহাকাব্য ইংৰাজীত ভাঙনি কৰাই নহয়— টীকা-টিপ্পনীৰে ব্যাখ্যানসহ টোকা লিখিলে— সমালোচনা আগবঢ়ালে। প্ৰথমখন আছিল সংস্কৃত মহাকাব্য —'নৈষধচৰিত'। দ্বিতীয়খন মহাকাব্য হ'ল 'যশস্তিলক আৰু ভাৰতীয় সংস্কৃতি (Yasastilaka & Indian culture)। এই মহাকাব্যখনৰ টীকা-টিপ্পনীসহ গৱেষণাপূৰ্ণ সমালোচনা আগবঢ়াই তেওঁ অনুবাদ কৰিলে। ইয়াৰ ভৌগোলিক পৰিশিষ্টত অনেক মূল্যবান সন্ধান উদ্ঘাটন কৰিলে। তৃতীয়খন গ্ৰন্থ হ'ল প্ৰৱৰসেন ৰচিত —'সেতুবন্ধ' নামৰ প্ৰাকৃত মহাকাব্যৰ টীকা-টিপ্পনীসহ ইংৰাজীলৈ অনুবাদ, ব্যাখ্যা আৰু সমালোচনা। এই প্ৰতিখন গ্ৰন্থৰ কাৰণে যথাক্ৰমে প্ৰায় সাত বছৰ, দহ বছৰ আৰু আৰু বাৰ বছৰ লাগিছিল। এনে দীঘলীয়া সময়জুৰি জুপি জুপি খুটিয়াই খুটিয়াই যি তিনিখন গ্ৰন্থ তেওঁ লিখি গ'ল সি যি কোনো পণ্ডিতৰ কাৰণে সম্ভৱ নহয়! এনে ধৈৰ্যশীল পণ্ডিত ভাৰতত্তহে নেলাগে পৃথিবীত কিমনজন আছে সেও ভাবিবলগা কথা। এই বিলাক কাৰণেই তেওঁক বিশ্ববিশ্ৰুত পণ্ডিত কোৱা হয় আৰু এই কাৰণেই তেওঁক লৈ অসমবাসী তথা ভাৰতবাসীয়ে গৌৰৱ কৰিবৰ থল বিচাৰি পাইছে। সন্দিকৈক পৃথিৱীৰ ভালে কেইখন প্ৰসিদ্ধ দেশে, তেওঁৰ গ্ৰন্থ কেইখনৰ যে গোন্ধেৰেই চিনি পায়। জাৰ্মানি, ফ্ৰান্স, ইংলেণ্ড, আমেৰিকা, ইটালি আৰু প্ৰাগৰ পণ্ডিতে কৃষ্ণকান্ত সন্দিকৈক

চিনি পায়। কথাটো ভাবিলেই মোৰ হ'লে ভাল লাগি যায়। যৰৰ মানিকৰ পোহৰে দূৰৈৰ যৰহে পোহৰ কৰিলে।

সন্দিকৈয়েই অসমীয়া সমাজক প্ৰথমে জানিবলৈ দিলে—জাৰ্মান ফৰাচী, ৰুচ, স্পেনিচ্ আদি পাশ্চাত্য সাহিত্যৰ বিভিন্ন দৰ্শন, চিন্তাধাৰা আৰু সাহিত্যিক সমলৰ সম্পৰ্কে। গ্ৰীক ভাষা, জাৰ্মানিৰ জ্ঞান-সাধনা, ৰুচ অভিনয়, প্ৰাচীন বেবিলনৰ বেদ, গ্ৰীক নাটকৰ গান, জাৰ্মান সাহিত্যৰ সপোন নাটক, স্পেনিচ সাহিত্যৰ ৰোমিঅ' জুলিয়েট, চচেৰ্টি-চৰ মতে কবিৰ প্ৰকৃতি আদি এনে ধৰণৰ মহাদেশীয় সাহিত্যৰ অসমীয়া ভাষাৰে প্ৰথম সন্ধান দিওঁতাজনেই হ'ল—কৃষ্ণকান্ত সন্দিকৈ। এইবোৰ হ'ল আমাৰ সাহিত্যত নতুন আমদানি। নিলগৰ বস্তু আনি তেওঁ আমাৰ সাহিত্য চহকী কৰিলে।

সন্দিকৈ ডাঙৰীয়াৰ জীৱনৰ কাৰ্যক্ৰমনিকাৰ পৰা ভালকৈ অনুমান কৰিব পাৰি তেওঁ কেনে ধৰণৰ দেশপ্ৰাণ ব্যক্তি আছিল। বিলাত ফেৰৎ হৈ অহাই নহয় অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ পৰা আধুনিক বুৰঞ্জীত এম-এ পাছ কৰি জাৰ্মানি আৰু ফ্ৰান্সত দীৰ্ঘ দিন অতিবাহিত কৰা ব্যক্তি হিচাপে অতি সহজে বৃটিছ চৰকাৰৰ তলত উচ্চ পৰ্যায়ৰ এজন চৰকাৰী বিষয়া হ'ব পাৰিলেহেঁতেন। কিন্তু তাকে নকৰি তেওঁ গ্ৰহণ কৰিলে জগন্নাথ বৰুৱা কলেজৰ নিচিনা এখন নতুনকৈ পতা প্ৰাইভেট কলেজৰ অধ্যক্ষতা। প্ৰতিষ্ঠাৰ দিনৰে পৰা আৰম্ভ কৰি সুদীৰ্ঘ সোত্ৰৰ বছৰ কাল তেওঁ সেই কলেজৰ অধ্যক্ষৰূপেই সেৱা কৰি গ'ল। ১৯৩০ চনত যেতিয়া এই মহাবিদ্যালয় প্ৰতিষ্ঠা কৰা হৈছিল তেতিয়া আছিল অৰ্থৰ অভাৱ, যথেষ্ট ৰাইজৰ সহানুভূতিৰ অভাৱ, অসম চৰকাৰৰ সম্পূৰ্ণ উদাসীনতা, বহুতো বাধা-বিঘিনি আৰু নানা প্ৰতিকূল পৰিবেশ অতিক্ৰম কৰিও এইজন ব্যক্তিয়ে অধ্যক্ষগিৰি চলাব পাৰিছিল। এই শিক্ষাবিদ গৰাকীৰ অধ্যক্ষতাত প্ৰতিষ্ঠিত হোৱা কলেজখনে সমগ্ৰ উজনি অসমত উচ্চশিক্ষা প্ৰচাৰত কিমান অৰিহণা যোগাইছিল তাক চিন্তা কৰিলেহে বুজা যায়।

সন্দিকৈয়ে এই কলেজখন এৰি যোৱাৰ পাচত কলেজৰ বিজ্ঞান শাখাটোও তেওঁৰ আৰ্থিক সাহায্যতেই সুন্দৰকৈ গঢ়ি উঠিছিল।

গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হোৱাৰ লগে লগে উপাচাৰ্যৰ কাৰণে মাননীয় গোপীনাথ বৰদলৈয়ে অসম ৰাজ্যত এইজনা শিক্ষা-বিদকে বিচাৰি পালে। প্ৰথম উপাচাৰ্যই নহয়, সুদীৰ্ঘ ন বছৰ কাল উপাচাৰ্যৰূপে থাকি গুৱাহাটী বিশ্ববিদ্যালয়খনক ভাৰতীয় বি কোনো আগশাৰীৰ বিশ্ববিদ্যালয়ৰ লগত ফেৰ মাৰিব পৰা কৰি তুলিলে। গুৱাহাটী বিশ্ববিদ্যালয়ক বাদ দি এতিয়া অসমীয়াই অসমৰ কথা ভাবিব নোৱাৰে। ডিব্ৰুগড়ৰ অসম মেডিকেল কলেজখনে সন্দিকৈৰ যত্নতে পূৰ্ণাঙ্গ ৰূপ পাইছিল। আনহাতেদি, গুৱাহাটী বিশ্ববিদ্যালয়ৰ কথা মনত উদয় হ'লেই এই বিৰাট ব্যক্তিত্বসম্পন্ন মানুহজনলৈ মনত পৰে। এনে এজন শিক্ষাবিদৰ কেৱল নামতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সকলো কাৰ্য নিৰহ-নিপানীকৈ সমাধা হৈ-ছিল বুলিলে ভুল হ'ব — তেওঁৰ ব্যক্তিত্ব আৰু চৰিত্ৰইহে প্ৰশংসনীয় ব্যৱস্থা নিয়াৰিকৈ চলোৱাত বিশেষ সহায়ক হৈছিল।

এনে এজন বিদ্বান আৰু গুণী ব্যক্তিয়ে নিজৰ বিদ্যাক লৈ কোনো দিনেই গৌৰব কৰা নাছিল। ভাৰত চৰকাৰে দিয়া পদ্মশ্ৰী আৰু পদ্মভূষণ উপাধি গ্ৰহণ কৰিছিল অতি কেৰো-খেঁৰাহোকৈহে। গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ে দিয়া 'ডি লিট' উপাধি ললে একমাত্ৰ ল'ব লাগে কাৰণেই। কেৱল তেওঁ ডেকান কলেজে দিয়া সন্মানিত সদস্য পদ পায়েই আটাইতকৈ বেছি সুখী হৈছিল। যেতিয়া তেওঁক অসম সাহিত্য সভাই "সদস্য-মহীয়ান" উপাধি প্ৰদান কৰিছিল তেতিয়া কৈছিল— "আজি পুনৰবাৰ অসম সাহিত্য সভাই মোক 'সদস্য-মহীয়ান' ৰূপে বৰণ কৰাত বৰ সুখী হৈছো আৰু মোৰ মানত ডেকান কলেজ আৰু অসম সাহিত্য সভাই দিয়া দুয়োটাৰ মূল্য সমান।" এইজনেই আছিল অসাধাৰণ ব্যক্তিত্বসম্পন্ন ব্যক্তি—চৰকাৰী উপাধিত মূল্য নিদিয়া ব্যক্তি অতি বিৰল ভাৰ

ভিতৰত সন্দিকৈ একন। প্ৰকৃততে পাৰ্থিৱ খ্যাতিৰ প্ৰতি সন্দিকৈ অনাসক্ত ব্যক্তি আছিল। ৰাজ্য সভালৈ এম-পি হৈ যাবৰ কাৰণে ড° ভুবনেশ্বৰ বৰুৱাই চৰকাৰৰ সিদ্ধান্তৰ কথা তেওঁক জনোৱাত তেওঁ গ্ৰহণ কৰিবলৈ ৰাজী নহ'ল। এই কথাবোৰে তেওঁৰ বিৰাট ব্যক্তিত্বৰ কথাকে প্ৰতিপন্ন কৰে। কাৰণ, যিজনে জীৱনত ডান্টেৰ এটা সুমধুৰ বাণীত বিশ্বাস কৰি জীৱন অতিবাহিত কৰিছিল সেইয়া হৈছে— 'পাৰ্থিৱ খ্যাতি বতাহৰ নিশ্বাসৰ বাহিৰে একো নহয়।' গতিকে তেওঁ নিজে ক'ব পাৰিছিল যে— তেওঁ নিজৰ নাম আৰু পদবীৰ কাৰণে নিজে যত্ন নকৰে আৰু সেইবোৰৰ প্ৰতি হাবিয়াসো নাই। এইবোৰ গুণ তেওঁৰ চৰিত্ৰৰ লগত খাপ খাই আছিল বাবেই তেওঁক এজন 'আত্ম-গোপনকাৰী' ব্যক্তি বুলি ক'ব পৰা হৈছিল। আত্ম-গোপনকাৰিতা আছিল সন্দিকৈৰ চৰিত্ৰৰ বৈশিষ্ট্য।

জীৱনৰ গতিশক্তি সন্দিকৈয়ে অধ্যয়নৰ দ্বাৰাহে লাভ কৰিছিল আৰু তাৰ দ্বাৰাই তেওঁৰ জীৱনে গতিশীলতা লাভ কৰিছিল। চফোক্লিচৰ এষাৰ বচন তেওঁ সদায় মনত ৰাখি চলিছিল—"জ্ঞানতকৈ ন্যায়পৰায়ণতা উৎকৃষ্টতৰ'। আনকি এই অধ্যয়ন পিপাসু পণ্ডিত গৰাকীয়ে অশোকৰ শিলালিপিতো আদৰ্শাত্মক কথা পাই তাক জীৱনত খটুৱাইছিল—"এইটো মই ভাল কাম কৰিলো বুলি মানুহে কেৱল নিজৰ ভাল কামটোহে দেখে। কিন্তু এইটো মই পাপ কৰিলো, এইটো পাপ প্ৰবৃত্তি বুলি নিজৰ বেয়া কামটো নেদেখে।" এইয়া আছিল সন্দিকৈৰ হৃদয়ৰ প্ৰশস্ততা আৰু চাৰিত্ৰিক বিচিত্ৰতা।

পুনৰুক্তি হ'লেও উল্লেখ কৰিব লাগিব যে তেওঁ নিজক ঢাকি ৰখাৰ প্ৰচেষ্টা সদায়ে কৰিছিল। এই সম্পৰ্কে মোক সন্দিকৈ ভাণ্ডাৰীয়াই কোৱা এটা কথা মনত পৰিছে। তেওঁ দেউতাকৰ অতি বাধ্য আছিল। বিনা বাক্যব্যয়ে তেওঁ কথা পালন কৰিছিল। মই ১৯৭৫ চনত প্ৰথম সংস্কৰণ 'কৃষ্ণকান্ত সন্দিকৈ'ত দিবৰ কাৰণে তেওঁৰ

ঘৰত থকা কেইখাখনো ফ'টো বিচাৰিছিলোঁ। তাৰে এখন ফ'টো আছিল—মণিপুৰৰ মহাৰাজৰ লগত তোলা ফ'টো। সেইখন দেখি মই পছন্দ কৰিলো। কিন্তু তেতিয়া সন্দিকৈ ডাঙৰীয়াই মোক ক'লে—"অৱশ্যে সেইখন এখন ভাল ফ'টো। কিন্তু সেইখন দেউতাৰ কাৰণে বৰ দৰকাৰী ফ'টো আছিল যিহেতু তেওঁৰ মণিপুৰৰ মহাৰাজৰ লগত এটা ভাল সম্বন্ধ আছিল। মহাৰাজ আমাৰ ঘৰলৈ আহিছিল—'ফ'টো তোলাৰ আগতে মোক দেউতাই 'ইয়াত বহ' বুলি আঙুলিয়াই দিয়াত তেওঁৰ কথা নেপেলাই মই বহিলোঁ। মই কিন্তু নিজে কথাটো ভাল পোৱা নাছিলো।" গতিকে সেইখন ফ'টো কিতাপত দিয়া নহ'ল। সৰ্বসাধাৰণে কিন্তু মহাৰাজ এজনৰ লগত ফ'টো তোলাৰ কাৰণে কিমান আনন্দ পালেহেঁতেন তাৰ ঠিক নাই। আনকি, ফ'টো বুলিলে আকৌ বহুতে আনক ঠেলা মাৰি কেনেকৈ আগলৈ আহি ওলাব পাৰি তাৰহে চিন্তা কৰে। কিন্তু সন্দিকৈৰ মানসিকতাই সুকীয়া। নিৰৱচ্ছিন্নভাৱে সন্দিকৈ ডাঙৰীয়াই নিজক ঢাকি ৰাখোঁতেই জীৱনৰ যৱনিকা পৰিল। মৃত্যুৰ দিনাহে যৱনিকা আঁতৰিল। সৰ্বসাধাৰণে সেইদিনাহে সন্দিকৈক দেখিবলৈ পালে।

সন্দিকৈক কথা-বতৰাতে অতিকৈ সংস্কৃতিসম্পন্ন ব্যক্তি বুলি ধৰিব পৰা গৈছিল। কথা বতৰা পাতোঁতে পৃথিৱীৰ ১২/১৩ টা দেশী-বিদেশী ভাষা জনা ব্যক্তি বুলি ধাৰণা কৰা টান আছিল। আৱশ্যকতকৈ কোনো দিন বেছি কথা কোৱা নাছিল। এইজনেই আছিল অল্পভাষী সন্দিকৈ। তেওঁৰ জীৱনৰ বহুত কথা বিভিন্ন সময়ত নানান প্ৰশ্নৰ যোগেদি উলিওৱা হ'ল। বহুত ধৰণৰ প্ৰশ্নই সোধা হৈছিল কিন্তু 'কেলেই' বুলি সেইবোৰ কথা তল পেলাইছিল। ব্যক্তিগত হ'ল। যিবোৰ কথা তেওঁৰ পৰা জনা হ'ল, সিও, খুতুৰি-খুতুৰিহে উলিওৱা বহুতে কৰ আমাৰ গ্ৰন্থখনৰ 'কৃষ্ণকান্ত সন্দিকৈ' পৰা পণ্ডিত সন্দিকৈক যিমান বিস্তাৰিতভাৱে জনা হ'ল সন্দিকৈ মানুহজনক সেই ধৰণে জনা নহ'ল। কিন্তু মোৰ বক্তব্য হৈছে তেওঁৰ পাণ্ডিত্যই ব্যক্তিত্ব

পৰিণত হৈছিল—দুয়োটাক পৃথক কৰা টান হৈ পৰিছিল। যিজন ব্যক্তিয়ে বিভিন্ন ভাষাৰ হেজাৰ হেজাৰ কিতাপকে পঢ়িলে তেওঁৰ কাৰণে অধ্যয়ন আৰু জ্ঞান-পিপাসা স্বভাৱজাত হোৱাটোহে স্বাভাৱিক। সেই কাৰণে জীৱনৰ "ভোটা তৰা" বুলি ইবচেনৰ এখন নাটকৰ শাৰী এটাকে 'নিৰ্দোষিতা সকলো আনন্দ আৰু সুখৰ মূল' বুলি গণ্য কৰি নৈতিকভাৱে জীৱন যাপন কৰিছিল। এনেবোৰ কথাতে মই সন্দিকৈৰ পাণ্ডিত্য আৰু ব্যক্তিত্বৰ পাৰ্থক্য কৰিব নোৱাৰো। জ্ঞানৰ প্ৰতি থকা সাধনাৰ অধ্যৱসায় আৰু অধ্যয়নৰ জীৱনজোৰা বিভূতিয়ে অকলশৰীয়া প্ৰচেষ্টাৰে নীৰব সাধকৰূপে যোৰহাটতে থাকি গৱেষণাত নিমগ্ন হৈ তিনিখনকৈ অপূৰ্বকণীয়া গ্ৰন্থ প্ৰণয়নে জানো এটা জ্ঞান-পিপাসু মনৰে পৰিচয় নিদিয়ে? এইখিনিতে মই পণ্ডিত সন্দিকৈ আৰু মানুহ সন্দিকৈক একে হৈ যোৱা দেখোঁ। তেওঁৰ এনে বিশাল পাণ্ডিত্য আছিল কাৰণেই তেনে অতাৱনীয় গভীৰ ব্যক্তিত্বৰ গৰাকীও হৈছিল বুলি ক'বই লাগিব। গতিকে এইজন পণ্ডিতেই আছিল ব্যক্তিত্বত সুগভীৰ আৰু আদৰ্শ আছিল সেইজনৰ জীৱনব্যাপী জ্ঞান-সাধনা।

ব্যক্তিগত দান-বৰঙনি বাদ দিও দেখা যায় সন্দিকৈ ডাঙৰীয়াই অসমীয়া জাতিৰ কাৰণে কম কৰা নাই। দেউতাক দানবীৰ ৰাধাকান্ত সন্দিকৈয়ে অসমীয়া ভাষা-সাহিত্য চৰ্চাৰ কাৰণে সজাই দিলে চন্দ্ৰকান্ত সন্দিকৈ ভৱন। কিন্তু পুতেক কৃষ্ণকান্তই এই অনুষ্ঠানটো চিৰযুগমীয়া কৰি ৰাখিবৰ কাৰণে ১৯৭৪-৭৫ চনত 'ট্ৰাষ্ট বোৰ্ড' খুলি টকা জমা থ'লে যাতে তাৰে অগ্নিবীমাৰ কাৰণে আৱশ্যকীয় কিস্তি দিব পাৰে। লগতে ভৱনটোৰ উন্নয়নৰ কাৰণে দান দিলে ছৈধ্য হেজাৰ টকা। সন্দিকৈৰ এই সুৰক্ষিতভাৱেই অসমীয়া জাতিৰ কৃষ্টি-সংস্কৃতি সংৰক্ষণৰ অনুষ্ঠানটোক জীৱনী-শক্তি প্ৰদান কৰিলে। আজি এই চন্দ্ৰকান্ত সন্দিকৈ ভৱন অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতিৰ স্নায়ু কেন্দ্ৰস্বৰূপ হৈ পৰিছে।

আগতে ব্যক্ত কৰা কথা হ'লেও পুনৰাবৃত্তি নকৰিলে নহয় যে চন্দ্ৰকান্ত অভিধানৰ ২য় সংস্কৰণৰ কাৰণে সন্দিকৈয়ে দান দিছিল ৫৭ হেজাৰ টকা। ৩য় সংস্কৰণৰ কাৰণে গুৱাহাটী বিশ্ববিদ্যালয়ক ১ লাখ ১০ হেজাৰ টকা দি গৈছে। তাৰ ১০ হেজাৰেৰে সংশোধনী হ'ব আৰু বাকী এক লাখ টকা কামত খৰচ কৰিব। দান বহুতেই হয়তো দিব পাৰে কিন্তু এটা ভাষাৰ প্ৰাণস্বৰূপ অভিধান এখনৰ কাৰণে দিয়া এই দানেই কৃষ্ণকান্ত সন্দিকৈৰ ভাষাপ্ৰেম (অসমীয়া) জাজ্বল্যমান হৈ পৰিছে। এইজনক বাৰু অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতি-প্ৰেমী বুলি অভিহিত নকৰিম নে? এই গোটেই কামবোৰেই জানো তেওঁ অসমীয়া জাতিটোৰ কাৰণে কৰা নাছিল। বাস্তৱতে কৃষ্ণকান্ত সন্দিকৈ আছিল অসমীয়া জাতিৰ সুহৃদ।

সন্দিকৈ ডাঙৰীয়াই তেওঁৰ পত্নী স্বৰ্গীয় হেমলতা সন্দিকৈৰ স্মৃতি যুগমীয়া কৰিবৰ কাৰণে যোৰহাটৰ লেচুবাৰীত আঢ়ৈ লাখ টকাতকৈও অধিক ব্যয় কৰি "হেমলতা সন্দিকৈ" নাম দি এখন স্কুল পাতি গৈছে। এই অনুষ্ঠানৰ মূল উদ্দেশ্য হৈছে — মাধ্যমিক শিক্ষাৰ মান উন্নয়ন কৰা এই অনুষ্ঠানৰ শিক্ষাৰ মাধ্যম বৰ্তমান 'ইংৰাজী' যদিও সমসাময়িক আৰু পাৰিপাৰ্শ্বিক অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰি মাধ্যম পৰিবৰ্তন কৰাৰ অৱকাশ আছে। এই স্কুলখনৰ সম্বন্ধে তেওঁ বৰ আগ্ৰহেৰে কৈছিল — "প্ৰতি বছৰত গোটাদিয়েক লৰা-ছোৱালী মোৰ অনুমোদিত প্ৰণালীৰে শিক্ষিত হৈ স্কুল এৰিব — তাতকৈ মোৰ কাৰণে আনন্দৰ কথা একো হ'ব নোৱাৰে শিক্ষাদান মহাদান"। এইজনেই শিক্ষাবিদ মহানুভৱ সন্দিকৈ। এই গোটেইবোৰ জানো অসমীয়াৰ কাৰণে দান দিয়া সম্পত্তি নহয়। এইবোৰ দেখিশুনি আমি অগুণকাৰী হমনে?

ছাত্ৰ জীৱনৰ পৰা সন্দিকৈৰ আন আন ছাত্ৰৰ দৰেই ফুটবল খেলাত বাপ আছিল। ছাত্ৰ-সন্মিলনত তেওঁ বিশেষ অংশ গ্ৰহণ কৰিছিল। "নবীন জীৱন তাৰ বাজিছে গভীৰ" বুলি ছাত্ৰ

সন্মিলনত গাবৰ কাৰণে গান এটা ৰচনা কৰাই নহয় তাৰ বাহিৰেও তেওঁ কলেজত থাকোঁতে সভা-সমিতিত গাবৰ কাৰণেও গান ৰচনা কৰিছিল। সৰস্বতী পূজাৰ উষা সংকীৰ্ত্তনত গাবৰ কাৰণে তেওঁ কীৰ্ত্তনো ৰচনা কৰিছিল। সন্দিকৈ অভিনেতা নাছিল, কিন্তু থিয়েটাৰৰ এজন ভাল সংগঠক আছিল। তেওঁক নাটকে কলেজীয়া জীৱনৰপৰাই বৰ আকৰ্ষণ কৰিছিল। কলিকতাত থাকোতে সন্দিকৈৰ থিয়েটাৰ চোৱাটো বৰ চখৰ কাম আছিল। নাটক চাওঁতে বহুত দিন ৰাতি পুৱাই গৈছিল। ফ্ৰান্সত থাকোতে মস্কো আৰ্ট থিয়েটাৰৰ অভিনয় চাইহে তেওঁ 'ৰুচ অভিনয়' নামৰ প্ৰবন্ধটো লিখিছিল। ব্যক্তিগত অভিজ্ঞতা অৰ্জন কৰিহে তেওঁ সেই প্ৰবন্ধটো লিখিছিল।

এই আন্তৰ্জাতিক খ্যাতিসম্পন্ন পণ্ডিতগৰাকীৰ আটাইতকৈ প্ৰখ্যাত আৰু মহৎ দানৰ সম্বন্ধে উল্লেখ নকৰিলে ভুল কৰা হ'ব। এইজন জ্ঞান-সাধকে গোটেই জীৱনজুৰি যিমানবিলাক দুষ্প্ৰাপ্য আৰু মূল্যবান গ্ৰন্থ সংগ্ৰহ কৰি যি এটা ব্যক্তিগত পুথিভঁৰাল গঢ়িলে সেইটো আছিল ভাৰতৰ ভিতৰতে এটা ডাঙৰ ব্যক্তিগত লাইব্ৰেৰী। এই লাইব্ৰেৰীটোত পৃথিৱীৰ এঘাৰটা ভাষাৰ প্ৰায় দহ হেজাৰ কিতাপ আছিল। মূল্য হিচাপে আগৰ মূল্যৰেই প্ৰায় তিনি লাখ টকা হ'ব। বলচেভিক বিপ্লৱৰ আগতে প্ৰকাশ হোৱা দুষ্প্ৰাপ্য ৰাছিয়ান কিতাপো এই লাইব্ৰেৰীটোত আছিল। বৰ্ত্তমান সেইবোৰ কিতাপ আনত পোৱাও সম্ভৱ নহয়। তাৰ ভিতৰত চেণ্ট পিটাৰ্চবাৰ্গ একাডেমী প্ৰকাশিত গোটাচেৰেক ক্লাচিক্‌ও আছিল। এই পুথিভঁৰালটোত হিন্দু, জৈন, বৌদ্ধ, ছিক্ৰ আৰু খৃষ্ট ধৰ্মসম্বন্ধীয় বহুত পুথি আছিল। আচৰিত কথা যে ডাণ্টে পঢ়িবৰ কাৰণে তেওঁ খৃষ্ট ধৰ্মসম্বন্ধীয় আৰু ছিক্ৰ সাহিত্যৰ বিভিন্ন গ্ৰন্থ সংগ্ৰহ কৰি অধ্যয়ন কৰিছিল। পাশ্চাত্য জগতৰ ভালেমান আৰ্ট সংগ্ৰহো ইয়াত আছিল।

এই লাইব্ৰেৰীটো সন্দিকৈ ডাঙৰীয়াৰ অতি মৰমৰ আৰু অতি আদৰৰ আছিল। অথচ, এই লাইব্ৰেৰীটো তেওঁ গুৱাহাটী

বিশ্ববিদ্যালয়ক দানস্বৰূপে দি গ'ল। এতিয়া তেওঁৰ মৃত্যুৰ পিচত ১৯৮২ চনৰ ৬ জুলাইত গুৱাহাটী বিশ্ববিদ্যালয়ত এই পুথিসমূহ আচুতীয়াকৈ সন্দিকৈ শাখাত খোৱা হৈছে। জ্ঞান-পিপাসু, গৱেষণা-প্ৰিয় আৰু অধ্যয়নশীল ব্যক্তিৰ কাৰণে সন্দিকৈৰ এই গ্ৰন্থসমূহ অনুপম জ্ঞান-সঁফুৰা আৰু অনুপ্ৰেৰণাৰ প্ৰকৃত ক্ষেত্ৰ হ'ব বুলি মোৰ আন্তৰিক বিশ্বাস। এই দান অসমীয়া জাতিলৈ দি যোৱা সন্দিকৈৰ মহৎ দান। গৱেষণা আৰু জ্ঞান-চৰ্চাৰ এটা নতুন প্ৰশাখাৰূপে এই গ্ৰন্থৰাজিয়ে ভৱিষ্যৎ বংশধৰসকলৰ কাৰণে আশা, উদ্দীপনা আৰু অনুপ্ৰেৰণা যোগাব। গুৱাহাটী বিশ্ববিদ্যালয়ে এই অমূল্য ভাণ্ডাৰৰ গৰাকী হোৱাটো কেৱল সেই বিশ্ববিদ্যালয়ৰে গৌৰৱ নহয় সমগ্ৰ অসমবাসীয়েই তাৰ কাৰণে গৌৰৱ কৰিব পাৰে। কাৰণ এজন আন্তৰ্জাতিক খ্যাতিসম্পন্ন জ্ঞান-যোগীৰ জ্ঞানৰ ভাণ্ডাৰৰ গৰাকী হৈছে আমাৰ অসমৰ ভৱিষ্যৎ সমাজ। বিশ্ববিদ্যালয়ৰ কৰ্তৃ-পক্ষই এতিয়া মৃতকৰ ইচ্ছানুযায়ী পুথিভঁৰালটোৰ ৰক্ষণাবেক্ষণ দিয়াটোতহে আমি গুৰুত্ব আৰোপ কৰোঁ।

এইগৰাকী জ্ঞান-যোগী প্ৰাচ্যবিদ্যাৰ্ণৱৰ যোৰহাটত জন্ম হৈছিল ১৮৯৮ চনৰ ২০ জুলাইত। জন্ম হ'লে মানুহৰ মৃত্যু অনিবাৰ্য। ১৯৮২ চনৰ সাত জুন তাৰিখে পুৱা ১০ বাজি ২০ মিনিটত এই মহান ব্যক্তিজনে ডিব্ৰুগড়ৰ জি-এম হস্পিতালত মৃত্যু বৰণ কৰে। ৮ জুন তাৰিখে অভাৱনীয় এক শোভাযাত্ৰাৰে মৃত দেহ নি বিৰাট জন-সমাবেশৰ শ্ৰদ্ধা তৰ্পণেৰে যোৰহাট তৰাজানৰ শ্মশানত অন্ত্যেষ্টিক্ৰিয়া সমাপন কৰা হ'ল। লগে লগে তেওঁক জনোৱা 'লাষ্টপষ্টৰ' সশ্ৰদ্ধ বিকুল্যৰ ধ্বনিয়ে পৰিবেশ অতি শোকাকুল কৰি তুলিলে। চাওঁতে চাওঁতে তেওঁৰ নশ্বৰ দেহা চিতাৰ জুয়ে ভস্মত পৰিণত কৰিলে।

বৰ ভাল লগা কথা যে এইবাৰ কোনো হৈ-চৈ নকৰাকৈ বা আন্দোলন নকৰাকৈ মৃত্যুৰ মাত্ৰ পোন্ধৰ মাহৰ পিচতে আমাৰ আমাৰ এইগৰাকী বিশিষ্ট পণ্ডিত আৰু লব্ধপ্ৰতিষ্ঠ সাহিত্যিকক ভাৰত

চৰকাৰে স্বীকৃতি দি এটা স্মাৰক ডাকটিকট ভেৰেণ্ডৰ সন্মানাৰ্থে উলিওৱাৰ সিদ্ধান্ত কৰি যোৱা ৭ অক্টোবৰ তাৰিখে গুৱাহাটীত কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী সেড্‌গিল ডাঙৰীয়াই উন্মোচন কৰি গ'ল। এতিয়ালৈকে যি কেইগৰাকী অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতিৰ নামত স্মাৰক ডাকটিকট ওলাই গৈছে সেই আটাইকেউজনৰ কাৰণে অসম সাহিত্য সভাকেই দায়িত্ব অৰ্পণ কৰিছিল। কিন্তু সন্দিকৈ ডাঙৰীয়াৰ বেলিকা ডাকটিকটৰ দায়িত্ব কি সূত্ৰত অসম প্ৰকাশন পৰিষদলৈ গ'ল সিও বুজা নগ'ল। কাৰণ, সন্দিকৈ ডাঙৰীয়া কোনো প্ৰকাৰেই প্ৰকাশন পৰিষদৰ লগত জড়িত নাছিল। জড়িত আছিল— প্ৰাক্তন সভাপতিৰূপে অসম সাহিত্য সভাৰ লগত আৰু উপাচাৰ্যৰূপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ লগত।

ব্যক্তিগত উপলব্ধি হ'লেও ক'বলৈ বাধ্য হৈছো যে কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াৰ ডাকটিকটৰ কাৰণে যি 'বায়দাতা' (জীৱন পৰিচিত) লাগে সেয়া আমাৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়াৰ হাতত এই অভাজনেই যুগুতাই দিছিলো যিহেতু, সন্দিকৈ ডাঙৰীয়াৰ সম্বন্ধে কৰ্তৃত্বশীল জীৱনী গ্ৰন্থ "কৃষ্ণকান্ত সন্দিকৈ" পোন প্ৰথমবাৰৰ বাবে আমাৰ দ্বাৰাই ৰচিত হৈছিল। কিন্তু মো'ৰে দুৰ্ভাগ্য যে নিমন্ত্ৰণী পত্ৰ এখন দিও সময়ত কোনেও মাতিব নোৱাৰিলে। অৱশ্যে মানুহ গৰাকী মন্ত্ৰীৰ দায়িত্বত নাই দৰ্শকৰূপে থাকিব পৰা হলে নিজকে ধন্য মানিলোহেঁতেন। ইয়ালৈ আজিলৈকে (১/৩/৮৪) ইয়াৰ (যোৰহাট নগৰৰ) ডাকঘৰলৈ টিকট অহা নাই। অথচ আন যি কোনো ব্যক্তিতকৈ এই টিকট উলিওৱাত আমি কম আগ্ৰহী নাছিলো। এই ডাকটিকট ওলোৱা কথা টোতে মই আনন্দত অধীৰ হৈছো। আশা ৰাখিছো গোটেই বিশ্বজুৰি "কৃষ্ণকান্ত সন্দিকৈৰ স্মাৰক ডাক টিকট" প্ৰচলন হওক। কিন্তু বাতৰি কাকতত সন্দিকৈৰ ডাকটিকটৰ ছবি দেখি এটা কথাত বৰ নিৰাশ হ'লো কাৰণ তাত জন্ম মৃত্যুৰ চন দিয়া নহ'ল।

কৃষ্ণ-চৰিত

সাহিত্যাচাৰ্য শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

(১)

মোৰ এই কৃষ্ণ-চৰিতৰ কৃষ্ণ মথুৰা-বৃন্দাবনৰ কৃষ্ণ নহয়, লুইতপৰীয়া, ভোগদৈপৰীয়া কৃষ্ণহে— দৈৱকীনন্দন বংশধাৰী কৃষ্ণ নহয়, ৰাধাৰ নন্দন পুস্তকধাৰী কৃষ্ণ। বিশেষণবৰ্জিত কৃষ্ণকান্ত সন্দিকৈ এই নামটোতে আছে মানুহজনৰ পূৰ্ণ পৰিচয়। ক্ষত্ৰিয় নৃপতি বিশ্বামিত্ৰই তপস্যাৰ ফলত মহৰ্ষি বিশ্বামিত্ৰ হোৱাৰ নিচিনাকৈ জ্ঞান-তপস্যাৰ ফলত আহোম-কুলতিলক কৃষ্ণকান্ত সন্দিকৈও জ্ঞানৰ্ষি কৃষ্ণকান্ত হ'বলৈ সক্ষম হৈছিল। এই পণ্ডিতজনাৰ তিৰোভাৱৰ পিছতে তুৰন্তে কলটো পকোৱাৰ নিচিনাকৈ মই লিখা 'জ্ঞানৰ্ষি কৃষ্ণকান্ত' নামৰ আলচ এটা 'প্ৰকাশে' প্ৰকাশিছিল। তাকেই সম্প্ৰতি ধীৰে-সুস্থিৰে সংকোচন-সংযোজন কৰি সম্প্ৰসাৰিত কৰাত এই 'কৃষ্ণ-চৰিত' সুগুতাই কৃষ্ণপ্ৰেমী পাঠক-পাঠিকাৰ উদ্দেশ্যে আগ-বঢ়োৱা হ'ল।

মোৰ ল'ৰাকালতে (২য় দশক) পণ্ডিত হেমচন্দ্ৰ গোস্বামী সম্পাদিত 'অৰুণ' নামৰ শিশু আলোচনী এখন পঢ়িবলৈ পাই বৰ আনন্দ লভিছিলোঁ। তাত ও'লোৱা কৃষ্ণকান্ত সন্দিকৈদেৱে ৰচনা কৰা 'সৰস্বতীৰ বৰ' নামৰ সহজ ভাষাৰে লেখা কালিদাস আৰু বিদ্যাৱতীৰ আখ্যানটো পঢ়ি বৰ ভাল লাগিছিল তেতিয়া অৱশ্যে কল্পনাই কৰিব পৰা নাছিলোঁ যে গজমূৰ্খ কালিদাসক সৰস্বতীয়ে বৰ দি মহাকবি কৰাৰ নিচিনাকৈ অলক্ষিতে অনুৰূপভাৱে কৃষ্ণকান্তকো বিদ্যাৰ দেৱীজনাই বিশ্ববৰেণ্য পণ্ডিত কৰি পণ্ডিত আনন্দৰাম বৰুৱাৰ

শূন্য আসনত বহুৱাব। মই 'স্মৃতিৰ পাপৰি'ত ইতিপূৰ্বে কৃষ্ণকান্তক দ্বিতীয আনন্দৰাম আখ্যা দিছিলোঁ। প্ৰকৃতপক্ষে পণ্ডিতপ্ৰবৰ কৃষ্ণকান্ত সন্দিকৈ পণ্ডিতপ্ৰবৰ আনন্দৰাম বৰুৱাদেৱৰ সুযোগ্য উত্তৰাধিকাৰী আছিল। মই ছাত্ৰাৱস্থাতে কৃষ্ণকান্তই ৰচনা কৰা, তেতিয়াৰ অসম ছাত্ৰ সন্মিলনৰ দ্বাৰা প্ৰকাশিত 'সন্মিলন প্ৰবন্ধাৱলী'ত অন্তৰ্ভুক্ত 'বেবিলনৰ বেদ' নামৰ জ্ঞানগৰ্ভ প্ৰবন্ধ এটা পঢ়ি সন্দিকৈদেৱৰ পাণ্ডিত্যৰ উমান পাইছিলোঁ। অৱশ্যে এই মনীষীজনাৰ অগাধ পাণ্ডিত্যৰ জোখ-মাপ কৰি মন্তব্য দিবলৈ ধৃষ্টতা মোৰ নাই।

ওচৰৰ পৰা আৰু দূৰৰ পৰা এই মহান ব্যক্তিজনাক নিৰীক্ষণ কৰিবলৈ মোৰ বহুবাৰ সুযোগ মিলিছিল। তেওঁৰ তিৰোভাৱত মই আত্মীয় বিয়োগৰ ব্যথা অনুভৱ কৰিছোঁ। সন্তোষৰ কথা এই-টোহে যে তেওঁ অকালতে যোৱা নাই। পৰিপূৰ্ণ জীৱন আৰু সাধনাত সিদ্ধি লাভ কৰি তেওঁ বৈকুণ্ঠী হৈছে।

আজি আমি এইকথা স্বীকাৰ কৰিবই লাগিব যে বন্ধুবৰ আব্দুছ ছাত্তাৰ চাহেবে সন্দিকৈ ডাঙৰীয়াৰ জীৱন-কালতে তেওঁৰ জীৱন-চৰিত প্ৰকাশ কৰি উলিয়াই এটা মহৎ কৰ্ম সম্পন্ন কৰিলে। ছাত্তাৰে সন্দিকৈক কৈছিল, "ছাৰ, আপুনি জীৱিত থাকোঁতেই আপোনাৰ বিষযে মানুহৰ মাজত বহুত অতিৰঞ্জিত কথা প্ৰচাৰ হৈছে। এতিয়াই আচল কথাখিনি লিখি নথ'লে পিছত মিছা সাধুবোৰকে মানুহে সঁচা বুলি ভাবিব।" দুটামান উদাহৰণ দি ছাত্তাৰে কৈছিল, "আপুনি হেনো এদিন লেখা-পঢ়া কৰা কোঠাত পঢ়ি আছিল। সেই সময়তে মালী এজন আহি ক'লে, হুজুৰ ভূমিকম্প আহিছে; আপুনি হেনো উত্তৰত ক'লে, মই কিতাপখন পঢ়ি শেষ কৰোঁ। বহিবলৈ দেগৈ যা।" সাধুটো শুনি সন্দিকৈয়ে হয় নেকি বুলি হাঁহি এটা মাৰি ক'লে, "তেন্তে তুমি জীৱনী লিখিব পাৰা। মই অনুমতি দিছো"। অনুমতি পাই ছাত্তাৰে হাতত স্বৰ্গ ঢুকি পালে। তেওঁ সন্দিকৈয়ে নিৰ্দিষ্ট কৰি দিয়া দিন আৰু সময় মতে তেওঁৰ ঘৰলৈ

তাঁত-বাটি কৰিবলৈ ধৰিলে। তাৰ ফলতেই আমি এখন প্ৰামাণ্য কথাৰে ভৰপূৰ জীৱনী-গ্ৰন্থ লাভ কৰিলোঁ।

এই গ্ৰন্থত একেটা মাথোন বাক্যতে ডাঙৰীয়াৰে এই মহান ব্যক্তিজনক ফুটাই তুলিছে এইদৰে: "ব্যক্তিত্বত যিজন সুগভীৰ, চৰিত্ৰ যাৰ সুনিৰ্মল, আদৰ্শ যাৰ জ্ঞান-সাধনা, প্ৰচাৰ বিমুখতা যিজনৰ জীৱনৰে বৈশিষ্ট্য, মতত যিজন সুদৃঢ়, জ্ঞানলিপ্সা যাৰ অপূৰণীয় আৰু অতুলনীয়, যিজন পণ্ডিতৰ সমালোচনা স্পষ্ট আৰু বিচাৰ-প্ৰণালী যুক্তিসংগত, অনুসন্ধিৎসা যিজনৰ জীৱনৰে ব্ৰত, অধ্যয়ন যাৰ মনৰ খোৰাক, পাৰ্থিৱ খ্যাতিৰ প্ৰতি যিজন অনাসক্ত, সেইজন অসাধাৰণ গৱেষক ব্যক্তিয়েই হৈছে— কৃষ্ণকান্ত সন্দিকৈ।" ডাঙৰীয়াৰ এই বাক্যটোকে মই 'কৃষ্ণ-চৰিত'ৰ মূল ভিত্তি বা আধাৰ-শিলা বুলি ভাবোঁ।

এইখিনিতে পিতা-পুত্ৰ ৰাধা-কৃষ্ণৰ পাৰিবাৰিক জীৱনৰ চমু আভাস এটা দিয়া যাওক। অসমৰ বুৰঞ্জীপ্ৰসিদ্ধ শিৰোমণি-সন্দিকৈ বংশৰ 'সন্দিকৈ চাহাব' নামেৰে খ্যাত ৰাধাকান্ত সন্দিকৈৰ চাৰিপুত্ৰ— কৃষ্ণকান্ত, চন্দ্ৰকান্ত, লক্ষ্মীকান্ত আৰু ইন্দ্ৰকান্ত। একমাত্ৰ কন্যা সুসাহিত্যিক ক্ষেত্ৰধৰ বৰগোহাঁইৰ পত্নী অন্নদা বৰগোহাঁই আইদেউ।

কৃষ্ণকান্তৰ নিজৰ পৰিয়ালটোও আছিল সীমিত; আজিকালিৰ অনাতাঁৰী ভাষাৰে এটা সুখী পৰিয়াল আখ্যা দিব পাৰি। দুটি কন্যা— শ্ৰীমতী প্ৰমীলা আৰু শ্ৰীমতী অহল্যা। এটি পুত্ৰ— বিজয়কৃষ্ণ। এওঁ সাহিত্যত নাই, ৰাজনীতিলৈ গৈ এম-পি হৈছে।

কৃষ্ণকান্ত সন্দিকৈয়ে সোণ-ৰূপৰ চকত হাত দি উপজিছিল যদিও দেউতাক ৰাধাকান্ত সন্দিকৈৰ জীৱনৰ আগছোৱাৰ অৱস্থা সম্পূৰ্ণ স্বচ্ছল নাছিল। কৃষ্ণকান্তই কোৱামতে দেউতাকে সকলোৱেত 'ফুটুকানিৰ মাজত বাহিৰ কুৰিবলৈ যোৱা' দিনৰপৰা পিছত 'সন্দিকৈ চাহাব' হোৱা দিনলৈ অধ্যৱসায় আৰু কঠোৰ

শ্ৰম কৰি নিজেই নিজৰ ভাগ্যৰ খনিকৰ হৈ এজন অ'ট্যৰস্ত চাহ খেতিয়ক হৈছিলগৈ। ৰাধাকান্তৰ দুহিতা তীকৰাল চাহ বাগিছাখন হৈছিল সন্দিকৈ পৰিয়ালৰ এজনী কামধেনু। এই কামধেনুজনীয়ে পৰিয়ালটোক পোহপাল দিয়াৰ উপৰিও সন্দিকৈ পিতা-পুত্ৰৰ দান যজ্ঞত ইন্ধন যোগাইছিল, অৰিহণা আগবঢ়াইছিল। আগেয়ে চাউল কঠা, পিছতহে হৰিৰ কথা। চাউল কঠাৰ বাবে কোনোদিনে চিন্তা কৰিবলগীয়া নোহোৱাৰ বাবে কৃষ্ণকান্তৰ জ্ঞান-সাধনাত বিজুতি ঘটা নাছিল।

কৃষ্ণকান্ত সন্দিকৈৰ জীৱনৰ তিনিটা স্তৰত তিনিগৰাকী নাৰীয়ে আৱশ্যকীয় প্ৰভাৱ বিস্তাৰ কৰিছিল। প্ৰথম গৰাকী কৃষ্ণকান্তৰ সুযোগ্যা মাতৃ স্বনামধন্যা নাৰায়ণী সান্দিকৈ, দ্বিতীয় গৰাকী সন্দিকৈৰ সুযোগ্যা পত্নী হেমলতা সন্দিকৈ আৰু তৃতীয় গৰাকী সন্দিকৈৰ সুযোগ্যা বোৱাৰী শ্ৰীমতী স্বৰূপৰাণী সন্দিকৈ। বাহিৰত ৰাধাকান্ত সান্দিকৈ চাহাবৰ বিলাতী আভিজাত্য থকা সত্ত্বেও নাৰায়ণী সন্দিকৈ সাহিত্যগুৰু গোলাপ্ৰিবৰুৱাৰ ভগ্নী। ভাতৃ-ভগ্নী দুয়ো হাড়ে-হিমজুৰে জাতে-পাতে অসমীয়া। সান্দিকৈ টোলৰ ভিতৰত নাৰায়ণী সন্দিকৈ ডাঙৰীয়ানীৰ আশী সুতাৰ কাপোৰ বোৱা তাঁতশালখনে আৰু আন জাতীয় জীৱনৰ পাৰিপাট্যই সন্দিকৈৰ ঘৰখনত এটা নিভাঁজ অসমীয়া পৰিবেশৰ সৃষ্টি কৰিছিল। কৃষ্ণকান্তৰ ভ্ৰাতৃ লক্ষ্মীকান্তৰ বগী-ৰা বিলাতী মেমেও গড়মূৰীয়াত মুৰ দোৱাই ৰিহা-মেখেলা পিন্ধি অসমীয়া সোণতৰা গাভৰু হৈহে সেই ঘৰত প্ৰৱেশৰ অধিকাৰ পাইছিল। কৃষ্ণকান্তই ল'ৰাকালত এই আদৰ্শনীয় পৰিবেশৰ মাজতে থাকি, মাতৃস্নেহত বুৰ গৈ নিশ্চয় নিজৰ জীৱনৰ লক্ষ্য স্থিৰ কৰি লৈছিল। কৃষ্ণপ্ৰিয়া হেমলতাক ৰামায়ণৰ অশ্ৰুসিক্তা উৰ্মিলাৰ লগত বিজাব পাৰি। সুদীৰ্ঘ ন বছৰকাল তেওঁ স্বামীৰপৰা আঁতৰত থাকি আলেঙে আলেঙে নীৰৱে বিশেষ দক্ষতাৰে নিজ কৰ্তব্য সম্পাদন কৰি বৈষয়িক জঞ্জালৰপৰা স্বামীক মুক্ত কৰি ৰাখিছিল। কৃষ্ণ-

কান্তৰ পত্নী বিয়োগৰ পিছত সুদীৰ্ঘকাল বোৱাৰীয়েক স্বৰ্ণবালায়ে ওচৰত থাকিবদাৰে লাগি থাকি কন্যাসুলভ শুশ্ৰূষাৰে শহুৰেকক তেওঁৰ আত্মৰুচি মতে সুখত ৰাখিবলৈ অশেষ যত্ন কৰিছিল।

(১)

ৰাধাকান্তৰ জীৱনৰ নাটৰ সন্দিকৈ পৰিয়ালৰ আটাইতকৈ ডাঙৰ ট্ৰেজেডি বা প্ৰচণ্ড শোকাবহ দুৰ্ঘটনাটো আছিল চন্দ্ৰকান্ত আৰু ইন্দ্ৰকান্তৰ অকালতে কৰুণভাৱে জীৱন-যৱনিকাৰ পতন। লৱ-কুশৰ দৰে মৰমৰ তালধুৰীয়া পুত্ৰ দুটি হেৰুৱাই ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াই চকুৰে ধোঁৱা-কোঁৱা দেখিছিল। এই দাৰুণ পুত্ৰশোক প্ৰশমিত কৰিবলৈ শৰৎ গোসাঁইৰ পৰামৰ্শমতে চন্দ্ৰকান্ত ভৱন, চন্দ্ৰকান্ত অভিধান আৰু ইন্দ্ৰকান্ত ব্যাকৰণৰ পৰিকল্পনা কৰি লোৱা হৈছিল। শাপেই বৰ হ'ল, অৰ্থাৎ এই শোকৰ পৰিণতি স্বৰূপে অসম সাহিত্য সভাই লাভ কৰিলে যোৰহাটৰ চন্দ্ৰকান্ত সন্দিকৈ ভৱন আৰু চন্দ্ৰকান্ত অভিধানৰ প্ৰথম তাঙৰণ। এই অভিধানখন ছপিয়াবলৈ ৰাধাকান্ত সন্দিকৈয়ে নিজেই হাড়ভঙা পৰিশ্ৰম কৰিবলগীয়া হৈছিল আৰু তাতেই তেওঁৰ কৰ্মশক্তি নিঃশেষ হোৱাৰ দৰে হ'ল। ইন্দ্ৰকান্ত ব্যাকৰণৰ কথা একেবাৰে তল পৰিল। কৃষ্ণকান্তয়ো এই বিষয়ে চিন্তা কৰাৰ কথা গম পোৱা নেযায়। তেওঁৰ প্ৰিয় ব্যাকৰণ আছিল হেমচন্দ্ৰ বৰুৱাৰ 'অসমীয়া ব্যাকৰণ'খন। 'বৰুৱা ব্যাকৰণ'খন গুচাই তেওঁ প্ৰৱেশিকা মহলাত 'হেমচন্দ্ৰ ব্যাকৰণ' চলাইছিল।

চন্দ্ৰকান্ত অভিধানৰ প্ৰথম তাঙৰণ শেষ হোৱাত দ্বিতীয় তাঙৰণৰ আৱশ্যক হৈছিল। সেই সময়ত কৃষ্ণকান্ত গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ উপাচাৰ্য। তেওঁৰ পৰামৰ্শমতে চন্দ্ৰকান্তৰ দ্বিতীয় আৰু তৃতীয় তাঙৰণ প্ৰকাশৰ দায়িত্ব অসম সাহিত্য সভাৰপৰা গুৱাহাটী

বিশ্ববিদ্যালয়লৈ হস্তান্তৰিত হয়। পিতৃ আৰু ভ্ৰাতৃৰ স্মৃতি জড়িত হৈ থকা বাবে কৃষ্ণকান্তই চন্দ্ৰকান্ত অভিধানৰ প্ৰতি সদায় বিশেষ দৃষ্টি ৰাখিছিল। ড° সূৰ্যকুমাৰ ভূঞা আৰু ড° বিৰিঞ্চিকুমাৰ বৰুৱাৰ কৰ্মতৎপৰতাত দ্বিতীয় তাঙৰণ অভিধান নিৰ্দিষ্ট সময়ত প্ৰকাশ হ'ল। তৃতীয় তাঙৰণৰ বেলিকা কিন্তু কেৰোণ ধৰিছে। কৃষ্ণকান্তই বৰ হাবিলাষ কৰিছিল যদিও তেওঁ এই তাঙৰণটো ছপাৰূপত চাই যাব নোৱাৰিলে। বছৰৰ পিছত বছৰ পাৰ হৈ গৈছে যদিও অভিধানখনে ইমানদিনে হেনো অ-ফলাখনহে শেষ কৰিছে। ক-ফলা শেষ কৰিবলৈ এতিয়াও নাকৰ ওপৰত ন হাত পানী।

কৃষ্ণকান্ত সম্পৰ্কেক প্ৰাচ্যতত্ত্ববিদ বুলি কোৱা হয় যদিও তেওঁ কেইবাটাও পাশ্চাত্য ভাষাৰো অধিকাৰী হৈছিল। প্ৰাচ্য পালি, প্ৰাকৃত, সংস্কৃতৰ উপৰিও পাশ্চাত্য লেটিন, গ্ৰীক, ইংৰাজী, ফৰাচী, জাৰ্মান আদি কেইবাটাও ভাষাতো তেওঁ নৈপুণ্য লাভ কৰিছিল। এই পাশ্চাত্য ভাষাৰ পাণ্ডিত্য আহৰণত বহুতে নেজানে যে কৃষ্ণ-কান্তৰ পথ প্ৰদৰ্শক আছিল ড° সূৰ্যকুমাৰ ভূঞা। মুঠতে এই সম্পৰ্কে ছাত্ৰাৰী ভাষাৰেই কৈছোঁ: ড° সূৰ্যকুমাৰ ভূঞাক সন্দিকৈ ডাঙৰীয়াই সদায় জ্যেষ্ঠ ভ্ৰাতৃৰদৰে সন্মান কৰিছিল। ভূঞা ডাঙৰীয়াৰ আদেশ-উপদেশ তেওঁ সদায় গ্ৰহণ কৰিছিল। ড° ভূঞাৰ উপদেশ মতেহে সন্দিকৈয়ে কলিকতাৰ সংস্কৃত কলেজলৈ বি. এ. পঢ়িবলৈ যায়। আনকি ভূঞা ডাঙৰীয়াৰ লগতে তেওঁ কলিকতালৈ যায়। সংস্কৃত সাহিত্যৰ বিপুলতা সন্দিকৈ ডাঙৰীয়াৰ কলিকতাৰ সংস্কৃত কলেজৰ লাইব্ৰেৰী দেখিহে অনুমান হ'ল। এই লাইব্ৰেৰী দেখাৰ পৰাহে সংস্কৃত সাহিত্য শিকাৰ কাৰণে তেওঁৰ মনত এটা অনুপ্ৰেৰণা জাগিল। তদুপৰি সংস্কৃত কলেজত নাম লগোৱাৰ পৰা তেওঁৰ এটা বিশেষ উপকাৰ হৈছিল। তাত সংস্কৃতত অনাৰ্ছ পঢ়াৰ হাবিৰেও সেই কলেজৰ টোল-বিভাগত পণ্ডিতপ্ৰবৰ লক্ষ্মণ শাস্ত্ৰীৰ দৰ্শন ব্যাখ্যা শুনাৰ সুবিধা পাইছিল। সন্দিকৈয়ে কোৱামতে

ড° সূৰ্যকুমাৰ ভূঞা'ৰ কাৰণেই তেওঁৰ বিদেশী ভ'ষা শিকাৰ প্ৰতি ধাউতি জাগিল। সংস্কৃত কলেজত বি. এ. পঢ়ি থাকোঁতেই ড° ভূঞাই সন্দিকৈক ফ্ৰেন্স ভাষা শিকিবৰ কাৰণে কলিকতা বিশ্ববিদ্যালয়ৰ ফ্ৰেন্স ক্লাচত নাম লগাই দিয়ে। অৱশ্যে সন্দিকৈৰ পঢ়াৰ হেঁচা বেছি হোৱাত তেতিয়া তেওঁ ফ্ৰেন্স পঢ়াত মনোনিবেশ কৰিব নোৱাৰিলে।

"কিন্তু এইটো ঠিক যে সন্দিকৈ ডাঙৰীয়াক বিদেশী ভ'ষা শিকাৰ প্ৰতি আকৃষ্ট কৰাৰ একমাত্ৰ সূযকুমাৰ ভূঞাদেৱেই। ড° ভূঞাই এইদৰেই ছাত্ৰ সন্দিকৈক উদগাই নথকা হ'লে কেতিয়াও হয়তো পৃথিৱীৰ বিভিন্ন ভাষা তেওঁৰদ্বাৰা শিকা নহ'লহেঁতেন। এই কথাষ'ৰ কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াই নিজে কোৱা কথা।"

পিছৰ জীৱনত পুস্তকপ্ৰেমী হ'লেও জীৱনৰ আগছোৱাত কৃষ্ণকান্ত থিয়েটাৰ আৰু কলাপ্ৰেমীও আছিল। তেওঁ কলিকতীয়া ছাত্ৰ-জীৱনত মোৰ জেঠেৰী তেওঁৰ সহপাঠী শৈলেন্দ্ৰকুমাৰ দত্তৰ লগত নিয়মিতভাৱে বঙলা থিয়েটাৰ চাইছিল। তেওঁ নিজেও ছাত্ৰ-জীৱনত অসমৰ ৰংগমঞ্চৰ লগত যোৰহাটত পৰোক্ষভাৱে জড়িত হৈ পৰিছিল। অসমত তেওঁৰ প্ৰিয় অভিনেতা আছিল তেজপুৰৰ বোধনাথ পটঙীয়া, নগাঁৱৰ জগৎ বেজবৰুৱা আৰু গুৱাহাটীৰ ৰাধিকা-প্ৰসাদ বৰুৱা। সেই সময়তে তেওঁ অসমীয়া সাহিত্যৰো চিন্তা-চৰ্চা কৰিছিল। কবিতা, গীত, সাধু আদি ৰচনা কৰিছিল। তেওঁৰ তিনিখন বহুমূলীয়া গ্ৰন্থৰ উপৰিও বিভিন্ন কাকত-পত্ৰত সিঁচৰতি হৈ থকা প্ৰবন্ধাৱলী দুই খণ্ডত সংকলন কৰি প্ৰকাশ কৰিলে এখন ইংৰাজী আৰু এখন অসমীয়া মূল্যৱান গ্ৰন্থ পোৱা যাব।

এই প্ৰবন্ধবোৰ একত্ৰে গোটাই এখন অসমীয়া গ্ৰন্থ প্ৰকাশ কৰিবলৈ যোৰহাটৰ শ্ৰীযতীন্দ্ৰনাথ গোস্বামীয়ে ইচ্ছা প্ৰকাশ কৰাত সন্দিকৈদেৱে ওপৰে ওপৰে সম্মতি দিছি কৈছিল বোলে

তেওঁ জ্যোতিষীৰ গণনা মতে আৰু কেইবছৰমান জীয়াই থাকিব। সেই অনুসৰি আৰু দুটামান নতুন প্ৰবন্ধ লেখিবলৈ স্থিৰ কৰিছে আৰু কোনটো প্ৰবন্ধ কোন চনত লেখিব তাকো ভাবি থৈছে। যতীন গোসাঁয়ে পুনৰ কিতাপখন উলিয়াবলৈ সকিয়াই থকাত তেওঁ ক'লে বোলে গ্ৰন্থখনৰ কেইটামান প্ৰবন্ধ নিৰ্দিষ্ট মানসম্পন্ন হোৱা নাই। সেইকাৰণে তেওঁ কিতাপখন প্ৰকাশ কৰিবলৈ সন্মতি দিব নোৱাৰে। পাণ্ডুলিপি সাজু কৰি ৰখা সন্দিকৈদেৱৰ অসমীয়া গ্ৰন্থখন এতিয়া যতীন গোসাঁয়ে উলিয়ালে ভাল হয়। পণ্ডিতজনাৰ মতে প্ৰবন্ধবোৰ নিৰ্দিষ্ট মানসম্পন্ন নহ'ব পাৰে ; কিন্তু আমাৰদৰে সাধাৰণ পাঠকৰ পক্ষে কোনো কোনোটো প্ৰবন্ধ উচ্চ মানবিশিষ্ট নহ'লেও নিম্ন মানবিশিষ্ট নহয়।

এই লেখকে ব্যক্তিগতভাৱে সন্দিকৈৰ মৰমৰ পাত্ৰ হ'বলৈ সৌভাগ্য লাভ কৰিছিল। মোৰ নাটক 'শকুন্তলা'ই সন্দিকৈৰ পাতনিৰ সাতসৰী পিন্ধি সালংকৃতা হৈছিল। বি. টি. শিক্ষকৰ কামটো দি তেওঁ উপযাচি মোক গুৱাহাটী বিশ্ববিদ্যালয়ৰ লগত যোগসূত্ৰ স্থাপন কৰি দিছিল। অসম সাহিত্য সভাৰ পুনৰ্জীৱনৰ যুগত মই প্ৰধান সম্পাদক হৈ সভাৰ কাম চলাইছিলোঁ। তেওঁ পৰোক্ষভাৱে নিশ্চয় সাহিত্য সভাৰ ভিতৰ চ'ৰাৰ খবৰ ৰাখিছিল। সেইবছৰেই হ'বলা তেওঁ বিৰিঞ্চি বৰুৱাৰ যোগেদি মোক সম্পাদকৰ পদটো এৰি নিদিবলৈ নিৰ্দেশ দি পঠাইছিল আৰু সেইমতে ময়ো বিনা প্ৰতিবাদে দ্বিতীয়বাৰ সম্পাদকৰ পদ গ্ৰহণ কৰিবলগীয়া হৈছিলোঁ। কেৱল মোকেই নহয়, প্ৰতিজন অসমীয়া সাহিত্যিককে তেওঁ ভাল পাইছিল আৰু অযাচিতভাৱে পৰাখিনি সহায় কৰিছিল। বিশ্ববিদ্যালয়ৰ পৰীক্ষক আদিৰ তালিকাত চকু ফুৰাই তেওঁ সাহিত্যিকসকলক অগ্ৰস্থান দিছিল। তেওঁৰ পৰামৰ্শমতেই দৈৱ তালুকদাৰৰ "বামুণীকোঁৱৰ", "অপূৰ্ণ", মোৰ "নৰকাসুৰ", "শকুন্তলা" আদি কিতাপ বিশ্ববিদ্যালয়ৰ পাঠ্য-তালিকাৰ অন্তৰ্ভুক্ত হৈছিল।

(৩)

কৃষ্ণকান্ত সন্দিকৈ উপাধি আৰু সন্মানৰ প্ৰতি সমূলি আগ্ৰহী নাছিল। তেওঁ বহু বছৰ বিলাতত আছিল, কিন্তু অক্সফ'ৰ্ডৰ এম. এ ডিগ্ৰী এটাৰ বাহিৰে তেওঁ তাৰপৰা কোনো উচ্চ ডিগ্ৰী সংগ্ৰহ কৰি অনা নাছিল। সেইবোৰ দেশত বোলে ডক্টৰেট উপাধি এটা লাভ কৰা সমূলি টান কথা নহয়। সেইকাৰণে তেনে সস্তীয়া ডিগ্ৰীলৈ কৃষ্ণকান্তৰ লোভ ওপজা নাছিল। তেওঁ উপাধি বা ডিগ্ৰী আহৰণৰ প্ৰতি মনোযোগী নহৈ একান্তমনে জ্ঞান আহৰণতহে ব্ৰতী হৈছিল। অসম ছাত্ৰ সন্মিলন, অসম সাহিত্য সভা আৰু অসমৰ বাহিৰৰ কেইখনমান সভাতো তেওঁ পৌৰোহিত্য কৰিছিল যদিও এনেদৰে সভা সমিতিত সময় আৰু শক্তি প্ৰয়োগ কৰিবলৈ তেওঁ সমূলি ভাল নেপাইছিল বহুতে জোৰ দি ধৰা সত্ত্বেও তেওঁ শ্ৰীনগৰত অনুষ্ঠিত সৰ্বভাৰত প্ৰাচ্য বিদ্যা সন্মিলনৰ (অল ইণ্ডিয়া অৰিয়েণ্টেল কনফাৰেন্স) সভাপতিৰ উচ্চ সন্মানিত পদ গ্ৰহণ নকৰিলে।

যোৰহাটৰ চন্দ্ৰকান্ত সন্দিকৈ ভৱনটো আছিল অসম সাহিত্য সভাক অৰ্পণ কৰা কৃষ্ণকান্তৰ পৈত্ৰিক সম্পত্তিস্বৰূপ। সাহিত্য সভাৰ ভোগদখলত থকা এই ভৱনটোৰ ৰক্ষণাবেক্ষণৰ দায়িত্ব সন্দিকৈ পৰিয়ালৰ। ৰাধাকান্ত সন্দিকৈৰ পিছত ইয়াৰ চাবি-কাঠী আছিল কৃষ্ণকান্তৰ হাতত। তেওঁৰ মনোনীত এজন ধনৰ্ভঁৰালীৰ মধ্যেদি কৃষ্ণকান্তই ভৱনটোৰ তদাৰক কৰিছিল। জনামতে জীৱিত অৱস্থাত এদিনৰ বাহিৰে তেওঁ কোনোদিনে এই ভৱনৰ চৌহদত ভৰি দিয়া নাছিল। তথাপি ইয়াৰ অৱস্থাৰ বিষয়ে তেওঁ সম্যকভাৱে আনতকৈও বেছিকৈহে জানিছিল আৰু আৱশ্যকমতে ইয়াৰ মেৰামতিৰ বাবে মুকলি হাতেৰে খৰচ কৰিছিল। এই অৱবক্ষণ সমিতিৰ তেওঁৰ সহযোগী প্ৰথমজন ধনৰ্ভঁৰালী আছিল চৰকাৰী উকিল দেবেশ্বৰ শৰ্মা, দ্বিতীয়জন নকুলচন্দ্ৰ ভূঞা আৰু তৃতীয়জন শ্ৰীযতীন্দ্ৰনাথ গোস্বামী।

শৰ্মা, ভূঞা আৰু গোস্বামী সন্দিকৈৰ বিশ্বাসী বন্ধু আৰু সঞ্জয়-চকু আছিল। ভৰনৰ চকিদাৰ শ্ৰীপ্ৰমোদ হাজৰিকায়ো তেওঁক ভৰনটোৰ বিষয়ে ডাঙৰ বাতৰি ডাঙৰে দিছিল।

উপাচাৰ্য কৃষ্ণকান্ত সম্পৰ্কে মোৰ "স্মৃতিৰ পাপৰি" আৰু "স্মৃতিলেখা"ত লেখা কথাৰ উপৰিও এইকথা ক'ব পাৰি যে কেৱল প্ৰথম উপাচাৰ্য হিচাপেই নহয়, প্ৰধান উপাচাৰ্য হিচাপেও কৃষ্ণকান্তৰ খ্যাতি অম্লান হৈ আছে। তেওঁৰ পিছৰ উপাচাৰ্যসকলৰ কোনোজনেই যোগ্যতাত তেওঁৰ সমকক্ষ হ'ব পৰা নাই আৰু নিয়াৰিকৈ দৃঢ়তাৰে কাৰ্য-পৰিচালনা কৰিবলৈ সমৰ্থ হোৱা নাই। কোনোজন উপাচাৰ্যই দ্বিতীয়বাৰ নিৰ্বাচিত হ'বৰ সৌভাগ্য লাভ কৰা নাই। ইচ্ছা কৰা হ'লে কৃষ্ণ-কান্তই চতুৰ্থবাৰো নিৰ্বাচিত হ'ব পাৰিলেহেঁতেন। কিন্তু ৰসতে নাম থৈ নবছৰীয়া কাৰ্যকালৰ অন্তত নিজেই বিদায় ল'লে। গোৰহাটিলৈ গৈ তেওঁ তাঁৰ যোগে কোনেও তেওঁৰ নাম পুনৰ উপাচাৰ্যৰ বাবে প্ৰস্তাৱ নকৰিবলৈ জনাই দিছিল। হাতীৰ দাঁত এবাৰহে ওলায়। সেইদৰে কৃষ্ণকান্তৰ সিদ্ধান্ত অলৰ-অচৰ। অস্বীকৃত থকা দেৱতাৰ দৰে কৃষ্ণকান্তই লোক-চক্ষুৰ অন্তৰালত থাকি বিশ্ববিদ্যালয় চলাইছিল। তেওঁৰ দিনত আজিকালিৰ দৰে জাউৰিয়ে জাউৰিয়ে দাবী নাছিল, বিক্ষোভ নাছিল, অনুশাসনহীনতা নাছিল, আছিল এক শান্ত সোমা পৰিৱেশ। পৰীক্ষা গৃহত দুৰ্নীতিৰ অৱস্থা হৈছিল নাক-কাণ কটা শূৰ্পনখাৰ দৰে।

যি থেনোক দেখি ৰাক্ষে-বাটে থেনোক দেখি ভুৱাৰ বাক্ষে; দৃঢ়মনা কৃষ্ণকান্তই কেতিয়াও তেনে হ'বলৈ নিদিছিল পাছ দুৱাৰেদি অনুগ্ৰহ লাভৰ কাৰণে আহিবলৈ তেওঁ কাকো সুবিধা নিদিছিল। আনকি অসমৰ শক্তিশালী প্ৰাক্তন মন্ত্ৰীপুত্ৰয়ো তেওঁৰ হাতত সাৰণ পোৱা নাছিল।

উপাচাৰ্য কৃষ্ণকান্তৰ পঞ্জীয়ক ফণীধৰ দত্ত আৰু কোষাধ্যক্ষ শ্ৰীচিদানন্দ দাস আছিল সোঁহাত আৰু বাওঁহাত। লোকপ্ৰিয় গোপী-

ন'থে কৃষ্ণকান্তক নোপোৱা হ'লে আৰু কৃষ্ণকান্তই প্ৰথম অৱস্থাতে শুদ্ধচিত্ত। ফণী চিদাক নে'পোৱা হ'লে বিশ্ববিদ্যালয়ৰ সফল ৰূপায়ণ সম্ভৱ নহ'লহেঁতেন নিশ্চয়।

(৪)

দ্বাৰকাৰ শ্ৰীকৃষ্ণই এৰা দিয়াৰ পিছত অৰ্জুনৰ গাণ্ডীৱৰ কালিকা নোহোৱাৰ নিচিনাই; ঠিক কলিৰ কৃষ্ণই এৰা দিয়াৰ পিছত আজি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পানাত হুঁত নচৰা অৱস্থা হৈছে।

একে ধনু, একে শৰ, একে ধনঞ্জয়।
তথাপিতো গুৱালক ছাল নিৰিক্ষয়॥

সেয়ে হ'লেও যোৰহাটৰ জগন্নাথ বৰুৱা কলেজ আৰু গুৱাহাটী বিশ্ববিদ্যালয় যে কৃষ্ণকান্ত সন্দিকৈৰ জীৱনৰ দুটা জয়স্তম্ভ আছিল, এই কথা অনস্বীকাৰ্য। এই দুখন শিক্ষানুষ্ঠানে অসমৰ শিক্ষা বুৰঞ্জীত অমৰত্ব দান কৰিলে। মানুহ গ'লেও কীৰ্তি থাকি যায়।

ভাৰতবৰ্ষৰ আন ৰাজ্যৰ তুলনাত অসমত শিক্ষানুৰাগী দাতাৰ সংখ্যা তাকৰ, থাকিলেও এপাচি সচু শাকত এটা জালুক। এই প্ৰসংগত অসমীয়া সাউদ ভোলানাথ বৰুৱাৰ নাম শ্ৰদ্ধাৰে স্মৰণ কৰিব পাৰি। বৰুৱা ডাঙৰীয়াৰ দানত অৱশ্যে বিলাতী চৰকাৰৰ প্ৰতি প্ৰীতিৰ লেও লেশ লাগি আছিল। অনেকেক আঢ্যৱন্ত অসমীয়া লোক নথকা নহয়। সেইসকল নিজৰ আৰু পৰিয়ালৰ ভোগ-বিলাসৰ লগতে শিল্প, ধন-দৌলত আহৰণতে ব্যস্ত। দশৰ আৰু দেশৰ হিতৰ কাৰণে কাচিৎহে তেওঁলোকৰ হাতৰ মুঠি মুকলি হয়। পিতা-পুত্ৰ ৰাধাকান্ত সন্দিকৈ আৰু কৃষ্ণকান্ত সন্দিকৈ আছিল এইসকলৰ ব্যতিক্ৰম।

যোৰহাটৰ অসম সাহিত্য সভাৰ কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱন, গুৱাহাটীৰ ৰাধাকান্ত সন্দিকৈ ছোৱালী কলেজ আৰু নাৰায়ণী সন্দিকৈ বুৰঞ্জী-পুৰাতত্ত্ব ভৱন ৰাধাকান্ত সন্দিকৈৰ দানৰ উত্তম নিদৰ্শন। অনুৰূপভাৱে কৃষ্ণকান্তৰ দানৰ লক্ষ্য বহন কৰিছে যোৰহাটৰ উচ্চ পৰ্যায়ৰ হেমলতা বিদ্যালয়, চন্দ্ৰকান্ত অভিধানৰ দুটা তাঙৰণে আৰু অনেকে। এই লেখকৰ উপৰিও নলিনীবালা দেৱী, আব্দুছ ছাত্তাৰ, সুৰেশচন্দ্ৰ গোস্বামী, নকুল ভূঞা, কবি মহন্ত প্ৰভৃতি ভালে-কেইজন গ্ৰন্থকাৰ কৃষ্ণকান্তৰ দানেৰে উপকৃত হৈছিল। এটা সৰু উদাহৰণ দিয়া যাওক। অসম সাহিত্য সভাই দ্বিতীয় গোলাঘাট অধিবেশনত কৃষ্ণকান্তক "ফেলোছিপ" সন্মান দিব খুজি ইংৰাজী 'ফেলো' শব্দক অসমীয়া প্ৰতিশব্দ 'সদস্য মহত্তম' কৰিব খোজা জানি কামৰূপৰ গামেৰীমুৰী গাঁৱৰ সংস্কৃত পণ্ডিত শ্ৰীভৱদেৱ ভাগৱতীয়ে (সংস্কৃত জয়মতী কাব্যৰ কবি) কৃষ্ণকান্তক জনালে যে "সদস্য মহত্তম" ভুল, 'সদস্য মহীয়ান'হে শুদ্ধ। কৃষ্ণকান্তই ভৱদেৱক সমৰ্থন জনাই সেইমতে শব্দটো শুধৰাবলৈ সাহিত্য সভাক পৰামৰ্শ দিলে। কেৱল সেয়েই নহয়, তেওঁ ভাগৱতীলৈ পুৰস্কাৰ স্বৰূপে এশ টকা মণি অৰ্ডাৰ কৰি পঠাই দিছিল। বয়োবৃদ্ধ ভাগৱতীয়ে আজিও কৃষ্ণকান্তৰ এই অপ্ৰত্যাশিত দানৰ কথা গৌৰৱেৰে স্মৰণ কৰে। ইয়াৰ আগতেও হেনো তেওঁ কেইবাবাৰো এইজন স্বীকৃতি-বিমুখ দাতাৰ পৰা দান হিচাপে মাখিটো মকৰাটো লাভ কৰিছিল।

এইদৰে কৃষ্ণকান্ত সন্দিকৈয়ে জীৱনত কিমান দান কৰিলে অংক কৰি হিচাপ উলিয়াব নোৱাৰি। কিয়নো সেই সম্পৰ্কে তেওঁ কোনো কথা লিখি ৰখা নাছিল আৰু আনৰ আগত প্ৰকাশ কৰিবলৈকো টান পাইছিল। এই দানসমূহৰ ভিতৰত আটাইতকৈ ডাঙৰ-ডিলিকা দান দুটা আছিল তেওঁৰ তিনিখন অমূল্য গ্ৰন্থৰ স্বত্ব বিদ্যোৎসাহী প্ৰকাশকক দান। আমাৰ কেইবাজনো লব্ধপ্ৰতিষ্ঠ সাহিত্যিকৰ কিতাপবোৰ অযোগ্য উত্তৰাধিকাৰীৰ হাতত পৰি যথা-

যোগ্য সংৰক্ষণৰপৰা বঞ্চিত হৈছে আৰু ধ্বংসৰ কবলত পৰিছে। দূৰদৰ্শী কৃষ্ণকান্তই তেওঁৰ অমূল্য গ্ৰন্থ তিনিখনে য'তে যাউতিযুগীয়া জীৱন লাভ কৰিব পাৰে, তাৰ সুব্যৱস্থা কৰি থৈ গৈছে।

কৃষ্ণকান্তৰ দ্বিতীয়টো বৃহৎ দান হৈছে তেওঁৰ অতিশয় মূল্যৱান ব্যক্তিগত পুথিভঁৰালটো গুৱাহাটী বিশ্ববিদ্যালয়লৈ হস্তান্তৰিত হোৱাৰ ব্যৱস্থা কৰি যোৱাটো। ইতিমধ্যে এই বহুমূলীয়া গ্ৰন্থাগাৰটোৰে যোৰহাটৰ পৰা আহি গুৱাহাটীৰ জালুকবাৰীত থিতাপি লৈছে। সন্তোষৰ কথা, পলমকৈ হ'লেও গুৱাহাটী বিশ্ববিদ্যালয়ে নিজৰ সম্পূৰ্ণ গ্ৰন্থাগাৰটো 'কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰ' নামকৰণ কৰিবলৈ সিদ্ধান্ত লৈছে। সন্দিকৈৰ জীৱনকালতে এই নামকৰণ হোৱা হ'লে অধিক সন্তোষৰ কথা হ'লহেঁতেন। সি যি নহওক, এতিয়া অচিৰতে সন্দিকৈ গ্ৰন্থাগাৰৰ দহ-বাৰ হেজাৰ গ্ৰন্থৰ যাতে সুসংৰক্ষণ হয় তাৰ আশু ব্যৱস্থা কৰিব লাগে। এই গ্ৰন্থালয়ৰ ভিতৰতে আছুতীয়াকৈ সূৰ্য-কুমাৰ ভূঞা আৰু বেণুধৰ শৰ্মাৰ ব্যক্তিগত পুথিভঁৰালো সংৰক্ষিত কৰিব পাৰিলে ভাল হয়। মই ভাবোঁ, কৃষ্ণকান্ত গ্ৰন্থাগাৰৰ সংৰক্ষাৰ বাবে আৰু যাতে তাৰ এখন কিতাপৰো হানি-বিঘিনি নহয়, অংগক্ষত নহয়, সেই সম্পৰ্কে বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই অনবৰত প্ৰখৰ দৃষ্টি ৰাখিব লাগিব।

আমাৰ এষাৰ কথা আছে বোলে সিংহ মাৰি নকওঁ লাজে, নিগনি মাৰি জয়ঢোল বাজে। আমাৰ মাজত জয়ঢোল বজোৱা অশেষ নিগনি বীৰ আছে। হাতী-বীৰ আছিল দেশভক্ত ফুকন বাঘ-বীৰো তাকৰ নহয়, কিন্তু সিংহ-বীৰ এজনো নাই। কৃষ্ণ-কান্ত আছিল নীৰৱ জ্ঞান-বীৰ, কিন্তু তেওঁ নিজৰ আত্মপ্ৰশংসাৰ জয়ঢোলত কোনোদিনে চাপৰ এটাকে মৰা নাছিল।

মই এবাৰ তেওঁলৈ মোৰ 'পগলাৰ সুৰ' আৰু 'স্মৃতিৰ পাপৰি' নামৰ কিতাপ দুখন উপহাৰ স্বৰূপে পঠাই দিছিলোঁ।

আৰ্থিক সাহায্য হিচাপে এবো বিচৰা নাছিলোঁ। তেওঁ 'স্মৃতিৰ পাপৰি'খন পঢ়ি বৰ আমোদ উপভোগ কৰিছে বুলি ছাত্ৰাবে মোলৈ লিখিছিল। তাৰ প্ৰমাণস্বৰূপে কেইদিনমান পিছত মই সন্দিকৈদেৱৰ পৰা এহেজাৰ টকাৰ এখন চেক আৰু লগতে এখন চিঠি পাইছিলোঁ। সেই চিঠিখন তলত ব্লক কৰাই তুলি দিছোঁ। এই চিঠিত সন্দিকৈদেৱৰ জীৱনৰ অন্তিম পৰ্বৰ কঁপনীয়া হাতৰ আখৰৰ নিদৰ্শন পোৱা যায়।

[illegible]
2/5/78

স্নেহাস্পদেষু

[illegible]

ইতি
[illegible]

উল্লেখযোগ্য যে সেইপৰৰ চিঠিখনত দানৰ পৰিমাণ উল্লেখ কৰা হোৱা নাই। এই কথা হ'লে ঠিক যে মোৰ মানত চেকৰ টকা হেজাৰতকৈ চিঠিখনৰ যোগেদি পোৱা শুভেচ্ছা-বাণী বহুগুণে মূল্যৱান।

দিল্লীৰ সাহিত্য একাডেমী প্ৰতিষ্ঠা কালত অসমৰ উপদেষ্টা বোৰ্ডৰ আহ্বায়ক আছিল ড° বিৰিঞ্চিকুমাৰ বৰুৱা। সদস্যসকলৰ মাজত মইয়ো আছিলোঁ, ড° মহেশ্বৰ নেওগ আৰু ড° সত্যেন্দ্ৰনাথ শৰ্মা আছিল আৰু কোন আছিল মনত নাই। উপদেষ্টাবো উপদেষ্টা

আছিল কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়া। বৈঠকবোৰ অনুষ্ঠিত হৈছিল উপাচাৰ্যৰ বংগলাত। তাত যোগ দিলেও কৃষ্ণকান্ত ভিতৰৰ পৰা ওলাই অহা নাছিল যদিও বিৰিঞ্চি বৰুৱাৰ যোগে তেওঁ পৰামৰ্শ পঠিয়াইছিল আৰু সেইমতে আমি কাম কৰিছিলোঁ।

সেই সময়তে এবাৰ দিল্লীৰ একাডেমীয়ে অসমত এখন সাহিত্য একাডেমীৰ শাখা খুলিবলৈ মনতে পাতিছিল আৰু সেই সম্পৰ্কে কৃষ্ণকান্ত সন্দিকৈৰ মতামত বিচাৰিছিল। কৃষ্ণকান্তই নিজেই তাৰ উত্তৰ লিখি পাতনিতে সেই প্ৰয়াসত '[illegible]' '[illegible]' দিছিল। তেওঁ লিখিছিল যে অসমত অসম সাহিত্য সভাৰ নিচিনা এখন বৃহৎ জাতীয় অনুষ্ঠান থকাৰ নিমিত্তে অসমত দ্বিতীয় সাহিত্য একাডেমীৰ কোনো প্ৰয়োজন নাই। সন্দিকৈৰ ইচ্ছামতে কাম হ'ল। সাহিত্য একাডেমীয়ে অসম সাহিত্য সভাৰ সমান্তৰালকৈ অসমত শাখা মেলিব নোবাৰিলে। দুখৰ বিষয় অসম সাহিত্য সভাৰ যোৱা শুৱালকুছি অধিবেশনৰ আগে আগে এখন সমান্তৰাল সাহিত্য সভা পাতিবলৈ কুচক্ৰান্তৰ কথা শুনা গৈছিল। আজিও তাৰ জুই মৰা নাই। আমাৰ মাজত এমুঠি শিল্পী-সাহিত্যিকে নিজকে প্ৰগতিবাদী বুলি জনায় আৰু পূৰণি চামক দুৰ্গতিবাদী সাহিত্যিক বুলি ভাবে। সেইকাৰণেই তেওঁলোকে সমগ্ৰভাৱে অসম সাহিত্য সভাৰ বিৰোধিতা কৰে হ'বলা। স্বকীয় পৰিসৰৰ মাজত নতুন নতুন সাহিত্য-সংস্কৃতি সভা গঢ়ি উঠাত কাৰো আপত্তি থাকিব নোৱাৰে; কিন্তু এইবোৰে সুপ্ৰাচীন অসম সাহিত্য সভাৰ লগত প্ৰতিদ্বন্দ্বী যুদ্ধ পতাটোহে বাঞ্ছনীয় নহয়। বিসম্বাদীসকলে বুজিব কোনোবা আছে। সন্দিকৈ ডাঙৰীয়াই এই সম্পৰ্কে সাহিত্য একাডেমীক আগবঢ়োৱা পৰামৰ্শটো বিবেচনা কৰি চাব পাৰে। অৱশ্যে মানিলে ধান, নেমানিলে পতান।

সেই সময়ত সাহিত্য একাডেমীৰ পুৰস্কাৰৰ বাবে শ্ৰেষ্ঠ গ্ৰন্থ বাছনিৰ ভাৰ গুটীয়াকৈ কাকো নিদি উপদেষ্টা বোৰ্ডৰ ওপৰত

সেই দায়িত্ব ন্যস্ত কৰা হৈছিল। সেই বছৰ দিল্লীৰপৰা সেই সম্পৰ্কে চিঠি অহাত সন্দিকৈ ডাঙৰীয়াই বিৰিঞ্চি বৰুৱাৰ যোগে কৈ পঠালে বোলে কেৱল এখন কিতাপ বাছনিত নিদি এবেলগে তিনিখন কিতাপৰ নাম পঠাব লাগে। সেই কিতাপকেইখন আছিল যতীন দুৱৰাৰ 'বনফুল' সূৰ্যকুমাৰ, ভূঞাৰ 'কোঁৱৰ-বিদ্ৰোহ' আৰু বাণী-কান্ত কাকতিৰ – 'সাহিত্য আৰু প্ৰেম'। কৰ্তাৰ ইচ্ছাই কৰ্ম। কৰ্তা স্বয়ং কৃষ্ণ, কৰ্ম বিৰিঞ্চ-মহেশ্বৰ আৰু মই আছিলোঁ। ঢোলৰ লগত টেমেকা। সন্দিকৈৰ ইচ্ছাতে আমি হয়ভৰ দিলোঁ। দিল্লীৰ চূড়ান্ত বাছনিত অৱশ্যে 'বনফুল' হে বঁটা পালে।

ভাৰত চৰকাৰে অসমক সদায় অৱহেলাৰ চকুৰে চায়। সেই-কাৰণেই হ'বলা কৃষ্ণকান্তক প্ৰথমতে পদ্মশ্ৰী আৰু পিছত পদ্মভূষণ সন্মান দি আভুৱা ভাবিছিল। তেওঁক ভাৰতৰত্ন নিদিলেও পদ্ম বিভূষণ দিয়াটো উচিত আছিল; কিন্তু এইবোৰ কথাত সন্দিকৈ নিজে সম্পূৰ্ণ নিৰ্বিকাৰ আছিল। তেওঁ কোনোদিনে যশস্যালোলুপ নাছিল, উপাধিলোলুপ নাছিল। জ্ঞান আহৰণৰ বাহিৰে মান-সন্মানৰ প্ৰতি তেওঁৰ ধাউতি নাছিল।

ৰাজসন্মান আৰু ৰাজপুৰুষসকলৰ পৰা তেওঁ সদায় নিজকে দূৰৈত ৰাখিবলৈ যত্ন কৰিছিল। কোনো ৰাজকীয় ভোজমেলত তেওঁ পৰাপক্ষত যোগ নিদিছিল। দুটা উদাহৰণ দিছোঁ: এবাৰ তেতিয়াৰ অসমৰ প্ৰধান মন্ত্ৰী আৰু শিক্ষামন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈয়ে বিশ্ববিদ্যালয় সংক্ৰান্ত বিষয়ক আলোচনা কৰিবলৈ তেওঁক মাতি পঠালে। কৃষ্ণকান্ত যাবলৈ সন্মত হ'ল। মটৰত উঠিল। বাটত মটৰ-খনে আন বাট লোৱা দেখি সহযাত্ৰী ড. সূৰ্য ভুৱনেশ্বৰ বৰুৱাক মটৰ কলৈ যায় বুলি সুধিলে। ডাক্তৰ বৰুৱাই শিলপুখুৰীৰ বৰদলৈৰ বাসভৱনলৈ যাব বুলি কোৱাত সন্দিকৈয়ে ক'লে যে তেওঁ কাৰো ব্যক্তিগত বাসভৱনলৈ নাযায় আৰু মটৰ তেওঁৰ ঘৰলৈ ঘূৰাই

নিবলৈ নিৰ্দেশ দিলে। মহম্মদ পৰ্বতলৈ নগ'লেও পৰ্বতেই মহম্মদৰ ওচৰলৈ যায়। পিছদিনা লোকপ্ৰিয় বৰদলৈয়ে চাকিট হাউছত কৃষ্ণকান্তক দেখা কৰি সহৃদয়ভাৱে আলাপ-আলোচনা সমাপ্ত কৰিলে। মনত তেওঁ সন্দিকৈৰ প্ৰতি কোনো বিৰূপ ধাৰণা লোৱা নাছিল। এনেকুৱাই আছিল গোপীনাথ আৰু কৃষ্ণকান্তৰ স্বকীয় ব্যক্তিত্ব

(২)

সামৰণিত আমি এইকথা কওঁ যে প্ৰতিজন ডাঙৰ মানুহৰ চৰিত্ৰত কিছুমান বৈশিষ্ট্য পৰিলক্ষিত হয়। সেইবোৰৰ তাৎপৰ্য সাধাৰণ মানুহে বুজিব নোৱাৰে আৰু সেইবোৰত অদ্ভুতত্ত্ব দেখা পায়। কৃষ্ণকান্তৰ চৰিত্ৰও আন মানুহতকৈ বহুত বিষয়ে বেলেগ আছিল। সেই সম্পৰ্কে মোৰ "স্মৃতিলেখা" আৰু "স্মৃতিৰ পাপৰি"ত কিছু আভাস দিয়া হৈছে। ইয়াত কেইটামান তেনে উদাহৰণ দিয়া হ'ল:

ক) এদিন আবেলি মোৰ বন্ধু দেৱচন্দ্ৰ তালুকদাৰে তেওঁক দেখা কৰিবলৈ গৈছিল। সন্দিকৈ চাহাবৰ বঙলাৰ ভিতৰলৈ তালুকদাৰ যোৱাৰ বতৰা গ'ল। চাহাবে তালুকদাৰক বহিবলৈ কৈ পঠিয়ালে। তালুকদাৰ বাহিৰৰ বৈঠক-খানাত বহিল। পাঁচ মিনিট, দহ মিনিট, পোন্ধৰ মিনিট গ'ল। আধা ঘণ্টা হ'ল, তথাপি সন্দিকৈ ভিতৰৰ পৰা ওলাই অহা নাছিল। তালুকদাৰৰ ধৈৰ্যচ্যুতি ঘটিবৰ উপক্ৰম হৈছিল। আমো নাই, ফৰ্মুটিও নাই। এইদৰে বোলে প্ৰায় চল্লিছ মিনিট পাৰ হৈ গৈছিল। অৱশেষত কৃষ্ণপ্ৰভু মণিকূটৰ পৰা ওলাল। তালুকদাৰে সকাহ পালে; কিন্তু কোনো কথা সুধিবলৈ নৌপাওঁতেই 'বলক— তালুকদাৰ' বুলি সন্দিকৈ বাহিৰলৈ ওলাল। সেইদিনা তেওঁ তালুকদাৰক গধূলি ভ্ৰমণৰ সংগী কৰি ল'লে দুয়ো উজান বজাৰৰ

পানীকলৰ পৰ্বতত উঠিলগৈ। তাৰ পৰা ভবলুমুখৰ শান্তিপুৰত তালুকদাৰৰ ঘৰ— একেবাৰে পুবৰপৰা পশ্চিমলৈ। বাটে বাটে দুয়ো কথা পাতি গৈছিল। আন কথা নহয়, অসমীয়া সাহিত্যৰ কথা, অসমীয়া সাহিত্যিকৰ কথা। তালুকদাৰক তেওঁৰ ঘৰত থৈ সন্দিকৈ উভতিল। তালুকদাৰৰ থংটো জামৰি পানীকৃত হৈ গ'লেই, সেই ভ্ৰমণৰ মধুৰ স্মৃতি তেওঁ জীৱনৰ শেষ দিনলৈকে সুঁৱৰিছিল।

খ) এবাৰ বৰপেটাৰ লোকগীতি সংগ্ৰাহক শ্ৰীশ্ৰীৰামচন্দ্ৰ দাস গুৱাহাটীলৈ আহিছিল; লগত কেইজনমান ল'ৰা লৈ সন্দিকৈক দেখুৱাবলৈ। সন্দিকৈ তেতিয়া কটন কলেজৰ অধ্যক্ষ বঙলাত আছিল। দাসে অনুমতি বিচাৰি তেওঁলৈ খবৰ পঠালে। কিন্তু অনুমতি নেপাই তেওঁ বেজাৰ মনেৰে উলটি যাবলগীয়া হ'ল। এইখিনিতে উল্লেখ কৰিব পাৰি যে সন্দিকৈয়ে সকলো কাম নিৰ্দিষ্ট সময়ত কৰিছিল আৰু কাৰো অনাহকত অসময়ত দেখা নকৰিছিল। গুৱাহাটীত থকা সময়ত তেওঁক বাহিৰৰ মানুহে দেখা পাইছিল বছৰি এবাৰ পৰীক্ষা গৃহবোৰ পৰিদৰ্শন কৰাৰ সময়ত। আৰু দেখিছিল নিতৌ আবেলি নৈৰ পাৰেদি শৰৎ দত্ত বা আন কোনো সংগীৰ লগত সান্ধ্য ভ্ৰমণ কৰাৰ সময়ত।

গ) সেই সময়তে এবাৰ তেজপুৰৰ পৰা গোহাঞিবৰুৱাৰ পত্নী কৃষ্ণকান্তৰ মামীয়েক গুৱাহাটীলৈ আহি তেওঁ নাতি-জোঁৱাই শ্ৰীদণ্ডেশ্বৰ গগৈৰ ঘৰত আছিল। তেওঁ এদিন গগৈৰ যোগে খবৰ পঠালে সেইদিনা ভাগিনিয়েকক চাই যাব বুলি। শুনি কৃষ্ণকান্তই এটুকুৰা কাগজত আবেলি চাৰি বজাত বুলি লেখি দিলে। গগৈদেৱে কথাটো তেওঁৰ বুঢ়ীশাহুক জনাবলৈ ভাল নেপালে। গোহাঞিবৰুৱানী পুৰণি মানুহ। তেওঁ ঘড়ী-ঘণ্টাৰ ধাৰ নেধাৰে। এঘাৰমান বজাতে সন্দিকৈৰ বঙলাত ওলালগৈ। গোনছাটে কাকো মাতবোল নকৰাকৈ একেবাৰে ভিতৰ পালেগৈ। কৃষ্ণকান্তই তেওঁক অপ্ৰত্যাশিত-

ভাৱে দেখা পাই অপ্ৰস্তুত বা 'নাৰ্ভাচ' হৈ ক'লে, "আপুনি আহিলেই ?" মামীয়েকে ক'লে "তোমাক চাই যাওঁ বুলি আহিছোঁ, বোপা। আজিয়েই তেজপুৰলৈ যামগৈ।" অলপ সময় তুয়ো মাজত কথা-বতৰা হ'ল। মামায়েক ওলাই যোৱাৰ পিছত সম্ভৱতঃ কৃষ্ণকান্তই মুৰেদি পানী এচলু পাৰ হৈ যোৱা যেন পালে

ঘ) আৰু এদিনৰ কথা। মই সেই দিনা কিবা এটা কথাত উপাচাৰ্যৰ লগত দেখা কৰিবলৈ গৈছিলোঁ সন্দিকৈদেৱক দেখা কৰিবলৈ। বাহিৰৰ কোঠাৰ পৰা সন্দিকৈৰ জমদাগু নে দেখা পালোঁ। ঘৰৰ চকাত। এক কৰা মৈত উঠিছে। সন্দিকৈয়ে সমুখ লোকক চুইছে কিদোৱা নাই। একেমাৰ কথাকে বলকি গজি আছে। গৰুটো, কিতাপখন কিয় ইযাৰ পৰা তালৈ নিছিলি ?

বাহিৰৰ পৰা তেওঁৰ উগ্ৰ খঙৰ ভমকটো দেখা পাই মাহৰ মাৰ দেখি তিলে বেত মেলাৰ দৰে তাৰ পৰা গুচি আহিলোঁ। মেধে গজিছিল। যদিও বৰঘুণ নহ'ল। কিতাপ কাকত স্থানান্তৰিত কৰিলে তেওঁ কিমান বেয়া পায় তাৰ প্ৰত্যক্ষ নিদৰ্শন প্ৰত্যক্ষভাৱে দেখা পালোঁ।

আৰু এবাৰৰ কথা। সেইবাৰ মনীষী ৰাধাকৃষ্ণণৰ দ্বিতীয় অসম ভ্ৰমণ। তেওঁক আদৰিবলৈ গুৱাহাটীৰ জজ ফিল্ড পথাৰত এখন বিৰাট ৰাজহুৱা সভা অনুষ্ঠিত হৈছিল। মহান অতিথিজনাৰ সম্মান ৰক্ষাৰ্থে কৃষ্ণকান্ত সন্দিকৈ সভাপতি হৈ মঞ্চত বহিবলগীয়া হৈছিল। ক'মতে বহিছিল তেতিয়াৰ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধি ডাঙৰীয়া। ৰাজপুৰুষ মেধি আৰু শিক্ষাপুৰুষ সন্দিকৈয়ে মঞ্চ-বোল নকৰাকৈ বহি থকা দৃশ্য আমি ওচৰৰ পৰাই উপভোগ কৰিছিলোঁ। সেই ৰাজকীয় পৰিবেশত কৃষ্ণকান্তই তাৰ্গৈ নিজকে শালৰ মাজত শিয়ালৰ দৰে অৱস্থা অনুভৱ কৰিছিল। নিমন্ত্ৰী ছবিৰ দৰে কৃষ্ণ-বিষ্ণুৰ এই দৰ্শনো বৰ উপভোগ্য হৈছিল।

কৃষ্ণকান্ত সন্দিকৈ দানশীলতাত যি পৰিমাণে চহকী আছিল, সেই পৰিমাণে সামাজিকতা বা সাধাৰণ শিষ্টাচাৰত দুখীয়া আছিল। তেওঁৰ লৌকিক দৃষ্টিভংগী আছিল সুকীয়া, ভালপোৱা সমাজখনো সুকীয়া। কৃষ্ণকান্ত গুৱাহাটীত উপাচাৰ্য হৈ থকা কালত এবাৰ সুমলী জীয়েকৰ বিয়া উপলক্ষ্যে কেইদিনমানৰ কাৰণে যোৰহাটলৈ যাবলগীয়া হৈছিল। বিয়া পাতিবলৈ নহয়, তেওঁ বিয়া চাবলৈহে গৈছিল বুলি ক'ব পাৰি। বিয়াৰ সকলো কাম-কাজ নিয়াৰিকৈ চলাইছিল তেওঁৰ কৰ্মঠশিলা পত্নীয়ে। বিয়াৰ দিনা আবেলি নিমন্ত্ৰিত-সকলৰ মাজত গুৱাহাটী বিশ্ববিদ্যালয়ৰ এজন দক্ষিণ ভাৰতীয় অধ্যাপকক দেখা পাই তেওঁ আচৰিত হৈ সুধিলে—"আপুনি আহিছে কিয়? য়ুনিভাৰ্ছিটি বন্ধ হৈছে নেকি?" ভালৰি লগাবলৈ যোৱা অধ্যাপক গৰাকীয়ে ক'লে—"য়ুনিভাৰ্ছিটি চলি আছে। মই কেজুৱেল লৈ বিয়া খাবলৈ আহিছোঁ।" সন্দিকৈয়ে ক'লে—"ভাল হৈছে। বিয়া খালে। ৰাতিৰ গাড়ীতে উভতি যাওকগৈ।"

* * *

অখণ্ড জ্যোতি

সাহিত্যাচাৰ্য শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

(১)

ৰাণীপুত্ৰ কৃষ্ণকান্ত দ্বিতীয় আনন্দৰাম
প্ৰাগজ্যোতিষৰ বহু সাধনাত সিদ্ধকাম।
লক্ষ্মীতীৰ্থ ডিব্ৰুত কৃষ্ণৰো অন্তিম গান
চিতাভস্ম ল'লে তুলি যোৰহাট-শ্মশান।
ৰাধাৰ নন্দন কৃষ্ণ, দীপ্ত সৌম্য কলেৱৰ
নিৰ্বাপিত দীপমালা চন্দ্ৰকান্ত গুৰুনৰ।

আকাশত বতাহত অসমৰ ঘৰে ঘৰে
কৃষ্ণ বিচ্ছেদৰ সুৰে চাকুৰি বাগৰি ফুৰে।
ধ্যানযোগী জ্ঞানযোগী কৰ্মযোগী মহীয়ান
শুচি গ'ল ধৰা এৰি, স্বৰ্গ হ'ল জ্যোতিষ্মান।
সৰস্বতী লক্ষ্মী আই অসমৰ পুত্ৰ পাই
দেখুৱাই দিলে ঠাঁই, জন্ম-মৃত্যু যাঁত নাই।
মন্দ কিনো এয় ভাত, ফুলে দেৱ পাৰিজাত
আত্মা-পৰমাত্মা মিলি পাতে আলোকৰ হাট।

(২)

প্ৰাচ্য আৰু পাশ্চাত্যৰ জ্ঞানামৃত কৰি পান
বিশ্বৰ বৰেণ্য কৃষ্ণ পালেহি উচ্চ স্থান।
প্ৰাচ্যবিদ্যা মহাৰ্ণৱ দ'মীয় নৌ অগ্ৰগণী
বংশৰ পদ্মফুল, জাতিৰ মস্তকমণি।
জগন্নাথে গোপীনাথে চিনি পালে যোগ্যজন
আচৰে উঠিল গঢ়ি দুই বিশ্ব নিকেতন।
কৃষ্ণস্পৰ্শ লাভ কৰি পঞ্চ তীৰ্থ ধৰ্মাৰণ্য
জ্ঞানৰ দীপালী পাতি লৌহিত্যৰ তীৰে বনা।
সম্মান কীৰ্তিৰ বৰ, প্ৰচাৰে এপাহ আশ
গ্ৰন্থপীঠ সিদ্ধাশ্ৰম গৃহতেই বনবাস।
গৱেষণা অধ্যয়ন শিক্ষাব্ৰত আজীৱন
বীণাপাণি বীণা বাই শান্ত কৰে ক্লান্ত মন।
একাগ্ৰ নিষ্কাম ভক্তি বিজনৰ তপস্যাত
অৱশো পৰাস্ত হ'ল বিভৱৰ যশস্যাত।
সেই কৃষ্ণ অন্তৰ্ধান, অস্ত গ'ল সূৰ্য এটি
ভাগ্য ভাল অসমীৰ, থাকিল অখণ্ড জ্যোতি।

সন্দিকৈৰ জীৱনৰ বিশেষ ৰূপ

অজিতকুমাৰ শৰ্মা

(ক)

"শিক্ষা প্ৰণালী আৰু জ্ঞান সাধনাৰ এটা পাৰ্থক্য আছে। স্কুল-কলেজত যি শিক্ষা দিয়া হয় তাৰ উদ্দেশ্য হৈছে শিক্ষাৰ্থীক জীৱনৰ কাৰণে উপযোগী কৰা। জ্ঞান-সাধনা হৈছে এটা ব্ৰত, সি জীৱনৰ বিশেষ ৰূপ। ...... জ্ঞানমান অধ্যয়ন আৰু আলোচনা প্ৰণালী আয়ত্ত কৰা সাধাৰণ কথা নহয়, কিযনো সি হৈছে এটা ব্ৰত, এটা বিশেষ মানসিক প্ৰবৃত্তিত প্ৰতিষ্ঠিত। তাৰ কাৰণে অবিশ্ৰান্ত পৰিশ্ৰম, তীক্ষ্ণ দৃষ্টি আৰু সুদীৰ্ঘ চৰ্চাৰ আৱশ্যক। জ্ঞান সাধনাৰ মূলতে জ্ঞান স্পৃহা।"

— (জাৰ্মেনীৰ জ্ঞান-সাধনা, মিলন ৫ম ভাগ, ১৯২৬ চন)

"ব্যক্তিগত লাভালাভৰ ওপৰত জাতীয় মৰ্যাদা আৰু আত্মসম্মান আছে, উপাধিতকৈও ওপৰত এটা চৰিত্ৰ গৌৰৱ আৰু জ্ঞানৰ গৌৰৱ আছে। খোৱা-পিন্ধাৰ বাহিৰেও কিছুমান চিৰন্তন সত্য আৰু অশৰীৰী মূল্য আছে— এইবিলাক আদৰ্শৰ অনুশীলন কৰাও ছাত্ৰ-জীৱনৰ লক্ষ্য বুলি বোধ হয়।"

"উচ্চ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত জীৱন ব্যাপী সাধনা নহ'লে ওখ-খাপৰ সাহিত্য সৃষ্টি হোৱা টান। আমাৰ মাজত ব্যক্তিগত সাধনাৰ অভাৱ অকল সাহিত্যতে নহয়, জীৱনৰ সকলো ক্ষেত্ৰতে দেখা যায়।"

— (অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণ — ১৯৩৭)

নীতি-কাৰ্যৰীয়া জাতিবিলাকৰ মাজত অসমীয়া ভাষা প্ৰচাৰ কৰাটো অসম সাহিত্য সভাৰ প্ৰধান কৰ্তব্য হোৱা উচিত। অসমীয়াৰ এই জাতীয় সংকটৰ দিনত অসমীয়া ভাষাৰ বহুল প্ৰচাৰৰ অৰ্থে সাহিত্য সভাৰ এখন প্ৰচাৰ সমিতি স্থাপন কৰি শিক্ষাৰ সহায়েৰে অসমীয়া ভাষা কোৱা মানুহৰ সংখ্যা বৃদ্ধি কৰাৰ একান্ত আৱশ্যক হৈছে।"

—(উক্ত অভিভাষণ, ১৯৩৭)

"সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত অসমীয়া ভাষাৰ সংস্কৃতিৰ স্থিতি আৱশ্যক, অৱশ্যে সাংস্কৃতিক আধিপত্য নহয়।"

—(১৯৮২ চনৰ ২৭ ফেব্ৰুৱাৰীৰ দিনা কোৱা কথা)

"ভাৰতৰ যোগ্য নাগৰিক হৈ স্নাতকসকলে এক মহৎ ঐতিহ্যৰ উত্তৰাধিকাৰীৰ দায়িত্ব যে পালন কৰিব লাগিব সেই কথা মক'লেও হ'ব। স্নাতকসকলে মনত ৰাখিব লাগিব যে চৰিত্ৰ এক অমূল্য শুদ্ধতাইহে তেওঁলোকক মানুহৰ স্থান দিব।"

(গুৱাহাটী বিশ্ববিদ্যালয় সমাৱৰ্তন উৎসৱৰ ভাষণ, ১৯৫১)

"মানুহহে আসল কথা, ডিগ্ৰী নহয়— এইকথা স্নাতকসকলক দেখুৱাবৰ আৱশ্যক নহ'ব। বিশ্ববিদ্যালয়ৰ শিক্ষাই তোমালোকৰ জীৱন আৰু কৰ্মস্থলত কেনেধৰে প্ৰভাৱ পেলায় তাৰ ওপৰতহে এনে শিক্ষাক মূল্যাংকন কৰা হ'ব। মই আশা কৰোঁ, ছাত্ৰজীৱনত তোমালোকে যি আদৰ্শ মনত পুহিছিলা আৰু যি স্বপ্ন দেখিছিলা সেইবোৰ যাতে তোমালোকক সৎ আৰু সচেতন নাগৰিক হ'বলৈ অনুপ্ৰাণিত কৰাটো মাৰ ন'যায়।"

—(বিশ্ববিদ্যালয়ৰ ২য় সমাৱৰ্তনৰ অভিভাষণ, ১৯৭৫)

ওপৰৰ কথা কেইষাৰিৰ কৃষ্ণকান্ত সন্দিকৈৰ মনৰ পৰিচয়। "মিলন"ত ওলোৱা প্ৰবন্ধটো সন্দিকৈয়ে লিখিছিল ইউৰোপত ছাত্ৰ হৈ থকা অৱস্থাত। এই প্ৰবন্ধত লিখা কথাখিনি 'জাৰ্মেনীৰ

জ্ঞান সাধনা'ৰ ব্যাখ্যাই নহয়, তেওঁৰ নিজৰ আদৰ্শৰ আৰু জীৱন-প্ৰণালীৰো পৰিচয়। সেই আদৰ্শকে নিজৰ জীৱনত ৰূপায়িত কৰিছিল। জ্ঞান-সাধনা আছিল সন্দিকৈৰ বাবে ব্ৰত। এই ব্ৰতেই হ'ল তেওঁৰ জীৱনৰ বিশেষ ৰূপ। সিয়েই হ'ল অবিশ্ৰান্ত পৰিশ্ৰম, তীক্ষ্ণ দৃষ্টি আৰু আৰু সুদীৰ্ঘ চৰ্চাৰ জীৱন। তাত ব্যক্তিগত লাভালাভৰ স্থান নাই, আছে জাতীয় মৰ্য্যাদা আৰু আত্মসন্মানৰ ; তাত উপাধিৰ গৌৰৱ নাই, আছে চৰিত্ৰৰ গৌৰৱ আৰু জ্ঞানৰ গৌৰৱ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক-সকলক যেতিয়া ডিগ্ৰী দি বিদায় দিছিল তেতিয়াও উপাচাৰ্য সন্দিকৈয়ে চৰিত্ৰ আৰু অন্তৰৰ শুদ্ধতাহে আচল বস্তু বুলি তেওঁলোকক সোঁৱৰাই দিছিল। ছাত্ৰ-সন্মিলনৰ সভাপতিৰ আসনৰ পৰাও এইজন সন্দিকৈয়েই অসমীয়া ছাত্ৰসমাজক জাতীয় মৰ্য্যাদা আৰু আত্ম-সন্মানৰ লক্ষ্য সদায় ৰাখিবলৈ কৈ লগতে সোঁৱৰাই দিছিল যে উপাধিৰ গৌৰৱতকৈ চৰিত্ৰ আৰু জ্ঞানৰ গৌৰৱ ওপৰত।

(খ)

ইউৰোপত সাত বছৰ থাকি, ইতিহাস আৰু ইউৰোপীয় ভাষা শিকি দেশলৈ উলটি আহি যেতিয়া সংস্কৃত সাহিত্য চৰ্চা আৰু গৱেষণাত ধৰিলেহি তেতিয়া প্ৰথমে সন্দিকৈয়ে বাছি ললে 'নৈষধচৰিত্ৰ"ৰ নিচিনা দুৰূহ কাব্য। সংস্কৃত সাহিত্যত এই গ্ৰন্থ আটাইতকৈ জটিল। সাধাৰণতে এনে গ্ৰন্থৰ অধ্যয়ন কোনেও কৰিবলৈ নিবিচাৰে। কিয়নো তাৰ বাবে যি পৰিশ্ৰম লাগে তেনে পৰিশ্ৰমৰ পৰা লাভ নহয়। সন্দিকৈয়ে 'নৈষধ-চৰিত্ৰ' ইংৰাজীলৈ অনুবাদ কৰাৰ উপৰিও সেই কাব্যৰ ওপৰত হোৱা সকলো টীকা-ভাষ্য সংগ্ৰহ কৰি হাকিজাৰি চাব লগা হৈছিল। তেওঁৰ অনূদিত আৰু সম্পাদিত 'নৈষধ-চৰিত্ৰ' প্ৰকাশ পোৱাৰ পাছতহে ভাৰতৰ বিভিন্ন বিশ্ববিদ্যালয়ত সেই বিষয়ত ভালেমান গৱেষণা প্ৰাৰ্থী ওলাইছে।

নৈষধ চৰিত্ৰ কাব্যখন হান্দিকৈয়ে কলিকতাত আই.এ পঢ়ি থাকোঁতেই প্ৰথমে দেখিবলৈ পায়। তেতিয়াই লাইব্ৰেৰীৰ পৰা আনি পুথিখন পঢ়িবলৈ লয়। এনে ডাঙৰ কিতাপ পঢ়িবলৈ লোৱাৰ কথা জানি হোষ্টেলৰ অধ্যক্ষকে সেইখন নপঢ়ি আন উজু কিতাপ পঢ়িবলৈ হান্দিকৈক উপদেশ দিছিল। পিছে, ছাত্ৰ হান্দিকৈয়ে নৈষধ চৰিত্ৰৰ মোহ এৰিব নোৱাৰিলে। ইউৰোপৰ পৰা আহি সেই গ্ৰন্থকে আকৌ ল'লে আৰু সাত বছৰ ধৰি লাগি সেই পুথিৰ অনুবাদ আৰু সম্পাদনা সম্পূৰ্ণ কৰিলে। ১৯২৭ চনৰপৰা ১৯৩৪ চনলৈ এই কামতে কটালে।

তাৰ পিছত ১৯৩৫ চনৰপৰা ১৯৩৭ চনলৈ তেওঁ মহাকাব্যৰ ইতিহাস প্ৰণয়নৰ কামত ধৰে কিন্তু ১৯৩৮ চনত সেই চৰ্চা এৰি দি জৈন গ্ৰন্থ 'যশস্তিলক'ৰ অধ্যয়ন আৰম্ভ কৰিলে। ১৯৪৭ চনত এই গ্ৰন্থৰ কাম সম্পূৰ্ণ হ'ল। এই কামৰ বাবে হান্দিকৈয়ে জৈন সাহিত্যত নতুন সোৱাদ পালে। সেই সময়ত হান্দিকৈ যোৰহাট জগন্নাথ বৰুৱা কলেজৰ অধ্যক্ষ হৈ আছিল। অধ্যক্ষৰ গুৰু দায়িত্ব পালন কৰি থকা অৱস্থাত একাগ্ৰচিত্তে অধ্যয়ন কৰাত কিছু বাধাও পৰিছিল। তেনেতে দ্বিতীয় মহাসমৰে হান্দিকৈক ডাঙৰ সুবিধা কৰি দিলে। যুদ্ধৰ সময়ত তেওঁ কলেজলৈ যাব লগা নহৈছিল বাবে ১৯৩৯ চনৰপৰা ১৯৪৫ চনলৈকে এই কেইবছৰতে একান্তচিত্তে লাগি 'যশস্তিলক'ৰ অধ্যয়ন আৰু সম্পাদনাৰ কাম শেষ কৰিলে। এই গ্ৰন্থ ১৯৪৯ চনত প্ৰকাশ পালে।

১৯৪৮ চনৰপৰা ১৯৫৭ চনলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হৈ থকা কালছোৱাত হান্দিকৈয়ে সংস্কৃত সাহিত্য অধ্যয়নত তেনেকৈ লাগিব নোৱাৰিছিল। মাত্ৰ মাজে-সময়ে মহাকাব্য চৰ্চা কৰিবলৈ আহৰি উলিয়াইছিল। সেইবাবে উপাচাৰ্য হৈ থাকোঁতে অধ্যয়নত ভালেমান ক্ষতি হ'ল বুলি তেওঁ আক্ষেপ কৰিছিল।

১৯৫৭ চনত গুৱাহাটী এৰি যোৰহাটলৈ ঘূৰি গৈয়েই সন্দি-কৈয়ে পুনৰ নিজৰ সাধনাত মনোনিবেশ কৰিলে। এইবাৰ হাতত ল'লে প্ৰাচীন মহাৰাষ্ট্ৰীয় প্ৰাকৃত কাব্য প্ৰবৰ সেনৰ "সেতুবন্ধ"। এই বৃহৎ কাব্যখন সপ্তম শতিকাত ৰচনা কৰা বুলি তেতিয়ালৈকে পণ্ডিতসকলে ধৰিছিল। কিন্তু সন্দিকৈয়ে ইয়াক পঞ্চম শতিকাত লিখা বুলি প্ৰমাণ কৰিলে। এই কাব্যৰ শ্লোকৰ ভাঙনি, ইংৰাজীলৈ অনুবাদ আৰু টীকা সমালোচনাৰে পূৰ্ণাংগ সম্পাদনাৰ কাম শেষ কৰি ১৯৬৯ চনত ছপাবলৈ দিয়ে। এই কাব্যৰ প্ৰথম পাঁচশ শ্লোকৰ ভাঙনি কৰি সেইবোৰ পেলাই দিব লগা হৈছিল। প্ৰথম অৱস্থাত এজন জাৰ্মান টীকাকাৰহে তেখেতে পঢ়িছিল। কিন্তু পিছত বংগ, উত্তৰ আৰু দক্ষিণ ভাৰতৰ পাঁচজন টীকাকাৰৰ লগত মিলাই প্ৰচ-লিত পাঠ পুৰণি টীকাৰপৰা উদ্ধাৰ কৰি ন-কৈ ভ'ঙনি কৰিব-লগা হয়। এই পুথিৰ পাঠোদ্ধাৰ, সম্পাদনা আৰু অনুবাদ অশেষ কষ্টসাধ্য আছিল। অগাধ পাণ্ডিত্য, অবিশ্ৰান্ত পৰিশ্ৰম আৰু অফু-ৰন্ত উদ্যম অবিহনে এনে কাম সম্ভৱপৰ নহয়। এই একেখন পুথিতে এঘাৰ বছৰ দিন সন্দিকৈয়ে কটালে। এই সম্পৰ্কত সন্দিকৈয়ে নিজে এদিন এই লেখকক কৈছিল: "এনে নীৰস কাম আৰু আজিকালি কোনে কৰিব? এইদৰে জুপি জুপি বহি অজস্ৰ টীকা-টিপ্পনি বিচাৰি, দুৰূহ অৰ্থ উদ্ধাৰ কৰিবৰ বাবে একেৰাহে দহ-বাৰ বছৰ লাগি থকা মানুহ পোৱা টান হ'ব।" ইয়াৰ লগত আৰু এষাৰ কথা কৈছিল অৰ্থাৎ পৰিকল্পনাহে আচল কথা। সেতুবন্ধৰ বিষয়-বস্তু ব্যাখ্যা কৰি তেখেতে কৈছিল যে কাব্যখনৰ মূল কথা হ'ল সেতুবন্ধৰ পৰিকল্পনা; সকলো কামতে পৰিকল্পনাই হ'ল আচল কথা। সুস্থিৰ পৰিকল্পনা নাথাকিলে শক্তি-অৰ্থ সকলো অথলে যায়। 'সেতুবন্ধ' কৰিবলৈ যাওঁতে ৰামচন্দ্ৰই অগ্নিবাণ মাৰি সাগৰৰ বীৰত্ব আৰু প্ৰান্তবোধ শক্তিৰ প্ৰমাণ চালে। পিছত সমুদ্ৰ ওলাই আছিল। কাব্যখনত বান্দৰক দৈত্য হিচাপে কল্পনা কৰা হৈছে।

প্ৰথম অৱস্থাত পৰিকল্পনা নোহোৱাকৈ সেতু বান্ধিবলৈ লোৱাত সেতু বান্ধ নাখাই সাগৰত পেলোৱা সকলোবোৰ পৰ্বত সাগৰৰ পেটত সোমালগৈ। তেতিয়াহে নলে পৰিকল্পনা তৈয়াৰ কৰিলে। বিশ্বকৰ্মাৰ পুতেক নল আছিল একন আৰ্কিটেক্ট্‌। নলৰ পৰিকল্পনাৰ পিছত প্ৰকৃতিয়েও সহায় কৰিলে। সাগৰৰ ঢৌৱেই নি পৰ্বতবোৰ ঠিক ঠাইতে ৰাখি দিলেগৈ আৰু ক্ৰমাগ্বয়ে সেতু বান্ধ খাই গ'ল।

এয়াই হ'ল কৃষ্ণকান্ত সন্দিকৈৰ ২৭ বছৰীয়া ব্ৰত— অবিশ্ৰান্ত পৰিশ্ৰম, সুদীৰ্ঘ পৰিকল্পিত অধ্যয়ন-চৰ্চা। অৰ্থাৎ সন্দিকৈৰ জীৱনৰ বিশেষ ৰূপ।

(গ)

কৃষ্ণকান্ত সন্দিকৈ বিলাতলৈ গৈছিল অক্সফোৰ্ডত সংস্কৃতৰ ডি-ফিলৰ বাবে। কিন্তু তাত গৈ দেখিলেগৈ ভাৰতবৰ্ষৰ কিতাপ পাতি নিলেহে সংস্কৃত পঢ়িব পাৰি। গতিকে সংস্কৃত এৰি তেওঁৰ আপোন বিষয় ইতিহাস অধ্যয়নত মনোনিবেশ কৰিলে। অক্সফোৰ্ডৰ পৰা ইতিহাসত অনৰ্চ লৈ এম-এ পাছ কৰিলে। লগতে ইউৰোপীয় সাহিত্য অধ্যয়নত ধৰিলে। অক্সফোৰ্ডত জাৰ্মান আৰু ফৰাচী ভাষা আয়ত্ত কৰে। তাৰ পিছত ফ্ৰান্স আৰু জাৰ্মানীত চাৰিবছৰ থাকিলগৈ। জাৰ্মানীত গ্ৰীক আৰু লেটিন ভাষা আৰু পেৰিছত ইটালীয় আৰু ৰুছ ভাষা শিকে।

কথা হ'ল, সংস্কৃত এৰি ইতিহাসত এম-এ ডিগ্ৰী লোৱাৰ পাছত এটা দুটা নহয় ছটাকৈ ইউৰোপীয় ভাষা শিকাৰ আগ্ৰহ সন্দিকৈৰ কিহৰ বাবে হ'বলৈ পালে? ইমান কষ্ট কৰাৰ উদ্দেশ্য কি আছিল? ইমানবিলি পঢ়ি-শুনি কেনে সংকল্প লৈনো তেওঁ দেশলৈ ঘূৰি আহিছিল? ইমানবোৰ ভাষা কিয় শিকিলে বুলি সন্দিকৈক

বহুতে প্ৰশ্ন কৰিছিল। তাৰ একমাত্ৰ উত্তৰ হ'ল— জ্ঞান পিপাসা। তেওঁৰ নিজৰ কথাত ক'বলৈ গ'লে 'বৌদ্ধিক অনুসন্ধিৎসা'।

ইউৰোপত ক'ত কেনেকৈ ভাষা শিকিলে তাৰ বিতং সকলো কথা কেইবাবছৰৰো আগতে সন্দিকৈৰ মুখেই শুনিবলৈ পাইছিলোঁ। সেইদিনা তেখেতৰ যোৰহাটৰ ঘৰত দুঘণ্টা'ৰো ওপৰ হোৱা কথা-বতৰাৰ মাজতে এইখিনি কৈছিল। তেওঁ যেতিয়া স্বাভাৱিক ৰসিকতাৰে কথা কয় তেতিয়া আৰু সেই নিভৃতে অধ্যয়ন কৰি জীৱন কটাই দিয়া জ্ঞান-পিপাসু, আদৰ্শ-স্থিৰ পণ্ডিত-গৰাকীৰ আৰু আমাৰ মাজত থকা ব্যৱধানৰ কথা পাহৰিয়েই যোৱা যায়। সেইদিনাই সন্দিকৈয়ে কৈছিল: "ইউৰোপৰপৰা ঘূৰি আহোঁতে মই বিদ্বান হৈ আহি ছলোঁ। ইচ্ছা আছিল তাত লাভ কৰা জ্ঞানৰ চৰ্চা কৰি অসমীয়া ভাষা চহকী কৰিম। কিন্তু নিজৰ দেশ পোৱাৰ পাছত বহুতে হাক দিলে। সংস্কৃত পঢ়িবলৈ ক'লে। তেতিয়া অৱশ্যে আমাৰ ভাষাত লিখাৰ সিমান আদৰ নাছিল। পিছে, অসমীয়াত লিখিব পৰা হ'লে সাৰ্থক হ'লহেঁতেন। কিন্তু ইয়ালৈ আহি সংস্কৃত সাহিত্যৰ গৱেষণাত লাগিলোঁ। তাতে জীৱন পাত কৰিলোঁ। অসমীয়া গ'ল, গ'ল।" যোৱা ২৭ ফেব্ৰুৱাৰী (১৯৮১) তাৰিখে সন্দিকৈদেৱৰ সৈতে হোৱা শেষ সাক্ষাতৰ দিনা উক্ত প্ৰসংগকে উল্লেখ কৰি তেখেতে এই লেখকক কৈছিল যে তেখেতে ভবামতে নিজৰ জীৱনটো গঢ় দিব পৰা হ'লে তেতিয়াৰেপৰা অসমীয়াত ফুলৰ ওপৰ উচ্চমান-বিশিষ্ট প্ৰবন্ধ তেখেতে লিখিলেহেঁতেন অৰ্থাৎ ৩/৪ খন ভাল কিতাপ ওলালহেঁতেন "মোক সেইটোহে লাগে"— এইবুলি কৈ সেইদিনা তেখেতে প্ৰসংগটো সামৰিছিল।

অসমীয়াত লিখিব নোৱাৰাৰ বাবে জীৱনটো অসাৰ্থক হ'ল বুলি ক'বৰ দিনা মই যেতিয়া কৈছিলোঁ—"এতিয়াও অসমীয়া ভাষাত গ্ৰন্থ লিখিবলৈ ল'ব পাৰে দেখোন," তেতিয়া ৰসিকতা কৰি কাথোন

উত্তৰ দিলে, "সেতুবন্ধ"খনৰ কাম কৰিবলৈ আৰু ভুৰহবমান সময় লাগিব। তাৰ পিছত আৰুৰি পাম। তেতিয়া অসমীয়াত লিখিম বুলি ভাবিছোঁ। কিন্তু বয়স বাঢ়ি যোৱাৰ লগে লগে কাম কৰাৰ বলো কমি যায়। ইপিনে অসমীয়াত লিখিবলৈ আৰম্ভ কৰাৰ পিছতেই ওপৰৰ পৰা যদি কয়—"তোমাৰ যাবৰ হ'ল। পৃথিৱীত আৰু থাকিব নালাগে।"

সন্দিকৈয়ে ছাত্ৰ-জীৱনৰে পৰা অসমীয়াত লিখা প্ৰবন্ধখিনি গোটাই কিতাপ আকাৰে উলিওৱাৰ কথা গুৱাহাটীতে এদিন উলিয়াইছিলোঁ। সেইকথাত মান্তিও হৈছিল। মাত্ৰ কৈছিল যে দুটামান নতুন প্ৰবন্ধ যোগ দিব লাগিব। ইংৰাজীত লিখা "জাৰ্মান একাডেমীক আইডিয়েলছ" বোলা প্ৰবন্ধ এটাও মোক তেতিয়াই অসমীয়ালৈ অনুবাদ কৰি দিবলৈও দিছিল। পিছত অধ্যাপক যতীন গোস্বামীক প্ৰবন্ধ সংকলনটোৰ ভাৰ দিয়া হ'ল। গোস্বামীদেৱে সেই কাম সম্পূৰ্ণও কৰিলে, কিন্তু সন্দিকৈয়ে নতুনকৈ লিখিম বোলা প্ৰবন্ধকেইটা লিখা নোহোৱা বাবে সেই পুথিও তেখেতৰ জীৱদ্দশাত ওলাবলৈ নাপালে।

(ঘ)

ড° পৰশুৰামকৃষ্ণ গোড়ে, ড° আদিনাথ নেমিনাথ উপাধ্যে আৰু ড° এছ-এম কাত্ৰেৰ কথা কওঁতে কেউজনকে সন্দিকৈয়ে "অদৃশ্যবন্ধু" বুলি অভিহিত কৰি তিনিওৰে প্ৰতি আন্তৰিক কৃতজ্ঞতা প্ৰকাশ কৰিছিল। ড° গোড়েই তেখেতক সকলো কিতাপ-পত্ৰ যোগাৰ কৰি দিছিল আৰু সকলো পুথিৰ মূল, নকল, টীকা আদিও সংগ্ৰহ কৰি দি সহায় কৰিছিল। গোড়েৰ গৱেষণা-পত্ৰবোৰে তেখেতক বহুত সহায় কৰিছিল। ড° উপাধ্যে (কানাড়ীভাষী,

বেলগাওঁ) আছিল কোলাপুৰ ৰাজাৰাম কলেজৰ অধ্যক্ষ আৰু পিছত মহীশুৰ বিশ্ববিদ্যালয়ত প্ৰাকৃতৰ অধ্যাপক। সন্দিকৈৰ "যশস্তিলক"খন এওঁ জৈন সংঘৰ জৰিয়তে প্ৰকাশ কৰিছিল। উপাধ্যেই সকলো আপুৰুগীয়া প্ৰকাশনৰ নকল কৰি সন্দিকৈলৈ পঠাইছিল। 'সেতুবন্ধ'ৰ সংক্ৰান্তত ড° উপাধ্যে ১৯৬৪ চনত আহি এবাৰ সন্দিকৈৰ ঘৰত থাকিও গৈছিল। ড° কাট্ৰে আছিল পুনাৰ ডেকান কলেজৰ স্নাতকোত্তৰ বিভাগৰ সঞ্চালক। ডেকান কলেজৰ জৰিয়তে তেখেতে সন্দিকৈৰ 'নৈষধ চৰিত্ৰ'ৰ ২য় আৰু ৩য় তাঙৰণ প্ৰকাশ কৰাইছিল। কাট্ৰেক সন্দিকৈয়ে এবাৰহে লগ পাইছিল। এইজন পণ্ডিতৰ ওচৰত তেওঁৰ ঋণ এইবুলি সান্দকৈয়ে স্বীকাৰ কৰিছিল। "মোৰ কিতাপ প্ৰকাশ কৰি তেওঁ মোক স্বীকৃতি দিলে।" সন্দিকৈৰ মতে এই তিনিওজন বন্ধুৰ অকৃত্ৰিম সহায় নোপোৱা হ'লে তেওঁৰ সংস্কৃত অধ্যয়ন সম্ভৱেই নহ'লহেঁতেন। "যিমানেই লাগিলে পৰিশ্ৰম কৰোঁ যিমানেই জ্ঞান নাথাকক, এই তিনিজনক নোপোৱা হ'লে একো কৰিব নোৱাৰিলোঁহেঁতেন।" এই কেইষাৰ হ'ল সন্দিকৈৰ সৰল অন্তৰৰ কৃতজ্ঞতাৰ কথা।

ছাত্ৰ জীৱনতে যিসকলৰ সৈতে সন্দিকৈৰ ঘনিষ্ঠ বন্ধুত্ব স্থাপন হৈছিল, সেইসকলৰ ভিতৰত ড° সূৰ্যকুমাৰ ভূঞা, অমিয়কুমাৰ দাস, ডঃ বাণীকান্ত কাকতী, লক্ষ্মীনাথ ফুকন, বেণুধৰ শৰ্মা, ড° ভুৱনেশ্বৰ বৰুৱা, নকুলচন্দ্ৰ ভূঞা, ৰুদ্ৰকান্ত গোস্বামী, ৰত্নকান্ত বৰকাকতী, মহীচন্দ্ৰ বৰা আৰু শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত। বন্ধুসকলৰ প্ৰতি তেখেতে অন্তৰৰ শ্ৰদ্ধা, শলাগ আৰু মৰম সদায়েই ব্যক্ত কৰিছিল। কোনো জনকো তেখেতে কেতিয়াও নাপাহৰিছিল আৰু সদায় সকলোৰে খবৰ লৈছিল। লক্ষ্মীনাথ ফুকন আৰু ৰুদ্ৰকান্ত গোস্বামীয়ে তেওঁক স্কুলীয়া অৱস্থাতে অসমীয়া লিখিবলৈ শিকাইছিল বুলি সিদিনাখন ২৭ ফেব্ৰুৱাৰীৰ দিনাও সুঁৱৰিছিল। বেণুধৰ শৰ্মাৰ সৈতে তেখেতৰ চিনাকি প্ৰথমে দেখাদেখি হৈ হোৱা নাছিল। কলিকতাত পঢ়ি থাকোঁতেই বেণুধৰ

শৰ্মাই সংস্কৃত শ্লোক এটা ক'ত পাই বুলি সুধি লিখা চিঠিতেই প্ৰথম চিনাকি আৰু আজীৱন বন্ধুত্বৰ পাতনি। ৪৩ নং আমহাৰ্ষ্ট ষ্ট্ৰীটত সন্দিকৈ, ফুকন আৰু শৰ্মা তিনিওজন একেলগে আছিল। ইউৰোপত থাকোঁতেও চিঠি-পত্ৰৰ আদান-প্ৰদান হৈছিল। লক্ষ্মীনাথ ফুকনৰ সৈতে মেট্ৰিক পৰীক্ষা দিয়াৰ আগতেই বুদ্ধীযা বন্ধুত্ব স্থাপন হয়। কেইবাবছৰো দুয়ো একেলগে আছিল। ফুকনৰ 'বয়সে কওঁতে তেখেতে এদিন কৈছিল, ফুকন প্ৰকৃততে সাংবাদিকতাৰ বাবে নাছিল। ফুকনৰ প্ৰতিভা সাহিত্য-কবিতাতহে। ফুকনৰ সৈতে একেলগে সন্দিকৈয়ে ছাত্ৰ-সন্মিলনৰ সন্মিলনী প্ৰবন্ধাৱলীৰ ভালেমান কাম কৰিছিল।

কৃষ্ণকান্ত সন্দিকৈক বাণীকান্ত কাকতীৰ সৈতে এইবুলি চিনাকি কৰি দিওঁতে ১৯১৫ চনত কলিকতাৰ কলেজ স্কোৱাৰত সূৰ্যকুমাৰ ভূঞাই কোৱা কথষাৰ আছিল : "যিজনৰ বিষয়ে আমি ইমদিনে শুনি আছিলোঁ, এইজনেই সেই কৃষ্ণকান্ত সন্দিকৈ।" ভূঞা, কাকতী আৰু সন্দিকৈ ইজনতকৈ সিজন দুবছৰৰ জেষ্ঠ। এই সম্পৰ্কত সন্দিকৈয়ে ১৯১৭ চনটো সদায় মনত ৰাখিছিল। কিয়নো এই বছৰতেই তেওঁ মেট্ৰিক, কাকতীয়ে আই এ আৰু ভূঞাই বি-এ পাছ কৰে। এম-এ পৰীক্ষা দিওঁতে অৱশ্যে আগৰ দুজনে এবছৰ এবছৰ পলম কৰিলে। ভূঞাই ১৯১৬ চনত, কাকতীয়ে ১৯১৮ চনত আৰু সন্দিকৈয়ে ১৯১৯ চনত এম এ পাছ কৰে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হোৱাৰ পাছত কাকতীৰ সৈতে সন্দিকৈৰ বন্ধুত্ব আৰু গাঢ় হৈ পৰে। কাকতীৰ প্ৰতি সন্দিকৈৰ অসীম শ্ৰদ্ধা আছিল। গুৱাহাটীত থাকোঁতে সেই শ্ৰদ্ধাৰ জগতে মৰমো সোমাল। কাকতীয়েও সন্দিকৈৰ বিষয়ে সকলো জানিছিল আৰু সন্দিকৈৰ প্ৰতি অশেষ মৰম আছিল। আগৰছে ৰাজো লগ পালেই কাকতীয়ে সন্দিকৈৰ সংস্কৃত চৰ্চা কেনে হৈছে

সোধে। কাকতীৰ প্ৰখ্যাত নিৰাশাবাদৰ কথা সন্দিকৈয়ে এদিন উল্লেখ কৰিছিল। গুৱাহাটীলৈ গৈ উপাচাৰ্য হৈ অহাৰ পাছত প্ৰথম লগ পাওঁতে কাকতীয়ে সন্দিকৈক সম্ভাষণ জনাই চমুকৈ কৈছিল: "বিশ্ববিদ্যালয় কি হয় ক'ব পৰা নাই। তথাপি আপুনি আহিলে, ভাল হ'ল।" যেই হওক, ছুমাহমানৰ ভিতৰতে কাকতীৰ মন সলনি হৈ পৰিল আৰু খুব উৎসাহেৰে বিশ্ববিদ্যালয়ৰ কাম-কাজত সন্দিকৈক সহায় কৰাত লাগি গ'ল। সন্দিকৈয়েও কাকতী বিশ্ব-বিদ্যালয়লৈ অহাত বিশেষ জোৰ দিলে। সন্দিকৈৰ কথা হ'ল "আমাৰ মাজত প্ৰকৃত পণ্ডিত এজন থাকিব লাগে। কাকতী নহ'লে নহয়।" সন্দিকৈয়ে কোৱা মতে কাকতীয়ে সন্দিকৈৰ বিষয়ে অতিৰঞ্জিতকৈ ভাবিছিল। সন্দিকৈ যোৰহাটত থাকোঁতেই কাকতীয়ে তেওঁৰ "আছামীজ এণ্ড ইটছ্ ফৰ্মেশ্যন" গ্ৰন্থৰ ওপৰত মতামত বিচাৰিছিল। কিন্তু সন্দিকৈয়ে দিব নোৱাৰিলে "এই যিটো বিষয় নাজানো তাত মন্তব্য দিবলৈ আহুকাল পাওঁ"— এইষাৰ হ'ল সন্দি-কৈৰ কথা। কাকতীৰ প্ৰতি শ্ৰদ্ধা ব্যক্ত কৰি এদিনাখন সন্দিকৈয়ে আন এক প্ৰসংগত কৈছিল, "কাকতীৰপৰা পোৱা জীৱনজোৰা স্বীকৃতি আৰু মৰম মোৰ বাবে অতি সৌভাগ্যৰ কথা। তেওঁৰ নিজৰ কোনো বাহিৰা আকাঙ্ক্ষা নাছিল। সাংসাৰিক বুদ্ধিও তেনেকৈ নাছিল। সংসাৰত কেনেকৈ চলিব লাগে নাজানিছিল। কাক বেয়া বুলিব লাগে সেইকথাও নাজানিছিল। মই অৱশ্যে তেওঁতকৈ সাংসাৰিক বুলি ভাবোঁ।" গুৱাহাটী বিশ্ববিদ্যালয়ৰো সৌভাগ্য যে আৰম্ভণিতেপৰা এনে দুজন অন্তৰংগ স্বদেশপ্ৰেমিক পণ্ডিত বন্ধুৰ নেতৃত্ব লাভ কৰিব পাৰিছিল। ১৯৫৩ চনৰ পিছত সন্দিকৈ উপাচাৰ্য হৈ থকাৰ ইচ্ছা নাছিল। তেওঁ আশা কৰিছিল ড° কাকতীয়ে সেই দায়িত্ব গ্ৰহণ কৰিব। কিন্তু হঠাতে কাকতীৰ পৰলোক হোৱাত সেই আশা পূৰণ নহ'ল। বাধ্যত পৰি সন্দিকৈয়েই তৃতীয়-বাৰৰ বাবেও থাকিবলগীয়া হ'ল।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ গঢ় দিওঁতে উপাচাৰ্যক আদিছোৱাত সহায় কৰা সকলৰ ভিতৰত আছিল ড° ভুৱনেশ্বৰ বৰুৱা, ফণীধৰ দত্ত, বিৰিঞ্চিকুমাৰ বৰুৱা আৰু শ্ৰীশৰৎচন্দ্ৰ দত্ত। বিৰিঞ্চি বৰুৱাৰ লগত সন্দিকৈৰ ঘনিষ্ঠতা অৱশ্যে ১৯৫১ চনৰপৰাহে হয়। ব্যক্তিত্বসম্পন্ন শিক্ষক হিচাপে অধ্যাপক বৰুৱাক সন্দিকৈয়ে শ্ৰদ্ধা কৰিছিল। শ্ৰীশৰৎচন্দ্ৰ দত্তই সকলো ক্ষেত্ৰতে আন্তৰিকভাৱে সন্দিকৈক সহায় কৰিছিল। ৰেজিষ্ট্ৰাৰ ফণীধৰ দত্ত আছিল সন্দিকৈৰ যোৰহাট জগন্নাথ বৰুৱা কলেজৰে সহকৰ্মী। দত্তই নিজৰ শৰীৰলৈ নাচাই বিশ্ববিদ্যালয়ৰ বাবে খাটিছিল। ৰেজিষ্ট্ৰাৰৰ দায়িত্বৰ লগত উন্নয়ন কমিটিৰ সচিবৰ বোজা মূৰত লৈ তেওঁ অত্যধিক পৰিশ্ৰম কৰি স্বাস্থ্য মাটি কৰিলে। দত্ত উন্নয়ন সমিতিত থকাটো সন্দিকৈয়ে ভাল নাপাইছিল। ৰাতি ন-দহ বজালৈকে কাম কৰিবলৈ দত্তক উপাচাৰ্যই কেইবাবাৰো হাক দিছিল। "কিন্তু দত্তই মোৰ কথা শুনিলে" — এইবুলি সন্দিকৈয়ে আক্ষেপ কৰিছিল।

(৬)

পুৰণি অসমীয়া ভাষা, সাহিত্য, কৃষ্টি বিষয়ক গৱেষণাৰ সুচলাৰ্থে গুৱাহাটীতে অসমীয়াৰ পৰিচালনাত এটা বিশ্ববিদ্যালয় স্থাপন হ'ব লাগে বুলি সন্দিকৈদেৱে অসম সাহিত্য সভাৰ সভাপতিৰ আসনৰপৰা ১৯৩৭ চনতেই কৈছিল। আৰু ঠিক এঘাৰ বছৰৰ পাছত তেৱেঁই যে সেই বিশ্ববিদ্যালয় পৰিচালনাৰ দায়িত্ব ল'ব লাগিব সেইকথা তেতিয়া কোনেও কল্পনা কৰিব পৰা নাছিল।

সচৰাচৰ অন্য বিশ্ববিদ্যালয় হোৱাদি গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন হোৱা নাছিল। দীৰ্ঘকাল ধৰি সমগ্ৰ অসমীয়া ৰাইজে কৰা আন্দোলন আৰু সংগ্ৰহ কৰা দান-বৰঙনি, লোকপ্ৰিয় ৰথনৈৰ

নেতৃত্বত আৰু মাধৱচন্দ্ৰ বেজবৰুৱাৰ অক্লান্ত পৰিশ্ৰমৰ ভিত্তিত এই বিশ্ববিদ্যালয় স্থাপন হৈছিল। শিক্ষাকেন্দ্ৰ হিচাপে ই অসমীয়া বাইজৰ আশা-আকাঙ্ক্ষাৰ প্ৰতীকস্বৰূপ। কৃষ্ণকান্ত সন্দিকৈৰ বাহিৰে আন কোনেনো এই অনুষ্ঠানৰ নেতৃত্ব ল'ব? গতিকে লোকপ্ৰিয় ৰাইজৰ দাবী মতে যেতিয়া তেওঁক নতুন বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ দায়িত্ব ল'বলৈ অনুৰোধ কৰে তেতিয়া সন্দিকৈয়ে তত্তালিকে মান্তি হয়। আৰম্ভণিৰে পৰা ন-বছৰ দিন উপাচাৰ্য হৈ থাকি তেওঁ নিজৰ আদৰ্শ অনুসৰি বিশ্ববিদ্যালয়ক গঢ় দিবলৈ চেষ্টা কৰিছিল আৰু তেওঁৰ ব্যক্তিত্বৰ বলতেই গুৱাহাটী বিশ্ববিদ্যালয়েও অতি সোনকালেই ভাৰতৰ প্ৰথম শ্ৰেণীৰ উচ্চ শিক্ষাৰ কেন্দ্ৰ হিচাপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছিল।

জ্ঞান-সাধনাৰ ব্ৰতেই আছিল সন্দিকৈৰ জীৱনৰ বিশেষ ৰূপ। নতুন বিশ্ববিদ্যালয়খনো সেই আদৰ্শৰেই গঢ় দিবলৈ তেওঁ ইচ্ছা কৰিছিল। উন্নত মানৰ শিক্ষাদান আৰু সেইমতে শিক্ষা গ্ৰহণৰ পৰিবেশত যাতে অসমীয়া ছাত্ৰ-ছাত্ৰী গঢ় লৈ উঠে আৰু স্বাধীন দেশৰ নাগৰিক হ'ব পাৰে সেইটোকে উপাচাৰ্য সন্দিকৈয়ে বিচাৰিছিল। অসমৰ উন্নতি আৰু বিকাশৰ অৰ্থে বিভিন্ন ক্ষেত্ৰত কাম কৰিবলৈ শিক্ষিত যুৱক-যুৱতীক গঢ়ি পেলোৱাটোৱেই আছিল বিশ্ববিদ্যালয়ৰ প্ৰথম কাম। সেইবাবে সন্দিকৈয়ে ভাৰতৰ বিভিন্ন ঠাইৰপৰা উপযুক্ত শিক্ষক বিচাৰি আনিছিল এই ক্ষেত্ৰত মন কৰিবলগীয়া যে বিশ্ববিদ্যালয়ক আদৰ্শ অনুষ্ঠানত পৰিণত কৰিবৰ বাবে গুৰিৰেপৰাই সন্দিকৈৰ নীতি কঠোৰ আছিল। গভীৰ আত্মবিশ্বাসেৰে এই বিষয়ত তেওঁ আগবাঢ়িছিল আৰু সেইকথা স্পষ্টকৈ প্ৰকাশো কৰিছিল। ১৯৫৫ চনত বিশ্ববিদ্যালয়ৰ বিজ্ঞান ভৱন মুকলি কৰোঁতে বিশ্ববিদ্যালয়ৰ ভৱিষ্যৎ সম্পৰ্কে তেওঁ কৈছিল: "মোৰ দৃঢ় বিশ্বাস, আৱশ্যকীয় সুযোগ-সুবিধা লাভ কৰিলে এই বিশ্ববিদ্যালয়ে ভাৰতৰ সুদূৰ একোণত থকা সীমান্ত শিক্ষাৰ পোহৰ দিয়াৰ

কৰ্তব্য পালন কৰিব পাৰিব আৰু বিভিন্ন জাতি-উপজাতি-ভাষাৰ লোকেৰে পৰিপূৰ্ণ অঞ্চলটোত সংহতিৰ বিৰাট শক্তিৰূপে থিয় দিব।" অৱশ্যে সন্দিকৈৰ দুখ থাকি গ'ল, যিটো আদৰ্শ আগত লৈ তেওঁ উপাচাৰ্যৰ দায়িত্ব গ্ৰহণ কৰিছিল তাক ৰূপায়িত কৰিবলৈ সুবিধা-সুযোগ নাপালে।

উপাচাৰ্য হৈ থকা প্ৰথম দুটা অৱধিত সন্দিকৈয়ে বিশ্ববিদ্যা-লয়ৰ সংগঠন আৰু পৰিচালনাত খুব উৎসাহেৰে কাম কৰিছিল। তৃতীয় অৱধিৰ তিনিবছৰত শাৰীৰিক অসুস্থতাৰ বাবে অৱশ্যে আগৰদৰে খাটিব নোৱাৰিছিল। তৃতীয়বাৰ থাকিবৰ বাবে তেওঁৰ ইচ্ছাও নাছিল। প্ৰকৃতপক্ষে সেইবাৰ উপাচাৰ্য নিৰ্বাচনৰ আগে আগে সকলোৱে অনুৰোধ কৰাৰ মূৰত হে তেখেত থাকিবলৈ মান্তি হয়। সেই সময়ত তেখেতৰ আপত্তি আছিল বাটকৈ দুটা — স্বাস্থ্য আগৰ দৰে ভাল নহয় আৰু দ্বিতীয়তে পঢ়া-শুনাত বহুত ক্ষতি হৈছে।

উপাচাৰ্যৰূপে সন্দিকৈৰ চেষ্টা আছিল গুৱাহাটী বিশ্ববিদ্যা-লয়ক এটা সুস্থিৰ, উচ্চখাপৰ শিক্ষা-কেন্দ্ৰ কৰিবলৈ। নতুন বিশ্ব-বিদ্যালয় বুলি যাতে মানদণ্ড কোনোপ্ৰকাৰে নিম্নগামী হ'ব নোৱাৰে সেইটো সদায় লক্ষ্য আছিল নীতি আৰু কৰ্ম পন্থাৰ সকলো কথাতে তেওঁ তন্নতন্নকৈ চকু দিছিল। বিশ্ববিদ্যালয়ৰ প্ৰশাসনত প্ৰতিটো কথাতে নজৰ ৰাখিছিল। উপাচাৰ্যৰ নিয়ন্ত্ৰণত থকা ক্ষেত্ৰত কোনেও একো অপকৰ্ম কৰিবলৈ সাহ নকৰিছিল।

বিশ্ববিদ্যালয়ত ঘটা নানান বেমেজালিৰ বিষয়ে হোৱা কথা প্ৰসংগত ১৯৭২ চনত এবাৰ সন্দিকৈয়ে কৈছিল যে বহুত গণ্ডগোল বোধ কৰিব পৰা বিধৰ। অৱশ্যে লগতে এইবুলিও কৈছিল: "মোৰ দিনত বহুত সুবিধা পাইছিলোঁ আৰু লৈছিলোঁও। ড° কাকতী আৰু অধ্যাপক টমাচৰ নিচিনা মানুহবিলাকৰ তাঙৰ সহায় পাই-ছিলোঁ। হওঁতে কিছুমান কথা আছিল অৱস্থাত মত্নো নোৱাৰিলোঁ।-

হৈছেন। সময়ৰ কিছু কথা ভোগ কৰিবই লাগিব। কিছুমান সমস্যা সৰ্বভাৰতীয় পৰিস্থিতিৰপৰা উদ্ভৱ হয়। কলেজৰ সংখ্যা, ছাত্ৰৰ সংখ্যা বাঢ়িছে অপৰিকল্পিতভাৱে। আমাৰ দেশত পৰিকল্পনাৰ কথা সকলোৱে কয়। কিন্তু কোনোধৰণৰ পৰিকল্পিত কাম নহয়গৈ।"

বিশ্ববিদ্যালয় আৰু চৰকাৰৰ মাজত কেনে সম্পৰ্ক থাকিব লাগে সেইটো আমাৰ দেশত এতিয়াও অস্থিৰ হৈয়েই আছে। গুৱাহাটী বিশ্ববিদ্যালয় স্থাপনৰ সময়ত লোকপ্ৰিয় বৰদলৈয়ে চৰকাৰী হস্তক্ষেপ নহ'ব বুলি সন্দিকৈক আশ্বাস দিছিল হয়, কিন্তু ছুবহৰমানৰ মূৰতে চৰকাৰৰ অসহিষ্ণুতাই ভুমুকি মাৰিলে। যি কি নহওক, সন্দিকৈ থকালৈকে বিশ্ববিদ্যালয়ত হস্তক্ষেপ কৰিবলৈ চৰকাৰে বৰকৈ সাহ নকৰিছিল।

অসমত কলেজৰ সংখ্যা বাঢ়ি অহাৰ লগে লগে শিক্ষা বিভাগেও আধিপত্য বিস্তাৰৰ বাবে অধৈৰ্য হোৱা দেখা গ'ল। চৰকাৰী যুক্তি হ'ল যিহেতু চৰকাৰে অনুদান দিয়ে গতিকেই চৰকাৰৰ নিয়ন্ত্ৰণ থাকিব লাগিব। এয়েই আছিল দৃষ্টিভংগী। কিন্তু সন্দিকৈৰ মত আছিল সুকীয়া। তেওঁৰ মতে উচ্চ শিক্ষাৰ অনুষ্ঠান স্বতন্ত্ৰভাৱে পৰিচালিত হ'ব লাগে। এতেকে বিশ্ববিদ্যালয়ৰ স্বতন্ত্ৰতাত চৰকাৰক হস্তক্ষেপ কৰিবলৈ তেওঁ নিদিছিল।

সেই সময়ত অসম কলেজ শিক্ষক সংস্থাৰ তৰফৰপৰা আমিও বিশ্ববিদ্যালয়ৰ স্বতন্ত্ৰতা ৰক্ষা কৰাটো আৰু কলেজবোৰক বিশ্ববিদ্যালয়ৰ অংগ হিচাপে বিশ্ববিদ্যালয় পৰিচালিত হোৱাটো বিচাৰিছিলোঁ। সংস্থাৰ তেতিয়াৰ সম্পাদক হিচাপে এই লেখকে সন্দিকৈদেৱৰ দিহা-পৰামৰ্শ ল'বলৈ সঘনে যাবলগীয়াও হৈছিল। সন্দিকৈদেৱেও সকলো সময়তে আমাক সহায় কৰিছিল। অসম কলেজ শিক্ষক সংস্থাৰ কাৰণে অতি সৌভাগ্যৰ কথা যে শুৰিৰেপৰাই এই সংস্থাই

উপাচাৰ্য সন্দিকৈদেৱৰ সহায়, সহানুভূতি আৰু পৰামৰ্শ লাভ কৰিব পাৰিছিল। দৰাচলতে তেওঁৰ সক্ৰিয় সহানুভূতি নোপোৱা হ'লে সংস্থাই সেই সময়ত কৃতকাৰ্যতা লাভ কৰাৰ পথত আগবাঢ়িব নোৱাৰিলেহেঁতেন।

সন্দিকৈ উপাচাৰ্য হৈ থকাৰ্লৈকে বিশ্ববিদ্যালয়ৰ স্বতন্ত্ৰতা আৰু নেতৃত্ব আৰু কলেজবিলাকৰ মৰ্যাদা অটুট আছিল। উল্লেখযোগ্য যে তেতিয়াৰ দিনত কলেজবোৰৰ বাবে পৰিচালনা-বিধি বা শিক্ষকসকলৰ বাবে নিয়মিত দৰমহা একোৰে ব্যৱস্থা নাছিল। এইবোৰৰ বিষয়ে উপাচাৰ্য সন্দিকৈয়ে সংস্থাৰ কাৰ্যনিৰ্বাহক সদস্যসকলক নিজৰ বাসভৱনলৈকে মাতি আনি বিতং আলোচনা কৰে। তাৰ পাছত তেখেতৰ পৰামৰ্শক্ৰমে অসম চৰকাৰেও শিক্ষক সংস্থাৰ দাবী মানি শিক্ষকৰ দৰমহা নিম্নতম মাহে ১৭৫ টকা বান্ধি দিয়ে আৰু কলেজবোৰলৈ চৰকাৰী অনুদানৰ নিৰিখ বৰ্ধিত কৰে। তদুপৰি সন্দিকৈৰ পৰামৰ্শমতে বিশ্ববিদ্যালয়ৰ কাৰ্যনিৰ্বাহকেও কলেজ পৰিচালনা-বিধি আৰু শিক্ষকৰ চাকৰি-বিধি প্ৰণয়ন কৰি শিক্ষকসকলৰ মৰ্যাদা আৰু নিৰাপত্তা ৰক্ষা কৰাৰ ব্যৱস্থা কৰে। লগতে কলেজবোৰৰ উন্নতি সাধন কৰিবৰ বাবেই সন্দিকৈয়ে অধ্যাপক আৰ. আৰ. টমাচক কলেজ পৰিদৰ্শকৰ দায়িত্ব দিছিল।

কটন কলেজৰ প্ৰাক্তন অধ্যাপক হিচাপে টমাচ আছিল অসমৰ বিভিন্ন কলেজত কাম কৰা প্ৰায়বোৰ শিক্ষকৰে অধ্যাপক। এই কথাত সন্দিকৈয়ে বিশেষ গুৰুত্ব দিছিল। "একপ্ৰকাৰে মইও টমাচৰ ছাত্ৰ" বুলি কৈ সন্দিকৈয়ে অধ্যাপক টমাচৰ গুণৰ প্ৰশংসা কৰিছিল।

উপাচাৰ্য সন্দিকৈৰ দিনত বিশ্ববিদ্যালয়ৰ সকলো ক্ষেত্ৰতে সকলোৱে এইটো জানিছিল যে বিশেষ ব্যক্তিৰ কোনেও একো কাম কৰাব নোৱাৰে। নিৰ্ধাৰিত নীতি-নিয়মৰ ইকাল-সিকাল হোৱাটো

সন্তুৰপৰ নাছিল। নীতিৰ কঠোৰতাই আছিল সন্দিকৈৰ নেতৃত্ব শক্তি। এই শক্তিৰ বলতেই নিজৰ কোঠাত বহি থাকিয়েই বিশ্ব-বিদ্যালয়ৰ ভিতৰে-বাহিৰে আৰু অসমৰ সকলো স্কুল-কলেজতে কৰ্তৃত্বৰ প্ৰভাৱ পেলাব পাৰিছিল। কিন্তু মন কৰিবলগীয়া এইটোহে যে নীতিত কঠোৰ সন্দিকৈৰ অন্তৰখন কিন্তু আছিল অতি কোমল।

উপাচাৰ্য সন্দিকৈৰ নৈতিক প্ৰভাৱ কিমান সুদূৰপ্ৰসাৰী আছিল তাৰ প্ৰমাণ স্বৰূপে ঘটনা এটি এইখিনিতে উল্লেখ কৰোঁ। এবাৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিনিধি স্বৰূপে এই লেখক গোলাঘাটৰ মেট্ৰিক পৰীক্ষা-কেন্দ্ৰ তদাৰক কৰিবলৈ যাবলগীয়া হৈছিল। তাত থকা কেইদিনত সদায় পুৱা থকা ঠাইৰপৰা চৰকাৰী হাইস্কুলৰ কেন্দ্ৰলৈ খোজকাঢ়ি যাওঁ। এদিনাখন তেনেকৈ গৈ থাকোঁতে হঠাতে মোৰ ঠিক আগে আগে গৈ থকা দুজন পৰীক্ষাৰ্থীৰ কথোপকথন মোৰ কাণত পৰিলহি। এজনে কৈছে, সেইদিনাৰ বুৰঞ্জী পৰীক্ষাত লিখিবলৈ ঠিকমতে যোগাৰ কৰি আনিছে। অৰ্থাৎ নকল কৰিবৰ বাবে হাতৰ মুঠিতে লুকুৱা বহী এখনত সম্ভাব্য প্ৰশ্নৰ উত্তৰ লিখি আনিছে। পিছে লগৰীয়াজনে তেকাহি মাৰি যিটো উত্তৰ দিলে সেইটো শুনিহে তবধ মানিলোঁ। উত্তৰটো আছিল এনে — "নকল কৰি মৰিব খুজিছনে? ভাইচ-চেন্সেলাৰ সন্দিকৈহে গম পোৱা নাই।" তাৰ পিছত দুই বন্ধুৰ মাজত বহুত তৰ্ক-বিতৰ্ক হ'ল। মইও দুয়োৰে পিছে পিছে শুনি গ'লো। শেহত স্কুলৰ সমুখ পাই গেটৰ ওচৰতে দেখিলোঁ নকল কৰিবলৈ অহা ছাত্ৰজনে হাতত থকা বহীখন ফালি-ছিৰি দলিয়াই পেলাই পৰীক্ষা-কেন্দ্ৰত সোমালগৈ। নাটকীয় ঘটনা এটা দেখা পালোঁ। শিক্ষকসকলৰ কমন-ৰুমলৈ সোমাই মইও ঘটনাৰ বৰ্ণনা দি তেখেতসকলক ক'লোঁ, তেখেতসকলৰ বাবে পৰীক্ষাৰ্থীক নিৰীক্ষণ কৰাৰ কাম উজু হৈ আছে। উপাচাৰ্য সন্দিকৈয়ে গুৱাহাটীৰ পৰাই তেখেতসকলৰ কাম সহজ কৰি ৰাখিছে। সন্দিকৈৰ নৈতিক

কৰ্তৃত্বৰ এয়া চাক্ষুস প্ৰমাণ। এই কৰ্তৃত্বৰ উৎস সন্দিকৈলৈ ভয়ত নহয়; সন্দিকৈৰ মহৎ চৰিত্ৰহে।

(চ)

অক্সফোৰ্ডত এম-এ ডিগ্ৰী লৈ আৰু ইউৰোপত সাতবছৰ থাকি অধ্যয়ন কৰি কৃষ্ণকান্ত সন্দিকৈ দেশলৈ উলটি আহি চৰকাৰৰ খুবৰ ভাল চাকৰিত সোমোৱা হ'লেও সেই সময়ত আচৰিত কথা নহ'লহেঁতেন। কিন্তু সন্দিকৈৰ প্ৰতিভা কোনো প্ৰকাৰৰ চাকৰি মনোবৃত্তিৰ অনুকূলে নাছিল। অৱশ্যে চাকৰি নকৰাকৈ থাকিব পৰাকৈ আৰ্থিক পৰিস্থিতিও আছিল। সেইবাবেহে আমি সন্দিকৈক অসমৰ প্ৰথম বেচৰকাৰী কলেজ জগন্নাথ বৰুৱা কলেজৰ অধ্যক্ষ হিচাপে পালোঁ। উল্লেখযোগ্য যে সেই সময়ত এনে এখন বেচৰকাৰী কলেজ স্থাপন কৰাটোকে চৰকাৰ-বিৰোধী কাৰ্য আৰু চৰকাৰৰ বাবে বিপদজনক বুলি ধৰা হৈছিল। অধ্যক্ষ পদ গ্ৰহণ কৰোঁতে সন্দিকৈয়ে চাকৰি হিচাপে লোৱা নাছিল। বৰঞ্চ সন্দিকৈৰ ব্যক্তিত্বৰ বলত কলেজখনে প্ৰতিষ্ঠা আৰু সন্মানহে লাভ কৰিছিল। সোতৰ বছৰীয়া অধ্যক্ষতাই হ'ল এই শিক্ষা-কেন্দ্ৰলৈ সন্দিকৈৰ অপূৰ্ব দান। এই কলেজখন আৰম্ভ কৰোঁতে চৰকাৰী সাহায্য একেবাৰে নাছিল, চৰকাৰৰ কোপদৃষ্টিও পূৰ্ণৰূপেই পৰিছিল। কলেজখনৰ শক্তি আছিল জাতীয় আদৰ্শত। আৰম্ভণিতে অধ্যক্ষ সন্দিকৈ আৰু সহযোগী অধ্যাপক তুলসীনাৰায়ণ শৰ্মা, পদ্মেশ্বৰ গগৈ, কণীধৰ দত্ত, প্ৰফুল্লপ্ৰাণ চাংকাকতী আৰু শ্ৰীব্ৰজেশ্বৰ শৰ্মা সকলোৱে অবৈতনিকভাৱে শিক্ষাদান কৰি এই আদৰ্শ ৰূপায়িত কৰিছিল।

সকলো প্ৰতিকূল অৱস্থা অতিক্ৰম কৰি অধ্যক্ষৰ ব্যক্তিত্বৰ প্ৰভাৱত কলেজখনে কলিকতা বিশ্ববিদ্যালয়ৰ স্বীকৃতি লাভ কৰে।

কেবাবছৰৰো মূৰত অসম চৰকাৰেও বিত্তীয় অনুদান দিবলৈ মান্তি হয় — তাকো মাহে ১৫০ টকাকৈহে। আনকি ১৯৪৮ চনত যেতিয়া সন্দিকৈয়ে কলেজ এৰি উপাচাৰ্য হৈ গুৱাহাটীলৈ আহে, তেতিয়াও মাহেকীয়া অনুদান মাত্ৰ ৭৫০ টকাহে হৈছিলগৈ। কলেজ এৰিবৰ সময়ত অধ্যক্ষ সন্দিকৈয়ে নিজৰ ফালৰপৰা পোন্ধৰ হেজাৰ টকা দান দি আহিছিল।

গুৱাহাটী বিশ্ববিদ্যালয়েও অতি সোনকালে প্ৰতিষ্ঠা আৰু সম্মান লাভ কৰিব পৰাৰ মূলতে হ'ল উপাচাৰ্য সন্দিকৈৰ ব্যক্তিত্ব। বিশ্ববিদ্যালয়ৰ নেতৃত্ব দিওঁতেও তেখেতে এক উচ্চ আদৰ্শ আগত ৰাখি দায়িত্ব পালন কৰিছিল। এই উচ্চ আদৰ্শত আছিল প্ৰাণৰ স্পন্দন। তেওঁৰ স্বতন্ত্ৰ ব্যক্তিত্বৰ বিকাশৰ মূলতেও সিয়েই। ১৯৫৪ চনত ছ'চিয়েলিষ্ট নেতা শ্ৰীঅশোক মেহটা গুৱাহাটীলৈ আহোঁতে উপাচাৰ্য সন্দিকৈক লগপাই এঘণ্টামান কথা হৈছিল। মেহটাই আমাক কৈছিল, "ভাৰতৰ ভালেমান উপাচাৰ্যক লগ পাইছোঁ কিন্তু সন্দিকৈৰ নিচিনা বিশাল ব্যক্তিত্বসম্পন্ন আন এজন পোৱা নাই।" সন্দিকৈৰ আদৰ্শৰ ওচৰত সেই সময়ৰ চৰকাৰ পৰাজিত হ'ব লগা হৈছিল। অৱশ্যে চৰকাৰৰ সহানুভূতিহীন মনোভাৱৰ উল্লেখ কৰি ভালেমান বছৰৰ মূৰত কথা প্ৰসংগত সন্দিকৈয়ে এদিনাখন কৈছিল— "মই থাকোঁতে চৰকাৰে বিশ্ববিদ্যালয়ৰ খবৰেই নকৰিছিল। মোৰ ভয়েই হৈছিল জানোচা পইচা নিদিয়া হয়। মই খাতিৰ কৰিবও নেজানো।"

উপাচাৰ্যৰ দায়িত্ব পালন কৰোঁতে সন্দিকৈয়ে সৰু-সুৰা কথাৰপৰা নীতিগত ডাঙৰ কথালৈকে সকলো নিজে বিতংভাৱে চিন্তা আৰু পৰীক্ষা কৰি চাইছিল। প্ৰকৃততে তেওঁৰ দিনত বিশ্ববিদ্যালয়ৰ কাৰ্যনিৰ্বাহকৰ সদস্যসকলে নিজাকৈ চিন্তা কৰিবলৈ আৱশ্যকেই নহৈছিল। আগতীয়াকৈ ভাবি-চিন্তি সকলো বিষয়ত

উপাচাৰ্যই স্পষ্ট আৰু দৃঢ় মত দাঙি ধৰিছিল। উপযুক্ত যুক্তি নহ'লে তেওঁৰ মত সলনি কৰাৰ পৰাও নহৈছিল। সেইবুলি সন্দিকৈ কেতিয়াও অসহিষ্ণু নাছিল। উপাচাৰ্য হিচাপে তেওঁৰ কাৰ্যৰ যথাৰ্থ সমালোচনা কৰিলে তাক আনন্দেৰে গ্ৰহণ কৰিছিল। বিশেষ মন কৰিবলগীয়া কথা যে তেওঁ ব্যক্তি সন্দিকৈ আৰু উপাচাৰ্য সন্দিকৈ এই দুয়োকো সানমিহলি হ'বলৈ নিদিছিল। ইয়েই আছিল গণতান্ত্ৰিক মূল্যবোধৰ উৎকৃষ্ট নিদৰ্শন যিটো আমি আমাৰ দেশৰ ৰাজহুৱা জীৱনত সচৰাচৰ দেখিবলৈ নাপাওঁ। এই প্ৰসংগত এটা ঘটনা এই লেখকে কেতিয়াও পাহৰিব নোৱাৰে। গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ কোৰ্টৰ এখন বছৰেকীয়া সভাত উপাচাৰ্যৰ কিছু কাৰ্যৰ সমালোচনা অলপ চোকা ভাষাৰে কৰিছিলোঁ। সভাৰ অন্তত দুজনমান সদস্যই মোৰ সেই কাম ভাল নহ'ল বুলিও মত প্ৰকাশ কৰিছিল। মোৰো মনত অলপ সন্দেহ উদয় নোহোৱাকৈ নাছিল। যিয়েই হওক, তাৰে কেইদিনমানৰ পাছত কলেজ শিক্ষক সংস্থাৰ কথা সংক্ৰান্তত সন্দিকৈদেৱক দেখা কৰিবলৈ গৈছিলোঁ। আৱশ্যকীয় বিষয়ৰ কথা-বতৰা শেষ হোৱাত মই অলপ ইতস্ততঃ ভাৱেৰে তেখেতক সুধিছিলোঁ আমি তেওঁক কৰা সমালোচনা কেনেধৰণে লয়। মোৰ প্ৰশ্নৰ উত্তৰত তৎক্ষণাৎ তেওঁ গহীন হৈ এইবুলি ক'লে — "তুমিতো মোক সমালোচনা কৰা নাই; ভাইচ-চেন্সেলাৰকহে কৰিছিলা।" লগতে বুজাই দিলে যে ব্যক্তিগত জীৱনত তেওঁ যিহকে নকৰক সি কাৰো হানি-বিঘিনি ঘটাব নোৱাৰে। কিন্তু উপাচাৰ্য হিচাপে কৰা এটা ভুল কামেই দেশৰ ডাঙৰ অপকাৰ কৰিব পাৰে। গতিকে উপাচাৰ্য হিচাপে কৰা কাৰ্যৰ সকলো সমালোচনা তেওঁ অতি সাদৰেৰে গ্ৰহণ কৰে। সেইদিনা সন্দিকৈৰ এই উত্তৰে মোৰ চকু মুকলি কৰি দিয়াই নহয় মোক অভিভূত কৰিও পেলাইছিল। কিয়নো ভাৰতৰ ভালেমান ডাঙৰ নেতাৰ সংস্পৰ্শত আহিছোঁ। কিন্তু কাশী বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ আসন

অলংকৃত কৰা ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ আৰু লক্ষ্ণৌ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আচাৰ্য নৰেন্দ্ৰ দেৱৰ বাহিৰে আনৰ গাত এনে গণতান্ত্ৰিক মূল্যবোধৰ চিনাকি পোৱা নাই। পদ আৰু পদাধিকাৰীৰ মাজত থকা পাৰ্থক্য নুবুজাৰ বাবেই আমাৰ সমাজনীতি, শিক্ষা বহুতত অমংগল ঘটিছে।

(ছ)

যদিও ১৯৪৮ চনতহে সন্দিকৈক লগ পোৱাৰ সুযোগ পাইছিলোঁ, তেখেতৰ লগত একপ্ৰকাৰ পৰিচয় ১৯৩৩/৩৪ চনত স্কুলীয়া ছাত্ৰ অৱস্থাতে হৈছিল। সেই পৰিচয় অৱশ্যে আছিল সন্দিকৈৰ সুন্দৰ হাতৰ আখৰৰ সৈতেহে। দেউতাৰ চিঠিৰ ফাইলত সন্দিকৈয়ে দিয়া চিঠি কেইখনমান পাইছিলোঁ। বেজবৰুৱা, গোহাঁই-বৰুৱা, নবীন বৰদলৈ, হেম গোস্বামী আদি অসমৰ ভালেমান বৰেণ্য পুৰুষে দেউতালৈ দিয়া চিঠিৰ ভিতৰত বিশেষ আকৰ্ষণ আছিল বেজবৰুৱাই বৰোদাৰপৰা দিয়া আৰু সন্দিকৈয়ে পেৰিছ আৰু বাৰ্লিনৰপৰা দিয়া চিঠি কেইখনৰ। সুন্দৰ কাগজত বিজোপন আখৰেৰে লিখা সন্দিকৈৰ চিঠি কেইখনলৈ স্কুলীয়া মোহ আছিল।

পাছত, হেমচন্দ্ৰ গোস্বামী সম্পাদিত শিশু আলোচনী 'অকণ'ত সন্দিকৈয়ে লিখা 'সৰস্বতীৰ বৰ' বোলা কালিদাসৰ বিষয়ে লিখা প্ৰবন্ধ পঢ়ি সন্দিকৈৰ লগত চিনাকি আৰু অলপ ঘনিষ্ঠ হয়। চিঠিৰ আখৰ আৰু 'অকণ'ত ওলোৱা প্ৰবন্ধ পঢ়ি সন্দিকৈ মানুহজনৰ বিষয়ে মোৰ বৰ সুন্দৰ ধাৰণা হৈছিল। দুবছৰ-মানৰ পাছত যেতিয়া যোৰহাট চৰকাৰী হাইস্কুলত পঢ়িবলৈ আহোঁ, তেতিয়াই সন্দিকৈক চাবলৈ খুব হেঁপাহ আছিল। কিন্তু স্কুলীয়া ছাত্ৰই তেখেতক দেখা পোৱা সহজ নাছিল। তেতিয়া তেখেত

জগন্নাথ বৰুৱা কলেজৰ অধ্যক্ষ। আমাৰ বাবে কলেজৰ ভিতৰলৈ সোমাব পৰাৰ সুবিধাও নাই। আনহাতে সন্দিকৈদেৱক সভাই-সমিতিয়ে দেখাও পোৱা নাযায়। গধূলি মাত্ৰ নিৰ্দিষ্ট বাটত ফুৰিবলৈ যায়। এইদৰে ফুৰিবলৈ যাওঁতে এদিন মাথোন আঁতৰৰপৰা তেখেতক দেখা পোৱা মনত আছে। তেতিয়াই অৱশ্যে সন্দিকৈদেৱৰ বিষয়ে দুই-এক কাহিনী শুনিবলৈ পাইছিলোঁ।

সন্দিকৈক দেখা পোৱাৰ প্ৰথম সুযোগ পাওঁ ১৯৪৮ চনত। তেতিয়া তেখেত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হৈ গুৱাহাটীলৈ আহিছে। যোৰহাট জগন্নাথ বৰুৱা কলেজত তেখেতৰ পুৰণি সহকৰ্মী আৰু তেতিয়া নগাঁও কলেজৰ অধ্যক্ষ আমাৰ দদাইদেউ শ্ৰীযুত যজ্ঞেশ্বৰ শৰ্মাৰ লগত সন্দিকৈদেৱৰ ওচৰলৈ গৈছিলোঁ। দদাইদেউৰ লগত তেখেতে কথা-বতৰা হওঁতে মোকো দেউতাৰ কথা আৰু অন্যান্য কথা সোধে। মই তেতিয়া সন্দিকৈ কলেজ আৰু ভোলা বৰুৱা কলেজৰ শিক্ষক। ভাল শিক্ষক হ'বলৈ হ'লে সদায় ভালকৈ পঢ়া-শুনা কৰিব লাগে বুলি কথা-বতৰাৰ মাজত মোক সন্দিকৈদেৱে সোঁৱৰাই দিছিল। সেইদিনা বহোঁতে মই অৱশ্যে সৰহখিনি সময় শ্ৰোতা আৰু দৰ্শক হিচাপেহে আছিলোঁ। সন্দিকৈ মানুহজনৰ চেহেৰাটোলৈ চাই মোৰ সৰু কালতে হোৱা সুন্দৰ মানুহজনৰ ধাৰণাৰ লগত মিলাই চাইছিলোঁ। সেই ধাৰণাৰ লগত মিলি যোৱাত মনে মনে আনন্দ পাইছিলোঁ। পৰিপাটিকৈ কিতাপ সজাই থোৱা ডাঙৰ মেজখন আগত লৈ সাধাৰণ সাজপাৰত থকা সাধক সন্দিকৈদেৱক ওচৰৰপৰা চাবলৈ পালোঁ প্ৰথম সেইদিনাই।

তেনেই সাধাৰণভাৱে থকা ডাঙৰ মানুহ এজনৰ সান্নিধ্য লাভ কৰি ওলাই আহোঁতে নতুন অনুপ্ৰাণনা লৈ আহিছিলোঁ। পোনতে সোমাই যাওঁতে যদিও মনত সংকোচৰ ভাব অলপ আছিল, সন্দিকৈৰ ওচৰত বহি থোৰেক কথা-বতৰা হোৱাৰ পাছতেই তেওঁৰ

সৰল আন্তৰিকতাপূৰ্ণ ব্যৱহাৰে সেই সংকোচ নাইকিয়া কৰি দিছিল।

তেতিয়াৰপৰা তেখেতে পৰলোক হোৱাৰ তিনিমাহৰ আগলৈকে বিভিন্ন সময়ত সন্দিকৈদেৱৰ ওচৰলৈ গৈ বিভিন্ন কথাৰ আলোচনা কৰিবলৈ সুযোগ পাইছিলোঁ। কলেজৰ সমস্যা উপাচাৰ্যৰ আগত দাঙি ধৰিবলৈ যাওঁতে সংস্থাৰ সাধাৰণ সম্পাদক হিচাপে শিক্ষকসকলৰ বিষয়ে বহুত জানো বুলি মই ভাবিছিলোঁ। পিছে সন্দিকৈদেৱে যেতিয়া প্ৰত্যেকখন কলেজ কেনেকৈ চলিছে, কি গণ্ডগোল হৈছে, শিক্ষকসকলে কেনে পঢ়ায়, কাৰ ঘৰ ক'ত সকলো বিতংকৈ ক'বলৈ ধৰে, তেতিয়া আচৰিত নহৈ নোৱাৰিলোঁ। লগতে সংস্থাৰ সম্পাদক হিচাপে মোৰ গৰ্বও মটি হৈ পৰিল। দুই চাৰি ক্ষেত্ৰত অৱশ্যে তেখেতৰ যি ভুল ধাৰণা আছিল সেইখিনি আঙু-লিয়াই দিয়াত ততালিকে তেখেতে শুধৰাইও লৈছিল। ইও আছিল তেখেতৰ মহৎ গুণ।

উপাচাৰ্যৰ বৃহৎ বাসভৱনৰ এফালে থাকিবলৈ লৈছিল সন্দিকৈদেৱ। সন্মুখৰ কোঠা এটা হ'ল তেখেতৰ অফিচ কোঠা। তেখেতক দেখা কৰিবলৈ যোৱাসকলে তাতে দেখা কৰে। উপাচাৰ্যৰ ভৱনত বিশেষ কাৰুকাৰ্য নাই। সাধাৰণ অথচ পৰিপাটি। সাক্ষাৎকাৰৰ বাবে থকা নিৰ্দিষ্ট নিয়মৰ ইফাল-সিফাল নহয়। সাক্ষাৎকাৰীয়ে শ্লিপ এটুকুৰাত নাম আৰু উদ্দেশ্য লিখি দিব লাগে। সেইমতে উপাচাৰ্যই সময় বান্ধি দিয়ে। যাক যি সময় দিয়ে সেই-মতে সাক্ষাৎ হয়।

(ভ)

গুৱাহাটীত থকাছোৱাত সন্দিকৈদেৱৰ সৈতে হোৱা সাক্ষাতত সাধাৰণতে ৩০/৩৫ মিনিটৰ বেছি নহৈছিল। আৱশ্যকীয় বিষয়ত

চমু আলোচনা; তাতকৈ সৰহ নহয়। কেইদিনমান অৱশ্যে এঘণ্টা ডেৰঘণ্টাৰ দীঘলীয়া বৈঠক হৈছিল। সেইকেইদিনত তেখেতে নিজেই বিভিন্ন কথা উলিয়াইছিল। যোৰহাটলৈ ঘূৰি যোৱাৰ পাছতো প্ৰায় তিনি-চাৰি মাহৰ মূৰে মূৰে সন্দিকৈদেৱৰ সৈতে দেখা হৈছিল। সাধাৰণতে পুৱাবেলা দহবজাত আৰু আবেলি তিনি বজাত দেখা কৰাৰ সময়। আগতীয়াকৈ বন্দোবস্ত কৰা মানুহে সাক্ষাৎ পাব পাৰে। মোৰ ক্ষেত্ৰত অৱশ্যে এই বিষয়ত ৰেহাই পাইছিলোঁ। যিহেতু সন্দিকৈদেৱৰ দিনটোৰ সকলো কাম ধৰা-বন্ধা নিয়মমতে চলে, সেইবাবেই আগতে বন্দোবস্ত নকৰিলে কাৰো লগত কথা পাতিবলৈ তেখেত মান্তি নহৈছিল। কাৰোবাক কিবা সময় দিলে সেইমতে তেখেত নিজে প্ৰস্তুত হৈ থাকে। এই সময় ৰাখিব নোৱাৰি এবাৰ মই নিজেই বৰ লজ্জিত আৰু অপ্ৰস্তুত হ'বলগীয়া হৈছিল। দিল্লীৰপৰাই [illegible] তেখেতৰ ওচৰলৈ গৈ কেইটামান কথাৰ আলোচনা কৰিম বুলি জনাইছিলোঁ। কিন্তু মই গৈ যোৰহাট পাওঁতে মই ঠিক কৰা তাৰিখৰ এদিনৰ পাছতহে পালোঁগৈ। যোৰহাট পাই [illegible] ঘৰ ওলাওঁগৈ। তেতিয়া তেখেতৰ লগুৱা শ্ৰীমান পূৰ্ণই মোক জনালে সন্দিকৈদেৱে আন সকলো কাম বাদ দি মোৰ বাবে দুদিন অপেক্ষা কৰি আছিল। এইকথা জানি অত্যন্ত [illegible] তেখেতক দেখা কৰিলোঁগৈ। কিন্তু হাঁহি মুখে মোক ক্ষমা কৰি সন্দিকৈদেৱে মাত্ৰ ক'লে, "কালিয়ে পৰহিয়ে তোমাৰ বাবে বাট চাই আছিলোঁ।" মোৰ দোষৰ বাবে মই নিজেই নিজকে শাস্তি দিব লগা হ'ল।

যোৰহাটৰ ঘৰত সন্দিকৈৰ [illegible] সুকীয়া। সন্দিকৈৰ অধ্যয়ন কোঠাটো সৰু; কিন্তু সুন্দৰ আৰু পৰিপাটি। গোটেই ঘৰখনৰে পৰিবেশ সাধাৰণ। সম্ভৱহে ইউৰোপত কটোৱা বিলাত কেৱল সন্দিকৈদেৱৰ ঘৰত আধুনিক ড্ৰইংৰুমো নাই। কেতিয়াবা

আলহী গ'লে বহিবলৈ সৰু কোঠা এটাহে ৰখা হৈছিল। পঢ়া কোঠা'টোৰ মুখতে সৰু বাৰান্দা—তাতে দুখন চকী আৰু এখন আৰাম বেঞ্চ আছিল।

১৯৬৫ চনত মেডিকেল কলেজত অসুখৰ চিকিৎসাৰ আগলৈকে সন্দিকৈদেৱক পুৱা দহ বজাত দেখা কৰিবলৈ গ'লে সদায়েই হাতত চুৰিকটাৰি এখন লৈ সন্মুখৰ ফুলনিত কেনা ফুলৰ ডাল-পাত কাটি থকা পাইছিলোঁগৈ। কিনকিনীয়া বৰষুণৰ দিনতো সেই ফুলনিতে। এদিনাখন ফুলনিৰপৰা আহি হাতত চুৰি-কটাৰী লৈয়েই প্ৰায় দুঘণ্টা মোৰ লগত কথা পাতিলেহি। ডাক্তৰৰ পৰামৰ্শ অনুসৰি ফুলনিত লগাটো '৬৫ চনৰপৰা এৰিব লগা হ'ল যদিও ফুল কেই-জোপাৰ প্ৰতি তেখেতৰ মৰম সদায়েই আছিল। এই প্ৰসংগত এষাৰ কথা আজিও মোৰ মনত আছে। ডেৰেমান বছৰৰ আগতে তেখেতৰ সৰু জীয়েক শ্ৰীমতী অহল্যাৰ বিয়ালৈ গৈছিলোঁ। জা-জলপান খাই সন্দিকৈদেৱক মাত লগাবলৈ গৈ দেখোঁ তেখেতে হাতত চুৰি-কটাৰীখন লৈ বাৰান্দাতে বহি আছে। মই যেতিয়া মাত্ৰকে ক'লে, "তুমি আহিলা, ভাল হ'ল। বিয়াখনত চকু দিবা।" মই যেতিয়া সুধিলোঁ, "আপুনি কেনেকৈ ৰভাঘৰত নেথাকি ইয়াতহে বহি আছে?" তেতিয়া উত্তৰ পালোঁ, "এ, মই ইয়াতে বহি আছোঁ। ফুলনিখন গৰু-ছাগলী সোমাই নষ্ট কৰিব পাৰে। চাই আছোঁ।"

আন এদিনাখন সন্দিকৈদেৱৰ সৈতে কথা পাতি আছোঁ। দহ বজাতে বহি কথা হৈ থাকোঁতে বাৰ বাজিলগৈ। কিন্তু তেখেতৰ ঘড়ীটোলৈ চাই দেখোঁ দুই বাজিছে। আচৰিত হৈ "এতিয়াই দুই বাজিলনে" বুলি মই সোধাত সন্দিকৈদেৱে ক'লে "নহয়, মোৰ ঘড়ীটো দুঘণ্টা আগবঢ়াই থওঁ।" কিয় থয় বুলি সুধাত তেখেতে ভাঙি নকৈ মাত্ৰ পাতল হাঁহি এটা মাৰি মোৰ প্ৰশ্নটো সামৰি থ'লে। তেখেতৰ এই উত্তৰ মোৰ বাবে সাঁথৰ হৈয়েই থাকিল। কিছুদিনৰ

পাছত অয়ত্নে বন্ধুৰ ছাত্ৰাবে এই সংখৰ ভাঙিলে। সন্দিকৈদেৱে নিজকে সতৰ্ক কৰি ৰাখিবলৈকে ঘড়ী এইদৰে সময়তকৈ আগবঢ়াই ৰাখিছিল।

এনেবোৰ সৰু-সুৰা বহুতবোৰ কথা আছে, যি সন্দিকৈ-ব্যক্তিত্বৰ স্পষ্ট পৰিচয় দিয়ে। ১৯৪৯ চনত এজন মন্ত্ৰীয়ে এই লেখকক কথা-প্ৰসংগত কৈছিল তেওঁ হেনো এবাৰ বিলতৰপৰা উপাচাৰ্য সন্দিকৈক লগ পাবলৈ গুৱাহাটীলৈ আহিছিল। ৬৪ মাইল বাট আহি যেতিয়া তেওঁ পোনে পোনেই উপাচাৰ্যৰ ঘৰলৈ গ'ল তেতিয়া তেওঁক জনোৱা হ'ল, সেইসময়ত দেখা কৰিবলৈ উপাচাৰ্যৰ সময় নাই। মন্ত্ৰীগৰাকীয়ে এই সাক্ষাতৰ বাবে আগতীয়াকৈ সময় নিৰ্ধাৰণ কৰা নাছিল। উপাচাৰ্যক দেখা নকৰাকৈয়ে তিনিতলৈ ঘূৰি যাব লগা হ'ল। ঘটনাটো বিবৰি মন্ত্ৰীগৰাকীয়ে শেষত এইবুলি মন্তব্য দিছিল, 'সন্দিকৈয়ে এনে কৰাত প্ৰথমতে মই বৰ বেয়া পাইছিলোঁ। কিন্তু পিছত ভাবি চাই দেখিলোঁ সন্দিকৈৰ নিচিনা ভাইচ-চেন্সেলাৰ থাকিলেহে আমাৰ ল'ৰাবোৰ ঠিক হ'ব। তেওঁ যাকে-তাকে দেখা নকৰাৰ বাবে তেওঁৰ ভয় এটা আছে।" মন্ত্ৰীগৰাকীৰ নিজৰ দৃষ্টিৰ ফালৰপৰা মন্তব্যষাৰ শুদ্ধ আছিল। কিন্তু এই ক্ষেত্ৰত মাই কথা হ'ল সন্দিকৈৰ সময়-জ্ঞান আৰু কৰ্তব্য নিষ্ঠাহে।

এই প্ৰসংগতে আৰু এটা ঘটনা উল্লেখ কৰিব পাৰি। এবাৰ কলেজ শিক্ষক সংস্থাৰ কাম এটাত উপাচাৰ্য সন্দিকৈক লগ পাবলৈ যাওঁতে সহকৰ্মী শিক্ষক বন্ধু এজনো মোৰ লগতে ওলাল। উপাচাৰ্যৰ ঘৰত নিৰ্ধাৰিত কাগজত সাক্ষাৎকাৰীৰ নাম আৰু কাম লিখি পঠাব লাগে। সেইমতে আমি দুয়ো দিলোঁ। বন্ধুজনে কামৰ ঘৰত "টু পে ৰেছপেক্ট টু ইউ" বুলি লিখিছিল। উপাচাৰ্যৰ পিয়নে অলপ পাছতে আহি আমাক জনালেহি যে আমাৰ সাক্ষাতৰ সময় উপাচাৰ্যই পিছত জনাব। আমিও গুচি আহিলোঁ। দুৱাৰমুখৰ

বাদে মোলৈ খবৰ পঠিয়ালে পিছদিনা দহবজাত দেখা কৰিবলৈ। পিছদিনা দেখা কৰি আৱশ্যকীয় কথা শেষ হোৱাৰ পাছত বন্ধুজনক কিয় নামাতিলে সুধিলোঁ। উত্তৰত সন্দিকৈদেৱে গহীনভাৱে ক'লে, "মোক সম্মান জনাবলৈ ইয়ালৈ নাহিলেও হয় দেখোন।" এয়েই আছিল সন্দিকৈৰ বৈশিষ্ট্য।

যোৰহাট নগৰত আৰু গুৱাহাটীত থকা অৱস্থাতে সন্দিকৈক দেখা মানুহৰ সংখ্যা যিমানে কম আছিল সিমানে তেওঁৰ বিষয়ে কাহিনী উপাখ্যানবো সংখ্যা বাঢ়িছিল। তাহানিতে যোৰহাটত আমি শুনিছিলোঁ, দেউতাক ৰাধাকান্ত সন্দিকৈয়ে বৰপুতেক কৃষ্ণকান্তক বিদেশত পঢ়াই-শুনাই আনি বোলে দুখ কৰি কৈছিল—"মই এটা লাইব্ৰেৰীহে কিনিলোঁ।" কথাষাৰ প্ৰকৃততে কোৱা হৈছিল নে নাই নেজানো ; কিন্তু কথাষাৰে কৃষ্ণকান্ত সন্দিকৈৰ বিষয়ে প্ৰচলিত ধাৰণাকে ব্যক্ত কৰিছিল। সৰহভাগ মানুহৰে ধাৰণা যে সন্দিকৈ হ'ল পুথি-পাঁজিতে ডুব গৈ থকা, সাংসাৰিক কথাত একেবাৰে অাওকণীয়া আৰু অনভিজ্ঞ এজন জ্ঞান-সাধক। কিন্তু ওচৰৰপৰা যিমান বুজিব পাৰিলোঁ সন্দিকৈদেৱৰ পাণ্ডিত্য যেনে গভীৰ, সাংসাৰিক আৰু ব্যৱহাৰিক জ্ঞানো সিমানেই প্ৰখৰ আছিল।

জ্ঞান-সাধনাত ব্ৰতী সন্দিকৈৰ জীৱন শেহলৈকে হিচাবী আৰু পৰিকল্পিত আছিল। সাংসাৰিক কথাত আওকণীয়া আছিল বুলি কোনোপ্ৰকাৰে ক'বই নোৱাৰি। বৰঞ্চ সকলো সৰু-সুৰা কথও দকৈ চিন্তা কৰি চাই সেইমতে যথাসময়ত ব্যৱস্থা লৈছিল। তেখেতৰ পৰিকল্পিত জীৱনধাৰাত সকলো কথা আৰু আচুতীয়া সময় বন্ধা আছিল। নৈষধ-চৰিত্ৰ বা যশস্তিলকৰ বাবে যেনেকৈ ধৰা-বন্ধা সময় ৰখা হৈছিল, বাগিছা পৰিচালনা কৰাৰ বাবেও সেইদৰেই সময় নিৰ্দিষ্ট কৰা আছিল। এটা সময়ত এটা কামহে। ছুটা নহয়। যেতিয়া বাগিছাৰ কামত মন দিছিল সকলো হিচাব

তন্ন তন্ন কৰি পৰীক্ষা কৰিছিল বাগিছাৰ যেপথন আৰম্ভ লৈ কোন 'নম্বৰ'ত কি কৰিব লাগে সকলো নিৰ্দেশ নিজৰ কোঠাত বহি থাকিয়েই দিছিল। এই বিষয়ত ইমান বছৰে এইটোও প্ৰমাণ হ'ল যোৰহাটৰ আন সকলো চাহ খেতিয়কতকৈও সন্দিকৈ-দেৱৰ দক্ষতা বেছি। তেখেতৰ বাগিছা পৰিচালনা আছিল সুদক্ষ আৰু হিচাবী সন্দিকৈৰ পৰিচালনাত বাগিছাৰ লাভো হৈছিল আৰু তাৰেপৰা সন্দিকৈয়ে দানো দিছিল— যিটো বাকীসকল চাহ-খেতিয়কৰ ক্ষেত্ৰত দেখা নাযায়।

চাহ বাগিছাৰ পৰিচালক হিচাপে সন্দিকৈদেৱৰ ক্ষেত্ৰত আৰু এক ব্যতিক্ৰম লক্ষ্য কৰিছিলোঁ। সাধাৰণতে আমাৰ চাহ বাগিছাৰ মালিকসকলে মজদুৰৰ হাজিৰা বা ৰনাচ বৃদ্ধি কৰাৰ প্ৰস্তাৱ বা আইন প্ৰণয়ন হ'লেই বৰ বেয়া পায়। কিন্তু চাহ খেতিয়ক সন্দিকৈয়ে ভাবিছিল অন্যধৰণেহে। এদিনাখন এই প্ৰসংগও শুনাইছিল। সেই সময়ত চৰকাৰে চাহ মজদুৰৰ মজুৰি আৰু ৰনাচৰ হাৰ বঢ়াই দিছিল। সন্দিকৈয়ে তেতিয়া এই লেখকক কৈছিল— "বঢ়োৱা'টো ভাল হৈছে। বাগিছাৰ উৎপাদন মজদুৰসকলৰ পৰাহে হৈছে। সিহঁতৰ আৰু বেছিহে প্ৰাপ্য।" সন্দিকৈয়ে অযথাত খৰচ নকৰিছিল। হিচাবী খৰচত হ'লে উদাৰ আছিল।

ঘৰতে অকলে বহি অধ্যয়ন কৰি থকাৰ লগতে সন্দিকৈয়ে মনে মনে সকলো কথা ভং কৰিও আছিল। এবাৰ কথা পাতি থাকোঁতে পুতেক শ্ৰীবিজয় সন্দিকৈৰ কথা শুনাইছিল। ক'লে, "বিজয়ে মোক ক'বলৈ লাজ পায় হ'বলা। তাৰ খৰচৰ বাবে টকা-পইচা লাগে। সদায় মোক কেনেকৈ খোজে? পঢ়িকে তাৰ নামত দুটা ভাবাঘৰ সজাই দিব খুজিছোঁ। যাতে ঘৰ দুটাৰ ভাৰা লৈ নিজে থাকিব পাৰে আৰু কাকো খুজিবলগা নহয়।" আকৌ এবাৰ, সন্দিকৈদেৱৰপৰাই গম পাওঁ। তেখেতৰ বিধৱা ভগ্নী .পূৰ্বৰ

নামত এটা ঘৰ সজাই দিছে যাতে সি পিছত কেতিয়াও নিঠকৰা হ'ব লগা নহয়।

এনেভাৱে সংসাৰৰ সৰু-সুৰা কথা কেইজনে চিন্তা কৰে? এইজন সন্দিকৈক সাংসাৰিক জ্ঞান নথকা বুলি কোনে ক'ব পাৰে? বৰঞ্চ সাধাৰণতে সাংসাৰিক জ্ঞান থকাসকলতকৈ সন্দিকৈ বেছি বাস্তৱধৰ্মী আৰু উদাৰ আছিল।

(ঝ)

কৃষ্ণকান্ত সন্দিকৈদেৱৰ সৈতে সাক্ষাৎ হৈছিল ২৭ ফেব্ৰুৱাৰীৰ দিনা (১৯৮২)। সেয়েই যে শেষ দেখা হ'ব কল্পনাও কৰা নাছিলোঁ। প্ৰকৃততে সেইদিনা এক দীঘলীয়া সাক্ষাৎ প্ৰসংগৰ আৰম্ভণিহে কৰা হৈছিল * তেখেতৰ জীৱন আৰু দৰ্শন সম্পৰ্কে কেইবাটাও প্ৰশ্ন উত্থাপন কৰিছিলোঁ। সেইবোৰৰ উত্তৰ দিবলৈ সন্দিকৈদেৱ সম্মতো হৈছিল। মাত্ৰ কৈছিল যে কেইবাদিনো বহিব লাগিব। একেদিনাই ৩০/৪০ মিনিটতকৈ বেছি সময় একেৰাহে বহিলে তেখেতৰ মূৰ ঘূৰায়।

২৭ ফেব্ৰুৱাৰীৰ দিনাও প্ৰায় এঘন্টাই কথা-বতৰা হ'লোঁ। সন্দিকৈদেৱে খুব আনন্দ আৰু সন্তোষ মনেৰে কথা পাতিলে। সেইদিনা টেপ ৰেকৰ্ডাৰ এটাও লৈ গৈছিলোঁ — তেখেতৰ কথাখিনি ৰেকৰ্ড কৰিবলৈ। প্ৰথমে ৰেকৰ্ডাৰ ব্যৱহাৰ কৰাত তেখেতে আপত্তি কৰিছিল। শেহত অৱশ্যে মান্তি হ'ল। সেইদিনাই তেখেতৰ সৈতে ফটো এখন ল'বৰ বাবে পঢ়াকোঠাৰপৰা বাৰান্দালৈ ওলাই আহিবলৈ অনুৰোধ কৰোঁতেও আনন্দেৰে ওলাই আহিছিল। মাত্ৰ

*এই বিষয়ে অসম সাহিত্য সভা পত্ৰিকাৰ সন্দিকৈ সোঁৱৰণি সংখ্যা দ্ৰষ্টব্য।
—লেখক

ফটোখন লোৱাৰ পাছত ভিতৰলৈ সোমাই যাওঁতে পাতল হাঁহি এটি মাৰি মোক কৈছিল "তুমি আজি মোক একেবাৰে কাম এটা কৰালা।"

১৯৪৮ চনৰেপৰা ১৯৮২ চনলৈকে এই ৩৫ বছৰত সন্দিকৈদেৱৰ লৈতে বহুতবাৰ দেখা কৰা আৰু কথা-বতৰা হোৱাৰ সৌভাগ্য ঘটিছিল। সকলো সময়তেই তেখেতক স্থিতপ্ৰজ্ঞ ৰূপত দেখা পাইছিলোঁ। এবাৰহে মাত্ৰ সন্দিকৈক বিচলিত হোৱা দেখিবলৈ পালোঁ। সেয়াই আছিল ১৯৬১ চনত তেওঁৰ পত্নী বিয়োগৰ সময়ত। সন্দিকৈৰ জীৱনৰ বিকাশত এইগৰাকী বিদুষী নাৰীৰ অশেষ অৱদান আছিল। পত্নীৰ স্মৃতি-ৰক্ষাৰ্থে সন্দিকৈদেৱে যোৰহাট বাল্য-ভৱনলৈ দহ হেজাৰ টকা দান দিয়াৰ কথা তেওঁ ভাৱিছিল। কিন্তু পিছত দুই-এক বন্ধুৰ পৰামৰ্শত এই প্ৰস্তাৱ সলনি কৰি "হেমলতা সন্দিকৈ স্কুল" প্ৰতিষ্ঠাৰ বাবে দান আগবঢ়ালে।

সাতাইশ ফেব্ৰুৱাৰীৰ দিন সন্দিকৈৰ ওচৰত বিদায় লৈ আহোঁতে সেয়েই শেষ সাক্ষাৎ হ'ব বুলি ভবা নাছিলোঁ। এপ্ৰিল আৰু মে' মাহত পুনৰ তেখেতৰ ওচৰলৈ যোৱাৰ কথা আছিল। ২৩ এপ্ৰিলত লিখা চিঠিখনেই তেখেতৰ শেষ চিঠি হ'ব বুলি কল্পনা কৰিবও পোৱা নাছিলোঁ। মে' মাহৰ শেষৰফালে মোক মাতি পঠাইছিল। কিন্তু মই যেতিয়া পাওঁগৈ, তেতিয়া বহুত পলম হৈ গ'ল। চিৰনিদ্ৰাত মগ্ন নিস্তব্ধ কৃষ্ণকান্ত সন্দিকৈৰ প্ৰশান্ত চেহেৰাটোহে দেখিবলৈ পালোঁগৈ।

অধ্যাপক কৃষ্ণকান্ত সন্দিকৈ

ড° মহেশ্বৰ নেওগ

ঠিক। অধ্যাপক কৃষ্ণকান্ত সন্দিকৈ। 'অধ্যাপক' বিভূষা হ'ল তেওঁৰেহে উপযুক্ত — যি 'অধ্যাপক' শব্দ আমি হেজাৰে, অৰ্বুদে উপযুক্ততা নথকাকৈয়ে নিজৰ নামৰ আগত সোলোক-ঢোলোককৈ ব্যৱহাৰ কৰোঁ। কিন্তু কোনো বিশ্ববিদ্যালয়ৰ অধ্যাপক গ্ৰেডৰ অধ্যাপক তেওঁ নাছিল। হ'লেও, বিদ্যাগুণ বুজা দেশত তেওঁকেহে অধ্যাপক বুলিলেহেঁতেন; (আৰু সেই নামেৰেহে তেওঁ বাহিৰৰ জগতত বিদিত) আনসকলক নহয়। কিন্তু কিয়, সেইকথা আমাৰ সমাজৰ প্ৰায়ভাগেই হয়তো ধৰিব নোৱাৰিব। তেওঁনো কি কৰিলে? তিনিখন কিতাপ কৰিলে। সেই কিতাপ আমিতো নপঢ়োঁৱেই। বিশ্বাস কৰিবলৈওতো টান লাগে, তিনিখন কিতাপ লিখি তেওঁ পৃথিৱীৰ চাৰিও খুটিৰ পণ্ডিতসমাজৰ সমাদৃত শিৰ-ফুটা পণ্ডিত হ'ল। তেওঁক আমাৰ প্ৰায়সকলেই দেখাওতো নাই। সাঁজৰ বেলিকা হাতত সৰু কটাৰী এখন আৰু টিপ্‌টিপাই জ্বলা সৰু টৰ্চ লাইট এটা লৈ আগফালৰ চোতালডৰালৈ ওলাব জানি জুমি চাবলৈ বুলি চাপৰ দাঁতিত জোপ লৈ থকাসকলেও তেওঁৰ ছাঁটোকেহে দেখা পায়। ন বছৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হৈ থকা কালতো সমাৱৰ্তনৰ বাহিৰে আন সময়ত তেওঁ বাহিৰলৈ জন-সমাজলৈ নোলাল। ডক্টৰ সৰ্বপল্লী ৰাধাকৃষ্ণণ, অধ্যাপক নিৰ্মলকুমাৰ সিদ্ধান্ত আদি বিশ্ববিদ্যালয়ৰ আয়োগৰ দিকপালসকলৰ লগত যি মাথোন এবাৰ মুকলি আকাশৰ তলৰ সভালৈ ওলাই আহিছিল। জনতাৰ মানুহ কৃষ্ণকান্ত সন্দিকৈ

নাছিল। কাৰণ, সময়ৰ ঘড়ী-ঘণ্টা জুখি জুখি তেওঁ তেওঁৰ অতন্দ্ৰ জ্ঞান-সাধনাত প্ৰয়োগ কৰিছিল। চাৰিকুৰি চাৰিবছৰীয়া জীৱনটোত তেওঁ জ্ঞানকেহে মাথোন আহৰণ কৰিলে. এঘাৰটা ভাষাৰ (সংস্কৃত, পালি, প্ৰাকৃত, ইংৰাজী, জাৰ্মান, ইটালিয়ান, ফ্ৰেঞ্চ, স্পেনিচ্, ৰুচ, লেটিন আৰু গ্ৰীক) আঠৈ কুৰিটা বৰ বৰ আলমাৰী-ৰেক ঠাঁহখাই থকা কমেও তিনিলাখ টকা মূল্যৰ কিতাপৰ এক অমূল্য গ্ৰন্থাগাৰ কৰিলে। তেওঁ তাকেই চ'লে, তাকে ঘূৰাই ঘূৰাই পঢ়িলে। তেওঁৰ নিজৰ কিতাপৰ এটা ছেদ লেখিবৰ কাৰণে তেওঁ নিজাকৈ নানা ভাষাৰ কিতাপৰ একোটা দ'ম গোটাই ল'ব লাগিছিল বুলি ভাবিছিল আৰু লৈছিল। পুৰণি পুথি, কলি, পুৰণি আলোচনীৰ সংখ্যাবোৰ পৰাপক্ষত কিনি সংগ্ৰহ কৰিছিল আৰু নোৱাৰাত পুণেৰ ভাণ্ডাৰকৰ ওৰিয়েণ্টাল ৰিচাৰ্চ ইনষ্টিটিউট আদিৰ ড° পি. কে. গোডে আদি সহায়ক পণ্ডিতৰ যোগে ধাৰ কৰি আনিছিল। সেইদৰে প্ৰতিটো ছেদ লেখাৰ আগতে তাৰ আৱশ্যকীয় সমলখিনি হাতত পৰিবৰ লাগিব। কাৰণ, ধুনীয়া ধুনীয়া আখৰকেইটাৰে পৰিষ্কাৰকৈ প্ৰতিটো ছেদ এবাৰহে লেখা যাব; তাত আৰু কাট-কুট কৰা নহ'ব; তেনেকৈহে সি প্ৰেছ পাবলৈ লাগিব। তেওঁৰ তিনিখন গ্ৰন্থৰ পাদটীকাবোৰলৈ দৃষ্টি দিলেই দেখা যাব যে তেওঁ কি কি recension কি টীকা-ভাষ্য গোটাই এক পাঠলৈ আনিবলগীয়া হৈছে; কি কি বেলেগ টীকাৰ দৃষ্টি চামিল কৰিবলগীয়া হৈছে; ইতিহাসৰ, শাস্ত্ৰৰ, কলাৰ কি কি জ্ঞান পুঞ্জীভূত কৰি এটা নিৰ্ণয়লৈ আনিবলগীয়া হৈছে তেওঁ যি তিনিখন গ্ৰন্থৰ অধ্যয়ন দাঙি ধৰিছে, সিহঁতৰ তেনে অধ্যয়ন পূৰ্বতো হোৱা নাছিল. পিছৰ পণ্ডিতসকলেও অধ্যাপক সন্দিকৈৰ সূত্ৰ ধাৰ ব্যাখ্যান বিস্তাৰ কৰিছে মাথোন।

শ্ৰীহৰ্ষৰ "নৈষধ-চৰিত" (নল ৰজাৰ কাহিনী) সংস্কৃত মহাকাব্যত এটা ডাঙৰ যুগ কাঢ়োৱণি। সি ইমান কঠিন বস্তু যে তাৰ পুৰণি টীকা-ভাষ্য থকা সত্ত্বেও আধুনিক পণ্ডিতসকলে তাত

দাঁত লগাবলৈকে টান পাইছিল। কিন্তু যেতিয়া অধ্যাপক সন্দিকৈয়ে ইতিপূৰ্বে অপ্ৰকাশিত কেইবাখনো টীকা সংগ্ৰহ কৰি তাৰপৰা ঠাই বুজি প্ৰভূত টোকা সংযোগ কৰি সলসলীয়া ইংৰাজী অনুবাদ কৰি পণ্ডিতসকলৰ আগত দাঙি ধৰিলে, তেতিয়া সকলোৰে কাৰণে গুৰুলীয়া কথাবোৰো দিন যেন পোহৰ হ'ল। অধ্যাপক এ. বি. কিথ্, এম্ বি. এমেন্নু, মৰিচ উইণ্টাৰনিজ, গোপীনাথ কবিৰাজ, ভি. সুথথঙ্কৰ আদি দেশী-বিদেশী সংস্কৃত বিদ্যাৰ পাৰঙ্গতসকল প্ৰশংসাত পঞ্চমুখ হৈ উঠিল। কেনো নব্য পণ্ডিতে সন্দিকৈৰ ভাষ্যক আলম কৰি লৈ পি. এইচ. ডি.ৰ থিছিছ পৰ্যন্ত লিখি ডিগ্ৰী ল'লে।

আনসকল বিদগ্ধই শ্ৰীহৰ্ষ-বিষয়ক নিজৰ আলোচনাত সন্দিকৈদেৱৰ ব্যাখ্যাৰ ওচৰত ঋণ স্বীকাৰ কৰি কৃতাৰ্থ মানিলে। প্ৰায় ৬৫০ পিঠিৰ গ্ৰন্থখন (১৯৩৪) গুৰুত্বপূৰ্ণ কথাৰেই ভৰা। শ্ৰীহৰ্ষ আৰু তেওঁৰ যুগ, তেওঁৰ ৰচনাৰ সামাজিক আৰু বিশেষতে দাৰ্শনিক পটভূমিৰ ব্যাখ্যা, মূল গ্ৰন্থখনৰ ইংৰাজী অনুবাদ—এই প্ৰত্যেকটোৱেই একোটা বৃহৎ প্ৰত্যাহ্বানৰ কৰ্ম। সন্দিকৈদেৱে গ্ৰন্থখন অকলশৰে ল'লেও এটা কথা আছিল। তেওঁ কিন্তু তাকে নকৰি পূৰ্বৰেপৰা থকা গ্ৰন্থখনৰ নানা টীকা সংগ্ৰহ কৰি লৈ সমস্তকে একেলগে লৈ সেইবোৰ তন্ন তন্নকৈ পৰীক্ষা কৰি কঠোৰ পৰিশ্ৰমেৰে তেওঁৰ অনুবাদ আৰু ব্যাখ্যা আৰম্ভ কৰিলে। তেওঁৰ মনীষাৰ স্পৰ্শত সকলো জটিল কথাই সৰল আৰু প্ৰাঞ্জল ৰূপ ল'লে। তেওঁৰ বিৰাট গ্ৰন্থখনি 'পণ্ডিতে মুখ দিব নোৱৰা' হৈ পণ্ডিতৰ জগতত এক বিস্ময়ৰূপে দেখা দিলে। মন কৰিবলগীয়া যে এই মহৎ কৰ্ম সিদ্ধ হৈছিল যোৰহাটৰ নিচিনা এখন অতি আওহতীয়া ঠাইত— য'ত ভাণ্ডাৰকৰ ৰিছাৰ্চ ইনষ্টিটিউটো নাই, ইম্পেৰিয়েল (আজিৰ নেচনেল) লাইব্ৰেৰিও নাই। তেতিয়া আকৌ সন্দিকৈদেৱ কোনো শিক্ষানুষ্ঠানৰ লগতো জড়িত নহয়, তেওঁ মাথোন চাহ-বাৰী চলোৱা মানুহ। যোৰহাট আৰু তিতাবৰ চাহ বাগিচাৰ মাজত তাঁত বঁটি কৰি তেওঁ এই শিৰোমণি পাণ্ডিত্যৰ গ্ৰন্থখন

প্ৰণয়ন কৰে। কটন কলেজত পঢ়া চেঙেলীয়া কালৰেপৰা তেওঁৰ হাবিয়াহটি আছিল সমস্ত সংস্কৃত সাহিত্যতে কঠিন-কঠোৰ "নৈষধ-চৰিত" আয়ত্ত কৰিবৰ। কিন্তু তেওঁৰ সমাপ্ত গ্ৰন্থত তৰুণ জীৱনৰ চঞ্চলতা বা চাহ-বাগানৰ চাহ-পাতৰ গোন্ধ ক'তো নাই। সি নিৰ্মল পাণ্ডিত্যৰ গভীৰতা আৰু সামগ্ৰিক উপলব্ধিৰে মধুৰ। সেইদেখি গ্ৰন্থখন ওলোৱাৰ লগে লগে তেওঁৰ পাণ্ডিত্যৰ আন্তৰ্জাতিক স্বীকৃতি আপুনি বৈ আহিল। অসমে বা যোৰহাটে বা ডিকৰালে সেইকথাৰ তাৎপৰ্যপূৰ্ণ অভিলেখ ৰাখিলেনে নাই তাকহে আমি ক'ব নোৱাৰিলোঁ। এইটিও এক অৰ্থপূৰ্ণ কথা যে সন্দিকৈ ডাঙৰীয়াই গ্ৰন্থখন সংস্কৃত ভাষা-সাহিত্যৰ আধুনিক গৱেষণাৰ একজন প্ৰধান পথ প্ৰদৰ্শক আনন্দৰাম বৰুৱাৰ নামত উৎসৰ্গা কৰিছে। বাস্তৱিকতে, সংস্কৃতৰ বৈজ্ঞানিক চৰ্চাত অসমৰ এই দুগৰাকী পণ্ডিতৰ নাম সেই চৰ্চাৰ ইতিহাসে কেতিয়াও পাহৰিব নোৱাৰে।

সংস্কৃত সাহিত্যত কথা, আখ্যায়িকা জাতীয় সাহিত্য-ৰূপৰ (prose romance) উদ্ভৱ আৰু বিকাশ কৌতূহলোদ্দীপক। বাণভট্ট (হৰ্ষচৰিত, কাদম্বৰী) আৰু সুবন্ধুৰ (বাসৱদত্তা) পিছত কিন্তু এই শ্ৰেণীৰ সাহিত্যৰ সোঁত শুকাই পৰে। ইয়াৰ দুটা শতিকাৰ পিছত যেতিয়া তাৰ পুনৰুত্থান হ'ল, তেতিয়া তাক সম্পূৰ্ণ এক নতুন পৰিৱেশত দেখা পোৱা গ'ল। প্ৰায় জৈন ধৰ্মৰ ব্যাখ্যা দিবলৈ ব্যগ্ৰ জৈন লেখকেহে এনে সাহিত্য ৰচনা কৰিছিল দশম-একাদশ শতিকাত দ্বিতীয়তে, এই কাব্যবোৰত পদ্য আৰু গদ্য মিহলি কৰিবৰ মতিগতি এটা বৰ্ধিত ৰূপত দেখা পোৱা গ'ল। আজি আমি পাব পৰা আটাইতকৈ পুৰণি দুখন চম্পু দশম শতিকাৰে ৰচনা। সোমদেৱ সূৰিয়ে তেওঁৰ "যশস্তিলক" বা "যশোধৰ-মহাৰাজ-চৰিত" নামৰ চম্পু ৰচনা কৰাৰ তাৰিখ নিজে সুন্দৰকৈ দি গৈছে - ৮৮১ শকৰ (৯৫৯ খ্ৰীষ্টাব্দ) মদন ত্ৰয়োদশী, যেতিয়া কৃষ্ণৰাজদেৱে পাণ্ড্য, চোল, চেৰম (চেৰ), সিংহলী আৰু অন্যান্য ৰজাসকলক

দমন কৰি মেল্‌পাটিৰ ওপৰত নিজৰ দখল বিস্তাৰ কৰে। সোম-দেৱৰ উল্লিখিত এই ৰাজনৈতিক উক্তি ৰাষ্ট্ৰকূট সম্ৰাট তৃতীয় কৃষ্ণৰ ৯ মাৰ্চ ৯৫৯ চনৰ কৰ্হাড অনুশাসনে সমৰ্থন কৰে। গতিকে কবিৰ সময় সম্পৰ্কে আমাৰ কোনো সন্দেহ থাকিবই নোৱাৰে। সোমদেৱ জৈন সম্প্ৰদায়ৰ দেৱসংঘ নামৰ পন্থৰ শ্ৰমণ আৰু যশো-দেৱৰ প্ৰশিষ্য আৰু নেমিদেৱৰ শিষ্য। স্বাভাৱিকতে এইজন কবিৰ ৰচনা "যশস্তিলক"ৰ এক মহৎ তাৎপৰ্য আছে – এখন চম্পু ৰূপে, তেওঁৰ যুগৰ ৰাজনৈতিক সামাজিক পটভূমিৰ চিত্ৰ-ৰূপে, এক ধৰ্ম-সংশ্লিষ্ট লেখা-ৰূপে, বিভিন্ন পৰিস্থিতি, চৰিত্ৰ আদি চিত্ৰিত কৰা সৰল সুভাষিতাৱলী সংগ্ৰহ ৰূপে, নানা দৰ্শন-সংগ্ৰহ-ৰূপে আৰু আটাইতকৈ বেছি মূল্য এজন জৈনলোকে দিয়া জৈন ধৰ্ম আৰু দৰ্শনৰ ব্যাখ্যান স্বৰূপে। ইয়াৰ আঠোটা আশ্বাসত ঘটনাৱলীৰ বৰ্ণনাৱলীৰ পাকে পাকে আমাৰ বাবে জ্ঞানৰ সম্ভাৰ সম্ভৃত হৈ আছে।

অধ্যাপক কৃষ্ণকান্ত সন্দিকৈয়ে সোমদেৱৰ এই "যশস্তিলক" ৰে ৫৩৯ পিঠি জোৰা অতি গভীৰ অধ্যয়ন দাঙি ধৰে – "Yasas-tilaka and Indian Culture" অৰ্থাৎ "যশস্তিলক" চম্পুৰ মুকু-ৰত দশম-একাদশ শতিকাৰ ভাৰতৰ সমগ্ৰ চিন্তা আৰু সংস্কৃতি, বিশেষতে জৈন ধৰ্মৰ বিচাৰ। "নৈষধ-চৰিত" ৰ দৰে ইয়াতো বিচাৰ ধাৰা ভিন্ন ভিন্ন, একোটিকে বাদ পৰি যাবলৈ নিদিয়া বিধৰ। কাব্যৰ, আখ্যানৰ, ইতিহাসৰ, ধৰ্মতত্ত্বৰ সকলো কথা সেই যুগটোৰ পৰিষ্কাৰ পোহৰত পেলাই কঁহিয়াই কঁহিয়াই দিয়া হৈছে। সৰু-সুৰা কথাও সাৰি যাব পৰা নাই। আমাৰ গাতে লগা এটা কথা। কিতাপখন হাতত লওঁতেই পোনৰ দিনাতে মোৰ চকুত পৰিছিল। আমাৰ হেৰাই যোৱা প্ৰসাধন দ্ৰব্য এটিৰ কথাই এই মূল্যৱান গ্ৰন্থখনিত ঠাই পাইছে। দ্বিতীয় তাঙৰণৰ ৯২ পিঠিৰ পাদটীকা চাওক। সন্ধিবিগ্ৰহী নামৰ বিষয়াসকলৰ কৰ্তব্যৰ কথা ক'বলৈ যাওঁতে তৃতীয় আশ্বাসত কেনেকৈ হিমালয়ৰ অধিপতিয়ে ৰাজাধিৰাজক সন্মান

জনাবলৈ আহিছে, তাৰ কথা এটা খণ্ড বাক্যেৰে কোৱা হৈছে — শিশিৰ-গিৰি-পাতিগ্ৰাহ্যপৰ্ণৈকদীৰ্ণে :— হিমালয়-পতিয়ে শকত শকত গঁথিয়নৰ বোজা লৈ দুৱাৰত উপস্থিত। এই প্ৰসংগৰ অনুবাদ দি অধ্যাপক সন্দিকৈয়ে এটি পাদটীকা সংযোগ কৰিছে। 'গ্ৰাহ্যপৰ্ণ' শব্দত : A fragrant root called গঁথিয়ন in Assamese, which is pounded by women to the accompaniment of songs during the night on nuptial occasions among the Assamese people. ভাৰতীয় সংস্কৃতিৰ অধ্যাত্মৰ গ্ৰন্থখনিত এইদৰে অসমীয়া সংস্কৃতিৰ এখানমান গোন্ধ সোমাই পৰিছে। এনেভাৱে সৰু-সুৰা বস্তু, details অৰ প্ৰতি দৃষ্টি গাঢ় পাণ্ডিত্যৰ এটি নিদৰ্শন, কিন্তু বিশাল ভাৰতীয় সংস্কৃতিৰ ন্যায়-বৈশেষিক, সাংখ্য, মীমাংসা, বেদান্ত দৰ্শনৰপৰা গন্ধ গঁথিয়নবোৰক চকু ৰাখিবলৈ কি এক বিশ্বকোষীয় দৃষ্টি আৰু পৰিশ্ৰম লাগে। রিদ্বানের রিজ্ঞানাতি রিদ্বজ্জনপরিশ্রমম।

সন্দিকৈৰ গ্ৰন্থৰ সমালোচনা কৰোঁতে ফৰাচী প্ৰাচ্যতাত্ত্বিক অধ্যাপক লুই ৰেণুৱে গ্ৰন্থখনিৰ প্ৰধান মূল্য কʼত সুন্দৰকৈ নিৰ্দেশ কৰিছে : Yasastilaka, properly interpreted, is a sort of encyclopedia of Jainism, and Mr. Handiqui has overlooked nothing for explaining the facts of dogmatics, discipline and ethics, which are described or alluded to in the work. With the help of the Yasastilaka and a vast amount of information literary and epigraphic, Mr. Handiqui describes the position of Jainism in the tenth century and records the controversies or the conflicts with diverse Hindu sects and eventually with the Buddhists. Here is a study which had not been made before, atleast on such an extensive scale.

"Yasastilaka and Indian Culture" প্ৰকাশ কৰে কৰ্ণাটকৰ চোলাপুৰৰ জৈন সংস্কৃতি সংৰক্ষক সংঘই জীৱৰাজ জৈন

গ্ৰন্থমালাৰ দ্বিতীয় পুথি-ৰূপে (১৯৬৯)। এই প্ৰকাশনৰ কামত বিশেষ আগভাগ লৈছিল শিৰোমণি প্ৰাচ্যতাত্ত্বিক, জৈন-ধৰ্মৰ বিশেষজ্ঞ অধ্যাপক ডক্টৰ এ. এন. উপাধ্যেই। আনকি পুণেৰ ডক্টৰ গোভেৰপৰা সন্দিকৈ ডাঙৰীয়াই পুথি লেখিবলৈ হাতত পোৱা শুনিয়ে প্ৰকাশৰ সুবিধাটি আগবঢ়ায়। উপাধ্যেৰ লগত সন্দিকৈৰ বন্ধুত্ব এই কামৰ যোগেই গভীৰ হয়, যদিচ গুৱাহাটী সৰ্বভাৰতীয় প্ৰাচ্যবিদ্যা সন্মিলনত যোগদান কৰিবলৈ আহোঁতেহে উপাধ্যেই যোৰহাটলৈ গৈ পণ্ডিত বন্ধুগৰাকীৰ প্ৰথম লগ পায়।

প্ৰাকৃত কাব্য আৰু সাহিত্যৰ বুৰঞ্জী এতিয়াও পূৰ্ণাংগ কৰি লেখিব পৰা হোৱা নাই। ১৯৬৮ চনত পুণে বিশ্ববিদ্যালয়ত প্ৰাকৃত আৰু আধুনিক ভাৰতীয় ভাষা সম্পৰ্কীয় এখনি আলোচনা-সত্ৰত আমি যোগ দিবলৈ যাওঁতে সেই বুৰঞ্জীৰ অনেক ছিগা জোৰাৰ (missing link) কথা বক্তাসকলে উল্লেখ কৰিছিল আৰু দুজনমানে আশা প্ৰকাশ কৰিছিল যে এইবোৰ সমস্যাৰ বহুতখিনিয়েই হয়তো তদানীং মুদ্ৰিত হৈ থকা অধ্যাপক সন্দিকৈৰ "সেতুবন্ধ"ৰ পাতনি-স্বৰূপ প্ৰাকৃত কাব্যৰ ইতিহাসে সমাধান কৰিছিল। সন্দিকৈদেৱৰ পাণ্ডিত্য আৰু শ্ৰমৰ ওপৰত সৰ্বভাৰতীয় পণ্ডিতসকলৰ ইমানেই গভীৰ ভৰসা। কিতাপখনৰ লেখা আৰু ছপা উভয় কামতে আশাতীত সময় লাগিছিল। আমি ১৯৬১ চনত অধ্যাপক সন্দিকৈদেৱক লগ পাওঁতে ১৯৬৫ চনত এই কামৰপৰা আজৰি পাই আন এটি নতুন কামত লাগিবৰ আশা প্ৰকাশ কৰিছিল। কিন্তু ১৯৭৭ চনতহে "সেতুবন্ধ" প্ৰকাশ পায়। তেওঁৰ এই প্ৰকাশনৰ লগত হাতেলেখা পুথিৰপৰা নতুন পাঠ কলন (collate) কৰি সমীক্ষিত পাঠ প্ৰস্তুত নকৰাকৈ ১৮৮০ চনতে জাৰ্মান পণ্ডিত গল্ডস্মিঠে উলিওৱা পাঠটোকে দিবৰ কথা আছিল। সম্ভৱতঃ ছপাকামত সময় অত্যধিক লাগিব পাৰে বুলি পূৰ্ণ প্ৰাকৃত পাঠ সন্নিবিষ্ট কৰা নহ'ল। এই সম্পৰ্কে চিঠি লেখাত তেওঁ জনালে, "সেতুবন্ধ"ৰ আন ছপা সংস্কৰণ এতিয়া পোৱা যায়

আৰু তাৰে মিলাই তেওঁৰ অনুবাদ পঢ়িব পৰা যাব। বাস্তৱিকে, এই পুথিৰ তেওঁৰ অনুবাদ অতি স্পষ্ট আৰু সুন্দৰ। মন কৰিবলগীয়া যে দুই-এঠাইত তেওঁ অনুবাদ বাদ দি গৈছে, কাৰণ সেই ঠাইৰ শাৰীবোৰৰ চিত্ৰ বৰ উলঙ্গ। অনুবাদ সম্পৰ্কে তেওঁ নিজেই কৈছে যে ঠায়ে ঠায়ে অনুবাদ অস্পষ্ট হৈ পৰাৰ সম্ভাৱনা, কাৰণ পাঠ-পাঠান্তৰ হৈও সেই সেই ঠাইত প্ৰাকৃতৰ অৰ্থ সুগম হৈ নোলায়। তেওঁৰ পূৰ্বৰ দুখন গ্ৰন্থৰদৰে এইখনতো টীকাৰপৰা ভূয়ঃ ভূয়ঃ উদ্ধৃতি দিয়া হৈছে। গতিকে পাঠকৰ বাবে ইও এক জ্ঞানৰ মেটমৰা ভঁৰাল হৈ পৰিছে।

মহাৰাষ্ট্ৰী প্ৰাকৃতত লেখা প্ৰৱৰসেনৰ এই মহাকাব্যখন অতি তাৎপৰ্যপূৰ্ণ, কাৰণ পঞ্চম শতিকাৰে এইখনিৰ সমবয়সৰ প্ৰকৃত কাব্য আছি বিৰল। সীতাৰ বাৰ্তা লৈ হনুমান লংকাৰপৰা প্ৰত্যাবৰ্তন কৰাৰ পিছৰপৰা ধৰি বাল্মীকিৰে অনুৰূপ কৰি ৰাম-কথাৰ কাব্য ৰচনা কৰাতো প্ৰৱৰসেন একক।

যদিও এই তিনিটি সংস্কৃত প্ৰাকৃত সাহিত্যৰ চৰ্চাৰ কীৰ্তি-স্তম্ভই ভৱিষ্যতলৈও 'অধ্যাপক সন্দিকৈ'ৰ পৰিচয় দেশ বিদেশত জুৰি উজ্জ্বলভাৱে বহন কৰিব, 'সন্দিকৈ ডাঙৰীয়া'ৰ অসমীয়া লেখাখিনি অসমীয়া সাহিত্যলৈ তেওঁৰ বিশিষ্ট দান বুলি আগলৈকে পৰিগণিত হ'ব। ১৯৬১ চনত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক হৈ মই নকুলচন্দ্ৰ ভূঞা, শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা আদিৰে এটি দল হৈ সন্দিকৈদেৱৰ ওচৰলৈ গৈছিলোঁ, তেওঁক পিতৃ ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ আৱক্ষ মূৰ্তি উন্মোচন আৰু সভাৰ ৰাধাকান্ত সন্দিকৈ ভৱনৰ লাই-খুটা পোতা উৎসৱলৈ আনিবলৈ। প্ৰায় এঘণ্টামান তেওঁৰ লগত নানা কথা হ'ল; তাৰ মাজে মাজে আমি বাৰে বাৰে তেওঁৰ উৎসৱলৈ অহা কথাটো উলিয়াওঁ আৰু বাৰে বাৰে "নহ'ব" উত্তৰহে পাওঁ। আমি বিদায় লওঁতে আকৌ এবাৰ ক'লোঁ, "আমি

কিন্তু আপোনাক আজি সভাত পাম বুলিহে আহিছিলোঁ।” তেওঁ সহজভাৱে শেষ উত্তৰ কৰিলে, “আপোনালোক আক আহিছিল; আপোনালোক আক গ'ল।” সেইদিনাখনেই তেওঁক এটি প্ৰস্তাৱ দিছিলোঁ, “আপোনাৰ সৰ্বভাৰতীয় ডাঙৰ কাম 'সেতুবন্ধ' চাৰি-পাঁচ বছৰতে যেতিয়া ওলাব, আপোনাৰ হাতৰ চিন এটি অসমীয়া সাহিত্যতো ভালকৈ দিব লাগে।” তেওঁ নিজস্ব সহজতাৰে ক'লে “অঁ, সেইটো ভাল কাম হ'ব। মই অসমীয়া ভালেই লেখিব পাৰোঁ; নেলেখোঁ গুণেহে।” (আমি যেন তেওঁ ভাল অসমীয়া লেখিব নোৱাৰে বুলিহে ভাবিছিলোঁ।) তেতিয়া আক এটি প্ৰস্তাৱ দিলোঁ, আপোনাৰ সেইখনি কিতাপলৈ আমি সকলোৱে আশাৰে বাট চাই থাকিম। সদ্যহতে, ছাত্ৰ জীৱনৰে পৰা এতিয়ালৈকে লেখা হোৱা মূল্যবান অসমীয়া প্ৰবন্ধখিনি একেথুপ কৰি দিলে আমাৰ বৰ উপকাৰ হ'ব।” ইয়াৰ পিছতে তেওঁ সেই প্ৰবন্ধসমূহ সংগ্ৰহ কৰাইছিল। কিন্তু দহ বছৰমানেও কিতাপখন নোলোৱা দেখি সেই বিষয়ে সোধাত তেওঁ তাৰ এক ভাল উত্তৰ দিলে. “আগৰ লেখাবোৰ বহুত দিন আগতে লেখা। এতিয়া মই ডাঙৰ পণ্ডিত হ'লোঁ নহয়। গতিকে পুৰণি বস্তুবোৰ তেনেকৈয়ে ওলালে লোকে ভাল নুবুলিব নেকি! লগতে মই দুটামান নতুন বিষয়ৰো ৰচনা যোগ দিম বুলি ভাবিছোঁ। কিন্তু এতিয়া 'সেতুবন্ধ' খনেই নোলোৱা হৈ আছে।” আমাৰ কাৰণে কিন্তু 'পুৰণি হেকেৰাৰ চোক বেছি, পুৰণি মিতিৰৰ বেথা বেছি।' আমি যি ৰূপত এই বিতোপন প্ৰবন্ধখিনি পাইছিলোঁ, সেই ৰূপতেই সিখিনি আমাৰ আদৰৰ সম্পত্তি। তেওঁৰ ছাত্ৰ-জীৱনতে লেখা 'অমৰ প্ৰকাশ' তাহানি পুৰণি “বাঁহী”ৰ পাততেই দেখা, 'গ্ৰীক ভাষা', 'জাৰ্মানীৰ জ্ঞান-সাধনা', 'অনুবাদৰ কথা', 'কচ অভিনয়', 'ভাৰতীয় চিন্তা' আৰু 'প্ৰাচীন বেবিলনৰ বেদ' আৰু পূৰঠ জীৱনৰ 'গ্ৰীক নাটকৰ গান', 'জাৰ্মান সাহিত্যৰ সপোন-নাটক', 'স্পেনিচ সাহিত্যৰ ৰমিঅ'-জুলিয়েট' (ম'ৰূপৰা

আনন্দচন্দ্ৰ বৰুৱাদেৱে "বিজয়া" লেখিলে). 'চক্ৰেটিছৰ মতে কবিৰ প্ৰকৃতি'— এইখিনি ঠিক 'অধ্যাপক সন্দিকৈ'ৰ পৰাহে আমি পাব পাৰিছিলোঁ। আত্ম-সমীক্ষক তেওঁ কেতিয়াবা প্ৰবাৰ কৈছিল যে তেওঁৰ অসমীয়া লেখাৰ ভাষা ৰমকজমক (colourful) নহয়; কিন্তু তেওঁৰ শৈলীৰ প্ৰধান গুণ হ'ল সমীকৃত প্ৰকাশ (balacce), অলংকৃত ভাষাৰ আড়ম্বৰতকৈ বাচ্য আৰু বক্তব্য ওপৰতহে বিৰিডি উঠা ভাষা। ইংৰাজী লেখাখিনিতো প্ৰায় সেই একে গুণ— এজন শিৰোমণি প্ৰাচ্যতত্ত্ববিদৰ জ্ঞান প্ৰকাশক ভাষা।

সন্দিকৈদেৱৰ বিৰাট ব্যক্তিগত পুথিভঁৰালৰ ভিতৰত আৰ্ট অৰ্থাৎ চিত্ৰকলাৰ পুথিৰ সংগ্ৰহটি বিশেষ এটি অঙ্গ। তেওঁৰ "নৈষধ-চৰিত"ৰ প্ৰকাশ বষ্টন মিউজিয়াম অব ফাইন আৰ্টছৰ ভাৰতীয় বিভাগৰ কিউৰেটৰ আৰু কলা-সমীক্ষক ডক্টৰ আনন্দ কে. কুমাৰস্বামীৰ বাবে এক নৱপ্ৰকাশ (revealation) হৈ পৰিছিল। তেওঁ তেওঁৰ সংগ্ৰহালয়ত থকা সংশ্লিষ্ট ৰাজপুত (কাংগ্ৰা) চিত্ৰবোৰৰ কেটেলগত দিয়া বৰ্ণনাৰ অন্তৰ্গত ধাৰণাকে বদলাই পেলাবলগীয়া হৈছিল। এই সময়তে কলিকতাৰ "Indian Historica Quarterly"ত সন্দিকৈদেৱে 'Naisadha Charita and Rajput Painting' নামৰ এটি কলা সমালোচনাৰ প্ৰবন্ধ লেখে। আমি জনো যে বাল্মিসত্ৰৰ দশম পুথিৰ চিত্ৰৰ সংকলন হৰিনাৰায়ণ দত্তবৰুৱাৰ "চিত্ৰ ভাগৱত"ত সন্দিকৈদেৱে লেখা ভূমিকাটো এখনি ইংৰাজী পাতনি আছে। অসমৰ কলা সমালোচনাৰ এইটি এটি দৃঢ় পদক্ষেপ।

অসমীয়া সাহিত্যলৈ তেওঁ বিশেষ আলোচনা নকৰিলে বুলি আমাৰ এটি আক্ষেপ হ'ব পাৰে। কিন্তু তেওঁৰ অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণখনি আৰু দুই-এখনি আনৰ পুথিৰ তেওঁ লেখা পাতনি আৰু সমালোচনাৰ বিশেষ একোটি মূল্য আছে। অসমীয়া সাহিত্য সম্পৰ্কে তেওঁ যথেষ্ট খবৰ ৰাখিছিল।

তদুপৰি, আমাৰ সাহিত্যত নতুন কিবা এটি তাত্ত্বিক উদ্ভৱ হ'লে অনৰ্থক বাদানুবাদ (য'ত দুবুদ্ধা আৰু আধা বুজাসকলেই আগভাগ লয়) হোৱা কথা তেওঁ লক্ষ্য কৰিছিল। এবাৰ ধেমালিতে তেওঁ কৈছিল, "অসমীয়া ভাষা-সাহিত্যৰ কথা সকলোৱে অলপ-অচৰপ জানে; গতিকেহে এই বাদানুবাদবোৰ হয়। সংস্কৃত, প্ৰাকৃত, লেটিন, গ্ৰীকৰ দৰে দুৰ্বণিৰ কথাবোৰৰ বিষয়ে ডাঙৰ ডাঙৰ আলোচনীত আলোচনা ওলালেও তেনে বাদ-প্ৰতিবাদ নহয়। তাকে লেখিব কৰিব লাগে।" ১৯৫২ চনত মোৰ "শ্ৰীশ্ৰীশঙ্কৰদেৱ" নামৰ কিতাপখন লৈ তিনিগৰাকী পণ্ডিতৰ মাজত বহু দিন ব্যাপি আলোচনা-সমালোচনা হৈছিল। তাৰ গুৰি কথাটো এনে: কিতাপখনৰ দ্বিতীয় সংস্কৰণো ওলাল; ডক্টৰ বাণীকান্ত কাকতিও ঢুকাল। বিশেষ চাৰিজন লোকৰ মাজত গোপন আলোচনা হ'ল। শেহত "ৰামধেনু"ত মোক ঘাইল কৰা বিধৰ এটা প্ৰবন্ধ ওলাল। আলোচনীখনৰ এটা কপি সম্পিকৈ ডাঙৰীয়ালৈ বিশেষকৈ পঠিয়াই দিয়াও হ'ল। তেওঁ কথাটো বুজিলে, আৰু ডক্টৰ বিৰিঞ্চিকুমাৰ বৰুৱাৰ যোগে মোলৈ সাৱধান বাণী পঠিয়ালে, মই যেন এই সম্পৰ্কে কোনো বাদ-প্ৰতিবাদত লিপ্ত নহওঁ দুৰৰ চৌ দুৰতে মাৰ যাওক সম্পিকৈদেৱৰ নিৰ্দেশ মনাৰ তৃপ্তি হ'ল মোৰ।

তেওঁৰ লগত মোৰ শেষ দেখা হয় ১৯৭৭ চনত—মই যেতিয়া পাটিয়ালাৰ পঞ্জাবী বিশ্ববিদ্যালয়লৈ আহিবলৈ কুৰুং-কাৰাং কৰিছো। লগত অসম সাহিত্য সভাৰ সম্পাদক অধ্যাপক নগেন শইকীয়া। এই লগ পোৱাৰ আগতে "চন্দ্ৰকান্ত অভিধান" সম্পৰ্কে দুখন চিঠি দিও তেওঁৰ উত্তৰ নোপোৱাত ভাবিছিলোঁ, কামৰ গতি ক্ষিপ্ৰ নোহোৱাত তেওঁৰ অসন্তোষ। গতিকে দ্বিতীয় সংস্কৰণ আৰু আমাৰ সংশোধিত আৰু প্ৰেছৰ বাবে প্ৰস্তুত এক খণ্ড অভিধান লগত লৈ গৈছো। দেখা পোৱাৰ লগে লগে তেওঁ "আপুনি (তেওঁৰ ছাত্ৰবো ছাত্ৰৰ যোগ্য মোক 'আপুনি'কে বুলিছিল) চিঠি নিদিয়াত

বেয়া পাইছে ; নহয় ? মোৰ আজিকালি গা ভালে নেপাকে কাৰণেহে চিঠি দিব পৰা নাই। কাম কিছু হৈছে, নহয় ?" মই টোপোলা মেলি বস্তবোৰ দেখুৱাব খোজাত তেওঁ ক'লে, "এই নালাগে। মই এইবিলাক কি বুজিম ?" মই ক'লো, "আপুনি অসমীয়া অভিধানৰ কাম কৰা নাই যদিও সংস্কৃত আদি অভিধানৰ কৌশল ভালকৈ জানে। দেক্কান কলেজৰ বৃহৎ সংস্কৃত অভিধান-প্ৰণয়নৰ আঁচনিত আপুনি সম্পাদক মণ্ডলীত যোগ দিব বুলিও পূৰ্বেই শুনিছিলোঁ।" এইবুলি দ্বিতীয় তাঙৰণৰ ভুল আৰু অসম্পূৰ্ণতা গুচাবৰ কাৰণে, ভেবেৰ গুচাই অভিধানখন আটিল কৰিবৰ কাৰণে কেনেভাৱে কাম কৰিছো আৰু কেনেভাৱে আগৰ তাঙৰণৰ গাতে আমি (মই আৰু ডক্টৰ উপেন্দ্ৰনাথ গোস্বামীয়ে) প্ৰেছ-কপি তৈয়াৰ কৰি গৈ আছো, কি কি আহুকাল আমাৰ হৈছে, বস্তুবোৰ তেওঁৰ হাতত তুলি দি দেখুৱালোঁ। তেতিয়া দুই এটা প্ৰশ্ন কৰি তেওঁ আমাৰ কাৰ্য-প্ৰণালী আৰু কাৰ্যৰ বৰ প্ৰশংসা কৰিলে, "এনে কাম হোৱা বুলি মই জনাই নাছিলো। সুন্দৰ কাম হৈছে। আপোনাক আৰু মই বৰ আশীৰ্বাদ কৰিছো।" কিন্তু তৃতীয় তাঙৰণ তেওঁৰ হাতত তুলি দিব নোৱাৰিলোঁ — যিহৰ বাবে তেওঁ অতি আগ্ৰহ কৰি বৈ আছিল।

এই মহান পূৰ্বসূৰিগৰাকীৰ আশীৰ্বাদ আৰু আদৰ্শই যেন আমাক জ্ঞান অন্বেষণৰ প্ৰকৃত পথত ৰত ৰাখে। মহাকালৰ গুৰু প্ৰাচীৰৰ ওপৰে তেওঁলৈ আমাৰ বিনীত প্ৰণতি।

দূৰে দূৰে কাষে কাষে

চৈয়দ আব্দুল মালিক

আধা শতিকাৰো ওপৰ হ'ল। উত্তৰে-পশ্চিমে যোগ-বিয়োগ, সলনা-সলনি কিছু কৰা হৈছে। পূব আৰু দক্ষিণফালে আগৰ নিচিনাই আছে জগন্নাথ বৰুৱাৰ বিৰাট বহল বাৰীখনৰ মাজৰ বুকুৰা ওখ পকী ভেটিৰ প্ৰকাণ্ড টিনৰ বঙলটো আগৰদৰেই আগৰ ঠাইতে আছে। একেদৰেই আছে খটখটীবোৰ। যোৱা ৫২ টা বছৰত (১৯৩০-১৯৮২) এইকেইটা খটখটিয়েদি কমেও পঁয়সত্তৰ হেজাৰ ল'ৰা-ছোৱালীয়ে উঠা-নমা কৰিলে। হাইস্কুলৰ দেওনা পাৰ হৈ ওলাই অহা চেঙেলীয়া ল'ৰা, পাটগাভৰু ছোৱালী, আই. এ. পাছ, বি. এ. পাছ হৈ ওলাই গ'ল বছৰৰ পিছত বছৰ, প্ৰতিবছৰে ধাৰাবাহিকভাৱে সোঁত বলি আছে। ঘৰ একেটাই, খটখটি একে-কেইটাই, ভৰিবোৰ বেলেগ বেলেগ, খোজবোৰ বেলেগ বেলেগ।

১৯৩৭ চনত যোৰহাট গৱৰ্ণমেণ্ট হাইস্কুলৰপৰা মেট্ৰিক পাছ কৰি সেই বৰবাৰীখনৰ পূবৰ জপনাইদি সোমাই গৈ এই খটখটিয়েদিয়েই ভিতৰ সোমাইছিলোঁ। যোৰহাট কলেজৰ। অসমৰ ভিতৰৰে প্ৰথম বেচৰকাৰী কলেজ। যোৰহাট কলেজ প্ৰতিষ্ঠা হোৱাৰ ছবছৰ হৈ গৈছিল সেইবছৰ। ১৪ জন ছাত্ৰ-ছাত্ৰীৰে আৰম্ভ হোৱা কলেজটোৰ ছাত্ৰ ছাত্ৰীৰ সংখ্যা তেতিয়া ১৫০ৰ ওপৰ হৈছিল। তাত কলিকতা বা গুৱাহাটীলৈ যাবলৈ যোগ্য নথকা ল'ৰা ছোৱালীয়েই আছিল বেছি। পঠনীয় বিষয় কেইটামান: ইংৰাজী, অসমীয়া, তৰ্কশাস্ত্ৰ, পৌৰবিজ্ঞান, সংস্কৃত, বুৰঞ্জী, বাণিজ্য-ভূগোল আৰু অংক।

অধ্যাপক কেইজন আছিল শ্ৰীগজেন্দ্ৰ শৰ্মা, পি. এম. চাবোৱান, তুলসীনাৰায়ণ শৰ্মা, প্ৰফুল্লপ্ৰাণ চাংকাকতী, পদ্মেশ্বৰ গগৈ, গুণগোবিন্দ দত্ত, ফণীধৰ দত্ত। অধ্যাপকসকলেও এইকেইটা খটখটিয়েদি দিনটোত কেইবাৰো উঠা-নমা কৰে হাতত হাজিৰা বহী আৰু পাঠ্যপুথি লৈ। কিন্তু কেৱল এজন মানুহ নিতে ঘড়ীৰ কাটাৰ লগত সময় মিলাই গহীন-গম্ভীৰ খোজেৰে টো টো কৰে বগা কপাহী চুৰীয়া আৰু কপাহী কুৰ্তা পিন্ধি এবাৰ খটখটিয়েদি ওপৰলৈ উঠি আহে আৰু বাওঁফালৰ (দক্ষিণৰ) সৰু কোঠালিটোলৈ সোমাই যায় তেওঁৰ অহাৰ কথা যিদৰে বহুত ছাত্ৰ-ছাত্ৰীয়ে গম নেপায়, তেওঁ কেতিয়া সেই কোঠাটোৰপৰা ওলাই যায় সেইকথাও গম নেপায়।

লʼৰা-ছোৱালী তাকৰ, হাই-উৰুমি কম, সমগ্ৰ কলেজ কেম্পাচত সদায় এটা গুৰু-গম্ভীৰ পৰিবেশ। ঘৰটোৱেই কলেজ, কলেজটোৱেই ঘৰ। পশ্চিমৰ হোষ্টেলটোত ১২/১৪ জনমান ছাত্ৰ থাকে। তাতে যি অলপ হাঁহি-খিকিন্দালি, চিঞৰ-বাখৰ হয়। ক্লাচত বিশেষকৈ চাংকাকতী চাৰৰ চিঞৰ আৰু কেতিয়াবা যজ্ঞেশ্বৰ শৰ্মা চাৰৰ হাঁহি আলিৰ টোলৈকে শুনা যায়। তুলসীনাৰায়ণ শৰ্মা চাৰে যেতিয়া অসমীয়া ক্লাচ লয় (পাঠ্যপুথি আছিল কুমৰ হৰণ, শকুন্তলা, কাশীনাথ ও মুলা ফুকনৰ বুৰঞ্জী আদি) তেতিয়া মাজে মাজে ছাত্ৰ-ছাত্ৰীক হাঁহিবলৈ এৰি দি নিজে গহীন হৈ উপাহ সলায়।

দক্ষিণৰ সৰু কোঠাটোত পৰ্দাখনৰ সিপাৰে যিজন মানুহ বহি থাকে তেওঁৰ মাত কোনোৱে শুনিবলৈ নেপায়। তেওঁক দেখিলেও বুলিও কোনোৱে বুকুত হাত দি কʼব নোৱাৰে। কলেজৰ সভা-সমিতি, ফাংচনতো তেওঁ উপস্থিত নেথাকে। কলেজলৈ আহোঁতে মুখামুখিকৈ যি দেখিছে আৰু পেনপটীয়াকৈ মুখলৈ চাবলৈ সাহ কৰিছে, সিহে মাথোন দেখিছে। সুশ্ৰী, স্বাস্থ্যৱান, ৩৮/৩৯ বছৰীয়া হʼলেও ১০ বছৰমান কম যেন লগা এজন ধীৰ, স্থিৰ ডেকা মানুহ।

যোৰহাট গভৰ্ণমেণ্ট হাইস্কুলত জেহিৰুদ্দিন হেডমাষ্টৰৰ তলত পঢ়িছিলোঁ। হাইস্কুলৰ হেডমাষ্টৰ মানেই যদি জেহিৰুদ্দিন, তেন্তে হেডমাষ্টৰ কি তাৰ ধাৰণা এটা হৈছিল। কিন্তু কলেজৰ প্ৰিন্সিপাল মানে কি ধাৰণা কৰাৰ সুযোগ কলেজত ২/৩ মাহ পঢ়াৰ পিছলৈকে মোৰ হোৱা নাছিল।

ইমানকে জানিছিলোঁ যে আমাৰ কলেজৰ প্ৰিন্সিপাল কৃষ্ণ-কান্ত সন্দিকৈ এম. এ.। সন্দিকৈৰ জোখেৰে যদি জোখা যায়, ক'ব লাগিব যিজন মানুহক ছাত্ৰ-ছাত্ৰী কোনেও মুকলিকৈ দেখা নেপায়—তেৱেঁই কলেজৰ প্ৰিন্সিপাল বা অধ্যক্ষ ঘনিষ্ঠতা দূৰৰ কথা; সান্নিধ্যই আছিল এক দুৰূহ ব্যাপাৰ। প্ৰিন্সিপালৰ সৰু কোঠাটোৱে কৌতূহল সৃষ্টি কৰাতকৈ এক অকাৰণ ভয়-বিহ্বলতাহে সৃষ্টি কৰিছিল, ছাত্ৰ-ছাত্ৰীৰ মনত। সহকৰ্মী প্ৰফেচাৰসকলেও মনে মনে সন্দিকৈলৈ অলপ ভয় কৰিছিলনেকি জানো? মাজে মাজে মাথোন প্ৰিন্সিপালৰ কোঠাত আকস্মিক আৰু অভাৱনীয়ভাৱে চাৰোৱান চাৰৰ খোলা হাঁহিৰ ধ্বনি শুনিবলৈ পাইছিলোঁ। তাৰ মানে সন্দিকৈ চাৰেও কেতিয়াবা হাঁহিছিল।

বাকীখিনি কিন্তু হেমলেটৰ দি ৰেষ্ট্ ইজ্ চাইলেন্স। নিৰৱতা, মাথোঁ নিৰৱতা।

যোৰহাট কলেজ মেগাজিন উলিয়াবলৈ লোৱা হ'ল। মই ইংৰাজী বিভাগৰ আৰু উপেন শইকীয়া অসমীয়া বিভাগৰ সম্পাদক নিৰ্বাচিত হৈছিলোঁ। ১৯৩৮ চন। লেখক-লেখিকা সেই এমুঠি ছাত্ৰ-ছাত্ৰীৰ মাজৰপৰাই উলিয়াব লাগিব। মোৰ কেতিয়াবা ধাৰণা আছিল যে প্ৰত্যেকজন প্ৰফেচাৰেই সাহিত্য লিখিব পাৰে। পিছে যোৰহাট কলেজ মেগাজিন ছাত্ৰ-ছাত্ৰীৰ প্ৰবন্ধকে সজাই-পৰাই উলিয়াবলগীয়া হৈছিল। ইংৰাজী বিভাগৰ উপদেষ্টা আছিল অধ্যাপক যজ্ঞেশ্বৰ শৰ্মা। তেখেতে মই গোটোৱা ইংৰাজী প্ৰবন্ধবোৰ চাই মোলৈ দিয়াৰ

উপৰিও অসমীয়া প্ৰবন্ধ-পাণ্ডিত্য চাই মোলৈ দিছিল। কাৰ পৰামৰ্শমতে মনত নাই। মৰসাহ কৰি প্ৰিন্সিপাল সন্দিকৈ চাৰক কিবা এটা লিখিবৰ কাৰণে মই অনুৰোধ কৰিলোঁ। সেইবাবেই পোনপ্ৰথমবাৰৰ বাবে সোঁ-শৰীৰে চাৰৰ সন্মুখত থিয় হৈছিলোঁ। তেওঁতে কি কৈছিল আজি মনত নাই। কিন্তু আমাৰ কলেজ আলোচনীত সন্দিকৈ চাৰৰ কোনো প্ৰবন্ধ ওলোৱা নাছিল। নৈষধ-চৰিতৰ অনুবাদক আৰু টীকা ভাষ্যকাৰ, অসম সাহিত্য সভাৰ সভাপতি, সংস্কৃতৰ বিদগ্ধ পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ চাৰৰপৰা কলেজ মেগাজিনলৈ লেখনী বিচৰাটোৱেই আছিল এক দুঃসাহসী কাৰ্য।

আলোচনীখন ছপা হৈ ওলোৱাৰ পিছত নিজহাতে নি সন্দিকৈ চাৰক কপি দিছিলোঁ। তাত মোৰ ইংৰাজী কবিতা এটা আৰু উপেন লহকৰীয়াৰ অসমীয়া কবিতা এটাও ওলাইছিল।

জগন্নাথ বৰুৱাৰ সেই সময়টোত সন্দিকৈ চাৰেই আছিল মুৰব্বী। ডেকা অধ্যাপকসকলকে ধৰি আমিবোৰ আছিলোঁ সৰু সৰু ল'ৰা-ছোৱালী। সকৰ ভিতৰতো আমি তিনিজনমান আছিলোঁ গাইগুটীয়া। আকাৰ-প্ৰকাৰেও সৰু খুটুমুটীয়া বাওনা। বাকী দুজনৰ এজন আছিল শ্ৰীযতীন্দ্ৰনাথ গোস্বামী —জগন্নাথ বৰুৱা কলেজতে অসমীয়া বিভাগৰ অধ্যাপনা কৰি অৱসৰ লোৱা, অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক আৰু সভাপতি আৰু সন্দিকৈ চাৰৰ অসমীয়া প্ৰবন্ধৰ সংকলনকাৰী, আনজন ত্যাগী আৰু সংগ্ৰামী, তীক্ষ্ণধী প্ৰবন্ধকাৰ আৰু সংবাদিক, অটল সাম্যবাদী কৰ্মী দধিচন্দ্ৰ মহন্ত। সাংসাৰিক পৰিস্থিতিয়ে আমাক ঠাই ঠাই কৰিলেও আমাৰ মাজৰ বন্ধুত্ব আজিও আগৰদৰেই আছে।

মেট্ৰিকত কাৰ্চী বিষয়ত Compulsory আৰু Additional দুয়োটা বিষয়তে Letter লৈ মই প্ৰথম বিভাগত পাছ কৰিছিলোঁ; কিন্তু তেতিয়া যোৰহাট কলেজত কাৰ্চী বিষয়টো পঢ়োৱাৰ ব্যৱস্থা

নাছিল। আৰু কটন কলেজত ফাৰ্চী আছিল যদিও মোৰ তাত পঢ়িবলৈ যোৱাৰ সামৰ্থ্য নাছিল।

যোৰহাট কলেজৰপৰা প্ৰথম বিভাগতে আই. এ. পাছ কৰিলোঁ, বৃত্তিও পালোঁ।

তাৰপিছত কি কৰিম দিহা ল'বৰ কাৰণে এদিন সন্দিকৈ চাৰৰ ঘৰলৈ গৈ তেখেতক লগ ধৰিলোঁ। মই জনালো যে মোৰ বি. এ.ত ইংৰাজীত অনাৰ্চ লোৱাৰ আৰু ফাৰ্চী পাছ চাব্জেক্ট হিচাপে লৈ কলিকতাৰ প্ৰেচিডেন্সী কলেজত পঢ়াৰ ইচ্ছা চাৰে ক'লে, "খৰচ বহুত পৰিব, তুমি নোৱাৰিবা। কটনতে পঢ়াগৈ। অনাৰ্চ কিহত ল'বা ইংৰাজীত, ভালেই হ'ব। কটন কলেজতে ইংৰাজীৰ কেইবাজনো ভাল প্ৰফেছাৰ আছে। ফাৰ্চীও নেৰিবা।"

সন্দিকৈ চাৰে মোক নিৰুৎসাহ কৰা যেন অনুভৱ কৰিছিলোঁ তেতিয়া। পিছত উপলব্ধি কৰিছিলোঁ যে তেখেতৰ উপদেশ মোৰ কাৰণে বৰ উপযোগী আছিল। কলিকতাত পঢ়িবলৈ মোৰ টকা নাছিল। আৰু কটন কলেজতো ড° বাণীকান্ত কাকতী, পি. চি. ৰয়, হৰেন্দ্ৰ চৌধুৰী, সূৰ্যকুমাৰ ভূঞা আদিৰ তলত ইংৰাজী অনাৰ্চ পঢ়াৰ সুযোগ আৰু প্ৰফেছাৰ চৈয়দ মু'হবুল্লা, চৈয়দ আবুল ফজল আদিৰ তলত ফাৰ্চী পঢ়াৰ সুযোগো কম সৌভাগ্যৰ কথা নাছিল।

ইংৰাজীত অনাৰ্চ লৈ আৰু ফাৰ্চী পাছ বিষয় হিচাবে লৈ মই ১৯৪১ চনত কটন কলেজৰপৰা বি. এ. পাছ কৰিলোঁ।

দ্বিতীয় মহাসমৰ আৰম্ভ হ'ল।

মোৰ দাৰিদ্ৰ্য আৰু প্ৰতিকূল অৱস্থাৰ বিৰুদ্ধে সংগ্ৰামৰ অধ্যায় আৰম্ভ হ'ল। একান্ত ইচ্ছা থকা সত্ত্বেও এম. এ. পঢ়িবৰ কাৰণে কলিকতালৈ যোৱাৰ আশা পৰিহাৰ কৰিবলগা হ'ল।

১৯৪৫ চন।

যুদ্ধ শেষ হ'ল। যুদ্ধক্ষেত্ৰত মোৰ চাকৰিও শেষ হ'ল। কিবা চাকৰি বিচাৰিছোঁ পালে কৰিম। নহ'লে পলিটিক্স কৰিম। কলেজত বিশেষকৈ কটন কলেজত থাকোঁতে কমিউনিষ্ট সাহিত্যৰ আৰু কমিউনিষ্ট পাৰ্টিৰ লগত ঘনিষ্ঠতা গঢ়ি উঠিছিল। ইতিমধ্যে কটন কলেজত যোগ দিয়াৰ পিছৰপৰা মই জয়ন্তী, বাঁহী, আৱাহন, প্ৰভৃতি আৰু আৱাহনত গল্প, কবিতা, সাহিত্য-সমালোচনা আদি নিয়মমতে লিখা-মেলা কৰিছিলোঁ; সামান্য স্বীকৃতিও পাইছিলোঁ গল্পলেখক হিচাবে। কিন্তু মোৰ লেখনিৰ বলেৰে কাৰবাৰপৰা এটা পইচাও পোৱা নাছিলো। কিবা লিখিলে লেখকে যে কিবা মজুৰি পাব লাগে; সেইকথাও জনা নাছিলোঁ, লিখা প্ৰকাশ হোৱাটোৱেই আছিল ডাঙৰ কথা। একো নেপালেও লিখা এৰি দিয়া নাছিলোঁ। আনকি যুদ্ধক্ষেত্ৰত থাকোঁতেও ডিমাপুৰ, মাকুম, শিলিচুকীয়া, চিটাগং, চাঁদপুৰ, কলিকতা আদিতো থাকিবলগা হৈছিল) যি পাওঁ, গল্প আদি লিখি আছিলোঁ।

কিন্তু পৰিয়ালক ভৰণ-পোষণ দিয়াৰ সম্পূৰ্ণ দায়িত্ব হেজিয়া মোৰ ওপৰত।

ৰাজনীতিকাৰীক দৰ্মহা নিদিয়ে।

এদিন এখন চিঠি দি সন্দিকৈ চাৰে মাতি পঠালে।

জগন্নাথ বৰুৱা কলেজত কৰ্ট পঢ়াই দিব লাগে। অন্য চাকৰি পাই কাৰ্টৰ অধ্যাপকজন গ'ল।

কাৰ্টৰ মই বি. এ. হে, এম. এ. নহয়, কথাটো ক'লোঁ, কিজানি। চাৰে ক'ব নোৱাৰে।

"এই ক'ব পাৰোঁ," চাৰে ক'লে, "ইয়াতে ল'ৰাকেইটা পঢ়োৱা আৰু কলিকতা বিশ্ববিদ্যালয়ৰ কাৰ্টৰ এম. এ. পৰীক্ষা দিবৰ কাৰণে নিজেও পঢ়া, তোমাক যি কিতাপ দৰকাৰ হয়, কলেজৰ লাইব্ৰেৰীৰ নামত অনাই ল'বা।"

ফাৰ্চী লোৱা ল'বা কেইটামান মাত্ৰ। খাটনি বেছি নহয়। কিন্তু নিজে ফাৰ্চীত এম. এ. দিয়াৰ এটা সহজ সুযোগ পালোঁ। কলেজ লাইব্ৰেৰীৰ নামত কিছু দৰ্কাৰী কিতাপ অনাই ললোঁ। বিশেষকৈ Brown ৰ History of Persian Literature, Hitti ৰ History of the Arabs আদি দুষ্প্ৰাপ্য আৰু মূল্যবান গ্ৰন্থ-সমূহ অনাই অধ্যয়ন কৰিবৰ্কৈ ল'লোঁ।

ফাৰ্চীত কিয় এম. এ. দিয়া নহ'ল সেইটো এটা সুকীয়া কাহিনী।

এই সময়খিনিত সন্দিকৈ চাৰৰ কিছু ওচৰ সান্নিধ্যলৈ অহাৰ সুযোগ পাইছিলোঁ। নামত সহকৰ্মী (colleague) হ'লেও তেখেতে মোক এজন ছাত্ৰ হিচাপেই ব্যৱহাৰ কৰিছিল। লগতে মই যে আৱাহনত গল্প লিখোঁ, সেই বিষয়ে পোনপটীয়াকৈ একো নহ'লেও ৰুচ, ফৰাচী আৰু ইটালীয় ভাষাত যে ভাল ভাল গল্প লিখা হৈছিল, সেই বিষয়ে বুজাই কৈছিল। আৰু মই যেতিয়া তেখেতক কৈছিলোঁ যে কলেজত পঢ়া চাৰিটা বছৰত মই টলষ্টয়, গগাল, টুৰ্গেনিভ, আইভান বুনিন, পুচ্কিন', কুপ্ৰিন, মেক্সিম গৰ্কী, ভিক্টৰ, হিউগ, ৰমাঁৰলাঁ, গ্ৰাজিয়া, ডাগেড্ডা, লু চুন্, ৱাছিংটন, আৰভিং আদিৰ ভালেখিনি গল্প-উপন্যাস পঢ়িছোঁ; তেতিয়া তেখেতে ৰবীন্দ্ৰনাথ, শৰৎচন্দ্ৰ আৰু প্ৰেমচাঁদকে যে বহুত সুন্দৰ সুন্দৰ গল্প-উপন্যাস আছে, সেইকথা বুজাই কৈছিল। অৱশ্যে তেতিয়ালৈকে মই প্ৰেমচাঁদৰ কোনো লিখা পঢ়া নাছিলোঁ, কিন্তু ৰবীন্দ্ৰনাথ আৰু শৰৎচন্দ্ৰৰ গল্প-উপন্যাস প্ৰায়বোৰ পঢ়িছিলোঁ।

গল্প-উপন্যাসত কি লিখিব লাগে সেই বিষয়ে পোনপটীয়াকৈ একো নাই। সন্দিকৈ চাৰে মাথোন কৈছিল, চিনা-জনা মানুহৰ জীৱনৰ জনা-শুনা কথা লিখিলেও ভাল গল্প-উপন্যাস হয়।

তেতিয়াৰ মোৰ দুই-চাৰিটা গল্পত কল্পনাৰ আতিশয্য আছিল (হাতীপটিত প্ৰকাশ হোৱা কবিতাৰ জন্মৰ নিচিনা গল্পত)

কিছুমান গল্পত ৰোমান্টিক কল্পনাৰ অতিৰঞ্জন আছিল। কিন্তু মোৰ সকলো গল্প চাৰে পঢ়িছিল বুলি মই ক'ব নোৱাৰোঁ। তথাপি কথাখিনি পৰোক্ষে মোকেই কোৱা যেন লাগিছিল। স্বাভাৱিক কৌতূহলেৰে মোৰ কিবা লিখা চাৰে প'ঢ়িছেনে বা পঢ়েনে সুধিবৰ বৰ মন গৈছিল যদিও সাহসে নুকুলালে।

কিন্তু আমাৰ নগৰ আজিৰ চামৰ লেখকৰ লিখাও যে সন্দিকৈ চাৰে সময় উলিয়াই পঢ়িছিল তাৰ প্ৰমাণ পাইছিলোঁ। ভালেমান বছৰৰ পিছত— ১৯৬২ নে ৬৩ চনত।

প্ৰকাশন পৰিষদৰ অৰ্থ সাহাযাত মোৰ 'সুকন্যসুখীৰ স্বপ্ন' নামৰ উপন্যাসখন প্ৰকাশ হৈছিল, ১৯৬১ চনত। তাৰে এটা কপি বিজয়ৰ (সন্দিকৈ চাৰৰ পুত্ৰ, বৰ্তমান ভাৰতৰ ৰাজ্যসভাৰ সদস্য) যোগে চাৰলৈ উপহাৰস্বৰূপে পঠিয়াই দিছিলোঁ।

ইয়াৰ কিছুদিনৰ পিছত অপ্ৰত্যাশিতভাৱে সন্দিকৈ চাৰৰ পৰা এখন চমু চিঠি পালোঁ। এটা বিশেষ তাৰিখত মোক তেখেতৰ ঘৰলৈ মাতি পঠিয়াইছে।

কিয় মাতি পঠিয়াইছে বুজিব নোৱাৰিও গ'লো। ১১ মান বজাত। তেখেতে বাৰান্দাতে থিয় হৈ আছিল।

মোক ক'লে, 'আহা।'

এখন চকীলৈ আঙুলিয়াই ক'লে, "তাতে বহা।" তেখেতৰ নিজৰ চকীখনত তেখেত বহিল। আমি মুখামুখিকৈ বহিলোঁ। কি ক'ব একো নজনাৰ কাৰণে প্ৰস্তুত হৈ গৈয়ো মই কিছু অপ্ৰস্তুত হলো, আৰু কি ক'ব বা সু'ধৰ জানিবৰ কাৰণে বাট চালোঁ। "তোমাৰ কিতাপখন মই পঢ়িলোঁ। বৰ ভাল লাগিল। সেইদেখি তিনিবাৰ পঢ়িলোঁ।"

মই নিৰৱে শুনি গ'লো, মোৰ নিজৰ মনকে বিশ্বাস কৰিবলৈ টান পোৱা যেন লাগিল. প্ৰকাশ হোৱাৰ পিছত মোৰ

নিজৰ লিখা এবাৰ পঢ়ি চাবলৈও মোৰ সাহস নহয়। লিখি হোৱাৰ পিছতো হাতেলিখা অৱস্থাতে পঢ়ি চোৱাৰ অভ্যাস নথকাৰ কাৰণে অ'ত-ত'ত পৰিবৰ্তন কৰাৰ প্ৰয়োজন থকা সত্ত্বেও নকৰাৰ কাৰণে কিছুমান লিখাৰ দোষ-ক্ৰটি ৰৈ যায়। বহু পাঠকে এই কথা মোক আঙুলিয়াই দেখুৱাইছে।

সন্দিকৈ চাৰে মোৰ 'সুকুমুখীৰ স্বপ্ন' তিনিবাৰ পঢ়িছে। তেখেতৰ কথাষাৰে যেন মোৰ লাগ-বান্ধ নোহোৱা লেখক জীৱনৰ শ্ৰম-চেষ্টাক সাফল্যৰ স্বীকৃতি দিলে।

"দ্বিতীয় তাঙৰণ কেতিয়া ওলাব?" তেখেতে সুধিলে।

"ওলিয়াব লাগিব। এই তাঙৰণৰ কিতাপ শেষেই হৈছে।" মই ক'লো।

"কিতাপখনৰ মই এখন পাতনি লিখি দিম, বেয়া পাবা নেকি?" সন্দিকৈ চাৰৰ কথাই মোক হতবাক কৰি দিলে।

ইয়াতকৈ ডাঙৰ সৌভাগ্য মোৰ কাৰণে কি হ'ব পাৰে। মই নোকোৱাকৈ উপযাচি তেখেতে সুকুমুখীৰ স্বপ্নৰ পাতনি লিখি দিব, আৰু তাৰবাবে মই বেয়া পাম? আৰু তাৰবাবে তেখেতে বিচাৰিছে মোৰ অনুমতি।

মই এবাৰ তেখেতৰ মুখলৈ, এবাৰ মজিয়ালৈ চোৱাৰ বাহিৰে কৰিব পৰা একো নাছিল। মোৰ মুখত কথা নাছিল।

তেখেতে এটা গোপন কথা কোৱাদি মোক ক'লে, "মই আগেয়ে ভাবিছিলোঁ বিজ্ঞানি বেজবৰুৱা-গোহাঁইবৰুৱা আদিৰ পিছত অসমীয়াত আৰু ভাল সাহিত্যিক নোলাব। পিছে ওলাইছে। আমাৰ বহুত ভাল ভাল লেখক ওলাইছে, তেওঁলোকৰ সকলো লিখা ভাল হোৱা নাই। কিন্তু দুই-চাৰিজনে ভাল লিখিছে।"

"হয়,—" মই কোনোমতে ক'লো।

"তুমি এটা কাম কৰা'— মই তেখেতৰ মুখলৈ চালোঁ। 'এখন উপন্যাস লিখা। সকলোবোৰ ভাল নহ'ব পাৰে। তথাপি লিখি থ'কা। তুমি কি খোৱা, ক'ত থাকা, খোজকাঢ়ি ফুৰা নে বাই-চাইকেলেৰে যোৱা সেইটো কোনো কথা নহয়। লিখিব পাৰিলে লিখি থাকিব লাগে, এদিন দিব নেলাগে।'

মই কোনোমতে ক'লোঁ। 'যি পাৰোঁ লিখি আছোঁ চাৰ। মোৰো বহুত অসুবিধা।'

অকণমান সময় তেখেত মনে মনে থাকিল। তাৰ পিছত ক'লে, "পিছে এটা কথা। তুমি তৰাক নায়িকা কৰিব খুজিছা। পিছে তৰা নায়িকা হ'ব নোৱাৰে। কপাহীহে নায়িকা। গুলচক পাবৰ কাৰণে বৈ আছে, একো কথা নাই। কপাহীয়েহে ভালে-বেয়াই চেষ্টা কৰিছে। কপাহী ভাল মানুহ নে বেয়া মানুহ সেইটো ডাঙৰ কথা নহয়।"

মই বিব্ৰত হৈ পৰিলোঁ। এইটো বিশ্বসাহিত্যৰ বিদগ্ধ সমালোচক কৃষ্ণকান্ত সন্দিকৈৰ অভিমত। মই কোনোমতে ক'লোঁ, "মই কিন্তু চাৰ তৰাকহে নায়িকা কৰিব খুজিছিলোঁ।"

"সেইটো মই বুজি পাইছোঁ, তৰা হ'ব নোৱাৰে, কপাহীহে নায়িকা।" মই আৰু একো নক'লোঁ।

তেখেত তেতিয়াও যেন সূৰ্যমুখীৰ জগতখনতে আছিল। এজন অকলা সৰু ল'ৰাই কোৱাদি তেখেতে ক'লে, 'গুলচে নোহোৱা কপাহীক ম'ৰলাই ঘৰৰপৰা বাহিৰ উলিয়াই খেদাই পঠিয়ালে, মই ভাবিলোঁ— অ, কপাহীৰ এতিয়া কি হ'ব? তাই ক'লৈ যাব? পিছে ঘাটত নাও লৈ বাহিৰত বৈ আছিল। বাঃ, তেতিয়াহে মোৰ মনটো ভাল লাগিল।"

উপন্যাসখনৰ এই আটাইবোৰ কথা মোৰ ভালকৈ মনত নাছিল। সন্দিকৈ চাৰৰ আগত লাজ-অপমানত মোৰ মূৰ দোঁ খাই আহিল। বিশ্বসাহিত্যৰ ৰসাস্বাদনকাৰী এই বয়স্ক পাঠকগৰাকীক

মোৰ লিখাই সামান্যভাৱে হ'লেও চিহ্নিত কৰি তুলিব পৰাটো মোৰ কাৰণে অতিশয় আনন্দ আৰু গৌৰৱৰ কথা।

ইয়াৰ দহ বছৰৰ পিছত মোৰ "অঘৰী আত্মাৰ কাহিনী" নামৰ উপন্যাসখনৰ কাৰণে মোক সাহিত্য অকাডেমীয়ে পুৰস্কাৰ দিছিল। তেতিয়াৰ অকাডেমীৰ সভাপতি ড° সুনীতিকুমাৰ চট্টোপাধ্যায়ৰপৰা আড়ম্বৰৰ মাজেদি বঁটা লৈ ঘূৰি আহিবৰ সময়তো মই সিমান আনন্দ অনুভৱ কৰা নাছিলোঁ, যিমান আনন্দ লৈ মই সেইদিনা প্ৰায় ডেড়ঘণ্টাৰ মূৰত সন্দিকৈ চাৰৰপৰা বিদায় লৈ ঘৰলৈ উভতিছিলোঁ।

কেইদিনমানৰ পিছত চাৰে আকৌ চিঠিৰে মাতি পঠিয়ালে আৰু তেখেতে লিখা সূৰুযমুখীৰ স্বপ্ন বিষয়ক তেখেতৰ মন্তব্য বা পাতনিখন মোক দিলে আৰু ক'লে "দ্বিতীয় সংস্কৰণ ওলালে তাত দিবা।"

সেই পাতনি বা চাৰৰ কথাখিনি "সূৰুযমুখীৰ স্বপ্ন"ৰ দ্বিতীয় সংস্কৰণত সন্নিবিষ্ট কৰা হৈছে।

সন্দিকৈ চাৰ প্ৰিন্সিপাল থকা কালত ক্লাচ বৰ কমেইহে লৈছিল। কেতিয়াবা ইংৰাজী, কেতিয়াবা বুৰঞ্জীৰ ক্লাচ তেখেতে দুই-এটা লৈছিল। ইংৰাজীৰ কবিতাৰ ক্লাচ আৰু বুৰঞ্জীৰ ইউৰোপৰ বা মধ্য প্ৰাচ্যৰ বুৰঞ্জী লৈছিল। বিষয়বস্তুৰ লগত আনুষংগিক ইমান প্ৰসংগ তেখেতে উল্লেখ কৰিছিল যে সাধাৰণ ছাত্ৰ ছাত্ৰীৰ সেইবোৰ অনুধাবন কৰা বা মনত ৰখা সহজ কথা নাছিল। সন্দিকৈ চাৰৰ স্মৃতিৰ জগতখনত ইমান সম্পদ থূপ খাই আছিল—ভূগোল, বুৰঞ্জী, নৃতত্ত্ব, কলা, ভাস্কৰ্য, কাব্য, নাটক, ভাষা সংস্কৃতি—যে স্নাতক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে তাত ভুমুকি মাৰি চায়ো কিবা উৱাদিহ পোৱাৰ সম্ভাৱনা নাছিল। গভীৰ জ্ঞানৰ অধিকাৰী হোৱাৰ কাৰণেই তৰুণ পাণ্ডিত্যৰ চট্‌ফটনিত দেও দি ফুৰা আমাৰ

কোনো কোনো পণ্ডিতৰ নিচিনা উন্নাসিকতা আৰু আত্মম্ভৰিতা সন্দিকৈৰ নাছিল। আৰু মোৰ পিছতে মহাপ্ৰলয় আৰম্ভ হ'ব (and after me the deluge) বুলিও তেখেতে হা-হুতাশ প্ৰকাশ কৰা নাছিল। মানৱ ইতিহাসত ছাত্ৰ হিচাপেই সন্দিকৈয়ে সাহিত্য-সংস্কৃতিৰ জগতত সৃষ্টিৰ পৰম্পৰা অব্যাহত গতিত চলি থাকিব বুলি বিশ্বাস কৰিছিল।

আজি কিছু বছৰৰ আগতে ডিব্ৰুগড় অনতাঁৰ কেন্দ্ৰৰ পক্ষৰপৰা মই সন্দিকৈ চাৰৰ লগত এটা সাক্ষাৎকাৰ লৈছিলোঁ। আগতে খবৰ দিবলৈ নহ'ল। ৰেকৰ্ডিং ইউনিটটো অৰ্থাৎ কেন্দ্ৰৰ এজন বিষয়া, এজন সহায়কাৰী আৰু সাক্ষাৎ লওঁতা মই, লগত টেপৰেকৰ্ডাৰটো। অ'গৰেলা।

মই ক'লোঁ, "আপোনাৰ দুটামান কথা সুধিবৰ কাৰণে আহিছোঁ।"

"এওঁলোক কোন?"

"ডিব্ৰুগড় ৰেডিঅ' ষ্টেচনৰপৰা আহিছে। মোৰ লগতে আহিছে।" মই ক'লো।

"কি কথা সুধিবা?"

মই সুযোগ বুজি কেইবাটাও প্ৰশ্ন কৰিলোঁ। তেখেতে উত্তৰ দি গ'ল।

"ব্যক্তিগত প্ৰশ্নৰ উত্তৰ মই নিদিওঁ।" তেখেতে ক'লে। "অসমীয়া সাহিত্যৰ বৰ্তমান আৰু ভৱিষ্যৎ সম্পৰ্কে আপুনি কি ভাবে?" —মই সুধিলোঁ।

কথাৰ সুৰত প্ৰত্যয় মাখি তেখেতে ক'লে, "অসমীয়া সাহিত্যত বৰ্তমানত বহুত ভাল কাম হৈছে। ভৱিষ্যতেও অসমীয়া ভাষা-সাহিত্য আৰু উন্নত আৰু সমৃদ্ধিশালী হ'ব বুলি মোৰ বিশ্বাস।"

মোৰ আটাইকেইটা প্ৰশ্নৰে উত্তৰ দি শেষৰ পিছত তেখেতে সুধিলে "কথাবোৰ ৰেকৰ্ড কৰি লব খুজিছিলা নহয়, কেতিয়া ল'বা?"

অপৰাধীৰ দৰে ক'লো, "চাৰ ৰেকৰ্ড কৰা হৈ গ'ল। আপুনি মোৰ প্ৰশ্নৰ উত্তৰ দি যাওঁতেই এওঁলোকে ৰেকৰ্ড কৰি ল'লে।"

"এঃ যি ক'লো সকলো উঠিল নেকি? সেইবোৰ ব্ৰডকাষ্ট হৈ যাব নেকি? বহুত কিবাকিবি ক'লো নহয়।"

"চাৰ, দৰ্কাৰী কথাখিনহে প্ৰচাৰ কৰা হ'ব।" মই নিশ্চয়তা দি ক'লোঁ।

"অ, তুমি সেইবোৰ চাবা, মই কিবাকিবি বহুত কথা ক'লো নেকি জানো।"

কৃতজ্ঞতা প্ৰকাশ কৰি আমি বিদায় ললোঁ। তেখেতৰ কথাখিনি ব্ৰডকাষ্ট কৰিবৰ সময়ত বিশেষ কোনো কথাই বাদ দিব লগা নহ'ল। কৃষ্ণকান্ত সন্দিকৈয়ে দৰকাৰীতকৈ এটাও ওপৰঞ্চি বা অলাগতিয়াল কথা নকয়।

গুৱাহাটী বা ভাৰতৰ অন্য কোনো অনাতাঁৰ কেন্দ্ৰই সন্দিকৈ চাৰৰ কেতিয়াবা কিবা সাক্ষাৎকাৰ লৈছিল নে নাই ক'ব নোৱাৰোঁ। মই শুনা নাই। কিন্তু মোৰ হঠাৎ কৰা প্ৰশ্নৰ উত্তৰ সহজভাৱে দি আৰু অসমীয়া ভাষা-সাহিত্য সম্পৰ্কে তেখেতৰ অনাস্থা আৰু আশাবাদ প্ৰকাশ কৰি অভিমত আগবঢ়োৱাৰ কাৰণে মই উৎসাহিত আৰু অনুপ্ৰাণিত হ'লোঁ। কটকটীয়া নিয়ম-নিষ্ঠাৰ মাজেদি জীৱন গঢ়ি তোলা জীৱন-কালতে সাধুকথাত পৰিণত হোৱা কৃষ্ণকান্ত সন্দিকৈ চাৰক যে কেতিয়াবা সহজ মানুহ হিচাপে পোৱাটোও অসম্ভৱ নাছিল, মোৰ আৰু দুই-এটা অভিজ্ঞতাৰপৰাও সেই কথা ক'ব পাৰোঁ। কিন্তু প্ৰবন্ধ দীঘলীয়া কৰিবৰ ইচ্ছা নাই। মনত পৰা এষাৰ কথাৰ উল্লেখ কৰি এই প্ৰবন্ধ শেষ কৰিম।

অসমৰ প্ৰথম বিশ্ববিদ্যালয় গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম ভাইচ-চেন্সেলৰ হৈ জগন্নাথ বৰুৱা কলেজৰ অধ্যক্ষ পদ বিসৰ্জন

দি যাবলৈ ওলোৱা উপলক্ষে সন্দিকৈ চাৰক বিদায় সম্বৰ্দ্ধনা জনাবৰ কাৰণে জে. বি. কলেজত এখন সভা বহিছিল। কলেজৰ অধ্যাপক, ছাত্ৰ-ছাত্ৰীৰ উপৰিও স্থানীয় কিছু গণ্য-মান্য লোকো সভাত উপস্থিত আছিল। [illegible] চমু কথাৰে সন্দিকৈ চাৰৰ পদোন্নতিত আনন্দ প্ৰকাশ কৰি মই মুকলিভাৱে তেখেতক এটা অনুৰোধ জনাইছিলোঁ: "গুৱাহাটী বিশ্ববিদ্যালয়টো যেন স্বতন্ত্ৰ আৰু স্বয়ংসম্পূৰ্ণ জ্ঞানকেন্দ্ৰ হৈ গঢ়ি উঠে তাৰ প্ৰতি যেন আপুনি সজাগ দৃষ্টি ৰাখে। আৰু এটা অনুৰোধ, বিশ্ববিদ্যালয়ৰ পৰিচালনা আৰু যাৱতীয় কোনো কাৰ্যতে যাতে চৰকাৰে [illegible] বা হস্তক্ষেপ কৰিব নোৱাৰে তাৰ কাৰণে চোকা আৰু সজাগ দৃষ্টি ৰাখে যেন।"

উত্তৰত সন্দিকৈ চাৰে দৃঢ়ভাৱে কৈছিল, "বিশ্ববিদ্যালয় এটা স্বতন্ত্ৰ অনুষ্ঠান। তাৰ কোনো কামতে চৰকাৰক হস্তক্ষেপ কৰিবলৈ দিয়া নহ'ব।"

কৃষ্ণকান্ত সন্দিকৈ ভাইচ-চেন্সেলৰ হৈ থকা পৰ্যন্ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ এই স্বতন্ত্ৰতাক অৱমানি কৰিবলৈ চৰকাৰে সাহস কৰা নাছিল।

ঋষিতুল্য পণ্ডিত অধ্যাপক কৃষ্ণকান্ত সন্দিকৈ

ড° আদিনাথ নেমিনাথ উপাধ্যে

তৃতীয় দশকৰ শেহৰফালে মোৰ দুগৰাকী বন্ধু পুণাৰ ভাণ্ডাৰকাৰ গৱেষণা প্ৰতিষ্ঠানৰ সুবিজ্ঞ কিউৰেটৰ স্বৰ্গীয় ড° পি, কে, গোডে আৰু ড° এচ, এম, কাত্ৰেই 'অৰিয়েণ্টেল্ লিটাৰেৰী ডাইজেষ্ট' নামৰ মাহেকীয়া আলোচনীখন উলিয়াবলৈ আৰম্ভ কৰিছিল। আমাৰ সম্পাদনা সন্নিভিত মই অধ্যাপক কৃষ্ণকান্ত সন্দিকৈৰ নামটো পাইছিলোঁ। অতিশয় জটিল সংস্কৃত কাব্য 'নৈষধচৰিত'ৰ তেওঁ কৰা অনুবাদ সম্পৰ্কে যদিও মই জানিছিলোঁ আৰু তেওঁৰ জ্ঞানৰ প্ৰতিও মোৰ গভীৰ শ্ৰদ্ধা আছিল; তথাপিও তেওঁৰ নামটোৰ শুদ্ধ উচ্চাৰণ মোৰ পক্ষে সহজবোধ্য নাছিল। পিছতহে ড° কাত্ৰেই ইয়াক কেনেকৈ উচ্চাৰণ কৰিব লাগে মোক কৈছিল। আনকি ড° গোডেই মোক দিয়া তেওঁৰ ডাক-ঠিকনাটোও কোনোবা এটা কোম্পানীৰহে আছিল আৰু মনত ৰাখিবলৈ ইও ৰাকৈয়ে দীঘলীয়া আছিল।

সম্ভৱতঃ স্বৰ্গীয় গোডেই মোক অধ্যাপক সন্দিকৈৰ সতে চিনাকি কৰি দিছিল। পিছত মই জানিবলৈ পোৱা মতে সেই সময়ত তেওঁ সংস্কৃত কাব্য সম্পৰ্কীয় এলানি প্ৰবন্ধ লেখা কামত লাগি আছিল। মাজে সময়ে কিছুমান জৈন শব্দ আৰু প্ৰসংগৰ বিষয়ে সুধি অধ্যাপক সন্দিকৈয়ে মোলৈ চিঠি লিখিছিল আৰু মযো সিবিলাকৰ প্ৰয়োজনীয় উৎস আদি জনাই উত্তৰ দিছিলোঁ। এইদৰে কিছুদিন ধৰি আমাৰ মাজত যোগাযোগ চলি আছিল। এবাৰ

সাহ কৰি এই পণ্ডিতগৰাকীয়েনো তেতিয়া আচলতে কি বিষয়ত কাম কৰি আছিল তাকে সবিনয়ে জানিব খুজিছিলোঁ। উত্তৰত জনালে যে তেওঁ সংস্কৃত কাব্য বিষয়ক প্ৰবন্ধ ৰচনাৰ চিন্তা কৰি-ছিল, কিন্তু এতিয়া সেই আঁচনি সলনি কৰি কেৱল 'যশস্তিলক আৰু ভাৰতীয় সংস্কৃতি'ৰ বিষয়ে লেখাতহে মনোনিৱেশ কৰিলে। তেওঁ লগতে মোলৈ 'বিষয়-সূচী' এখনো পঠাই দিলে। বিষয়টোৰ ব্যাপ-কতাই মোক গভীৰভাৱে আকৃষ্ট কৰিলে আৰু মোৰ সহকৰ্মী স্বৰ্গীয় এইচ্, এল, জৈনৰ লগত আলোচনা কৰি গ্ৰন্থখন জীৱৰাজ, জৈন, গ্ৰন্থমালাৰ (শোলাপুৰ) পিতৃনত প্ৰকাশ কৰিবলৈ দিব পাৰি বুলি বিবেচনা কৰি চাৰবৈলৈ অধ্যাপক হান্দিকীক অনুৰোধ জনালোঁ। এই বিষয়ত তেওঁ কি চৰ্ত্ত আৰোপ কৰিব পাৰে তাকে লৈ মই অলপ চিন্তাত পৰিছিলোঁ। কিন্তু মোক আনন্দিত আৰু লগতে আচৰিত কৰি তেওঁ মাথোন দুটা চৰ্ত্ত দিলে—'ভাল ছপা আৰু ভাল বন্ধা'। বোম্বাইৰ বিখ্যাত নিৰ্ণয় সাগৰ প্ৰেছক কিতাপখন ছপোৱাৰ দায়িত্ব দিয়া হ'ল। ১৯৭৯ চনত সময় মতেই শোলাপুৰৰপৰা কিতাপখন প্ৰকাশিত হ'ল। গ্ৰন্থমালাৰ প্ৰতিষ্ঠাপক স্বৰ্গীয় ড° জীৱৰাজ গৌতম-চাঁদজীয়ে এই গ্ৰন্থখন প্ৰকাশ পোৱাৰ বাবে অতিশয় সন্তুষ্টি প্ৰকাশ কৰি-ছিল। তেওঁ এইবুলি কৈছিল যে কেৱলমাত্ৰ হান্দিকীৰ গ্ৰন্থখন প্ৰকাশ হ'লেও গ্ৰন্থমালা প্ৰকাশৰ উদ্দেশ্য সফল হোৱা বুলি ধৰিব পৰা হ'ব। নক'লেও হ'ব যে প্ৰাচ্য আৰু পাশ্চাত্যৰ পণ্ডিতবৰ্গই এই 'যশস্তিলক আৰু ভাৰতীয় সংস্কৃতি' গ্ৰন্থখনৰ ভূয়সী প্ৰশংসা কৰিছে।

এই গ্ৰন্থখনিত অধ্যাপক হান্দিকীৰ সৰ্বতোমুখী পাণ্ডিত্য প্ৰকাশ পাইছে। কোনো জৈন কাব্যৰে এনেধৰণৰ সমসমীয়া আৰু সূক্ষ্ম আলোচনা হোৱা নাই। সংস্কৃত কাব্য কেনেকৈ তন্নতন্নকৈ অধ্যয়ন কৰিব লাগে সেই বিষয়ত এই গ্ৰন্থখনে এটা মান (standard) প্ৰতিষ্ঠা কৰিলে। ইয়াৰ প্ৰুফ্ চাবলৈ পোৱাৰ বাবে মই নিজকে ভাগ্যৱান বুলি ভাবোঁ। কিতাপখনৰপৰা মই বহুত শিকিলোঁ আৰু

ইয়াৰ প্ৰতি পৃষ্ঠাতে প্ৰকাশ পোৱা গ্ৰন্থকাৰৰ পাণ্ডিত্যৰ ভিতৰলৈ সোমাই গভীৰভাৱে দৃকপাত কৰাৰো সুবিধা পালোঁ। অধ্যাপক সন্দিকৈৰ উদাৰতাৰ বাবেই গ্ৰন্থখনিৰ দ্বিতীয় সংস্কৰণ এটিৰো প্ৰকাশ সম্ভৱ হৈছিল।

অধ্যাপক সন্দিকৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আছিল। কিন্তু তেওঁ কেতিয়াও এই দায়িত্বক তেওঁৰ জ্ঞান অন্বেষণৰ পথত হেঙাৰ হ'বলৈ সুবিধা দিয়া নাছিল। বিশ্বসযোগ্য সূত্ৰৰপৰা মই জনামতে তেওঁ বিভিন্ন অনুষ্ঠান, উৎসৱ-পাৰ্বন আদিত যোগ দিয়াতকৈ বেছি সময় পঢ়া শুনাতহে অতিবাহিত কৰিছিল; আজি-কালি উপাচাৰ্যসকলৰ বেছিভাগ সময় আনুষ্ঠানিক কামতে যায়।

মই অধ্যাপক সন্দিকৈৰপৰা বহু চিঠি পোৱাৰ সৌভাগ্য অৰ্জন কৰিছোঁ। সকলো হাতে-লেখা চিঠি। নিয়াৰিকৈ লেখা তেওঁৰ পৰিচ্ছন্ন আৰু স্পষ্ট হাতৰ আখৰে সঁচাকৈয়ে তেওঁৰ ব্যক্তিত্ব, নিষ্কলংক চৰিত্ৰ, সাধুতা আৰু সৰ্বোপৰি একনিষ্ঠ জ্ঞান-সাধনাকে প্ৰতিফলিত কৰে।

অধ্যাপক সন্দিকৈ লক্ষ্ণৌত বহিবলগীয়া সৰ্বভাৰতীয় প্ৰাচ্য সন্মিলনৰ (All India Oriental Conference) সংস্কৃত শাখাৰ সভাপতি নিৰ্বাচিত হ'ল। তেওঁ সন্মিলনত যোগ দিলেহি আৰু ময়ো তেওঁক লগ পোৱাৰ সুযোগ পালোঁ। নিতান্ত কম সময়ৰ বাবেহে তেওঁ তাত আছিল। সন্মিলনত গোট খোৱা বয়স্ক পণ্ডিত সকলোৱেই তেওঁক বিশেষ সন্মানৰ চকুৰে চাইছিল। তেওঁ কাশ্মীৰ অধিবেশনৰ সাধাৰণ সভাপতি হোৱাৰ কথা আছিল; কিন্তু কিবা কাৰণত নহ'লগৈ। এইকথা মই স্পষ্টভাৱে জানিছিলোঁ যে এনে কোনো পদ অথবা সন্মানৰ প্ৰতি তেওঁ মুঠেই লালায়িত নাছিল। বৰঞ্চ নিজে নিজে অহা এনে পদ গ্ৰহণ কৰিবলৈও তেওঁ খেৰো-গেৰো কৰিছিল।

বহুবছৰ ধৰি অসম, গুৱাহাটী আৰু যোৰহাটৰ কথা শুনালেই মাথোন অধ্যাপক সন্দিকৈৰ কথাই মোৰ মনলৈ আহিছিল। ১৯৬৫ চনৰ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহত মই গুৱাহাটীত বহা সৰ্বভাৰতীয় প্ৰাচ্য সন্মিলনৰ দ্বাবিংশতিতম অধিবেশনত যোগ দিবলৈ গৈছিলোঁ। 'যশস্তিলক আৰু ভাৰতীয় সংস্কৃতি'ৰ লগত পৰিচয় থকা মোৰ ভালেমান স্থানীয় সহকৰ্মীয়ে অধ্যাপক সন্দিকৈৰ লগত থকা মোৰ সম্পৰ্কৰ বিষয়ে জানিছিল। তেওঁলোকৰ প্ৰত্যেকেই ব্যক্তি আৰু পণ্ডিতৰূপে সন্দিকৈৰ অকুণ্ঠ প্ৰশংসা কৰিছিল। নিজৰ ঠাইতে য'ত মানুহে পৰস্পৰে নিতান্ত সীমাবদ্ধ পৰিসৰতহে চিনা-জনাৰ সুবিধা পায় — এনেধৰণৰ প্ৰশংসা লাভ কৰাটো হিংসা কৰিবলগীয়া বিধৰ। বিদ্বান সৰ্বত্ৰ পূজ্যতে।

অধ্যাপক সন্দিকৈ গুৱাহাটীলৈ অহাৰ কথা নাছিল। গতিকেময়ে তেওঁক যোৰহাটৰ ঘৰত গৈ লগ ধৰি তেওঁৰ লগত কিছু সময় কটোৱাটো কৰ্তব্য বুলি ভাবিলোঁ। সেই সময়ত ৰেল-যাত্ৰা বোলে নিৰাপদ নাছিল। গতিকে মোৰ বন্ধু গুৱাহাটীৰ শ্ৰীছগনলাল জৈনে আকাশী জাহাজেৰে যোৱাৰ ব্যৱস্থা কৰি দিলে। বিয়লি মই যোৰহাট পালোঁগৈ। সন্মুখত অজন-বহল ঠাইৰে দুটা বঙলা থকা ঘৰটোলৈ মই সোমাই গ'লো। এটা ল'ৰাই মোক পুৰণি বঙলা-টোলৈ লৈ গ'ল। সি হয়তো ভাবিলে যে সন্দিকৈৰ পুত্ৰ অনুপমে বিয়া হ'বলগীয়া শ্ৰীবিজয়ক মই লগ পাবলৈ বিচাৰিছোঁ। ল'ৰাটোৱে ইংৰাজী নাজানিছিল আৰু ময়ো তেওঁ'ৰ অসমীয়া কথা বুজিব পৰা নাছিলোঁ। তেনেতে বিজয় ওলাই আহিল আৰু কথৰ বঙলাটোৰ ব'ৰাণ্ডাত ব'হ লৈ কিতাপ পঢ়ি থকা অধ্যাপক সন্দিকৈৰ ওচৰলৈ মোক লৈ গ'ল। তেওঁক ঘৰতে এইদৰে লগ পাই বৰ আনন্দ পালোঁ।

মই তাত দুদিনমানহে থাকিলোঁ। বঙলাটোৰ তলৰ মহলাত অধ্যাপক থাকে। তেওঁ পঢ়া-শুনাতে সময় কটায়, কাচিৎহে তেওঁ

কম্পাউণ্ডৰ বাহিৰলৈ ওলায়। যেই কোনো প্ৰথম শ্ৰেণীৰ কলেজৰ পুথিভঁৰালতকৈ শ্ৰেষ্ঠ আৰু অধিক সমৃদ্ধিশালী তেওঁৰ ব্যক্তিগত পুথিভঁৰালটি তলৰ মহলাতে পৰিপাটিকৈ ৰখা হৈছে। তেওঁ নিজেই মোক পুথিভঁৰালটো দেখুৱাইছিল আৰু তেওঁৰ ইংৰাজী জনা ভাগিনিয়েকে তাত থকা কিদিনত মোৰ খোৱা-লোৱাৰ তদাৰক কৰিছিল। অধ্যাপক ৰাতি দেৰীলৈকে থাকে। এদিন পুৰা উচ্চসংস্কৃতিবান যুৱক শ্ৰীবিজয়ে তেওঁৰ গাড়ীত মোক যোৰহাটখন ফুৰালে। তেওঁ কেইখনমান চাহ বাগিছাৰ উপৰিও উল্লেখযোগ্য দুই-এঠাইলৈ মোক লৈ গ'ল। লগতে তেওঁৰ বিশেষ অনুৰক্তি থকা ইংৰাজী মাধ্যমৰ বিদ্যালয়খনো দেখুৱালে। অধ্যাপক সন্দিকৈৰ ঠাইখিনিৰ চাহ ইমান ভাল আছিল যে মই প্ৰায়েই মোৰ বন্ধুবৰ্গক কৈছিলোঁ যে চাহ খাবলৈ হ'লে অসমলৈ যাব লাগে। বজাৰত পোৱা বিধ চাহ সম্ভৱতঃ ৰংযুক্ত তিতাপাত অথবা তাৰ গুড়িহে।

তাত থকা বেছিভাগ সময়তে অধ্যাপকৰ লগত শৈক্ষিক বিষয়ৰ আলোচনাত কটাইছিলোঁ। মই বহি বহি আৰু তেওঁ থিয় হৈ কথা পাতিছিল বোধহয় সেইটোৱেই তেওঁৰ স্বভাৱ। তেওঁ মোতকৈ বয়োজ্যেষ্ঠ হোৱা হেতুকে মই অস্বস্তি বোধ কৰিছিলোঁ। কিন্তু তেওঁ সেই বিষয়ে চিন্তা কৰিবলৈ হাক দিছিল।

গৌড়বহো আৰু সেতুবন্ধৰ কিছুমান গাথাৰ ইংৰাজী অনুবাদ তেওঁ মোক দেখুৱাইছিল। 'নৈষধচৰিত'ৰ নিচিনাকৈ 'সেতুবন্ধ'ৰ বিষয়েও এখন গ্ৰন্থ প্ৰণয়ন কৰি দিবলৈ মই তেওঁক জোৰকৈ ধৰিছিলোঁ। তেওঁ সন্মতি জনাইছিল আৰু প্ৰুফ্ চোৱাৰ দায়িত্ব ময়েই ল'ব লাগিব বুলি তেতিয়াই সতৰ্ক কৰি দিছিল আৰু ময়ো আগ্ৰহেৰে মানি লৈছিলোঁ। ১৯৬৫ চনৰ ৭ জানুৱাৰীৰ মোৰ দিনলেখাত অধ্যাপকৰ বিষয়ে মই লিখিছোঁ : "He is really nivratta, reading and studying for the joy of them." তেওঁৰপৰা

বিদায় লৈ আহিলোঁ। কিন্তু সেই বঙলা চুটা আৰু অ'হল-বহল কম্পাউণ্ডটো, — হ'তত টর্চ লৈ সাধাৰণতে ষ'ত তেওঁ গধূলি গধূলি ফুৰে— এতিয়াও মোৰ চকুৰ আগত জিলিকি আছে।

আমাৰ মাজত চিঠি-পত্ৰৰ যোগাযোগ চলি থাকিল। অধ্যাপক সন্দিকৈৰ 'সেতুবন্ধ' (অনুবাদ আৰু টীকা) ৰচনাৰ কাম শেষ হওঁ হওঁ (এয়া তেওঁৰ একক স্বভাৱজ নম্ৰতাৰে ফল, তাৰ ব'বে ধন্যবাদ) গ্ৰন্থখন প্ৰাকৃত টেক্সট্ চচাইটিয়ে (বানাৰস-আহমেদাবাদ) প্ৰকাশ কৰিব। কিছুদিন পূৰ্বে তেওঁৰ এটা গুৰুতৰ অস্ত্ৰোপচাৰ হৈ গ'ল। তাৰ আগে আগে তেওঁ মোলৈ অতিশয় মৰ্মস্পৰ্শী চিঠিখন লিখিছিল। মই তেওঁক আশ্বাস দিছিলোঁ যে 'সেতুবন্ধ'খনৰ প্ৰকাশ সম্পৰ্কে তেওঁ উদ্বিগ্ন হ'ব নেলাগে আৰু প্ৰাৰ্থনা কৰিছিলোঁ যেন অস্ত্ৰোপচাৰ সফল হয় আৰু তেওঁ নিজেই গ্ৰন্থখন সম্পূৰ্ণ কৰিব পাৰে। সন্তোষৰ কথা যে কিতাপখন সোনকালে প্ৰকাশ পাব। ইয়াৰ জৰিয়তে অধ্যাপক সন্দিকৈয়ে প্ৰৱৰসেনক যথোপযুক্ত স্থানত প্ৰতিষ্ঠা কৰিছে, প্ৰাকৃতত লেখা ব'বে য'ব ৰচনাসমূহ বাক্‌পতিৰ ৰচনাৱলীৰ দৰেই যথেষ্টৰূপে সমাদৃত হোৱা নাছিল।

কেইবাবছৰৰো যোগাযোগ আৰু সংসৰ্গৰ ফলস্বৰূপে আমাৰ পাৰস্পৰিক সম্পৰ্ক নিতান্ত লৌকিক হৈ থকা নাছিল, বৰঞ্চ ই অধিক নিবিড় আৰু অন্তৰঙ্গপূৰ্ণ হৈ পৰিছিল। কিছুদিনৰ আগতে (১৯.১২.৭৪) তেওঁ মোলৈ এইবুলি লিখিছিল: Not formal friendship or gratitude, but a sort of brotherly affection has grown up in my mental reaction to your kindness and courtesy all these years. (এই কেইবছৰত তোমাৰ দয়া আৰু সৌজন্যৰ প্ৰতি মোৰ মানসিক প্ৰতিক্ৰিয়াৰূপে সাধাৰণ বন্ধুত্ব অথবা কৃতজ্ঞতাৰ পৰিবৰ্তে একপ্ৰকাৰ ভ্ৰাতৃসুলভ স্নেহ ভাৱহে জাগি উঠিছে।) উত্তৰত মই লিখিছিলোঁ: I am very much touched by your affectionate

feelings. Professor, you are an elder to me and in every respect, in scholarship, in position and in academic equipments, I have ever looked upon you as my superior. I have learnt much from you through my contacts with you. Your feelings are a treasure for me, and also an inspiration to me in my humble work. I pray for your health and for continued association in the years to come." (আপোনাৰ মৰম-চেনেহে মোক অতিকৈ অভিভূত কৰিছে। অধ্যাপক, আপুনি মোতকৈ বয়োজ্যেষ্ঠ আৰু সকলো দিশতে পাণ্ডিত্য, পদ-মৰ্যাদা, শিক্ষাগত অৰ্হতা সকলোতে মই আপোনাক মোৰ অগ্ৰণীৰূপে গ্ৰহণ কৰি আহিছোঁ। আপোনাৰ সংস্পৰ্শৰ্লৈ আহি বহু কথাই শিকিছোঁ। মোৰ প্ৰতি থকা আপোনাৰ মনোভাৱ মোৰ বাবে সম্পদস্বৰূপ, ইবিলাকে মোৰ কাম-কাজতো অনুপ্ৰেৰণা যোগায়। মই আপোনাৰ স্বাস্থ্যৰ বাবে প্ৰাৰ্থনা কৰিছোঁ আৰু ভৱিষ্যতৰ দিনবোৰৰ বাবে আপোনাৰ অবিচ্ছিন্ন সংসৰ্গ কামনা কৰিছোঁ)।

মই জনামতে অধ্যাপক সন্মিকৈৰ জীৱনী ৰচনাৰ প্ৰস্তুতি চলি আছে। ই নিশ্চয়ভাৱে এই মহান পণ্ডিতজনৰ বহুমুখী প্ৰতিভাক পোহৰলৈ আনিব। নিতান্ত ব্যক্তিগত দৃষ্টিকোণৰপৰাহে মই এইখিনি লিখিছোঁ।*

*[১৯৭৫ চনৰ ৩০ মেইত ৰচিত ড° উপাধ্যায়ৰ প্ৰবন্ধটি অধ্যাপক শ্ৰীঅজিত কুমাৰ শৰ্মাৰ যোগেদি পোৱা। মূল ইংৰাজীৰপৰা প্ৰবন্ধটিৰ অনুবাদ কৰিছে শিৱসাগৰ কলেজৰ অধ্যাপক শ্ৰী[illegible]কুমাৰ মিশ্ৰই।]

কৃষ্ণকান্ত সন্দিকৈৰ অসমীয়া ৰচনা

শ্ৰীযতীন্দ্ৰনাথ গোস্বামী

যি গৰাকী লোকে নিজৰ নামৰ আগত কোনো বিশেষণ প্ৰয়োগ কৰা ভাল নেপায় আৰু বিজ্ঞনৰ জ্ঞান-সাধনাই জীৱনৰ ব্ৰত সেইজন বিশ্বকে'ষতুল্য জ্ঞানৰ অধিকাৰী কৃষ্ণকান্ত সন্দিকৈয়ে তুলনামূলকভাৱে অসমীয়া ভাষাৰে কম ৰচনাহে আগবঢ়াইছে। তথাপি তেওঁ যিখিনি প্ৰবন্ধ লিখি থৈ গৈছে আৰু সভাপতিৰ অভিভাষণত যিখিনি মূল্যবান চিন্তা-চৰ্চা প্ৰকাশ কৰি গৈছে, তাৰদ্বাৰা অসমীয়া সাহিত্য নিশ্চয় সমৃদ্ধ হৈছে।

সন্দিকৈৰ সুদীৰ্ঘ জীৱনটো পৰ্যালোচনা কৰিলে দেখা যায় যে তেওঁ ছাত্ৰ জীৱনৰেপৰা অসমীয়া সাহিত্য চৰ্চা কৰি আহিছে, কবিতা আৰু গান ৰচিছে, প্ৰবন্ধ লিখিছে, ইউৰোপত থকা কালতো কেইবাটাও তথ্যপূৰ্ণ প্ৰবন্ধ লিখে আৰু স্বদেশলৈ ঘূৰি অহাৰ পাছতো কেইটামান প্ৰবন্ধ লিখে। তেওঁৰ অসমীয়া প্ৰবন্ধসমূহ হ'ল— জাপানৰ বীৰ নোগি, নোগি প্ৰসঙ্গ, মোগল ৰাজকন্যাৰ কবিত্ব প্ৰতিভা, আত্ম-বিচাৰ, অমৰ প্ৰকাশ (বাঁহীত প্ৰকাশিত, তেতিয়া আই.এ. শ্ৰেণীৰ ছাত্ৰ), সাংখ্যদৰ্শন (আলোচনী, বি.এ. শ্ৰেণীৰ ছাত্ৰ), ভাৰতীয় চিন্তা (সম্মিলন প্ৰবন্ধাৱলী বি.এ. ছাত্ৰ), প্ৰাচীন বেবিলনৰ বেদ (সম্মিলন প্ৰবন্ধাৱলী, এম.এ. পঢ়োঁতে লেখা), অনু-বাদৰ কথা (চেতনা, ইউৰোপত থকা কালত), গ্ৰীক ভাষা (বাঁহী, ইউৰোপত থকা কালত), ইউৰোপৰ ভাষা আৰু সাহিত্য (চেতনা, ইউৰোপত থকা কালত), কচ অভিনয় (বাঁহী, ইউৰোপত থকা

কালত), জাৰ্মানিৰ জ্ঞান-সাধনা (মিলন, ইউৰোপত থকা কালত), চক্ৰেটিছৰ মতে ৰবিৰ প্ৰকৃতি (অসম সাহিত্য সভা পত্ৰিকা, ইউৰোপত থকা কালত), স্পেনিচ সাহিত্যৰ ৰোমিঅ'-জুলিয়েট, জাৰ্মান সাহিত্যৰ সপোন নাটক, গল্প চিত্ৰ, নৈষধচৰিত আৰু ভাৰতীয় চিত্ৰকলা, গ্ৰীক নাটকৰ গান (আৱাহন); ল'ৰা-ছোৱালীৰ বাবে লিখা সাগৰৰ মাজৰ দুৰ্গ, প্ৰাচীন মিচৰৰ উপাখ্যান (আমাৰ দেশ), জীৱ-জন্তু, সৰস্বতীৰ বৰ (অৰুণ) ইত্যাদি। ইয়াৰ উপৰি অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণ, অসমৰ ছাত্ৰ সন্মিলনৰ সভাপতিৰ অভিভাষণ আৰু প্ৰাসংগিক টোকাসমূহতো সন্দিকৈৰ চিন্তা-চৰ্চা প্ৰকাশ পাইছে।

সন্দিকৈয়ে ছাত্ৰ-জীৱনত কবিতা আৰু গীত ৰচনা কৰে। তেওঁ ৰচনা কৰা 'নবীন জীৱন তান বাজিছে গভীৰ' গীতটো অসম ছাত্ৰ সন্মিলনৰ বাৰ্ষিক অধিবেশনত গোৱা হৈছিল। তেওঁ অসম ছাত্ৰ সন্মিলনৰ এজন প্ৰতিষ্ঠাতাও। অসমীয়া ভাষাত উচ্চ চিন্তা প্ৰকাশ কৰিবৰ কাৰণে তেওঁ প্ৰকৃত ব্যৱস্থা লৈছিল। সন্মিলন প্ৰবন্ধাৱলীৰ (প্ৰথম ভাগ ১৯১৮) ভূমিকাত তেওঁ লিখিছে, "সুলিখিত ৰচনা প্ৰকাশ কৰি সন্মিলনে আমাৰ জ্ঞান-সাধনাত নতুন তেজ দিব পাৰিব, কাৰণ সুলিখিত ৰচনাসমূহ ছাত্ৰই পৰিশ্ৰম কৰি গোটোৱা জ্ঞানৰ আত্ম-প্ৰকাশ মাথোন। সন্মিলনে বছৰি বছৰি এইদৰে প্ৰবন্ধ লিখাব আৰু এই প্ৰবন্ধ লিখোঁতে লেখকসকলে নানা কথা সন্ধান কৰি উলিয়াব লগাত পৰিব, কাৰণ, সন্মিলনলৈ লিখা প্ৰবন্ধ সাধাৰণতঃ "বাঁহী" আলোচনীলৈ লিখি পঠোৱা প্ৰবন্ধতকৈ অনেক গুণে গৱেষণাপূৰ্ণ হ'ব লাগিব।" তেওঁ নিজেই ইয়াৰ আহি দেখুৱালে। সন্মিলন প্ৰবন্ধাৱলীত সন্নিৱিষ্ট তেওঁৰ 'ভাৰতীয় চিন্তা' (প্ৰথম ভাগ ১৯১৮) আৰু 'প্ৰাচীন বেবিলনৰ বেদ' (তৃতীয় ভাগ ১৯১৯) প্ৰবন্ধ দুটা ওখ থাপৰ। 'প্ৰাচীন বেবিলনৰ বেদ' অসমীয়া সাহিত্যত আজিও অতুলনীয় হৈ আছে। সপ্তম

বছৰ তৃতীয় সংখ্যা 'আলোচনী'ত প্ৰকাশিত সাংখ্য-দৰ্শন প্ৰবন্ধত লেখকৰ অধিক জ্ঞানৰ পৰিচয় পোৱা যায়। কপিল মুনিৰ সময়ৰ ভাৰতৰ কথা আলোচনা প্ৰসংগত তেওঁ কৈছে, "ভাৰতৰ কপিল মুনি জগতৰ প্ৰথম দাৰ্শনিক।" মহামুনিৰ চিন্তাৰ চৰম উৎকৰ্ষ প্ৰসংগত তেওঁ কৈছে, "সাংখ্যদৰ্শনৰ যি সিদ্ধান্ত তাতোকৈও জগতৰ প্ৰথম দাৰ্শনিক মহৰ্ষি কপিলে নিজৰ অভিনৱ স্বাধীন মত স্থাপন কৰিবৰ কাৰণে যি প্ৰণালী অৱলম্বন কৰিছিল সেয়ে মহামুনিৰ সূক্ষ্মশিক্তাৰ প্ৰত্যক্ষ প্ৰমাণ। মহামুনি কেনে নিৰ্ভীক, শৰ্য্যা ভূতলমাৰ্জন· বাস :' যাৰ, তেনে অৰণ্যবাসী মুনিৰ কি তেজ, কি স্বাধীনতা।" ভাৰতীয় চিন্তাত তেওঁ কৈছে, "হিন্দুৰ ধৰ্ম আৰু দৰ্শন বহুত জ্ঞানৰপৰা একৰ উপলব্ধিত পৰিণত হৈছে" ছান্দোগ্য উপনিষদে কিদৰে বেদান্ত দৰ্শনৰ বাট মুকলি কৰিলে সেইকথাৰ প্ৰতি দৃষ্টিপাত কৰি তেওঁ শংকৰাচাৰ্যৰ অদ্বৈতবাদ আৰু ৰামানুজাচাৰ্যৰ বিশিষ্ট দ্বৈত-বাদৰ কথাও আলোচনা কৰিছে। প্ৰাচীন বেবিলনৰ বেদ প্ৰবন্ধত প্ৰাচীন বেবিলনৰ ভৌগোলিক অৱস্থিতি, বেবিলন ওচিৰিয়াৰ চমু বুৰঞ্জী, বেবিলনীয় বুৰঞ্জীৰ লগত বেবিলনীয় বেদৰ সম্পৰ্ক, বেবি-লনীয় বেদৰ আখ্যা, ইয়াৰ বিষয়-বিভাগ (স্তুতি, মন্ত্ৰ আৰু গাথা) আৰু নিদৰ্শন, তুলনামূলক যাজ্ঞিক আলোচনাৰ আভাস, বেবিলনীয় সাহিত্যৰ বিস্তৃতি, বেবিলনীয় বেদৰ দেৱতামণ্ডলী। এই বেদৰ ধৰ্ম, ভাষা আৰু লিপি ইত্যাদি লিখানত প্ৰাচীন বেবিলনৰ এটা বিস্তৃত পৰিচয় দি এই দেশৰ বেদৰ কথা বিশদভাৱে আলোচনা কৰিছে আৰু এই প্ৰসংগত লেখকে ঋগবেদ আৰু অথৰ্ববেদৰ উদ্ধৃতি দিছে। বিভিন্ন গ্ৰন্থ অধ্যয়ন কৰি এই প্ৰবন্ধটো ৰচনা কৰা হৈছে। তেওঁ সম্পাদনা কৰা সম্মিলন প্ৰবন্ধাৱলীৰ (প্ৰথম ভাগ) ভূমিকাত সন্দিকৈয়ে লিখিছিল, "জ্ঞান-সাধনা ছাত্ৰৰ প্ৰধান ব্ৰত" আৰু ওপৰত উল্লিখিত প্ৰবন্ধত তাৰ প্ৰমাণ পোৱা যায়। অমৰ প্ৰকাশ, অমৰকোষ নামৰ সংস্কৃত অভিধানৰ বিষয়ে পাণ্ডিত্যপূৰ্ণ আলোচনা।

তেওঁ ইউৰোপত অধ্যয়ন কৰা কালত ৰচনা কৰা প্ৰবন্ধবোৰ হৈছে অনুবাদৰ কথা (১৯২১), গ্ৰীক ভাষা (১৯২৬), ইউৰোপৰ ভাষা আৰু সাহিত্য (১৯২৬) আৰু ৰুচ অভিনয় ১৯২৬)। অনু-বাদৰ কথা প্ৰবন্ধত 'অনুবাদৰ বাহিৰে বৰ্তমান ম্ৰিয়মান অসমীয়া সাহিত্যৰ আন গতি নাই'— এইবুলি মন্তব্য কৰি চেক, হাংগেৰী আৰু চাৰ্বীয় সাহিত্য কিদৰে অনুবাদৰ দ্বাৰা সমৃদ্ধ হৈছে তাক ফঁহিয়াই দেখুৱাই অনুবাদৰ সমস্যাৰ কথা বিশদভাৱে আলোচনা কৰিছে। তেওঁ অনুবাদৰ প্ৰণালী প্ৰসংগত কৈছে, "অনুবাদ যদি ভীমৰ হাতৰপৰা গদা কাঢ়ি অনা হয়, তেন্তে অৱলম্বন গদাৰে দুৰ্যোধনক নহ'লেও আন আন সৰু-সুৰা কৌৰৱ সেনা বধ কৰাৰ নিচিনা। অনেক সময়ত মূলৰ ভাৱ কল্পনা নিজৰ কল্পিত বেৰাৰ ভিতৰত সুমুৱা বাবে অস্বাভাৱিক বোধ হয়। 'মেঘদূত' অনুবাদ কৰা নিশ্চয় টান। মেঘদূতৰ পাছত কেইবাটাও দূতৰ আৱিৰ্ভাৱ হয়, কিন্তু এটাও তাৰ কাষ চাপিব পৰা নাই। সেইকাৰণে কওঁ যে স্বাধীন অৱলম্বনতকৈ অনুবাদ সহজ আৰু সৰহঁয়াৰ পক্ষে সম্ভৱপৰ। আমাৰ সাহিত্যৰ একমাত্ৰ প্ৰকৃত উপন্যাস 'মনোমতী' স্বাধীন অৰ্থাৎ মৌলিকত্বেৰে অনুপ্ৰাণিত অৱলম্বনৰ 'চন্দ্ৰগুপ্ত' নাটকৰ কাত্যায়ন সাহিত্য হিচাপে এটা অপৰূপ সৃষ্টি। কিন্তু বিদ্বান দ্বিজেন্দ্ৰলালে তেওঁৰ বিস্তীৰ্ণ অধ্যয়নৰ মাজত স্পেনিচ নাট্যকাৰ এচিগাৰেৰ 'মোৰিয়ানা' নাটক পঢ়োতে তাৰ আভাস তেওঁৰ কল্পনাত থাকি যোৱা অসম্ভৱ নহয়।" গোটেই প্ৰবন্ধটোত প্ৰভূত অধ্যয়ন আৰু সমালোচনা-মূলক দৃষ্টিভংগীৰ নিদৰ্শন পোৱা যায়। উক্ত প্ৰবন্ধৰ শেহৰকালে তেওঁ কৈছে, "প্ৰতিভাশালী মৌলিক অসমীয়া কবি, নাট্যকাৰ, উপন্যাসিক, গল্প লেখক আদি ওলাই প্ৰকৃত জাতীয় সাহিত্যৰ সৃষ্টি নকৰালৈকে অনুবাদেহে অন্যান্য সাহিত্যৰ সাহায্যেৰে পাঠক শ্ৰেণীৰ অৱতাৰণা কৰি, জ্ঞান-শিক্ষাৰ বিস্তাৰ কৰি বিশ্ব সাহিত্য আৰু বিশ্ববুৰঞ্জীৰ ছবি আঁকি অসমীয়া সাহিত্যত নতুন যুগ আনিব।"

তেওঁ ইউৰোপৰ বিভিন্ন ভাষা শিকি আৰু অধ্যয়ন কৰি ইউৰোপৰ ভাষা আৰু সাহিত্য, গ্ৰীক ভাষা এই দুটা তথ্য সমৃদ্ধ প্ৰবন্ধ লিখে। "ইউৰোপৰ ভাষা আৰু সাহিত্য" শীৰ্ষক প্ৰবন্ধত তেওঁ লিখিছে: "বৰ্তমান প্ৰবন্ধত যায়া সাত বছৰত ইউ-ৰোপত আমি যিবিলাক ভাষা আৰু সাহিত্যৰ আলোচনা কৰিছিলোঁ তাৰ দুটা এটা লক্ষণ নিৰ্দেশ কৰা হ'ল।" তেওঁ এই প্ৰবন্ধত লেটিন ভাষা আৰু সাহিত্য, ফৰাচী ভাষা আৰু সাহিত্য, ইটালীৰ ভাষা আৰু সাহিত্য, স্পেনিচ ভাষা আৰু সাহিত্য, জাৰ্মান ভাষা আৰু সাহিত্য আৰু ৰুচ ভাষা আৰু সাহিত্যৰ কথা আলোচনা কৰিছে। তেওঁ ৰুচ সাহিত্যৰ সম্পৰ্কত কৈছে, "এক শতাব্দীৰ ভিতৰত এশিয়াৰ বাহিৰে জগতৰ কোনো সাহিত্য ৰুচ সাহিত্যৰ দৰে ঐশ্বৰ্যশালী আৰু বিশ্ববিখ্যাত হৈ উঠা নাই।" সাধাৰণভাৱে চহকী ৰুচ ভাষাৰ গাঁৱলীয়া গীত কিছুমানৰ পদানুবাদো তেওঁ দিছে। যেনে—

ফুলনিৰ কাষতে
আঙুৰবাৰীৰ দাঁতিতে,
আছে সৰু আলিটি।
সেই আলিৰ ওপৰে
যায় মোৰ সাদৰী
যায় মোৰ অকণি।
গাত বগা চোলা,
চোলাত নোমৰ পাৰি।
ক'লা চেলাউৰি
আহাঁ আহাঁ আহাঁ
নাচাহি আহাঁ।

ডেকাই ডেকেৰীক কৈ যাব খুজিছে—
দুনাই কৈ বহল,
মোৰ হাত দুটি,

মেলিম চিলনি সাঁতোৰ,
লৈ যাম সাদৰীক
লৈ যাম চেনেহীক
নিজ দেশলৈ।

তেওঁ "গ্ৰীক ভাষা" প্ৰবন্ধত এই ভাষাৰ কথা বিশদভাৱে আলোচনা কৰাৰ উপৰি গ্ৰীক ভাষা আৰু সংস্কৃত ভাষাৰ সাদৃশ্য দেখুৱাইছে। প্ৰবন্ধটোৰ সামৰণিৰ ফালে তেওঁ লিখিছে, "পুৰণি গ্ৰীক ভাষা আৰু সাহিত্যৰ বৈজ্ঞানিক আলোচনা আজিকালি গ্ৰীচতকৈ পশ্চিম ইউ-ৰোপতহে বেছি। ০ ০ ০ জাৰ্মান ভাষাৰ সহায় নল'লে গ্ৰীক ভাষা আৰু সাহিত্যৰ ভালকৈ ব্যুৎপত্তি লাভ কৰা অসম্ভৱ।" সেইকাৰণে জাৰ্মানিত থকা কালত তেওঁ গ্ৰীক সাহিত্য অধ্যয়নৰ সুবিধা পাইছিল। তেওঁ জাৰ্মানিৰ জ্ঞান-সাধনা প্ৰবন্ধত কৈছে যে জাৰ্মানিত যি বিৰাট আয়োজনেৰে বিশ্লেষণ আৰু সংশ্লেষণ প্ৰণালী প্ৰয়োগ কৰা হয় তাক ইউৰোপ নাইবা আন কোনো দেশৰ লগত তুলনা নহয়। এই দুই প্ৰণালীৰ উপযোগিতা প্ৰসংগত সন্দিকৈয়ে কৈছে, "নতুন তথ্যৰ আৱিষ্কাৰৰ কাৰণে বিশ্লেষণ প্ৰণালী উপযোগী, কিন্তু তথ্যবিলাক শৃঙ্খলা লগাই জুকিয়াই থবলৈ সুসজ্জিত ভঁৰালৰো আৱশ্যক। এই বিষয়ত সংশ্লেষণ প্ৰণালী বিশেষ ফলদায়ক। এই প্ৰণালীৰ বহুল প্ৰচলনৰ বাবেই জাৰ্মান ভাষাত সূক্ষ্ম গৱেষণামূলক গ্ৰন্থৰ লগে লগে অসংখ্য সৰল পাতনি গ্ৰন্থও দেখা যায়। জ্ঞান-সাধনাৰ মূলতে জ্ঞান-প্ৰেম আৰু জ্ঞান-স্পৃহা। এই কাৰণেই জাৰ্মানিত বিদেশী সাহিত্যৰ যিমান আদৰ আন কোনো দেশত সিমান নহয়।"

বিশ্বসাহিত্যৰ মৌ-চাকস্বৰূপ স্পেনিচ সাহিত্যৰ ৰোমিঅ' জুলিয়েট, জাৰ্মান সাহিত্যৰ সংপোন নাটক, গ্ৰীক নাটকৰ গান, চক্ৰেটিছৰ মতে কবিৰ প্ৰকৃতি আদি প্ৰবন্ধসমূহত লেখকৰ বিস্তৃত অধ্যয়ন আৰু প্ৰসংগৰ উপযোগী প্ৰাঞ্জল ভাষাৰ নিদৰ্শন পোৱা যায়। তেওঁ কেনে সৰসভাৱে স্পেনিচ নাট্যকাৰ জুৱান হাৰ্টাচনবুছেৰ

টেকৰল নগৰৰ প্ৰণয়ী নাটকৰ লগত শ্বেক্সপীয়েৰৰ ৰোমিঅ'-জুলি-য়েটৰ তুলনামূলক আলোচনা কৰিছে। জাৰ্মান সাহিত্যৰ সপোন নাটক প্ৰবন্ধত তেওঁ অন্যতম শ্ৰেষ্ঠ জাৰ্মান নাট্যকাৰ ফ্ৰানজ গ্ৰিল-পাৰ্চাৰ সপোন দিঠকত অপূৰ্ব সংমিশ্ৰণ 'সপোন জীৱন' নামৰ চাৰিঅংকীয়া পদ্য নাটকৰ চমু আভাস দি নাটকক নিৰ্মাণ কৌশল সম্পৰ্কে আলোচনা কৰি অন্যান্য কেইখনমান নাটকৰ সৈতে তুলনা-মূলক অধ্যয়ন কৰি নাটকখনিৰ সৌন্দৰ্য কেনেদৰে ফুটিয়াই দেখুৱাইছে। গ্ৰীক নাটকৰ গান প্ৰবন্ধত গ্ৰীক ট্ৰেজেডিৰ কৰাছ, কমচ আৰু মনডিৰ কথা আলোচনা কৰাৰ উপৰি গ্ৰীক আৰু সংস্কৃত কাব্য আলোচনা কৰি দুটা পাৰ্থক্য লক্ষ্য কৰিছে— (১) গ্ৰীক কাব্য সাহিত্যত স্বদেশপ্ৰেমৰ সুৰ যেনেকৈ শুনা যায় সংস্কৃত সাহিত্যত তেনেকৈ শুনিবলৈ পোৱা নাযায়। (২) সাগৰৰ বিৰাট উপলব্ধি গ্ৰীক কবিসকলে যিদৰে কৰিছিল ভাৰতীয় কবিসকলে সেইদৰে কৰিব পৰা নাছিল। এই প্ৰবন্ধৰ শেষৰফালে তেওঁ কৈছে "কবিতা আৰু সংগীতৰ পাৰিপাৰ্শ্বিক অভিব্যক্তি গ্ৰীক কাব্য প্ৰতিভাৰ এটা বিশেষ লক্ষণ। প্ৰাচীন গ্ৰীক কবিসকলৰ স্নিগ্ধ গম্ভীৰ গীতি-কবিতাবিলাক খ্ৰীঃ পূঃ সপ্তম আৰু ষষ্ঠ শতিকাতে ৰচা হৈছিল; তাৰ পিছতহে গ্ৰীক ট্ৰেজেডিৰ বিকাশ হয়। কবিতা আৰু সংগী-তৰ এই যুগল অভিব্যক্তিৰ ফলস্বৰূপে প্ৰাচীন গ্ৰীক সাহিত্যত সংগীতমূলক গীতি কবিতাৰ যি বিকাশ হৈছিল তাৰ তুলনা প্ৰাচীন ভাৰতীয় সাহিত্যত পোৱা নাযায়। ভাৰতীয় সাহিত্যত ঋগ্‌বেদৰ সূক্তাবিলাকত কাব্যৰীতিত ভালেখিনি আগুৱাবলৈ, সামবেদৰ সাহি-ত্যত ঋক্ মন্ত্ৰবিলাক সুৰ লগাই গাবৰ কাৰণে ভিন্ন ভিন্ন প্ৰণালী বা সাম উদ্ভাৱন কৰা হৈছিল। কিন্তু সংগীতমূলক নতুন মৌলিক মন্ত্ৰ বা সূক্ত ৰচনা কৰাৰ প্ৰয়াস সামবেদীসকলে প্ৰায়েই কৰা নাছিল। • • মুঠতে গ্ৰীক সাহিত্যত কবিতা আৰু সংগীতৰ যেনে অন্তৰংগ সহযোগ হৈছিল প্ৰাচীন ভাৰতীয় সাহিত্যত তেনে সং-

যোগ সেই পৰিমাণে হোৱা নাছিল। বিৰাট সংস্কৃত কাব্য সাহিত্যত গানৰ সংখ্যা বৰ কম। 'চক্ৰেটিচৰ মতে কবিৰ প্ৰকৃতি' প্ৰবন্ধত প্লেটোৰ ইয়নৰ কথাখিনি গ্ৰীক ভাষাৰপৰা অনুবাদ কৰাৰ উপৰি তেওঁ স্বকীয় মন্তব্যও দাঙি ধৰিছে। তেওঁ কৈছে, "স্বাভাৱিক প্ৰেৰণা বা দৈৱ শক্তি আৰু উন্মাদ ব্যাকুলতা যে কবি প্ৰকৃতিৰ লক্ষণ সেই বিষয়ে সন্দেহ নাই, কিন্তু জ্ঞান বা বোধশক্তি আৰু তত্ত্ববিদ্যা কবিৰ স্বভাৱৰপৰা একেবাৰেই আঁতৰ বুলি ক'ব নোৱাৰি। মধ্যযুগৰ সকলো জ্ঞান-বিজ্ঞান মথি দান্তেই তেওঁৰ 'অমৰ কাব্য' লিখিছিল: গেটেই ফাউষ্ট কাব্যত দৰ্শন আৰু কবিতাৰ কিবা এটা সংশ্লেষণ কৰিব খুজিছিল। তথাপি সকলো বাদ দিলে চক্ৰেটিছে যি কৈছে সেয়ে কবি প্ৰকৃতিৰ শেষ লক্ষণৰূপে বাকী থাকে।" নৈষধচৰিত আৰু ভাৰতীয় চিত্ৰকলা প্ৰবন্ধত লেখকৰ ভাৰতীয় চিত্ৰকলা সম্পৰ্কে গভীৰ জ্ঞানৰ পৰিচয় পোৱা যায়। তেওঁ অনুবাদ কৰা নৈষধচৰিত গ্ৰন্থৰো বিশেষ মূল্য আছে। এই প্ৰসংগত তেওঁ লিখিছে, "১৯৩৪ চনৰ শেহভাগত সংস্কৃত মহাকাব্য নৈষধচৰিত আমি ৰচা সঠিক ইংৰাজী অনুবাদ লাহোৰৰপৰা এজন জৈন ব্যৱসায়ীয়ে ছপা কৰি উলিয়ায় আৰু আচিৰৰ সি ইউৰোপ, আমেৰিকা আদি ঠাইত প্ৰচাৰ হ'বলৈ ধৰে। উক্ত গ্ৰন্থৰ অনুবাদ অংশ পঢ়ি চিত্ৰকলাবিদসকলে থিৰ কৰে যে কাংৰা সম্প্ৰদায়ৰ নল-দময়ন্তী বিষয়ক চিত্ৰবিলাক মহাকবি শ্ৰীহৰ্ষৰ নৈষধচৰিত অৱলম্বন কৰি অঁকা হৈছিল। এই বছৰৰ আৰম্ভণিতে ডক্টৰ কুমাৰ স্বামীয়ে সংকলন কৰা পূৰ্বোক্ত ৰাজপুত চিত্ৰকলাৰ কেটেলগ বা বিৱৰণ গ্ৰন্থ আমি পৰীক্ষা কৰি চাবৰ কাৰণে পঠাই দিয়ে।" আমি জগন্নাথ বৰুৱা কলেজৰ ছাত্ৰ অৱস্থাত দেখা পাইছিলোঁ যে সান্দিকৈয়ে ছাত্ৰাবাসৰ বান্ধনিজনক (তেৱাৰী উপাধিধাৰী লোক, এওঁ পিছত পুলিচ বিভাগত সোমায়) লগত লৈ দুৰ্গাপূজাৰ বন্ধত অসমৰ বাহিৰলৈ যায়। সাধাৰণতে প্ৰাচীন মন্দিৰ বা কীৰ্তি আদি চাবলৈ এনে ভ্ৰমণে তেওঁৰ সমল সংগ্ৰহত সহায়ক

হৈছিল। গদ্য-চিত্ৰ প্ৰবন্ধত তেওঁ টুৰ্গেনিভ, টলষ্টয়, পুষ্কিন আৰু আক্‌চাকফৰ কথা-কবিতা কেইটামান অনুবাদ কৰিছে।

অসম সাহিত্য সভাৰ সপ্তদশ অধিবেশনৰ (১৯৩৭, গুৱাহাটী) অভিভাষণখনি তথ্যপূৰ্ণ চিন্তা সমৃদ্ধ আৰু সাহিত্যৰ সমালোচনে খুন্দ খাই আছে। তেওঁৰ তথ্যগধুৰ ভাষণৰপৰা চমেকি স্বৰূপে কিছু উদ্ধৃতি দিয়া হ'ল। যেনে— (১) ব্যক্তিগত প্ৰতিভা আৰু ক্ষমতাৰ বাহিৰেও পাৰিপাৰ্শ্বিক অৱস্থাৰ ওপৰত সাহিত্যৰ বিকাশ অনেক পৰিমাণে নিৰ্ভৰ কৰে। জীৱনৰ অভিজ্ঞতাৰ লগত সাহিত্যৰ অতি ঘনিষ্ঠ সম্বন্ধ। অভিজ্ঞতাৰ গাম্ভীৰ্য আৰু বৈচিত্ৰ্য নহ'লে সজীৱ স্পন্দনপূৰ্ণ সাহিত্যৰ সৃষ্টি হ'ব নোৱাৰে। বাস্তৱতে সাহিত্য এটা বিৰাট অভিজ্ঞতা। ব্যক্তিগত আৰু সামাজিক সকলো প্ৰকাৰ অভিজ্ঞতাৰ ফল হৈছে সাহিত্য। (২) অভিজ্ঞতাৰ ওপৰত প্ৰতিষ্ঠিত হ'লেও সাহিত্য বাস্তৱতে অভিজ্ঞতাৰ ফেটেলগা বা মাছুৰৰ নহয়। নিৰ্বাচন কৌশল, কল্পনা আৰু ৰীতিৰ সহায়েৰে অভিজ্ঞতাৰ কেঁচা সঁজুলি গঢ়ি-পিটি ল'লেহে প্ৰকৃত সাহিত্যৰ সৃষ্টি হয়। সামাজিক আৰু জাতীয় অভিজ্ঞতা, গোটেই জীৱন অভিজ্ঞতা ব্যাপক, বিস্তীৰ্ণ আৰু বৈচিত্ৰ্যপূৰ্ণ হ'লেহে অহল-বহল সাহিত্যৰ সৃষ্টি আৰু বিকাশ হয়। ৩) উচ্চ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত জীৱন ব্যাপী সাধনা নহ'লে ওখ খাপৰ সাহিত্যৰ সৃষ্টি হোৱা টান। আমাৰ মতে ব্যক্তিগত সাধনাৰ অভাৱ অকল সাহিত্যতে নহয় জীৱনৰ সকলো ক্ষেত্ৰতে দেখা যায়।

সন্দিকৈৰ অসম ছাত্ৰ সন্মিলনৰ চতুৰ্দশ সন্মিলনৰ (১৯২৯) সভাপতিৰ অভিভাষণখনিও মূল্যৱান। তেওঁ অভিভাষণৰ এঠাইত কৈছে, "পাশ্চাত্য ভাব আৰু চিন্তাৰ সমকক্ষ কোনো প্ৰবল ভাৰতীয় ভাবৰ প্ৰতিঘাত নোহোৱাত পাশ্চাত্য সভ্যতাই আমাৰ ওপৰত অনেক প্ৰভাৱ বিস্তাৰ কৰিছে; কিন্তু সামাজিক আৰু জাতীয় জীৱন সফল কৰিবৰ কাৰণে আমি তাক আয়ত্ত কৰি নিজৰ বশ কৰি ল'ব

পৰা নাই। আমাৰ ছাত্ৰ সমাজৰ দায়িত্ব এই কাৰণেই বৰ গধুৰ। প্ৰাচ্য আৰু পাশ্চাত্য ভাবৰ সংঘৰ্ষত জাতীয় আদৰ্শ গঠন কৰি তুলিবলৈ হ'লে ছাত্ৰ সমাজৰ মাজেদিয়েই তাৰ প্ৰথম বিকাশ হ'ব লাগিব। এই কাৰণে ছাত্ৰ জীৱনত স্বাধীন চিন্তা, নিৰ্বাচন ক্ষমতা আৰু জাতীয় আত্মবোধৰ প্ৰভাৱ আৰু উপকাৰিতা সকলোৱে স্বীকাৰ কৰে।" আন এঠাইত কৈছে, "ব্যক্তিত্বৰ বিকাশ নহ'লে আদৰ্শবো আৱশ্যক নাই। যি নিজৰ অৱস্থাত সন্তুষ্ট তেওঁৰ আদৰ্শৰ কোনো আৱশ্যক নাই। আদৰ্শ এটা আহুকলীয়া বস্তু। আদৰ্শই নতুন নতুন ভাব আৰু অনুভূতিৰ সোঁত বোৱাই আহুকাল, অসন্তোষ আৰু আন-কি বিপ্লৱ সৃষ্টি কৰে; কিন্তু ইয়াতে প্ৰাণৰ স্পন্দন আৰু জাতীয় জীৱনৰ হেন্দোলনি আৰম্ভ হয়।"

এই সন্মিলনৰ সভাপতিৰ সামৰণি ভাষণত সন্দিকৈয়ে ভাৰতীয় আৰু ইউৰোপীয় সমাজ চিন্তাৰ পাৰ্থক্য সন্দৰ্ভত তিনিটা বৈশিষ্ট্যৰ কথা কেনে প্ৰাঞ্জলভাৱে বুজাই দিছে।

সুদূৰ ইউৰোপত অধ্যয়ন কৰিলেও সন্দিকৈয়ে অসমীয়া সাহিত্যৰ বিষয়েও খবৰ ৰাখিছিল। অসম সাহিত্য সভাই চন্দ্ৰকান্ত অভিধান আৰু ইন্দ্ৰকান্ত ব্যাকৰণ প্ৰণয়ন কৰাৰ সিদ্ধান্তৰ কথা জানি-শুনি তেওঁ 'অসমীয়া' কাকতত তেওঁ তাৰ প্ৰতিবাদ কৰি লিখিছিল।

'প্ৰথমতে বৰ্তমান হেমকোষ আৰু হেমচন্দ্ৰ বৰুৱাৰ ব্যাকৰণৰ পৰাই অসমীয়া ছাত্ৰসকলৰ আৰু অসমীয়া শিক্ষকসকলৰ কাম চলি গৈছে। ইফালে এই দুখনতকৈ ওখ খাপৰ অভিধান আৰু ব্যাকৰণ-লিখিবৰ কাৰণে যেনে বিধৰ পাতনি গৱেষণাৰ প্ৰয়োজন তাৰ নামগোন্ধো আৰু ভাষাত পাবলৈ নাই। অথচ প্ৰথমতে কিছুমান বিশেষ বিষয়ৰ সূক্ষ্ম আলোচনা নহ'লে অসমীয়া ভাষাৰ সৰ্বাংগপূৰ্ণ ব্যাকৰণ আৰু অভিধান লিখা একপ্ৰকাৰ অসম্ভৱ। যেনে, প্ৰাকৃত আৰু ভাৰতৰ অন্যান্য প্ৰদেশৰ আৰ্যবংশীয় ভাষাসমূহৰ লগত

অসমীয়া ভাষাৰ সম্পৰ্কন আৰু পুৰণি অসমীয়া ভাষাৰ গঠন আৰু শব্দাৰ্থৰ ক্ৰমবিকাশ; অপ্ৰকাশিত পুথিসমূহৰ ভাষাৰ পৰীক্ষা, বানান সমস্যা ইত্যাদি। এনে বিষয় সূক্ষ্ম আলোচনা পৃথক পৃথককৈ কিছুমান দিন কৰাৰ পাচতহে আৰু নানা তথ্যৰ সঁজুলি গোটা খোৱাৰ পাছতহে উচ্চ শ্ৰেণীৰ অভিধান নাইবা ব্যাকৰণ লিখা সম্ভৱপৰ হ'ব পাৰে, যাক সকলো অসমীয়াই প্ৰমাণ স্বৰূপে গ্ৰহণ কৰিব। ইয়াকে নকৰি খনদিয়েক অভিধান সমিতি, ব্যাকৰণ সমিতি পাতি যপৰাই অভিধান নাইবা ব্যাকৰণ এখন উলিয়াই দিলে সি বেজবৰুৱা ডাঙৰীয়াই (লক্ষ্মীনাথ বেজবৰুৱা) ক'বৰ দৰে লোহাৰাম, জয়ৰাম পণ্ডিতৰ গ্ৰন্থৰ নিচিনা হ'ব, কলাপ বা শব্দকল্পদ্ৰুমৰ পাৰীলৈ নাযায়' (বাঁহী, ১৫শ বছৰ, ১ম সংখ্যা)। কেনে বাস্তৱ পৰামৰ্শ। এনে অৱস্থা অৱলম্বন নকৰাৰ বাবে চন্দ্ৰকান্ত অভিধানত (প্ৰথম তাঙৰণ) অনেক আসোৱাহ দেখা গৈছিল।

তেওঁ চেমনীয়াৰ কাৰণেও সাময়িক আলোচনীত লিখিছিল। তেওঁ ছাত্ৰাৱস্থাত 'অৰুণ'ত সৰস্বতীৰ বৰ (কালিদাস বেদৱতীৰ আখ্যান) আৰু জীৱ-জন্তু নামৰ প্ৰবন্ধ লিখিছিল। 'আমাৰ দেশ' (১৮৫৪ শক) নামৰ শিশু আলোচনীত তেওঁৰ সাগৰৰ মাজৰ দুৰ্গ আৰু প্ৰাচীন মিচৰৰ উপাখ্যান নামৰ দুটা সন্দ প্ৰকাশ হৈছিল।

তেওঁ জীৱনৰ আগছোৱাত তথা ছাত্ৰ অৱস্থাত কেইটামান কবিতা আৰু গীত ৰচনা কৰিছিল। তলত দুটামানৰ উদ্ধৃতি দিয়া হ'ল —

(১) অলি মধু মিলনত,
পুষ্প অ" বিৰহত
ফুলে ফুল ফুলনি উজলি,
কুসুম প্ৰাণৰ মায়া,
"হওঁ নিজ ফুল কায়া।"
থাকে দুটি লীলা উমলি।
(আবেগ-অন্তৰ, বাঁহী, পঞ্চম বছৰ ২০শ সংখ্যা)

(২) কিৰণ মালিনী ! সুষমা ৰঙ্গে ; নাচা প্ৰাণ মুহি নাচা হে
ৰজনী গালতো শেৱালি পুঞ্জে, হাঁহি তব শোভা হাঁহে হে।
কত সুন্দৰ ফুল্ল মঞ্জৰী ! তব উদ্যান উজলে,
চিৰ দানে তবু. মুঞ্জৰিছে হৃদি, ঢালে প্ৰেম সুধা ঢালে হে
(আলোচনী, পঞ্চম বছৰ, ৫ম সংখ্যা)

প্ৰাচ্য আৰু পাশ্চাত্য সাহিত্যত সুপণ্ডিত মনীষী কৃষ্ণকান্ত সন্দিকৈৰ প্ৰবন্ধাৱলীত তেওঁৰ ব্যাপক অধ্যয়ন, সূক্ষ্ম বিশ্লেষণ আৰু গভীৰ চিন্তাৰ পৰিচয় পোৱা যায়। তুলনামূলক আলোচনা তেওঁৰ প্ৰবন্ধ-সমূহৰ এটা ঘাই বৈশিষ্ট্য। মুঠৰ ওপৰত বিশ্ব সাহিত্যৰ মৌ-কোঁহ আহৰণ কৰি তাৰে কিছুমান প্ৰবন্ধত সন্নিবিষ্ট কৰি পাঠক সমাজক ৰসাস্বাদনত সুবিধা দিয়াৰ উপৰি আমাৰ গদ্য সাহিত্য সমৃদ্ধ কৰিলে। তেওঁৰ ৰচনা-ৰীত নিভাঁজ আৰু প্ৰাঞ্জল। দুই-চাৰি শব্দৰ প্ৰয়োগো মনোগ্ৰাহী। যেনে "যুগল অভিব্যক্তি", "পৰৱৰ্তী ভাগ্যচক্ৰৰ বৃত্তান্ত," "অনুতাপমূলক গাথা," "চিত্ৰৰ গুণ বিবেচন" (Art criticism) ইত্যাদি। সংস্কৃতৰ নিয়াৰিত তেওঁ বিদেশী শব্দৰ প্ৰতিশব্দ গঢ়িছিল। তেওঁৰ ৰচনাত অলংকাৰহীন ভাষাৰ এটা স্বচ্ছ প্ৰকাশ দেখা যায়। ●

'যশস্তিলক'ত ব্যংগৰস : সন্দিকৈৰ দৃষ্টিৰে

বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য

"যশস্তিলক আৰু ভাৰতীয় সংস্কৃতি" কৃষ্ণকান্ত সন্দিকৈৰ এখন স্বতন্ত্ৰ সংস্কৃতিমূলক গ্ৰন্থ বুলিলেও বঢ়াই কোৱা নহয়। 'নৈষধচৰিত' আৰু 'সেতুবন্ধ'ৰ অনুবাদ আৰু টীকাসমূহো অন্য এক দৃষ্টিৰে যথেষ্ট মূল্যৱান। এইবিলাকে দুয়োখন দুৰূহ গ্ৰন্থৰ কবি, কাব্য গুণ, পাঠৰ বিশ্লেষণ আৰু অন্যান্য সাংস্কৃতিক বিষয়সমূহৰ তথ্যবোৰ পোহৰলৈ আনি সংস্কৃত সাহিত্যৰ ইতিহাসত নতুন আলোকপাত কৰিছে। এই কামৰ মূল্য অনস্বীকাৰ্য। কিন্তু "যশস্তিলক আৰু ভাৰতীয় সংস্কৃতিৰ" মূল্য বেলেগ। ই দশম শতিকাৰ সাংস্কৃতিক ইতিহাস। দশম শতিকাৰ ভাৰতবৰ্ষৰ সংস্কৃতি সম্পৰ্কে ই আমাক বহুত নতুন সংবাদ দিয়ে। তাৰে দুটামান এই প্ৰবন্ধত আঙুলিয়াই দেখুৱাব খুজিছোঁ।*

সংস্কৃত সাহিত্যত হাস্যৰসমূলক ৰচনা সম্পৰ্কে ইয়াত এটা নতুন তথ্য পোৱা যায়। হাস্যৰস বুলিলে তাত ব্যংগ সাহিত্যও পৰে। যশস্তিলকৰ তৃতীয় সৰ্গত ৰাজসভাত এটা চোৰাংচোৱাই এজন মন্ত্ৰীৰ বিৰুদ্ধে ৰজা যশোধৰক অভিযোগ কৰাৰ দৃশ্য আছে। সন্দিকৈয়ে এই অভিযোগ সম্বলিত শ্লোকখিনিত সংস্কৃত সাহিত্যত প্ৰথম প্ৰণালীবদ্ধ ব্যংগ ৰচনাৰ প্ৰয়াস বুলি অভিহিত কৰিছে। তেওঁৰ মতে সংস্কৃত কাব্যত পূৰ্বতে ব্যংগৰসৰ এনে প্ৰণালীবদ্ধ প্ৰচেষ্টা

* জাপানৰ হেইআন যুগত ৰচিত মুৰাশাকি শিকিবুৰ বিখ্যাত উপন্যাস "গেঞ্জিৰ সাধু"ত সেইযুগৰ এটা সাংস্কৃতিক ইতিহাস পোৱা যায়। যশস্তিলকো তেনেধৰণৰ গ্ৰন্থ, যদিও দুয়োখনৰে ৰস বেলেগ বেলেগ।

হোৱা নাছিল। ক্ষেমেন্দ্ৰৰ 'নৰ্মমালা'ত এনে ব্যংগৰস আছে, কিন্তু ই সোমদেৱৰ যশস্তিলকৰ পিছৰ ৰচনা (প্ৰথম অধ্যায় পৃঃ ২০)।

এই ব্যংগ সাহিত্যৰ প্ৰধান গুণ, ই সমসাময়িক যুগৰ দুৰ্নীতিৰ বিষয়ে আমাক অৱগত কৰে। যশস্তিলক চম্পু কাব্য ইয়াত গদ্যৰ লগে লগে কবিতাও পোৱা যায়। সোমদেৱে গদ্য আৰু পদ্য উভয়তে ৰাজমন্ত্ৰীসকলৰ দুৰ্নীতিৰ স্বৰূপো পৰিষ্কাৰ ৰূপত দাঙি ধৰে।

দেখা যায় সোমদেৱে দুৰ্নীতিৰ উৎস মানুহৰ অসৎ প্ৰবৃত্তিত বিচাৰি গৈছিল। চোৰাংচোৱাজনৰ নাম শংখনক। তৃতীয় সৰ্গত ৰাজসভাৰ কাৰ্য বৰ্ণাওঁতে সোমদেৱে তেওঁক ৰজাৰ ওচৰত উপস্থিত কৰাইছে। গুপ্তচৰ বাহিনীৰ অধিপতি বিশ্ববসুৰ নিৰ্দেশক্ৰমে শংখনকে ৰাজ্যৰ বিভিন্ন ঠাইত ৰাজপুৰুষসকলৰ আচৰণ নিৰীক্ষণ কৰি ৰাজসভালৈ আহি ৰজাক দেশৰ অৱস্থা বৰ্ণাইছিল। ৰজাৰ আগত শংখনকে অসৎ লোক ওঠৰ বিধ বুলি কৈ সেইবিলাকৰ উৎপত্তি সম্পৰ্কে এটা বৰ্ণনা দিছে। প্ৰথম বিধ দুৰ্জনৰ উৎপত্তি কালকূট বিষৰপৰা, দ্বিতীয় বিধ সাপৰপৰা, তৃতীয় বিধ গৰুড় পক্ষীৰ ঠোঁটৰপৰা, চতুৰ্থ বিধ শুক্লপক্ষৰ চতুৰ্থ দিনৰপৰা, পঞ্চমবিধ যমদূতৰপৰা, ষষ্ঠ বিধ পাষণ্ডৰ পদধূলাৰপৰা, সপ্তম বিধ অগ্নিৰপৰা, অষ্টম বিধ নৰকৰপৰা, নৱম বিধ বিষ্ণুমায়াৰপৰা, দশম বিধ যমৰজাৰ দাঁতৰ হনুৰপৰা, একাদশ বিধ বিপথগামী ধৰ্মৰ কুশিক্ষাৰপৰা, দ্বাদশ বিধ সন্দেহ আৰু অনিচ্ছা বুলিও পাপৰপৰা, ত্ৰয়োদশ বিধ উগ্ৰ লজ্জাৰপৰা অৰু চতুৰ্দশ বিধৰ উৎপত্তি বঞ্চনাৰ কৌশলৰপৰা। ইয়াৰ উপৰিও আন চাৰিবিধ দুৰ্জনৰ উৎপত্তি ক্ৰমে ৰাহু আৰু অন্যান্য গ্ৰহৰ কন্দল, শিৱলিংগৰ উপাসনা লৈ হোৱা ব্ৰহ্মা-বিষ্ণুৰ (ইয়াৰ ফলত টুটকীয়া নাৰদৰ জন্ম), বজ্ৰপাত আৰু বিজুলীৰ কন্দলত জন্ম হোৱা বাড়ৱাগ্নি আৰু দিতিপুত্ৰ ৰক্তক তাৰক ৰাক্ষসৰপৰা। সন্দিকৈৰ মতে এই উৎপত্তি বৃত্তান্ত সোমদেৱৰ

কল্পনাপ্ৰসূত। খুব সম্ভৱ বানৰ 'কাদম্বৰী'ত পোৱা চৈত্য অপ্সৰী পৰিবাৰৰ উৎপত্তি কাহিনীৰ আৰ্হিত তেওঁ বৃত্তান্ত ৰচনা কৰিছে।[১]

মানুহৰ অসৎ প্ৰবৃত্তি যে সহজে নেযায় সেইকথা সোমদেৱে বহুত উদাহৰণ দি বুজাইছে। মাংসৰ সুস্বাদ ভাল পোৱা মানুহে মাংসাহাৰ বৰ্জন নকৰে। সেইদৰে সদাগৰে মৰণৰ সম্মুখীন হ'লেও বঞ্চনাৰ কৌশল এৰি নিদিয়ে।

এই দৃষ্টিভংগী গ্ৰহণ কৰা সত্ত্বেও সোমদেৱে ৰাজপুৰুষৰ দুৰ্নীতিৰ ভাংলেমান জ্বলন্ত উদাহৰণ দাঙি ধৰিছে। এইবিলাকৰ প্ৰতিকাৰ বিচৰাই এনে বৰ্ণনাৰ উদ্দেশ্য। মন্ত্ৰীসকলৰ বেশভূষাৰ আড়ম্বৰ আৰু প্ৰতিষেধক ব্যৱস্থাৰ খেলিমেলিৰ ব্যংগ কৰোঁতে শংখনকে কৈছে :

"তেওঁলোকৰ আচল উদ্দেশ্য এনেধৰণৰ : মন্ত্ৰীসকলৰ বৈৰ পৰা সাজপাৰ বান্ধৰ দীঘল চোলাদৰে। তাৰে অংগসমূহ আচ্ছাদিত হৈ থাকে। কিন্তু তেওঁলোকৰ মুখ্য উদ্দেশ্য হৈছে হৰিণাক বধ কৰাৰদৰে সৎ লোকক বধ কৰা। তেওঁলোকৰ বিশাল দাড়ি আৰু চুলি অজ্ঞ-মূৰ্খক মাছৰ নিচিনাকৈ ধৰিবৰ বাবে পতা মহাজাল। তেওঁলোকৰ ডাঙৰ উদৰবোৰ হ'ল, কপট বগলীজাকৰ কপট কৌশলৰ আধাৰস্বৰূপ বিলখনৰ দৰে। তেওঁলোকে আনৰ দুৰ্বলতা ধৰিবৰ বাবে শিয়ালৰদৰে জোপ লৈ লৈ খোজকাঢ়ে। মন্ত্ৰীসকলে বাৰম্বাৰ জলত নিমজ্জিত হৈ ঔপচাৰিক স্নান কৰোঁতেও লুণ্ঠনৰ লক্ষ্যকে মনতে মনত ৰাখে : "কেনেকৈকেনো পাতালস্থ অনন্ত নাগৰ শিখামণি মোৰ কবললৈ আহে।" সূৰ্যোপাসনা কৰোঁতেও মন্ত্ৰীৰ মনত কেৱল লুণ্ঠনৰ ইচ্ছাই কাম কৰে : কেতিয়াকৈ গগনচাৰী সূৰ্যৰথৰ অশ্বসমূহে মোৰ মুষ্টত কন্দুক খেলা কৰিবহি ?... মন্ত্ৰীসকলৰ জপমন্ত্ৰ উচ্চাৰণ প্ৰকৃতপক্ষে তেওঁলোকে কিমান মহৎ

[১] যশস্তিলক আৰু ভাৰতীয় সংস্কৃতি, পৃঃ ৬২

লোকক ছলিলে আৰু কিমান মহৎ লোকক ছলিবলৈ বাকী আছে তাৰ সৌৰৱণহে ! মন্ত্ৰীসকলৰ ধ্যান হ'ল বক-ধ্যান, মাছৰ দৰে কেনেকৈ কুশল পুৰুষক ভক্ষণ কৰিব তাৰ চিন্তাতে তেওঁলোক মগ্ন। মন্ত্ৰীসকলে ধৰ্মাগমসমূহ পাঠ কৰে ঠগৰদৰে ; উদ্দেশ্য হ'ল বিজ্ঞসকলক প্ৰৱঞ্চনা কৰা। তেওঁলোকৰ গুৰুচৰণ সেৱা হ'ল পৰলোকত গতি লভাৰ পথ ৰোধ কৰিবৰ বাবে শিকলি-জাল মেলা। শাখিনীদৰে তেওঁলোকে সেৱকসকলক জীৱন্ততে বিনাশ কৰিবলৈহে প্ৰিয় বাক্য উচ্চাৰণ কৰে। তেওঁলোকৰ প্ৰিয় চেহেৰা শুক সৰসীৰ সেতুৰদৰে, গূঢ় সত্য বুবুক্ষুজনক ক্লেশত ভোগায়।"[২]

মন্ত্ৰীসকলৰ সাংস্কৃতিক মিথ্যাভিমান আৰু ভুল বিদ্যাভিমানৰ বিৰুদ্ধেও শংখনকে ৰজাক সাৱধান কৰি দিছে। তেওঁ কৈছে :

"দেৱ, ৰজাৰ অনুগ্ৰহৰ বলত পতিংবৰা কন্যাৰ দৰে আকাশৰপৰা পতিত মানুহ এটাৰ হাতলৈও আপোনা-আপুনি বিভূতি আহিব পাৰে ; কিন্তু কেৱল যত্নৰ বলত (আয়ুৰ দৰেই) বিদ্যা পোৱা নাযায়, তাৰবাবে গুৰুকুলত অধ্যয়নৰ আৱশ্যক। কাৰণ 'ৰাজানুগ্ৰহত মানুহৰ ঘৰ ধন-সম্পত্তিৰে উভৈনদী হ'ব পাৰে, কিন্তু তাৰদ্বাৰা তেওঁ জন্মগত আভিজাত্য বা পাণ্ডিত্য হ'ব নোৱাৰে।"

সোমদেৱ সুৰীয়ে পাণ্ডিত্যবিহীন বিদ্যাৰ প্ৰদৰ্শন মন্ত্ৰীসকলৰ এটা দোষ বুলি গণ্য কৰিছে। এজন মন্ত্ৰীৰ বিদ্যাক তেওঁ পানীৰ ওপৰত জীন নোযোৱাকৈ ওপঙি ফুৰা তেলৰ টোপালৰ লগত তুলনা কৰিছে। বিদ্যাৰদ্বাৰা অকৰ্ষিত বুদ্ধি ধনৰ বলত দেখনিয়াৰ হ'লেও জ্ঞানীৰ দৃষ্টিত মিথ্যাশ্ৰয়ী হয়।

বিজন মন্ত্ৰীৰ বিৰুদ্ধে শংখনকে গোচৰ তৰিছিল, তেওঁ এজন প্ৰদেশৰ শাসক। তেওঁৰ নাম পামৰোদাৰ। ৰজা যশোধৰে তেওঁৰ নিৰ্মল চৰিত্ৰ, বিমল জ্ঞান আৰু পুণ্যৰ প্ৰশংসা কৰিছিল।

---

[২] যশস্তিলক আৰু ভাৰতীয় সংস্কৃতি, পৃঃ ৬৩—৬৪

ইয়াৰ উত্তৰত শংখনকে মন্ত্ৰীজনাৰ বিৰুদ্ধে বিতং অভিযোগ কৰিবলৈ ধৰিলে। লগতে তেওঁ কৈ থলে যে সেইৰূপ দোষে প্ৰভুকো চোৱে।

ইয়াৰ পিছতে গুপ্তচৰজনে বিভিন্ন কবিৰ কবিতা মাতি মন্ত্ৰীসকলৰ সাধাৰণ দোষবিলাক বৰ্ণনা কৰে। এই কবিসকল ৰাজনৈতিক নে প্ৰকৃত তাক কোৱা টান। কবিসকলৰ উক্তিৰ আন এটা উদ্দেশ্য আছে। এইবোৰৰ যোগেদি গুপ্তচৰজনে মন্ত্ৰীৰ দোষ অনুসন্ধান নকৰা বাবে তিৰস্কাৰ কৰিছে। এই তিৰস্কাৰ শিষ্টাচাৰ সম্মত। গুপ্তচৰসকল ৰজাৰ চকুৰদৰে। এই চকুৰে ৰজাই মানুহৰ মনত কি ভাব আছে তাক ধৰিব পাৰে। যি ৰজাই গুপ্তচৰৰ সহায়ত নিজৰ আৰু আনৰ অৱস্থাৰ সম্যক উপলব্ধি নকৰে, তেওঁৰ সম্পত্তি আৰু জীৱন নাশৰ পদে পদে ভয়।[৩] হান্দিকৈয়ে ভাৰতৰ ৰাজনীতি-শাস্ত্ৰসমূহত থকা গুপ্তচৰ ৰখাৰ বিধানলৈও আমাৰ দৃষ্টি আকৰ্ষণ কৰিছে। তেওঁ মহাভাৰতৰ শান্তিপৰ্বৰ এটা কাহিনীও এই প্ৰসংগত অৱতাৰণা কৰিছে। ঋষি কালক বৃক্ষীয়ই এটি মঙলতি কাউৰী লগত লৈ কোশলৰাজৰ ৰাজধানী ভ্ৰমণ কৰি মন্ত্ৰীসকলৰ অসৎ আচৰণৰ অনুসন্ধান চলাইছিল আৰু অনুসন্ধানৰ অন্তত সকলো কথা আহি ৰজাক জনাইছিলহি।[৪]

সাধাৰণ অভিযোগবোৰ বৰ্ণাওঁতে যিবিলাক কবিৰ নাম শংখনকে দিছে সেইসকলৰ নাম এনেধৰণৰ : মুগ্ধাংগনা কেলি-কুতূহল, বিলাসিনী লোচন কজ্জল, প্ৰৌঢ়প্ৰিয়াপাংগনৱোৎপল, তৰুণী-লীলা-বিলাস, কবিকৌমুদীচন্দ্ৰ, বিদগ্ধমুগ্ধ, কবিবেগবিদ ইত্যাদি। শংখনকে অভিযোগবোৰৰ ভিতৰত প্ৰধান অভিযোগ হ'ল যে মন্ত্ৰী-সকল কৰ্তব্যপৰায়ণ, সৎ আৰু ৰজাৰ মঙ্গলাকাংক্ষী নহয়। এটা শ্লোকত মুগ্ধাংগনা কেলি কুতূহলে কৈছে; "সৎ মানুহৰ উপকাৰাৰ্থে

৩ যশস্তিলক আৰু ভাৰতীয় সংস্কৃতি, পৃঃ ১০৯
৪ —ঐ— পৃঃ ১১০

ধন খৰচ কৰিলে ৰোগত পীড়িত লোকৰদৰে মন্ত্ৰীয়ে কষ্ট পায়। কিন্তু ৱিট আৰু প্ৰশস্তিকাৰী আদিৰ বাবে ধন ভাঙিলে সকল মানুহৰদৰে তেওঁ আনন্দ কৰে। তেওঁ ৰজাক কয়, "পুণ্যৱানক দিলে অথলে যায়। এনে দান ছাইত দিয়া অঞ্জলিৰদৰে। যি উপকাৰী তাক ধন দিব লাগে, লাগিলে তেওঁ নটেই হওক বা ৱিটেই হওক। পুণ্যৱানসকল কেৱল সৰ্বস্ব ভক্ষণত দক্ষ উদাৰজঠৰী। তেওঁলোকে ৰাতিও পহৰা নিদিয়ে বা ৰণুৱা পোহপাল দিয়াতো ৰৰঙণি নোযোগায়।"

বিলাসিনী লোচন কজ্জলই ৰাজহুৱা ধন অপব্যৱহাৰৰ কথা এটা শ্লোকত বৰ নিৰ্মমভাৱে বৰ্ণনা কৰিছে ঃ

"কোনো কোনো মন্ত্ৰীয়ে অজ্ঞ ৰজাক বঞ্চিবলৈ কেতিয়াবা বিনিয়োজিত ধনৰ কিঞ্চিৎ অস্থায়ী লাভ কৰি দেখুৱায়। কিন্তু তেওঁৰ মূল উদ্দেশ্য হ'ল সমগ্ৰ ধন আত্মসাৎ কৰাহে। শিয়ালে যেনেকৈ চিকাৰ কৰা জন্তুৰ অলপ মঙহ সিংহক দেখুৱাই গোটেইখিনি নিজেহে খায়, ঠিক তেনেকৈ মন্ত্ৰীসকলেও সকলো ধন খায়। মন্ত্ৰীয়ে নিজৰ বিষয়ে ৰজাক এটা সৎ ধাৰণা দিবলৈ এনে কাৰ্য কৰে, নহ'লে তেওঁ ৰাজহুৱা ধন অপচয় কৰাৰ কথা ৰজাই বেলেগ মানুহৰপৰা জানিব পাৰে।"

প্ৰৌঢ়-প্ৰিয়া-পালন ৰোৎপলই আকৌ কৈছে : যি ৰাজ্যত কলিখল, নৃপতি আৰু মন্ত্ৰী এই চাৰিওটা মানুহৰ কাল হৈ পৰে, তেনে ৰাজ্যত সৎ মানুহ থকা উচিত নহয়।

অশ্বথ নামৰ এজন কবিয়ে অভিযোগ কৰিছে যে মন্ত্ৰীয়ে আনৰ পত্নীক নিজ পত্নী বুলি গণ্য কৰে। কুটুম্বৰ তিৰোতা তেওঁৰ আনন্দৰ সংগিনী। বেশ্যা হ'ল এনে মন্ত্ৰীৰ অনুৰাগ আৰু চেনেহৰ পাত্ৰী। ভিক্ষুনীসকল তেওঁৰ সেৱকিনী।

মন্ত্ৰীৰ ভণ্ডামিৰ কথা ভৰত বুলি এজন কবিয়ে অতি উত্তপ্ত ব্যংগৰ সুৰত বৰ্ণাইছে। তেওঁ হয় হস্তী-ৰথ আৰু অনুচৰ বৰ্গৰ হতুৰাই গছকত সংসাৰৰ প্ৰাণী সংহাৰ কৰে, অথচ প্ৰাণী বধ হ'ব বুলি নিজে পাদুকাও পৰিধান নকৰে। জীৱবধ হয় বুলি তেওঁ গছৰ পাত, ফল, ফুল একো নিছিঙে। কিন্তু আনহাতে যাগযজ্ঞে তেওঁ দেৱ (মূৰ্তি), দ্বিজ আৰু তপস্বীক সংহাৰ কৰে।

পুৰুহুত নামৰ এজন কবিয়ে অভিযোগ কৰিছে যে মন্ত্ৰী গুণীৰ গুণ অপ্ৰকটকৈ ৰখাত সিদ্ধহস্ত। ইয়াৰবাবে তেওঁ আনবো সহায় লয়। আন এজন কবিয়ে অভিযোগ কৰিছে যে মন্ত্ৰীৰ নিজৰ মাকৰ প্ৰতিও কৰুণা নাই।

সোমদেৱ এজন নিবৃত্ত-নিপাণী জৈন কবি হ'লেও তেওঁ এজন ৰাজনীতি বিশাৰদো। সেইবাবে এইবোৰ শ্লোকত তেওঁ গভীৰ ৰাজনৈতিক অন্তৰ্দৃষ্টি দৰ্শাইছে। দুৰ্নীতি বিষয়টো ৰাজনীতিৰ অন্তৰ্ভুক্ত। সন্দিকৈযে দেখুৱাইছে কেনেকৈ সোমদেৱে তেওঁৰ অন্যতম গ্ৰন্থ 'নীতিবাক্যামৃত'ত লোকায়তিক দৰ্শনত অভিজ্ঞ হ'বলৈ সকিয়াই দিছে। তেওঁৰ মতে ৰাষ্ট্ৰৰ দুৰ্গুণ নাশ কৰিবলৈ এই দৰ্শনৰপৰা অনুপ্ৰেৰণা পোৱা যায়। প্ৰকৃতপক্ষে সোমদেৱে ধৰ্মক কাম আৰু অৰ্থৰপৰা বিচ্ছিন্নকৈ চোৱা নাছিল। যি কেৱল ধৰ্মকে অৰ্জন কৰে, তেওঁক খানৰ পথাৰ এৰি যাবি চহোৱা মানুহৰ সৈতে তুলনা কৰিব পাৰি।*

উক্ত শ্লোকবোৰৰ ব্যংগৰ সুৰ ভৌতিক আৰু বাস্তৱবাদী। এই প্ৰসংগত যশস্তিলকৰ কৃপণ চৰিত্ৰটোৰ কথা মনলৈ আহে। সোমদেৱে সাগৰ দত্ত বুলি বিটো কৃপণ সদাগৰৰ চৰিত্ৰ আঁকিছে, তেওঁ ঘৰৰ চোতালত চাকি জ্বলাবলৈ তেল ব্যৱহাৰ নকৰে। চালৰ একোণত এখন আইনা লগাই তাত পৰা চাকিৰ পোহৰৰ প্ৰতিফলন চোতালত পেলাবলৈহে তেওঁ ব্যৱস্থা কৰিছিল। আইনা-

---

* যশস্তিলক আৰু ভাৰতীয় সংস্কৃতি পৃঃ ২১৫

খনত যাতে নিজৰ ঘৰৰ চাকিৰ পোহৰ খৰচ কৰিবলগা নহয়, তাৰবাবে তেওঁ আইনাখন চালত এনেকৈ লগাইছিল যাতে তাত ওচৰ-চুবুৰীয়াৰ ঘৰৰ চাকিৰ পোহৰ আহি পৰেহি। সাগৰ দত্তই তেল খৰচ হয় বুলি ঘৰৰ ল'ৰা-ছোৱালীবোৰকো স্নানৰ আগতে গাত তেল ঘঁহিবলৈ নিদিছিল। তাৰ সলনি তেওঁ সিহঁতক ওচৰ-চুবুৰীয়া ল'ৰাবোৰে গাত তেল ঘঁহা সময়ত সিহঁতৰ ওচৰলৈ গৈ গাত গা ঘঁহাই দৰবাদৰবি কৰিবলৈ উপদেশ দিছিল। দৰবাদৰবি কৰোঁতে সিহঁতৰ গাত যি তেল লাগিছিল সেয়ে দেহৰ বাবে যথেষ্ট বুলি তেওঁ বিবেচনা কৰিছিল। সাগৰ দত্ত ইমান ডাঙৰ কৃপণ আছিল যে তেওঁ চাকৰৰ হতুৱাই দোকানৰপৰা তেল আৰু নিমখ কিনাই অনাই সেইবোৰ বেয়া বুলি আকৌ ওভোতাই দিয়াইছিল। চকত লাগি থকা খুদকণেই তেওঁ আহাৰৰ বাবে যথেষ্ট বুলি বিবেচনা কৰিছিল। ধুলে খৰচ বাঢ়ে বুলি তেওঁ মলিয়ন কাপোৰবোৰ বেচি দিছিল আৰু কেতিয়াও ভাতৰ নিমন্ত্ৰণ ৰক্ষা নকৰিছিল তেওঁৰ ধাৰণা আছিল নিমন্ত্ৰণ গ্ৰহণ কৰিলে, সিহঁত আনক নিমন্ত্ৰণ কৰিব লাগিব। নিমন্ত্ৰণ মানেই খৰচ। অকল সেয়ে নহয়, আনৰ তালৈ নিমন্ত্ৰণ খাবলৈ গ'লে লগত চাকৰ যাব আৰু চাকৰে ইয়ৰ গৃহস্থই কি কি খুৱালে তাক গম পাব! এনে আশংকাতো তেওঁ নিমন্ত্ৰণ খাবলৈ নগৈছিল।

এই চৰিত্ৰটোক সম্পৰ্কিয়ে থিয়ফ্ৰেষ্টাছৰ গ্ৰীক চৰিত্ৰসমূহৰ লগত বিজাইছে। এৰিষ্টটলৰ শিষ্য থিয়ফ্ৰেষ্টাছে কিছুমান কুচৰিত্ৰৰ ধাৰণা লিপিবদ্ধ কৰি গৈছে। সম্পৰ্কিয়ে সাগৰ দত্তৰ চৰিত্ৰটোও এই লিপিবদ্ধ চৰিত্ৰসমূহৰ দৰে সাঁচত ঢলা বুলি অনুমান কৰিছে। থিয়ফ্ৰেষ্টাছৰ চৰিত্ৰসমূহ গ্ৰীক্ কমেডীৰ আহি চৰিত্ৰ বুলিও বিবেচিত হয়।

উল্লেখযোগ্য যে সোমদেৱে আৰু এটি লেতেৰা মানুহৰ চৰিত্ৰ শংখনকৰ হতুৱাই বৰ্ণাইছে। এনেঁ। কৃপণ! কিন্তু লগে লগে লেতেৰাও!

তেওঁ ইমান লেতেৰা যে তেওঁৰ নাম মানুহে ভাত খাই উঠি মুখ হৃদি কৰি অতাইহে লয়। [৬]

পামৰদাৰৰ বিৰুদ্ধে শংখনকে নিৰ্মমভাৱে বাক্যবাণ হানিছে। সকলো ব্যংগ সাহিত্যৰে ই স্বীকৃত লক্ষণ। পামৰদাৰৰ বিৰুদ্ধে গুপ্তচৰে যিবোৰ নিৰ্দিষ্ট অভিযোগ আনিছে, সেইবোৰ গুৰুতৰ।

এটা অভিযোগ হ'ল পামৰদাৰোৱে খেতিয়কৰপৰা কঠিয়া সিঁচিবৰ সময়তে অবৈজ্ঞানিক শ্ৰম আদায় কৰে। ধান পকিলে তেওঁ খেতিয়কৰপৰা কৰ আদায় কৰে আৰু ধান ছপোৱাৰ সময়ত বে-আইনীভাৱে সেনা পঠিয়াই দিয়ে। আন এটা অভিযোগ হ'ল পামৰদাৰ বি-ধৰ্মী। তেওঁ মন্দিৰৰ ধন আত্মসাৎ কৰে, মূৰ্তিবোৰ ভাঙি বা গলাই ধন গোটায় আৰু কম দামী ধাতুৰ মূৰ্তি গঢ়াই পুনৰ মন্দিৰত প্ৰতিষ্ঠা কৰে। কেতিয়াবা তেওঁ একালে বিগ্ৰহ বেচে আৰু আনকালে ধৰ্মোৎসৱৰ আয়োজন কৰে। তেওঁ অগ্ৰহাৰ আৰু দেৱভোগ সম্পত্তি আত্মসাৎ কৰিবলৈও পিছ নোহোঁহকে। এহাতে তেওঁ ঠগৰ দৰে মানুহৰপৰা ধন লুণ্ঠন কৰে, আৰু আনহাতে সৎ ব্ৰাহ্মণক দান কৰে। তৃতীয় এটা অভিযোগ হ'ল এনেধৰণৰ : তেওঁ পাঁচজন চণ্ডালক প্ৰাসাদত ৰান্ধনি আৰু পানীভৰাৰী কৰি লৈছিল। চণ্ডালক ৰান্ধনি পতা বাবে গোটেইখনত হুলস্থুল লাগিলত এদিন ৰাতি এই কাপুৰুষে শুই থকা অৱস্থাতে পাঁচোজন চণ্ডালক বধ কৰিলে। যেতিয়া মানুহে তেওঁক পৰাচিত্ত হ'বলৈ উপদেশ দিলে, তেতিয়া পামৰদাৰই চাৰ্বাক মতৰ উক্তি দি ক'লে : "চণ্ডালে স্পৰ্শ কৰিলেও ৰ'দ, বস্তু, অগ্নি, গৰু আৰু বায়ু অপবিত্ৰ নহয়। সেইদৰে মই স্বাভাৱিকতে পবিত্ৰ, চণ্ডালৰ স্পৰ্শই মোক কলুষিত নকৰে। আত্মা স্বাভাৱিকতে পবিত্ৰ ; দেহহে অপবিত্ৰ। পণ্ডিতে ভাবক, সংসাৰত প্ৰায়শ্চিত্ত কাৰ বাবে প্ৰযোজ্য ?

---

৬ যশস্তিলক আৰু ভাৰতীয় সংস্কৃতি, পৃঃ ১০

মহোদয়, বৰ্ণাশ্ৰম আৰু জাতিকুল আদি প্ৰথা মাত্ৰ। দৰাচলতে ব্ৰাহ্মণো নাই চণ্ডালো নাই।"[৭]

ইয়াৰ বাহিৰেও পামৰদাৰই কেইবাজনো কবি আৰু পণ্ডিতক অন্যায় কৰিছিল। বিদাস নামে এজন পণ্ডিতক তেওঁ ভাতে মাৰিছিল, কোহল নামে এজন কবিৰ অৰ্থনৈতিক অনিষ্ট সাধিছিল। গণপতি নামে এজন কবিক তেওঁ অপমান কৰিছিল। আৰু শংকৰ পণ্ডিতক সৰ্বস্বান্ত কৰিছিল। তেওঁ কুমুদ পণ্ডিতৰ ধৰ্মবিশ্বাসত আঘাত কৰিছিল আৰু কবি কেকতিক দেশত্যাগী হ'বলৈ বাধ্য কৰাইছিল।

উপসংহাৰত শংখনকে ৰজাক এষাৰ সাৱধান বাণী শুনাইছিল। ৰজাৰ ধৰ্মৰক্ষা, বন্ধু-বান্ধৱৰ আনন্দ আৰু সুখ, সেৱকসকলৰ মনৰ শান্তি আদি নিৰ্ভৰ কৰিছে পামৰদাৰদৰে দুষ্ট মন্ত্ৰীবোৰক আঁতৰোৱাত কিন্তু ৰজা যশোধৰে প্ৰকৃতপক্ষে মন্ত্ৰীৰ বিৰুদ্ধে কি ব্যৱস্থা ল'লে, সেই সমন্ধে যশস্তিলক সম্পূৰ্ণ নীৰৱ[৮]

সন্দিকৈয়ে তেওঁৰ গ্ৰন্থৰ পঞ্চম অধ্যায়ত শংখনকৰ প্ৰথম দুটা অভিযোগৰ সামাজিক তাৎপৰ্য বিচাৰ কৰিছে। সন্দিকৈৰ এই তথ্য-খিনি মূল্যৱান।

পামৰদাৰই কঠিয়া সিঁচাৰ কালত অবৈতনিক শ্ৰম (বিষ্টি) আদায় কৰাটো অবিধেয়। এইকথা সোমদেৱে তেওঁৰ নীতিবাক্যা-মৃতত বহলাই আলোচনা কৰিছে। কৌটিল্যৰ দিনৰেপৰা বিষ্টি লোৱা প্ৰথা চলি আহিলেও, এই অবৈতনিক শ্ৰম দুখীয়ালোকৰ যম স্বৰূপ হৈছিল। সেইবাবে সোমদেৱে কঠিয়া সিঁচাৰ সময়ত এনে শ্ৰম আদায় কৰাটো অবিধেয় বুলি ধৰিছিল। সন্দিকৈয়ে দেখু-ৱাইছে যে সোমদেৱে ধান নপকা সময়ত কৰ আদায় (সিদ্ধাদায়) আৰু ধান ছপোৱাৰ সময়ত সেনাৰ চলাচল আদি কাম বিৰোধিতা

৭ যশস্তিলক আৰু ভাৰতীয় সংস্কৃতি, পৃঃ ৩১
৮ —ঐ— „ ৩২

কৰাৰ যথেষ্ট কাৰণ আছিল। নীতিবাক্যামৃতৰ মতে ধান নপকা সময়ত খাজনা তুলিলে দেশ জনশূন্য হয়, আৰু ধান চপোৱাৰ সময়ত সেনাৰ চলাচল হ'লে দেশত দুৰ্ভিক্ষ হয়।

পামৰদাৰেই অগ্ৰহাৰ আৰু দেৱভোগ সম্পত্তি আত্মসাৎ কৰা আৰু বিগ্ৰহ লুণ্ঠন কৰাৰ দোষ অস্বীকাৰ কৰা টান। কিন্তু সম-সাময়িক যুগত কেইবাজনো ৰজাই এনে দোষ কৰিছিল। এনে কাৰ্যৰ মূলতে ৰাষ্ট্ৰৰ ধনকোষ টনকিয়াল কৰাৰ ইচ্ছাও নথকা নহয়। এই সত্য সন্দিকৈয়ে উদাহৰণসহ বটিয়াকৈ বুজায় দিছে। নৱম শতিকাৰ কাশ্মীৰ ৰজা শংকৰবৰ্মনে সৰ্বমুঠ চৌষষ্ঠিটা দেৱমন্দিৰ লুণ্ঠন কৰিছিল। একাদশ শতিকাৰ ৰজা কলস আৰু হৰ্ষৰ (দুয়ো কাশ্মীৰৰ) দিনতো এনে কাৰ্য অনুষ্ঠিত হয়। হৰ্ষৰ আদেশত তেওঁৰ 'অৰ্থনায়ক' গৌৰকে দৈৱোৎপাতনৰ নায়ক হৈ সকলো মন্দিৰ লুণ্ঠন কৰিছিল। দশম শতিকাৰ কাশ্মীৰৰ ৰজা ক্ষেমগুপ্তই (এওঁ সোমদেৱৰ সমসাময়িক) ক্ষেম গৌৰীশ্বৰ মন্দিৰ সাজিবলৈ বুদ্ধ মূৰ্তিৰ পিতল ব্যৱহাৰ কৰিছিল। গুজৰাটৰ ৰজা প্ৰহ্লাদনদেৱে (দ্বাদশ শতিকা) এটা জিন মূৰ্তিৰ গাৰ পিতল নি অচলেশ্বৰ মন্দিৰৰ বৃষভৰ মূৰ্তি সজাইছিল। একাদশ শতিকাৰ ইউৰোপতো বাইজেন্টীয় সম্ৰাট এলেক্সিয়াচ প্ৰথম কমেনাচে গীৰ্জাৰ মূৰ্তি ভাঙি ৰাজকোষৰ শূন্যতা পূৰ্ণ কৰিছিল। চেলকেডন গীৰ্জাৰ বিশপ লিঅ'ই এই অন্যায় কাৰ্যৰ প্ৰতিবাদ কৰি নিজেহে ক্লেশ ভোগ কৰিলে। এইবিলাক উদাহৰণ দাঙি ধৰি সন্দিকৈয়ে অনুমান কৰিছে সেইকালত দাক্ষিণাত্যতো প্ৰাদেশিক ৰাজ্যপালসমূহে ৰাজকোষৰ ঘাটি পূৰণ কৰিবলৈ এই অবিধেয় ব্যৱস্থা গ্ৰহণ কৰিছিল[১] কিন্তু সোমদেৱৰ নীতিবোধত এনে কাৰ্যই গভীৰ আঘাত হানিছিল আৰু সেয়ে তেওঁ পামৰদাৰৰ বিৰুদ্ধে ব্যংগাস্ত্ৰ নিক্ষেপ কৰিছিল।

শংখনকে যে পামৰদাৰৰ বিৰুদ্ধে ভেটি-খোৱা আৰু বলপূৰ্বক ধন আদায় কৰাৰ অভিযোগ আনিছিল, সেইকথা আগতে উনুকিয়াই

১ য. আ ভা. স পৃঃ ১১৭

অহা হৈছে। এই কু-কাৰ্যৰ বাবে সোমদেৱে পামৰদাৰক "লঞ্চা-লুঞ্চা-নিশাচৰ :" বুলিছে। "লঞ্চা" মানে ভেটি আৰু "লুঞ্চা" মানে 'বাধ্যতা-মূলক আদায়।' সোমদেৱে নীতিবাক্যামৃতত এই দুটা কাৰ্য সকলো কুকৰ্মৰ মূল বুলি বৰ্ণনা কৰিছে। সেইবাবে সোমদেৱে ৰজাক সাৱধান কৰি দিছে যাতে বাহিৰৰপৰা অহা ব্যৱসায়ী লোভী কৰ্মচাৰীৰ হাতত পৰি কেতিয়াও লুণ্ঠিত নহয়।

সন্দিকৈৰ তীক্ষ্ণ দৃষ্টিত 'যশস্তিলক'ৰ কোনো এটি সাংস্কৃতিক বৈশিষ্ট্য অগঠিত আৰু অমূল্যাংকিত হৈ সাৰি যোৱা নাই। যশ-স্তিলকত শংখনকে ৰজা যশোধৰৰ আগত দিয়া প্ৰতিবেদনখনৰ সাহিত্যিক আৰু সামাজিক মূল্য তেওঁ নিৰপেক্ষ পাণ্ডিত্যৰ দৃষ্টিৰে নিৰ্ণয় কৰিবলৈ সমৰ্থ হৈছে।

সাহিত্যৰ দৃষ্টিৰপৰা স্মৰণীয় কথা হ'ল যশস্তিলকত ব্যংগৰস বা চেটায়াৰৰ চিটিকনি। প্ৰতিবেদনখনৰ শ্লোকবোৰ সংস্কৃত ভাষাত প্ৰথম সুসংগঠিত ব্যংগৰস প্ৰৱৰ্তনৰ প্ৰয়াস। প্ৰকৃতপক্ষে যদিও সংস্কৃত সাহিত্য ইউৰোপীয় সাহিত্যৰ তুলনাত এই ক্ষেত্ৰত দুখীয়া, তথাপি ই একেবাৰে পিছপৰা নহয়।

দ্বিতীয় মহত্বপূৰ্ণ সংবাদ হ'ল : এই প্ৰতিবেদনখনত পোৱা সামাজিক তথ্যই প্ৰমাণ কৰে যে সমসাময়িক ৰজাসকলে ৰাজকোষৰ বাটি পূৰাবলৈ মঠ-মন্দিৰত হাত দিবলৈ কুণ্ঠাবোধ কৰা নাছিল। সোমদেৱে নৈতিক দৃষ্টিৰপৰা এই কাৰ্য ভেটিখোৱা আৰু বাধ্যতা-মূলক ধন আদায়ৰ দৰেই নিন্দনীয় বুলি ভাবিছিল। ইয়াৰ উপৰিও সেইকালত অবৈতনিক শ্ৰম আৰু জধে-মধে কৰ আদায়ৰ জুলুমো প্ৰচলিত আছিল।

এই প্ৰবন্ধৰ বিষয়বস্তু অতি সীমাবদ্ধ। যশস্তিলকত এটা যুগৰ সংস্কৃতিৰ কেইবাটাও দিশ বৰ্ণিত হৈছে। প্ৰত্যেকটো দিশৰে স্বতন্ত্ৰ অধ্যয়ন হ'লে অসমীয়া পাঠকৰ মনত নতুন কৌতূহল আৰু জিজ্ঞাসা উদয় হ'বলৈ বাধ্য। ●

নৈষধচৰিত আৰু সন্দিকৈৰ অনুবাদ

ড° বিশ্বনাৰায়ণ শাস্ত্ৰী

কবি শ্ৰীহৰ্ষৰ নৈষধচৰিত বা নৈষধীয়চৰিত ভাৰতীয় পৰম্পৰাত স্বীকৃত সংস্কৃত ভাষাৰ পঞ্চম মহাকাব্য। অন্য চাৰিখন হৈছে— কালিদাসৰ ৰঘুবংশ আৰু কুমাৰ সম্ভৱ, ভাৰবিৰ কিৰাতাৰ্জুনীয় আৰু মাঘৰ শিশুপাল-বধ। কবি অশ্বঘোষৰ বুদ্ধচৰিত এই গণনাৰ ভিতৰত নপৰে। বুদ্ধচৰিত প্ৰাক্ কালিদাসীয় নে কালিদাসোত্তৰ কৃতি ই এতিয়াও বিতৰ্কৰ বিষয়। উভয়োপক্ষে প্ৰবল যুক্তি প্ৰমাণ উত্থাপন আৰু তুমুল বিতৰ্কৰ পিছতো সন্দেহৰ নিৰসন হোৱা নাই। সেই দেখি কালিদাসকে সংস্কৃত ভাষাত মহাকাব্যৰ প্ৰথম স্ৰষ্টা আৰু পথিকৃৎ বুলি ধৰি কালিদাসৰপৰা শ্ৰীহৰ্ষলৈকে মহাকাব্যৰ বিকাশৰ চমু আভাস অ'ক তুলনা দাঙি ধৰাৰ চেষ্টা কৰা হৈছে। স্মৰণীয় যে পাশ্চাত্য সাহিত্য-সমালোচনাৰ মানদণ্ডেৰে ৰামায়ণ আৰু মহাভাৰতক 'এপিক' (epic) অৰ্থাৎ মহাকাব্য আখ্যা দিয়া হৈছে যদিও ভাৰতীয় পৰম্পৰাত ৰামায়ণ 'আৰ্ষ' (ঋষি প্ৰণীত গ্ৰন্থ) আৰু মহাভাৰত ইতিহাস ৰূপেহে পৰিগণিত।

এই আলোচনাত নৈষধচৰিতৰ ৰচনাকাল, কথা-বস্তু, বৰ্ণনাৰীতি আদিৰ উল্লেখ কৰি উক্ত মহাকাব্যৰ সন্দিকৈদেৱে কৰা অনুবাদ আৰু অন্যান্য আলোচনাৰ আভাস দিবলৈ চেষ্টা কৰা হৈছে। এই প্ৰচেষ্টাত অবিমিশ্ৰ প্ৰশংসাৰ সলনি সমীক্ষাৰে তথ্য দাঙি ধৰাৰ প্ৰৱণতা পৰিলক্ষিত হ'ব।

কাব্যখনৰ নাম আৰু কথা-বস্তু ঃ

নিষধ দেশৰ (বৰ্তমান মেৱাৰ অঞ্চল) ৰজা নল (নৈষধ)ৰ চৰিত অৰ্থাৎ আচৰণ বা সম্পাদিত কাৰ্যৰ বৰ্ণনা থকা বাবে কাব্য-খনৰ নাম দিয়া হৈছে নৈষধচৰিত। নৈষধীয়চৰিত নামেৰেও এই কাব্যখন প্ৰসিদ্ধ। (নৈষধ = নলৰ চৰিত, ষষ্ঠী তৎপুৰুষ; নৈষধীয় যি চৰিত—কৰ্মধাৰয় সমাস) নৈষধ ৰজা সম্পৰ্কীয় কাৰ্যৰ বৰ্ণনা—এই অৰ্থত উক্ত নাম প্ৰচলিত। প্ৰকৃততে দুয়োটা নামৰ অৰ্থ একেই।

যদিও নৈষধচৰিত নামটোৱে নিষধদেশৰ ৰজা নলৰ কাৰ্য-কলাপ, আচৰণ আদিৰ বৰ্ণনা সূচায়, স্বৰূপাৰ্থত তেনে কোনো সামগ্ৰিক বৰ্ণনা কাব্যখনত নাই। নলৰ জীৱনৰ এছোৱা কালৰ বৰ্ণনাহে আছে। সেয়ে হৈছে নলৰ ৰাজ অন্তঃপুৰৰ ভিতৰত থকা এখন কৃত্ৰিম সৰোবৰত আছি পৰা এটা ৰাজহাঁহৰপৰা বিদৰ্ভৰ ৰাজকন্যা দময়ন্তীৰ ৰূপ-লাৱণ্যৰ কথা আৰু দময়ন্তীৰ প্ৰণয়ানুৰাগ শুনি নলৰ অন্তৰত হোৱা প্ৰণয়-উন্মেষ আৰু শেষত সেই ৰাজহাঁহৰ দৌত্যত দুয়োৰে বিবাহ আৰু বিবাহৰ পিছত 'মধুচন্দ্ৰিকা' যাপনৰ বৰ্ণনাতে কাব্যখন শেষ হৈছে। আকাৰত কাব্যখন ডাঙৰ আৰু বৰ্ণনা দীঘলীয়া হ'লেও 'চৰিত' সংক্ষিপ্ত আৰু অনুৰাগপ্ৰৱণ। পৰম্পৰাগত প্ৰথা অনুসাৰে নামটো 'গৰ্ভিতাৰ্থ প্ৰকাশক' ৰূপে দিয়া হৈছে যদিও নামৰ সৈতে কামৰ পূৰ্ণসংগতিৰ অভাৱ দেখা যায়। হৰ্ষ-চৰিত, ৰামচৰিত, দশকুমাৰচৰিত আদি প্ৰসিদ্ধ নাম অনুসৰণ কৰি কাব্যখনৰ নাম নৈষধচৰিত দিয়া হৈছে যেন লাগে। ব্যক্তি-বাচক 'নল' নামৰ ঠাইত বিশেষণেৰে বুজোৱা 'নৈষধ' নাম গ্ৰহণ কৰাটোও উল্লেখযোগ্য। নৈষধ-চৰিতৰ কথা-বস্তু মহাভাৰতৰপৰা আহৃত।[১] শ্ৰীহৰ্ষই নৈষধচৰিত ৰচনা কৰাৰ বহুকাল পূৰ্বেই নল-দময়ন্তীৰ প্ৰণয়মধুৰ বিৰহ-বিষাদৰ আখ্যান কেইবাখনো পুৰাণত প্ৰৱেশ কৰি জনপ্ৰিয় আখ্যানৰূপে প্ৰসিদ্ধ হৈ পৰিছিল। এই

১.

আখ্যানৰ আকৰ্ষণ আৰু জনপ্ৰিয়তা নল-দময়ন্তীৰ অনুৰাগ-প্ৰৱণ বিবাহ, বিচ্ছেদ আৰু বিৰহ আৰু বিৰহৰ পিছত পুনৰ্মিলনত, কিন্তু শ্ৰীহৰ্ষই নল-দময়ন্তীৰ বিবাহৰ পিছতেই নৈষধচৰিতৰ আখ্যানৰ সামৰণি মাৰিছে। ঘটনা অতি সংক্ষিপ্ত আৰু ঘটনা প্ৰৱাহৰ গতিও কূৰ্ম-মন্থৰ। সংক্ষিপ্ত হ'লে বৰ্ণনাৰ অনুক্ৰম মহাভাৰতৰ আখ্যানৰ বিশ্বস্ত অনুগামী। 'অমৃতসমান' মহাভাৰতৰ কথাৰ লগত 'পুৰাণ কিছু মিশ্ৰিদি' পাখীৰ নৈতে মৌ মিহলোৱাৰ যত্ন শ্ৰীহৰ্ষই কৰা নাই, তেনে পৰিশ্ৰমৰ প্ৰয়োজনো হোৱা নাই। শ্ৰীহৰ্ষৰ প্ৰচেষ্টা কেৱল 'ইতিবৃত্তমাত্ৰ-নিৰ্বাহ'ৰ বাবেই নহয়, কবিৰূপে 'আত্মসিদ্ধি'ৰ (খ্যাতি) বাবেহে। তাৰবাবে শ্ৰীহৰ্ষই সমগ্ৰ মনোনিবেশ কৰিছে, বলিষ্ঠ বৰ্ণনাত, পদলালিত্যত, কল্পনাৰ আতিশয্যত আৰু দাৰ্শনিক-সামাজিক জ্ঞান-বিদ্যাৰ বিপুল সমাৱেশত। এটা দীঘলীয়া ঘটনাবহুল আখ্যান কোৱাৰ শ্ৰীহৰ্ষৰ অভিপ্ৰায় নহয়, সেই আগ্ৰহ ক'তো প্ৰকাশ হোৱা নাই। সেইদেখি বৰ্ণনাৰ তুলনাত নৈষধচৰিতৰ আখ্যান ভাগ তেনেই নগণ্য। মনোজ্ঞ বৰ্ণনা, কৃত্ৰিম চিত্ৰ-চিত্ৰণ আৰু চৰিত্ৰাংকণতহে মুঠতে নৈষধচৰিতৰ মহত্ব নিহিত। নৈষধচৰিতৰ বৰ্ণনীয় বিষয়ৰ কিছু আভাস দিয়াৰ আগতে শ্ৰীহৰ্ষৰ কবি-প্ৰকৃতি আৰু পাণ্ডিত্যৰ বিষয়ে কিছু কথা কোৱা আৱশ্যক

কবি শ্ৰীহৰ্ষ

শ্ৰীহৰ্ষ হীৰ পণ্ডিত বা শ্ৰীহীৰ আৰু মামল্ল দেৱীৰ পুত্ৰ।[২] নৈষধচৰিতৰ সৰ্গৰ শেষত থকা এফাকি কবিতাৰপৰা জনা যায় যে শ্ৰীহৰ্ষই কনৌজৰ ৰজা জয়চন্দ্ৰ আৰু বিজয়চন্দ্ৰৰ পৃষ্ঠপোষকতা লাভ কৰিছিল।[৩] সম্ভৱতঃ ৰাজকীয় পৃষ্ঠপোষকতা লাভ কৰি ৰাজ কবিৰূপেই শ্ৰীহৰ্ষই নৈষধচৰিত আৰু অন্যান্য গ্ৰন্থ ৰচনা কৰিছিল। শ্ৰীহৰ্ষৰ স্থিতিকাল খ্ৰীষ্টীয় দ্বাদশ শতিকা।

২.

৩.

শ্ৰীহৰ্ষ কেৱল কবিয়েই নহয়, সেই যুগৰ এজন প্ৰখ্যাত দাৰ্শনিক, পণ্ডিত আৰু প্ৰসিদ্ধ চিন্তাশীল লেখকো আছিল। নৈষধ-চৰিতৰ উপৰিও তেওঁ আৰু কেইবাখনো গ্ৰন্থ ৰচনা কৰিছিল।[৪] তাৰ ভিতৰত অদ্বৈত বেদান্ত মতৰ খণ্ডন-খণ্ড খাদ্য[৫] নামৰ গ্ৰন্থখন বিশেষ প্ৰসিদ্ধ। এই গ্ৰন্থত অদ্বৈত মতৰ বিৰুদ্ধে থকা সকলো মত আৰু সমালোচনা খণ্ডন কৰি নিজৰ মত প্ৰতিষ্ঠা কৰা হৈছে।

শ্ৰীহৰ্ষই নিজৰ কবিপ্ৰতিভা আৰু পাণ্ডিত্যৰ স্বীকৃতিস্বৰূপে কান্যকুব্জেশ্বৰৰ ৰাজসভাত এখন সন্মানৰ আসন, দুজোৰ তাম্বোল-পাণ লাভ কৰিছিল বুলি নৈষধচৰিতত উল্লেখ কৰিছে।[৬]

শ্ৰীহৰ্ষৰ কাব্যৰচনা সম্পৰ্কে দুটা লোকপ্ৰিয় জনশ্ৰুতি পণ্ডিত-সকলৰ মাজত বহুদিনৰপৰা চলি আহিছে। তাৰে প্ৰথমটো জন-শ্ৰুতি অনুসাৰে শ্ৰীহৰ্ষ দ্বাদশ শতকৰ কাশ্মীৰী আলংকাৰিক কাব্য-প্ৰকাশৰ ৰচয়িতা মম্মটভট্টৰ ভাগিনিয়েক।

> এসময়ত যুৱক শ্ৰীহৰ্ষই সম্পূৰ্ণ নতুন শৈলীৰে এখন কাব্য ৰচনা কৰি মোমায়েকৰ হাতত দিলে আৰু অধীৰ আগ্ৰহেৰে মন্তব্যলৈ অপেক্ষা কৰি ৰ'ল মম্মটে শ্ৰীহৰ্ষৰ ৰচনা মনোযোগেৰে পঢ়ি প্ৰশংসা কৰাৰ সলনি এই বুলিহে ৰোলে মন্তব্য কৰিলে যে যদি কাব্য-প্ৰকাশ ৰচনা কৰাৰ আগতে তেওঁ শ্ৰীহৰ্ষৰ এই কাব্যখন পালেহেঁতেন তেনেহলে তেওঁ কাব্যৰ দোষ ত্ৰুটি আৰু স্খলনৰ উদাহৰণ বিচাৰি শ শ গ্ৰন্থৰ পাট লুটিয়াব নেলাগিলহেঁতেন, কেৱল এই একেখন কাব্যৰপৰাই সকলোবোৰ দোষ-ত্ৰুটিৰ উদাহৰণ দিব পাৰিলেহেঁতেন। অলপ আগতে পোৱা হ'লেই মম্মটৰ বহু পৰিশ্ৰম লাঘৱ হ'লহেঁতেন।

৪

দ্বিতীয় জনশ্ৰুতিয়ে কয় :

শ্ৰীহৰ্ষই দেৱী ত্ৰিপুৰাৰ বৰ লাভ কৰিছিল কবি আৰু পণ্ডিত হ'বলৈ। দেৱীৰ বৰত শ্ৰীহৰ্ষই যেতিয়া কাব্য ৰচনা কৰি সাহিত্য সৃষ্টিত হাত পকাবলৈ চেষ্টা কৰিলে, তেওঁৰ সাহিত্য কৃতি কাৰো মনঃপূত নহ'ল—আনকি সেই ৰচনা বহুতৰে বোধগম্য নহ'ল; দুৰ্বোধ্য বুলি বহুতে নাক কোঁচালে—আধুনিক কবিতাৰ প্ৰতি প্ৰাচীন পন্থীসকলৰদৰে।

ক্ষুণ্ণ আৰু বিমৰ্ষ শ্ৰীহৰ্ষই দেৱী ত্ৰিপুৰাৰ আগত নিজৰ মনোবেদনা এইবুলি নিবেদন কৰিলে, "আই! মোৰ 'অতিপ্ৰজ্ঞা' (প্ৰখৰ বুদ্ধি) দোষতহে পৰিণত হৈছে। দেৱীয়ে ইয়াৰ প্ৰতিবিধান কৰিব লাগে।" শ্ৰীহৰ্ষৰ প্ৰাৰ্থনা শুনি দেৱীয়ে শ্ৰীহৰ্ষক নিতৌ মাটিমাহ খাবলৈ আৰু মাজৰাতি গা-ধুই দৈ গাখীৰ খাবলৈ উপদেশ দিলে আৰু ক'লে যে তাকে কৰিলে তেওঁৰ বুদ্ধিৰ তীক্ষ্ণতা সাধাৰণৰ বোধগম্য হবলৈ নামি আহিব। তেতিয়া তেওঁৰ কাব্য-ৰচনা সকলোৱে বুজিব পাৰিব। দেৱীৰ উপদেশ পালন কৰি যোৱাত শ্ৰীহৰ্ষ কৃতকাৰ্য হ'ল।

অন্য এটা জনশ্ৰুতিয়ে কয় : শ্ৰীহৰ্ষই চিন্তামণি মন্ত্ৰ জপ কৰি সিদ্ধি লাভ কৰিছিল। চিন্তামণি মন্ত্ৰ জপ কৰাৰ কথা শ্ৰীহৰ্ষই নিজেই উল্লেখ কৰিছে। প্ৰথম আৰু দ্বিতীয় জনশ্ৰুতি দুটাৰ সত্য নিহিত আছে ইয়াৰ তাৎপৰ্যতহে, যথাৰ্থতা নহয়। প্ৰথমটো জনশ্ৰুতিৰ তাৎপৰ্য এয়ে যে শ্ৰীহৰ্ষই সাহিত্য-সমীক্ষক, আলংকাৰিকৰ অনুশাসন উলংঘা কৰি পৰম্পৰাগত কাব্যৰীতিৰ বিৰুদ্ধে ভাৱৰ অভিব্যক্তি নতুন শৈলীত ৰূপ দিছিল আৰু সিয়েই আছিল সাহিত্য-সমীক্ষা শাস্ত্ৰৰ প্ৰতিনিধি স্থানীয় কাব্যপ্ৰকাশৰ মানদণ্ডেৰে মম্মটৰ দৃষ্টিত একান্ত দোষণীয়। (*মম্মটৰ সৈতে শ্ৰীহৰ্ষৰ সম্বন্ধ তথা মম্মটৰ মন্তব্য সম্পূৰ্ণ কল্পিত*)।

দ্বিতীয় জনশ্ৰুতি কালিদাসৰ বিষয়ে থকা কিংবদন্তীৰ সম-পৰ্যায়ৰ। কালিদাসৰ অলোকসামান্য কবি-প্ৰতিভা 'মানৱসুলভ নহয় বৰং দৈৱিক' বুলি বিস্ময়াভিভূত জনগণে কৰা মন্তব্যৰ আধাৰতে কালিদাসে দেৱীৰ বৰ লাভ কৰাৰ উৰ্বৰ কল্পনাই জন্ম দিছে। ঠিক সেই একেদৰেই দাৰ্শনিক শ্ৰীহৰ্ষৰ নতুন ৰচনা-শৈলী আছিল আচহুৰা; শ্ৰীহৰ্ষৰ কবিতাত হৃদয়-বৃত্তিৰ অনুৰক্তকৈ বুদ্ধি-মেধাৰ প্ৰকাশৰ আতিশয্যই সমকালীন কবি-সাহিত্যিকৰ বিৰূপ সমালোচনাহে আহ্বান কৰিছিল।

কবি-সাহিত্যিকে নিজৰ কাৰণেই নিলিখে—লিখে পাঠকৰ বা শ্ৰোতাৰ বাবে; পাঠকক নিজ অন্তৰৰ অনুভূতি বাঙ্ময়ৰূপত জনাবৰ বাবে; অৰ্থাৎ কবি-সাহিত্যিকৰ হৃদয়ৰ স্পন্দন, মনৰ আবেগ, প্ৰাণৰ আকুলতা আদি সকলো অনুভূতিৰ সুস্পষ্ট বা সাংকেতিক প্ৰকাশ হয় কবি-সাহিত্যিকৰ ৰচনাত

সাহিত্যৰ এই সাৰ্বজনীন সত্যই প্ৰকাশ হৈছে—জনশ্ৰুতিৰ মাজেদি, সম্ভৱ-অসম্ভৱ উপকথাৰ যোগেদি। সাহিত্য যে সহৃদয়-হৃদয়-সংবাদৰূপে কবি-সাহিত্যিকৰ অন্তৰ বৃত্তিৰে সৈতে পাঠকৰ অন্তঃ-কৰণৰ সংযোগ সাধন—তাৰে ই নিদৰ্শনা মাত্ৰ। যথাৰ্থতে ই হৈছে জনতাৰ সাহিত্য সমালোচনা—সমগ্ৰিক অথচ সংক্ষিপ্ত।

সংস্কৃত মহাকাব্য আৰু নৈষধচৰিত

সংস্কৃত কাব্যৰ উদ্ভৱ কেতিয়া হয় সঠিককৈ কোৱা টান। এই বিষয়ে বিভিন্ন মত আছে। কোনোৱে কয় যে সংস্কৃত কাব্যৰ উদ্ভৱ কাল বৈদিক যুগৰ পিছত নহয়। আন বহুতে পাণিনিৰ সময়ত বিশেষকৈ পতঞ্জলিৰ সময়ত সংস্কৃত কাব্য ৰচনাৰ প্ৰচলন ব্যাপকভাৱে আছিল বুলি কয়।

"The literary evidence furnished by quotations and references in Patanjali's Mahabhasya, which show that the Sanskrit kāvya in some of its

recognised form flourished in the second century B. C., gives us the first definite indication regarding its early origin and development."

— History of Sanskrit-Literature,
Calcutta University, p.10.

সি যি হওক খ্রীষ্টীয় চতুৰ্থ-পঞ্চম শতিকাৰপৰা সংস্কৃত কাব্যৰ অবিচ্ছিন্ন ধাৰা বৈ থকা দেখা যায়। চতুৰ্থ শতিকাৰপৰা দ্বাদশ শতিকালৈকে এই আঠ-নশ বছৰ কাল জাতিৰ বুৰঞ্জীত দীঘলীয়া সময়। এইছোৱা সময়ত ৰাজনৈতিক, সামাজিক আৰু ধৰ্মবিশ্বাসৰ পৰিৱৰ্তনে চিন্তা আৰু কল্পনাৰ জগতত অশেষ প্ৰভাৱ পেলাইছে। জীৱন যাত্ৰাৰ পদ্ধতিৰ পৰিৱৰ্তনৰ লগে লগে সুকুমাৰ কলাতো সি প্ৰকাশ হৈছে। পৰিণতি ৰূপে দেখা যায়, কাব্যধাৰাৰ স্বচ্ছ, স্বাভাৱিক গতিৰ ঠাইত কৃত্ৰিম ভাৱ-বিলাসে প্ৰাধান্য লাভ কৰিছে। সহজ বৰ্ণনাৰ ঠাইত কষ্টকল্পিত বৰ্ণনা, সদায় দেখি-শুনি থকা বিষয়ৰ উপমাৰ ঠাইত টানি-আজুৰি অনা নাইবা বৌদ্ধিক উপমা আদিয়ে ঠাই লৈছে। চমুকৈ ক'বলৈ গ'লে অন্তৰৰ ঠাই দখল কৰিছে বুদ্ধিয়ে; গতিকে হৃদয়-বৃত্তিৰ প্ৰকাশতকৈ পিছৰ যুগৰ সংস্কৃত কাব্যত বুদ্ধিৰ প্ৰাখৰ্য অধিক দেখা যায়। বহুত কবিয়ে কাব্যৰ কথা-বস্তু অৱলম্বন কৰি নিজৰ বিদ্যা-বুদ্ধি, জ্ঞান-অভিজ্ঞতাৰ কছৰৎ দেখুৱাই পাঠকক বিস্ময়ত অভিভূত কৰাৰ প্ৰচেষ্টা কৰিছিল। তেওঁলোকৰ বাবে কাব্য যেন এডাল ঠাঁকোটাহে; তাত সকলো জ্ঞান-বিদ্যা এবিধ এবিধকৈ ওলোমাই থ'ব পাৰি।

লক্ষ্য কৰিবলগীয়া যে এই কালছোৱাত সাহিত্যৰ স্বৰূপ আৰু সাহিত্য-বিচাৰৰ মানদণ্ডবো বিৰাট পৰিৱৰ্তন ঘটে। কাব্যৰ আস্বাদ, ৰচনা, ৰীতি, ৰাচ্যাৰ্থ, ব্যংগাৰ্থ আদি বহুত বিষয়ে চক্ৰবৃৎ প্ৰাধান্য লাভ কৰা দেখা যায়।[৭] ফলত কাব্যৰ ৰচনা-ৰীতি জটিল

৭.

হৈ পৰে। কাব্য জটিলতাৰ ফালে আগবঢ়া যেন লক্ষ্য কৰিয়েই অষ্টম শতিকাৰ আলংকাৰিক ভামহে পৰিহাস কৰি কৈছিল :

> "কাব্যও যদি শাস্ত্ৰ গ্ৰন্থৰদৰে ব্যাখ্যাৰ সহায়তহে বুজিব লগা হয়, তেনেহ'লে মেধাৱীসকলে তাত আনন্দ পালেও আমাৰদৰে মূৰ্খবোৰ নিগমে মৰিলোঁ।"

কাব্যৰ ৰচনা-ৰীতি ক্ৰমে জটিল হোৱাৰ ই সূচনা মাত্ৰ। ৰচনা-ৰীতি জটিল হোৱাৰ লগতে সৌন্দৰ্যবোধ, বৰ্ণনীয় বিষয় আৰু প্ৰকাশ-ভংগীতো পৰিৱৰ্তনে দেখা দিয়ে। এই পৰিৱৰ্তন ভাৰবিৰ কিৰাতাৰ্জুনীয় আৰু মাঘৰ শিশুপাল বধৰ সৈতে কালিদাসৰ ৰঘুবংশ বা কুমাৰসম্ভৱৰ তুলনা কৰিলে সহজে স্পষ্ট হৈ পৰে। নৈষধচৰিতৰো যদি ওপৰত উল্লেখ কৰা কাব্যকেইখনৰ সৈতে তুলনা কৰা হয়—এই পাৰ্থক্য অধিক স্পষ্ট হৈ দেখা দিব। এই বিষয়ে আলোচনাৰ বাবে ইয়াত ঠাই নাই বাবে কেৱল এটা বিষয়ৰ উল্লেখেৰে আভাসে দিব খুজিছোঁ।

কালিদাসৰ কাব্যত প্ৰকৃতি (Nature) প্ৰকৃতিৰূপেই মানুহৰ সুখ-দুঃখৰ লগৰীয়া। গছ-লতা, নৈ-সৰোবৰ, পশু-পক্ষীয়ে নিজৰ নিজৰ বিচৰণ ক্ষেত্ৰত থাকিয়েই নায়ক-নায়িকাৰ প্ৰণয়-অনুৰাগ, বিৰহ-বেদনাৰ সমভাগী হৈ বৰ্ণনা অধিক মনোজ্ঞ আৰু প্ৰাণস্পৰ্শী কৰি তুলিছে। মানুহৰ ৰূপ লৈ বা মানুহৰ মাতেৰে মনোভাৱ প্ৰকাশ কৰা নাই। মালিনী তীৰৰ কণ্ব মুনিৰ আশ্ৰম এৰি পতিগৃহলৈ শকুন্তলা যাবলৈ ওলোৱাত আশ্ৰমৰ পোহনীয়া পহু পোৱালিটোৱে শকুন্তলাৰ কাপোৰৰ আঁচলত কামোৰ মাৰি ধৰি মুখৰপৰা আধা চোবোৱা কোমল ঘাঁহ উলিয়াই তাৰ অন্তৰৰ পুঞ্জীভূত বিৰহ-বেদনা মূক-মৌন ভাষাৰে প্ৰকাশ কৰিছে; দুখাৰি চকুলো তাৰ আয়ত নয়ন যুগলৰপৰা অজস্ৰ নিগৰি ওলাইছে।[৮]

৮.

এনে নৈসৰ্গিক বৰ্ণনা ভাৰৱিৰ কিৰাতাৰ্জুনীয়ত দেখা নাযায়। ভাৰৱিয়ে অধিক কৃত্ৰিমতাৰ আশ্ৰয় লোৱা নাই যদিও, মহাকাব্যৰ বৰ্ণনীয় বিষয় — দূত-প্ৰেৰণ, যুদ্ধ, অৰণ্য, সৰোবৰ, সন্ধ্যা-প্ৰভাত আদিৰ বৰ্ণনাৰ লগতে একো-একোটা বিষয়ত সংক্ষিপ্ত অৰ্থপূৰ্ণ উক্তিৰে গভীৰ অভিজ্ঞতা প্ৰকাশ কৰিছে।[৯] ভাৰৱিৰ পিচত মাঘে শিশুপাল বধত অধিক পৰিমাণে অধীত বিদ্যাৰ প্ৰকাশ আৰু বুদ্ধিৰ প্ৰয়োগ কৰিছে আৰু ব্যাকৰণ, অৰ্থশাস্ত্ৰ আদিৰ উপমা টানি আনিছে।[১০] সেই কাৰণেই নৈষধচৰিতৰ পূৰ্বাভাস ইয়াত দেখা যায়। নৈষধচৰিতত দেখা যায় — নিষধাধিপতি নলৰ অন্তঃপুৰৰ সৰোবৰত পৰা সোণালী ৰাজহাঁহটো নলে যেতিয়া হাতত সাবে ভৰিত সাবে গৈ মনে মনে খাপ মাৰি ধৰিলে, তেতিয়া হাঁহটোৱে মানুহৰ মাতেৰে নলৰ অন্তৰত সহানুভূতি জগাই তুলিবলৈ কিমান যে কৌশল অৱলম্বন কৰিছে - তাৰ অন্ত নাই।

"মোৰ আই আলৰ বুঢ়ী, ঘৰৰ গৈণী ন-পোৱালী, যেচেৰা পোৱালিকেইটা? সিহঁতৰ চকুৱেই যেন খোৱা নাই ...... মোৰ ওপৰতে আটাইৰে জীৱন। মোৰ অবিহনে যে সিহঁতৰ কি গতি হ'ব ......। ৰাজা! মই নহ'লেনো উহঁতে মুখ মেলি কেঁ কেঁ কৰি কাৰ ওচৰত চেঁপ বিচাৰিব?"[১১]

এইদৰে মৰ্মবেদনা আৰু শোক প্ৰকাশ কৰাত নলে হাঁহটো এৰি দিলে; সি ৰজাৰ মূৰৰ ওপৰত চপাকমান মাৰি আকৌ ৰজাৰ হাতত (নলৰ হাত দুখন ৰঙা পদুম বুলি ভুল কৰি) পৰিল আৰু স্বেচ্ছাই বিদৰ্ভৰাজকুমাৰী দময়ন্তীৰ বাতৰি নলক দিলে।

দময়ন্তীৰ ৰূপ-লাৱণ্য, সৌন্দৰ্য-সৌকুমাৰ্যই ইন্দ্ৰ, অগ্নি, যম আৰু বৰুণ এই চাৰিজন দেৱতাৰ অন্তৰতো প্ৰণয়ানুৰাগৰ জোৱাৰ

৯.

তুলিলে। চাৰিওজন দেৱতাই নলক দূত কৰি তেওঁলোকৰ প্ৰেম দময়ন্তীৰ ওচৰত নিবেদন কৰাৰ দায়িত্ব তেওঁৰ ওপৰত দিলে। নলে দূতৰ ছদ্মবেশেৰে দেৱতাৰ বৰত অদৃশ্য হৈ দময়ন্তীৰ অন্তঃপুৰত প্ৰবেশ কৰি ইমানদিন অন্তৰত ধ্যান কৰি থকা দময়ন্তীক প্ৰথম দেখিবলৈ পালে। দময়ন্তীয়ে কিন্তু তেতিয়াও নলক দেখা নাই। এই অৱস্থাত শ্ৰীহৰ্ষই দময়ন্তীৰ কায়িক সৌন্দৰ্যৰ বৰ্ণনা কৰিছে আৰু সমগ্ৰ বৰ্ণনা প্ৰকাশ হৈছে নলৰ মুখেদি, অৰ্থাৎ দূবৈৰপৰা অদৃশ্যভাৱে থাকি নলে দময়ন্তীৰ ভৰিৰ বুঢ়া-আঙুলিৰ নখৰপৰা মূৰৰ চুলিলৈকে সকলো অংগ-প্ৰত্যংগৰ সৌন্দৰ্য বৰ্ণনা কৰিছে। কালিদাসে য'ত এফাঁকি কবিতাৰেই প্ৰথম প্ৰণয়ৰ আকৰ্ষণত অধীৰ হৈ পৰা নৱযৌৱনা শকুন্তলাৰ নাইবা বিৰহিনী যক্ষপ্ৰিয়াৰ বিৰহ-মলিন অথচ প্ৰগাঢ় যৌৱনৰ বৰ্ণনা কৰিছে, সেই ঠাইত শ্ৰীহৰ্ষই দময়ন্তীৰ ৰূপ-বৰ্ণনা কৰি ১০৯ ফাঁকি কবিতাৰ সম্পূৰ্ণ এটা সৰ্গত।[১২] এই বৰ্ণনা এফালে যেনেকৈ কৃত্ৰিম, আনফালে ৰুচি-বোধৰ বিচাৰতো লুকাই-চুৰকৈ 'ভদ্ৰমহিলা'ক জুপি চোৱাটোও বিসদৃশ। শ্ৰীহৰ্ষই বিমুগ্ধ অথচ আত্মসচেতন নলক এই পৰিস্থিতিত চিত্ৰিত কৰি তেওঁৰদ্বাৰা দময়ন্তীৰ সৌন্দৰ্যৰ বৰ্ণনা কৰাইছে। তাৰপিছত প্ৰকৃত পৰিচয় প্ৰকাশ নকৰাকৈ দূতৰূপী নলে একন একনকৈ চাৰিওজন দেৱতাৰ ৰূপ-গুণ নিজমুখে বৰ্ণনা কৰি তেওঁলোকৰ যিকোনো এজনক বৰণ কৰাটো দময়ন্তীৰ পক্ষে বাঞ্ছনীয় হ'ব বুলি কৈছে। এইখিনিতে শ্ৰীহৰ্ষ মহাভাৰতৰ আখ্যানৰপৰা অলপ আঁতৰি আহিছে আৰু নলৰ চৰিত্ৰৰ এটা উজ্জ্বল ফাল অধিক সমুজ্জ্বল কৰাৰ চেষ্টা কৰিছে।

মহাভাৰতৰ আখ্যানত দূতৰূপী নল ছদ্মবেশত যোৱা নাই, নাইবা তেওঁ দময়ন্তীৰ আগত আত্মপৰিচয় গোপন কৰিও ৰখা নাই। নল বুলি নিজৰ পৰিচয় দিয়েই তেওঁ দেৱতা চাৰিজনৰ প্ৰণয়-

---

১২.

খাতিৰি জনাইছে। দময়ন্তীয়ে সেই সকলো প্ৰত্যাখ্যানৰ লগতে নলৰ প্ৰতি অনুৰাগো দৃঢ়ভাৱে প্ৰকাশ কৰিছে। নলে "দেৱতাৰ দূত হৈ স্বাৰ্থ সিদ্ধি কৰিলে অধৰ্ম হ'ব" বুলি কোৱাত স্বয়ম্বৰ সভাত দময়ন্তীয়ে তেওঁক বৰণ কৰিব বুলি আশ্বাস দিয়ে। ইয়াকে কৰিলে নলৰ দৌত্যত কলংকৰ চেকা নপৰে আৰু অধৰ্মও নহয়।

শ্ৰীহৰ্ষই এই আখ্যান অনুসৰণ কৰিলেও নলক ছদ্মবেশত্যক্তে চিত্ৰিত কৰিছে। শেষত সকলো দেৱতাৰ গুণ-গৰিমা শুনি শুনি যেতিয়া দময়ন্তীয়ে বেজাৰ, হতাশা আৰু বিহ্বলতাত আকুল হৈ চকুলো টুকি কেকুৰিবলৈ ধৰিলে, তেতিয়াহে নলে আত্মপৰিচয় প্ৰকাশ কৰিছে। স্বয়ম্বৰ সভাত বৰমাল্য গ্ৰহণৰ অভিপ্ৰায় প্ৰকাশত নলে নিজৰ কৰ্তব্য আৰু দায়িত্বৰ ত্ৰুটি হোৱা বুলি ধৰা নাই আৰু 'হৃদয় বিবেককে' ধৰ্ম'ধৰ্মৰ প্ৰমাণৰূপে গ্ৰহণ কৰিছে। স্মৰণীয় যে এই উক্তি কালিদাসৰ উক্তিৰ প্ৰতিধ্বনি মাত্ৰ।[১৩]

নৈষধচৰিত সংস্কৃত মহাকাব্যৰ ক্ষৰিষ্ণু যুগৰ বাচন আৰু বয়ঃকনিষ্ঠ। ক্ষৰিষ্ণু যুগৰ সকলোখিনি বৈশিষ্ট্য এই মহাকাব্যত সুস্পষ্টৰূপে বিদ্যমান।

নৈষধচৰিতত ২২ টা সৰ্গ আৰু মুঠ ২৮৫৪ শাৰী কবিতা আছে। নৈষধচৰিত আগতে উল্লেখ কৰা পাঁচখন মহাকাব্যৰ ভিতৰত বৃহৎ কলেৱৰ। অৱশ্যে নৈষধচৰিততকৈ দীঘলীয়া আৰু দুখন মহাকাব্য আছে। সেয়ে হৈছে কাশ্মীৰৰ অমৃতভানুৰ পুত্ৰ ৰত্নাকৰৰ হৰবিজয়। ৰত্নাকৰ কাশ্মীৰৰ ৰজা চিপ্পট জয়াপীড়ৰ (৮৩২-৪৪ খৃঃ) ৰাজকবি বা সমসাময়িক। খ্ৰীষ্টীয় নৱম শতিকাৰ শেষাৰ্ধত হৰবিজয় ৰচিত। হৰবিজয় সংস্কৃত মহাকাব্যৰ ভিতৰত দীৰ্ঘতম। ইয়াত ৫০ সৰ্গ আৰু ৪,৩২১ শাৰী কবিতা আছে। নৈষধচৰিততকৈ দীঘলীয়া অন্যখন সংস্কৃত মহাকাব্য হৈছে একাদশ শতিকাৰ কাশ্মীৰী কবি অভিনন্দৰ ৰামচৰিত। (ৰামচৰিতৰ ৰচয়িতা

১৩.

অভিনন্দ বিখ্যাত নৈয়ায়িক জয়ন্তভট্টৰ পুত্ৰ অভিনন্দ নহয়, সম্ভৱ সমসাময়িক।) একাদশ শতকৰ এই কাব্যখন ৩০ সৰ্গত বিভক্ত। পিছে এই দুয়োখন সংস্কৃত মহাকাব্য পৰম্পৰাগতভাৱে স্বীকৃত মহাকাব্যৰ লেখত নপৰে। প্ৰবাদ আছে যে শ্ৰীহৰ্ষই নৈষধচৰিত ১২০ সৰ্গত সমাপ্ত কৰাৰ সংকল্প কৰিছিল; কিন্তু ২২ সৰ্গতে শেষ কৰিবলগা হ'ল নাইবা শেষ হ'ল। বহুত সমালোচকৰ মতে বৰ্তমানে পোৱা নৈষধচৰিত অসম্পূৰ্ণ বা হঠাতে শেষ হোৱা বুলি গণ্য কৰাৰ কোনো যুক্তি নাই; আন কোনো কোনোৱে কয় যে নৈষধচৰিতত নল-দময়ন্তীয়ে 'মধুচন্দ্ৰিকা' ৰজনীত নীল আকাশত চন্দ্ৰলৈ চাই চাই চন্দ্ৰিমাৰ বৰ্ণনা কৰোঁতে শেষ হোৱালৈ মন কৰিলে কাব্যখন আৰু দীঘল হোৱাৰ সম্ভাৱনা আছিল। আমি আগতে উল্লেখ কৰিছোঁ যে শ্ৰীহৰ্ষ সেই যুগৰ এজন প্ৰখ্যাত দাৰ্শনিক। ভাৰতীয় সকলো দৰ্শনত থকা তেওঁৰ ব্যুৎপত্তি নৈষধচৰিতৰ বৰ্ণনাত সততে প্ৰকাশ হৈছে। কেৱল সেয়ে নহয়— অৰ্থশাস্ত্ৰ আৰু কামশাস্ত্ৰ আদিৰ বিবিধ বিষয়ো প্ৰাসংগিক ৰূপে আৰু কেতিয়াবা অপ্ৰাসংগিক ৰূপেও বৰ্ণনাৰ অন্তৰ্ভুক্ত হৈছে। দাৰ্শনিক শ্ৰীহৰ্ষই কবি শ্ৰীহৰ্ষক মাজে সময়ে মেঘে-সূৰ্যক ঢাকি ধৰাৰ দৰে কেতিয়াবা আচ্ছন্ন কৰি ৰাখিছে যদিও কল্পনা, অনুভূতি আৰু সংকটময় মুহূৰ্তত মানসিক দ্বন্দ্বৰ বিশ্লেষণে কবি শ্ৰীহৰ্ষৰ কবি-প্ৰতিভা সম্পূৰ্ণ ম্লান হ'বলৈ নিদিয়াকৈ ৰাখিছে।

সংস্কৃত মহাকাব্যৰ বৰ্ণনীয় বিষয়ৰূপে আলংকাৰিকে নিৰূপণ কৰা যুদ্ধ-বিগ্ৰহ আদিৰ বৰ্ণনা শ্ৰীহৰ্ষই বাদ দিছে; কিন্তু দূত-প্ৰেৰণ, চাক্ষুষ-দৰ্শন নোহোৱাকৈ অনুৰাগ জন্মা আদি গতানুগতিক বিষয় বৰ্জন কৰা নাই।

নলৰ ৰূপ-গুণৰ কথা শুনিয়েই দময়ন্তী নলৰ প্ৰতি অনুৰাগিনী হৈ পৰে; এটা ৰাজহাঁহে নলৰ অন্তঃপুৰৰ পুখুৰীত পৰি নলক

দময়ন্তীৰ প্ৰণয়ানুৰাগৰ সেই বাতৰি দিয়ে ; কিয়নো নাৰীৰ অন্তৰত প্ৰথমে অনুৰাগ জন্মাৰ বৰ্ণনা কৰাটো প্ৰচলিত কাব্যৰীতি । সেই ৰাজহাঁহটোৱেই আকৌ নলৰ দূতৰূপে দময়ন্তীৰ আগত নলৰ অনুৰাগ প্ৰকাশ কৰে । ইয়াৰ উপৰি নলে নিজেই ইন্দ্ৰ, অগ্নি, যম আৰু বৰুণ এই চাৰিজন দেৱতাৰ প্ৰণয় দময়ন্তীক নিবেদন কৰি দৌত্য সম্পাদন কৰিছে । ই যেন প্ৰমানুৰাগৰ অগ্নি-পৰীক্ষা । দময়ন্তীৰ নলাভিমুখী হৃদয়ে দেৱতাৰ অমৰ প্ৰেম-নৈবেদ্য দি মৰত্বৰ মৰণ ধৰ্মা নলৰ ক্ষণভংগুৰ প্ৰেমকে চিৰন্তন ৰূপে আঁকোৱালি ললে ; যৌৱনৰ ধৰ্মই অমৰত্ব আৰু স্বৰ্গৰ কামনা তল পেলালে । এই কথাকে কবি বুদ্ধদেৱ বসুৱে দময়ন্তী নামৰ তেওঁৰ দীঘলীয়া কবিতা এটা অতি মনোমোহা ৰূপে প্ৰকাশ কৰিছে ।

"হে কন্যা আমাৰ ·········
স্বৰ্গ তোৰে চায়, যজ্ঞ তোৰে চায়
·········মৃত্যু তোৰে চায় ;

কিন্তু,

যৌৱনেৰ যাদু স্বৰ্গ ৰচে জঙ্ঘৰ গুহায়
নাভিমূলে যজ্ঞবেদী, মৃত্যু আৰো নীচে ।"

* * *

শ্ৰীহৰ্ষৰ বৰ্ণনাত কৃত্ৰিমতা আৰু অতিশয়োক্তিৰ উপৰিও দৰ্শনশাস্ত্ৰ, ধৰ্মশাস্ত্ৰ আৰু ব্যৱহাৰিক বিষয়ৰ নানা প্ৰসংগৰ অৱতাৰণা দেখা যায় । এইবিলাকৰ সৰহভাগেই প্ৰাসংগিক নহয়, নাইবা সেই বৰ্ণনাই ঘটনাৰ অগ্ৰগতিত অকণো সহায় কৰা নাই ।

যি স্থলত অন্যান্য কবিয়ে নাৰী সৌন্দৰ্যৰ বৰ্ণনা কৰোঁতে "মধ্যে ক্ষামা" (খামুচিয়া কঁকাল) বা তদনুৰূপ অৰ্থ প্ৰকাশ কৰিছে, তাত শ্ৰীহৰ্ষই "দময়ন্তীৰ কঁকাল আছে নে নাই সন্দেহৰ বিষয়" বুলি কৈছে আত্মতৃপ্তি লাভ কৰিছে ।

নল সৰ্ব গুণাকৰ । নলৰ গুণৰ হিচাপ কৰিবলৈ প্ৰয়োজন হ'ব ত্ৰিভুৱনোৰৰ সকলো প্ৰাণীৰ—আকৌ এই প্ৰাণীসমূহৰ

আয়ুসবো শেষ হ'ব নালাগিব, আনহাতে গণিত শাস্ত্ৰত সংখ্যাৰ কোনো পৰিসীমা থাকিব নালাগিব।

"যদি ত্ৰিলোকী গণনা-পৰা স্যাৎ তস্যাঃ সমাপ্তিৰ্যদি ন য়ুষঃ স্যাৎ।
পাৰে পৰাৰ্দ্ধং গণিত যদি স্যাদ, গণেয়নিঃ শেষগুণোঽপি স স্যাৎ॥"

—নৈষধ, ৩-৪০

নৈষধচৰিতৰ দশম-চতুৰ্দশ সৰ্গত স্বয়ম্বৰ আৰু ভোজসভাৰ বৰ্ণনা আৰু সপ্তদশ সৰ্গত দেৱতাসকলে দাৰ্শনিকৰ ৰূপত অৱতীৰ্ণ হৈ তৰ্কযুদ্ধত প্ৰবৃত্ত হোৱাৰ বৰ্ণনা ঘটনাৰ অগ্ৰগতি নাইবা বিষয়-বস্তুৰ বিকাশত সহায়ক নহয়। তথাপি উক্ত বৰ্ণনা সম্পূৰ্ণ অৱাস্তৱ বা অৰ্থহীন বুলি ক'ব নোৱাৰি। সমাজ আৰু সামাজিক মনৰ প্ৰতি-বিম্বন সাহিত্যত বাঞ্ছনীয় বুলি সমালোচকে মত প্ৰকাশ কৰিছে। সেই দৃষ্টিৰে চালে ইয়াক সমাজৰ এটা উচ্চস্তৰৰ লোকৰ (etite) ভাৱ-চিন্তাৰ প্ৰতিফলন বুলি কোৱাত অসুবিধা নাই। আনহাতে সমসাময়িক দাৰ্শনিক চিন্তাধাৰাৰ এই আলোচনাই ভাৰতীয় দৰ্শনৰ ক্ৰমবিকাশৰ বুৰঞ্জীত বিশেষ আলোক সম্পাত কৰিছে।

"It should be recognised at once that the *Naisadhacarita* is not only a learned poem, but in many ways a repository of traditional learning, and should, therefore, be approached with the full equipment of such learning. It is also a treasure-house of literary dexterity and involves for its appreciation on aptitude in this direction."

—History of Sanskrit literature.

এই উক্তিয়ে কৃত্ৰিম আৰু অৱাস্তৱ যেন লগা বৰ্ণনাৰে ভৰি থকা নৈষধচৰিতৰ গুৰুত্ব প্ৰকাশ কৰিছে। পণ্ডিতে কাব্যিক ৰুচি-বোধৰ বিচাৰত উচ্চস্তৰৰ নহ'লেও অন্য দৃষ্টিকোণৰপৰা কাব্যখনৰ সীমিত আবেদন উল্লেখযোগ্য। ইয়াৰ উপৰি সমসাময়িক যুগৰ

আৰ্থিক-সামাজিক বিষয়ৰ, তথা আচাৰ-ব্যৱহাৰ, পান-ভোজন, বিবাহ-উৎসৱ, ভাষা-সাহিত্যৰ বৰ্ণনা আৰু উল্লেখ নৈষধচৰিতৰ অনন্য সাধাৰণ বৈশিষ্ট্য —যিবিলাক অন্যান্য কাব্য-মহাকাব্যত বিৰল।

দশম সৰ্গত সমবেত দময়ন্তীৰ পাণি-প্ৰাৰ্থী ৰজা-ৰাজকুমাৰসকলে পৰস্পৰে কাৰো ভাষা বুজি নেপোৱা বাবে সকলোৰে বোধগম্য সংস্কৃত ভাষাৰে তেওঁলোকে কথা-বতৰা পাতিছিল বুলি কৰা উল্লেখ প্ৰণিধানযোগ্য। ঠিক সেইদৰে স্বয়ম্বৰ সভাত দময়ন্তীয়ে নলক বৰণ কৰাৰ পিছত আনুষ্ঠানিক বিবাহ, বিয়াৰ পিছত বৰযাত্ৰীৰ বাবে আয়োজন কৰা ভোজ আৰু সেই ভোজত কন্যাঘৰীয়া গাভৰুহঁতৰ দৰাঘৰীয়া ডেকাহঁতৰ সৈতে হাঁহি-ধেমালি, কৌতুক-পৰিহাস, ছলনাময়ী উক্তি-প্ৰত্যুক্তি (ষোড়শ সৰ্গ) মহাকাব্যৰ গম্ভীৰ ৰীতিৰপৰা বহুত আঁতৰি অহা বিধৰ বৰ্ণনা। বিয়াৰ পিছৰ বৰ্ণনাত বাৎস্যায়নৰ কামশাস্ত্ৰৰ অনুসৰণ বিশেষ উল্লেখযোগ্য।

কৃত্ৰিমতা আৰু পাণ্ডিত্যপূৰ্ণ বৰ্ণনাৰে নৈষধচৰিত উপচি পৰিছে যদিও মনোমোহা শব্দাৱলী, মনোজ্ঞ প্ৰকাশভংগী আৰু বিশেষকৈ মানসিক অন্তৰ্দ্বন্দ্ব সংঘাত কাব্যখনৰ প্ৰধান বৈশিষ্ট্য। কবি জয়দেৱৰ 'কোমল-কান্ত' পদাৱলীৰ, পূৰ্বাভাস নৈষধত দেখা যায়। জয়দেৱে সংস্কৃত ছন্দত 'মাত্ৰা আৰু অক্ষৰ' ৰক্ষা কৰিও মিলনান্ত ধ্বনিৰে যি অলৌকিক পদ-মাধুৰ্যৰ সৃষ্টি কৰিছে, শ্ৰীহৰ্ষই প্ৰথমে সেই বাট দেখুৱাই গৈছে। (দুয়োজন দ্বাদশ শতকৰ— জয়দেৱ কনিষ্ঠ) একোফাঁকি কবিতালৈ লক্ষ্য কৰিলেই জয়দেৱে শ্ৰীহৰ্ষক অনুসৰণ কৰাটো সুস্পষ্ট যেন দেখি।

মদেকপুত্ৰা জননী জৰাতুৰা
নৱপ্ৰসূতা বৰটা তপস্বিনী ... ..
অপাং হি তৃপ্তায় ন বাৰিধাৰা স্বাদুঃ সুগন্ধিঃ স্বদতে তুষাৰা।

—নৈষধ, .. ১।৫

ঐ ৩. ৯১

পততি পতত্ৰে বিচলতি পত্ৰে
শংকিত ভৱদুপয়ানং ৰচয়তি শয়নম্
সচকিত নয়নং পশ্যতি তৱ পন্থানম্ ॥
— গীত গোবিন্দ

নৈষধচৰিতত কাব্যসম্পদ নানা প্ৰকাৰে প্ৰকাশ হৈছে যদিও সুকোমল মনোৰম পদাৱলীৰ প্ৰাচুৰ্য দেখি পৰম্পৰাগত কাব্যবিচাৰৰ অনুগামী কোনোৱে মন্তব্য কৰিছে—

'নৈষধে পদলালিত্যম্'। মনত ৰাখিব লাগিব যে পদলালিত্য নৈষধচৰিতৰ বাহ্যিক সৌন্দৰ্যহে, ইয়াৰ অন্তৰ্নিহিত ৰূপ হৈছে উচ্চস্তৰৰ অভিজ্ঞতা আৰু সমকালীন জ্ঞান-সম্পদৰ প্ৰকাশ।

নৈষধচৰিতৰ বিষয়ে আৰু কিছু কথা আলোচনাৰ একান্ত আৱশ্যক আছিল যদিও বেৰেলাতকৈ গুটি দীঘল হোৱাৰ আশংকাত ইমানতে এই প্ৰসংগৰ সামৰণি মাৰিলোঁ।

সন্দিকৈৰ নৈষধচৰিত

অধ্যাপক কৃষ্ণকান্ত সন্দিকৈয়ে নৈষধচৰিতৰ ইংৰাজী অনুবাদ, ভূমিকা, পাদটোকা, পৰিশিষ্ট আৰু নৈষধচৰিতৰ প্ৰকাশিত-অপ্ৰকাশিত টীকাৰ অংশবিশেষৰ উদ্ধৃতিৰে সম্বলিত কৰিছে।

নৈষধচৰিতত থকা উক্ত প্ৰত্যেক বিষয়ৰে সমীক্ষাপূৰ্ণ উল্লেখ আৱশ্যক। মূল ২,২৩৮ ফাঁকি সংস্কৃত কবিতাৰ ইংৰাজী অনুবাদৰ লগত পাদটীকাত অস্পষ্ট, দ্ব্যৰ্থক আৰু দুৰ্বোধ্য শব্দ আৰু বৰ্ণনাৰ ব্যাখ্যা দিয়া হৈছে।

অনুবাদৰ আগতে নৈষধচৰিতৰ আঠজন টীকাকাৰৰ টীকা ৰচনাৰ সময় আৰু প্ৰত্যেক টীকাৰ বৈশিষ্ট্যৰ বিষয়ে চমু আলোচনা আছে। পৰিশিষ্টত প্ৰকাশিত-অপ্ৰকাশিত চাৰিটা টীকাৰপৰা উদ্ধৃতি দিয়া হৈছে এনে স্থলত—য'ত টীকাকাৰসকলে বিভিন্ন ব্যাখ্যা আৰু মত দিছে। ইয়াৰ উপৰি পৰিশিষ্ট ভাগত মূলত

উল্লিখিত বস্তুত বিষয়ৰ বিশ্লেষণমূলক চুটি-দীঘল আলোচনা আছে। সকলোবোৰ আলোচনা ঐতিহাসিক পৰিপ্ৰেক্ষিতত কৰা হৈছে। উক্ত আলোচনাই সেই সেই বিষয় বুজাত সহায় কৰিছে যদিও প্ৰাথমিক বিষয়বোধৰ অভাৱত এনে আলোচনা সাধাৰণ পাঠকৰ পক্ষে দুৰ্বোধ্য যেন হোৱা স্বাভাৱিক। উদাহৰণ ৰূপে পৰিশিষ্টত ভাৰতীয় দৰ্শনৰ প্ৰায় এটাই কেইটা মতবাদ নৈষধচৰিতত উল্লেখ কৰা অনুসাৰে আলোচনা আছে। সেইবিলাকক এইদৰে বিভক্ত কৰা হৈছে।

দৰ্শন শাস্ত্ৰবিষয়ক

১) ন্যায়-বৈশেষিক

ক) দ্ব্যণুক, অন্ধকাৰৰ পৃথক পদাৰ্থত্ব

খ) ন্যায়দৰ্শনত মোক্ষৰ স্বৰূপ

গ) মনৰ অণুত্ব

২) মীমাংসা দৰ্শনৰ তত্ত্ব

ক) ঈশ্বৰৰ অস্তিত্ব আৰু মন্ত্ৰ—মন্ত্ৰময় দেৱতা

খ) জ্ঞানৰ স্বতঃ প্ৰামাণ্য

গ) মীমাংসা দৰ্শনৰ নিৰীশ্বৰবাদ

ঘ) উক্তমতৰ ন্যায় আৰু বেদান্তমতৰ সৈতে তুলনা—বিৰোধিতা

ঙ) মীমাংসা দৰ্শনৰ মত অনুসাৰে স্মৃতিৰ প্ৰামাণ্য

৩) সাংখ্য আৰু যোগতত্ত্ব

৪) বেদান্ত দৰ্শনৰ তত্ত্ব

ক) ব্ৰহ্মলাভৰ উপায় মোক্ষ

খ) উপনিষদত মোক্ষৰ স্বৰূপ আৰু ব্ৰহ্ম

গ) সৎ আৰু অসৎ—দময়ন্তীয়ে প্ৰকৃত নল আৰু নলৰূপী দেৱতাৰ পাৰ্থক্য বুজিব পৰা নাই, যেনেকৈ মায়াযুক্ত জীৱই ব্ৰহ্ম আৰু জগতৰ পাৰ্থক্য নুবুজে— দুয়োকে এক বুলি ভাবে।

৫) বৌদ্ধ দৰ্শনৰ তত্ত্ব

ক) শূন্যবাদ, বিজ্ঞানবাদ

খ) শূন্যবাদী মাধ্যমিক সম্প্ৰদায়

৬) জৈন দৰ্শনৰ তত্ত্ব

জৈন দৰ্শনৰ ত্ৰিৰত্ন সম্যগ্ দৰ্শন, সম্যগ্ জ্ঞান আৰু সম্যক্-চাৰিত্ৰ ইত্যাদি।

৭) চাৰ্বাক দৰ্শনৰ তত্ত্ব

ন্যায়ৰ মোক্ষবাদ, বেদান্তৰ অহং তত্ত্ব আদিৰ বিষয়ে চাৰ্বাকৰ প্ৰতিবাদ আদি।

দৰ্শনৰ এই বিষয়বিলাকৰ নৈষধচৰিতৰ কবিতাত থকা উল্লেখ অনুসৰণ কৰি সম্পৰ্কীয়ে সংক্ষিপ্ত আলোচনা কৰাৰ উপৰিও, দত্তাত্ৰেয়, হৰি-হৰ, ৰাধা, বিষ্ণুৰ বিবিধ ৰূপ আৰু বৌদ্ধ-তান্ত্ৰিক দেৱীৰ তাৰাৰ উৎপত্তি, ক্ৰমবিকাশ, স্থিতি আদিৰ বিষয়েও যুক্তি-প্ৰমাণ আৰু উদ্ধৃতিৰে মন্তব্য দাঙি ধৰিছে।

এই সকলোবোৰ বিষয় নালাগে — এটা বিষয়ৰ সমীক্ষাতে প্ৰবন্ধৰ কলেৱৰ অতিকায় হ'ব। সেই কাৰণে দিগদৰ্শনৰূপে দুটামান বিষয়হে উল্লেখ কৰিব খুজিছোঁ। ওপৰত উল্লেখ কৰা আলোচ্য বিষয়বোৰেই দেখুৱায় যে এইবোৰ কঠিন আৰু জটিল শাস্ত্ৰীয় বিষয়; স্বাভাৱিকতে তেনে বিষয়ৰ সংক্ষিপ্ত বৰ্ণনা বা সমীক্ষা অস্পষ্ট বা দুৰ্বোধ্য যেন প্ৰতীয়মান হ'ব। আমি মাত্ৰ প্ৰাচীন বৈষ্ণৱ কবিৰ উক্তি অনুসৰণ কৰি :

"পদ অৰ্থ গম্ভীৰত নিন্দা বুধবাই
স্বভাৱে গহন ইটো মোৰ দোষ নাই॥"

নৈষধচৰিতৰ ইংৰাজী অনুবাদ

উনবিংশ শতকৰ আৰম্ভণিৰেপৰা সংস্কৃত ভাষাৰ কাব্য, দৰ্শন আদি গ্ৰন্থৰ অনুবাদ কেবাটাও ইউৰোপীয় ভাষাত প্ৰকাশ হয়

যদিও অষ্টাদশ শতকৰ চতুৰ্থ পাদতে ইয়াৰ সূচনা হয়। জাৰ্মানীত উনবিংশ শতকৰ মাজভাগত শ্ৰীহৰ্ষৰ নৈষধচৰিতৰ মূল নাৰায়ণৰ টীকাসহ আৰু জাৰ্মান ভাষা, টোকা আদিৰ সৈতে প্ৰকাশ হয় (ই. ৰুএৰ E.Rower, ১৮৫৫ খ্ৰী:)। নৈষধচৰিতৰ অনুবাদ কোনো ইউৰোপীয় ভাষাত প্ৰকাশ হোৱা নাছিল। অধ্যাপক হন্দিকৈয়েই পোনপ্ৰথমে ইয়াৰ ইংৰাজী ভাঙনি কৰে।

নৈষধচৰিতৰ দৰে এখন মহাকাব্যৰ ইংৰাজী অনুবাদৰ নিচিনা শ্ৰমসাধ্য কামলৈ কিহে হন্দিকৈক আকৰ্ষণ কৰিলে — এই প্ৰশ্নই ভুমুকি মৰা স্বাভাৱিক। ইয়াৰ উত্তৰ বিচাৰি হাবাথুৰি খাব নালাগে। নৈষধচৰিতৰ কাব্যিক সৌন্দৰ্য আৰু কাব্যৎসৰ আকৰ্ষণতকৈয়ো বৰ্ণনা-প্ৰসংগত সন্নিবিষ্ট দাৰ্শনিক, সামাজিক, ঐতিহাসিক আদি বিবিধ বিষয়ে যে তেওঁক অধিক প্ৰভাৱিত কৰিছিল আৰু সেই সেই বিষয়সমূহ প্ৰকাশ কৰাৰ উদ্দেশ্যেই যে হন্দিকৈয়ে নৈষধচৰিতৰ অনুবাদ হাতত লৈছিল— সি সুস্পষ্ট। হন্দিকৈয়ে কৈছে :

> "কাব্যিক গুণৰাজিৰ বাহিৰেও নৈষধচৰিত হৈছে পৰম্পৰাগত সকলো বিদ্যাৰ আকৰস্বৰূপ ; ইয়াত সাহিত্য-বিষয়ক, কোষ সম্পৰ্কীয় আৰু সমাজ তথা ধৰ্মবিষয়ক সিবিলাক তথ্য-পাতি আছে, সেইবিলাক ভাৰতৰ মধ্যযুগীয় সংস্কৃতিৰ ইতিহাসৰ বাবে অতিশয় মহত্বপূৰ্ণ। নৈষধচৰিতৰ দৰে এখন দীঘলীয়া কঠিন মহাকাব্যৰ অনুবাদ হাতত লোৱাৰ প্ৰয়োজন ব্যাখ্যাৰ আৱশ্যক নাই।"

সংস্কৃত আৰু ইতিহাসৰ ছাত্ৰ হন্দিকৈক যে মধ্যযুগীয় সংস্কৃতিৰ আকৰস্বৰূপ এনে গ্ৰন্থসমূহে সকলোতকৈ বেছিকৈ আকৰ্ষণ কৰিছিল সেইকথা "যশস্তিলক আৰু ভাৰতীয় সংস্কৃতি" (Yas'-astilaka and Indian Culture) নামৰ তেওঁৰ দ্বিতীয় গ্ৰন্থখনেও প্ৰতিপাদন কৰে। দশম শতকৰ জৈন কবি সোমদেৱ

সূৰিৰ যশস্তিলক চম্পূত মধ্যযুগৰ ভাৰতীয় জীৱনৰ, সমাজ আৰু ৰাষ্ট্ৰৰ এনে কোনো বিষয় নাই, যাৰ বিষয়ে সোমদেৱে উল্লেখ কৰা নাই। তেওঁৰ পূৰ্বসূৰিৰ সকলো ভাব-চিন্তা, সমীক্ষা-সমালোচনা, মত-অভিমত, তৰ্ক-বিতণ্ডা, সিদ্ধান্ত ব্যাখ্যা সোমদেৱে নিজৰ ৰচনাত সন্নিবিষ্ট কৰিছে। নৈষধচৰিতো সমতুল্য নহ'লেও একে পৰ্যায়তে পৰে।

নৈষধচৰিতৰ ৰচনাৰ তাৰিখ, কবিৰ কাব্য-প্ৰতিভা, ৰচনাৰ স্বৰূপ আৰু সৌন্দৰ্য তথা সংস্কৃত মহাকাব্যত নৈষধচৰিতৰ স্থানৰ বিষয়ে বিশদ আলোচনা সুকীয়াকৈ কৰি গ্ৰন্থাকাৰে প্ৰকাশ কৰাৰ প্ৰতিশ্ৰুতি ১৯৩৪ চনতে সন্দিকৈদেৱে দিছিল। তাৰপিছত নৈষধ-চৰিতৰ দুটা সংস্কৰণ যথাক্ৰমে ১৯৫৬ আৰু ১৯৬৬ খ্ৰীষ্টাব্দত প্ৰকাশ হ'ল যদিও প্ৰতিশ্ৰুত সমীক্ষা হ'লে প্ৰকাশ নহ'ল।

ইংৰাজী অনুবাদৰ বাবে সন্দিকৈয়ে নিৰ্ণয় সাগৰ (বোম্বাই) প্ৰেছৰপৰা প্ৰকাশিত (১৯১২ চন) চতুৰ্থ সংস্কৰণ আহিৰূপে লৈছে।[১৪] নৈষধচৰিতৰ নিচিনা কঠিন কাব্যৰ অনুবাদেই অৰ্থবোধৰ বাবে যথেষ্ট নহয়, সেইদেখি ইংৰাজী অনুবাদ স্পষ্ট হোৱাকৈ পাদটীকা, টোকা আদি দিয়াৰ উপৰিও পৰিশিষ্টত বিবিধ উক্তিৰ ব্যাখ্যা, অপ্ৰচলিত শব্দৰ অৰ্থ আৰু পাৰিভাষিক শব্দ তথা উক্তিৰ গূঢ়াৰ্থ প্ৰকাশক ব্যাখ্যা সন্নিবিষ্ট কৰা হৈছে। ভাৰতীয় বিদ্যাৰ বিবিধ বিষয়ৰ গ্ৰন্থৰপৰা এই বিলাক আহৰণ কৰিব লগা হোৱাত সন্দিকৈৰ ব্যাপক আৰু গভীৰ অধ্যয়নৰ লগতে অনুসন্ধিৎসা আৰু অৰ্থাববোধৰ দক্ষতাও প্ৰকাশ হৈছে।

শ্লেষ (একে শব্দ বা শব্দসমূহৰ সমষ্টিত এটা অৰ্থৰ লগতে আন এটা অৰ্থও আলিংগনাবদ্ধ হৈ থকা), যমক (এটা শব্দৰ দ্ব্যৰ্থক প্ৰয়োগ) আদিৰে ভৰি থকা আৰু একে উক্তি একে সময়তে দুজন ব্যক্তিৰ পক্ষে প্ৰযোজ্য হোৱাৰ উপৰি এটা বাচ্যাৰ্থৰ (মুখ্য অৰ্থ) লগত অন্য এটা অৰ্থ বাঞ্ছিত (গৌণ অৰ্থ) হোৱা সংস্কৃত ভাষাৰ শ্লোক ইংৰাজী ভাষাত সুখপাঠ্য হোৱাকৈ অনুবাদ কৰা

১৪.

অতিশয় কঠিন। এনে অনুবাদ মূলানুগ কৰিবলৈ বহুত অনুবাদকে মুখ্যাৰ্থৰ লগতে গৌণাৰ্থ বন্ধনীৰ ভিতৰত দিয়ে। এনে পদ্ধতিৰে অনুবাদৰ বিশুদ্ধতা ৰক্ষা কৰিলেও অনেক সময়ত দুৰ্বোধ্য বা কঠিন হৈ পৰে। সন্দিকৈয়ে ইংৰাজী অনুবাদত প্ৰায়ে বন্ধনীৰ ব্যৱহাৰ কৰা নাই; মুখ্যাৰ্থৰ সহিত গৌণাৰ্থ দিছে নাইবা পাদটীকাত বিস্তীৰ্ণ দিছে।

একাদশ, দ্বাদশ আৰু ত্ৰয়োদশ সৰ্গত স্বয়ম্বৰ সভাত সমৱেত দময়ন্তীৰ পাণি-প্ৰাৰ্থী ৰজা-ৰাজকুমাৰসকলৰ ৰূপ-গুণ, শৌৰ্য-বীৰ্য-পৰাক্ৰমৰ বিষয়ে দময়ন্তীক কৈছে স্বয়ং সৰস্বতী দেৱীয়ে। নলৰ লগতে নলৰ ছদ্মবেশত ইন্দ্ৰ, অগ্নি, যম আৰু বৰুণ এই চাৰিজন দেৱতাও স্বয়ম্বৰ সভাত উপস্থিত। এতিয়া সৰস্বতী দেৱীয়ে প্ৰত্যেকজন দেৱতাৰ ৰূপ-গুণ এনেকৈ বৰ্ণনিলে যে দেৱতাজনৰ কথা প্ৰকাশ হ'লেও নৈষধৰ (নল) ছদ্মবেশ (নৈষধ কায়-মায়া) অপ্ৰকাশ হৈয়ে ৰ'ল — অথচ সমগ্ৰ বৰ্ণনা নলৰ ক্ষেত্ৰতো সমানে প্ৰযোজ্য। অৰ্থাৎ ত্ৰয়োদশ সৰ্গৰ বহুত কবিতাৰ প্ৰান্তপাত্ৰ ক্ৰমে চাৰিজন দেৱতা আৰু নল। এনে কবিতাৰ অনুবাদ একেলগে দুয়োটা অৰ্থ প্ৰকাশ হোৱাকৈ অৰ্থাৎ ইন্দ্ৰ-নল, অগ্নি-নল, যম-নল আৰু বৰুণ-নলত সমানে প্ৰযোজ্য হোৱাকৈ কৰা সুকঠিন। সন্দিকৈদেৱে সেই কঠিনতা দূৰ কৰিবলৈ প্ৰথমে ইন্দ্ৰ, অগ্নি আদি দেৱতাৰ স্বৰূপ প্ৰকাশ হোৱা অৰ্থৰ ইংৰাজী অনুবাদ দি তাৰসহিত নলৰ গাত প্ৰযোজ্য (applied to Nala) বুলি বিস্তীৰ্ণ ইংৰাজী ভাঙনি দিছে। এই পদ্ধতি সম্পূৰ্ণ নতুন; কিয়নো সমানে দুটা অৰ্থ প্ৰকাশ হোৱা হৰ্ষচৰিতৰ এনে অংশৰ ভাঙনি কৰোঁতে প্ৰখ্যাত পণ্ডিতসকলে এই পদ্ধতি গ্ৰহণ কৰা নাই। এনে পদ্ধতি, অৱলম্বন কৰা নাই। সন্দিকৈৰ এই পদ্ধতিয়ে এই জটিল অংশ ইংৰাজী ভাঙনিৰ যোগেদি বুজাত সহায় কৰিছে। এই অংশৰ কঠিনতালৈ লক্ষ্য কৰি এ. বি. কীথে কৈছে যে দময়ন্তীয়ে[১৫] সংকেত বুজা

১৫.

হ'লেও ব্যাখ্যাৰ সহায় নোলোৱাকৈ তেৱোঁ অৰ্থ বুজিব নোৱাৰিলে-হেঁতেন। অন্যান্য ঠাইতো মূল অৰ্থৰ ভাঙনি ইংৰাজী ভাষাত দিয়াৰ উপৰিও ব্যংগাৰ্থ পাদটীকাত দি সৰল কৰাৰ প্ৰচেষ্টা কৰা হৈছে। এটা উদাহৰণেৰে এই প্ৰসংগৰ সামৰণি মাৰিব খুজিছোঁ।

বিয়াৰ ভোজত মিঠাইৰ লাড়ু খোৱাৰ বৰ্ণনাৰ ভাঙনি এইদৰে কৰা হৈছে :

> "The feast, adorned with cream-balls, shone forth with the redish hue of the balls produced in cooking; as if it were the surface of a writing leaf, covered with circles, signifying that those who pertook the meal were coming to an end of their eating.'

দেখাতে ই ব্যাখ্যামূলক ভাঙনি; গতিকে ইয়াৰ শব্দগত অৰ্থ পাদটীকাত দিয়া হৈছে।

> "Occupied by a circular terminal script in respect of those who were eating. (The cream-balls served at the end of the meal are compared to the circular marks resembling the Nagari ড্ড, which are put by scribes at the end of the manuscript.)"

মূল কবিত ফাঁকিৰে সৈতে অনুবাদ মিলাই চাবৰ সুবিধা হ'ব বুলি কবিতাফাঁকি দিয়া হ'ল।

"সমাপ্তিলিপ্যেৱ ভুজিক্ৰিয়াৱিধেৰ্গলোদৰং ৱৰ্ত্তুলয়ালী কৃতম্ ।
অলংকৃতং ক্ষীৰৱটৈস্তৈদশ্নতাং ৰৰাজ পাকাৰ্পিতগৈৰিক শ্ৰিয়া ॥
১৬.১৮.

ইংৰাজীলৈ অনুবাদ কৰোঁতে অৱলম্বন কৰা পদ্ধতিৰ বিষয়ে আগতে আমি আলোচনা কৰিছোঁ। নৈষধীয়চৰিতৰ বৰ্ণনা কঠিন হোৱাৰ উপৰি ঠায়ে ঠায়ে আধুনিক ৰুচিবোধত স্থূল আৰু অশ্লীল

ৰূপে প্ৰতীয়মান হয়। শ্ৰীহৰ্ষৰ কামশাস্ত্ৰত পাণ্ডিত্য আৰু কাম-বৰ্ণনাৰ প্ৰতি প্ৰৱণতা জনাজাত। এনেকুৱা বৰ্ণনা থকা শ্লোক অনুবাদকে 'স্থূল' (indalicate) আৰু অশ্লীল বুলি কৈ চেৰাই গৈছে। দুটামান তেনে উদাহৰণ দাঙি ধৰিলোঁ।

"আহতপাত অ'নগছৰ পাততকৈ বেছিকৈ কঁপাৰ কাৰণ কি? নিশ্চয় আহতপাতে দময়ন্তীৰ বৰাংগৰ সৌন্দৰ্যত পৰাভৱৰ গ্লানি অনুভৱ কৰি বিষাদত কঁপিছে।"

৭, ৯০ বা ৯১.

অনুবাদকে 'স্থূল' বুলি অনুবাদ কৰা নাই। উক্ত সৰ্গৰ (১৫) 'পুৰুষায়িত' বিহাৰৰ বৰ্ণনা অশ্লীল বুলি বাদ দিয়া হৈছে। ভোজত বৰযাত্ৰীৰে সৈতে কন্যাঘৰীয়া গাভৰুহঁতৰ হাস্যপৰিহাসৰ এফাঁকি কবিতা (১৬.৫০) দুটা মিঠাইৰ লাড়ু খোৱাৰ বৰ্ণনা অশ্লীলতাৰ স্তৰলৈ নামিছে বুলি অনুবাদ কৰা নাই। কোনো গাভৰুৰ ভৰিৰ মাজত কোনো ডেকাই এটা নইলিয়া এৰি দিয়াত সি ওপৰলৈ বগাই উঠি যোৱাত গাভৰুৱে কানি-কাপোৰ এৰি যি পৰিস্থিতিৰ সৃষ্টি কৰিছিল, তাৰ অনুবাদ সম্পূৰ্ণে কৰা হৈছে। বাঘৰ ছালখনৰ নেজডাল তাৰ ওপৰত বহি থকা কোনো ডেকাৰ ঠেঙৰ মাজেদি ওলাই থকাও এই পৰ্যায়তে ধৰা হৈছে।

নৈষধচৰিতৰ কবিতাবোৰৰ অশ্লীল বুলিব পৰা কবিতা মাঘ নাইবা কালিদাসৰ ৰচনাতো নোহোৱা নহয়। তেনে অংশ অনুবাদকে বাদ দিয়া নাই।

প্ৰকাশিত আৰু অপ্ৰকাশিত টীকাৰপৰা উদ্ধৃতি

আমি আগতে কৈছোঁ যে নৈষধচৰিতৰ কোনো শব্দ বা শব্দসমষ্টি তথা বাক্যাংশৰ কোনো কোনো ঠাইত একাধিক অৰ্থ হয়। টীকাকাৰসকল বহুত ক্ষেত্ৰত একেমত নহয়। এনেস্থলত বিভিন্ন মতৰ প্ৰকাশ দেখুৱাবলৈ অধ্যাপক সন্দিকৈয়ে অপ্ৰকাশিত

টীকাৰ অংশ বিশেষ উদ্ধৃত কৰিছে। দেখাতে এই কাৰ্য এফালে পৰিশ্ৰমসাধ্য আৰু আনফালে গভীৰ অধ্যয়ন-প্ৰসূত।

নৈষধৰ প্ৰকাশিত-অপ্ৰকাশিত বহুত টীকা আছে। তাৰে আঠৈাটা টীকা সন্দিকৈয়ে ব্যৱহাৰ কৰিছে। তেওঁ টীকাৰ বিষয়ে কৰা মন্তব্য—

> "আমি এতিয়ালৈকে নৈষধৰ আঠোটা টীকা পাইছোঁ; তাৰ ভিতৰত কেৱল মল্লিনাথ আৰু নাৰায়ণৰ টীকাহে প্ৰকাশ হৈছে। ...... বিদ্যাধৰৰ 'সাহিত্য বিদ্যাধাৰী', টীকা প্ৰাচীনতম আৰু জনামতে ইয়েই প্ৰকৃততে পোনপ্ৰথম ৰচিত। চণ্ডুপণ্ডিতৰ 'দীপিকা' টীকা পাণ্ডিত্যপূৰ্ণ ..... তেওঁৰ ধাৰণামতে নৈষধচৰিত এখন পাণ্ডিত্যপূৰ্ণ কাব্য (learned poem); গতিকে পৰম্পৰাগত সকলো বিদ্যা আয়ত্ত কৰিহে নৈষধ-চৰিতৰ কাষ চাপিব পাৰি। নৈষধচৰিতত প্ৰৱেশৰ বাবে মল্লিনাথৰ 'জীৱাতু' অতি উত্তম টীকা; এই টীকাত ব্যাখ্যাৰ উপৰিও ব্যাকৰণ আৰু অলংকাৰৰ প্ৰতি যথোচিত মনোযোগ দিয়া হৈছে। নাৰায়ণৰ টীকাই সকলো বিষয় সামৰি লৈছে আৰু বিশেষকৈ ছাত্ৰৰ বাবে ই উপযোগী। ...... বিভিন্ন পাঠ আৰু ব্যাখ্যাৰ তুলনা সততে আৱশ্যক।" PPXXIX.

সন্দিকৈয়ে উক্ত টীকাবোৰৰ উদ্ধৃতি দিয়াৰ লগতে নিজৰ অভিমতো ঠায়ে ঠায়ে প্ৰকাশ কৰিছে। লক্ষ্য কৰিবলগীয়া যে সন্দিকৈৰ ত্ৰিনিশ বছৰমান আগতে ভগীৰথ পণ্ডিতে নৈষধচৰিতৰ ওপৰত লিখা 'নৈষধ গূঢ়াৰ্থ দীপিকা' নামে টীকাত সেইসময়ত পোৱা সকলোবোৰ টীকাকাৰ ব্যাখ্যাৰ (য'ত ব্যাখ্যা বেলেগ বেলেগ) অংশ বিশেষৰ উদ্ধৃতি দি নিজৰ মন্তব্য প্ৰকাশ কৰি এনে আলোচনাৰ পথ দেখুৱাই থৈ গৈছে। ভগীৰথে উল্লেখ কৰা টীকাকাৰৰ নামৰ ভিতৰত উল্লেখযোগ্য হ'ল—বৃহৰি, লক্ষ্মণ, নাৰায়ণ, বিশ্বেশ্বৰ, জগদ্ধৰ, তাণ্ডৱ, মুকুট, মল্লিনাথ আদি।

অধ্যাপক সন্দিকৈয়ে নৈষধচৰিতৰ মল্লিনাথৰ 'জীৱাতু' আৰু নাৰায়ণৰ 'প্ৰকাশিকা'—কেৱল এই দুটা টীকা প্ৰকাশ হৈছে বুলি লিখিছে যদিও প্ৰকৃততে নৈষধচৰিতৰ আৰু তিনিটা টীকা প্ৰকাশ হৈছে; তাৰে দুটা আংশিকভাৱে আৰু এটা সম্পূৰ্ণৰূপে। সেই-কেইটা হৈছে — (১) ভৰত মল্লিকৰ টীকা (১-৩ সৰ্গ), (২) বংশীবদনৰ টীকা (১-৩ সৰ্গ) আৰু (৩) প্ৰেমচন্দ্ৰ তৰ্কবাগীশৰ সম্পূৰ্ণ টীকা (১৮৩৬ খ্ৰীঃ প্ৰকাশিত)।

অধ্যাপক সন্দিকৈয়ে এইকেইটা প্ৰকাশিত টীকা আলোচনা কৰা নাই; ভৰত মল্লিক আৰু বংশীবদনৰ অপ্ৰকাশিত অংশও লক্ষ্য কৰা নাই। বিশেষকৈ ভৰত মল্লিকৰ (পঞ্চদশ শতক) টীকাকাৰ ৰূপে সংস্কৃত সাহিত্য জগতত সুখ্যাতি থকা অৱস্থাত তেওঁৰ টীকাত থকা ব্যাখ্যা সন্নিবিষ্ট নকৰাটো আৰু সেই টীকাৰ আলোচনা, উদ্ধৃতি আনকি উল্লেখ নথকাত টীকাৰ উক্তি অসম্পূৰ্ণ হৈছে। ভৰত মল্লিকে নৈষধচৰিতৰ বাহিৰেও অমৰকোষ, কুমাৰসম্ভৱ, মেঘদূত, শিশুপাল বধ, কিৰাতাৰ্জুনীয় নলোদয় আদি ভালেমান সংস্কৃত গ্ৰন্থৰ টীকা ৰচনা কৰে। এই টীকাবিলাকৰ প্ৰসিদ্ধি আছে। প্ৰেমচন্দ্ৰ তৰ্ক-বাগীশৰ টীকা অপেক্ষাকৃত আধুনিক যদিও সন্দিকৈৰ নৈষধচৰিত প্ৰকাশ হোৱাৰ প্ৰায় এশ বছৰ (১৮৩৬ খ্ৰীঃ) আগতে সম্পূৰ্ণৰূপে প্ৰকাশ হয়। এই টীকাৰ ঠায়ে ঠায়ে পূৰ্ববৰ্তী টীকাৰ উল্লেখ আৰু সমালোচনাও আছে। এই টীকাৰো সন্দিকৈয়ে উল্লেখ কৰা নাই বা উদ্ধৃতি দিয়া নাই।

মুঠতে নৈষধচৰিতৰ পাঁচোটা প্ৰকাশিত (আংশিক আৰু সম্পূৰ্ণ) টীকা পোৱা যায় আৰু উনৈশটা অপ্ৰকাশিত টীকাৰ উল্লেখ দেখা যায়। তাৰে বাৰটা (৫+৭=১২) সম্প্ৰতি পোৱা যায়।[১১]

তাৰে দুটা প্ৰকাশিত আৰু দুটা অপ্ৰকাশিত টীকাৰ আলোচনা কৰি সন্দিকৈয়ে আৱশ্যকীয় স্থলত কেৱল চাণ্ডু পণ্ডিত

১৫.

বিদ্যাধৰ, জিনৰাজ আৰু নাৰায়ণৰ টীকাৰপৰা উদ্ধৃতি দিছে। এই শ্ৰমসাধ্য কাৰ্যই সন্দিকৈৰ অধ্যয়ন, অনুসন্ধিৎসা আৰু পাণ্ডিত্য সমানে প্ৰকাশ কৰিছে।

এই অংশৰ অধ্যয়ন আৰু ব্যৱহাৰৰ বাবে অসুবিধা হৈছে এয়ে যে সন্দিকৈৰ নৈষধচৰিতত মূল সংস্কৃত পাঠ নাই। গতিকে কোনটো শব্দ বা শব্দাৱলীৰ অৰ্থৰ বিষয়ে টীকাকাৰসকলৰ বিভিন্ন ব্যাখ্যা আৰু মন্তব্য দাঙি ধৰা হৈছে সেইকাই ধৰা টান। ইংৰাজী অনুবাদত সম্পূৰ্ণ পাঠ নালাগে এনে শব্দৰ উল্লেখেই নাই আৰু নিৰ্ণয় কৰাও কঠিন।

সেইবাবে পাঠকে সংস্কৃত মূল নৈষধচৰিত এখন সদায় হাতৰ কাষত ৰাখিলেহে অনুবাদ আৰু বিশেষকৈ বিবিধ টীকাৰ উদ্ধৃতি, অধ্যয়ন আৰু তাৰ অৰ্থবোধ কৰিবলৈ সমৰ্থ হ'ব। এইকথা শেষৰ-ফালে থকা টোকাৰ ক্ষেত্ৰতো সমানে প্ৰযোজ্য। সন্দিকৈৰ নৈষধ-চৰিতৰ তৃতীয় সংস্কৰণতো পৃষ্ঠাৰ ওপৰত সৰ্গৰ উল্লেখ নথকাত সৰ্গৰ শ্লোক সংখ্যাৰ বাবে গোটেই সৰ্গ আগৰপৰা গুৰিবলৈ লুটিয়াবলগা হয়।

পৰিশিষ্ট টোকা

আগতে উল্লেখ কৰা হৈছে যে নৈষধচৰিত এখন 'পাণ্ডিত্য-পূৰ্ণ' কাব্য, বিবিধ শাস্ত্ৰীয় বিষয় আৰু সামাজিক আচাৰ-ব্যৱহাৰ ৰীতি-নীতিৰ কথা তাত সোমাই আছে। দৰ্শন শাস্ত্ৰৰ তথ্যৰপৰা সকলোৰে নানা বিষয় প্ৰায় প্ৰত্যেকৰ্ফাকি কবিতাতে দেখা যায়। পাণ্ডুলিপি লেখকে সেইকালত কেনেকৈ সামৰণি মাৰিছিল—যেনে, দেৱনাগৰী লিপিৰ দুৰ দৰে চিন দি, তাকো উপমাৰে উল্লেখ কৰা হৈছে। বিশেষ মহত্বপূৰ্ণ বিষয়ৰ উল্লেখ কৰি আৰু তেনে বিষয়ৰ আঁতি গুৰি আৰু বিকাশৰ বিষয়ে লিখা টোকা ব্যাখ্যাত বাইকৈ সন্দিকৈৰ পাণ্ডিত্য প্ৰকাশ হৈছে। এনে ব্যাখ্যাত ভাৰতীয় বিদ্যাত অগ্ৰবুদ্ধ নাথাকি অধ্যাপক সন্দিকৈয়ে অন্যান্য সাহিত্যৰপৰাও সমান্তৰাল

উদ্ধৃতি-উদাহৰণ দি তুলনামূলক মন্তব্য প্ৰকাশ কৰিছে। এটা চুটি প্ৰবন্ধত এনেবিলাক বিষয়ৰ আলোচনা বা সমীক্ষা নালাগে উল্লেখেই কৰা নাই। সংক্ষেপে দুটামান উদাহৰণ দিগ্‌দৰ্শনৰূপে দাঙি ধৰিলোঁ।

শ্ৰীহৰ্ষ দাৰ্শনিক পণ্ডিত আছিল বাবে মতভেদ তেওঁৰ ৰচনাত সকলোবোৰ দাৰ্শনিক মতৰ উল্লেখৰ উপৰিও সপ্তদশ সৰ্গত দাৰ্শনিক মতৰ বৰ্ণনা আছে। আগতে উল্লেখ কৰা হৈছে যে অধ্যাপক সন্দিকৈয়ে — সেই মতবাদসমূহ — ন্যায়-বৈশেষিক, মীমাংসা, সাংখ্য-যোগ, বেদান্ত, বৌদ্ধ, জৈন, চাৰ্বাক আদি শিৰোনামাত বিভক্ত কৰি উক্ত মতবাদসমূহৰ প্ৰধান আৰু প্ৰাসংগিক অংশ প্ৰকাশ কৰিছে। এনে মন্তব্যৰ বাবে উক্ত দৰ্শনসমূহৰ প্ৰায় সকলোবোৰ গ্ৰন্থ অধ্যয়ন কৰাৰ উপৰিও প্ৰচলিত মতভেদ পৃথক অভিমত দাঙি ধৰা গ্ৰন্থকাৰৰ মতবো উল্লেখ কৰিব লগা হৈছে। দেখাত সংস্কৃত আৰু প্ৰাকৃত কাব্যৰ চৰ্চা আৰু গৱেষণাত আবদ্ধ থকা যেন লাগিলেও ভাৰতীয় দৰ্শনৰ অধ্যয়ন আৰু তাৎপৰ্য গ্ৰহণত সন্দিকৈৰ পাণ্ডিত্য সম্যকে প্ৰকাশ হৈছে এই আলোচনাত।

ন্যায়-বৈশেষিকৰ মুক্তিৰ স্বৰূপ কল্পনা উপহাস কৰি চাৰ্বাকে কৈছে — ১৭·৭৫

> "সচেতন মানৱৰ মুক্তিৰ স্বৰূপ শিলাত্ব (সকলোপ্ৰকাৰ অনুভূতিহীন শিলৰ অৱস্থা) বুলি যিজন মুনিয়ে কৈছে, তেওঁৰ নাম গোতম; তেওঁৰ নামৰ অৰ্থ অনুসাৰেই তেওঁক সেইবুলিয়েই (গো-তম = গোতম, গৰুবো গৰু আওপক বা মহামূৰ্খ) বুজিবা।"

ন্যায়সূত্ৰৰ প্ৰণেতা গৌতম বা গোতম। শ্ৰীহৰ্ষই এই নামটোৰ দ্ব্যৰ্থকতাক আশ্ৰয় কৰি (প্ৰতিপক্ষৰ দ্বাৰা) ন্যায়দৰ্শনৰ মুক্তিৰ স্বৰূপত কটাক্ষপাত কৰিছে। ঠিক একেদৰে বৈশেষিক দৰ্শনৰ প্ৰবৰ্তক কণাদ বা উলূক (ফেঁচা) নাম লৈয়ো বৈশেষিক দৰ্শনক

অন্ধকাৰক পদাৰ্থৰূপে গ্ৰহণ নকৰা মতক উপহাস কৰিছে। মীমাংসা দৰ্শনৰো অনুৰূপ উল্লেখ আছে। এনে সকলোবোৰ উল্লেখৰ আলোচনা সন্দিকৈয়ে ঐতিহাসিক পৃষ্ঠভূমিত কৰিছে— অৰ্থাৎ ন্যায়-বৈশেষিক বা মীমাংসাসূত্ৰৰ উদ্ভৱৰ সময়ৰপৰা শ্ৰীহৰ্ষৰ সময়লৈকে যিবিলাক আচাৰ্যই নিজৰ গ্ৰন্থত আৰু ভাষ্য-বাৰ্তিক-টীকা আদিত উক্ত বিষয়সমূহৰ আলোচনা কৰিছে, সকলোৰে অভিমত উল্লেখনীয় উদ্ধৃতিসহ দাঙি ধৰিছে। ন্যায়দৰ্শনৰ মুক্তিৰ স্বৰূপৰ প্ৰসংগত কৰা আলোচনাত প্ৰায় সমগ্ৰ ন্যায়-বৈশেষিক মত প্ৰকাশ হৈছে।

এই প্ৰসংগত গৌতমৰ ন্যায়সূত্ৰ, ন্যায়সূত্ৰৰ বাৎস্যায়ন ভাষ্য, উক্ত ভাষ্যৰ উদ্দ্যোতকৰৰ বাৰ্তিক আৰু বাচস্পতিমিশ্ৰৰ টীকাৰ লগতে উদয়নৰ ন্যায়কিৰণাৱলী, শ্ৰীধৰৰ ন্যায় কন্দলী আদি গ্ৰন্থৰ মতো সন্দিকৈয়ে আলোচনা কৰিছে। শেষত উক্ত মতৰপৰা ফালৰি কটা ভাসৰ্বজ্ঞৰ মত উল্লেখ কৰি সন্দিকৈয়ে ন্যায় দৰ্শনৰ মুক্তিৰ স্বৰূপ কল্পনাত পৰিৱৰ্তনৰ ইংগিত দিছে। ইয়াৰপৰা এনে বিষয়ত অধিক অধ্যয়নৰ পথ প্ৰশস্ত হৈছে।

অৱশ্যে এই আলোচনা সম্পূৰ্ণ নহয়। ওপৰত উল্লেখ কৰা মুক্তিৰ স্বৰূপ আলোচনাত ন্যায় দৰ্শনৰ প্ৰসিদ্ধ গ্ৰন্থ ন্যায় লীলাৱতী আৰু প্ৰণেতা শ্ৰীবল্লভৰ মত উল্লেখ কৰা নাই। শ্ৰীবল্লভ শ্ৰীহৰ্ষৰ পূৰ্ববৰ্তী আৰু শ্ৰীধৰৰ কনিষ্ঠ সমসাময়িক। শ্ৰীবল্লভে এই বিষয়ত বলিষ্ঠ মত প্ৰকাশ কৰিছে। মানমনোহৰ গ্ৰন্থৰ উল্লেখো আৱশ্যকীয় আছিল। অধ্যাপক সন্দিকৈয়ে ভাসৰ্বজ্ঞক ন্যায় দৰ্শনৰ অন্যতম প্ৰৱক্তাৰূপে গণ্য কৰি তেওঁৰ মতে 'মুক্তিৰ স্বৰূপ সুখ' বুলি উল্লেখ কৰিছে। এই বিষয়ত আমাৰ সন্দেহ আছে। ভাসৰ্বজ্ঞ বৈশেষিক দৰ্শনৰহে প্ৰৱক্তা, যদিও ন্যায় আৰু বৈশেষিক দুয়োটা মতেই বহুকাল পূৰ্বেই (উদয়নাচাৰ্যৰ কিৰণাৱলী আৰু শিৱাদিত্যৰ সপ্ত-পদাৰ্থীৰ একাদশ শতক) এটা সম্প্ৰদায় (School) বা মতৰূপে

পৰিগণিত হৈছে। প্ৰকৃততে ক্ৰমবিকাশৰ ধাৰাত ন্যায় দৰ্শনৰ অনুগামীসকলে (শ্ৰীহৰ্ষৰ পিছত) মুক্তিক সুখস্বৰূপ বুলি কৈছে। ভাসৰ্বজ্ঞই ন্যায়ভূষণ নামৰ নিজৰ গ্ৰন্থত (ন্যায়সাৰ গ্ৰন্থৰ নাম নহয়, নাম ন্যায়ভূষণ আৰু ন্যায়ভূষণ সাৰ স্বৰচিত টীকা) শিৱসাক্ষাৎকাৰ মোক্ষৰ কাৰণ আৰু মোক্ষ সুখাত্মক বুলি কৈছে। এই প্ৰসংগত মীমাংসা দৰ্শনৰ প্ৰভাকৰ সম্প্ৰদায়ৰ মতৰ বাবে শালিকনাথৰ প্ৰকৰণ পঞ্চিকাৰ মত উল্লেখৰো প্ৰয়োজন। কুমাৰিল ভট্ট সম্প্ৰদায়ৰো পাৰ্থসাৰথিৰে সৈতে ভট্ট উম্বেকৰ দৃষ্টিভংগীৰ পাৰ্থক্য আছে। মুঠতে কোনো ঠাইত অসম্পূৰ্ণতা পৰিলক্ষিত হয় যদিও, সেই সেই বিষয়ৰ প্ৰায় সকলো গ্ৰন্থৰ আৰু মতৰ উল্লেখেৰে এনে আলোচনা পাণ্ডিত্য-পূৰ্ণ হৈছে। শ্ৰীহৰ্ষৰ নৈষধচৰিতত উল্লিখিত দাৰ্শনিক মতৰ আলোচনাৰ বাবে বিৰাট কলেৱৰ গৱেষণা গ্ৰন্থৰ প্ৰয়োজন।

দৰ্শনৰ বাহিৰে অন্যান্য বিষয়ৰ টোকাতো অধ্যাপক সন্দিকৈয়ে সংশ্লিষ্ট গ্ৰন্থ, মত উল্লেখ কৰি নিজৰ মতামতো প্ৰকাশ কৰিছে।

: নলে পুৰুষসূক্তৰ বিধানেৰে দ্বাদশাক্ষৰ মন্ত্ৰেৰে
নিতৌ বিষ্ণুৰ দ্বাদশ মূৰ্তিৰ পূজা কৰিছিল। ২১.৪২

বিষ্ণুৰ চাৰিখন হাতত শংখ, চক্ৰ, গদা আৰু পদ্ম থাকে; পিছে এই আয়ুধসমূহৰ ধাৰণ-ক্ৰম একে নহয়। আয়ুধৰ ক্ৰম আৰু ব্যুৎক্ৰম অনুসাৰে বিষ্ণুৰ চব্বিশ প্ৰকাৰ মূৰ্তি হয় আৰু প্ৰত্যেকৰে কেশৱ, গোবিন্দ, বাসুদেৱ আদি সুকীয়া সুকীয়া নাম আছে। টোকাত বাৰবিধ বিষ্ণুমূৰ্তিৰ নাম দিয়া হৈছে। স্কন্দপুৰাণ, মহাভাৰতৰ লগতে অহিৰ্বুধ্ন্য সংহিতাতো উল্লেখ কৰা হৈছে।

নাৰদীয় সংহিতাত (পাঞ্চৰাত্ৰ সম্প্ৰদায়ৰ অন্তৰ্গত) বাৰ মাহৰ অধিপতি বিষ্ণুৰ দ্বাদশ-মূৰ্তিৰ পূজা-উপাসনাৰ বিৱৰণ আছে। নিৰ্দিষ্ট মন্ত্ৰেৰে বিষ্ণুৰ উপাসনা কৰিলে স্ত্ৰীলাভ হয়। নলৰ উপাসনাও সম্ভৱতঃ এই প্ৰথাৰে প্ৰতিধ্বনি বিষ্বক্‌সেন সংহিতাতো অলপ

বেলেগৰূপত এনে উপাসনাৰ উল্লেখ আছে। দেখাতে বিষ্ণু এনেঠাইত সূৰ্যৰ ৰূপান্তৰ মাত্ৰ।

*　*　*

অধ্যাপক হন্দিকৈৰ নৈষধচৰিতৰ ইংৰাজী অনুবাদ পাদ-টীকাই সুস্পষ্ট কৰিছে। প্ৰকাশিত-অপ্ৰকাশিত টীকাসমূহৰপৰা দিয়া উদ্ধৃতিয়ে কঠিন, দ্ব্যৰ্থক আৰু সন্দিগ্ধ বিষয়ত আলোক সম্পাত কৰি অধিক যুক্তি-যুক্ত অৰ্থগ্ৰহণত সহায় কৰিছে আৰু পৰিশিষ্টত কৰা বিভিন্ন বিষয়ৰ আলোচনাই সেইবিষয়ত আলোকপাত কৰিছে। ইয়াৰ উপৰি এই আলোচনাসমূহে ভাৰতীয় দৰ্শন, সংস্কৃত কাব্য, কামশাস্ত্ৰ, বৈদ্যশাস্ত্ৰ আদিৰ ক্ৰমবিকাশৰ ঐতিহাসিক পুনৰ্গঠনত পৰোক্ষভাৱে সহায় কৰিছে। ধনুত জোৰোঁতে অৰ্জুনৰ কেৱল এপাত শৰ শত্ৰুসৈনাৰ ওপৰত সহস্ৰপাত হৈ পৰাৰ দৰে অধ্যাপক হন্দিকৈয়ে এক নৈষধচৰিতৰ অনুবাদৰ যোগেদি সমগ্ৰ সংস্কৃত সাহিত্য আৰু ভাৰতীয় দৰ্শন সামৰি লৈছে।

উল্লেখ আৰু টোকা

১. মহাভাৰত, বনপৰ্ব, ৫২-৭৯ অ.

পাণ্ডৱৰ বনবাস কালত বৃহদশ্বই তেওঁলোকৰ আগত নল-দময়ন্তীৰ আখ্যান কৈছিল।

২. নৈষধচৰিতৰ প্ৰত্যেক সৰ্গৰ শেষৰ পুষ্পিকাত শ্ৰীহীৰ আৰু মামল্লদেৱীৰ নাম আছে।

"শ্ৰীহীৰঃ সুষুৱে জিতেন্দ্ৰিয়চয়ং মামল্লদেৱীচ যম্।"

৩. নৈষধ, ৫ম সৰ্গৰ পুষ্পিকা।

৪. শ্ৰীহৰ্ষৰ অন্যান্য ৰচনা— ক) স্থৈৰ্য বিচাৰ-প্ৰকৰণ (৪.১২৩); খ) শ্ৰীবিজয়-প্ৰশস্তি (৫.১৩৮), খণ্ডন-খণ্ড-খাদ্য (৬.১১৩; গৌড়োৰ্বীশ-প্ৰশস্তি (৭.১০৯); অৰ্ণৱ-বিৱৰণ (৯.১০৬); ছিন্দ-প্ৰশস্তি (১৭.২২২); শিৱ-শক্তি সিদ্ধি (১৮.১৫৪); আৰু নৱসাহসাংক চৰিত চম্পূ (২২.১৫২)।

৫. নৈষধ, ৬.১১৩.

৬. নৈষধ, ২২.১৫৫ বা চতুৰ্থ পুষ্পিকা।

৭. A.B. Keith, A History of Sanskrit literature, p. 397.

৮. শকুন্তলা, চতুৰ্থ অংক।

৯. 'ভাৰৱেৰৰ্থ গৌৰৱম্', 'হিতং মনোহাৰি চ দুৰ্লভং বচঃ' সৰ্বকাৰ্যশৰীৰেষু মুক্তাংসাস্কন্ধপঞ্চকম্। — কিৰাত, ২য় সৰ্গ।

১০. সৌগতানামিৱাত্মান্যো নাস্তি মন্ত্ৰো মহীভূতাম্॥ — শিশুপাল বধ, ২.২৬

১১. নৈষধ, ১.১৩৫।

১২. নৈষধ, ৭ম সৰ্গ। সপ্তদশ সৰ্গ দীৰ্ঘতম্, ২২১ ফাঁকি কবিতা।

১৩. "সতাং সন্দেহপদেষু বস্তুষু
প্ৰমাণমন্তঃকৰণ—প্ৰবৃত্তয়ঃ" —শকুন্তলা, ১.২০
তু/ক "সতাং হি চেতঃ শুচিতাত্মসাক্ষিকা" —নৈষধ, ৯.১২৯
আচাৰশ্চৈৱ সাধূনামাত্মনস্তুষ্টিৰেৱ চ" —মনু, ২য় অ.

১৪. নৈষধচৰিতৰ বহুত সংস্কৰণ প্ৰকাশ হৈছে। তাৰ ভিতৰত উল্লেখযোগ্য হৈছে—

ক) প্ৰেমচন্দ্ৰ তৰ্কবাগীশৰ টীকাসহ, কলিকতা, ১৮৩৬;

খ) নাৰায়ণৰ টীকাসহ, ই. ৰোৰে সম্পাদিত, ১৮৫৫;

গ) মল্লিনাথৰ টীকাসহ, জীৱানন্দ বিদ্যাসাগৰ সম্পাদিত, কলিকতা, ১৮৭৫-৭৬;

ঘ) পালঘাট সংস্কৰণ, ১৯২৪;

ঙ) নিৰ্ণয়সাগৰ প্ৰেছ, বোম্বাই, ১৮৯৪, ষষ্ঠ সংস্কৰণ ১৯২৮;

চ) নাৰায়ণ, ভৰতমল্লিক আৰু বংশীধৰৰ টীকাসহ, কলিকতা ১৯২৯-৩০ (আংশিক) ইত্যাদি

১৫. "It is a consolation to reflect that even had she (Damayanti) known Sanskrit, she would not have been able without a comment to understand what was said by the Goddess."
—A.B. Keith, A History of Sans. Lit. p. 141.

১৬. নৈষধচৰিতৰ ২৪টা টীকাৰ সম্ভেদ পোৱা যায়।

এজন ছাত্ৰৰ দৃষ্টিৰে
অধ্যক্ষ কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়া

পৰনাথ শৰ্মা

মহৎ ব্যক্তিত্ব বুলিলে স্বৰূপাৰ্থত কি বুজায় সহজে ব্যাখ্যা কৰা টান; কিন্তু তেনে ব্যক্তিত্বসম্পন্ন লোকৰ সংস্পৰ্শলৈ আহিলে তেওঁৰ শক্তিশালী প্ৰভাৱ উপলব্ধি নকৰাকৈ নোৱাৰি। আমাৰ এসময়ৰ স্বনামধন্য অধ্যক্ষ পণ্ডিতপ্ৰৱৰ কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াৰ ক্ষেত্ৰত এই কথাৰ বঢ়িয়াকৈ প্ৰমাণ পাইছিলোঁ। এজন মনীষীয়ে কৈছে, বেৰৰ জলঙাইদি অহা জিলিঙনিৰে সূৰ্যৰ বিৰাট শক্তিৰ পৰিচয় পোৱাৰ দৰে মহৎ লোকৰো সৰু সুৰা কথাবোৰৰ পৰাই তেওঁৰ মহত্ত্বৰ চিনাকি পোৱা যায়। আমাৰ পৰম শ্ৰদ্ধেয় অধ্যক্ষ-জনৰ সম্পৰ্কে আমি তেনে কিছুমান সৰু সৰু কথাহে এই ক্ষুদ্ৰ প্ৰবন্ধটিত সন্নিবিষ্ট কৰিব খুজিছোঁ।

১৯৪১ চনত নাজিৰা ল'ৰাৰ হাইস্কুলৰ (এতিয়া উঃ মাঃ বহুমুখী বিদ্যালয়) পৰা প্ৰৱেশিকা পৰীক্ষা পাছ কৰি দূৰলৈ যাবলৈ সামৰ্থ্য নথকাত যোৰহাট তৰাজানত মোমাইদেউৰ ঘৰতে আশ্ৰয় লৈ জগন্নাথ বৰুৱা কলেজত নাম লগাই যেতিয়া পঢ়িবলৈ লওঁ তেতিয়া অধ্যক্ষ ডাঙৰীয়াক ঠিক ঘড়ীৰ কাঁটাৰ দৰে দুপৰীয়া বাৰ বজাত আপিচলৈ অহা আৰু ঠিক দুটা বজাত ক'লা ৰঙৰ গাড়ীখনত উঠি আপিচৰ পৰা ঘৰমুৱা হোৱা দেখিছিলোঁ। সেই সময়ত কলেজৰ ঘৰ-দুৱাৰ বেছি নাছিল, বৰপাত্ৰ-ভৱনত আপিচ, পুথিভঁৰাল আৰু চতুৰ্থ বাৰ্ষিক শ্ৰেণীৰ লগতে অধ্যাপকসকলৰ জিৰণি-কোঠা। সৰ্বানন্দ হলত বাকী শ্ৰেণী-

বিলাক বহে—তাৰ পশ্চিমে ছাত্ৰৰ জিৰণি-কোঠা। কলেজ-চৌহদত ছাত্ৰাবাস আছিল। চৌহদটোত ভালেমান মূল্যবান গছ, ফুলনি, নিমজ এডৰা ঘাঁহনি আছিল - সকলো কালে চাফ-চিকুণ আৰু পৰিপাটি। সেইদৰে নিয়ম শৃংখলাৰ ক্ষেত্ৰতো কলেজখনৰ সুনাম আছিল অধ্যক্ষ সন্দিকৈ ডাঙৰীয়া আহিচৈল অহাৰ আগে আগে কলীয়া চকিদাৰে হেণ্ডৰ আহিচটে। আটোম-টোকাৰিকৈ সজ্জাৰ খয়। সেইজত ক'তো দাগ এটাও থাকিব নোৱাৰিব— অধ্যাপকসকলক বহিবলৈ দিয়া চকীবোৰো সমানে মিলাই থ'বলো লাগিবই আনকি খিৰিকিৰ আইনাবোৰো ভালকৈ মচি থ'ব লাগিব। অধ্যক্ষৰ চকু ভালৈকো যায় আৰু অলপ ব্যতিক্ৰম দেখিলে কলীয়া চকিদাৰক টানকৈ কয়। সেই সময়ত আমাৰ কলেজত বহু বহু গুণী অধ্যাপক কেইবাজনো আছিল। ডক্টৰ প্ৰফুল্ল দত্ত গোস্বামী এবছৰমান আমাৰ ইংৰাজীৰ অধ্যাপক আছিল।

কলেজত নাম লগোৱা দিন ধৰি আমাৰ শ্ৰেণীবোৰ নিয়মিত-ভাৱেই বহিছিল। সেই সময়ত ইংৰাজী বিভাগৰ অধ্যাপক মহেশ্বৰ শৰ্মা (পিছলৈ নগাঁও কলেজৰ অধ্যক্ষ) ছাৰ এবছৰমান ছুটী লৈ কটন কলেজত অধ্যাপনা কৰিবলৈ যোৱাত স্বৰ্গীয় হেম বৰুৱা (পাছত লোকসভাৰ সদস্য) ছাৰে আমাক ইংৰাজী আৰু অসমীয়া পঢ়ুৱাইছিল আৰু তেখেতে অসমীয়া কবিতাবোৰ সুৰ ধৰি শুৱলাকৈ পঢ়িছিল। উপাধ্যক্ষ ৺তুলসীনাৰায়ণ শৰ্মা ছাৰে আমাক অসমীয়া আৰু সংস্কৃত পঢ়াইছিল। পৌৰ বিজ্ঞান আৰু বাণিজ্যিক ভূগোলৰ শ্ৰেণীত পাইছিলোঁ ডক্টৰ ৺পদ্মেশ্বৰ গগৈক। আমাৰ তৰ্কবিদ্যা নাছিল—কলেজৰ শ্ৰেণীত পাঠদান কৰোঁতে স্বৰ্গীয় প্ৰফুল্লপ্ৰাণ চাংকাকতিৰ চৌহদ গমগমাই যোৱা ভাষণ মাত আমাৰ কাণত সদায় পৰিছিল। অধ্যাপক প্যাৰীমোহন চাংবোৱাৰে নাচি-বাগি বৰ ধেমালি কৰি আমাক বাইবেল পঢ়োৱা আজিও মনত আছে। আমাৰ সময়ত অধ্যক্ষ সন্দিকৈ ডাঙৰীয়াই পাঠদান কৰা নাছিল। দুবছৰমানৰ আগতে

তেখেতে চতুৰ্থ বাৰ্ষিকত ছেক্সপীয়েৰ আৰু বুৰঞ্জীৰ শ্ৰেণী দুটামান লওঁতে নোট দি ভালকৈ পঢ়াইছিল বুলি আমাৰ অগ্ৰজসকলৰ মুখত শুনিছিলোঁ। পিছে বিস্তৃতকৈ পঢ়োৱাত, সময়ত পাঠ্যক্ৰম শেষ কৰিব নোৱাৰি আন অধ্যাপকসকলক সেইবোৰ শ্ৰেণী ল'বলৈ দিছিল। আমাৰ নৱাগতসকলৰ কাৰণে সৰ্বানন্দ হলত যিখন আদৰণী সভাৰ আয়োজন কৰা হৈছিল তাত পৌৰোহিত্য কৰিছিল অধ্যক্ষ সান্দিকৈ ডাঙৰীয়াই। আমাৰ সহপাঠী পুণ্য ভূঞাই (এতিয়া অধিবক্তা) কৌতুক অভিনয় কৰোঁতে তেখেতে আমোদ পাই অলপ হাঁহা দেখিছিলোঁ; কিন্তু সেই দিনাৰ সভাত তেখেতে একো ভাষণ দিয়া নাছিল। সেইদিনাই অধ্যক্ষজনাক ওচৰৰপৰা চাবলৈ সুযোগ পালোঁ। আৰু এটা কথা বিশেষকৈ লক্ষ্য কৰিছিলোঁ, অধ্যক্ষজনা কলেজৰ আপিচত সদায় মাত্ৰ দুঘণ্টাহে আছিল; পিছে, তেখেত কলেজত উপস্থিত থাকক বা নেথাকক কলেজৰ সকলো কাম-কাজ ক'তো অকণো আঁৰ নলগাকৈ চলিছিল—শ্ৰেণীবোৰো নিয়মীয়াকৈ বহিছিল। ১৯৩৯ চনৰপৰা কলেজৰ ইউনিয়নখনো নাছিল; ৰাজনৈতিক কাৰণত ছাত্ৰসকলৰ মাজত দলাদলি হোৱাত অধ্যক্ষই তাক ভংগ কৰি দিছিল। সভা-সমিতিও বৰ কমেহে হোৱা দেখিবলৈ পাইছিলোঁ।

এদিনৰ ৰসাল ঘটনা এটাৰ কথা আজিও মনত পৰে। বৰ্তমান শিৱসাগৰ কলেজৰ অধ্যক্ষ, বন্ধুবৰ শ্ৰীপৰাগ চলিহা তেতিয়া জগন্নাথ বৰুৱা কলেজৰ দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ—সৰুৰেপৰা তেওঁ সুগায়ক হিচাপে পৰিচিত। সেই সময়ত অসমৰ তৃতীয়খন কথাছবি "মনোমতী" ওলাইছেহে। সেই ছবিত কমল চৌধুৰীৰ মুখৰ "খোলা, খোলা, দেউল দুৱাৰ খোলা" আৰু "মন মোৰ কাঢ়ি লৈ হিয়াখনি ভাঙি থৈ, যায় গুচি দূৰলৈ কোন" এই গীত দুটি ইমান জনপ্ৰিয় হৈছিল যে সকলো ঠাইতে ডেকাসকলৰ মুখত এই গীত দুটা শুনিবলৈ পোৱা গৈছিল। আমাৰ প্ৰথম বাৰ্ষিক শ্ৰেণীৰ পিছকালেই

ছাত্ৰৰ জিৰণি চ'ৰা। ৺হেম বৰুৱা চাৰে আমাক অসমীয়া কবিতা পঢ়াই থাকোঁতে হঠাতে পিছফালৰপৰা পৰাগ চলিহাই "খোলা, খোলা, দেউল দুৱাৰ খোলা" গীতটো উদাত্ত কণ্ঠেৰে গোৱা শুনিবলৈ পালোঁ। চাৰেও সেই গীত শুনিবলৈ পাই পাঠদান বন্ধ কৰি বৰ অৰ্থপূৰ্ণ চাৱনিৰে আমালৈ চাই লগে লগেই "মধুৰ বাঁহীৰ তান আছে বতাহত, দূৰতেই শুনা পাতি কাণ; দূৰতে সৌন্দৰ্য ভাৰ, দূৰতে মাধুৰী, ওচৰত প্ৰাণশূন্য তান —" এইফাকি কবিতাৰ পংক্তি সুৰ ধৰি যেতিয়াই গাই দিলে আমি সকলোৱেই গিৰ্জনি মাৰি হাঁহি দিলোঁহক। তাৰ পিছত আমি নীৰৱ, সিফালেও গান গোৱা বন্ধ হ'ল। এইদৰে কেতিয়াবা কেতিয়াবা ছাত্ৰৰ জিৰণি-কোঠাত গান গোৱাৰ পৰা শ্ৰেণীৰ পাঠদানত অসুবিধা হয় বুলি অধ্যক্ষডাঙৰীয়াৰ কাণত পৰাত এদিন তেখেতে নিজে আহি জিৰণি কোঠাৰ দুৱাৰমুখত থিয় দিলেহি —মুখেৰে এটা মাতো মতা নাই। গান বন্ধ হ'ল — পিছ দুৱাৰেদি সকলো ছাত্ৰ সাউৎ কৰে ওলাই গ'ল আৰু সেইদিনাৰপৰা তাত গান গোৱাও বন্ধ হৈ গ'ল।

১৯৪২ চন। দ্বিতীয় বাৰ্ষিকলৈ উঠি গৰমৰ দীঘলীয়া বন্ধৰ পিছত জুলাই মাহত কলেজলৈ আহি দেখিলোঁ। আমাৰ কলেজৰ সকলো ঘৰ-দুৱাৰ সৈন্য-বিভাগে ল'লে। আমাৰ চুটামান শ্ৰেণী যোৰহাট থিয়েটাৰ হলত, চুটামান শ্ৰেণী আৰু অফিচ দৰ্পণ প্ৰেছৰ কাষত, ৺ৰবদা ফুকনৰ ধানকলৰ পিছফালে মালো-আলিৰ ওচৰত। সেই সময়ছোৱাত অধ্যক্ষই ঘৰৰপৰাই অফিচৰ কাম চলাইছিল। আমি তেখেতক কলেজত দেখা পোৱা নাছিলোঁ। আগষ্টৰ ভাৰত-ত্যাগ আন্দোলনত দেশৰ অন্যান্য ঠাইৰ লগতে যোৰহাটো উল-ওপৰ হ'ল — হৰতাল, সত্যাগ্ৰহ, শোভাযাত্ৰা, সভা-সমিতি, স্কুল-কলেজ ত্যাগ ইত্যাদি কাৰ্যসূচীত ছাত্ৰনেতা ৺যোগেন শইকীয়া আৰু শ্ৰীচাৰু গোস্বামীৰ নেতৃত্বত ছাত্ৰশক্তিয়ে সদলবলে যোগদান কৰিলে। আন্দোলনত লাগি আমিও সেই পথ ল'লো। শিৱসাগৰ আদালতে লগৰ আন

ছজনৰ সৈতে আমাক তিনিমাহকৈ আৰু আন এজনক ছমাহকৈ সশ্ৰম কাৰাদণ্ড দিলে। শিৱসাগৰ জেলত এসপ্তাহ থকাৰ পিছত আমাক যোৰহাট জেললৈ চালান দিয়াত আমাৰ বৰ আনন্দ ; কিয়নো সেই জেলত অসমৰ সকলো প্ৰধান কংগ্ৰেছী নেতাসকল আছিল। স্বৰ্গীয় গোপীনাথ বৰদলৈ, ফখৰুদ্দিন আলি আহমদকে প্ৰমুখ্য কৰি তাত নগাঁও, তেজপুৰ, শিৱসাগৰ, যোৰহাট, গোলাঘাটৰ প্ৰায় ৫০০ শ ৰাজনৈতিক বন্দীৰ উপস্থিতিত যোৰহাট জেল নহয় ই জানিবা আমাৰ কাৰণে পৱিত্ৰ পুণ্যভূমি মহামিলনৰ ক্ষেত্ৰ। তাত আমাৰ প্ৰিয় অধ্যাপক হেম বৰুৱা ছাৰক পালোঁ — জগন্নাথ বৰুৱা কলেজৰ ছাত্ৰনেতাসকলৰ ভিতৰত ৺যোগেন শইকীয়া (পাছত মন্ত্ৰী), শ্ৰীচাৰু গোস্বামী, ৺নবেন শৰ্মা (বিধান সভাৰ সদস্য — দেৰগাঁও) আৰু অনেক। ১৯৪২ চনৰ ডিচেম্বৰ মাহৰ ২৩ তাৰিখে আমি মুক্তি লাভ কৰিলোঁ। যদিও বাছনি পৰীক্ষা হৈ যোৱাত সেই বছৰ আই. এ. পৰীক্ষা দিয়া নহ'ল। কলেজতো নাম কটা গ'ল।

১৯৪৩ চন। বহাগ বিহুৰ পাছতে অৰ্থাৎ এপ্ৰিল মাহৰ তৃতীয় সপ্তাহমানতে যোৰহাটলৈ গৈ জেঠাইহঁতৰ ঘৰতে থাকি অধ্যক্ষ সন্দিকৈ ডাঙৰীয়াক দেখা কৰিবলৈ মহসাহ কৰি ওলাই গ'লো। ছাত্ৰাৱস্থাত বৰ লাজকুৰীয়া আছিলোঁ, তাতে অধ্যক্ষ ডাঙৰীয়াৰ ব্যক্তিত্বৰ কথা জানি মই দেখা কৰি কি কম ভাবি নিজৰ ওপৰতে সন্দেহ উপজিছিল। পিছে আন্দোলনত লাগি ভয়ৰ ভাব কিছু পৰিমাণে আঁতৰিলেও, অধ্যক্ষ ডাঙৰীয়ালৈ পেটে পেটে বৰ ভয় লাগিছিল। সময় তেতিয়া পুৰা ৮ মান বাজিছে। লগুৱা এটিয়ে মোৰ পৰা পৰিচয় লৈ লগতে দেখা কৰাৰ সকাম কি তাক জানি লৈ ভিতৰলৈ গ'ল। অলপ সময়ৰ পিছত অধ্যক্ষ ডাঙৰীয়াই লগুৱাটোৰ যোগেদি কৈ পঠিয়ালে, তেখেতে মোক দিনৰ ১১ বজাত দেখা কৰিব। মযো সেইমতে ঠিক ১১ বজাৰ আগে আগে দীঘল পদূলিয়েদি গৈ বঙলাৰ সন্মুখত থিয় দিওঁতেই অধ্যক্ষ ডাঙৰীয়া দুৱাৰ খুলি

গুলাই আছিল। মই দুয়োহাতে নমস্কাৰ জনালোঁ। মোৰ পৰিচয় সোধাত মই সকলো ক'লো আৰু লগতে আন্দোলনত লাগি পঢ়া-শুনা এৰি কেনেকৈ ঘোৰাৰ কথাও ক'লোঁ — মোক যেন আকৌ দ্বিতীয় বাৰ্ষিকত পঢ়িবলৈ অনুমতি দিয়ে আৰু মোৰ ঘৰুৱা অৱস্থালৈ চাই কিছু পৰিমাণে শোধ কৰিবলগীয়া মাচুল ৰেহাই দিয়ে তাৰ কাৰণে প্ৰাৰ্থনা জনালোঁ। অধ্যক্ষ ডাঙৰীয়াই মোৰ কথাবোৰ বৰ সহানুভূতিৰে শুনি মাত্ৰ এইকেইটা কথা ক'লে, "It is too early — জুলাইতহে কলেজ খুলিব — তুমি তেতিয়া দৰ্খাস্ত এখন আপিচতে দিবা — তোমাৰ কথা মোৰ মনত থাকিব।" মই প্ৰণাম জনাই বিদায় লৈ বঙলাৰপৰা উভতি আহোঁতে তেখেতৰ চুটুক আৰু পোনপটীয়া কথাখিনিলৈ লক্ষ্য কৰিছিলোঁ, লগতে তেখেতৰ গুৰুগম্ভীৰ শান্ত-সৌম্য মূৰ্তি দেখি শ্ৰদ্ধা আৰু ভক্তিত মোৰ মূৰটো আপোনা-আপুনি দোঁ খাই আহিছিল। ছবিত দেখা স্বামী বিবেকানন্দৰ বহলকৈ মেলা চকু দুটিৰদৰে তেখেতৰ চকু দুটিও উজ্জ্বল আৰু তীব্ৰ, হাস্ত-মুখ পূৰ্বঠ। এয়ে আমাৰ অধ্যক্ষজনাৰ লগত প্ৰথম সাক্ষাৎ।

জুলাই মাহত কলেজ খুলিল। অধ্যক্ষৰ পৰামৰ্শ মতে মই দৰ্খাস্ত এখন দিলোঁ। দুদিনমানৰ মূৰত আপিচত গৈ খবৰ কৰাত জানিলোঁ মোৰ দিবলগীয়া বছৰত মাচুল ৰেহাই দিয়া হৈছে আৰু নাম লগাবলৈও অনুমতি দিয়া হৈছে। প্ৰায় তিনিমাহৰ মূৰতো আমাৰ কথা মনত ৰখাত আচৰিত নহৈ নোৱাৰিলোঁ। যথাসময়ত আই. এ. পৰীক্ষা পাছ কৰি ১৯৪৪ চনত তৃতীয় বাৰ্ষিকত নাম লগালোঁ। আমাৰ শ্ৰেণীবোৰ তেতিয়াও গোৰ্হাট থিয়েটাৰ হলত বহে। তাতে কেতিয়াবা সভা-সমিতিও হয়। আগতেই কৈ অহা হৈছে ৪/৫ বছৰ-মান কলেজৰ ছাত্ৰ ইউনিয়ন নাছিল। দধি মহন্তদেৱেই জগৰ কৰি দিয়া শেহবাৰ ছাত্ৰ ইউনিয়নৰ সাধাৰণ সম্পাদক আছিল। সি বি কি নহওক, আমাৰ ছাত্ৰসকলৰ দুজনমান প্ৰতিনিধিয়ে এদিন অধ্যক্ষ ডাঙৰীয়াক দেখা কৰি ইউনিয়নখন পাতিবলৈ দিব লাগে বুলি আবেদন

জনালে। ছাত্ৰ প্ৰতিনিধিসকলৰ লগত আছিল সেই সময়ৰ বৰ আগ-বঢ়ুৱা, উদ্যোগী ছাত্ৰ ৺অমূল্য বৰুৱা (উদীয়মান কবি—১৯৪৬ চনত সাম্প্ৰদায়িক সংঘৰ্ষত কলিকতাত এম, এ, পঢ়ি থকা অৱস্থাত অতি শোকাবহভাৱে বলি হ'বলগীয়া হ'ল), ভোলা ফুকন, ৰাজেন হাজৰিকা (প্ৰসিদ্ধ গল্পলেখক) আৰু তুষ্কনমান। অধ্যক্ষজনাই কেইটামান চৰ্তত হে ছাত্ৰ ইউনিয়ন গঠন কৰিবলৈ দিব পাৰে বুলি জনালে। সেই চৰ্তকেইটা হ'ল— ১) কলেজৰ ছাত্ৰ ইউনিয়নৰ সভাপতিজনক অধ্যক্ষই মনোনীত কৰি দিব; ২) ছাত্ৰ ইউনিয়নে কলেজৰ প্ৰশাসনীয় কোনো কথাতে মত মাতিব নোৱাৰিব আৰু ৩) ছাত্ৰ ইউনিয়নৰ মাচুলৰ ক্ষেত্ৰত কলেজ কৰ্তৃপক্ষই কোনো দায়িত্ব নলয়। এনে চৰ্ত সাপেক্ষে ছাত্ৰ ইউনিয়নখন গঠন কৰা হ'ব নে নহয় অধ্যাপক ৺দুলাল ভূঞা ছাৰৰ সভাপতিত্বত ছাত্ৰ-ছাত্ৰীসকলৰ এখন বিশেষ সাধাৰণ সভা বহিল আগষ্ট মাহৰ ২০ তাৰিখে। সেই সভাত যি বাকবিতণ্ডা হ'ল তাত প্ৰায় সৰহসংখ্যক বক্তাই এনে চৰ্তত ইউনিয়ন গঠন কৰিব নেলাগে বুলি মত প্ৰকাশ কৰিলে। সেই সভাত মই যিবোৰ যুক্তি প্ৰদৰ্শন কৰিলোঁ তাৰ কথা আজিও মনত পৰে। মোৰ যুক্তি আছিল ছাত্ৰ ইউনিয়ন একেবাৰে নথকাতকৈ সীমিত ক্ষমতা দিলেও তাকেই গ্ৰহণ কৰিব লাগে; ইংৰাজ চৰকাৰে সামান্য ক্ষমতা দিলেও কংগ্ৰেছী নেতাসকলে আইন সভাত সোমাই লাহে লাহে ক্ষমতা দখল কৰাৰদৰে আমিও প্ৰথমতে কোনোপ্ৰকাৰে ইউ-নিয়নখন পাতি লৈ আমাৰ ক্ষমতাবোৰ লাহে লাহে উদ্ধাৰ কৰাৰ কৌশল স্বৰূপে গ্ৰহণ কৰিব লাগে। শেহত দেখা গ'ল আমাৰ কথাতেই সকলোৰে হয়ভৰ দিয়াত ইউনিয়নখন গঠন কৰাৰ সিদ্ধান্ত হ'ল। সেইদিনাৰপৰা নতুন উছাহেৰে ছাত্ৰ ইউনিয়ন গঠন কৰাত সকলো উঠি-পৰি লাগিল। সেই নিৰ্বাচনত মই সাধাৰণ সম্পাদক হ'বলগীয়া হ'ল — প্ৰতিদ্বন্দ্বী কোনো নুঠিল। বোধকৰো ছাত্ৰসকলৰ সভাত যে মই ছাত্ৰ ইউনিয়ন-খনৰ ক্ষমতা কম হ'লেও আমি গ্ৰহণ কৰিব লাগে বুলি যুক্তি

প্ৰদৰ্শন কৰিছিলোঁ—তাকে পৰীক্ষা চাবলৈ এই দায়িত্ব দিয়া হৈছিল। অৱশ্যে সেই সময়ত আমাৰ তৃতীয় বাৰ্ষিক শ্ৰেণীত ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও কম আছিল আৰু এই তৃতীয় বাৰ্ষিক শ্ৰেণীৰপৰাই সম্পাদক নিৰ্বাচিত হ'ব লাগিছিল। মুঠতে সীমিত ক্ষমতাৰে (অক্টোবৰ মাহত) ছাত্ৰ ইউনিয়ন গঠন কৰিবলৈ লৈ আমি এটা অগ্নিপৰীক্ষাত নামিব-লগীয়া হ'ল। ধাৰণা কৰিলোঁ ছবছৰমান ইউনিয়নৰ কাম ভালকৈ চলাব পাৰিলে সময়ত ইয়াৰ ক্ষমতা লাহে লাহে হাতলৈ আহিব। অধ্যাপক ৺তুলাল ভূঞা ছাৰক (পিছলৈ অসম চৰকাৰৰ প্ৰচাৰ আৰু জনসম্পৰ্কৰক্ষী সঞ্চালক) আমাৰ সভাপতি মনোনীত কৰাত আমি বৰ ভাল পালোঁ। তেখেত মানুহজন যেনে সভা-শুৱনি, কথা-বাৰ্তা আদিতো সকলোৰে অন্তৰ জয় কৰিব পৰা। ইউনিয়নখনৰ নতুন সংবিধান ৰচনা কৰাৰপৰা আমাৰ সকলো কামতে তেখেতে দিহা-পৰামৰ্শ দি সহায় কৰাত আমাৰ নতুন অভিজ্ঞতা লাভ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কাম কৰিবলৈ সুচল হৈছিল। তাতে কেইবাবছৰৰ মূৰত ছাত্ৰ ইউনিয়নখন হৈছে, ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সেয়ে নতুন উছাহ-উদ্দীপনা দেখা গৈছিল আৰু সকলো ছাত্ৰ-ছাত্ৰীয়েই আমাৰ লগত পূৰ্ণ সহযোগ কৰিছিল। তেতিয়া কবি ৺অমূল্য বৰুৱা আৰু গল্পলেখক ৰাজেন্দ্ৰনাথ হাজৰিকা কলেজ আলোচনীৰ যথাক্ৰমে ইংৰাজী আৰু অসমীয়া শাখাৰ সম্পাদক নিৰ্বাচিত হৈছিল। তেওঁলোকৰ যত্নত কলেজৰ নতুন আলোচনী প্ৰকাশ হ'ল। কেৱল সেয়ে নহয় তেওঁলোক দুয়ো ইউনিয়নৰ কামত আমাক নানাভাৱে সহায় কৰিছিল। উপাধ্যক্ষ ৺তুলসীনাৰায়ণ শৰ্মাই আমাৰ ইউনিয়নৰ সকলো খা-খবৰ লৈ অধ্যক্ষ ভাণ্ডাৰীয়াৰ লগত সততে যোগাযোগ ৰক্ষা কৰি আছিল; তেখেতেও আমাক আৱশ্যকীয় দিহা-পৰামৰ্শ দি সহায় কৰিছিল। ছাত্ৰ ইউনিয়নৰ নতুন সম্পাদক হৈ ছাত্ৰ-ছাত্ৰীৰ ৰবঙনি তোলাৰপৰা আৰম্ভ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ কেৰাচিন তেল যোগান ধৰাৰ লগতে সভা-সমিতিৰ আয়োজন কৰালৈকে ডেৰাৰ কাম আমি কৰিবলগীয়া হৈছিল।

কোৱা বাহুল্য, সেই সময়ত যোৰহাটত যুদ্ধকালীন অৱস্থাৰ কাৰণে ব্লেক-আউট (কৃষ্ণদিৱস) চলি আছিল— লোণ, কেৰাচিন আদিৰ দুষ্প্ৰাপ্য— উপায়ুক্তইহে বিশেষ অনুমতি দিলে এনে বস্তু অ মি পাবলৈ সমৰ্থ হৈছিলোঁ। শ্ৰেণীৰ প্ৰতিনিধিসকলে আৰু ইউনিয়নৰ সদস্যসকলে এনেবোৰ কামত আশাশুধীয়াকৈ সহায় কৰাত আমাৰ সকলোফালে সুচল হৈছিল আৰু টকা-পইচা তোলাৰ ক্ষেত্ৰতো একো অসুবিধা পোৱা নাছিলোঁ। ছাত্ৰ ইউনিয়নৰ সম্পাদকৰ দায়িত্ব লোৱাৰপৰা সামাজিক কাম কৰাৰ আমাৰ যিখিনি অভিজ্ঞতা হ'ল তাৰ কথা নক'লোৱেই বা ; পিছে আমাৰ জীৱনৰ বৰ সৌভাগ্যৰ কথা হ'ল — ছাত্ৰ-ছাত্ৰীহে নালাগে অন্য ব্যক্তিসকলৰ কাৰণে লগ পোৱাটো দুৰ্লভ আমাৰ শ্ৰদ্ধেয় অধ্যক্ষ ডাঙৰীয়াৰ ওচৰ চাপিবলৈ আৰু তেখেতৰ-পৰা দিহা-পৰামৰ্শ আদি লাভ কৰিবলৈ।

১৯৪৪/৪৫ চনৰ সময়ছোৱাৰ আমাৰ কাৰ্যকালত অসমৰ দুজন মহান ব্যক্তিক বিভিন্ন সময়ত আমাৰ কলেজৰ তৰফৰপৰা সম্বৰ্ধনা জনোৱা হৈছিল। এজন হ'ল সকলোৰে পৰিচিত বিহগী-কবি ৰঘুনাথ চৌধাৰী—তেতিয়া 'জয়ন্তী' খন বন্ধ হোৱাত তেখেতে 'সুৰভী' নামৰ নতুন আলোচনী এখন সম্পাদনা কৰি আছিল। আনজন হ'ল অসম-কেশৰী আম্বিকাগিৰী ৰায়চৌধুৰী। এই দুয়োজন ব্যক্তিক সম্বৰ্ধনা জনাবলৈ সিদ্ধান্ত কৰাৰ কথা অধ্যক্ষ ডাঙৰীয়াক জনোৱাত আমাক কৈছিল, তেখেতে এইটো ভাল পাইছে। আমাৰ অনুৰোধক্ৰমে কলেজৰ শ্ৰেণীসমূহ অৰ্ধছুটী দিছিল। আমাৰ সভা-সমিতি বা অন্যান্য কোনো কথা লৈ অধ্যক্ষজনাক দেখা কৰিবলৈ যাওঁতে তেখেতে তৎকালেই দেখা কৰি পোনপটীয়াকৈ কাৰণ সোধে আৰু আমিও মূল-কথাখিনিহে কওঁ— তেখেতে টপৰাই তাৰ সমিধান দিয়ে। সভা-সমিতি পাতিলে কাক সভাপতি পাতিম তাৰো দিহা দিয়ে। দিন যোৱাৰ লগে লগে মই তেখেতৰ লগত সহজে কথা পাতিব পৰা হৈছিলোঁ—অৱশ্যে এটা কথা সদায় লক্ষ্য কৰিছিলোঁ—তেখেতে প্ৰয়ো-

জনতকৈ এটা কথাও বেছিকৈ কোৱা মনত পৰা নাই। তেখেত সাধাৰণতে কোন সময়ত আজৰি থাকে সুধিয়ে সেইমতেহে গৈছিলোঁ। পুৱা ১১/১২ বজাৰ ভিতৰত নতুবা দিনৰ ২/৩ বজাৰ সময়ত। এদিন চুইমান বজাত দেখা কৰিবলৈ যাওঁতে খন্তেক বোৱাৰ পাছত মোক দেখা কৰিবলৈ দিলে। কথাবোৰ সোধোঁতে মই মন কৰিলোঁ তেখেতে দুপৰীয়াৰ আহাৰ কৰিয়েই ওলাই আহিছে, গামোচাখনেৰে তেতিয়াও মুখখন মচি আছে। কেতিয়াবা পিছবেলা গ'লে দেখোঁ, তেখেতে পৰিয়ালৰ লগত বাৰান্দাতে বহি থাকে। তেতিয়া দূৰৰপৰা মন কৰোঁ, দুয়োজন যেন লক্ষ্মী-নাৰায়ণহে— গঢ়গতি আৰু তেজে-পুজে এনে মিল কাচিৎহে দেখিবলৈ পোৱা যায়। মই প্ৰায়েই বড়লাকৈ গৈ থকাৰপৰা তেখেতৰ পৰিয়ালে আমাক চিনি পোৱা হৈছিলগৈ আৰু সেয়ে কেতিয়াবা অধ্যক্ষক দেখা কৰিবলৈ গ'লে তেখেতে আমাক খন্তেক ব'বলৈ কৈ ভিতৰত খবৰ দিছিলগৈ। আমাৰ কলীয়া চকিদাৰ অধ্যক্ষৰ ঘৰত থাকিবলৈ লৈছিল; সেই চকিদাৰৰ মুখত অধ্যক্ষ সন্দিকৈ ডাঙৰীয়াৰ বহুতো কথাৰ সম্ভেদ পাইছিলোঁ। সেই সময়ত অধ্যক্ষই ঘৰৰপৰাই সকলো অ'ফিচৰ কাম চলালেও উপাধ্যক্ষ ৺তুলসীনাৰায়ণ শৰ্মা ছাৰ আৰু কলীয়া চকিদাৰৰ-পৰা কলেজৰ বাহিৰ-ভিতৰৰ সকলো খা-খবৰ ৰাখি আছিল। কেতিয়াবা তেখেতে ধেমালিতে — 'আজি নাচনী প্ৰফেচাৰ আহিছেনে নাই অ' কলীয়া ' এইবুলিও সোধে। আমাৰ ইংৰাজীৰ অধ্যাপক প্যাৰী-মোহন চ'ৰোৱানে পঢ়াবৰ সময়ত চকীখন ঘূৰাই নাচি-বাগি থকাৰ দৰে পাঠদান কৰিছিল। তেখেতৰ কথাকেই তেনেকৈ সুধিছিল। এবাৰ আমাৰ ইউনিয়নৰ সাধাৰণ সভা এখন — (সেইখন বোধকৰোঁ বিদায়ী সভা আছিল) পাতিবলৈ আয়োজন কৰি চাৰোৱান ছাৰক সভাপতি পাতিব খুজিলোঁ। ছাৰোৱান ছাৰে পাঠদান কৰোঁতে হাঁহি-ধেমালি কৰে — পাঠদান কৰোঁতে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি বিশেষ নজৰ নিদিয়ে— কেতিয়াবা শ্ৰেণীত বিশৃংখল হয়। এইকথা

অধ্যক্ষই জানিছিল কাৰণে সভাৰ কথাৰে তেখেতক দেখা কৰোঁতে মোক প্ৰশ্ন কৰিছিল— ছাত্ৰবোৰানক সভাপতি পাতিলে কিজানি সভাত বিশৃংখল হয় গতিকে আন এজনক সভাপতি পাতিলে ভাল হ'ব। মই তেতিয়া প্ৰতিশ্ৰুতি দিলোঁ— আমাৰ সভাপতি দুলাল ভূঞা ছাৰ আৰু আমি থাকিলে ছাত্ৰ-ছাত্ৰীসকলে সভাত কোনো গোলমাল কৰিব নোৱাৰে। সেই প্ৰতিশ্ৰুতি দিয়াতহে তেখেতে সভাৰ কাৰণে অনুমতি দিলে। নিয়ম শৃংখলাৰ ক্ষেত্ৰত তেখেতৰ যেনে চোকা দৃষ্টি আছিল, আমিও আমাৰ সকলোবোৰ সভা সমিতি সময়মতে আৰু অতি শৃংখলাৰে অনুষ্ঠিত কৰিবলৈ যত্ন কৰিছিলোঁহঁক। এইদৰে আমাৰ ইউনিয়নৰ কাম সন্তোষজনকভাৱেই চলিল। ক'তো একো হেৰফেৰ হোৱা নাছিল। আমাৰ কাৰ্যকালছোৱাত সৰস্বতী পূজাৰ লগতে নাটক-সাংস্কৃতিক সন্মিলনো হ'ল, শ্ৰীমন্ত শংকৰদেৱৰ তিথিপৰ্ব আদিও নিয়মিত-ভাৱে পালন কৰা হৈ গ'ল। সাহিত্যৰত্ন ৺চন্দ্ৰধৰ বৰুৱা, বাগ্মীবৰ ৺নীলমণি ফুকন, সেই সময়ৰ স্কুল বিভাগৰ পৰিদৰ্শক শ্ৰীদিবাকৰ গোস্বামী, অধিবক্তা-প্ৰবীণ মুক্তিযোদ্ধা শ্ৰীমোহনচন্দ্ৰ মহন্ত আদিয়ে বিভিন্ন সভাত পৌৰোহিত্য কৰিবলৈ আহিছিল। মহাপুৰুষ মাধৱদেৱৰ তিথিলৈ তত্ত্বভূষণ ৺ৰাজমোহন নাথো আহিছিল। সেই সময়ত তেখেত গড়কাপ্তানি বিভাগৰ কাৰ্যবাহী অভিযন্তা হৈ যোৰহাটতে আছিল। তেখেত আহিছিল আমাৰ ইউনিয়ন গঠন হোৱাৰ আগতে। তিথিৰ দুদিনমানৰ আগতে সভাপতিস্বৰূপে নিমন্ত্ৰণ কৰিবলৈ তেখেতৰ বঙলালৈ গ'লোঁ। আমাৰ দলপতি হিচাপে গৈছিল ৺অমূল্য বৰুৱা। ৺অমূল্য বৰুৱাই আগতে বহুবাৰ ৰাজমোহন নাথক লগ পাইছে। সন্মুখৰ কোঠাতে হাফপেণ্ট আৰু ফটা গেঞ্জী এটা পিন্ধি এজন মানুহক কিবা লিখি থকা দেখি ৺অমূল্য বৰুৱাই আগবাঢ়ি সুধিলে, "হেৰা, তোমাৰ বৰ চাহাব আছেনে নাই ?" মানুহজনে ক'লে, "আপোনালোকে কোন বৰচাহাবৰ কথা কৈছে ?" অমূল্য বৰুৱাই ক'লে "ইঞ্জিনিয়াৰ ৰাজমোহন নাথ।" তেতিয়া

মানুহজনে নাটকীয় ভংগীমাৰে আমালৈ চাই ক'লে, "সেইজন ষৰচাহাৰেই মই – এই লেতেৰা গেঞ্জী আৰু হাফ্ পেণ্ট পিন্ধা।" তেখেতৰ কথা শুনি আমি লাজতে হাঁহিমেইনে কান্দিমেই এনে হেন লাগিছিল। ৺অমূল্য বৰুৱা আৰু আমি তেখেতৰ ওচৰত ক্ষমা খুজিলোঁ। সভাৰ দিনা নাথ ডাঙৰীয়া আহি ঘটনাটোৰ কথা খেমেলীয়াকৈ নিজৰ ভাষণৰ আৰম্ভণিতে কৈ যি ৰগৰ তুলিলে আৰু মাধৱদেৱৰ বৰগীত আদি ৰচনাৰ ওপৰত যি পাণ্ডিত্যপূৰ্ণ কথা ক'লে আমি শুনি সকলো তভক মানিলোঁ। তেখেতে শুহুটীয়া মন্তব্য দি মাধৱদেৱৰ ক্ষেত্ৰত শ্ৰীমন্ত শংকৰ গুৰুৱে কিখিনি ভুল কৰিছিল তাৰ উদাহৰণ দি শেষত কৈছিল সেইজনা মহাপুৰুষৰ তিথিৰ কাৰণে সভাপতি বিচাৰি যাওঁতে ল'ৰাহঁতে যি ভুল কৰিছিল তাত আচৰিত হ'বলগীয়া একো নাই। কথাখিনি সজাই-পৰাই এনে বঢ়িয়াকৈ কৈছিল যে আৰু গুৰুজনাই মাধৱ মহাপুৰুষৰ ক্ষেত্ৰত কি ভুল ধাৰণা কৰি আছিল তাৰো যথাযথ বৰ্ণনা দিয়াত আমিও শ্ৰোতাসকলৰ লগত আমোদ পাই হাঁহিছিলোঁ। এইবোৰ কথা আৰু বহলাই কোৱাৰ প্ৰয়োজন ন'ই। মুঠতে সেই সময়ত যুদ্ধকালীন অৱস্থা চলি থাকিলেও আৰু অস্থায়ী ঘৰত পুৱা আৰু দুপৰীয়া দুবেলাকৈ কলেজৰ শ্ৰেণীসমূহ বহিছিল যদিও ছাত্ৰ-ছাত্ৰী আৰু আমাৰ অধ্যাপকসকলৰ মাজত তেনে শৈক্ষিক পৰিবেশতো সৌহাৰ্দ্যপূৰ্ণ সম্বন্ধ স্থাপিত হৈছিল, বাইজৰ লগতো ভাল সম্পৰ্ক ৰক্ষা হৈছিল আৰু ছাত্ৰ ইউনিয়নৰ প্ৰতি অধ্যক্ষ ডাঙৰীয়াৰ আগৰ যি সন্দেহৰ ভাৱ আছিল ক্ৰমে ক্ৰমে নাইকিয়া হৈছিল যেন লাগিছিল। কলেজৰ প্ৰশাসনীয় কোনো কথ'তে চৰ্ত বান্ধি দিয়ামতে, আমি একো মাত মতা নাছিলোঁ আৰু আমাৰ অভাৱ-অভিযোগ বহুতো আছিল যদিও সেই সময়ৰ দেশৰ আৰু কলেজৰ অৱস্থালৈ চাই আমি আনন্দ মনেৰে সকলো অসুবিধা সহি আছিলোঁ। ছাত্ৰ ইউ-নিয়নৰ কোনো কথাত অধ্যক্ষ ডাঙৰীয়াক লগ ধৰোঁতে তেখেতে

ধৈৰ্য সহকাৰে সকলো কথা শুনে আৰু ,আমাক প্ৰয়োজনবোধ কৰিলে দুই-চাৰিটা পৰামৰ্শও দিয়ে। এইদৰে আমাৰ দিনবোৰ পাৰ হ'বলৈ ধৰিলে। পিছে এদিন এটা অঘটন ঘটিল। দ্বিতীয় বাৰ্ষিক শ্ৰেণীৰ বাছনি পৰীক্ষাৰ আগতে অধ্যক্ষই আগতীয়াকৈ পৰীক্ষা এটা লোৱাৰ জাননী দিলে। ছাত্ৰ-ছাত্ৰীসকলে এই পৰীক্ষাত বহিবলৈ অমান্তি হৈ আমাক এই বিষয়ে অধ্যক্ষৰ ওচৰলৈ গৈ এই পৰীক্ষা বাতিল কৰিব লাগে বুলি অনুৰোধ জনাবলৈ ক'লে। তেওঁলোকৰ যুক্তি হ'ল যে এই পৰীক্ষাত বহিলে তেওঁলোকৰ পঢ়া-শুনা ক্ষতি হ'ব আৰু আগন্তুক বাছনি পৰীক্ষাৰ কাৰণে সাজু হ'ব নোৱাৰিব। তেওঁলোকৰ আৰু এটা সন্দেহ হ'ল, কিজানি আগতীয়াকৈ লোৱা পৰীক্ষাৰ ফলাফল চাই বাছনি পৰীক্ষাত ল'ৰা-ছোৱালীক উত্তীৰ্ণ কৰে। এই বিষয়ে ছাত্ৰ ইউনিয়নক বান্ধি দিয়া চৰ্ত অনুযায়ী আমি একো মাত মাতিব নোৱাৰোঁ বুলি কোৱাত তেওঁলোকে দ্বিতীয় বাৰ্ষিকৰ প্ৰতিনিধিজনক অধ্যক্ষৰ ওচৰলৈ পঠালে। অধ্যক্ষই খৰংখচ ক'লে— যাৰ ইচ্ছা আছে পৰীক্ষা দিব, তেখেতে পৰীক্ষা বাতিল কৰিব নোৱাৰে। অৱশ্যে তেখেতে এটা প্ৰতিশ্ৰুতি দিলে, সেই পৰীক্ষাৰ ফলাফল চাই বাছনি পৰীক্ষাৰ ফলাফল নিৰ্ণয় কৰা নহ'ব। কথা ইমানেই। সেইখিনি কথাকে প্ৰতিনিধিজনে অতি আগ্ৰহেৰে অপেক্ষা কৰি থকা দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ-ছাত্ৰী-সকলক একত্ৰ কৰি ক'লেগৈ। তেওঁ ক'লেগৈ যে— অধ্যক্ষই কৈছে, যি ইচ্ছা কৰে পৰীক্ষা দিব, যি ইচ্ছা নকৰে নিদিব। এনেয়ে ল'ৰাহঁতে লেবাও বুলিলে তিনি চাপৰ বায়; তাতে অধ্যক্ষই এনেকৈ কোৱা বুলি ধৰি লৈ সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীয়েই পৰীক্ষা নিদিলে। যোৱা কথা গ'ল। পিছৰ মাহত পৰীক্ষা নিদিয়া ছাত্ৰ ছাত্ৰী-সকলে পৰীক্ষা নিদিয়া প্ৰতি বিষয়ত আঠ অনাকৈ জৰিমনা ভৰিব-লগীয়া হ'ল। মাচুল দিবলৈ গৈ যেতিয়া ছাত্ৰ ছাত্ৰীসকলে এইকথা জানিলে, তেতিয়া তেওঁলোক জাঙুৰ খাই উঠিল আৰু তেওঁলোক মোৰ

ওচৰলৈ আহি ক'লেহি যে অধ্যক্ষই নিজৰ কথা ৰখা নাই— পৰীক্ষা নিদিলেও হ'ব বুলি ছাত্র-প্রতিনিধিজনক কোৱাতো অধ্যক্ষই সকলো ছাত্র-ছাত্রীকে জৰিমনা কৰিছে—গতিকে কইগৈ অধ্যক্ষক সুধিব লাগে। এটা আহুকলীয়া পৰিস্থিতিৰ উদ্ভৱ হ'ল। মোৰ মনতে বুজি এটা খেলালে; প্রতিনিধিজনক লগত লৈ গৈ অধ্যক্ষ ডাঙৰীয়াক কথাটোনো কি সুধি অহা ভাল হ'ব। অনিচ্ছাসত্ত্বেও প্রায় তুইমান বজাত প্রতিনিধিজনক লগত লৈ অধ্যক্ষৰ বঙলা পালোঁগৈ। সেই সময়ত কলেজৰ আপিচৰ প্রধান সহায়ক ৺লক্ষ্মীধৰ বৰদলৈয়ে অধ্যক্ষৰ লগত কিবা কথা-বতৰা হৈ আছিল— বাৰান্দাত থিয় হৈ। নমস্কাৰ জনাই আমাৰ কথা ক'লোঁ আৰু ক'লোঁ যে দ্বিতীয় বাৰ্ষিকৰ ছাত্র-ছাত্রীসকলে পৰীক্ষা নিদিয়াত জৰিমনা কৰা হৈছে আৰু তেখেতেই কৈছিল পৰীক্ষা যি ইচ্ছা কৰে দিব, যি ইচ্ছা নকৰে নিদিব আৰু ইয়াৰ কাৰণে একো ভাবিব নালাগে। মোৰ কথাখিনি শুনাৰ পাছত অধ্যক্ষ সন্দিকৈ ডাঙৰীয়াৰ মুখৰ বৰণ বেলেগ হোৱা যেন দেখিলোঁ। তেখেতে মোক সুধিলে, "পৰীক্ষা নিদিলে জৰিমনা দিবই লাগিব। মই কেতিয়া কৈছিলোঁ— পৰীক্ষা দিলেও দিব নিদিলেও নিদিব— তাৰ কাৰণে একো ভাবিব নেলাগে বুলি?" তেতিয়া উত্তৰত মই ক'লো, "ছাৰ, এই বিষয়ে মই একো নাজানো— এই ছাত্র-প্রতিনিধিজনে পৰীক্ষাৰ আগতে আপোনাক লগ ধৰোঁতে তেনেকৈ কৈছিল বুলি এওঁৰ মুখত শুনিহে মই আপোনাৰ ওচৰলৈ আহিছোঁ।" এই বুলি ক'বলৈহে পালোঁ, তেখেতে খঙত গৰ্জি উঠি তেওঁলৈ আঙুলি টোঁৱাই এইদৰে ক'লে, "You are a liar, you are a liar. I shall rusticate you from my College". (তুমি মিছলীয়া, তুমি মিছলীয়া, তোমাক মই কলেজৰপৰা বহিষ্কাৰ কৰিম)। সেইদিনা সিংহৰ গৰ্জন শুনিলোঁ। কথাখিনি কওঁতে তেখেতক বঙা পৰা দেখিলোঁ। তেখেতৰ মূর্তি দেখি প্রতিনিধিজনৰ চুটি হেৰাল— মুখেৰে একো মাতিব নোৱাৰিলে। কথা বিষম দেখি ময়েই মুখপাতি ধৰিলোঁ, "ছাৰ, যি হ'ল, হ'ল। ছাত্র-ছাত্রীসকলক

এইবাৰ মাফ কৰক আৰু জৰিমনাখিনিও বেহাই দিয়ক। সৰহভাগ ছাত্ৰ ছাত্ৰীয়েই দুখীয়া পৰিয়ালৰ।” তাৰ উত্তৰত মোলৈ চাই ক'লে, তেতিয়াও খং মাৰ যোৱা নাই, “দুখীয়া ছাত্ৰ-ছাত্ৰী যদি ভালকৈ পঢ়া-শুনা নকৰি এইবোৰ দুষ্টালি দেখুৱাই কেলেই — এওঁ কিয় মোৰ কথা ভুলকৈ ক'বগৈ ?” ছাবৰ খং উঠিছিল যদিও মই বৰ ধৈৰ্য আৰু সহিষ্ণুতা দেখুৱাই অতি নম্ৰ ভাৱেৰেই মোৰ বাকী কথাখিনি কৈ শেহত তেখেতক নমস্কাৰ জনাই বিদায় লৈ আহিলোঁ। এই কথাও প্ৰতিনিধিজনে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অন্যপ্ৰকাৰে লগালেগৈ; তেওঁ ক'লেগৈ, “আমাৰ ইউনিয়ন ছেক্ৰেটাৰীক অধ্যক্ষই অপমান কৰি পঠাইছে।” ছাত্ৰনেতাসকলৰ হেঁচাত সেইদিনাই ইউনিয়নৰ জৰুৰী বৈঠক বহিল। ৺দুলাল ভূঞা ছাৰ আছিল। ছাত্ৰ-প্ৰতি-নিধিসকলে গৰম গৰম বক্তৃতা দিবলৈ ধৰিলে — তেওঁলোকে ক'লে, “আমাৰ ছেক্ৰেটাৰীক অপমান কৰাৰ কাৰণে অধ্যক্ষক গৰিহনা দি প্ৰস্তাৱ ল'ব লাগে আৰু তেখেতে মাফ নোখোজালৈকে আমি শ্ৰেণী বৰ্জন কৰিম।” আকৌ এটা আহুকলীয়া পৰিস্থিতিয়ে দেখা দিলে। মই দেখিলোঁ কথা দেখোন কেনেবা হ'লগৈ। তথাপি ধীৰে-সুস্থিৰে মোৰ বক্তব্যখিনি দাঙি ধৰি আচল সত্যখিনি ক'লো—আৰু ক'লো যে অধ্যক্ষ ডাঙৰীয়াই মোক কোনো ডাঙৰ কথাও কোৱা নাই, অপমানো কৰা নাই। ছাত্ৰ-প্ৰতিনিধিজনেহে সকলো কথাৰ আউল লগাই এই সমস্যাৰ সৃষ্টি কৰিছে। শেহত যুক্তি প্ৰদৰ্শন কৰি দৃঢ়তাৰে ক'লোঁ যে এনে কথাত শ্ৰেণী বৰ্জনৰ বা অধ্যক্ষক গৰিহণা দি লোৱা প্ৰস্তাৱ মই কোনোমতেই সমৰ্থন কৰিব নোৱাৰোঁ। মোৰ কথাত কেইবাজনো ছাত্ৰনেতাই বিশেষকৈ ৺অমূল্য বৰুৱা আৰু সভাপতি ৺ভূঞা ছাৰে হয়ভৰ দিয়াত জানিবা সকলো শাঁত পৰিল — একো প্ৰস্তাৱো লোৱা নহ'ল। সেইদিনা সন্ধিয়া উপা-ধ্যক্ষ ৺তুলসীনাৰায়ণ শৰ্মা আৰু ৺ভূঞা ছাৰক অধ্যক্ষ ডাঙৰীয়াই মতাই নি সকলো কথা সুধিলে আৰু তেখেতসকলক কৈছিল

যে সেইদিনা তেখেতৰ বৰ খং উঠিছিল। আৰু লগতে সেইদিনাৰ মোৰ ব্যৱহাৰ দেখি তেখেতে ভাল পাইছিল বুলিও ৺শৰ্মা ছাৰৰ আগত কৈছিল বুলি মই তেখেতৰপৰা জানিব পাৰিছিলোঁ। এই ঘটনাটোৰপৰা এটা ভাল কাম হ'ল। অধ্যক্ষ সন্দিকৈ ডাঙৰীয়াই আমাৰ ছাত্ৰসকলৰ পুথিভঁৰালৰ কাৰণে উপৰাচি এটা আলমাৰি আৰু অসমীয়া কিতাপ কিনিবলৈ কুৰি টকা দান হিচাপে দিলে। সেইসময়ত কলেজ এ, এছ, এল্ ক্লাবৰ সম্পাদক আছিল উদ্যোগী ছাত্ৰনেতা ৺ৰাধৰ বেজবৰুৱা (মগজুৰ বিকৃতি ঘটাত তেওঁৰ পাছত অকাল বিয়োগ হয়)। আমি দুয়ো সেইসময়ত যোৰহাটত থকা আটাইবোৰ কিতাপৰ দোকানলৈ গৈ কুৰি টকাৰ অসমীয়া কিতাপ কিনিবলৈ বিচাৰি নাপাই-ছিলোঁ। এইকথা এতিয়া মনলৈ আহিলে অতি আচৰিত যেন লাগে। ওপৰত কৈ অহা ঘটনাৰ পাছত অধ্যক্ষ ডাঙৰীয়াক বহুবাৰ লগ পাইছিলোঁ। তেতিয়া তেখেতে সদায় শান্ত-সৌম্য ভাৱেৰেই কথা পাতিছিল। এইদৰে আমাৰ কাৰ্যকাল শেষ হ'ল। ১৯৪৫ চনৰ শেষলৈ আমাৰ কলেজৰ ঘৰ-দুৱাৰ সৈন্য বিভাগে এৰি দিয়াত আমাৰ শ্ৰেণীবোৰ আকৌ পুৰণা ঘৰত নিয়মীয়াকৈ বহিবলৈ ধৰিলে। তেতিয়া আকৌ লক্ষ্য কৰিলোঁ—সেই ক'লা গাড়ীখনত অধ্যক্ষ সন্দিকৈ ডাঙৰীয়া নিতৌ দিনৰ ১২ বজাত আপিচলৈ আহি নিয়মি ২ টা বজাত নিজৰ বঙলালৈ যায়গৈ।

আমি কলেজত থকা দিনবোৰত অধ্যক্ষ ডাঙৰীয়াৰ বদান্যতা আৰু উচ্চ দৃষ্টিভংগীৰ কথা ভালকৈ লক্ষ্য কৰিছিলোঁ। কোনো দুখীয়া ছাত্ৰ-ছাত্ৰীয়ে কলেজ মাচুল দিব নোৱাৰিলে বা কিতাপ-পত্ৰ কিনিব নোৱাৰি আমাৰ পৰামৰ্শ বিচাৰিলে সততে অধ্যক্ষ ডাঙৰীয়াক দেখা কৰিবলৈ পঠিয়াই দিছিলোঁ আৰু অধ্যক্ষ ডাঙৰীয়াই তেনে ছাত্ৰ-ছাত্ৰীৰ কথাবোৰ শুনি লৈ আৱশ্যকীয় মাচুল আৰু কিতাপ-পত্ৰৰ দাম নিজৰ বৰীয়াকৈ দিছিল। এনে বহুত উদাহৰণ পাইছিলোঁ। তেখেতে নীচতা-হীনমন্যতা দেখলে সমূলি ভাল নেপাইছিল আৰু

কোনো লোকে সম্প্ৰদায় বিশেষৰ হৈ কথা ক'লে নিজৰ বিতৃষ্ণা আৰু বিৰক্তিৰ ভাৱ প্ৰকাশ নকৰাকৈ নাছিল। আমাৰ লগৰে বাপুকণ নেওগ নামৰ চতুৰ্থ-বাৰ্ষিকৰ ছাত্ৰ এজন এটা আহোম ল'ৰাৰ মেছত আছিল। তেওঁ বিয়াল্লিশৰ আন্দোলনত লাগি জেললৈ গৈছিল। ৪৫/৪৬ চনত মুছলিম লীগৰ বৰ প্ৰতিপত্তি। তেওঁলোকৰ লগত আহোম সম্প্ৰদায়ৰ কিছুমান নেতাই অসমত সাম্প্ৰদায়িক ৰাজনীতিৰ বিষবাষ্প বিয়পাই দিয়াত তাৰ কুপ্ৰভাৱে ছাত্ৰসকলৰ মাজতো বিভেদৰ সৃষ্টি কৰিছিল। এই কাৰণেই বাপুকণ নেওগ সেই ছাত্ৰ-সকলৰ আক্ৰোশত পৰি মেছৰপৰা ওলাই যাবলৈ হুকুম পালে। নেওগে অধ্যক্ষ ডাঙৰীয়াক লগ ধৰি তেওঁৰ কথাটো কোৱাত— অধ্যক্ষ ডাঙৰীয়াই কৈছিল— "সিহঁত ইমান নীচ নে!" পাছত তেখেতে মেছৰ ল'ৰাকেইটাক মাতি নি টানকৈ কোৱাত সমস্যাটোৰ তেনেকৈয়ে সমাধান হৈ গ'ল। ১৯৪৬ চনৰ এপ্ৰিল মাহত আমাৰ বি. এ. পৰীক্ষা হ'ল। পৰীক্ষাৰ কেই দিন প্ৰায়েই লক্ষ্য কৰিছিলোঁ, মোৰ সম্মুখতে থকা ছুৱাৰখনৰ মুখত অধ্যক্ষ সন্দিকৈ ডাঙৰীয়া ধ্যানমগ্ন ঋষিবদৰে একে ঠাইতে এঘণ্টাৰ ওপৰ সময় থিয় হৈ একালে চাই থাকে। পৰীক্ষা হল কাঁহ পৰি জীণ যোৱা—ক'তো কাৰো এষাৰি মাত নাই। তেখেত ওচৰত থকাত মই যেন নতুন প্ৰেৰণা পাই প্ৰশ্নোত্তৰবোৰ কৰি গৈছিলোঁ। আৰু সেয়ে পৰীক্ষাৰ ফল ভাল হৈছিল বুলি মোৰ ধাৰণা হৈছিল।

কৃষ্ণকান্ত সন্দিকৈ আৰু ভাৰতীয় সংস্কৃতি

যোগেশ্বৰ শৰ্মা

পণ্ডিতপ্ৰৱৰ কৃষ্ণকান্ত সন্দিকৈদেৱৰ জীৱন-চৰিত ঘাইকৈ চাৰিটা দিশত বিশ্লেষণ কৰিব পাৰি। সেইকেইটাৰ ভিতৰত প্ৰধান আৰু প্ৰথম দিশ হ'ল — 'ছাত্ৰানামধ্যয়নং তপঃ' — অধ্যয়নেই ছাত্ৰ সকলৰ তপস্যা আৰু সাধনা। মোক্ষাৰ্থী তপস্বীসকলৰ মোক্ষ সাধনাৰ বেলিকা যিদৰে অন্তৰত আন কোনো চিন্তাই স্থান পাব নোৱাৰে সেই-দৰে জ্ঞানাৰ্থী ছাত্ৰসকলৰ অন্তৰতো জ্ঞান সাধনাৰ বেলিকা আন কোনো চিন্তাই পশিব নোৱাৰে। তেওঁলোকে মনে-প্ৰাণে অধ্যয়নকেই সাধনা ৰূপে গ্ৰহণ কৰে। সন্দিকৈদেৱ এই সাধনাৰ একনিষ্ঠ-সেৱক। আজীৱন বিদ্যাৰ্থী, আজীৱন অধ্যয়ন ব্ৰতাসক্ত। শিক্ষা বা অধ্যয়নক তেখেতে জীৱনজোৰা প্ৰক্ৰিয়া হিচাপে গ্ৰহণ কৰিছিল আৰু জ্ঞান সাধনাই আছিল তেখেতৰ জীৱনৰ একমাত্ৰ আদৰ্শ।

এহাতে যিদৰে পদবীৰ মৰ্যাদাই, পাণ্ডিত্যৰ সম্মানে, বংশৰ আভিজাত্যই নাইবা ধনৰ প্ৰাচুৰ্যই এই সাধনাৰ ক্ৰুটি-বিচ্যুতি ঘটাব পৰা নাই, আনহাতে সেইদৰে জাগতিক দুখ যন্ত্ৰণা, ঘাত-প্ৰতি-ঘাতেও সেই সাধনাৰ অন্তৰায় হ'ব পৰা নাই। এই সাধনাই তেখেতৰ জীৱনৰ কৃতকাৰ্যতাৰ মূল কাৰণ। আজীৱন আচৰণ কৰা এই কঠোৰ সাধনাই তেখেতক স্থিৰপ্ৰজ্ঞ কৰি তুলিছে। এই স্থিৰপ্ৰজ্ঞাৰ হেতু সন্দিকৈদেৱৰ পক্ষে জাগতিক সুখ-সম্পদ, ভোগ-বিলাস, মান-সম্মান সকলোৱেই যেন তুচ্ছ। এইবোৰে মাথোন মায়াৰ মৰীচিকাৰদৰে

মানুহক প্ৰলুব্ধ কৰিব পাৰে, কিন্তু প্ৰকৃত আনন্দ দিব নোৱাৰে। তেখেত সকলো অৱস্থাতে ধীৰ আৰু স্থিৰ। 'বিকাৰ ঘটাব পৰা যথেষ্ট সামগ্ৰী বৰ্তমান থকা সত্ত্বেও যাৰ অন্তৰত কোনো ৰূপ বিকাৰ নঘটে তেৱেঁই ধীৰ, তেৱেঁই স্থিৰ।' তেওঁৰ চিত্ত সদায় প্ৰশান্ত। এই প্ৰশান্ত চিত্তৰ লোকজনেই হ'ল সন্দিকৈ। এই প্ৰশান্ত চিত্তৰ প্ৰস্তুতিৰ মূলত— ঐকান্তিক সাধনা! জ্ঞান-সাধক সন্দিকৈদেৱে এটি বৃহৎ পুথিভঁৰাল লৈ এক সুদীৰ্ঘ জীৱন পৰম আনন্দেৰে অভিবাহিত কৰিলে। এই সাধনাৰ বলতেই তেখেত দেশী-বিদেশী বাৰটা ভাষাৰ অধিকাৰী হৈছিল। প্ৰায়ভাগ মানুহৰ পক্ষে এটা জীৱনত এটা মাথোন বিদেশী ভাষাকে সম্পূৰ্ণভাৱে আয়ত্ত কৰা কঠিন, তেনেস্থলত নটা বিদেশী ভাষা আয়ত্ত কৰা যে কিমান কষ্টসাধ্য তাক বিশদভাৱে কোৱাৰ প্ৰয়োজন নাই। এয়া সম্ভৱ হ'ব পাৰে অধ্যয়নকেই জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰা লোকসকলৰ ক্ষেত্ৰত। তদুপৰি এই বিভিন্ন ভাষাৰ আয়ত্তীকৰণে তেখেতক এজন অতি মেধাবী লোক বুলি সুস্পষ্ট কৰি তোলে; কিয়নো যি কোনো ভাষাকে আয়ত্ত কৰিবলৈ হ'লে সেই ভাষাৰ ব্যাকৰণ অধ্যয়নৰ প্ৰয়োজন। ব্যাকৰণৰ নিয়মাৱলীয়ে সেই ভাষাটোক নিয়ন্ত্ৰিত কৰে। বিভিন্ন ভাষাৰ বিভিন্ন নিয়মাৱলী মনত ৰাখিব নোৱাৰিলে সেই ভাষাসমূহ আয়ত্ত কৰা বৃথা। সন্দিকৈদেৱৰ অসাধাৰণ মেধাই আছিল এই বিভিন্ন ভাষাসমূহ আয়ত্ত কৰাৰ মূল উপাদান। সন্দিকৈদেৱৰ অধ্যয়নেই হ'ল জীৱনৰ ব্ৰত বা সাধনা।

এই সাধনা বা প্ৰেৰণাৰ মূলত যে কোনোবা এজন উপদেষ্টা বা আচাৰ্যৰ অকৃত্ৰিম প্ৰভাৱ পৰিছিল তাক অস্বীকাৰ কৰিলে ভুল কৰা হ'ব। সন্দিকৈৰ এই সাধনাৰ বীজ ৰোপণ কৰা গুৰুজন হ'ল শ্ৰদ্ধাস্পদ যতীন্দ্ৰমোহন আচাৰ্য। তেওঁ কেৱল নিজ উপাধিধাৰী আচাৰ্যই নহয়, সন্দিকৈৰ জ্ঞানান্বেষণৰ বীজ-ৰোপনৰ 'আচাৰ্য'। এইজন শিক্ষকেই ধকুৱা শিক্ষক হিচাপে

সন্দিকৈ ডাঙৰীয়াক সৰুকালত সংস্কৃত আৰু ইংৰাজী ভাষা পঢ়ুৱাইছিল। সন্দিকৈ পোনতে সংস্কৃত ভাষাত পাকৈত আছিল নে নাই সেইকথা বিচাৰ্য নহয়, কিন্তু এইকথা সঁচা যে সেই শিক্ষকজনৰ উৎসাহ, উদ্দীপনা আৰু অনুপ্ৰেৰণাৰ ফলত সংস্কৃতৰ প্ৰতি তেখেতৰ বিশেষ আকৰ্ষণ জন্মিছিল। আৰু ফলত স্কুলীয়া জীৱনতে সংস্কৃত আৰু ইংৰাজী ভাষাৰ ভেঁটি সুদৃঢ় হৈ উঠিছিল। বাল্যকালত ৰোপিত বীজেই পৰিণত বয়সত ফলে-ফুলে জাতিকাৰ মহীৰুহত পৰিণত হ'ল। সময়ত সন্দিকৈদেৱ সংস্কৃত সাহিত্যত এগৰাকী বিশ্ববিখ্যাত পণ্ডিত হিচাপে পৰিচিত হ'ল।

বাল্যকালতে সংস্কৃত সাহিত্যৰ প্ৰতি অনুৰাগ জন্মোৱা আনজনা শিক্ষক হ'ল শ্ৰদ্ধেয় গণেশ্বৰ বিদ্যাৰত্ন। বিদ্যাৰত্নদেৱ সংস্কৃত সাহিত্যত এজন সুপণ্ডিত আছিল। তেখেতে বংগদেশত সংস্কৃত বিদ্যাত প্ৰশিক্ষণ লাভ কৰিছিল। সংস্কৃত শাস্ত্ৰৰ বহুবোৰ শ্লোক বিদ্যাৰত্নদেৱৰ মুখস্থ আছিল। তেখেতে গোৱা শ্লোকবোৰ শুনি সন্দিকৈদেৱ বিশেষভাৱে আকৰ্ষিত হয় আৰু স্কুল ছুটীৰ পিছত বিদ্যাৰত্নদেৱৰ ঘৰলৈ গৈ শ্লোকবোৰ লিখি আনি নিজেও মুখস্থ কৰি লৈছিল। এইদৰে সংস্কৃত শাস্ত্ৰৰ প্ৰতি সন্দিকৈদেৱৰ বাল্য-কালৰপৰাই বিশেষভাৱে অনুৰাগ জন্মোৱাৰ অনুকূল পৰিৱেশ ঘটিছিল। বংগদেশত সংস্কৃত বিদ্যা লাভ কৰা বিদ্যাৰত্নদেৱ সেই দেশত প্ৰচলিত কলাপ ব্যাকৰণত অভ্যস্ত আছিল। বিদ্যাৰত্নদেৱৰ সান্নিধ্যলৈ অহাত সন্দিকৈদেৱৰ কলাপ ব্যাকৰণৰ প্ৰতি আগ্ৰহ জন্মে। বোধহয় সেইকাৰণে পাণিনি বা অসমত প্ৰচলিত প্ৰয়োগ ৰত্নমালা ব্যাকৰণ অধ্যয়ন নকৰি প্ৰথমে কলাপ ব্যাকৰণকে অধ্যয়ন কৰে। সন্দিকৈদেৱৰ পুথিভঁৰালত প্ৰয়োগ ৰত্নমালা ব্যাকৰণৰ পুথি নাই কিন্তু বংগদেশত প্ৰচলিত কলাপ আৰু মুগ্ধবোধ উভয় ব্যাকৰণেই আছে।

সন্দিকৈদেৱৰ সাধনাত অনুপ্ৰেৰণা যোগোৱা আন আন প্ৰথিতযশা অধ্যাপকসকলৰ ভিতৰত প্ৰত্নতাত্ত্বিক পণ্ডিতপ্ৰৱৰ পদ্মনাথ

বিদ্যাবিনোদ আৰু অশেষ শ্ৰদ্ধাভাজন লক্ষ্মীনাৰায়ণ চট্টোপাধ্যায়। কটন কলেজত সান্নিধ্য ঘটা এই অধ্যাপকদ্বয়ৰ প্ৰথমজনৰপৰা গৱেষণাৰ বীজ আৰু দ্বিতীয়জনৰপৰা বিস্তৃত অধ্যয়নৰ উপযোগিতা কি এই দুই দিশৰে সম্যক জ্ঞান লাভ কৰে। গৱেষণামূলক বিস্তৃত অধ্যয়নেহে মানুহক প্ৰকৃত পণ্ডিত কৰি তুলিব পাৰে, সন্দিকৈদেৱে এই দুজন অধ্যাপকৰপৰা সেই কথাৰ বিশেষভাৱে ইংগিত পাইছিল। কলিকতাত এম, এ, পঢ়া সময়ত বিশেষকৈ মহামহোপাধ্যায় সীতাৰাম শাস্ত্ৰীৰপৰা শাস্ত্ৰৰ বিশ্লেষণ, গূঢ়াৰ্থ উদ্ধাৰ আৰু মৌলিক চিন্তাধাৰাৰ প্ৰয়োজনীয়তা সম্বন্ধে বিশেষভাৱে জ্ঞান আহৰণ কৰে। মহামহোপাধ্যায় সীতাৰাম শাস্ত্ৰীয়ে সাধাৰণতে কোনো ছাত্ৰকে নিজ ঘৰত পঢ়ুৱাবলৈ ইচ্ছা কৰা নাছিল; কিন্তু সন্দিকৈদেৱৰ আগ্ৰহ, শ্ৰদ্ধা আৰু অনুৰাগ দেখি তেখেতক সেই অনন্য সাধাৰণ পণ্ডিতজনে আগ্ৰহেৰে পঢ়ুৱাবলৈ সম্মত হৈছিল। ছাত্ৰৰ আগ্ৰহ, শ্ৰদ্ধা আৰু ভক্তিৰ অকৃত্ৰিমতাই শিক্ষকৰ অন্তৰ জয় কৰে আৰু সেই ছাত্ৰৰ পক্ষেহে গুৰুগত বিদ্যাৰ অধিকাৰী হোৱা সম্ভৱপৰ হয়।

বাল্যকালত যতীন্দ্ৰমোহন আচাৰ্যই সন্দিকৈৰ অন্তৰত সংস্কৃত অধ্যয়নত যি বীজ ৰোপণ কৰিছিল, কলেজত লক্ষ্মীনাৰায়ণ শাস্ত্ৰীয়ে তাক অংকুৰিত কৰি তুলিছিল, আৰু বিশ্ববিদ্যালয়ত সীতাৰাম শাস্ত্ৰীয়ে তাক বৃক্ষত পৰিণত কৰিছিল। আনহাতে অক্সফোৰ্ড আৰু য়ুৰোপত বিভিন্ন শিক্ষকবৰ্গই সেই বৃক্ষক বিবিধ ফুলেৰে জাতিকাৰ কৰি তুলিছিল। অকল সেয়ে নহয় সেই ফুলৰপৰা মধুনিষ্কাষণৰ প্ৰণালীবো যোগান ধৰিছিল বিদেশৰ লব্ধ-প্ৰতিষ্ঠ পণ্ডিতসকলৰ সান্নিধ্যই।

সন্দিকৈদেৱৰ অধ্যয়ন সাধনাৰ অন্যতম ফল হ'ল — সংযম আৰু নিয়মানুবৰ্তিতা। সন্দিকৈ সকলো বিষয়তে সংযমশীল। তাৰ ভিতৰত দুই আৰু উল্লেখযোগ্য সংযম হ'ল বাক্ সংযম। অনাগত্তিয়াল

আৰু অযথা কথা কৈ তেখেতে কেতিয়াও সময় নষ্ট নকৰে। যি কামৰ বাবে যাকে সৈতে যি পৰিমিত কথা কোৱাৰ প্ৰয়োজন মাথোন সেই পৰিমিত কথা পাতে। তেওঁৰ কথাৰ বিশেষত্ব এই যে বহু কথাৰ উত্তৰ অলপ কথাৰ মাজেৰে প্ৰকাশ কৰিব পাৰে। সন্দিকৈ মিতভাষী কিন্তু কথাবোৰ স্পষ্ট, পোনপটীয়া আৰু অৰ্থ গভীৰ— তাত কোনো ৰহণ নাই, নাই অলংকাৰ অথচ কথাবোৰ শ্ৰুতি সুখকৰ। ভাষাৰ মাধুৰ্য আৰু অৰ্থ গৌৰৱেৰে সৌষ্ঠৱশালী।

বাক্‌সংযমৰ লগে লগে তেখেতৰ আন এটা সংযম হ'ল মানসিক সংযম। এই মানসিক সংযমৰ কাৰণে তেখেতৰ চিত্ত সদায় স্থিৰ আৰু প্ৰশান্ত। এই প্ৰশান্ত চিত্তৰ কাৰণে তেখেতৰ ধাৰণা শক্তিও প্ৰবলতম। তেখেতৰ অন্তৰত বিক্ষিপ্ত চিন্তাৰ কোনো স্থান নাই। চিন্তাধাৰা সদায় নিৰ্মল আৰু পবিত্ৰ। পবিত্ৰ চিন্তাধাৰাৰ মাজেৰে নিৰ্গত হোৱা বাণীসমূহে সদায় মানুহৰ অন্তৰ সহজে জয় কৰে। তেখেতৰ মুখৰপৰা কিবা এটা কথা ওলালে তাক পৰিবৰ্তন কৰা সহজসাধ্য নহয়। তেখেতে জীৱনটো নিয়মানুবৰ্তিতাৰ মাজেৰে পৰিচালিত কৰিছিল। খোৱা-লোৱা, পিন্ধা-উৰা, ফুৰা-চকা, পঢ়া-শুনা আৰু কাম-কাজ আদি সকলো ক্ষেত্ৰতে কিছুমান নিয়মৰ মাজেৰে চলিছিল। নিয়মানুবৰ্তিতাই মানুহক শৃংখলাবদ্ধ কৰে। যি মানুহ নিয়মৰ বশৱৰ্তী নহয়, তেওঁৰ জীৱন বিশৃংখল। সন্দিকৈদেৱ শৃংখলাবদ্ধ হোৱা হেতু জীৱনৰ সকলো কামকে পৰিপাটি আৰু নিয়াৰিকৈ কৰিব পাৰিছিল। তেখেতৰ কথা আৰু কাম উভয়ে শৃংখলাবদ্ধ। নিজে যিদৰে নিয়মানুবৰ্তিতাৰ মাজেৰে চলি আনন্দ পায় আনকো নীতি-নিয়মৰ মাজেৰে চলা দেখিলে ৰং পায়। তেখেতৰ সময়ো নিয়মানুবৰ্তিতাৰ বশৱৰ্তী। সন্দিকৈদেৱৰ দৰে সময়ৰ মূল্যবোধ থকা মানুহ বিৰল। মানুহে সংযম আৰু নিয়মানুবৰ্তিতাৰ মাজেৰে চলিলেহে সময়ৰ সদ্ব্যৱহাৰ কৰিব পাৰে। নিজৰ সময়ক মূল্যৱান বুলি ভবাজনেহে আনৰ সময়কো যথোচিত মূল্য দিব পাৰে।

তেনে লোকে আনৰ লগত কথাপাতি অযথা সময় নষ্ট নকৰে। সন্দিকৈয়ে আগধৰি ঠিক-ঠাক নকৰাকৈ বা আগতীয়াকৈ কাৰণ জানিবলৈ নিদিয়াকৈ অহাজনক সহজে দেখা নিদিয়ে, দেখা দিলেও এতিয়া সময় নাই বুলি বিদায় দিয়ে।

১৯২০ চনত সন্দিকৈদেৱে সংস্কৃতৰ উচ্চ শিক্ষা আৰু গৱেষণা কৰাৰ উদ্দেশ্যে লণ্ডনৰ অক্সফোৰ্ড বিশ্ববিদ্যালয়লৈ যায়; কিন্তু তালৈ গৈ সংস্কৃতৰ গৱেষণা বাদ দি সেই বিশ্ববিদ্যালয়ত ভৰ্তি হৈ 'মডাৰ্ণ হিষ্টৰি' বিষয়ত পুনৰ এম-এ ডিগ্ৰী লাভ কৰে। অক্সফোৰ্ড বিশ্ব-বিদ্যালয়ৰ 'মডাৰ্ণ হিষ্টৰি' বিষয়ৰ উপাধি এটা বিশেষ সম্মানাৰ্হ উপাধি বুলি আজিও প্ৰসিদ্ধ। এই উপাধি লাভ তেখেতৰ জীৱনৰ অন্যতম কৃতিত্ব। অক্সফোৰ্ডত থকা কালছোৱাৰ ভিতৰতে বিদেশী ভাষা শিকাৰ প্ৰবল অনুৰাগ জন্মে আৰু ফলত জাৰ্মান, ফৰাচী ভাষা ভালদৰে শিকে। তাত তেখেতে ইটালিয়ান আৰু ৰুছ ভাষাও আয়ত্ত কৰে। পেৰিচত থকা সময়ত তেখেতে গ্ৰীক, লেটিন আৰু স্পেনিছ ভাষা শিকে। বাৰ্লিনলৈ গৈ ভিন ভিন সাহিত্য আৰু ভাষাতত্ত্ব, বিশেষকৈ গ্ৰীক ভাষাতত্ত্ব সম্বন্ধে অধ্যয়ন কৰে।

ভাৰতীয় সংস্কৃতি আৰু সভ্যতাৰ লগত ঘনিষ্ঠ সম্বন্ধ থকা সন্দিকৈদেৱে বিদেশলৈ গৈ বিভিন্ন ঠাইত বিভিন্ন ভাষা অধ্যয়ন কৰে। কিন্তু ভাষাৰ এজন বিশেষজ্ঞ বা খ্যাতনামা ভাষাবিদ হোৱাৰ উদ্দেশ্যে তেখেতে সেই ভাষাসমূহ আয়ত্ত কৰা নাছিল। বিভিন্ন ভাষা অধ্যয়নৰ প্ৰধান উদ্দেশ্য আছিল, বিভিন্ন দেশৰ সাহিত্য-সংস্কৃতি আৰু সভ্যতাৰ লগত প্ৰত্যক্ষ পৰিচয় হোৱা। এখন দেশৰ সংস্কৃতি আৰু সভ্যতাৰ লগত ভালদৰে পৰিচিত হ'ব লাগিলে সেই দেশৰ নিজস্ব ভাষাত লিখিত মৌলিক গ্ৰন্থ (classics) সমূহৰ লগত পৰিচয়ৰ প্ৰয়োজন। অনুবাদৰ মাধ্যমেৰে অধ্যয়ন কৰিলে কোনো সভ্যতাৰেই পূৰ্ণ ৰসাস্বাদ কৰিব নোৱাৰি। জ্ঞান-

পিপাসু সন্দিকৈয়ে সেই ৰসাস্বাদৰ কাৰণে অশেষ কষ্ট স্বীকাৰ কৰি বিভিন্ন ঠাইত, বিভিন্নজনৰপৰা বিভিন্ন ভাষা অধ্যয়ন কৰিছিল।

এইখিনিতে এটা কথা উল্লেখ কৰিব পাৰি যে, সংস্কৃত-সাহিত্যৰ প্ৰথিতযশা পণ্ডিত বৰেণ্য আনন্দৰাম বৰুৱা সন্দিকৈদেৱৰ আদৰ্শ সদৃশ আছিল। আনন্দৰাম বৰুৱাৰ প্ৰতি আকৰ্ষণ দেখি পিতৃ ৰাধাকান্ত সন্দিকৈয়ে অতিকৈ বং পাইছিল। আৰু হয়তো মনতে ভাবিছিল, ল'ৰাই বিলাতলৈ গৈ আই-চি-এছ পৰীক্ষাত উত্তীৰ্ণ হৈ নিজ দেশলৈ উভতি আহি চৰকাৰৰ ডাঙৰ পদবী লৈ বংশৰ মৰ্যাদা দুগুণে বৃদ্ধি কৰিব; কিন্তু পিতৃৰ সেই সাধু সংকল্প মায়াৰ মৰীচিকাত পৰিণত হ'ল। সন্দিকৈ বিলাতৰপৰা আই-চি-এছ হৈ ঘূৰি নাহিল, আহিল এজন পাশ্চাত্য সভ্যতাৰ বিদগ্ধ পণ্ডিত হিচাপে আৰু লগত আহিল আই-চি-এছ উপাধিৰ সলনি এটা পুথিভঁৰাল। এই পুথিভঁৰালটোৱেই হ'ল তেখেতৰ অধ্যয়নশীল জীৱনৰ পৰম পাথেয়। 'ক ঈপ্সিতাৰ্থস্থিৰ নিশ্চয় মনঃ পয়শ্চ নিম্নাভিমুখং প্ৰতীপয়েৎ' অভিলষিত বস্তুলৈ স্থিৰ সংকল্প মনক আৰু নিম্নগামীজনক কোনে বিপৰীতগামী কৰিব পাৰে?

সন্দিকৈদেৱ বিলাতলৈ গ'ল। বিলাতী পৰিবেশ আৰু আদব-কায়দাৰ লগত পৰিচিত নোহোৱাকৈ নিশ্চয় থকা নাছিল; কিন্তু বিলাতী বাহ্যিকতাই তেখেতৰ চৰিত্ৰৰ ওপৰত কোনো ৰেখা-পাত কৰিব পৰা নাছিল। তেখেত এজন নিভাঁজ অসমীয়া মানুহ হৈয়ে থাকিল। কথা-বাৰ্তা, চলন-ফুৰণ, সাজ-পাৰ আৰু আচাৰ-ব্যৱহাৰ আদি কেউপিনৰপৰাই তেখেত আমৰণ এজন সহজ আৰু সৰল অসমীয়া। কিন্তু বিলাতলৈ যোৱাৰ ফলত তেখেতৰ সহজ ধৰ্ম, অধ্যয়নশীলতা, সময়-নিষ্ঠা আৰু নিয়মানুবৰ্তিতাইহে সুদৃঢ় ৰূপে ৰূপায়িত হোৱাৰ সুযোগ পাইছিল। পাশ্চাত্য ভৌতিকতাৰ প্ৰভাৱে তেখেতৰ নৈতিকতাক বিমুখ কৰি তুলিব পৰা নাছিল। পাশ্চাত্য সাহিত্য, সংস্কৃতি আৰু সভ্যতাৰ সৈতে ঘনিষ্ঠ ৰূপে পৰি-

চিত হ'লেও তাক নিজক উৎসৰ্গ কৰি দিয়া নাই। তেওঁ ভাৰতীয় সংস্কৃতি আৰু সভ্যতাৰ একনিষ্ঠ সাধক। 'স্বধৰ্মে নিধনং শ্ৰেয়ঃ পৰধৰ্মো ভয়াবহঃ' নিজৰ ধৰ্মত নিঃশেষ হোৱাও বৰং ভাল, আনৰ ধৰ্ম ভয়ৰ কাৰণ। গীতাৰ এই বাণীৰ তাৎপৰ্য এই যে মানুহে যি পৰিস্থিতিত জন্মগ্ৰহণ কৰে, যি বাতাবৰণে মানুহৰ শৰীৰ আৰু মন পুষ্ট হৈ উঠে, যি আচাৰ-ব্যৱহাৰ আৰু নীতি-নিয়মে মানুহৰ জীৱনক গঢ় দিয়াত সহায় কৰে, তাক কদাপি ত্যাগ কৰা উচিত নহয়। সন্দিকৈদেৱে গীতাৰ এই বাণী আক্ষৰিকভাৱে পালন কৰিছিল। ইউৰোপীয় সংস্কৃতি আৰু সভ্যতাৰ শ্ৰেষ্ঠ উপাদানসমূহ গ্ৰহণ কৰাত স্বধৰ্ম ত্যাগ কৰা নহয়; কিন্তু নিজৰ বৈশিষ্ট্য বিসৰ্জন দিলেহে নিঃশেষ হোৱাৰ সম্ভাৱনা। নিজৰ ধৰ্ম আৰু সংস্কৃতিৰ প্ৰতি আগ্ৰহ থাকিলেহে আনৰ ধৰ্ম আৰু সংস্কৃতিৰ প্ৰতি আগ্ৰহ জন্মে।

সন্দিকৈদেৱৰ চাৰিত্ৰিক মহত্ত্ব আৰু আদৰ্শনিষ্ঠ অধ্যয়ন ব্ৰতৰ মূল ভাৰতীয় সংস্কৃতিৰ মূলাধাৰ উপনিষদৰ অন্যতম উপদেশ ত্ৰয় — 'সত্যং বদ। ধৰ্মং চৰ। স্বাধ্যায়ান্মা প্ৰমদঃ।' ইয়াৰ তাৎপৰ্য এই যে সামাজিক বা গাৰ্হস্থ্য জীৱনৰ যিকোনো অৱস্থাতেই সত্যৰ পালন, ধৰ্মৰ আচৰণ আৰু অধ্যয়নৰপৰা অবিচ্ছিন্ন থকা উচিত। উপনিষদৰ এই বাণীত্ৰয়ক নিষ্ঠাৰে পালন কৰা পুৰুষজনেই কৃষ্ণকান্ত সন্দিকৈ। সন্দিকৈয়ে জীৱনৰ আদিৰপৰা অন্তিম অৱস্থালৈ সত্যৰপৰা, নিজ কৰ্তব্যৰপৰা আৰু স্বীয় অধ্যয়নৰপৰা কোনোদিনেই বিচ্ছিন্ন হোৱা নাই। এই আদৰ্শনিষ্ঠাই তেওঁৰ ব্যক্তিত্বক অনুকৰণীয় কৰি তুলিছে।

সন্দিকৈদেৱৰ জীৱনৰ দ্বিতীয় দিশ হ'ল — 'বিদ্যা দদাতি বিনয়ম' — বিদ্যাই মানুহক নম্ৰ, ভদ্ৰৰুচি আৰু সংস্কাৰসম্পন্ন কৰি তোলে। যি ঠাইত সৰস্বতী থাকে সেই ঠাইত লক্ষ্মী নাথাকে, পুনৰ যি ঠাইত সৰস্বতী আৰু লক্ষ্মী উভয়ে থাকে তাত বিনয় নাথাকে। সৰস্বতী, লক্ষ্মী আৰু বিনয় এই তিনিটা বিৰুদ্ধ গুণক

সমষ্টিয়েই কৃষ্ণকান্ত সন্দিকৈ। অকল সেয়ে নহয় এই গুণ ত্ৰয়ৰ ওপৰত আৰু আন এটা গুণে প্ৰভাৱ বিস্তাৰ কৰিছিল, সেইটো হ'ল বদান্যতা। এই বদান্যতা গুণেৰে বিভূষিত হোৱা হেতু তেওঁৰ আপুকগীয়া পুথিভঁৰালটো গুৱাহাটী বিশ্ববিদ্যালয়লৈ উৎসৰ্গিত হ'ল। দানবীৰ ৰাধাকান্ত সন্দিকৈৰ সুযোগ্য সন্তান কৃষ্ণকান্ত সন্দিকৈৰ পক্ষে এই দান কঠিন নহয়। আম কথা সহজ কিন্তু দান গ্ৰহণ কৰাহে কঠিন; কিয়নো দাতাই যি আশা-আকাংক্ষা, অনুভূতি আৰু অনুপ্ৰেৰণাৰে দান দিয়ে গ্ৰহীতাই দাতাৰ সেই আশা-আকাংক্ষা, অনুভূতি আৰু অনুপ্ৰেৰণা-ৰক্ষা কৰিবলগীয়া হয়। দানৰ মৰ্যাদা দিয়াৰ যোগ্যতা গ্ৰহীতাৰ থাকিব লাগে। অপাত্ৰত দান নিষিদ্ধ, কিয়নো সেই দানে দাতাৰ অন্তৰাত্মাক সততে অনুতপ্ত কৰে। সন্দিকৈদেৰে অসমৰ বিভিন্ন প্ৰতিষ্ঠানলৈ দান-বৰঙণি আগবঢ়াইছে সেই আটাইবোৰেই তেওঁলোকৰ বদান্যতাৰ চিৰস্মৰণীয় চানেকি। 'চন্দ্ৰকান্ত অভিধান'ৰ তৃতীয় পৰিবৰ্দ্ধিত সংস্কৰণ ওলালে অসমীয়া জাতিক তেওঁলোকৰ ওচৰত চিৰদিন কৃতজ্ঞতা-পাশত আবদ্ধ ৰাখিব।

বিদ্যা-বিনয়সম্পন্ন সন্দিকৈ সৰল, নিৰ্জু আৰু নিৰভিমানী লোক আছিল। তেওঁ প্ৰশংসা, সন্মান, মৰ্যাদা আৰু যশস্যাৰ বিৰোধী। প্ৰশংসা, সন্মান, মৰ্যাদা আৰু যশস্যাৰ কাৰণে জীৱনত তেওঁ কোনোদিনে হাবিয়াস কৰা নাই। অযাচিতভাৱে অহা সন্মান প্ৰত্যাখ্যান নকৰিলেও সহজে গ্ৰহণ কৰিবলৈ টান পাইছিল।

তেওঁ নিজে প্ৰশংসা নিবিচাৰে সঁচা, কিন্তু আনৰ গুণৰ প্ৰশংসা কৰি ভাল পায়; নিজে যশস্যা নিবিচাৰে সঁচা, কিন্তু আনৰ যশস্যাৰ যথোচিত প্ৰশংসা কৰি আনন্দ পায়। গুণীক যথোপযুক্ত মৰ্যাদা দিয়া তেওঁৰ অন্যতম স্বভাৱ। এই অনুকৰণীয় অসাধাৰণ গুণাৱলীৰ কাৰণে তেওঁ সকলোৰে ধৰেণ্য।

সন্দিকৈয়ে মানুহক সহজে দেখা নিদিয়ে, কথা নাপাতে। ইয়াৰদ্বাৰা দুৰ্বৈৰপৰা অনুমান হয় যেন তেওঁ নম্ৰ, আৰু

বিনয়ী নহয়, কিন্তু অতি দাম্ভিক আৰু অহংকাৰী ; সৰল আৰু নিৰ্জু নহয় ; কিন্তু নিৰ্দয় আৰু নিষ্ঠুৰ ; কিন্তু যাৰ এবাৰ তেখেতৰ নিকট সান্নিধ্যলৈ অহাৰ সুযোগ মিলিছে তেওঁ বঢ়িয়াকৈ বুজি পায় যে সন্দিকৈ অতি সৰল, সহজ আৰু অহংকাৰশূন্য। তেখেতৰ অন্তৰ শিশুৰদৰে সৰল, নিৰ্মল আৰু পৱিত্ৰ। তাত অহংকাৰৰ লেশ নাই, দাম্ভিকতাৰ গোন্ধ নাই। সি স্ফটিকৰদৰে উজ্জ্বল, পদুমৰদৰে কোমল আৰু চন্দ্ৰৰদৰে নিৰ্মল। বিদ্যাইহে মানুহক সদ্-অসদ্-বিবেকী, সহায়-সহানুভূতি, শ্ৰদ্ধা আৰু আস্থা আদি গুণেৰে বিভূষিত কৰে। বৌদ্ধিক অৰু মানবীয় প্ৰবৃত্তিক আধাৰ কৰি গঢ়ি তোলা সংযত আৰু নিয়ন্ত্ৰিত জীৱন সংকীৰ্ণতাৰ ক্ৰীতদাস হ'ব নোৱাৰে।

শাস্ত্ৰসমূহ মন্থন কৰি যোগীসকলে তাৰ অমৃতস্বৰূপ ফলৰ ৰস পান কৰে, পণ্ডিতসকলে সেই ফলৰ বাকলিবোৰ চোবাই চোবাই পাণ্ডিত্যৰ অভিমান কৰে, পৰস্পৰে পৰস্পৰৰ প্ৰশংসা কৰি আনন্দত অভিভূত হয়। জ্ঞান-যোগী সন্দিকৈদেৱে শাস্ত্ৰ মন্থন কৰি তাৰ অমৃত ৰূপ-ৰস পান কৰি নিৰ্লেপ, নিঃসংগ হৈ আত্মানন্দত বিমগ্ন, গতিকে জাগতিক মান সন্মান, খ্যাতি যশস্যা আৰু প্ৰশংসা-মৰ্যাদাৰ প্ৰতি উদাসীন। লেশমাত্ৰও পাণ্ডিত্যৰ অভিমান নাই অথচ প্ৰাচ্য-পাশ্চাত্য উভয় দেশৰে পণ্ডিত সমাজত তেওঁ বৰেণ্য পণ্ডিত হিচাপে খ্যাত আৰু সমাদৃত। সন্দিকৈদেৱ প্ৰকৃত বিদ্বান। জ্ঞানান্বেষণৰ কাৰণে উপাৰ্জিত বিদ্যাইহে মানুহক অমৃতৰ সন্ধান দিব পাৰে— 'বিদ্যয়া অমৃতমশ্নুতে'— বিদ্যাই মানুহক কেৱল বিনয়ী কৰিয়ে ক্ষান্ত নাথাকে— ই মানুহক অমৃতৰ সন্ধান দি অমৰ কৰি তোলে।

সন্দিকৈদেৱৰ জীৱনৰ তৃতীয় দিশ হ'ল— 'বিদ্যা ধৰ্মেণ শোভতে'— ধৰ্মৰদ্বাৰাহে বিদ্যা সুশোভিত হয়। ধৰ্মৰ ব্যৱহাৰিক অৰ্থ হ'ল নৈতিকতা। ন্যায়নিষ্ঠ আচৰণেই হ'ল নৈতিকতা। মানুহৰ নীচ প্ৰবৃত্তিসমূহৰ দমন আৰু উচ্চ চিন্তাৰ বিকাশ সাধনেই নৈতি-

কতাৰ মূলকথা। নৈতিক বা আধ্যাত্মিক বিকাশ সাধনেই শিক্ষাৰ অন্যতম উদ্দেশ্য। উচ্চ আদর্শ, উচ্চ বিচাৰ, উচ্চ চৰিত্র নির্মাণ কৰিব পাৰিলেহে শিক্ষা আৰু জীৱনৰ সাম্য প্রতিষ্ঠিত হয়। যদি ধন যায় তেন্তে একোৱেই নাযায়, যদি স্বাস্থ্য যায় তেন্তে অলপ যায়, যদি চৰিত্র যায় তেন্তে সকলো যায়।

নৈতিকতাই আছিল সন্দিকৈৰ পৰম সম্পদ। এই কর্তব্য-পৰায়ণতা আৰু নৈতিকতাৰ সংমিশ্রণে তেখেতক মহতো মহীয়ান কৰি তুলিছিল। নৈতিক বিকাশেৰে সৈতে সম্বন্ধ-ৰহিত কোনো সাধনাই প্রগতিৰ পথত আগবাঢ়িব নোৱাৰে। সাধনা আৰু নৈতিকতাৰ অর্থপূর্ণ সামঞ্জস্য চিৰবিদ্যমান। সন্দিকৈৰ জ্ঞান-সাধনাৰ পথ নৈতিকতাক নির্মল পোহৰেৰে চিৰ উদ্ভাসিত। নৈতিকতাই কর্মক আশ্রয় কৰে। কর্ম কৰা মানুহৰ জন্মজাত অধিকাৰ। জ্ঞান আৰু সত্যৰ অন্বেষণমুখী কর্মই মানুহক অমৰ কৰি তোলে। সন্দিকৈ অকল জ্ঞান-যোগীয়ে নহয় তেখেত কর্ম-যোগীও। নৈতিক জীৱন নির্মাণৰ সংকল্প গ্রহণ কৰা মানুহজন যদি বিবেকসম্পন্ন লোক বুলি সমাজত পৰিচিত হয় তেন্তে সেইজনেই সন্দিকৈ। বলৱান শৰীৰ, বিপুল ঐশ্বর্য-সম্পদ নাইবা উচ্চ পদাধিকাৰৰ দ্বাৰা মানৱতাৰ পৰিচয় নহয়, তাৰ পৰিচয় হয় জ্ঞান আৰু বিবেক বুদ্ধিৰদ্বাৰা অশেষ জ্ঞান আৰু বিবেক বুদ্ধিয়ে সন্দিকৈক আনতকৈ শ্রেষ্ঠ কৰি তুলিছে। অধ্যয়নৰপৰা জ্ঞান-চিন্তা জন্মে। জ্ঞানৰ অন্তৰংগ বস্তু হ'ল চিন্তা। চিন্তা আৰু মননৰ ঘনিষ্ঠ সম্বন্ধ। অসত্যৰপৰা সত্যৰ, অন্ধকাৰৰপৰা পোহৰৰ, অন্যায়ৰপৰা ন্যায়ৰ উদ্‌ঘাটনেই চিন্তা আৰু মননৰ উৎকৃষ্ট ফল। জ্ঞানৰ সদ্‌ উপযোগ ধর্ম বুদ্ধিৰদ্বাৰাহে সম্ভৱ হয়।

সংস্কৃত সাহিত্যৰ মহাকবি শ্রীহর্ষ সন্দিকৈৰ সবাতকৈ প্রিয় কবি। শ্রীহর্ষৰ নৈষধ চৰিতৰ ইংৰাজী অনুবাদেই সন্দিকৈদেৱৰ বিশ্ব-জ্ঞানৰ ভাণ্ডাৰলৈ প্রথম অৱদান। কবি শ্রীহর্ষই উল্লেখ কৰা বিদ্যাৰ প্রতিষ্ঠাপক কার্য চাৰিবিধ ঃ

'অধীতিবোধাচৰণ প্ৰচাৰণৈ'— অধ্যয়ন, অৰ্থবোধ, বিদ্যানুকূল আচৰণ আৰু প্ৰশিক্ষণ বা বিতৰণ বিদ্যাৰ এই চতুৰ্বিধ কাৰ্য।

ইয়াৰ তাৎপৰ্য এই যে কোনো বিদ্যা অধ্যয়ন কৰিলেই যথেষ্ট নহয়, সেই অধ্যয়নৰ অনুভৱৰ প্ৰয়োজন, অকল অৰ্থজ্ঞানেই যথেষ্ট নহয়; আন্তৰিক অনুভূতি জন্মিলেহে সেই বিদ্যা হৃদয়ংগম হয়। অন্তৰৰপৰা অনুভৱ কৰা বিদ্যাৰহে অনুকূল আচৰণ কৰিবলৈ প্ৰবৃত্তি জন্মে, আচৰণৰ প্ৰতি ঐকান্তিক আসক্তি জন্মিলেহে প্ৰচাৰৰ প্ৰেৰণা ওপজে। অনুভূত বিদ্যাৰ প্ৰচাৰেই মানুহলৈ আনন্দ বহন কৰে। পিপাসাৰ্ত লোকক বিশুদ্ধ জলে পৰিতৃপ্ত কৰাৰদৰে অধ্যয়নশীল ব্যক্তিৰ অনুভূতি বিদ্যাৰ প্ৰচাৰে জ্ঞান-পিপাসুৰ অন্তৰত আনন্দৰ সুধা বিতৰণ কৰে। বিদ্যাৰ অনুভূতিৰ কাৰণে মানুহৰ স্বকীয় প্ৰজ্ঞা বা মেধাৰ প্ৰয়োজন। প্ৰজ্ঞাহীন লোকে বিবিধ শাস্ত্ৰ অধ্যয়ন কৰিলেও সেই শাস্ত্ৰসমূহৰ মৰ্মাৰ্থ উদ্ঘাটন কৰি ৰসাস্বাদ কৰিবলৈ অসমৰ্থ। হেঁতাৰ সহায়েৰে নানাবিধ সুস্বাদু ব্যঞ্জন প্ৰস্তুত কৰিলেও হেঁতায়ে সেই ব্যঞ্জনসমূহৰ স্বাদ গ্ৰহণ কৰিবলৈ অপাৰগ।[1] সন্দিকৈ নানা শাস্ত্ৰ অধ্যয়ন কৰি নিজ প্ৰজ্ঞাৰ বলেৰে তাৰ মৰ্ম উপলব্ধি কৰি বিমল আনন্দানুভৱৰ অধিকাৰী হৈছিল।

বিদ্যাৰ উল্লিখিত চতুৰ্বিধ কাৰ্য ধাৰ্মিক বুদ্ধিৰদ্বাৰা পৰিচালিত হ'লেহে পূৰ্ণ সাৰ্থকতা লাভ কৰে। জলৰহিত কূপ, পুষ্পৰহিত উদ্যান বা প্ৰাণৰহিত শৰীৰৰদৰে ধৰ্মৰহিত বিদ্যা, নিষ্ফল, নিষ্প্ৰভ আৰু নিৰৰ্থক। ধৰ্মহীন বিদ্যা অন্ধ। সাৰথিবিহীন ৰথে যিদৰে শুভাশুভ গতিৰ স্থিৰতা ৰক্ষা কৰিব নোৱাৰে ধৰ্মৰূপ সাৰথিবিহীন বিদ্যায়ো শুভাশুভ কাৰ্যৰ ফল নিৰ্ণয় কৰিব নোৱাৰে।

কবি শ্ৰীহৰ্ষই নিৰ্দেশ কৰা বিদ্যাৰ এই চতুৰ্বিধ কাৰ্য যথোচিতভাৱে প্ৰতিপালন কৰাই সন্দিকৈৰ জীৱনৰ আন এটা

১. যস্য নাস্তি নিজা প্ৰজ্ঞা কেৱলন্তু বহুশ্ৰুতঃ।
ন স জানাতি শাস্ত্ৰাৰ্থং দৰ্বী সূপৰসানিব॥

বৈশিষ্ট্য। মহাকবি শ্ৰীহৰ্ষৰ এই বাণীৰদৰে বিশ্ববিখ্যাত সাহিত্যিক-সকলৰ কিছুমান অমৰ বাণীয়েও তেখেতৰ জীৱনত দৃঢ় ৰেখাপাত কৰিছিল। তেখেতে জীৱনত সেই বাণীসমূহ প্ৰতিপালন কৰি চলিছিল। অধ্যয়নানুকূল আচৰণেই আছিল তেখেতৰ জীৱনৰ ব্ৰত স্বৰূপ। সেই বাণীসমূহ[২] :

১। "নিৰ্দোষিতা সকলো আনন্দ আৰু সুখৰ মূল।"

— ইব্‌চেন

২। "পাথিৱ খ্যাতি বতাহৰ নিশ্বাসৰ বাহিৰে একো নহয়।"

— ডান্টে

৩ "জ্ঞানতকৈ ন্যায়পৰায়ণতা উৎকৃষ্টতৰ।"

—চক্ৰেটিচ্‌

সন্দিকৈৰ দৃঢ়বিশ্বাস— নৈতিক প্ৰবৃত্তিৰ সমুন্নয়ন সাধনেই শিক্ষাৰ শ্ৰেষ্ঠ সাৰ্থকতা।

সন্দিকৈদেৱৰ অধ্যয়ন, বিদ্যানুভৱ আৰু বিদ্যানুকূল আচৰণৰ পিছত বিদ্যাৰ প্ৰচাৰ সম্বন্ধে ক'বলৈ গ'লে এটা কথা উল্লেখ নকৰি নোৱাৰি যে তেখেত আছিল স্বভাৱতে প্ৰচাৰ-বিমুখ আৰু আছিল সংখ্যাতকৈ গুণাধিকাৰ পক্ষপাতী। বিভিন্ন সময়ত লিখা বিভিন্ন প্ৰবন্ধাৱলীয়ে তেখেতৰ বিস্তৃত জ্ঞানৰ স্বাক্ষৰ বহন কৰি আছে। তাৰ উপৰি শ্ৰীহৰ্ষৰ নৈষধ-চৰিতৰ ইংৰাজী অনুবাদ, সোমদেৱৰ যশস্তিলক আৰু ইণ্ডিয়ান কালচাৰ আৰু প্ৰবৰ সেনৰ সেতুবন্ধ কাব্যৰ ইংৰাজী অনুবাদে তেখেতৰ গভীৰ পাণ্ডিত্যৰ লগে লগে জ্ঞান-বিতৰণৰ চানেকি হিচাপে চিৰদিন সমুজ্জ্বল হৈ থাকিব।

সন্দিকৈদেৱৰ জীৱনৰ চতুৰ্থ দিশ হ'ল — 'বিদ্যয়া সাধয়েৎ'— মানুহৰ জীৱনৰ চৰম আৰু পৰম লক্ষ্য বিদ্যাৰদ্বাৰা সাধন কৰিব লাগে। নিৰৱচ্ছিন্ন কল্যাণ প্ৰাপ্তিয়ে মানৱ জীৱনৰ পৰম লক্ষ্য।

২. অপৰূপ ছাত্ৰৰ ৰচিত— 'কৃষ্ণকান্ত সন্দিকৈ'ৰপৰ সংগৃহীত।

এই নিৰৱচ্ছিন্ন কল্যাণৰেই নামান্তৰ হ'ল মুক্তি। ভাৰতীয় বিদ্যা সাধনাৰ চৰম লক্ষ্য হ'ল মুক্তি— 'সা বিদ্যা যা বিমুক্তয়ে' যিযে আমাক মুক্ত কৰিব পাৰে সেয়ে বিদ্যা। তাকেই আমি বিদ্যা বুলি অভিহিত কৰিব পাৰোঁ। যিযে আমাক সংকীৰ্ণতা, ক্ষুদ্ৰতা, নীচতা, পৰশ্ৰীকাতৰতা, সাম্প্ৰদায়িকতা আদি মানসিক কুপ্ৰবৃত্তিসমূহৰপৰা মুক্ত কৰিব পাৰে। মানুহৰ অন্তৰত থকা পশু শক্তিৰ কবলৰপৰা মুক্ত কৰাই বিদ্যাৰ কাৰ্য। পাশৱীয় শক্তিৰ কবলৰপৰা মুক্ত হোৱা জনৰেই অন্তৰত উদয় হয় দেৱত্ব-শক্তি। এই দেৱত্ব-শক্তিৰ প্ৰভাৱেৰেই মানুহে অমৰত্ব লাভ কৰে। বিদ্যাৰ সাধনা সত্য-শিৱ-সুন্দৰৰ আৰাধনা মাথোন।

সত্য-শিৱ-সুন্দৰৰ বিকাশ-সাধনেই সন্দিকৈৰ জীৱন দৰ্শন। গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য পদত অধিষ্ঠিত হৈ ইয়াৰ প্ৰতীকত লিখাইছিল 'বিদ্যযা সাধযেত'। জীৱনৰ উদ্দেশ্য সাধনত বিদ্যাই হওক আমাৰ একমাত্ৰ সাৰথি- সেই বিদ্যা ৰূপী সাৰথিয়ে আমাক অসত্যৰপৰা সত্যলৈ, অন্ধকাৰৰপৰা পোহৰলৈ, মৃত্যুৰপৰা অমৃতলৈ লৈ যাওক— "অসতো মা সদ্গময, তমসো মা জ্যোতিৰ্গময মৃত্যোৰ্মামৃতৰ সময়।"

সন্দিকৈদেৱ আধুনিক বিশ্ববিদ্যালয়ৰ শিক্ষাপ্ৰাপ্ত লোক; কিন্তু তেখেতৰ মানসিক প্ৰবৃত্তি ভাৰতৰ প্ৰাচীন গুৰুকুল পদ্ধতিৰে তৈয়াৰী। সন্দিকৈদেৱত আধুনিক বিশ্ববিদ্যালয় আৰু ভাৰতৰ প্ৰাচীন গুৰুকুল পদ্ধতিৰ সমন্বয় প্ৰাচ্য আৰু পাশ্চাত্য সংস্কৃতিৰ সমন্বয় ঘটিছে। তেখেতৰ অমূল্য জীৱন সমাজত এখন আদৰ্শ বৃহৎ অনুষ্ঠানৰদৰে চিৰদিন উজ্জ্বল হৈ থাকিব।

অসম সাহিত্য সভা আৰু পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ

অধ্যাপক শ্ৰীডিম্বেশ্বৰ দয়াল শৰ্মা

পণ্ডিত কৃষ্ণকান্ত সন্দিকৈৰ লগত অসম সাহিত্য সভাৰ সম্বন্ধ আছিল পুণ্যশলীলা ফল্গু নদীৰদৰে লোকচক্ষুৰ অন্তৰালত থকা গভীৰ, কল্যাণপদ আৰু সুদূৰপ্ৰসাৰী। সন্দিকৈৰ জীৱনকালত এই অন্তৰ্বৰ্তী সম্বন্ধ আছিল একেৰাহে তিনিকুৰি বছৰৰো ওপৰ কালজোৰা আৰু সন্দিকৈৰ দেহান্তৰ প্ৰাপ্তিৰ পাছতো অসম সাহিত্য সভাৰ লগত সন্দিকৈৰ বিদেহী আত্মাৰ টান বৈ গৈছে— কাৰণ অসম সাহিত্য সভাৰ প্ৰধান কাৰ্যালয় স্থাপিত হৈছে সন্দিকৈৰ ভাতৃ চন্দ্ৰকান্ত সন্দিকৈৰ নামত ; ইয়াৰ কাষতে সন্দিকৈৰ স্বনামধন্য পিতৃ ৰাধাকান্ত সন্দিকৈৰ নামত সুবৃহৎ গৱেষণা কেন্দ্ৰৰ গৃহ নিৰ্মাণ চলি আছে ; কৃষ্ণকান্ত সন্দিকৈ ভৱনৰ ভিতৰত আছে ৰাধাকান্ত সন্দিকৈৰ আৱক্ষ মূৰ্তি ; সন্দিকৈৰ বিদুষী মাতৃ নাৰায়ণী সন্দিকৈৰ সম্পূৰ্ণ প্ৰতিকৃতি ; চন্দ্ৰকান্ত সন্দিকৈৰ পূৰ্ণাংগ প্ৰতিকৃতি ; সন্দিকৈৰ কনিষ্ঠ ভাতৃ ইন্দ্ৰকান্ত সন্দিকৈৰ আৱক্ষ প্ৰতিকৃতি আৰু এতিয়া আছে স্বয়ং কৃষ্ণকান্ত সন্দিকৈৰ আৱক্ষ প্ৰতিকৃতি। কৃষ্ণকান্ত সন্দিকৈ আৰু তেওঁৰ পৰিয়ালবৰ্গৰ স্বৰ্গগামী সকলোৰে যেন বিদেহী আত্মাই অসম সাহিত্য সভাৰ ভিতৰে-বাহিৰে ঘূৰি ফুৰিছে। তেওঁলোকৰ অস্তিত্ব অনুভৱ নকৰাকৈ অসম সাহিত্য সভাৰ কাম চলাবলৈ কাৰো সাধ্য নাই। কৃষ্ণকান্ত সন্দিকৈৰ মাজতো আছিল অসম সাহিত্য সভাই সৰ্বাধিক মৰমৰ, আন্তৰিক শ্ৰদ্ধা আৰু গৌৰৱৰ অসমৰ সৰ্বশ্ৰেষ্ঠ ৰাজহুৱা সাহিত্য-অনুষ্ঠান। এইখিনিতে যোৱা ১৬ ৬ ৮২ তাৰিখে সন্দিকৈৰ আদ্য শ্ৰাদ্ধৰ দিনা গধূলি চন্দ্ৰকান্ত সন্দিকৈ ভৱনত

অনুষ্ঠিত ৰাঙহুৱা স্মৃতি সভাত সন্দিকৈৰ কৃতি জীৱনীকাৰ আব্দুল ছাত্তাৰে কোৱা কথা এষাৰ মনত পৰিছে। সন্দিকৈয়ে হেনো জীৱনৰ শেষ বয়সত অসম সাহিত্য সভাই দিয়া 'সদস্য মহীয়ান' বিভূষণটিৰ কথা উল্লেখ কৰি কৈছিল—"এই বিভূষণ আগতে পোৱা হ'লে মই আন কোনো উপাধি গ্ৰহণ নকৰিলোহেঁতেন।" সন্দিকৈয়ে যে ভাৰত চৰকাৰ বা বিশ্ববিদ্যালয়ে দিয়া উপাধিতকৈ অসম সাহিত্য সভাই দিয়া উপাধিতহে অধিক গুৰুত্ব দিছিল— সেয়ে স্পষ্ট কৰি দিছে। সন্দিকৈৰ মানসপটত অসম সাহিত্য সভাৰ কেনে উজ্জ্বল ভাবমূৰ্তি আছিল।

সন্দিকৈৰ স্কুলীয়া ছাত্ৰ জীৱনত যোৰহাট ৰংগমঞ্চ আছিল যোৰহাটৰ সাহিত্য-সংস্কৃতি চৰ্চাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ। এই ৰংগমঞ্চত তেতিয়া অতি উন্নত আৰু মনোগ্ৰাহী অভিনয় হৈছিল আৰু এই ৰংগমঞ্চৰ দিকপালসকলেই 'যোৰহাট সাহিত্য সভা' জন্ম দি এটি সাহিত্য-অনুষ্ঠানো স্থাপন কৰিছিল। সন্দিকৈ সৰুৰেপৰাই সাহিত্য-চৰ্চা আৰু অভিনয়ৰ প্ৰতি অনুৰাগী আছিল আৰু যোৰহাট ৰংগমঞ্চৰ অভিনয় আৰু সাহিত্য-আলোচনাত যোগ দিবলৈ নিয়মীয়াকৈ গৈছিল। সন্দিকৈৰ পিতৃ ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া যোৰহাট ৰংগমঞ্চ আৰু যোৰহাট সাহিত্য সভাৰ অন্যতম কৰ্ণধাৰ আছিল। এই অনুষ্ঠানৰ প্ৰেৰণাতে সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা, নিবেদনৰ কবি দুৰ্গেশ্বৰ শৰ্মা, বুদ্ধীন্দ্ৰনাথ, দিলিহীয়ান ভট্টাচাৰ্য, ৰাধাকান্ত সন্দিকৈ আদি তেতিয়াৰ উদীয়মান নাট্যকাৰসকলে নাটক ৰচনা কৰিছিল আৰু সাহিত্য বিষয়ক আলোচনা-চক্ৰ পাতি সাহিত্য-চৰ্চা কৰিছিল। যোৰহাট সাহিত্য সভাৰ কেইজনমান উদ্যোক্তা আছিল জেহিৰুদ্দিন আহমদ, পূৰ্ণানন্দ শৰ্মা পাঠক, শৰৎচন্দ্ৰ গোস্বামী, দেৱেশ্বৰ শৰ্মা আদি। তেতিয়াও অসম সাহিত্য সভা স্থাপন হোৱা নাছিল যদিও স্কুলীয়া ছাত্ৰ অৱস্থাৰপৰাই এইদৰে যোৰহাট ৰংগমঞ্চ আৰু যোৰহাট সাহিত্য সভাৰ যোগেদিয়ে কৃষ্ণকান্ত সন্দিকৈ সাহিত্য সংগঠনৰ লগত

জড়িত হৈ পৰে। ৰংগমঞ্চ যে সাহিত্য সৃষ্টিৰ এক ডাঙৰ প্ৰেৰণা— এই বিষয়ে অসম সাহিত্য সভাৰ সভাপতিৰ ভাষণত (১৯৩৭ চন) সন্দিকৈয়ে এইদৰে উল্লেখ কৰিছে—

"ৰংঘৰৰ উন্নতিৰ লগত সাহিত্যৰ উন্নতি জড়িত হৈ আছে। আমোদ-প্ৰমোদৰ বিষয়তো আমাৰ উৎসাহ আৰু লেখা-মেলা সাধনাৰ অভাৱ হ'লে ক'ত দুখৰ কথা হ'ব। সকলো দেশতে ৰংঘৰে নাট্য-সাহিত্য জীয়াই ৰাখিছে আৰু চেক্সপীয়েৰৰপৰা ইবছেনলৈকে প্ৰায়বিলাক ডাঙৰ নাট্যকাৰৰে ৰংঘৰৰ লগত ঘনিষ্ঠ সম্বন্ধ দেখা যায়। মস্কোৰ আৰ্ট থিয়েটাৰ স্থাপিত নোহোৱা হ'লে ৰুছ সাহিত্যই চেখভক নাট্যকাৰৰূপে নাপালেহেঁতেন। অনেক সময়ত অভিনেতাসকলেও নিজে নাটক লিখি সাহিত্য সেৱা কৰিছে। ওঠৰ শতিকাৰ শেহভাগত বিখ্যাত জাৰ্মান অভিনেতা ডুডাৰ আৰু ইফলাণ্ডে ৰীতিমতে নাটক লিখি জাৰ্মান নাট্য-সাহিত্যক সবল কৰাত সহায় কৰিছিল। বঙালী নাট্য-সাহিত্য অভিনেতাসকলৰ ৰচনাৰ ওচৰত কম ঋণী নহয়। নাটক লিখিবলৈ হ'লেই যে চেক্সপীয়েৰ বা ছিলাৰ হ'ব লাগিব তাৰ কোনো মানে নাই। আমাৰ দেশত ৰংঘৰ আৰু নাট্যকলাৰ সেৱা যিমানেই বাঢ়ে সিমানেই আমাৰ সাহিত্যৰ লাভ হ'ব সেই বিষয়ে সন্দেহ নাই।"

১৯১৭ চনত ডিচেম্বৰ মাহত যেতিয়া শিৱসাগৰত 'অসম সাহিত্য সন্মিলনী'ৰ প্ৰথম মুকলি অধিবেশন বহে তেতিয়া সন্দিকৈ কলিকতাৰ কলেজৰ ছাত্ৰ আছিল। প্ৰথম অধিবেশনৰ সভাপতি সাহিত্যাচাৰ্য পদ্মনাথ গোহাঞিবৰুৱা আছিল সন্দিকৈদেৱৰ মাতুল আৰু সন্দিকৈৰ সাহিত্য-সংস্কৃতি চৰ্চাৰ এজন প্ৰধান প্ৰেৰণাদাতা। উল্লেখযোগ্য যে সন্দিকৈদেৱে ছাত্ৰ অৱস্থাতে তেজপুৰত এইজন সাহিত্যিক আৰু মঞ্চপ্ৰেমী মাতুলৰ ঘৰত থাকি তেজপুৰ বাণ ষ্টেজৰ সুন্দৰ অভিনয় চোৱাৰো সুযোগ পাইছিল। প্ৰথম অধিবেশনৰ সভাপতি স্বৰূপে গোহাঞিবৰুৱাই এটা সাৰগৰ্ভ আৰু সুবিস্তৃত ছপা

ভাষণ পাঠ কৰি অসম সাহিত্য সভাৰ সভাপতিৰ ভাষণ পাঠৰ পৰম্পৰাৰ সৃষ্টি কৰে। কলেজীয়া ছাত্ৰ সন্দিকৈয়ে কলিকতাত থাকোঁতেই অসম সাহিত্য সভা স্থাপনৰ আৰু সুসাহিত্যিক মোমাযেকেই ইয়াৰ প্ৰথম সভাপতি হোৱাৰ সংবাদ পাই আৰু পাছত উক্ত ভাষণ নিজে পঢ়িবলৈ পাই অতিশয় আনন্দিত হৈছিল। উল্লেখ-যোগ্য যে সন্দিকৈৰ পিতা-পুত্ৰ আগৰপৰাই জড়িত থকা যোৰহাট সাহিত্য সভাই অসম সাহিত্য সভাতো বিশিষ্ট ভূমিকা গ্ৰহণ কৰিছিল; ইয়াৰ প্ৰধান সম্পাদক শৰৎচন্দ্ৰ গোস্বামী আৰু সহকাৰী সম্পাদক দেবেশ্বৰ শৰ্মা অসম সাহিত্য সভাৰো প্ৰধান সম্পাদক আৰু সহকাৰী সম্পাদক নিৰ্বাচিত হৈছিল আৰু জেতিৰুদ্দিন আদি সক্ৰিয় সদস্যসকল অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিত সোমাইছিল আৰু যোৰহাট সাহিত্য সভাই আছিল অসম সাহিত্য সভাৰ অন্তৰ্ভুক্ত হোৱা প্ৰথম শাখা সাহিত্য সভা।

সন্দিকৈয়ে ৯২০ চনৰপৰা ১৯২৭ চনলৈ সাত বছৰকাল ইউৰোপত পৰম নিষ্ঠাৰে অধ্যয়ন কৰি থকাৰ মাজভাগতে ১৯২৪ চনত সন্দিকৈৰ দুজন গুণৱান কনিষ্ঠ ভাতৃ চন্দ্ৰকান্ত সন্দিকৈ আৰু ইন্দ্ৰকান্ত সন্দিকৈ মাত্ৰ কেইদিনমানৰ আগ-পিছাকৈ অকাল মৃত্যুৰ কৰাল গ্ৰাসত পৰে। পুত্ৰ দুটিৰ কৰুণ স্মৃতি যুগমীয়া কৰি ৰাখিবলৈ বদান্য পিতৃ ৰাধাকান্ত সন্দিকৈয়ে তেওঁৰ বাবে অসমৰ আটাইতকৈ প্ৰয়োজনীয় আৰু আদৰ্শ সাহিত্য-সংস্কৃতিৰ অনুষ্ঠান অসম সাহিত্য সভাক স্থায়ী কেন্দ্ৰীয় কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱন আৰু ভাষা-সাহিত্যৰ মৰ্যাদা ৰক্ষাৰ বাবে অতিশয় প্ৰয়োজনীয় চন্দ্ৰকান্ত অভিধান প্ৰকাশ আৰু সংকলনৰ পুঁজি দান কৰে। ভ্ৰাতৃ দুজনৰ কৰুণ মৃত্যুৰ কথা আৰু অসম সাহিত্য সভাক দিয়া আপুৰুগীয়া দানৰ কথা কৃষ্ণকান্ত সন্দিকৈয়ে ইউৰোপত থাকোঁতেই জানিব পাৰি এফালে বিষাদ আৰু এফালে গৌৰৱত অভিভূত হৈছিল আৰু এইদৰে অসম সাহিত্য সভাৰ প্ৰতি তেওঁৰ অনুৰাগো পূৰ্বতকৈ

বৃদ্ধি হৈছিল। উল্লেখযোগ্য যে ৰাধাকান্ত সন্দিকৈৰ দেহান্তৰ প্ৰাপ্তিৰ পাছত কৃষ্ণকান্ত সন্দিকৈয়ে চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ সম্প্ৰসাৰণ, মেৰামতি আৰু ৰক্ষণাবেক্ষণৰ বাবে, তদুপৰি উক্ত ভৱনত ৰাধাকান্ত সন্দিকৈৰ আৱক্ষ মূৰ্তি স্থাপনৰ বাবে বহুহেজাৰ টকা দান কৰিছিল। চন্দ্ৰকান্ত অভিধানৰো দ্বিতীয় প্ৰকাশৰ বাবে নিজৰ আৰ্থিক সাহায্যেৰে ব্যৱস্থা কৰিছিল আৰু অন্যান্য ক্ষেত্ৰতো অসম সাহিত্য সভাক আৰ্থিক সাহায্য দি নিজৰ দেহান্তৰ প্ৰাপ্তি পৰ্যন্ত অসম সাহিত্য সভাৰ পিতৃ স্বৰূপ হৈ আছিল। সেয়েহে সন্দিকৈৰ বিয়োগ অন্য বহু অনুষ্ঠানৰ তুলনাত অসম সাহিত্য সভাৰ বাবে সৰ্বাধিক অপূৰণীয় ক্ষতি।

১৯৩৭ চনৰ ডিচেম্বৰত গুৱাহাটীত অনুষ্ঠিত অসম সাহিত্য সভাৰ সপ্তদশ অধিৱেশনত বৰেণ্য সভাপতিৰ আসন গ্ৰহণ কৰিবলৈ সন্দিকৈদেৱক যেতিয়া নিৰ্বাচন কৰা হয় তেতিয়া সন্দিকৈৰ বয়স মাত্ৰ ৩৯ বছৰ ছমাহ। সন্দিকৈ আছিল আটাইতকৈ কম বয়সত অসম সাহিত্য সভাৰ সভাপতিৰ আসন লাভ কৰা লোক। তুলনামূলকভাৱে উল্লেখ কৰিব পাৰি যে সন্দিকৈৰ পাছৰজন সভাপতি ড° মফিজুল ইছলাম বৰাই ১৯৪০ চনত যোৰহাট অধিৱেশনত সভাপতিত্ব কৰোঁতে তেওঁৰ বয়স হৈছিল ৪১ বছৰ। সভাপতিৰ আসন লাভ কৰাৰ সময়ত সন্দিকৈ উজনি অসমৰ উচ্চশিক্ষাৰ একমাত্ৰ আশা-ভৰসাৰ থল জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ আছিল। ইয়াৰ আগতে অসমীয়া বিভিন্ন আলোচনীত সন্দিকৈৰ ৰচিত একুবিমান মূল্যৱান প্ৰবন্ধ প্ৰকাশ হৈছিল আৰু সন্দিকৈৰ সাতবছৰীয়া একান্ত সাধনাৰ ফল শ্ৰীহৰ্ষৰ সংস্কৃত 'নৈষধচৰিতম' মহাকাব্যৰ ইংৰাজী অনুবাদ সহ টীকা টিপ্পনী গ্ৰন্থখনি ইতিমধ্যে প্ৰকাশ হৈছিল আৰু বিশ্বৰ পণ্ডিতমণ্ডলীৰদ্বাৰা উচ্চ প্ৰশংসিত হৈছিল। অসম সাহিত্য সভাৰ সভাপতিৰ আসন লাভ কৰাৰ সময়ত সন্দিকৈ ডাঙৰীয়াই তেওঁৰ দ্বিতীয়খন মহাগ্ৰন্থ যশস্তিলক আৰু ভাৰতীয় সংস্কৃতি (Soma Deva's Yasastilaka

and Indian Culture) লিখাত একাণপটীয়াকৈ লাগি আছিল। সভা-সমিতিৰ প্ৰতি সন্দিকৈৰ আজীৱন বিৰাগ আছিল। কোনো অনুষ্ঠানৰ বিষয়ববীয়া হোৱাতকৈ বা সভাত বক্তৃতা দিয়াতকৈ জ্ঞান-তপস্বী সন্দিকৈয়ে এখাৰটা ভাষাৰ কমেও এহাৰ হাজাৰ গ্ৰন্থ [আব্দুছ ছাত্তাৰৰ 'কৃষ্ণকান্ত সন্দিকৈ' দ্ৰষ্টব্য]ৰ মাজত বুৰ মাৰি নিৰলে জ্ঞানৰ সাধনা কৰিহে ভাল পাইছিল। অসম সাহিত্য সভাৰ সভাপতিৰ আসন অলংকৃত কৰাৰ আগতে সন্দিকৈয়ে কেৱল এখন সভাতহে সভাপতিত্ব কৰাৰ প্ৰমাণ আছে। সেইখন হ'ল ১৯২৯ চনত বহা অসম ছাত্ৰ সম্মিলনৰ মুকলি অধিবেশন। বকুল বনৰ কবি আনন্দচন্দ্ৰ বৰুৱাৰপৰা জনা যায় যে সন্দিকৈয়ে তেওঁৰ নামৰ আগত বিশেষণ প্ৰয়োগ কৰাটো আৰু সম্মান যচাটো বেয়া পাইছিল। এবাৰ যোৰহাটৰ বিখ্যাত সাংস্কৃতিক অনুষ্ঠানৰ 'বাণী সম্মিলন'লৈ সন্দিকৈক মাতি তেওঁক উচ্চ সম্মান যাচি প্ৰশংসা কৰাত হেনো তেওঁ যাবৰ সময়ত কৈ গ'ল—"মোক আৰু ভৱিষ্যতে নামাতে যেন—মই বেয়া পাইছো।"

তথাপি সন্দিকৈয়ে যে অসম সাহিত্য সভাৰ সভাপতিৰ আসন গ্ৰহণ কৰিলে তাৰ দুটা কাৰণ ধাৰ্য কৰিব পাৰি ; (১) সন্দিকৈ পৰিয়ালৰ দানেৰে সমৃদ্ধ অসম সাহিত্য সভাৰ লগত সন্দিকৈৰ প্ৰাণৰ সম্বন্ধ আছিল। (২) অসম সাহিত্য সভাৰ সভাপতিসকল তেতিয়ালৈকে কেৱল মুকলি অধিবেশনৰহে সভাপতি আছিল। মুকলি অধিবেশনত সভাপতিৰ ভাষণ দিয়াৰ পাছতে সভাপতিৰ দায়িত্বও শেষ হৈছিল। ইয়াৰ পৰৱৰ্তী কালৰ দায়িত্ব পৰিছিল প্ৰধান সম্পাদকসকলৰ ওপৰতহে, সভাপতিৰ ওপৰত নহয়। এইখিনিতে উল্লেখযোগ্য যে ১৯৪৪ চনৰ শিৱসাগৰ অধিবেশনৰ পাছৰ পৰা হে (সভাপতি আছিল বাগ্মীবৰ নীলমণি ফুকন) অসম সাহিত্য সভাৰ মুকলি অধিবেশনৰ সভাপতি-ৰূপেই পৰৱৰ্তী অধিবেশন পৰ্যন্ত স্থায়ী সভাপতিৰ দায়িত্ব ল'ব লগা হয়। অৱশ্যে যিকোনো কাৰণতে নহওক এইছোৱা কালত অসম

সাহিত্য সভাই পূৰ্বৰ আৰু পাছৰ কালৰ জনপ্ৰিয়তা আৰু দৃঢ় সাংগঠনিক খোপনি হেকৰাই পেলাইছিল। ১৯৩৭ চনৰপৰা ১৯৫৩ চনলৈ যোল বছৰ কালৰ ভিতৰত মুঠেই পাঁচবাৰহে মুকলি অধিবেশন অনুষ্ঠিত হৈছিল। যদিহে পাছৰ সভাপতিসকলৰদৰে সাংগঠনিক দায়িত্বও ল'বলগা হ'লহেঁতেন, তেন্তে সমূহ জঞ্জাল ভাল নোপোৱা, সময় আৰু শক্তিৰ অপচয় নকৰা সন্দিকৈয়ে অসম সাহিত্য সভাৰ সভাপতিৰ পদকে হয়তো প্ৰত্যাখ্যান কৰিলেহেঁতেন।

সৌভাগ্যৰ কথা যে ডেকা জ্ঞানসাধক, অধ্যয়ন-তপস্বী সন্দিকৈয়ে অসম সাহিত্য সভাৰ সভাপতিৰ আসন গ্ৰহণ কৰিলে। সেই সময়ত সন্দিকৈৰ পিতৃ ৰাধাকান্ত সন্দিকৈ আৰু বিদুষী মাতৃ নাৰায়ণী সন্দিকৈ জীৱিত আছিল। সন্দিকৈয়ে অসম সাহিত্য সভাৰ মুকলি অধিবেশনত অত্যন্ত চুটি (মুঠেই ২৬৬৪ টা শব্দৰ) কিন্তু অতিশয় সাৰগৰ্ভ এটি মূল্যৱান ভাষণ পাঠ কৰিলে। এই ভাষণটি অসমীয়া প্ৰবন্ধ সাহিত্যৰ ভঁৰালত এটি চিৰ উজ্জ্বল মণি-মুকুতাস্বৰূপে স্থান পাইছে। কোৱা বাহুল্য যে ইতিপূৰ্বে পাঠ কৰা অসম সাহিত্য সভাৰ ৪৯ টি সভাপতিৰ ভাষণৰ ভিতৰত সন্দিকৈৰটিয়েই সৰ্বাধিক চুটি ভাষণ। কিন্তু এই ভাষণটিৰ প্ৰতিটো শব্দই মূল্যৱান। এখাৰটি ভাষাত সুপণ্ডিত সন্দিকৈ ডাঙৰীয়াই এই চুটি ভাষণত বিশ্বৰ সাহিত্যৰ এটি চমু সমীক্ষা দাঙি ধৰিছে আৰু অসমীয়া ভাষা-সাহিত্য বিশ্বসাহিত্যৰ তুলনাত কোন কেইটি দিশত পিছ পৰি আছে—তাৰ ওপৰত আলোকপাত কৰিছে। সন্দিকৈয়ে বংগৰ অৰ্থাৎ বংগমঞ্চৰ লগত সাহিত্যৰ সম্বন্ধ সম্পৰ্কে দিয়া মূল্যৱান উক্তি আগতে উল্লেখ কৰি অহা হৈছে। অন্যান্য বিষয়ত সন্দিকৈয়ে কৰা উক্তিৰ তলত এটি চমু সমীক্ষা দাঙি ধৰা হ'ল—

১) অসমীয়া লিখাৰ ৰীতি (style) ৰ বিষয়ে সন্দিকৈয়ে কৈছে—

“অসমীয়া লিখাৰ এটা ৰীতি বা style লাহে লাহে গঠিত হৈছে। বাতৰি কাকত, আলোচনী আদিৰ সংখ্যা যিমানেই বাঢ়ে তিমানেই এই ৰচনা ৰীতিৰ বিকাশ হ’ব। এই ৰীতি গঠনত বিদেশী প্ৰভাৱ পৰাটো স্বাভাৱিক; কিন্তু যেনেকুৱা প্ৰয়োগৰপৰা আমাৰ মাতৃভাষা আপচু আৰু আগঢ়ী হয় তেনে প্ৰয়োগ বাদ দিয়াতো আমাৰ কৰ্তব্য। অসমীয়া ভাষাৰ বহুত শব্দ আৰু খণ্ডবাক্য আমাৰ লিখিত ভাষাৰপৰা এতিয়াও বাদ পৰি আছে। সাহিত্যিক সৌষ্ঠৱ ক্ষুণ্ণ নকৰাকৈ এইবিলাক আমাৰ লিখিত ভাষাৰ অন্তৰ্গত কৰি ল’ব পাৰিলে আমাৰ ভাষাৰ সম্পদ বাঢ়িব। বিশেষকৈ পুৰণি অসমীয়া ভাষাৰপৰাও শব্দ-সম্পদ আৰু সঁজুলি আহৰণ কৰাটো শোভনীয় হ’ব।” এই মূল্যৱান উক্তিৰ সমৰ্থনত সন্দিকৈয়ে বিশ্বৰ কেইবাটাও ভাষাৰ কথা উল্লেখ কৰি বিশেষকৈ এই বিষয়ত ৰুছ সাহিত্যিক টলষ্টয়ৰ আদৰ্শ গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছে। উল্লেখযোগ্য যে সেইছোৱা কালত দেশী-বিদেশী শব্দৰ সমাদৰ হ’ব লাগে নে নালাগে এই বিষয়ৰ বিভিন্ন মতবাদ অসমীয়া লেখকসকলৰ মাজত চলি আছিল। সন্দিকৈৰ এই উক্তি ভিন্ন মতবাদবিলাকৰ এক অপূৰ্ব সমন্বয়। সন্দিকৈৰ পাছৰ কেইবাজনো সভাপতিৰ ভাষণত সন্দিকৈৰ মতৰে পুনৰাবৃত্তি হোৱাও দেখা যায়।

২) সন্দিকৈয়ে ১৯৩৭ চনত অসমীয়া সাহিত্যৰ যি দুৰৱস্থা আছিল তাৰ ওপৰত আক্ষেপ কৰি উদীয়মান সাহিত্যিকসকলক অভিজ্ঞতা লাভৰ বাবে আহ্বান জনাই কৈছে—

“ভাষাৰ কথা এৰি দি অসমীয়া সাহিত্যৰ বৰ্তমান অৱস্থালৈ চালে তাক সন্তোষজনক বুলিব নোৱাৰি। ব্যক্তিগত প্ৰতিভা আৰু ক্ষমতাৰ বাহিৰেও পাৰিপাৰ্শ্বিক অৱস্থাৰ ওপৰত সাহিত্যৰ বিকাশ অনেক পৰিমাণে নিৰ্ভৰ কৰে। জীৱনৰ অভিজ্ঞতাৰ লগত সাহিত্যৰ অতি ঘনিষ্ঠ সম্বন্ধ। অভিজ্ঞতাৰ গাম্ভীৰ্য আৰু বৈচিত্ৰ্য নহ’লে সজীৱ স্পন্দনপূৰ্ণ সাহিত্যৰ সৃষ্টি হ’ব নোৱাৰে। ব্যক্তিগত আৰু

সামাজিক সকলোপ্ৰকাৰ অভিজ্ঞতাৰ প্ৰকাশ-ধৰ্ম হৈছে সাহিত্য।" —সন্দিকৈয়ে এই উক্তিৰ সমৰ্থনত ইউৰোপৰ বিভিন্ন অভিজ্ঞতা সমৃদ্ধ সাহিত্যৰ বিশেষকৈ জাৰ্মান, ফৰাচী আৰু ইংৰাজী সাহিত্যৰ পৰা ভালেকেইটি আকৰ্ষণীয় উদাহৰণ দিছে। "আধুনিক যুগত সামাজিক অভিজ্ঞতাৰ প্ৰভাৱ উপন্যাস সাহিত্যত অতি স্পষ্টভাৱে দেখা যায়।"—এই উক্তিৰ সমৰ্থনদাতা সন্দিকৈয়ে ফৰাচী আৰু ৰুছ সাহিত্যৰপৰা কেইবাটাও চকুত লগা উদাহৰণ দিছে। সেই-দৰে "জাতীয় অভিজ্ঞতা বা জাতীয় আন্দোলনৰ লগত সাহিত্যৰ কি সম্বন্ধ"— ব্যাখ্যা কৰিবলৈ গৈ সন্দিকৈয়ে ফৰাচী বিপ্লৱৰ পাছত আৰু নেপোলিয়নৰ অভ্যুত্থানৰ পাছত ইউৰোপীয় সাহিত্যই কেনেকৈ ৰূপ সলাইছিল তাৰ সুন্দৰ উদাহৰণ দিছে। ইউৰোপীয় সাহিত্যত ইউৰোপৰ কেইবাটিও ভাষাজ্ঞানৰ যোগেদি সন্দিকৈৰ যি প্ৰগাঢ় অধ্যয়ন আছিল তাৰ ছাপ ভাষণটিৰ ছত্ৰে ছত্ৰে উপলব্ধি কৰিব পাৰি। কোৱা বাহুল্য যে এই ভাষণৰ উপৰিও সন্দিকৈয়ে জাৰ্মান সাহিত্যত সপোন নাটক, স্পেনিছ সাহিত্যত ৰোমিও-জুলিয়েট, ৰুছ অভিনয়, গ্ৰীক নাটকৰ গান আদি সুলিখিত তথ্যসমৃদ্ধ প্ৰবন্ধত অসমীয়া পঢ়ুৱৈ সমাজক ইউৰোপীয় সাহিত্যৰ মজ্জাগত গুণবোৰৰ লগত পৰিচয় কৰাই দিছিল। সন্দিকৈৰ বাহিৰে এনেবোৰ উচ্চস্তৰৰ বিদেশী সাহিত্যৰ ওপৰত তথ্যসমৃদ্ধ প্ৰবন্ধ লিখিব পৰা বা এনে এটি সভাপতিৰ ভাষণ পাঠ কৰিব পৰা অসমত দ্বিতীয় এজন লোক যে নাছিল সেয়া কোৱা বাহুল্য মাথোন। উল্লেখযোগ্য যে সন্দিকৈয়ে সভাপতিৰ ভাষণ পাঠ কৰা (১৯৩৭ চন) সময়ৰ আগৰপৰা ১৯২১ চনৰপৰা ১৬ বছৰ কাল ভাৰতত মহাত্মা গান্ধীৰ নেতৃত্বত এক বিৰাট জাতীয় আন্দোলন গঢ় লৈ উঠিছিল। এই মহাজাতীয় আন্দোলনৰ প্ৰভাৱ অসমীয়া ভাষাকে ধৰি ভাৰতৰ বিভিন্ন ভাষাৰ সাহিত্যৰাজীত পৰিছিল। সন্দিকৈ পৰিয়ালে প্ৰত্যক্ষভাৱে এই জাতীয় আন্দোলনত যোগ দিয়া নাছিল—কিন্তু পৰোক্ষভাৱে গান্ধীজীক

সমৰ্থন দিয়াৰ প্ৰমাণ আছে। ইয়াৰ তিনিবছৰৰ আগতে ১৯৩৪ চনত যেতিয়া মহাত্মা গান্ধী অসম ভ্ৰমণলৈ আহি যোৰহাটত পদাৰ্পণ কৰে, তেতিয়া সন্দিকৈ পৰিয়ালৰ শ্ৰেষ্ঠ দান চন্দ্ৰকান্ত সন্দিকৈ ভৱন (অসম সাহিত্য সভাৰ মুখ্য কাৰ্যালয়)ত গান্ধীজীক অতিথি হৈ থকা হৈছিল আৰু সন্দিকৈ পৰিয়ালে গান্ধীজীক সাক্ষাৎ কৰি শ্ৰদ্ধা জনাইছিল। সন্দিকৈয়ে ভাষণত জাতীয় আন্দোলনে সাহিত্যত যি শুভ প্ৰভাৱ পেলোৱাৰ কথা কৈছে তাত নিশ্চয় মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰতৰ জাতীয় আন্দোলনৰ ইংগিত আছে।

অসমীয়া ভাষা-সাহিত্যৰ প্ৰচাৰ সম্পৰ্কেও সন্দিকৈয়ে ভাষণত মূল্যৱান উক্তি কৰিছে। সন্দিকৈয়ে কৈছে— "অসম সাহিত্য সন্মিলন (তেতিয়ালৈকে অসম সাহিত্য সভাৰ এই নামহে আছিল) আজি অসমীয়াৰ একমাত্ৰ জাতীয় সন্মিলন বুলিলে বঢ়াই কোৱা নহ'ব। এই সন্মিলনে অসমীয়া হিন্দু-মুছলমান আৰু খ্ৰীষ্টানসকলৰ বাহিৰেও অসমৰ দাঁতি-কাষৰীয়া জাতিবিলাকক কিদৰে যোগ দিয়াব পাৰি তাৰ ব্যৱস্থা কৰিবৰ সময়ো উপস্থিত হৈছে। এই দাঁতি-কাষৰীয়া জাতিবিলাকৰ মাজত অসমীয়া ভাষা প্ৰচাৰ কৰাটো অসম সাহিত্য সভাৰ প্ৰধান কৰ্তব্য হোৱা উচিত। অসমীয়াৰ এই জাতীয় সংকটৰ দিনত অসমীয়া ভাষাৰ বহুল প্ৰচাৰৰ অৰ্থে সাহিত্য সভাৰ এখন প্ৰচাৰ সমিতি স্থাপন কৰি শিক্ষাৰ সহায়েৰে অসমীয়া ভাষা কোৱা মানুহৰ সংখ্যা বৃদ্ধি কৰাৰ একান্ত আৱশ্যক হৈছে। যিবিলাক বিদেশী মানুহ আন প্ৰদেশৰপৰা অসমলৈ আহিছে তেওঁ-বিলাকৰ মাজতো অসমীয়া ভাষা আৰু সাহিত্যৰ প্ৰতি আদৰ জন্মোৱা আমাৰ কৰ্তব্য হৈ উঠিছে।" সন্দিকৈৰ এনে মূল্যৱান পৰামৰ্শ অসমীয়া জাতিয়ে সৰ্থকভাৱে গ্ৰহণ কৰিব নোৱাৰিলে বাবেই আৰু সেইহোৱা কালত সাহিত্য সভাও দুৰ্বল হৈ পৰি ৩/৪ বছৰৰ মূৰে মূৰেহে বাৰ্ষিক অধিবেশন বহুৱাবলৈ লোৱাত ১৯৪৭ চনত দেশ স্বাধীন হোৱাৰ পাছত আমি সৰহভাগ পৰ্বতীয়া জাতিকে আমাৰ

মাজৰপৰা হেৰুৱাব লগা হ'ল। অসম খণ্ড-বিখণ্ড হ'ল আৰু অসমীয়া ভাষাৰ প্ৰসাৰো আশানুৰূপভাৱে নহ'ল। দূৰ-দৃষ্টিসম্পন্ন প্ৰগাঢ় পণ্ডিত সন্দিকৈ ডাঙৰীয়াই কিন্তু ভাষণত সময়ৰ কথা সময়মতেই কৈছিল।

আদৰ্শবিহীনভাৱে কেৱল জনপ্ৰিয়তা লাভৰ বাবে সৃষ্টি কৰা পাতল আৰু পাঠকৰ চৰিত্ৰ তললৈ নমোৱা সাহিত্যক ধিক্কাৰ দি সন্দিকৈয়ে ভাষণত তেতিয়াই সকীয়াই দিছিল "উচ্চ আদৰ্শৰ-দ্বাৰা অনুপ্ৰাণিত জীৱনব্যাপী সাধনা নহ'লে ওখ খাপৰ সাহিত্যৰ সৃষ্টি হোৱা টান। আমাৰ মাজত ব্যক্তিগত সাধনাৰ অভাৱ অকল সাহিত্যতে নহয় জীৱনৰ সকলো ক্ষেত্ৰতে দেখা যায়। সাহিত্যৰ ক্ষেত্ৰত ইয়াৰ ফল অতি শোচনীয় হৈছে।" উল্লেখযোগ্য যে সন্দিকৈয়ে নিজেও জীৱনজোৰা একান্ত সাধনাৰ ফলস্বৰূপেহে তিনিখনি অতি উচ্চস্তৰৰ গ্ৰন্থৰে বিশ্বসাহিত্যক সমৃদ্ধ কৰি থৈ গ'ল। আন লেখকসকলৰ ক্ষেত্ৰতো সন্দিকৈয়ে ভাষণত এনে জীৱনজোৰা সাধনাৰ আৱশ্যকতাৰ কথাকে উল্লেখ কৰিছে। সন্দিকৈৰ সমসাময়িক অসমৰ আন এজন জীৱনজোৰা জ্ঞান সাধনা থকা পণ্ডিত ড° বাণীকান্ত কাকতিয়েও প্ৰায় একে সুৰতে কৈছে— "ভীমৰ গদা ঘূৰাবলৈ হ'লে আগতবি ভীমৰ বল শৰীৰত অৰ্জন কৰি ল'ব লাগিব।" সন্দিকৈ আৰু কাকতিৰ এই মূল্যৱান উক্তি-কেইটি অসমীয়া জাতিৰ বাবে চিৰকাল বেদ-বাক্য হৈ থাকক।

গৱেষণা আৰু প্ৰাচীন সাহিত্য উদ্ধাৰৰ কাৰ্যত যে অসম দুৰ্ভাগ্যজনকভাৱে পাছ পৰি আছিল এই কথাত আক্ষেপ কৰি সন্দিকৈয়ে কৈছিল— "পুৰণি অসমীয়া সাহিত্যৰ বিষয়ে প্ৰকৃত গৱে-ষণা একো হোৱা নাই বুলিব লাগে। পুৰণি সাহিত্যৰ প্ৰসিদ্ধ গ্ৰন্থ-বিলাক বৈজ্ঞানিক প্ৰণালীৰে পৰীক্ষামূলক সংস্কৰণ প্ৰকাশ কৰা হোৱা নাই। মাধৱ কন্দলীৰ ৰামায়ণৰ ছপা কিতাপ আজিকালি পাবলৈ নাই। সংস্কৃত ৰামায়ণৰ পাঠ নিৰ্ণয় আৰু বুৰঞ্জী আলোচনা

কৰিবৰ কাৰণে এই প্ৰাচীন অসমীয়া ৰামায়ণৰ সহায় আৱশ্যক হ'ব। আমাৰ বিশ্বাস এই প্ৰাচীন গ্ৰন্থখন উলিয়াব পাৰিলে অসমৰ বাহিৰত পুৰণি অসমীয়া সাহিত্যৰ অন্যান্য গ্ৰন্থতকৈ ইয়াৰ সমাদৰ বেছি হ'ব। বৰ্তমান সময়ত অসমৰ বাহিৰে ভাৰতৰ প্ৰায়বিলাক প্ৰদেশতে শৃংখলাবদ্ধ গৱেষণাৰ এটা আন্দোলন গঢ়ি উঠিছে। যোৱা পোন্ধৰ কুৰি বছৰৰ ভিতৰত ভাৰতত সংস্কৃত সাহিত্য আৰু ভাৰতীয় সভ্যতাৰ বিষয়ে গৱেষণা ইমান বাঢ়িছে যে এইবিলাক আলোচনাৰ কেন্দ্ৰ ইউৰোপৰপৰা ভাৰতলৈ উঠি আহিছে বুলিলে অত্যুক্তি নহ'ব।" উল্লেখযোগ্য যে দেশ স্বাধীন হোৱাৰ দহ বছৰৰ আগতে অসমত শৃংখলাবদ্ধ গৱেষণাৰ অভাৱ দেখি সন্দিকৈয়ে ভাষণত যি আক্ষেপ কৰি গ'ল, দেশ স্বাধীন' হোৱাৰ ৩৫ বছৰৰ পাছত আজিও গৱেষণাৰ ক্ষেত্ৰত সেই আক্ষেপ নিশ্চয় আছে। যিমানখিনি গৱেষণা-মূলক গ্ৰন্থ ইতিমধ্যে প্ৰকাশ হৈছে, বিশেষকৈ পুৰণি সাহিত্যৰ ক্ষেত্ৰত তাতোকৈ অধিক এতিয়াও প্ৰকাশ হ'বলৈ বাকী আছে যেনেই লাগে।

অসমীয়া জাতি আৰু অসমীয়া ভাষা–সাহিত্যৰ এজন পৰম হিতাকাংক্ষী পিতৃস্বৰূপ ব্যক্তি সন্দিকৈ ডাঙৰীয়াই সাহিত্য সভাৰ সভাপতিৰ ভাষণত ওপৰত উল্লেখ কৰাখিনিৰ বাহিৰেও বহুতো মূল্যৱান উক্তি কৰি গৈছে। আজিৰ বিপন্ন অসমীয়া জাতিয়ে সেই-খিনি চালিজাৰি চাই পলমকৈ হ'লেও কাৰ্যত পৰিণত কৰিবলৈ যত্ন কৰিলেহে অসমৰ চিৰ উজ্জ্বল গৌৰৱস্বৰূপ, অসমীয়া জাতিৰ মুকুটমণি এই জ্ঞান-সাধক বিদগ্ধ পণ্ডিতজনৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধা জ্ঞাপন কৰা হ'ব। ●

আৰ্হি-পুৰুষ সন্দিকৈ ঃ মহান 'একজেম্প্লাৰ'

মুনীন বৰকটকী

প্ৰয়াত মনীষী কৃষ্ণকান্ত সন্দিকৈদেৱৰ উদ্দেশ্যে পৰিকল্পিত স্মৃতিগ্ৰন্থৰ বাবে মোৰ ওপৰত দায়িত্ব ন্যস্ত হৈছিল সন্দিকৈৰ হাস্য-ব্যংগ-ৰস সম্পৰ্কে— অৰ্থাৎ বহলভাৱে ৰসিক মানুহজনৰ বিষয়ে লিখাৰ। মাহচেৰেক গুণাগঁথা কৰি থকাৰ অন্তত ঠিক তেনে এটা নিৰ্দিষ্ট বিষয়ৰ ওপৰত লিখিবলৈ মই নিজক সাজু কৰিব নোৱাৰিলোঁ। ৰসিক সন্দিকৈৰ সম্বন্ধে তেনেকৈ বাহুল্যভাৱে লিখা হোৱা নাই যদিও তেনেধৰণৰ প্ৰবন্ধ এটা লিখাৰ জোখাৰে সমল যে পাবলৈ নাই তেনে নহয়। আব্দুছ ছাত্তাৰৰ আকৰ-গ্ৰন্থস্বৰূপ জীৱনীখনৰ বাহিৰেও সন্দিকৈদেৱৰ প্ৰয়াণৰ পাছত যোৱাটো বছৰত কাকতে-আলোচনীয়ে প্ৰকাশ হোৱা নানাজনৰ নানান প্ৰবন্ধ-নিবন্ধত সন্দিকৈৰ স্নিগ্ধ হাস্যৰস, বৌদ্ধিক কৌতুকপ্ৰিয়তা, সূক্ষ্ম ৰসালাপ আৰু ৰস-গ্ৰাহীতা ইত্যাদি দিশত নানান নতুন, পূৰ্বে নজনা কথা সকলোৰে অৱগতি-গোচৰ হৈছে। প্ৰায়সকলেই যদিওবা ছাত্তাৰ চাহেবৰ গ্ৰন্থত উদ্ধৃকিওৱা আৰু বহুলভাৱে সদৰি হোৱা কথাৰ পুনৰাবৃত্তিকেহে কৰা দেখা গৈছে, তথাপি এখন সাহিত্য-আলোচনীত এসময়ত সন্দিকৈ-দেৱৰ সৈতে একেলগে গুৱাহাটী বিশ্ববিদ্যালয়ত কাম কৰা প্ৰধান শিক্ষা-ব্যৱস্থাপক শ্ৰীচিদানন্দ দাস ডাঙৰীয়াই লিখা প্ৰবন্ধটোত আৰু যোৰহাটৰপৰা ওলোৱা এখন দৈনিক বাতৰি কাকতত ওলোৱা সন্দিকৈৰ শেষ বয়সৰ ব্যক্তিগত সহায়কাৰী এজনৰ আন এটা প্ৰবন্ধত ৰসোচ্ছল, কৌতুকপ্ৰিয়, মানৱীয় (হিউমেন) সন্দিকৈজনৰ একোটাইত সুমধুৰ ৰূপ প্ৰকাশ পাইছে। গতিকে সমলৰ অভাৱত নহয়, আন

এটা মৌলিক কাৰণতহে মই কোনো নিৰ্দিষ্ট সীমাৰেখাৰ ভিতৰত সন্দিকৈদেৱৰ বিষয়ে চৰ্চা কৰাৰপৰা বিৰত থকাকে সমীচীন জ্ঞান কৰিলোঁ।

ছবছৰ আগতে শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ জীৱিত থাকোঁতেই, তেতিয়া বৰ্তমান এতিয়া মৃত 'সংজ্ঞা' বোলা আলোচনীত লিখা দীঘলীয়া প্ৰবন্ধ এটাৰ মোখ'নে মাৰি মই ইংৰাজ সমালোচক-চূড়ামণি মেথ্যু আৰ্ণল্ডে মহাকবি শ্বেক্স্পীয়াৰ সম্পৰ্কে কোৱা সেই অবিস্মৰণীয় পংক্তিটোৰ উদ্ধৃতি দি—আদাৰচ এবাইড আৱাৰ কুৱেশ্চন ··· দাউ আৰ্ট ফ্ৰী ··· উই আচ্ক এণ্ড আচ্ক ··· দাউ স্মাইলেষ্ট এণ্ড আৰ্ট ষ্টীল ··· আউট্‌টপিং নলেজ (Others abide our question/ thou art free/We ask and ask/Thou smilest and art still/Outtopping knowledge) -সন্দিকৈৰ নিচিনা এগৰাকী সব্যসাচী ব্যক্তিৰ যথাৰ্থ মূল্যাংকন কৰা আমাৰদৰে অভাজনৰ পক্ষে যে কিমান দুৰূহ—একপ্ৰকাৰে অসম্ভৱ তাকে ব্যক্ত কৰিছিলোঁ।

সন্দিকৈদেৱ জীয়াই থাকোঁতে মোৰ সেই আম্বাৰ কথা অতিশয়োক্তি হ'ল বুলি বহু পণ্ডিত লোকে কটাক্ষ কৰিছিল আৰু মই নিজেও সময়ত তাৰ বাবে অপ্ৰতিভ নোহোৱাকৈ নাছিলোঁ। যিকোনো বৌদ্ধিক অনুসন্ধানৰ ক্ষেত্ৰত অপৰিমিত প্ৰশস্তি তথা 'হাইপাৰবোল' সৰ্বাংশে পৰিত্যাজ্য বুলিয়েই মযো বিশ্বাস কৰিছিলোঁ। কিন্তু সন্দিকৈদেৱৰ পাছৰপৰা সকলো মহলৰপৰা তেনেধৰণৰ প্ৰতিক্ৰিয়াৰ পৰিচয় দেখিলোঁ আৰু শুনিলো তাৰপৰা মোৰ মনৰ সকলো দ্বিধা-সংকোচ আঁতৰ হ'ল। অনুভৱ কৰিলোঁ আৰু কৰিছোঁ যে আমাৰ নিচিনা সাধাৰণজনৰ পক্ষে সন্দিকৈৰদৰে ব্যক্তিত্ব আৰু পাণ্ডিত্যৰ মূল্যাংকন কৰিবলৈ হ'লে, আৰ্ণেল্ড শ্বেক্সপীয়াৰৰ আকাশলংঘী প্ৰতিভাৰ ওচৰত সেও মানি স্তব্ধ হৈ থকাৰ বাহিৰে প্ৰকৃততে গত্যন্তৰ নাই। বহুতো অসাধাৰণ প্ৰতিভাই মানুহক অপৰিসীমভাৱে প্ৰভাৱিত কৰে। তেওঁলোকক আমি অত্যাধিক প্ৰশংসা কৰোঁ।

কিন্তু সিবিলাকৰ ভিতৰতো এনে দুই-এজন থাকে যি আমাক কেবল প্ৰভাৱান্বিত কৰাই নহয়, অভিভূত কৰে, আচ্ছন্ন কৰি ৰাখে। এনেকৈ কাৰোবাৰ ব্যক্তিত্ব-প্ৰতিভাই যদিহে কাৰোবাক অভিভূত কৰে তেতিয়া সেইজনৰ যথাৰ্থ মূল্যাংকনৰ উপযোগী নিলিপ্ততা— অবজেক-টিভিটি সাধাৰণতে নেথাকেগৈ। সন্দিকৈ সম্পৰ্কত মোৰো সেই দশাই হয়। এনেস্থলত 'হে সুমহান' বুলি নেকোৱাকৈ থকা টান।

হে সুমহান! — মানুহজন আৰু পণ্ডিতজন

বাস্তৱিকপক্ষে সন্দিকৈদেৱৰ বিষয়ে লিখাৰ কোনো অৰ্হতাই মোৰ নাই। সন্দিকৈৰ্থন চহৰতে মোৰো জন্ম যদিও জীৱনৰ আৰম্ভণিৰ একুৰি বছৰত একুৰিবাৰলৈকো যোৰহাটত এই মহা পণ্ডিত গৰাকাৰ লগত মোৰ দেখাদেখি হৈছিল নে নাই সন্দেহ। পচাশলীয়া ছাত্ৰ হিচাপে সন্দিকৈৰ বিষয়ে জনা দূৰৰ কথা, এৰো শুনাই নাছিলো বুলিব পাৰি। কৈশোৰত, সন্দিকৈয়ে গুৰি ধৰি ধন্য কৰা জে. বি. কলেজত (তেতিয়াৰ যোৰহাট কলেজ) দুবছৰ পঢ়াৰ সময়তো, ২য় বাৰ্ষিকত সপ্তাহত এদিন এঘণ্টাকৈ ইংৰাজী সাহিত্য পঢ়াওঁতে সন্দিকৈক পোৱাৰ সৌভাগ্য হৈছিল যদিও আৰু চুটি লাঠি এডাল লৈ নগৰৰ জনবিৰল পথেদি গমগমাই খোজকাটি ফুৰি-ফুৰা সন্দিকৈক প্ৰায়েবোৰ বিয়লি গধূলিলৈ দেখিছিলো যদিও, সেই গৌৰবৰ্ণ, শুভ্ৰবসন চুৰিয়া-পাঞ্জাৱী খনিনা পাৰিছিল নিখুঁতভাৱে ভাৰতীয় বিলাত ফিৰতজনক চকুৰে দেখা পোৱাৰ বাহিৰে তেখেতৰ মনৰ খবৰ কিবা লৈছিলো বা পাইছিলো বুলি ক'ব নোৱাৰো। ছাত্ৰ হিচাপে তেখেতৰ যথেষ্ট প্ৰিয়পাত্ৰই আছিলো বুলি উমান পাইছিলো যদিও তেখেতৰ কাম চপাৰ দুঃসাহস মূৰ্তৈই হোৱা নাছিল। সন্দিকৈয়ে তেখেতৰ শ শ ছাত্ৰৰ প্ৰতিজনকে নামে-মানুহে জনাৰ কথাটো বিস্ময়কৰ যে নিৰ্ঘাত সত্য তাৰ প্ৰমাণ মই হাতে-হাতে পাইছিলো। কেবাবছৰো মুৰত স্নাতক হৈ এদিন তেখেতৰপৰা এখন চাৰ্টিফিকেট বিচাৰি যাওঁতে মই ক'ত পৰিলো, কেতিয়া পাছ কৰিলো সকলো জনাৰ উপৰিও

তেখেতে মই সাহিত্য চৰ্চা কৰি আছোনে এবিলো তাকো সুধিছিল, মোৰ ভৱিষ্যৎ পৰিকল্পনাৰ বুজ লৈছিল আৰু মোৰ প্ৰত্যাশাৰ অতীত উচ্চ-প্ৰশংসাসম্বলিত এখন যোগ্যতা পত্ৰ দি মোক অনুগৃহীত কৰিছিল— যিখনৰ মূলখন মই যোৱা আধা শতিকা কাল আলফুলকৈ সামৰি থৈছো। শেহত পঞ্চাছৰ দশকত গুৱাহাটীত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য সন্দিকৈক বাটে-পথে আঁতৰৰপৰা দেখা। এনেকুৱা সেৰেঙা চিনাকি মানুহ এজনৰ বিষয়ে প্ৰবন্ধ লিখিবলৈ সাহ কৰাটো ধৃষ্টতা নহৈ আন কি হ'ব পাৰে ?

সন্দিকৈ মানুহজনক যেনেকৈ নিচেই কমেই মই পাইছিলো তেওঁৰ কিম্বদন্তীসুলভ পাণ্ডিত্য আৰু মণীষাৰো তেনেকৈ গম পোৱা নাছিলো আৰু দূৰৈৰপৰা বিমুগ্ধ অভিনন্দন জনোৱাৰ বাহিৰে সন্দিকৈ-প্ৰতিভাৰ 'পেৰামিটাৰ'সমূহৰ জৰীপ ল'বলৈ যোৱাৰ কথাই উঠিছিল। তেতিয়ালৈকে সন্দিকৈয়ে একমাত্ৰ অসমীয়া 'অক্সনিয়ান' (Oxonian) হ'লেও আৰু যুৰোপত সাত বছৰকৈ থাকিলেও সন্দিকৈৰ পাণ্ডিত্য আছিল ঘাইকৈ সংস্কৃত ভিত্তিক ; আৰু মোৰ নিজৰ সংস্কৃত ব্যুৎপত্তিৰ প্ৰবেশিকাৰ দেওনা পাৰ হোৱাতে সাং হৈছিল। সঁচাকথা ক'বলৈ গ'লে ক'ব লাগিব কুমলীয়া বয়সত সম্মিলন প্ৰবন্ধাৱলী বোলা অসম ছাত্ৰ সম্মিলনে তাহানি যুগুতোৱা মূল্যবান প্ৰবন্ধ সংকলনটোত আৰু 'আৱাহন' আলোচনীত সন্দিকৈদেৱে লিখা কেইটিমান অতি গভীৰ আৰু মৌলিক ধৰণৰ প্ৰবন্ধ পঢ়াৰ বাহিৰে মাথোন দুই-তিনি দশকৰ আগলৈকে সন্দিকৈদেৱৰ কোনো গ্ৰন্থৰ লৈতে মোৰ পৰিচয় ঘটা নাছিল। দৰাচলতে কৃষ্ণকান্ত সন্দিকৈ মানুহজন আৰু পণ্ডিতজন দুয়োজনৰ লৈতে মোৰ চিনাকি হ'বলৈ গ'লে নিতান্ত 'ভাইকেৰিয়াচ' (vicarious) আৰু পৰোক্ষ — পিছলৈ পঢ়ি-শুনি আৰু আনৰ মুখে শুনি-জানি ঘটা পৰিচয়। এই সংক্ৰান্তত সশ্ৰদ্ধ উল্লেখ কৰিব লাগিব যে পণ্ডিত, উপাচাৰ্য, গৃহস্থ নাট্যৰসিক, কলাপ্ৰেমী ৰসিক, সুহৃদ, দানশীল ব্যক্তি-ক্ৰমী ব্যক্তি কৃষ্ণকান্ত সন্দিকৈক মই চিনা-জনাৰ সুযোগ পাইছিলো

তেওঁৰ অতি প্ৰিয়জন স্বৰ্গীয় লক্ষ্মীনাথ ফুকনৰপৰা। ফুকনেই আছিল সম্ভৱতঃ সন্দিকৈৰ আটাইতকৈ ঘনিষ্ঠ বন্ধু। 'খোদ' মানুহজনক নেজানিলেও তেওঁৰ নিকটতম এজনৰপৰা তেওঁক জনাৰ সুবিধাটো নিঃসন্দেহে এটা বিৰল সৌভাগ্য।

এতেকে কৃষ্ণকান্ত সন্দিকৈৰ ৰস-চেতনা নাইবা ৰসিকতা সম্পৰ্কে নহয়, তেওঁ মোৰ মানত অভ্ৰভেদী যেন লগা ব্যক্তিত্ব তেওঁৰ বৌদ্ধিক জগতৰ পৰিধিৰ ইংগিত দিয়া আৰু তেওঁৰ দুই-চাৰিটা সুমধুৰ আৰু সুমহান স্মৃতি চাৰণতে মোৰ এই প্ৰবন্ধ-প্ৰয়াস সীমিত ৰাখিম। সন্দিকৈ বিয়োগৰ পিছৰপৰা তেওঁৰ বিষয়ে যি চিন্তা-চৰ্চা হৈছে তাৰ সৰহভাগেই তেওঁৰ ব্যক্তিত্ব সম্পৰ্কেই হৈছে। মৰণোত্তৰ কৃষ্ণকান্তৰ হকে সদৌ অসমজুৰি যি বিননিৰ ধ্বনি উঠিছিল সিও মূলতঃ চৰিত্ৰ আৰু ব্যক্তিত্বৰ মাহাত্ম্য-মহীয়ান মানৱিক পণ্ডিতগৰাকীৰ বিয়োগতে হোৱা। পাণ্ডিত্য বহুজনৰে থাকিব পাৰে। সন্দিকৈৰ পৰ্যায়ৰ পণ্ডিত, আনকি তেওঁতকৈ বিশালতৰ আৰু গভীৰতৰ পাণ্ডিত্যৰ গৰ্ব কৰিব পৰা পণ্ডিতৰো এইখন দেশত আকাল নাই। কিন্তু সুবিশাল পাণ্ডিত্যৰ সৈতে সুমহৎ ব্যক্তিত্বৰ এনে সমন্বয় বা সহাৱস্থান সদৌ দেশতে অতি কমসংখ্যকৰ ক্ষেত্ৰতহে এনে নিবিড়ভাৱে সাধিত হোৱা দেখা যায়। আমাৰ দেশত পণ্ডিত আৰু বিদ্বানৰ প্ৰতি শ্ৰদ্ধা আৰু সমীহভাৱ আমাৰ জাতি-মানসৰ সহজাত উপকৰণ। আমি জ্ঞানী আৰু মেধাৱীক সদায় সন্মান কৰোঁ, সিবিলাকক সাধাৰণ জাগতিক স্তৰৰ ঊৰ্দ্ধত থ'বলৈ বিচাৰোঁ। তথাপি যি পণ্ডিতে নিজৰ চৰিত্ৰ আৰু জীৱনচৰ্যাৰ বৈভৱেৰে তেওঁৰ পাণ্ডিত্যক মহীয়ান আৰু বৰণীয় কৰি তুলিব পৰা নাই তেনে পণ্ডিতে আমাৰ সাৰ্বজনীন স্বীকৃতি আৰু সমাদৰ আহৰণ কৰাত সফল হ'ব নোৱাৰে। বিদেশৰ মনীষাৰ ক্ষেত্ৰত চৰিত্ৰ আৰু ব্যক্তিত্বৰ প্ৰশ্নটো অপ্ৰাসংগিক নহ'লেও 'চেকেণ্ডাৰী' বা গৌণ। সৰহ দৃষ্টান্ত বিচাৰিবলৈ নগৈ কুৰি শতিকাৰ সম্ভৱতঃ আটাইতকৈ প্ৰখ্যাত

আৰু প্ৰগাঢ় বুদ্ধিজীৱী চিন্তানায়ক মনীষী বাৰট্ৰাণ্ড ৰাচেলৰ কথা উনুকিয়ালেই হয়। ৰাচেলৰ অপূৰ্ব আত্মজীৱনী পঢ়োঁতা সকলে এথল্লেকলৈকো পাহৰিব নোৱাৰে যে ৰাচেল মেধা-মনীষাৰ পিনৰ-পৰা যিমান বিশাল মহীৰুহই নহওক কিয় এশ এবুৰি প্ৰেম-সংযোগ স্খলন 'ডাইভোৰ্চ' দৈহিক-যৌন দুৰ্বলতাৰ বলি ৰাচেলজন অন্ততঃ মানুহ হিচাপে আমাৰ বাবে সিমান নমস্য বা পূজনীয় নহয়। অৱশ্যে আইনষ্টাইন বা বাৰ্ণাৰ্ড শ্বৰ ক্ষেত্ৰত কথাষাৰ সিমান সবলো নহয়। তথাপি এই বুলি ক'লে বোধহয় অত্যুক্তি বা সত্যৰ অপলাপ নহ'ব যে পশ্চিমত পাণ্ডিত্য আৰু চৰিত্ৰৰ মাজত এক প্ৰকাৰ 'ইনভাৰ্চ ৰেছিয়' (Inverse ratio) বা ব্যস্ত অনুপাত বিদ্যমান। ব্যতিক্ৰম আছে, সকলো ক্ষেত্ৰতে থাকে। কিন্তু প্ৰতীচ্যৰ বেলিকা এনে ব্যতিক্ৰম কেইবোৰে এই সাধাৰণ নিয়মটো প্ৰতিষ্ঠাহে কৰে যে, পাণ্ডিত্য বা ধী শক্তিত যি গৰাকী যিমান ওপৰলৈ যায় চৰিত্ৰ বা সামাজিক জীৱন যাত্ৰাৰ বহুক্ষেত্ৰতে তেওঁৰ শ্ৰেষ্ঠত্ব সমানু-পাতভাৱে অৱনমিত হয়।

এইটো অৱশ্যে সঁচা যে পশ্চিমত আৰু আমাৰ ইয়াত চৰিত্ৰৰ প্ৰতি সৰ্বসাধাৰণ দৃষ্টিভংগী একে নহয়। তাত ডাঙৰ ডাঙৰ পণ্ডিত, শিল্পী, কলাকাৰ, দাৰ্শনিক-বিজ্ঞানীসকলৰ 'প্ৰাইভেট লাইফ' অৰ্থাৎ ঘৰুৱা, ভিতৰুৱা জীৱনৰ তথাকথিত 'কেচ্ছা' বা অপকৰ্ম বোৰলৈ তেনেকৈ কোনেও চকু নিদিয়ে — পশ্চিমৰ সমাজ আমাৰ সমাজতকৈ এনে ক্ষেত্ৰত বহুপৰিমাণে 'পাৰমিচিভ' বা সহৃদয়। এনে এটা প্ৰৱণতা আধুনিকতাৰ উত্তৰোত্তৰ সংক্ৰমণৰ ফলস্বৰূপে আমাৰ ইয়াতো আজিকালি গঢ় নোলোৱা নহয়। আমাৰ ইয়াতো বহুত বিদগ্ধ ব্যক্তিৰ চৰিত্ৰৰ ঘৰৰ বিকৃতা দৃষ্টিগোচৰ হৈ আছে। সেয়ে ইয়াত আমি সেইজন পণ্ডিত, সেইজন বুদ্ধিজীৱীকহে প্ৰকৃত সন্মান যাচোঁ যি চৰিত্ৰ ব্যক্তিত্বৰ ফালৰপৰা কলংকৰহিত (নিষ্কলংক নহয়, কিয়নো চন্দ্ৰতো কলংক থাকে বুলি আমি মানো)। পাণ্ডিত্যৰ প্ৰশংসা

আমি কৰোঁ, কিন্তু পণ্ডিতজনক সমানে শ্ৰদ্ধা নকৰো যদিহে তেওঁৰ চৰিত্ৰত কিবা কেনেকুৱা দাগ থাকে। ভাৰতীয় দৃষ্টিভংগী চাৰিত্ৰিক কলংকৰ ক্ষেত্ৰত পণ্ডিতৰ প্ৰতিও কঠোৰ আৰু নিষ্ঠুৰ হ'ব পাৰে। আজিকালি চৰিত্ৰগত সন্মান নাইবা ব্যক্তিগত দুৰ্বলতাই সময়ত পণ্ডিতজনক সমাজৰ বাবে অধিক মাননীয় বা 'ইন্টাৰেষ্টিং' কৰি তোলে বুলি অনুমোদন কৰা দেখা যায় যদিও আমাৰ পৰিকল্পনাৰ ব্যক্তি বা 'জিনিয়াচে'ও সৎ চৰিত্ৰ অবিহনে গণ্য সামাজিক ব্যক্তি আৰু সমাদৰ পোৱা প্ৰত্যয়ও টান হৈছে আছে।

সুখ্যাতি আৰু স্মৰণীয়তাৰ চাবি-কাঠি

চৰিত্ৰ-বল আৰু ব্যক্তিত্ব-গুণেই মোৰ বোধেৰে কৃষ্ণকান্ত সন্দিকৈৰ কালব্যাপী আৰু মৰণোত্তৰ সুখ্যাতি আৰু স্মৰণীয়তাৰ মূল চাবি-কাঠি। সুদীৰ্ঘ চাকৰিৰ বছৰ পাৰিপাৰ্শ্বিক সামাজিক জীৱন-ধাৰা একপ্ৰকাৰ বিচ্ছিন্ন হৈ থাকিও সন্দিকৈয়ে কোনো সময়তে প্ৰকৃতপক্ষে লোকচক্ষুৰ পৰা আঁতৰি নপৰিল; কোনো ৰাজহুৱা পদ্ধতিত উচ্চস্বৰে মাত নমাতিলেও যে দেশৰ আৰু দহৰ প্ৰায় সকলো মৌলিক প্ৰশ্নৰ ক্ষেত্ৰতে দেশবাসীয়ে সদায় তেওঁৰ চিন্তা-ভাৱনা বা মতামতৰ ওপৰত ইমান গুৰুত্ব দিছিল; কোনো সৰণৰ যশস্যা বা সন্মানৰ বাবে লালায়িত নোহোৱাটো যে কালক্ৰমত গুণমুগ্ধ অসমবাসীয়ে তেওঁক উচ্চতম সন্মান আৰু বিতৰ্কাতীত শ্ৰেষ্ঠত্ব অৰ্পণ কৰিছিল, অসম ছাত্ৰ সন্মিলন, অসম সাহিত্য সভা ইত্যাদিৰ পৌৰোহিত্যৰ ভাৰ দিয়াৰ উপৰিও যে তিনিবাৰকৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৰ্ণধাৰৰ পদত বৰণ কৰিছিল— সেয়ে প্ৰমাণ কৰে দেশবাসীৰ অন্তৰত তেওঁ কিমান ওখ ঠাই অধিকাৰ কৰিছিল। জ্ঞানাৰ্জনৰ নিভৃত গুহাত নিজক একপ্ৰকাৰ অসূৰ্যম্পশ্য কৰি ৰাখিলেও সন্দিকৈৰ যে দেশবাসীৰ হৈতে নাড়ীৰ সংযোগ আছিল তাৰ প্ৰমাণ ভূৰি-ভূৰি। মোৰ বিশ্বাস সন্দিকৈদেৱে এনে অতুলনীয় আৰু অবিসংবাদী প্ৰতিষ্ঠা আৰু সন্মান অৰ্জন কৰিব পৰাৰ মূলতে আছিল পণ্ডিত আৰু বুদ্ধিজীৱীৰ বহুতৰ ক্ষেত্ৰত

দুৰ্লভ একক চৰিত্ৰ গৌৰৱ, নিষ্ঠা, সততা, বিনয় আৰু সংস্কৃতিবানতা। এনে বিদগ্ধ পণ্ডিত এগৰাকীৰ এনে সৰলতা আৰু অমায়িকতা, সদায় অন্যৰ প্ৰতি সংবেদনা আৰু সহনশীলতা, গুণীজনৰ প্ৰতি অবলীলাক্ৰমে অনুৰাগ আৰু মনোগ্ৰাহীতা—সচৰাচৰ পণ্ডিতসকলৰ মাজত দেখিবলৈ পোৱা নেযায়।

সন্দিকৈদেৱৰ অসংখ্য সৰু-বৰ বদান্যতাসমূহ, তেওঁৰ অনাড়ম্বৰ ত্যাগসমূহ আমি 'টেক্ ফৰ গ্ৰাণ্টেড্' হিচাপে সহজে ধৰি নোলোৱা হ'লে তাৰ বৈচিত্ৰ্য আৰু গৰিমাই আমাক চমৎকৃত কৰিলেহেঁতেন। অক্সফোৰ্ড বিদ্যালয়ৰপৰা উচ্চতম উপাধি লৈ আহি গাঁওসদৃশ যোৰহাট চহৰৰ চালুকীয়া এটা আই-এ মহলাৰ কলেজৰ প্ৰিন্সিপেলত্ব অকাতৰে, আগ্ৰহেৰে সাদৰি লোৱাটোৰ মাজত নিহিত ত্যাগ কেইজন সমপৰ্যায়ৰ পণ্ডিত লোকৰ পক্ষে সম্ভৱ? চন্দ্ৰকান্ত অভিধান পুনঃ প্ৰণয়নৰ বাবে কৰা দান, জগন্নাথ বৰুৱা কলেজৰ আৰম্ভণিৰপৰা গুৱাহাটী বিশ্ববিদ্যালয়ত ন বছৰকৈ উপাচাৰ্য থকাৰ পিছতো তেওঁৰ আপুকণীয়া ঐশ্বৰ্যশালী ব্যক্তিগত পুথিভঁৰালটো আগতীয়াকৈ সেই বিশ্ববিদ্যালয়কে দান কৰি যোৱা—এনেবোৰ দান অৱদানৰ লেখ আমি পাওঁচক। পাছে তেওঁ যে কিমান যোগ্য দৰিদ্ৰ ছাত্ৰক পঢ়াৰ খৰচ, পৰীক্ষাৰ মাচুল দিলে, কিমানজন পুৰণি আৰু ন, প্ৰখ্যাত আৰু অখ্যাত লেখক-লেখিকাক প্ৰথম পুথি ছপোৱাই দিলে, প্ৰকাশৰ ব্যয় বহন কৰিলে, অদৰকাৰতেই কোনো লেখকৰ শতাধিক কিতাপ নিজৰ পইচাৰে কিনি নানা ঠাইত বিলাই দিয়াৰ ব্যৱস্থা কৰিলে, কিমান ডক্টৰক 'আউট'-ডক্টৰ কৰিব পৰা, শিকাব পৰা পণ্ডিত হৈয়ো নিজে কোনো দিনে ডক্টৰেট আর্জিবলৈ মন নেমেলি কিমানজনক ডক্টৰেট অৰ্জিব পৰা সমল আৰু সামৰ্থ্য যোগালে, কিমান দুঃস্থ সংস্কৃত পণ্ডিতলৈ সম্মান আৰু অৰ্থ-সাহায্য আগবঢ়ালে, এনেবোৰ লেখ নোহোৱা দান-বৰঙণিৰ কোনে কিমান গম ৰাখিছে? এনে নিঃস্বাৰ্থ 'ডিচইণ্টাৰেষ্টেড্', পৰোপকাৰ আৰু গুণগ্ৰাহীতাৰ উদাহৰণ

পুথিয়ে-পাজিয়ে পাবলৈ থাকিলেও বাস্তৱ জগতত সৰহ দেখা নেযায়। এনে এজন লোকক কেন্দ্ৰই এবাৰ 'পদ্মশ্ৰী', ঘূৰিবাৰ 'পদ্মভূষণ' উপাধি আগবঢ়াই তেওঁক সম্মান জনালে নে অসম্মান কৰিলে সেইটো ভাবি চাবলগীয়া। এনে এজনক একেবাৰতে 'পদ্মভূষণ' উপাধি দিয়া হ'লে সন্দিকৈতকৈও 'পদ্মবিভূষণ' উপাধিৰে যথাযোগ্যতা প্ৰতিষ্ঠিত হ'লহেঁতেন। জীয়াই থকা হ'লে সন্দিকৈয়ে শান্তিনিকেতনৰ 'দেশিকোত্তম' পোৱাত একো বিচিত্ৰতা নেথাকিল-হেঁতেন। গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ে যাহক সন্দিকৈলৈ তেওঁৰ জীৱদ্দশাতে উচ্চতম সম্মান আগবঢ়াই থ'লে

লেচ্ ডেন হিউমেন নহয়

অসমতে নেলাগে দেশৰ বহুজন পণ্ডিতৰ বিষয়ে নানাজনৰ নানা মন্তব্য শুনিছোঁ। কিন্তু সন্দিকৈৰ চৰিত্ৰদোষৰ কথা কোৱা কাকো ক'তো পোৱা নাই। সেইবুলি তেওঁৰ কাম-কাজ, বিচাৰ-বিবেচনা, দান-দক্ষিণাৰ সম্পৰ্কত কোনো সমালোচনাই যে হোৱা নাই তেনে নহয়। তেনে হোৱাই সহজ কাৰণ আমাৰ নিচিনা দেশ-সমাজত কোনো সমালোচনাই নোহোৱা হ'লে সন্দিকৈ মানুহতকৈ কম— 'লেচ্ ডেন হিউমেন' হ'লহেঁতেন। সন্দিকৈৰ দানবৰঙণিৰ প্ৰসংগত কোনোৱে কয়— ধন থাকিলে দিলোৱা সিমান ডাঙৰ কথা নহয়। কথাষাৰ হয়তো একেবাৰে অমূলক নহয় কিন্তু সন্দিকৈতকৈ চহকী লোক দানবীৰ ৰাধাকান্ত সন্দিকৈৰ পৰিয়ালতকৈ বিত্তশালী পৰিয়াল আমাৰ মুলুকতে আৰু বহুতো নাই জানো? সেইবিলাকৰ কেইটাই এই পৰিয়ালটোৰ দৰে মুক্তহস্তে এনেধৰণৰ কামলৈ বুলি দান-অনুদান দিছে; সন্দিকৈৰ সমধৰ্মী পৰিবেশ পাৰিপাৰ্শ্বিকত ডাঙৰ দীঘল হোৱা লোকবো আমাৰ মাজত অভাৱ নাই। কিন্তু কেইজনে তেওঁৰ নিচিনাকৈ ৰাজ্যপাল-চেন্সেলৰ, মন্ত্ৰী-মহামন্ত্ৰীবো প্ৰতাপ বা বোমলৈ দ্ৰুক্ষেপ নকৰি সান্নিধ্য লাভৰ সুযোগলৈ উপেক্ষা কৰি হেলাৰঙে থুব থিয় কৰি আছে? কৃষ্ণকান্ত

সন্দিকৈৰ চৰিত্ৰ-সম্পদৰ এশ এটা জিলিকনি তেওঁ বৰ্তমান থাকোঁতেই দেখা গৈছিল। বিশেষকৈ পৰলোকৰ পাছত আৰু অনেক দৃষ্টান্ত পোহৰলৈ আহিছে। বাহুল্য কৰাৰ আৱশ্যক নকৰে। মাথোন ইমানকে কʼলেই যথেষ্ট যে সন্দিকৈৰ নিচিনা চৰিত্ৰ-বৈভৱ দাবী কৰিব পৰা পণ্ডিত লোক এশজনৰ ভিতৰত এজনো পোৱা টান। এই চাৰিত্ৰিক বিশেষত্ব, অনন্যতা আৰু নিৰ্মলতাৰ বলতে নীৰব-নিৰলগীয়া পণ্ডিত হৈয়ো সন্দিকৈয়ে সৰ্বসাধাৰণৰ অন্তৰত নিজক এনে দৃঢ় ভাৱত প্ৰতিষ্ঠা কৰিব পাৰিছিল, পণ্ডিত হৈয়ো নীৰস গ্ৰন্থকীট নহৈ প্ৰাণৱান মানৱীয় ব্যক্তি হʼব পাৰিছিল।

সন্দিকৈ-চৰিত্ৰৰ একাধিক পাৰ্শ্বজ্যোতিৰ ভিতৰত দুটা বৈশিষ্ট্যই মোৰ মনত গভীৰ সাঁচ বহুৱায়। অহমিকা আৰু আত্মশ্লাঘাৰপৰা সম্পূৰ্ণ মুক্তি আৰু মহৎ আৰু গুণীৰ প্ৰতি নিৰন্তৰ আৰু অকুণ্ঠ শ্ৰদ্ধা— এই দুটাই মোৰ বাবে সন্দিকৈ চৰিত্ৰৰ আটাইতকৈ আকৰ্ষণীয় দিশ। সন্দিকৈ নিজে যেনেকৈ আদৰ্শনীয় চৰিত্ৰৰ মানুহ আছিল তেনেকৈ চৰিত্ৰৰ মহত্ত্বৰ আগত তেওঁ সদায় মূৰ দোঁৱাইছিল। বিলাতলৈ পঢ়িবলৈ যাওঁতে তেওঁ কৰ্মবীৰ বৰদলৈৰ পদধূলি শিৰত লৈ যোৱা; ড° ৰাধাকৃষ্ণণ, সুনীতিকুমাৰ চাটাৰ্জী, গোপীনাথ কবিৰাজ, বেজবৰুৱা, ড° ভূঞাৰ দৰে বৰেণ্য ব্যক্তিৰ কথাই নাই, চৰিত্ৰ-গৰিমা দেখিলে এজন সাধাৰণ সংস্কৃত টোলৰ পণ্ডিত, অথবা অজ্ঞাত অথচ মহৎ লোকৰ ওচৰত সন্দিকৈয়ে নিজকে সদায় সৰু জ্ঞান কৰিছিল। 'বিদ্যা দদাতি বিনয়ম্' বোলা সংস্কৃত প্ৰবচনটো সন্দিকৈৰ গাত খাপ নাখায় যদি আৰু কাৰ গাত খাপ খায়? চৰিত্ৰগত বিনয়-নম্ৰতা আৰু নিজৰ গুণ-শক্তিৰ প্ৰতি উদাসীনতাৰ ব্যতিৰেকে সন্দিকৈৰ বিশাল পাণ্ডিত্যৰো মহিমা ভালদৰে উপলব্ধ নোহোৱাকৈ ৰʼলহেঁতেন। সন্দিকৈৰ কথা-বতৰা, অধ্যয়ন অধ্যাপনা, অগ্ৰজ তথা সমসাময়িকসকলৰ প্ৰতি মনোভাৱ অলপ দকৈ গমি চালেই বুজিব পাৰি। সন্দিকৈৰ পাণ্ডিত্য আৰু বৈদগ্ধ্যৰ প্ৰতি প্ৰবল আকৰ্ষণ

আছিল যদিও তেওঁৰ প্ৰাথমিক আৰু প্ৰধান আনুগত্য আছিল চৰিত্ৰ আৰু মহত্ত্বৰ প্ৰতি। বিশ্ববিদ্যালয়ৰ সমাৱৰ্তনত দিয়া ভাষণৰ-পৰা শিশু আলোচনীলৈ বুলি লিখা সৰল প্ৰবন্ধলৈকে সকলোতে সন্দিকৈয়ে চৰিত্ৰৰ ওপৰতে সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছিল। চৰিত্ৰ আৰু ব্যক্তিত্ব একেটা মোহৰৰে ইলুটি-সিলুটি। আন্দুছ ছাওঁৰে সন্দিকৈৰ ব্যক্তিত্বক সুগভীৰ বুলি কৈ মুখ্যতঃ সন্দিকৈৰ পাণ্ডিত্যৰ ওপৰতহে বেছিকৈ জোৰ দিছে। মহৎ চৰিত্ৰই মানুহক যি ব্যক্তিত্ব প্ৰদান কৰে অগাধ পাণ্ডিত্যইও তেনে নকৰিব পাৰে। চিৰ জ্বাৰন লোকচক্ষুৰ অন্তৰালত নিৰলে একাণপতীয়াকৈ এই বৌদ্ধিক সন্ন্যাসীজনে মেথ্যু আৰ্ণল্ড নাইবা ৰবাৰ্ট ব্ৰাউনিঙে কল্পনা কৰা পণ্ডিতৰ জগত এই বাণপ্ৰস্থী পণ্ডিতজনে সকলোৰে আঁৰত থাকিও যেনেকৈ সকলোৰে মনৰ মাজ মজিয়াত বিৰাজমান আছিল, আন দহজনৰ দৰে মেল-মিটিং নকৰাকৈ, প্ৰতাপী সকলোৰে গা ঘঁহ'বলৈ নালোৱাকৈ সুযোগ-সন্ধানত হামৰাও কাঢ়ি নুফুৰাকৈ, কাকো খং-ৰাগ নকৰাকৈ, নিজৰ 'ওজন' চাৰিওপিনে দৰাই দেখুৱাবলৈ অধৈৰ্য ন'হৈ, এটা নতুনকৈ ওপজা বিশ্ববিদ্যালয়ক আৰম্ভণিৰ পৰাই ভাৰতবৰ্ষৰ এটা আগ শাৰীৰ শিক্ষা-সত্ৰ কৰি গঢ়িব পাৰিলে; সততা আৰু ন্যায়নিষ্ঠাৰপৰা এখোজো লৰচৰ নকৰাকৈ যেনেকৈ শতসহস্ৰ বিদ্যাৰ্থীৰ আৰু জনসাধাৰণৰ হৃদয়-মন জয় কৰিব পাৰিলে—বিৰাট ব্যক্তিত্বৰ প্ৰমাণ দিবলৈ ইয়াতকৈ আৰু কিবা লাগেনে? সন্দিকৈদেৱৰ ব্যক্তিত্ব মাথোন সুগভীৰেই নহয়, ই অভ্ৰভেদী, আনক অভিভূত কৰিব পৰাকৈ উত্তুংগ।

কিম্বদন্তীমূলক পাণ্ডিত্য

ব্যক্তিত্ব আৰু পাণ্ডিত্যৰ কোনোপ্ৰকাৰ ওতঃপ্ৰোত সম্বন্ধ নথাকিলেও ইটোৰপৰা সিটোৰ ব্যৱধান অনতিক্ৰম্য নহয়। সন্দিকৈৰ কিম্বদন্তীমূলক পাণ্ডিত্য তেওঁ মানুহজনৰ পৰিচিতিৰ

হৈসতে এনেকৈ সাঙোৰ খাই পৰিছে যে ই একপ্ৰকাৰ 'ষ্টিৰিয়টাইপ' বা স্থিতিশীল ৰূপত পৰিণত হৈছে। মোৰ বিশ্বাস কৃষ্ণকান্ত সন্দিকৈৰ পাণ্ডিত্যৰ আয়তন আৰু স্বৰূপৰ বিষয়ে গভীৰ অধ্যয়নৰ আৱশ্যকতা আৰু অৱকাশ আছে। নিজে বিদ্যাভিত্তিক পণ্ডিত নহওঁ যেতিয়া এই বিষয়ে অনধিকাৰ চৰ্চা কৰা মোৰ পক্ষে সংগত নহ'ব। তথাপি আদখেচেৰাভাৱে হ'লেও ইমানক উল্লেখিত কৰা তেখেতৰ পাণ্ডিত্যৰ দুই-চাৰিটা দিশলৈ দৃষ্টিপাত কৰিলে ডেনমাৰ্কৰ ৰাজকোঁৱৰজনৰ কথা নোকোৱাকৈ হেমলেটৰ কথা কোৱাৰ নিচিনা হ'ব।

সন্দিকৈদেৱৰ জ্ঞান-স্পৃহা আৰু পাণ্ডিত্যৰ আটাইতকৈ মন পৰশা বৈশিষ্ট্য হ'ল তেওঁৰ বাক্‌সংযম, অপ্ৰগলভতা আৰু শৃংখলাবোধ, গুণগ্ৰাহীতা আৰু ঔদাৰ্য আৰু সৰ্বোপৰি পণ্ডিতস্বৰূপে তেখেতৰ সূক্ষ্ম পৰিমিতিবোধ, নিজৰ বৃত্তি আৰু কোনো প্ৰচেষ্টাৰ পৰিসীমাচেতনা, অন্যমত অন্যপথৰ সম্ভাৱনীয়তা স্বীকাৰ, প্ৰসন্নতা আৰু সহিষ্ণুতা আৰু কোনোপ্ৰকাৰ অসূয়া-শ্লেষহীনতা। যি বিষয়কে সন্দিকৈয়ে চৰ্চা কৰিবলৈ লয় সেই বিষয়ে জানিবলগীয়া, জনাবলগীয়া সকলো তত্ত্ব আৰু তথ্য জ্ঞাতব্য আৰু অধীতব্য পুংখানুপুংখৰূপে খৰচি মাৰি আয়ত্ত কৰি নোলোৱাকৈ সন্দিকৈয়ে কেতিয়াও কোনো কথাকে চূড়ান্ত মীমাংসা দিবলৈ আগনাবাঢ়ে। কিন্তু যি সিদ্ধান্ত দিয়ে তাত কোনো দ্ব্যৰ্থতা বা ইকুইভকেশ্বনৰ সুৰুঙা নেৰাখি দৃঢ় আৰু স্পষ্ট-ভাৱে দিয়ে। সন্দিকৈৰ বিশাল আৰু বহুধা বিক্ষিপ্ত অধ্যয়ন আৰু গৱেষণালৈ চাই সমগ্ৰ কৰ্ম-জীৱনত মাথোন তিনিখনহে উল্লেখযোগ্য গ্ৰন্থ প্ৰণয়ন কৰিব পৰাটোত ওপৰে ওপৰে বহুতে অসন্তোষ বা অতৃপ্তিৰ ভাব প্ৰকাশ কৰে। পিছে মনত ৰখা দৰকাৰ যে সন্দিকৈদেৱৰ প্ৰত্যেকখন গ্ৰন্থই নিজ নিজ ক্ষেত্ৰত একপ্ৰকাৰ চূড়ান্ত মন্তব্য— 'লাচ্ট্ ৱৰ্ড'। প্ৰাচ্য আৰু পাশ্চাত্যৰ সকলো পণ্ডিতে একবাক্যে মন্তব্য কৰিছে— কি নৈষধচৰিত, কি যশস্তিলক, কি সেতুবন্ধ কোনোখনতে প্ৰাপ্তব্য কোনো টীকা-টিপ্পনী, কোনো পাঠভেদ, কোনো প্ৰসংগ সন্দৰ্ভ তন্ন

তেওঁৰ কঁহিয়াই নে চোৰাকৈ সন্দিকৈয়ে ক'তো এষাৰো কথা লিখা নাই, কোনো এটা সিদ্ধান্তক সম্ভাব্য যুক্তি উক্তি জালি-জাৰি নোচোৰাকৈ এৰা নাই। তত্ৰাচ সন্দিকৈয়ে বহুসময়ত এনে কথাৰো ইংগিত দিবলৈ পাহৰা নাই যে ভিন্ন কোনো কোনো পাঠ তেওঁ যথেষ্ট চেষ্টা কৰিও সংগ্ৰহ কৰিব নোৱাৰিলে, নাইবা কোনো বিষয়ত তেওঁ নজনা কোনো বিদেশী ভাষাত কোনো পুথিৰ সংকেত পোৱা যায় যিখনৰ সদ্ব্যৱহাৰ কৰিবলৈ অপাৰগ হোৱাত তেওঁ দুঃখিত। এই পৰিপূৰ্ণতা আৰু পূৰ্ণাংগতা, একৰকম— সন্দিকৈ-পাণ্ডিত্যৰ এটা দুৰ্লভ বৈশিষ্ট্য ধাৰণা হয়, সন্দিকৈৰ এই থৰচি মৰা ধৰণ, এই 'থৰনেচ' এই পূৰ্ণাংগতা প্ৰয়াস তেওঁৰ জাৰ্মাণ অধ্যয়নৰ আৰু জাৰ্মান সাহিত্য-প্ৰীতিৰ পৰোক্ষ ফল। মোৰ বিশ্বাস সন্দিকৈৰ পাণ্ডিত্যৰ স্বৰূপ বিশ্লেষণ কৰিলে তালৈমান জাৰ্মান লক্ষণ বা গুণৰ আভাস পোৱা যাব পাৰে। সম্ভৱ পাণ্ডিত্যৰ স্বৰূপত সন্দিকৈ জাৰ্মান আৰু প্ৰকাশৰ ধাৰাত — তাৰ স্বচ্ছন্দতা, প্ৰত্যক্ষতা আৰু স্পষ্টতাত তেওঁ ফৰাচী। এইটো অৱশ্যে মোৰ অনুমানহে, যাৰ সত্যতা বা অসত্যতা নিৰ্ণয়ৰ ভাৰ দুয়োটা ভাষা ভালদৰে জনাজনৰ।

সন্দিকৈ-পাণ্ডিত্যৰ স্বকীয়তা আৰু ভাষা-প্ৰীতি

পণ্ডিত সন্দিকৈৰ পাণ্ডিত্যৰ গতি প্ৰকৃতিৰ চৰ্চা কৰিবলৈ গ'লে ইমান কথা ওলাব পাৰে যিবোৰৰ ওৰ নপৰিব। অনুসন্ধিৎসু সাধাৰণ বিদ্যানুৰাগী হিচাপে মই মাথোন দুই-চাৰিটা মোৰ মনত লাগি ৰোৱা কথাকে উল্লেখিয়াম। সন্দিকৈৰ বহু ভাষাজ্ঞান আৰু বিবিধ ভাষা শিকাৰ প্ৰতি তেওঁৰ ধাউতিয়ে নানা প্ৰকাৰ ৰং-ৰহস্য আৰু কল্পনা-জল্পনাৰ খোৰাক যোগাইছে। সন্দিকৈদেৱে কি উদ্দেশ্যেৰে একাধিক ভাষা শিকিবলৈ লৈছিল তাক মনত নাৰাখিলে তেওঁৰ এই ধাউতি বেশনিয়াৰ পণ্ডিতীয় বিলাস যেন প্ৰতীয়মান হ'ব পাৰে। কিন্তু অনেক ভাষাৰ লগত নাইবা ইমানকিটা ভাষা জানে বুলি জনাবিবৰ গৰ্ব কৰিবলৈ বুলি নিশ্চয় সন্দিকৈয়ে ভাষা শিকা নাছিল। ভাষা

শিকা তেওঁৰ বাবে আছিল এটা মীনচ্, উপায়, পন্থা—লক্ষ্য বা গন্তব্য নহয়। জ্ঞানাৰ্জনৰ অপূৰণীয় আকাঙ্ক্ষাই তেওঁক কেইবাটাও প্ৰাচীন আৰু আধুনিক ভাষা শিকিবলৈ একপ্ৰকাৰ বাধ্য কৰিছিল। কেৱল সংস্কৃতৰদৰে এটা প্ৰাচীন ভাষা অথবা ইংৰাজীৰদৰে আধুনিক ভাষা জনাতে আবদ্ধ থকা হ'লে তেওঁ সংস্কৃত সাহিত্যৰাজিৰ বিষয়ে পশ্চিমৰ পণ্ডিতসকলে কি কি নতুন আলোকপাত কৰিছে তাৰ সম্যক-ভাৱে গম ল'ব নোৱাৰিলেহেঁতেন। সংস্কৃত-পালি গ্ৰীক লেটিন-হিব্ৰু, ফৰাচী-জাৰ্মান-ৰুচ-স্পেনীয়-ইটালীয়, মাতৃভাষা অসমীয়া, বাংলাকে আদি কৰি কেইটামান ভাৰতীয় ভাষা প্ৰমুখে৷ পাৰম্পৰিকভাৱে সংশ্লিষ্ট ভাষা কাৰ্যকৰীভাৱে জনাটো তেওঁৰ পাণ্ডিত্যকৰ্মৰ বাবে একপ্ৰকাৰ অপৰিহাৰ্য যেন বোধ হৈছিল বাবেই তেওঁ এনেকৈ ভাষা শিকাত ব্যস্ত হৈছিল। হৰিনাথ দে, সুনীতিকুমাৰ চট্টোপাধ্যায় প্ৰভৃতিৰ দৰে ভাষাবিদ 'লিংগুইষ্ট' হোৱাই তেওঁৰ বাসনা হোৱা হ'লে তেওঁ অন্ততঃ হিন্দী-উৰ্দু, আৰবী-ফাৰ্চী, তামিল-তেলেগু-মালায়ালাম, কান্নাড-মাৰাঠী-গুজৰাটী অন্ততঃ পক্ষে আমাৰ চুবুৰীয়া পৰ্বতীয়া আৰু জনজাতীয় ভাষাসমূহতো পাৰদৰ্শিতা অৰ্জিবলৈ যত্নপৰ হ'ল-হেঁতেন। নানা ভাষা, নানান বিদ্যাভিত্তিক অনুশাসনেৰে পৰিচিত হৈ সন্দিকৈয়ে সংস্কৃত আৰু প্ৰাকৃত সাহিত্য (ভাষা নহয়) অধ্যয়ন আৰু গৱেষণাকে তেওঁৰ অৱশিষ্ট অভীষ্ট কৰ্মক্ষেত্ৰ স্বৰূপে বাছি লৈছিল আৰু সেই সম্পৰ্কিত পাণ্ডিত্যৰ ক্ষেত্ৰত কোন দিশত অভাৱ থাকি গৈছে তাক বিচাৰি উলিয়াই সেই বিষয়ৰ উপযোগী হোৱাকৈ ৰৰঙনি আগবঢ়াবলৈ মন বান্ধিছিল। সন্দিকৈয়ে বিদ্যা-চৰ্চা কৰা কেউখন ক্ষেত্ৰই 'ভাৰ্জিন ফীল্ড' (virgin field) বা নচহোৱা মাটি হোৱাটো উল্লেখযোগ্য কথা। এনেকুৱা অপৰিচিত ভূমি কৰ্ষণ কৰিবলৈ গৈ তেখেতে অনুভৱ কৰিলে যে এনে কাৰ্য পানী নসৰকা, নিয়াৰিকৈ আৰু পৰিপাটিকৈ ভৱিষ্যতৰ অনুসন্ধিৎসুসকলৰ কামত অহাকৈ কৰিবলৈ হ'লে সাধাৰণভাৱে জানিলোৱা ভাষাকেইটাৰ উপৰিও

কিছুমান আন্তৰ্জাতিক ভাষা শিকি লোৱাটো অত্যাৱশ্যকীয়। এইদৰে ভালেমান ভাষা আয়ত্ত কৰি ভাব-স্পন্দন তেওঁ কেনেকৈ কামত লগাইছিল 'যশস্তিলক'ৰ প্ৰায় পাতে প্ৰতি থকা পাদটীকাসমূহলৈ চালেই ওলাই পৰে। সোমদেৱৰ আকৰগ্ৰন্থ বা বিশ্বকোষস্বৰূপ ৰচনাৰ বিশদ বিশ্লেষণ আৰু ব্যাখ্যা কৰোঁতে সন্দিকৈদেৱে ভাৰতৰ নানান পৌৰাণিক কাহিনীৰ সন্দৰ্ভ উল্লেখ কৰাৰ উপৰিও প্ৰাচীন ইজিপ্ত, বেবিলোন, চীন, গ্ৰীক, পাৰস্য, ৰোমলৈকে কত সভ্যতা-সংস্কৃতিৰ পৰা যে সমল আহৰণ কৰা নাই। সন্দিকৈয়ে বোলে এসময়ত এজনে তেওঁক ইমানবোৰ ভাষা শিকি কি কৰিব বুলি কৰা প্ৰশ্নৰ উত্তৰত কৈছিল যে তেওঁ দক্ষিয়া হৈ যাব লগীয়াকৈ ভাষা শিকা নাই, মুঠেই দুই-চাৰিটাহে শিকিছে মাথোন। এনেকৈ ক'বলৈ তেওঁ সন্তুৱ স্বভাৱসুলভ বিনয় প্ৰদৰ্শনতকৈও ভাষা শিকাৰ ব্যৱহাৰিক কাৰ্যকৰী দিশটোৰ প্ৰতিহে অধিক লক্ষ্য ৰাখিছিল।

বহুভাষী 'লিংগুইষ্ট' হোৱাৰ মানসেৰে নহয়, মোৰ বোধেৰে মানৱ-বিদ্যাৰ সমুদ্ৰপৰ যিমান সৰহসংখ্যক বিভাগ বা অনুশাসনত বিচৰণ কৰিব পাৰি কৰি পলিমেথ হৈ জ্ঞান-বিজ্ঞান ভাণ্ডাৰত অৱগাহন কৰাৰহে সন্দিকৈৰ আন্তৰিক হাবিয়াস আছিল। এনে জ্ঞান পিপাসা কোনো পণ্ডিতৰ ক্ষেত্ৰতে চৰিতাৰ্থ হোৱা বুলি কোৱা নাযায় আৰু যাৰ অন্তৰত এনে কল্পনাই বাহ লৈছে তেওঁ ক'তো কোনো কালে অসংখ্য লেখক ল'বলগীয়া গ্ৰন্থ প্ৰণয়ন কৰি থ'ব পৰা নাই। এনেকুৱা বহুমুখীতা প্ৰৱল পাণ্ডিত্য বহু ক্ষেত্ৰত [illegible] স্তৰতে ৰৈ গৈছে। বহুজনৰ পাণ্ডিত্য এহাতেদি যদি 'এক্সটেনচিভ' বা ব্যাপক হৈছে সিহাতেদি তেনেকৈ 'ইনটেনচিভ' বা গভীৰ হ'ব পৰা নাই। আচাৰ্য ব্ৰজেন্দ্ৰনাথ শীল আমাৰ দেশৰ পণ্ডিত সমাজৰ প্ৰসিদ্ধতম পলিমেথ। সেই ব্ৰজেন্দ্ৰনাথে জীৱনকালত মুঠেই কেইখন-মান গ্ৰন্থহে উত্তৰ পুৰুষলৈ এৰি যাবলৈ সক্ষম হৈছিল। সন্দিকৈয়ে তিনিখনতকৈ সৰহ গ্ৰন্থ লিখিব নোৱৰাৰ বাবে আমি যেতিয়া আক্ষেপ

কৰো তেতিয়া তেওঁ লিখিব পৰাকেইখন গ্ৰন্থৰ পিছফালে কি ব্যাপক অধ্যয়ন, কি সুদূৰপ্ৰসাৰী চিন্তন আৰু গ্ৰন্থণ (ডোভটেইলিং dovetailing), কি সুবিস্তীৰ্ণ দিগদৰ্শন লুকাই আছে তালৈ আমাৰ ভ্ৰূক্ষেপ নেথাকে। কলিকতা বিশ্ববিদ্যালয়ৰ সংস্কৃত আৰু অক্স-ফোৰ্ডত আধুনিক বুৰঞ্জী অধ্যয়ন কৰা সন্দিকৈয়ে সাহিত্য, দৰ্শন, নৃতত্ত্ব, সমাজতত্ত্ব, ইতিহাস, প্ৰত্নতত্ত্ব, শিল্পশাস্ত্ৰ, ধৰ্মশাস্ত্ৰ, স্থাপত্য-চিত্ৰকলা-সৌন্দৰ্যতত্ত্ব, সংগীত, নৃত্য-নাটক জ্ঞান-সাধনাৰ কিমান-বিচিত্ৰ ক্ষেত্ৰত যে দাঁত বহুৱাইছিল ভাবিলে অবাক ন'হৈ নোৱাৰি। ততোধিক মন কৰিবলগীয়া এয়ে যে কোনো বিষয়তে ছালে-বেৰে কোবোৱা কাম আৰু তেওঁ সন্তুষ্ট নাথাকিছিল। জৈন দৰ্শন সম্বন্ধীয় নানা মুনিৰ নানা মত তেওঁ যেনেকৈ অৱগত আছিল, চফোক্লীচ, ইউৰি পিডিচ নাট সম্বন্ধে যেনেকৈ অৱহিত আছিল, সেইদৰেই আছিল ভাৰতীয় চিত্ৰকলাৰ নিগূঢ় নন্দনতত্ত্ব সম্বন্ধে সৰ্ত্তৰ্কশীলভাৱে তথ্যাভিজ্ঞ। গ্ৰীক এৰিষ্টোটলৰ পৰা আধুনিক হাৰ্বাট ৰীডলৈকে মুখিয়ালসকলকো সন্দিকৈয়ে সামৰিব পাৰিছিল আৰু এইবাবেই সন্দিকৈ আমাৰ পণ্ডিতসকলৰ মাজত 'নিজেই এক শ্ৰেণীস্বৰূপ।

নিজেই এক শ্ৰেণীস্বৰূপ

কৃষ্ণকান্ত সন্দিকৈয়ে অসমীয়া ভাষা-সাহিত্যৰ সৌষ্ঠৱ বৃদ্ধি কৰিবলৈ বিশেষ একো নকৰিলে বুলি আমাৰ অনেকে যেতিয়া অনুযোগ কৰে, তেতিয়া সুধিবৰ মন যায়—তেওঁ যি কৰিলে তাকে নকৰি অসমীয়া সাহিত্যৰ হকেই তেওঁৰ সৰ্বসেৱা নিয়োগ কৰিলেহেঁতেন তেনেহলে আমি তেওঁৰ মানৰ এজন ভাৰতবিদ্যাবিদক বিশ্ববিদ্বান সমাজলৈ আগবঢ়াই দিবলৈ পালোহেঁতেন জানো? আগছোৱাতে সন্দিকৈদেৱে অসমীয়াত যিকেইটা বহুমূলীয়া প্ৰবন্ধ-আলোচনা লিখি থৈ গৈছে সেইখিনিও জানো বাঞ্ছনীয়া বৰঙণি নহয়? অসমীয়া ভাষাত সন্দিকৈয়ে পাণ্ডিত্যধৰ্মী ৰচনাত এটা স্বকীয়া ৰীতি আৰু ভংগীৰ সূচনা কৰি থৈ গৈছে। এই ৰীতি বাণীকান্ত কাকতিৰ দৰে

সাহিত্যিক flourish বা চিকণ-শোভন গুণ নেথাকিব পাৰে কিন্তু সুশৃঙ্খলতা, লাৱণ্য, পোনপটীয়া প্ৰকাশভংগীৰ বাবে অনুকৰণীয়। 'প্ৰাচীন বেবিলোনৰ বেদ' বোলা সন্দিকৈৰ বিটো বহুমূলীয়া প্ৰবন্ধ সম্প্ৰতি এখন সাহিত্য আলোচনীত ওলাই গৈছে সেই একেটা মাথোন প্ৰবন্ধই অসমীয়া আলোচনা সাহিত্যত সন্দিকৈৰ ঠাই যুগমীয়া কৰি যোৱাৰ বাবে যথেষ্ট। অসম সাহিত্য সভাৰ সৌজন্যত সন্দিকৈদেৱৰ অসমীয়া লিখাখিনি সুসম্পাদিত হৈ প্ৰকাশ পালে সি এক মাইলৰ খুটিৰ লেখীয়া হ'ব বুলি মোৰ দৃঢ় ধাৰণা। বিশ্বপাণ্ডিত্যৰ ক্ষেত্ৰত বৃহৎ বৰঙণি দিয়াৰ লগতে তেওঁৱে ম'থোন কেইটামান বছৰৰ ভিতৰতে অসমীয়াতো ইমানখিনি বৰঙণি দি গৈছে তাৰ বাবে আমি তেওঁৰ ওচৰত ঋণী নহৈ নোৱাৰো।

সন্দিকৈদেৱৰ পৰলোকৰ পাছত গুৱাহাটী বিশ্ববিদ্যালয় গ্ৰন্থাগাৰৰ সৈতে সংযোজিত হোৱা কৃষ্ণকান্ত সন্দিকৈৰ ব্যক্তিগত পুথিভঁৰালটোৰ প্ৰতি এটি বিহংগম দৃষ্টি নিক্ষেপ কৰি এক নতুন অভিজ্ঞতা হৈছিল তেওঁৰ সাহিত্যৰ প্ৰকৃত প্ৰকৃতি সম্বন্ধে। সন্দিকৈৰ নামৰ আগত পণ্ডিত বিশেষণটো যোগ হোৱাৰ বাবে আৰু গোটেই জীৱন তেওঁ সংস্কৃত আৰু প্ৰাকৃততে চৰ্চা কৰা দেখি আমাৰ সৰহ ভাগৰে মনত আৰু বিশেষকৈ নতুন পুৰুষৰ মনত সন্দিকৈ এক প্ৰাচীন-গন্ধী পুৰুষ বুলি এক ভ্ৰান্ত ধাৰণাই গা কৰি উঠিছে। মোৰ বোধেৰে সন্দিকৈৰ পাণ্ডিত্যক এনেকৈ একঘৰীয়া কৰাটো তেওঁৰ প্ৰতি অবিচাৰ কৰা। জীৱিতকালত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হৈ থাকোঁতে যেতিয়াই উচ্চ শিক্ষাৰ মাধ্যম নাইবা আমাৰ শিক্ষাব্যৱস্থাত ইংৰাজীৰ ভূমিকাৰ প্ৰশ্ন উত্থাপিত হৈছিল তেতিয়াইকে সন্দিকৈয়ে মুকুকণ্ঠে উচ্চ শিক্ষাৰ ক্ষেত্ৰত ইংৰাজীক 'প্ৰাইড্ অব্ প্লেচ' দিয়া অৰ্থাৎ সৰ্বাগ্ৰ ঠাই দিয়াৰ ওপৰতহে অকাট্য যুক্তি আগবঢ়াইছিল আৰু কৈছিল ইংৰাজী বিশ্ববিদ্যালয়ৰ মাধ্যমৰপৰা অপসাৰিত হ'লে আমি আধুনিক জ্ঞান-বিজ্ঞানৰ সৈতে পৰিচয়ৰ পৰা বঞ্চিত হ'ম, আমাৰ সংস্কৃতিৰ

পৰিধি সংকুচিত হ'ব, বাহিৰমুখীয়া দুৱাৰ-খিৰিকী বন্ধ হৈ আমি কূপমণ্ডুক হৈ পৰিমহঁক। এনেকি তেওঁ কোনো সময়তে আন কোনো কোনোৱে বিচৰাদি তেওঁৰ প্ৰিয় সংস্কৃত কথাৰো জাতীয় মাধ্যম হিচাপে পোষকতা কৰা নাছিল। দৰাচলতে সন্দিকৈয়ে আজীৱন আমাৰ বাবে আধুনিক জগতত ইংৰাজী জনা আৰু শিকাৰ অপৰিহাৰ্যতাৰ বিষয়ে সঁকিয়াই থকাৰপৰা বহুতে ভুল বুজাৰ সত্ত্বেও ক্ষান্ত নহৈছিল। ই নিশ্চয় কোনো গোড়া বা অন্ধ প্ৰাচীন্যপ্ৰেমী অথবা অতীত বিহাৰীৰ দৃষ্টিভংগী নহয়। সন্দিকৈৰ এই ভুল সংস্কৃত প্ৰেমিকৰ "ষ্টিৰিয়টাইপটোৰ" এই পণ্ডিতীয়া বিবৃতিটোৰ সংশোধনৰ সময় হৈছে।

সন্দিকৈৰ পাণ্ডিত্যধৰ্মী পদ্ধতি আৰু দৃষ্টিভংগী যেনেকৈ আধুনিক আৰু বিজ্ঞানসম্মত আছিল তেনেকৈ পঢ়া-শুনা আৰু চৰ্চাৰ ক্ষেত্ৰত তেওঁৰ ৰুচি প্ৰকৃততে সময়োপযোগী আৰু সমকালীন আছিল। প্ৰকৃততে 'যশস্তিলকৰ' দৰে এখন প্ৰাচীন টীকা গ্ৰন্থৰ ভাষ্যমান প্ৰসংগত সন্দিকৈয়ে ৰোমান্টিক ৱৰ্ডচৱৰ্থ আৰু ভিক্টৰ হুগোৰ উদ্ধৃতি দিছে। 'নৈষধচৰিত্ৰ'ৰ বহু ঠাইত সন্দিকৈৰ য়ুৰোপ মহাদেশীয় সাহিত্যৰ সৈতে নিবিড় পৰিচয় আমাৰ হৈছে। তাতোকৈ একেসময়তে আনন্দিত আৰু চিন্তিত হোৱা যায় যেতিয়া সন্দিকৈৰ নিজা গ্ৰন্থাগাৰৰ বিষয়, গ্ৰন্থকাৰ আৰু পুথিৰ শিৰোনামাৰ ওপৰত চকু ফুৰোৱা হয়। সেই পুথিভঁৰালত এফালেদি যেনেকৈ দুষ্প্ৰাপ্য, আপুৰুগীয়া ক্লাচিক সাহিত্যৰ গ্ৰন্থ আছে তেনেকৈয়ে আছে সমসাময়িক কবি, সমালোচক, বুৰঞ্জীবিদ, ৰাজনীতিবিদ, দাৰ্শনিকৰ গ্ৰন্থ। এফালে যেনেকৈ আছে শেক্সপীয়েৰ, কালিদাস, ভৱভূতি, মিল্টন, গেটে, দান্তে, টলষ্টয়, পুশকিন, ইমাৰ্চন, কাৰ্লাইল, লেচিং, হাইনে— আন এফালে তেনেকৈ দেখা যাব ইমপ্ৰেচনিষ্ট চিত্ৰকৰৰ কলাকৰ্ম আৰু ভাৰতীয় চিত্ৰশৈলী, ৰূপতত্ত্ব সম্বন্ধীয় পুথি। আনন্দকুমাৰ স্বামী, অ'চি গাংগুলীৰ পৰা আধুনিক বুৰঞ্জীবিদ,

ভাৰতবিদ, অধ্যাত্মবিদ কাৰো ধ্ৰুপদী গ্ৰন্থৰ তাত অভাৱ নাই। এনে উদাৰ কেথলিক ৰুচি, এনে 'একলেকটিক' বহুগ্ৰাহী চয়ন, এনে উন্মুক্ত মানসিকতা কেৱল অসাধাৰণ পণ্ডিতৰ ক্ষেত্ৰতহে সম্ভৱপৰ।

সন্দিকৈদেৱৰ বহুমুখী পাণ্ডিত্যৰ কথা ভবাৰ লগে লগে অনিবাৰ্যভাৱে তেওঁৰ য়ুৰোপ বিচৰণ, বিশেষকৈ তেওঁৰ অক্সফোৰ্ড অৱস্থান-পৰ্বটোৰ কথা মনলৈ আহে আৰু আক্ষেপ হয় সন্দিকৈয়ে কিয় আমাক তেওঁৰ পণ্ডিত জীৱনৰ এই গুৰুত্বপূৰ্ণ অধ্যায়টোৰ কথা সবিস্তাৰ নকনালে। আমাৰ মানত আহল-বহলকৈ 'মেমৱাৰ' অৰ্থাৎ স্মৃতিলেখা লিখাৰ লায়ক মানুহ প্ৰকৃতাৰ্থত যদি কোনোবা আছিল তেনেহলে আছিল এই কৃষ্ণকান্ত সন্দিকৈ। তেওঁৰ আত্মকথা আমাৰ সাংস্কৃতিক-বৌদ্ধিক পৰিক্ৰমাৰ এক অপূৰণীয় সম্পদ হৈ থাকিলহেঁতেন। মোৰ বিবেচনাৰে অসমৰ দুগৰাকী বিশুদ্ধাৰ্থত বিদেশ পৰিব্ৰাজকৰ অন্যতম জ্যোতিপ্ৰসাদে তেনেকৈ বিদেশ অৱস্থাত লিপি এৰি যোৱা নাই যদিও তেওঁৰ বিভিন্ন ৰচনা আৰু ভাষণ-কথোপ কথনত তেওঁৰ য়ুৰোপত লব্ধ অভিজ্ঞতাৰ বিষয়ে জানিবলৈ পোৱা যায়। সন্দিকৈ অসমৰ একমাত্ৰ পূৰ্ণাঙ্গ অসমীয়া 'অক্সনিয়ান' আৰু তেওঁ এনে এটা সময়ত সেই বিশ্বজ্ঞান পীঠৰ ছাত্ৰ আছিল যিটো আছিল বিশ্বৰ সাংস্কৃতিক বিকাশৰ এক সোণালী যুগ। তেনে এটা সময়ত সন্দিকৈয়ে নিশ্চয় গিলবাৰ্ট মাৰে, চি এম বাউৰা, প্ৰভৃতি বিদ্বানৰ সংসৰ্গলৈ আহিছিল। পৃথিৱীৰ অন্যতম প্ৰাচীন আৰু শ্ৰেষ্ঠ এই বিশ্ববিদ্যালয়ত সন্দিকৈয়ে "মডাৰ্ণ গ্ৰেটচ" (modern greats) বুলি অভিহিত সেই অভিজাত 'অনৰ্চ' পাঠ্যক্ৰমত সফল হৈছিলনে কপিত হোৱামতে 'মডাৰ্ণ হিষ্টৰী'হে পঢ়িছিল সঠিক জনা নেযায়। ছাত্ৰাৱৰ বুৰঞ্জীত 'আধুনিক বুৰঞ্জী' পঢ়াৰ কথাহে আছে আৰু এই বিষয়ে কিছু বহলাই আলোচনা কৰা সন্দিকৈৰ ঘনিষ্ঠ শিক্ষাবিদ আৰু ন্যায়াধীশ শ্ৰীযুত শৰৎকুমাৰ দত্তই এটি চুটি অথচ মনোজ্ঞ প্ৰবন্ধত সন্দিকৈয়ে অক্সফোৰ্ডত 'modern history' পঢ়া বুলি লিখিছে

আৰু সেইবিধ শিক্ষ'ক্ৰমৰ গুৰুত্বলৈকো আঙুলিয়াই দেখুৱাইছে। মডাৰ্ণ গ্ৰেটচকে পঢ়ক বা মডাৰ্ণ হিষ্টৰীতে উপাধি লওক এই ক্ষেত্ৰত তেওঁ যে তদানীন্তন অক্সফোৰ্ডৰ মুখচকুটাসকলৰ একজন আছিল সেই কথাত সন্দেহৰ থল নাই। সেই বিশ্ববিদ্যালয়তে পঢ়ি অহা মিঃ জাষ্টিচ চাগ্‌লা বা প্ৰফেচাৰ হুমায়ুন কবীৰৰ দৰে পণ্ডিতলোকে "মডাৰ্ণ হিষ্টৰী"ৰ উপাধিয়ে অক্সফোৰ্ডে আগবঢ়াব পৰা শীৰ্ষতম সম্মান-জনক ডিগ্ৰী বুলি উল্লেখ কৰিছে আৰু চাগ্‌লাৰ আৰু কে-পি-এচ মেননৰ দৰে প্ৰখ্যাত পণ্ডিত-কূটনৈতিকে যিটো সমাজক পৰম শ্ৰদ্ধাৰে চাইছিল তেনে এটা সম্মানকো সন্দিকৈয়ে কেনেকৈ "ইমান নম্ৰতাৰে" ধাৰণ কৰিছিল সেইকথাও দত্তদেৱে পৰম শ্ৰদ্ধাৰে স্বীকাৰ কৰিছে। প্ৰকৃতপক্ষে এনে বিৰাট আৰু গভীৰ পাণ্ডিত্যকো "নম্ৰভাৱে ধাৰণ কৰা"— ইংৰাজীত যিটোক কয়— "wearing vast erudition lightly"— গুণটো সন্দিকৈ-পাণ্ডিত্যৰ এটা মহান বিশেষত্ব আৰু মহান পণ্ডিত অভিধা পোৱাৰ উপযুক্ত। যি উপাধি, সম্মান প্ৰশংসাৰ বাবে পণ্ডিতমন্যলোকে হাবাথুৰি খাই ফুৰে তেনে সম্মানকো সন্দি-কৈয়ে নিৰ্দ্বিধাই আওকাণ কৰিব পাৰিছিল। ভাৰত চৰকাৰে সন্দিকৈৰ নিচিনা একজন পুৰুষক 'পদ্মবিভূষণ' উপাধিও যাচিবলৈ টান পোৱাটো নাইবা এবাৰ 'পদ্মশ্ৰী' পিছবাৰ "পদ্মভূষণ" দিওঁ-নিদিওঁকৈ দিয়াটোও সন্দিকৈদেৱে স্বভাৱ অনুসৰি অমূলি বিচলিত বা উৎকণ্ঠিত হোৱা নাছিল যদিও তেওঁৰ মন বুজা প্ৰতিজন অস-মীয়াৰ বাবে পৰম দুৰ্ভাগ্যজনক। অসম আৰু অসমীয়াৰ প্ৰতি কেন্দ্ৰীয় কৰ্তৃপক্ষৰ চিৰন্তন অৱজ্ঞা আৰু উদাসীনতাৰ সীমাহীন দৃষ্টান্তৰ ভিতৰত নিশ্চয় এইটোও এটা আৰু সমকালীন অসমৰ জাতীয় ক্ষোভৰ ওপৰত ইও যথেষ্ট পোহৰ পেলালে। আমাৰ সন্দিকৈ আৰু কিছুদিনৰ আগতে স্বৰ্গগামী হোৱা চিন্তামন দেশমুখৰ বহুত পিনৰপৰা মিল আছে। অথচ কেন্দ্ৰৰ কৰ্মকৰ্তা আৰু নিয়ন্ত্ৰক-সকলৰ চকুত দেশমুখ ক'ত আৰু সন্দিকৈ ক'ত?

শ্ৰীযুত শৰৎকুমাৰ দত্তই সন্দিকৈদেৱৰ আচৰণ আৰু ব্যক্তিত্ব সম্পৰ্কে লিখা এষাৰ অতি সুচিন্তিত কথাৰে মোৰ এই সন্দিকৈ-ৰহস্য নীৰিক্ষণৰ টুলুঙা প্ৰয়াসৰ সামৰণি মাৰিম। তেখেতে লিখিছে— পৰিচ্ছন্ন আচৰণ নোহোৱা ধীশক্তি থকটো হীৰাৰদৰে চাফ্-চিকুণ কৰিলেহে জেউতি চৰে। কৃষ্ণকান্ত সন্দিকৈ চৰিত্ৰ, ব্যক্তিত্ব আৰু পাণ্ডিত্য সকলো দিশৰপৰা এখন নকটা হীৰা। এনে এজন ব্যক্তিক নিজৰ বুলিবলৈ পাই অকল অসমেই নহয় সমগ্ৰ দেশ ধন্য হৈছে। জীৱিতকালতে তেওঁ যেনেকৈ এটা "লীজেণ্ড" বা ৰূপকথাৰ নিচিনা হৈ পৰিছিল বিয়োগৰ পাছতো তেওঁৰ জ্ঞানৰ জ্যোতিয়ে অম্লান হৈ থাকি আমাক বাট দেখুৱাই থাকিব সেয়ে কামনা। সন্দিকৈ প্ৰকৃত অৰ্থত আমাৰ আহি পুৰুষ : মহান একজেমপ্লাৰ। ●

ব্যক্তিত্ব আৰু পাণ্ডিত্য

পৰাগ চলিহা

প্ৰাচ্যতত্ত্বৰ সুপণ্ডিত কৃষ্ণকান্ত সন্দিকৈদেৱৰ ব্যক্তিত্বসূচক আলোচনা-বিলোচনা ইতিপূৰ্বে ভালেমান প্ৰকাশ পাইছে। কিন্তু ব্যক্তিত্ব বস্তুৰ ব্যাপক সংজ্ঞা আমাৰ মাজত নথকাত ব্যক্তিত্বৰ বিষয়ে বিকৃত অৱতাৰণাও নোহোৱা নহয়। সেইৰূপে পণ্ডিত-পাণ্ডিত্য শব্দৰো যথাৰ্থ আৰু সম্যক প্ৰয়োগ আমাৰ মাজত কাচিৎহে দেখা যায়।

পণ্ডিতপ্ৰৱৰ সন্দিকৈদেৱৰ প্ৰয়াণৰপৰা মহান ব্যক্তিজনাৰ জীৱনী চৰ্চা কৰোঁতে ব্যক্তিত্বৰ পৰ্যালোচনা অসমীয়া সাহিত্যত সমুচিতভাৱে হ'বলৈ আৰম্ভ হোৱা যেন লাগে। আমাৰ শিক্ষাগুৰুজনৰ জীৱন-প্ৰমূল্য নিৰূপণৰ মাই বিষয় হ'ল তেওঁৰ পাণ্ডিত্য আৰু ব্যক্তিত্ব। গুৰুজনাৰ আলোচনা সম্পৰ্কত তাকে মুখ্যভাৱে বিষয়বস্তুৰূপে লৈ নিবন্ধ আগবঢ়োৱা হ'ল।

ব্যক্তিত্বৰ বিচাৰ আধুনিক কালৰ সৃষ্টি। প্ৰাচীনকালৰ সামন্তযুগীয় প্ৰথাত ব্যক্তি সম্পৰ্কে বিচাৰ-বিবেচনা তেনেই গৌণ আছিল— নগণ্য বুলিলেও বঢ়াই কোৱা নহয়। সেই কালত মাইকৈ ৰজা-মহাৰজা, সেনাপতিৰ খ্যাতি-অখ্যাতি, বীৰত্ব, কাপুৰুষালি ইত্যাদি গুণৰাজি সামূহিকভাৱে বিবেচিত হয়; কিন্তু আধুনিক সংজ্ঞাৰে ব্যক্তিত্বৰ নিৰূপণ কৰা নহৈছিল। আধুনিক সমস্যাবহুল সমাজত বিশেষকৈ বাইজেই ৰজা হৈ গণতন্ত্ৰৰ প্ৰসাৰ বঢ়োৱাৰ সময়ত ব্যক্তি এজনো যেই কোনো ব্যৱস্থা অথবা দুৰ্ব্যৱস্থাৰ কেন্দ্ৰ হৈ পৰা দেখা যায়। সেইহে এতিয়াৰ সমাজৰ বিভিন্ন ক্ষেত্ৰত ব্যক্তি বিচাৰ

কৰোঁতে ব্যক্তিত্বৰ ওপৰত ভৰ দিহে কৰা হয়। ব্যক্তিত্ব শব্দ সম্যক-ভাৱে বুজাই দিয়া বৰ কঠিন। কাৰণ এজন ব্যক্তিৰ অতীত আৰু বৰ্তমানৰ কাম-কাজবোৰ সামাজিক ৰীতি-নীতি, কু-সংস্কাৰ আদিৰে বহু বিষয়ত বাধাগ্ৰস্ত হৈ পৰে আৰু তেনে অৱস্থাত ব্যক্তিজনৰ অন্তৰ্নিহিত গুণ-গৰিমা স্পষ্টকৈ প্ৰকাশ নাপায়। কিছুকালৰ আগলৈকে ব্যক্তিত্বৰ বিচাৰ তেনেই সীমিত সমলৰ ওপৰত কৰা হৈছিল। মনোবিজ্ঞানীসকলৰ এচামে পৰিবেশৰ মাজত আৰু এচামে শাৰীৰিক ক্ৰিয়া প্ৰক্ৰিয়াক লৈ ব্যক্তিত্বৰ বিচাৰ কৰিছিল। কোনো কোনোৱে আকৌ এই দুই বিধৰে ওপৰত ভৰ দি ব্যক্তিত্ব বিচাৰ কৰাত লাগিছিল। কিন্তু সাধাৰণভাৱে ব্যক্তিত্ব বুলিলে মানুহ এগৰাকীৰ গোটেই জীৱন ধাৰাটোৱেই যে চৰ্চাৰ বিষয় হোৱা উচিত সেইকথা নিচেই কম সংখ্যক লোকেহে উপলব্ধি কৰে। প্ৰকৃত-পক্ষে ব্যক্তিত্ব মানুহ এজনৰ কেৱল প্ৰকাশৰূপেই নহয়, বৰঞ্চ ই তেওঁৰ জীৱনৰ সকলো ক্ৰিয়া-প্ৰক্ৰিয়া, গুণ-দোষৰ একীভূত প্ৰণালী। পশ্চিমীয়া দৃষ্টিভংগীৰে ব্যক্তিত্বৰ সংজ্ঞা দিবলৈ গৈ আমেৰিকাৰ শিশু আৰু কমবয়সীয়া সকলৰ সম্মিলন এখনত কোৱা হৈছিল—সক্ৰিয় মানুহ এজনে নিজকে আন মানুহ বা আন বস্তুৰপৰা সুকীয়া বুলি কৰা ভবা-চিন্তা আৰু অনুভৱেই ব্যক্তিত্ব। দৰাচলতে ব্যক্তিৰ ব্যক্তিত্ব আছে বোলাতকৈ ব্যক্তিজন নিজেই ব্যক্তিত্বৰ স্বৰূপ বোলাহে সমীচীন।

ইংৰাজী personality শব্দ লেটিন persona শব্দৰপৰা অহা আৰু লেটিন ভাষাৰে personarae শব্দৰ অৰ্থ হ'ল মঞ্চত মুখা পিন্ধি ভাৱৰীয়াসকলে কোৱা ভাওবচন। গ্ৰীক আৰু ৰোমান নাটকত মুখাৰ ব্যৱহাৰ ব্যাপক আছিল আৰু মুখা পিন্ধি দৈত্য-দানৱ, দেৱতা, সম্ৰাট, দস্যু, জ্ঞানী আদি বিভিন্ন ভাৱৰীয়াৰ ৰূপ মুখাৰ যোগেদি প্ৰকাশ কৰা হৈছিল। সেই অৰ্থত ব্যক্তিত্ব হৈছে মুখাৰ দৰে—যাৰ তলত থকা মানুহজনক লুকুৱাই ৰাখি যি প্ৰকাশ কৰা হয়। দাৰ্শনিক প্লেটোৱেও এই একে মতকে পোষণ

কৰিছিল যদিও তাৰ যোগেদি ব্যক্তিত্বৰ স্বৰূপ মূল্যায়নত হীন-ডেটি হ'বলৈ নিদিছিল। কোনো কোনো পণ্ডিতে কিন্তু ব্যক্তিত্বক এতিয়াও ব্যক্তি এজনৰ স্বৰূপ প্ৰকাশৰ সম্যক ৰূপ নহৈ কিছু পৰিমাণৰ প্ৰকাশ বুলিহে ল'ব খোজে। ফ্ৰয়ডৰ দৰে মনোবিজ্ঞানীসকলে মানুহৰ আত্মপ্ৰকাশ প্ৰকৃতাৰ্থত তেওঁৰ ব্যক্তিত্ব আৰু সামাজিক ৰীতি-নীতিৰ লগত সামঞ্জস্য ৰাখোতে এই আত্মপ্ৰকাশ কিছু পৰিমানে হেঁচামাৰি ৰাখিব লগা হয়। বৰ্তমান যুগত ফ্ৰয়ডীয় চিন্তাধাৰাই মনোবিজ্ঞানৰ ক্ষেত্ৰত আটাইতকৈ প্ৰভাৱশালী; কাৰণ ফ্ৰয়ডে মানৱ জীৱনত সচৰাচৰ হোৱা মানসিক সংঘাতসমূহ কাৰ্যকৰীভাৱে বিশ্লেষণ কৰি এনে অৱস্থাৰ প্ৰতিক্ৰিয়াৰ সম্যক ৰূপে অৱতাৰণা কৰিছিল। তেওঁ ব্যাখ্যা কৰিছিল তিনিবিধ মানসিক অৱস্থাৰ ওপৰত। ID, Ego আৰু Super Ego। প্ৰথম ভাগত আদি মানুহৰ আদিম লক্ষণবোৰ প্ৰকাশ পোৱাক তেওঁ নাম দিছিল আনন্দ ভাৱ। শংকা আঁতৰাবলৈ আনন্দৰ প্ৰয়োজন। দ্বিতীয় ভাগ বাস্তৱ ক্ষেত্ৰত প্ৰথম ভাগৰপৰা উদ্ভৱ হৈ বস্তুজগতৰ লগত সম্পৰ্ক গঢ়াবলৈ হোৱা আৰু তৃতীয় ভাগ হ'ল দুয়োভাগ উৰ্ধত — পৰিবেশৰ লগত নিজকে খাপ খুৱাবলৈ মানুহৰ মনোভাৱ। Morality তেওঁৰ মতে এই বিভাগতে পৰে।

সমকালীন দৃষ্টিৰে মানুহ এজনৰ দৈনন্দিন জীৱনৰ দাবীসমূহ পূৰণ কৰাৰ প্ৰচেষ্টাই হ'ল ব্যক্তিত্ব। যেতিয়াই কোনো এক সমাজৰ ৰীতি-নীতি, সংস্কাৰৰ লগত কোনোৱে খাপ খাব নোৱাৰে তেতিয়াই তেওঁৰ ব্যক্তিত্বৰ খেলি-মেলি লাগে আৰু এইসকলে মানুহৰ আচাৰ-ব্যৱহাৰকে মানুহৰ ব্যক্তিত্বৰ পৰিচায়ক বুলি ধৰে।

আমাৰ সমাজতে নহয়, পৃথিৱীৰ আন ঠাইতো ব্যক্তিত্ব সম্পৰ্কে ভুল সংজ্ঞাৰ অৱতাৰণা হয়। 'হেমকোষ'ত ব্যক্তিত্ব শব্দটো নাই। চন্দ্ৰকান্ত অভিধানত ব্যক্তিত্বৰ অৰ্থ কোনো মানুহৰ নিজত্ব বুলি দেখুওৱা হৈছে। ব্যক্তিত্বৰ ইংৰাজী প্ৰতিশব্দ personality

অ.ক এই ইংৰাজী প্ৰতিশব্দৰ অৰ্থৰূপে চেম্বাৰ্চ অভিধানত “ব্যক্তি হোৱা অৱস্থা”; “ব্যক্তি ৰূপে অৱস্থিতি”; “মানুহৰ নিজত্ব”; “বিশিষ্ট চৰিত্ৰ আনকি ব্যক্তিও”, কোনো ব্যক্তি বিশেষ বা কেইবা-জনো ব্যক্তিৰ সম্পৰ্কে পোন-পটীয়াকৈ থকা উল্লেখ অথবা কোৱা কথা — যাইকৈ অৱমাননাসূচক আৰু মনস্তাত্বিক ক্ষেত্ৰত আনক দেখুওৱাৰ হেতু কোনো ব্যক্তিৰ মানসিক বুদ্ধিমত্তা সম্পৰ্কীয় আবেগ বা আবয়বিক উল্লেখৰ সমূহ বুজাবলৈ personality শব্দ ব্যৱহাৰ হয়।

Encyclopaedia Britannica ত কোৱা আছে এনে ৰূপে - “সাধাৰণভাৱে কাৰোবাৰ ব্যক্তিত্ব প্ৰচুৰ অথবা কাৰোবাৰ ব্যক্তিত্বমূলক সমস্যা ইত্যাদি উক্তি প্ৰকৃত অৰ্থসূচক নহয়। মনোবিজ্ঞানীসকলে কৰা সংজ্ঞামতে বৈজ্ঞানিক গৱেষণা আদিৰ ক্ষেত্ৰত তাৎপৰ্য দৰ্শোৱা মানৱ চৰিত্ৰৰ কিছুমান লক্ষণৰ নৈৰ্ব্যক্তিক উক্তিহে ব্যক্তিত্বৰ সংজ্ঞা।” আধুনিক বিজ্ঞানত ব্যক্তিত্ব মূল্যায়ণ এক বিশেষ চৰ্চাৰ ক্ষেত্ৰ। সমাজ বা সমূহৰপৰা এজন বা কেইবাজন ব্যক্তি বাছি লৈ তেওঁলোকৰ চাৰিত্ৰিক লক্ষণসমূহৰ ওপৰত ভিত্তি কৰি তেওঁলোকৰ ভিতৰত কাৰ ভৱিষ্যৎ কিমান সম্ভাৱনাপূৰ্ণ অথবা কোনে ক'ত কি ধৰণেৰে পাৰদৰ্শিতা, কৃতিত্ব— আনকি অপবাদ, অধোগতি— আৰ্জিব পাৰে আদি পৰে তাৰ মূল্যায়ণৰ অৰ্থে যুগুত কৰা খা-খবৰৰ বিৱৰণেই হ'ল ব্যক্তিত্ব। সামাজিকভাৱে তাৎপৰ্যপূৰ্ণ আচৰণত এনেধৰণৰ চাৰিত্ৰিক লক্ষণসমূহৰ সম্পৰ্ক সেইয়া নিৰূপণ হয় এনে মূল্যাংকনৰ দ্বাৰা কোনো এগৰাকী ব্যক্তিৰ চাৰিত্ৰিক লক্ষণ কিমানখিনি পৰিস্ফুট হৈছে, তেওঁৰ শৰীৰত তেনে লক্ষণ কিমান আৰু কোনৰূপে বিভিন্ন, সেয়াই হ'ল আধুনিক বিজ্ঞানৰ জানিবলগীয়া (ব্যক্তিত্বৰ) উদ্দেশ্য।

ব্যক্তিৰ বহিৰ্মুখী অ.ক অন্তৰ্মুখীৰ লক্ষণসমূহ আৰু এই লক্ষণসমূহৰ ভিতৰত পাৰস্পৰিক সম্পৰ্ক আৰু ব্যক্তিজনক এই লক্ষণ-সমূহে কৰা প্ৰভাৱৰ ফলস্বৰূপে অতীত, বৰ্তমানৰ, ভৱিষ্যতৰ সন্ধান

যোগোৱা হয়। সেই হেতু দৰাচলতে খণ্ডকীয়া, সীমিত অথবা বিহংগম দৃষ্টিৰে চাই কাৰো ব্যক্তিত্ব সম্যক ৰূপেহে নাল'গে শুদ্ধৰূপে নিৰূপণ কৰা সম্ভৱ নহয়। সুবিস্তৃত আৰু দীৰ্ঘকালীন পৰ্যবেক্ষণৰ দ্বাৰা ব্যক্তিৰ ক্ষেত্ৰত সাধাৰণতে প্ৰকাশ পোৱা চাৰিত্ৰিক লক্ষণসমূহ হ'ল এনেধৰণৰ— শংকা, বিদ্বেষ, আবেগ, প্ৰৱণতা, উদ্দেশ্য প্ৰণোদন আৰু অন্তৰ্মুখী বা বৰ্হিমুখী আচৰণ। উদাহৰণ স্বৰূপে, শংকা হ'ল কোনো এক ব্যক্তিৰ আচৰণ অথবা উক্তি, মুখমণ্ডলৰ প্ৰকৃতি আৰু কি ৰূপে তেওঁৰ শৰীৰ চালন কৰে এইবোৰ কাৰ্যত প্ৰকাশ পায়। মনোবিজ্ঞানীসকলৰ মতে ব্যক্তিৰ সন্ধান লওঁতে শংকা অথবা সংযম (বেদনাদায়ক অভিজ্ঞতা পাহৰা) ব্যক্তিত্ব মূল্যায়ণৰ ক্ষেত্ৰত মূলভাৱ আৰু বিভিন্ন সংঘাতৰ মাজত কোনো ব্যক্তিয়ে কিমানখিনি সেই শংকা বেছি বা কম কৰিছে আৰু কিমান সেইখিনি সংযমত ৰাখিব পাৰিছে, আয়ত্ত কৰিব পাৰিছে সেইখিনিৰ পৰিমাণ জানি বুজিহে ব্যক্তিত্ব নিৰূপণ কৰিব পাৰি। সাধাৰণতে ব্যক্তিত্ব নিৰূপণৰ ক্ষেত্ৰত সাক্ষাৎকাৰ আচৰণ আদি ব্যৱস্থাৰ উপৰিও প্ৰথম মহাসমৰৰ সময়ত যুদ্ধৰ বাবে মানসিকভাৱে অনুপযোগী সেনাসকলৰ নিজা চাৰিত্ৰিক লক্ষণসমূহৰ টোকা— যাক Woodworth personal data sheet বোলা হয়—তেনে প্ৰস্তুতিৰ জৰিয়তে নিৰূপণ কৰা হয়। তেজ দেখিলে ব্যক্তিৰ মূৰ ঘূৰাইনে কুঘূৰাই, প্ৰায় সময়তে তেওঁ সুখী হয়নে নহয়, মানুহ হিচাপে জন্ম লোৱাটো উচিত বুলি তেওঁ কেতিয়াবা ভাবেনে নেভাবে ইত্যাদি, ইত্যাদি।

ওপৰৰ আলোচনাৰপৰা এই কথা স্পষ্ট হ'ল যে মানুহ এগৰাকীৰ জীৱনৰ বিভিন্ন কালৰ আৰু বিশেষকৈ প্ৰাপ্তবয়স্ক হোৱাৰ দিন ধৰি কৰা ক্ৰিয়াকলাপ, চলন-ফুৰণ, আচৰণ, অন্তৰ্নিহিত গুণৰাজিৰ প্ৰকাশ, সামাজিক পৰিবেশৰ লগত খাপখোৱা নোখোৱা অৱস্থা, আনৰ ওপৰত তেওঁৰ প্ৰভাৱ পৰা-নপৰা আদি বিভিন্ন কথাকাণ্ডৰ সামূহিক মূল্যায়ণেই হ'ল প্ৰকৃতাৰ্থত ব্যক্তিত্ব।

"মানুহটোৰে প্ৰতি মনটো ধানটোৰে প্ৰতি কণটো।" মহাকবি মিল্টনৰ সেই অমৰবাণী — Mind is in itself can make a heaven of hell and hell of heaven." মানুহৰ মনেই সৰগো ৰচিব পাৰে নৰকতো ভোগাব পাৰে। মনেই জ্ঞানীও কৰে মূৰ্খও কৰে। আনন্দৰাম বৰুৱা প্ৰণীত English-Sanskrit Dictionary ত personalityৰ অৰ্থ 'পৃথক আত্মতা' বুলি আছে। মনৰ বলতে মহাপুৰুষও হয় আৰু মনৰ বলতে লম্পট, দুষ্ট, কু-চক্ৰান্তকাৰী, হত্যাকাৰীও হয়। মানুহৰূপে মানৱীয়তা প্ৰকাশ কৰিব পৰাটোৱেই হ'ল সত্য কথা। কিন্তু মানৱীয়তা পূৰ্ণ মানুহ কিমান? মানুহৰ ব্যক্তিত্ব নিৰূপণত এই মানৱীয়তাৰ জোখ কিমান? মানুহৰ ভিতৰতে শ্ৰেষ্ঠত্ব বুজাবলৈকো ক্ষেত্ৰ-দিশ বিভিন্ন। কোনো মহৎৰূপত কোনো বীৰত্বত, কোনো দাতাৰূপে, কোনোজন জ্ঞানী, কোনোজন পণ্ডিতৰূপে। মানৱীয়তাৰ শ্ৰেষ্ঠতম নিদৰ্শন দাঙি ধৰাজন আকৌ দাতা, বীৰ, জ্ঞানী-পণ্ডিত একো নহ'বও পাৰে। কলিকালৰ সমাজখনত আকৌ কেউবিধৰ অধিকাৰী নহৈ কেৱল মহাপুৰুষৰ্ত্তাৰ গুণতে মহীয়ান হোৱা ব্যক্তিত্বৰ দৃষ্টান্ত বিৰল। পৃথিৱীৰ বুৰঞ্জীত এনে দৃষ্টান্ত বিৰল নহয় য'ত মহাজ্ঞানী আৰু পণ্ডিত হৈও মহান শিল্পী আৰু শ্ৰেষ্ঠ সাহিত্যিক হৈও এনে কিছুমান ক্ৰিয়া-কলাপত ৰতি থকা বুলি জনা যায় যিবোৰ সমকালীন বিচাৰত নিন্দনীয় আৰু ঘৃণনীয়। পৃথিৱীৰ ঠাইবিশেষে আকৌ এনে নিন্দনীয়, ঘৃণনীয় ক্ৰিয়া-কলাপ অপৰাধ বুলি গণ্য নহয়। আমাৰখন সমাজত অসাধু বুলি ভৰা বহু ক্ৰিয়া-কলাপ আন এখন সমাজত আকৌ জীৱনধাৰণৰে সাধাৰণ প্ৰণালী স্বৰূপ আৰু সকলো সমাজতে অৱশ্যে তুলনামূলকভাৱে বেয়া বুলি ভৰা গুণবোৰতকৈ মহৎ গুণবাজিৰ ভৰ বহু বেছি বুলি ধৰি লৈ সেইবোৰক উলাই কৰা হয়। কিন্তু ব্যক্তিত্ব বিচাৰ কৰিবৰ পৰত বৈজ্ঞানিক দৃষ্টিভংগীৰে চালে গুণ দোষ দুয়োৰে অৱতাৰণা হোৱাতে যুক্ত— যিটো যথাৰ্থতে কেতিয়াবা ক'ৰবাতহে কৰা হয়। পশ্চিমীয়া উন্নত দেশবোৰত এনে অৱতাৰণা নোহোৱা নহয়। আমাৰখন সমাজত

বস্তুনিষ্ঠ আৰু যুক্তি-যুক্ততাৰ দৃষ্টিভংগী লোৱাতকৈ ব্যক্তিনিষ্ঠ দৃষ্টিভংগীৰহে সকলো অৱতাৰণা হোৱা পৰিলক্ষিত হয়।

ড° ৰাধাকৃষ্ণণে দিয়া মন্তব্য এষাৰ এই প্ৰসংগতে প্ৰণিধান-যোগ্য। তেখেতে কৈছিল প্ৰতিজন ঋষি-মুনি, মহাত্মাৰো একোটা অতীত থাকে আৰু প্ৰতিজন অসৎ লোকৰো ভৱিষ্যৎ নোহোৱা নহয়। আদি কবি বাল্মিকী পূৰ্বতে ৰত্নাকৰ দস্যু বুলি থকা অখ্যাতি কোনে নাজানে? বেশ্যালয়ত দিন কটাযেই অমৰ শিল্পী কবি-সাহিত্যিক হোৱা দৃষ্টান্ত বিস্তৰ। সৰহ কি, কিছুদিন আগতে আমেৰিকাৰ এজন অতি ঘৃণনীয়, বহু হত্যাকাৰী সেই দেশৰ আটাইতকৈ সাংঘাতিক অপৰাধীক বন্দী কৰি ৰখা কালিফৰ্ণিয়াৰ ওচৰৰ আল-কাট্ৰাজ নামৰ দ্বীপত নিৰ্জন ফাটেকত যাৱজ্জীৱন কাৰাদণ্ড ভুগি থাকোঁতে তেওঁৰ খিৰিকিখনলৈ সদায় অহা চৰাইবোৰৰ বিষয়ে ভালেমান বছৰ চৰ্চা কৰি, গৱেষণা কৰি যি গ্ৰন্থ লিখিলে সেইখন প্ৰাণীবিদ্যাৰ চৰ্চাৰ ক্ষেত্ৰত এখন আদৰ্শনীয় গ্ৰন্থ হৈ পৰিল।

আন সকলো গুণৰে মূল্যায়ণৰ নিৰ্দিষ্ট ক্ষেত্ৰ থাকিলেও পাণ্ডিত্যৰ সমাদৰ সৰ্বত্ৰ, সৰ্বজন সমাদৃত। আমাৰ সমাজত পাণ্ডিত্যৰ প্ৰয়োগও তেনেই সীমিত গণ্ডিতহে কৰা হয়। কিতাপ কেইখনমান পঢ়ি, প্ৰবন্ধ-কবিতা কেইটামান লিখি আৰু এতিয়াৰ সমাজত বিশ্ববিদ্যালয়ৰ ডিগ্ৰী কেইটামান ল'লেই পণ্ডিত খিতাপ দিয়া হয়। তাহানিখনতে সংস্কৃতত পঢ়া সূত্ৰটি মনত পৰিল —

> অনন্ত পাৰং কিল শব্দ শাস্ত্ৰং
> তথাৰ্যবহবশ্চ স্বল্পং তথায়ুৰ্বহবশ্চ বিঘ্নাঃ।
> সাৰং ততো গ্ৰাহ্যমুপাস্য ফল্গুং
> হংসৈৰ্যথাক্ষীৰমিবাম্বুমধ্যাৎ।

গোটেই জীৱন চৰ্চা কৰিলেও সৰ্বজ্ঞানী হ'ব নোৱাৰি। হাঁহে পানীৰ মাজৰপৰা ক্ষীৰ ভাগ তুলি অনাৰদৰে জ্ঞানৰ সাৰ ভাগ লোৱা পণ্ডিতৰ সংখ্যাই সৰহ। [সঁচাকৈ সাৰ বুলিব পাৰি জানো?] আমি

১৯৪৫ চনত M. A. শ্ৰেণীত পঢ়ি থাকোঁতে পণ্ডিত প্ৰবৰ ড° সুনীতিকুমাৰ চেটাৰ্জীক আমি সুধিছিলোঁ — “মহাশয় আমাৰ দেশৰ আৰু বিদেশৰ মানুহৰ ভিতৰত জ্ঞান-বুদ্ধিগত ব্যৱধান কিবা আছেনে ?” তেখেতৰ উত্তৰ আমাৰ হৃদয়ত সাঁচ বহুৱাই থকাৰদৰে আছে — “সাধাৰণভাৱে আমাৰ আৰু তেওঁলোকৰ মানুহৰ মাজত জ্ঞান-বুদ্ধিৰ ব্যৱধান খুব বেছি নহলেও তেওঁলোকৰ পণ্ডিত আৰু আমাৰ দেশৰ পণ্ডিতৰ মাজত ব্যৱধান বেছ প্ৰকট। তেওঁলোকৰ পাণ্ডিত্যত দেশ বিদেশ, কলা-বিজ্ঞান, দৰ্শন, সংস্কৃতি সকলোৰে সম্যক পৰিস্ফূৰণ হয়। আমাৰ পাণ্ডিত্য তাৰ তুলনাত তেনেই সীমিত।” তাৰ অৰ্থ এইটো অৱশ্যে কেতিয়াও নহয় যে পণ্ডিত বোলাবলৈ সকলো দেশৰে সকলো কথাৰে জ্ঞান থাকিবই লাগিব আৰু এইটোও নিশ্চয় নহয় যে কোনো এক সীমিত বিষয়ৰ সীমিত জ্ঞান থাকিলেও পণ্ডিত বোলাব পাৰি। আৰু এই কথাও প্ৰায় সৰ্বজন স্বীকৃত (?) যে বিশ্ববিদ্যালয়ৰ সৰ্বোচ্চ ডিগ্ৰীধাৰী হ'লেই আপোনা আপুনি পণ্ডিত হৈ গ'ল। বৈজ্ঞানিক দৃষ্টিৰে সকলো ক্ষেত্ৰতে বিশেষজ্ঞৰ দিন হ'লেও জ্ঞান-বিজ্ঞানৰ বেলিকা পাৰদৰ্শিতা হ'ল বহু পৰিমাণে পাৰস্পৰিক সমন্বয়সূচক, আপেক্ষিক।

ব্যক্তিত্বৰদৰে পাণ্ডিত্যৰ বিস্তৃত অথবা ব্যাপক সমালোচনাৰ অৱকাশ নাই। কিন্তু আমাৰ সমাজত পাণ্ডিত্যৰ প্ৰয়োগ ব্যক্তিত্বৰ দৰেই বহু পৰিমাণে ভুল অৰ্থতে হৈ আছে। পুৰণিকলীয়া ঋষি-সকল, শাস্ত্ৰকাৰসকল, অমৰ কবি, নাট্যকাৰসকল আৰু এতিয়াৰ-সংজ্ঞাৰে পণ্ডিত বুলিবলৈ দ্বিধাবোধেই হয়। কিন্তু সেইসকলৰ জ্ঞান-গৰিমাৰ জোখ আধুনিক সংজ্ঞাৰ পাণ্ডিত্যতকৈ বহু উৰ্দ্ধত নহয় বুলি কোনে ক'ব ?

জ্ঞান-বুদ্ধি মানুহ মাত্ৰৰেই আছে। অনুপাতভেদে হীন-ডেঢ়ি। প্ৰতি মানুহৰে অন্তৰ্নিহিত কবিত্ব, শিল্প প্ৰবৃত্তিও আছে তাতো হীন-ডেঢ়ি। সকলোৱেই কবি অথবা সাহিত্যিক নহয়।

আমাৰ সমাজত সাধাৰণভাৱে কবি, সাহিত্যিকসকলকে পণ্ডিত বুলি গণ্য কৰা হয়। কিন্তু কবি-সাহিত্যিক মাত্ৰেই দৰাচলতে পণ্ডিত বুলিব নোৱাৰি। চন্দ্ৰকান্ত অভিধানত পণ্ডিতৰ অৰ্থ জ্ঞানী বা শাস্ত্ৰ জনা মানুহ, বিদ্বান্ত লোক,"পাৰ্গত বুলি লেখা। হেমকোষত প্ৰায় একেধৰণৰেই অৰ্থ। দৰাচলতে আমাৰ সমাজত শিক্ষকজনকে পণ্ডিত বোলা ব্যৱস্থা পুৰণিকালৰ বৰ্ণাশ্ৰম শিক্ষা-পদ্ধতিৰ ওপৰত ভৰ দিহে হোৱা। গুৰুকুলীয় প্ৰথাত গুৰুৱেই প্ৰকৃত মানুহ তৈয়াৰ কৰা শিক্ষক। তেওঁৰ বিভিন্ন বিষয়ত পাৰ্গতালি, অগাধ পাণ্ডিত্য আছিল। ধৰ্ম-শাস্ত্ৰ, অৰ্থ-শাস্ত্ৰ, ৰাজনীতি, অৰ্থশাস্ত্ৰৰ ব্যৱহাৰ আদি বিষয়ত সম্পূৰ্ণ জ্ঞান থকা জনহে যথাৰ্থ গুৰু। পশ্চিমীয়া দেশতো শিক্ষক বুলি গণ্য কৰাজন একেৰূপে প্ৰায় সৰ্বজ্ঞ। মানুহৰ সমাজৰ প্ৰগতিৰ লগে লগে বিবিধ বিষয়ত পাৰদৰ্শীলোকৰ সংখ্যানুপাতে দুৰূহ হৈ পৰাটো থিতাতে বুজিব পাৰি। গতিকে শিল্প-কলা, কবি-সাহিত্যিক বোলোতে ব্যক্তি অন্তৰ্নিহিত প্ৰতিভা উচিতৰূপে বিকশিত হোৱাৰ সুবিধা থাকিলেও আগৰ গুৰুকুলীয় পাৰদৰ্শীতাৰ আৱশ্যকতা আগৰ অনুপাতে বোধ নকৰা হ'ল। শিক্ষাৰ সংজ্ঞাই সলনি হৈ গ'ল। জীৱনক গঢ় দিয়াৰ উদ্দেশ্য নিহিত থাকিলেও শিক্ষা আনুষ্ঠানিক, নিৰ্দিষ্ট পাঠ্যক্ৰমৰ, ডিগ্ৰী-ডিপ্লোমা আদি সামূহিকভাৱে দিয়া প্ৰথা প্ৰবৰ্তন হ'ল। এতিয়া এনে এক অৱস্থা পালেহি গুণগত অৰ্হতাতকৈ 'ব্যক্তি'গত অৰ্হতাহে ঘাই নিৰূপক হৈ পৰিল। আমাৰ সমাজত বিশেষকৈ সৰল-সহজ সমাজখনত পণ্ডিত বুলিলে এতিয়াও গাঁৱৰ দহকথা জনা শিক্ষকজনকে বুজায়; মেলে-মিটিঙে তেওঁৰ কথাতে সততে গুৰুত্ব দিয়া হয়। সিদিনালৈকে অসমীয়া শুদ্ধকৈ লেখা, আখৰ-পানী যেছ ভাল, বুজায়ো বঢ়িয়াকৈ, ভূগোলো সুন্দৰকৈ শিকায়, ভূচিত্ৰাৱলী, 'গ্ল'ব' নিখুঁত-নিয়াৰিকৈ তৈয়াৰী কৰা পণ্ডিতজন বুলিলে নৰ্মাল থাৰ্ড ইয়েৰৰ শিক্ষকজনকে বুজা হয়। এতিয়াৰ পণ্ডিতক মকৰল অফিচৰ কেৰেণীৰ কাগজত থকা শ-হাজাৰৰ নিবিখৰ নিৰ্দিষ্ট

টোপোলা আগবঢ়ালেই গণ্ডাই গণ্ডাই গুৰু হৈ পৰা দুৰ্ব্যৱস্থা হ'ল। সেইহে পণ্ডিতৰ লগত পাণ্ডিত্যৰ আভিধানিক যি সম্পৰ্ক, কলিকালত সেয়া বিলুপ্তপ্ৰায় হ'ল। অধ্যাপক বুলি ক'লে একো-একোটা বিষয়ৰ যথাৰ্থ পাৰদৰ্শী-জ্ঞানী লোকজনক বোৱা হয়; কিন্তু আমাৰ সমাজত অধ্যাপক উপাধি লোৱা লোকসকলৰ পাণ্ডিত্যৰ জোখ কোনে ক'ত লয় বা ক'ত পায়? আনুষ্ঠানিক শিক্ষাৰে দুবছৰৰ কেইমাহমান কেই-খনমান কিতাপ পঢ়িয়েই একো-একোটা বিষয়ত মাষ্টাৰ উপাধিটোৰ উচিত সংজ্ঞা কাৰ্যক্ষেত্ৰত কিমান পোৱা যায়? কনফুচিয়াচে কৈছিল—জ্ঞান লাভ কৰিব লাগে কাৰ্যতঃ ব্যৱহাৰৰ হেতু। আমাৰ সমাজত সীমিত সময়ৰ তথাকথিত জ্ঞান লাভ ৰূপে লোৱা হয় সস্তীয়া বজাৰখনৰ লেনদেনৰ কাৰ্যতঃ ব্যৱহাৰৰ হেতু।

পাণ্ডিত্যৰ দৰাচলতে সমাৰ্থক শব্দ জ্ঞানী। গ্ৰন্থ নেলেখিও জ্ঞানী নিশ্চয় হ'ব পাৰে আৰু গ্ৰন্থ লেখিলেই আপোনা-আপুনি জ্ঞানী হৈ পৰা বুলিও ক'ব নোৱাৰি। নাম-ঘোষাত মানুহৰ গুণাগুণ অৱতাৰণা কৰোঁতে সদায় দোষ দেখাজনক অধম, দোষ-গুণ বিচাৰ কৰাজনক মধ্যম, কেৱল গুণকে দেখাজনক উত্তম আৰু অল্পগুণ বিস্তাৰ কৰিব পৰাজনক উত্তমোত্তম আখ্যা দিয়া হৈছে। পানী নসৰকা কথা। এই দিশৰপৰা স্বৰূপাৰ্থত জ্ঞানীজনে অৱশ্যে জ্ঞানৰ বিস্তাৰ কৰা উচিত। আৰু শিক্ষকজনক এই অৰ্থতে জ্ঞানী বুলি ভবা হয়। নিজকে জ্ঞানী বুলি ভাবি লৈ কোনো কাহানিও কোনো বিষয়তে জ্ঞানৰ 'গ'টো প্ৰকাশ নোপোৱা'জনক সেইহেতু জ্ঞানী বুলিব নোৱাৰি। গ্ৰন্থ প্ৰকাশ নকৰিও বিকাশ বিস্তাৰ কৰিব নিশ্চয় পাৰি।

মহাপুৰুষ শংকৰদেৱে বৈকুণ্ঠ প্ৰয়াণ অধ্যায়ত পণ্ডিতৰ সংজ্ঞা দিছিল এইদৰে—

ব্ৰাহ্মণৰ চণ্ডালৰ নিবিচাৰি কুল।
দাতাত চোৰত যাৰ দৃষ্টি সমতুল॥

নীচত সাধুত যাৰ ভৈল এক জ্ঞান।
তাহাদেহে পণ্ডিত বুলিয় সৰ্বজ্ঞান ॥

সংস্কৃতত নীতিবচন ৰূপে তাহানিতে পঢ়িছিলোঁ :

'লোষ্ট্ৰৱৎ পৰদ্ৰব্যেষু, মাতৃৱৎ পৰদাৰেষু, আত্মৱৎ সৰ্ব্বভূতেষু যঃপশ্যতি সো পণ্ডিতঃ।' এতিয়া অৱশ্যে কুল বিচাৰিহে পণ্ডিতো বোলোৱা হয়। পৰদ্ৰব্যক আত্মৱৎ গণ্য কৰা হয়। কিন্তু সত্যৰ জয় অনস্বীকাৰ্য। বৰ্তমানৰ বৈজ্ঞানিক আৰু কাৰিকৰী বিদ্যাৰ যুগত প্ৰায়োগিক জ্ঞানৰ ক্ষেত্ৰত আমাৰ সমাজত প্ৰকৃত জ্ঞানী, প্ৰকৃত পাণ্ডিত্য প্ৰতিষ্ঠা কৰিবলৈ ভালেখিনি অসুবিধা থকাতো এইখিনিতে উল্লেখযোগ্য। বিশ্ববিদ্যালয়বোৰ বিশ্ব বিষয়া জ্ঞান-বিজ্ঞানৰ চৰ্চা বিকাশ-বিস্তৃতিৰ কেন্দ্ৰস্থল। অসমত বিশ্ববিদ্যালয় কেইখনে বিভিন্ন বিষয়ৰ গৱেষণাহে নালাগে আন উন্নত দেশৰদৰে জ্ঞান-বিজ্ঞানৰ চৰ্চা কৰা সা-সুবিধাও এতিয়াও তেনেই সীমিত হৈহে আছে বুলিলে নিশ্চয় বঢ়াই কোৱা নহয়। চিকিৎসা, মনোবিজ্ঞান, প্ৰায়োগিক বিদ্যা আদিৰ ক্ষেত্ৰত অসমতহে ন'লাগে ভাৰতবৰ্ষতে অনুষ্ঠান-প্ৰতিষ্ঠান সু-ব্যৱস্থাৰ উদাহৰণ আঙুলিৰ মূৰতে দিব পৰা অৱস্থাত আছে। ইত্যাদি কাৰণত আমাৰ দেশত যথাৰ্থ জ্ঞান আৰু পাণ্ডিত্যৰ সংজ্ঞা সীমিত আৰু নিৰ্দিষ্ট হৈ থকাত আচৰিত হ'বলগীয়া নাই। অৱশ্যে এই কথাও পাহৰা অনুচিত হ'ব যে প্ৰাচীন কালত এই ভাৰতবৰ্ষতে জ্ঞান-বিজ্ঞানৰ বিশ্ববিশ্ৰুত বিশ্বক শিকোৱা বিবিধ সৃষ্টি হৈছিল। শূন্যৰ অৱতাৰণা ইয়াতে। মঙ্গল গ্ৰহ ৰঙা বুলি ভাৰতত হাজাৰ বছৰ পূৰ্বে স্থিৰ কৰা হয়। অনন্ত কোটি ব্ৰহ্মাণ্ডৰ ধাৰণাও আমাৰখন দেশতে প্ৰথমে হয়। আমাৰ জ্যোতিৰ্বিজ্ঞান, সৃষ্টিতত্ত্ব, আয়ুৰ্বিদ্যাক ভৰ দিয়েই বিশ্বই এতিয়াও গৱেষণাৰ পাৰ পোৱাগৈ নাই। আনকি এই অসমতো পাণ্ডিত্যৰ প্ৰকৃতাৰ্থ পুৰণি কালতে ভালেমান বিষয়ত নোপোৱা নহয়।

জ্ঞানীজনে সেইবোৰ উদ্ঘাটন কৰি পাণ্ডিত্যৰ প্ৰকৃতাৰ্থত দৃষ্টান্ত দাঙি ধৰিব লাগিছে। সংখ্যা অৱশ্যে সীমিত। বিস্তৃতিৰ

গৰ্ভত লুকাই থকা জ্ঞান-গৰিমাৰ সন্ধানত যিসকল পণ্ডিত ব্ৰতী হৈ আছিল বা আছে সেইসকল লোক প্ৰাতঃস্মৰণীয়

তেনে এক মহান কাৰ্যত সাৰ্থকভাৱে ব্ৰতী হৈ বিশ্বজ্ঞান ক্ষেত্ৰত পাণ্ডিত্যৰ প্ৰকৃত চিনাকি দিছিল আনন্দৰাম বৰুৱাই। প্ৰাচ্য তত্ত্বৰ সুবৰ্ণভাণ্ডাৰ বিশ্বজোৰা খ্যাতিৰে দীপ্তিমন্ত কৰি তোলা দ্বিতীয় গৰাকী হ'ল যথাৰ্থ পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ। তেখেতৰ ব্যক্তিত্ব আলোচনা কৰিলেও চাৰিত্ৰিক খুটি-নাটি ওলোৱাটো একো অস্বাভাৱিক নহয়। সামাজিক ক্ষেত্ৰত দুখে-দুৰ্গতিয়ে আৰু বিশেষকৈ স্বাধীনতা বা তাৰ পৰৱৰ্তী আন্দোলন উদ্যোগ আদিত সাকাৰে যোগদান নিদিয়াজন বহুগুণী হ'লেও আমাৰ সমাজৰ সাধাৰণৰ দৃষ্টিত সেইজন নামঘোষাত কোৱা এবিধত পৰে। কিন্তু জ্ঞানান্বেষী প্ৰকৃত পণ্ডিতজন যে সকলো বিষয়তে খুন্দা-খুন্দলি খাই ফুৰিলে নলগা লাওত জেং দিয়াৰ দৰে দায়ত পৰিব লগা হয় সেইকথা ভাবি চোৱা হয় জানো? ৰাজনৈতিক পাকচক্ৰই এতিয়া সাহিত্য-পাণ্ডিত্য বিজ্ঞানৰ মাপকাঠি নিৰ্ণয় কৰা হেতুকে বৰ্তমানৰ বিশ্ব বুৰঞ্জীত অনুৰূপ দৃষ্টান্ত থিতাতে পাব পাৰি। সন্দিকৈদেৱৰ জ্ঞান অন্বেষণৰ একাগ্ৰতা তেওঁৰ ব্যক্তিত্বৰ বিশিষ্ট লক্ষণ। একে কথাৰে ক'বলৈ গ'লে কৃষ্ণকান্ত সন্দিকৈৰ ব্যক্তিত্বই হ'ল তেওঁৰ পাণ্ডিত্য আৰু পাণ্ডিত্যই হ'ল তেওঁৰ ব্যক্তিত্ব।

প্ৰাচ্যবিদ্যাৰ্ণৱৰ বিশিষ্টতা-অনুধাৱন

নগেন শইকীয়া

জীৱিত কালতে কিংবদন্তীৰ পুৰুষ যেন হৈ পৰা পণ্ডিত কৃষ্ণকান্ত সন্দিকৈৰ মৃত্যুৰ পিছত তেখেতৰ গৱেষণা-কৃতিৰ বিষয়ে কিছু আলোচনা-বিলোচনা হৈছে। অসমীয়া পাঠকেও সাগ্ৰহেৰে তেনে ৰচনা পঢ়ি অনুভৱ কৰিবলৈ যত্ন কৰিছে এই গৰাকী ব্যক্তিৰ ব্যক্তিত্ব আৰু প্ৰতিভাৰ গুৰুত্ব। কোনো কোনোৱে মুৰ জোকাৰিছে— নাই, সন্দিকৈয়ে অসমীয়া ভাষা সাহিত্যৰ বাবে একো কৰি নগ'ল; সন্দিকৈয়ে অসমৰ সংকটকালত সংকটমোচনৰ বাবে একো নকৰিলে; সন্দিকৈ জন-জীৱনৰপৰা আঁতৰত থাকিল; সন্দিকৈ প্ৰাচীন ভাৰতবৰ্ষৰ বুকুতহে জীয়াই থাকিল; সমাজৰ বাস্তৱ কামত নলগা এনে পাণ্ডিত্যৰ প্ৰয়োজন নাই— ইত্যাদি ইত্যাদি। আপাত দৃষ্টিত এনে নেতিবাচক মন্তব্যবোৰ যুক্তিসংগত যেন বোধ হ'ব পাৰে আৰু ইবিলাকে এটা বিশুদ্ধ মনোভাৱো সহজে গঢ়ি তুলিব পাৰে।

পণ্ডিত সন্দিকৈৰ এমুঠি অসমীয়া ভাষাৰ প্ৰবন্ধৰ বাহিৰে তেওঁৰ পাণ্ডিত্য-প্ৰকাশক তিনিওখন গ্ৰন্থই ইংৰাজী ভাষাত লিখা। তিনিওখনৰ বিস্তৃত পাতনি আৰু দুখনৰ পাঠৰ ইংৰাজী অনুবাদ কাৰ্য —এই দুয়োটি কৰ্মৰ বাবেই তেওঁৰ পাণ্ডিত্য-খ্যাতি। এজন সাধাৰণ পঢ়ুৱৈৰ বাবে এই তিনিওখন গ্ৰন্থই স্পৰ্শ কৰিব নোৱৰা বস্তু; আৰু স্পৰ্শ কৰিলেও সাধাৰণ পাঠকৰ বাবে ৰস নথকা বস্তু। শ্ৰীহৰ্ষৰ নৈষধ-চৰিত আৰু সেতুবন্ধৰ পাতনিৰ উপৰিও দুয়োখনৰ পাঠ অনুবাদ কৰি সন্নিবিষ্ট কৰিছে; আৰু 'যশস্তিলক এণ্ড ইণ্ডিয়ান কালচাৰ'ত তেওঁ প্ৰাচীন ভাৰতীয় সমাজ আৰু সংস্কৃতিৰ এটা বিশিষ্ট দিশত

নতুন আলোকপাত কৰিছে। সাধাৰণভাৱে চালে এইখিনি কামৰ বাবেই তেওঁ স্মৰণীয় হোৱাৰ যেন কাৰণ নাই ; আৰু সেইবাবেই এচামে মুখ জোঁকাৰি "নাই-নাই" বুলি ক'ব খোজে।

সন্দিকৈ ডাঙৰীয়া স্মৰণীয় হোৱাৰ কেইবাটাও কাৰণ আছে আৰু আমি তাকেই সতৰ্কভাৱে লক্ষ্য কৰিব খুজিছোঁ। প্ৰথম কাৰণটো হ'ল — তেওঁৰ নিজৰ অখণ্ড ব্যক্তিত্ব। বৰ্তমানৰ খণ্ডিত ব্যক্তিত্বৰ যুগত ব্যক্তিত্বৰ এনে অখণ্ডতা অতিশয় বিৰল। তেওঁৰ এই ব্যক্তিত্ব গঠনত এহাতে প্ৰাচীন ভাৰতীয় আদৰ্শৰ আৰু আনহাতে ইউৰোপীয় আদৰ্শৰ আধুনিক কালত গ্ৰহণীয় 'ভাল'খিনিৰ অৱদান অনস্বীকাৰ্য। সেইবাবেই সততা, সৰলতা আৰু ন্যায়বোধ তেওঁৰ আদৰ্শবাদী জীৱনবোধৰ (Idealist view of life) লগৰীয়া হৈ পৰিছিল। ইয়েই দান কৰিছিল তেওঁৰ ব্যক্তিত্বক এটি পূৰ্ণতা। এই বোধেই তেওঁক বিশেষণ আৰু প্ৰচাৰ-বিমুখ কৰি তুলিছিল।

দ্বিতীয়তে, সন্দিকৈ ডাঙৰীয়াৰ জ্ঞানান্বেষণৰ স্পৃহা আৰু স্পৃহা পূৰণৰ বাবে গ্ৰহণ কৰা তেওঁৰ কৰ্ম-পদ্ধতি বিশেষভাৱে উল্লেখযোগ্য। তেওঁ কেইবাটাও ভাষা জানিছিল, সেইটো গুৰুত্বপূৰ্ণ কথা নহয় ; গুৰুত্বপূৰ্ণ কথা হ'ল তেওঁ নিজৰ বিদ্যায়তনিক উদ্দেশ্যৰ লগত এই ভাষা শিক্ষাক সম্পৰ্কিত কৰি তুলিব পৰাটোহে। যিসকলে ক'ব খোজে, তেওঁ বহু ভাষা শিকিও আমাক একো দি নগ'ল, সিসকলে এই দিশটোলৈ চকু দিলেই নিজৰ অভিযোগৰ যুক্তিহীনতা অনুভৱ কৰিব পাৰিব।

তৃতীয়তে, সন্দিকৈয়ে যি কামত হাত দিলে, সেই কামত হাত দিয়াৰ পিছত আন কিবা প্ৰবন্ধ-পাতি লিখিলেনে নাই, বা আমাৰ ভাষা চৰ্চা কৰিলেনে নাই— সেই প্ৰশ্ন অবান্তৰ। তথাপি যদি আমি সন্তুষ্টি বিচাৰোঁ, তেনেহ'লে তেওঁৰ অসম সাহিত্য সভাৰ সভাপতিৰ ভাষণকে ধৰি অসমীয়া ভাষাত লিখা প্ৰবন্ধসমূহ আৰু

চিত্ৰ-ভাগৱতৰ আগকথাকে ধৰি কেইখনমান গ্ৰন্থৰ লিখি থৈ যোৱা পাতনিতে সন্তুষ্টি বিচাৰিব পাৰোঁ। চিত্ৰকলা-সম্পৰ্কীয় তেওঁৰ নাতিদীৰ্ঘ মন্তব্যৰ মাজত তেওঁৰ সেই সম্পৰ্কে থকা গভীৰবোধৰ পৰিচয় ফুটি উঠিছে। (অধ্যাপক শ্ৰীযতীন্দ্ৰনাথ গোস্বামীয়ে ইতিমধ্যে সংকলন কৰা আৰু অসম সাহিত্য সভাই প্ৰকাশ কৰিবলৈ লোৱা তেওঁৰ অসমীয়া ৰচনা সম্ভাৰে সন্দিকৈৰ অসমীয়া পাঠক-পাঠিকাৰ ওচৰ চপাই দিব)

চতুৰ্থতে, তেওঁৰ প্ৰতিভাৰ মূল্য তেতিয়াহে অনুভৱ কৰিব পৰা হ'ব, যেতিয়া তেওঁৰ সম্পাদিত তিনিওখন গ্ৰন্থৰ সম্পাদনা সম্পৰ্কে প্ৰকৃত মূল্যায়ন অৰ্হতা-সম্পন্নসকলে দাঙি ধৰিব। দেখা যায় তেওঁৰ এই সম্পাদনা-কাৰ্যই ভাৰতীয় তথা প্ৰাচ্য পাঠ-সমীক্ষাক (Textual criticism) অনেকখিনি উচ্চতা দান কৰি গ'ল। পাঠ-সমীক্ষাৰ ইতিহাসত সংযোগ কৰা তেওঁৰ এই অৱদানে কেৱল ভাৰতকে নহয়, আন্তৰ্জাতিক পাঠ-সমীক্ষা-বিজ্ঞানকো সমৃদ্ধিশালী কৰি থৈ গৈছে। শ্ৰীহৰ্ষৰ 'নৈষধ-চৰিত' আৰু প্ৰৱৰসেনৰ 'সেতুবন্ধ'ৰ শুদ্ধ পাঠ-নিৰ্ণয় কৰা এজন মানুহৰ বাবে দুঃসাধ্য কৰ্ম। নৈষধ-চৰিত নিজেই এনে এটি বস্তু যে প্ৰাচ্যবিদ্যাবিদ্‌সকলৰ বাবে ই এটি কঠিন বিষয় হৈ আছিল। বিভিন্ন পাঠ, টীকা, ভাষ্যৰ অধ্যয়ন আৰু কলন কৰি তেওঁ যি পাঠ প্ৰস্তুত কৰিলে আৰু তাৰ ইংৰাজী অনুবাদ দাঙি ধৰিলে, সেই পাঠ আৰু অনুবাদে বিশ্বৰ পণ্ডিতমণ্ডলীক চমৎকৃত কৰি তুলিলে। কীথ, উইণ্টাৰনিজ, ভি. সুখথংকৰ আদি পণ্ডিতসকলে সন্দিকৈৰ এই কাৰ্যক একবাক্যে প্ৰশংসা কৰিলে। সন্দিকৈয়ে পাঠ-সমীক্ষাৰ (textual criticism)ৰ ন্যূনতম সীমাৰ মাজত নিজক সীমিত কৰা নাছিল। শুদ্ধ পাঠ-নিৰ্ণয়ৰ দুৰূহ কৰ্ম কৰাৰ উপৰিও শ্ৰীহৰ্ষ আৰু তেওঁৰ সময়, নৈষধ-চৰিতৰ সামাজিক আৰু দাৰ্শনিক পটভূমিৰ বিচাৰ— এই দুয়োটি অধ্যয়ন সম্পূৰ্ণ কৰি উচ্চ সমীক্ষাও (higher criticism) প্ৰতিষ্ঠা কৰি থৈ গৈছে।

এটা অনুষ্ঠানে বা অনেক পণ্ডিতে লগ লাগি কৰিবলগীয়া এটি কাম সন্দিকৈয়ে অকলশৰে সম্পূৰ্ণ কৰি যাব পাৰিলে তেওঁৰ গভীৰ আৰু ব্যাপক অধ্যয়ন, স্বচ্ছ দৃষ্টিভংগী, তীক্ষ্ণ মেধা আৰু অসাধাৰণ প্ৰতিভাৰ বলত। এই কাম নিজেই এটি তপস্যা তুল্য। তেওঁৰ দ্বিতীয় গ্ৰন্থ Yasastilaka and Indian Cultureও নিজেই এটি বিস্তৃত, নিখুঁত আৰু স্বয়ংসম্পূৰ্ণ অধ্যয়ন। গ্ৰন্থত থকা প্ৰতিটো দিশ, দৰ্শনৰপৰা সাধাৰণ দ্ৰব্যলৈকে, তেওঁৰ দৃষ্টিৰ পোহৰত ফটফটীয়াকৈ জিলিকি উঠিছে। সমকালীন সংশ্লিষ্ট ভাৰতীয় জীৱনৰ অন্তৰ আৰু বাহিৰ আলোকিত হৈ উঠিছে। এই গ্ৰন্থখনি সন্দিকৈয়ে হাতত লোৱা বুলি জনাৰপৰাই বিশ্বৰ প্ৰাচ্যতত্ত্বৰ পণ্ডিতসকল উন্মুখ হৈ আছিল – সন্দিকৈৰ গ্ৰন্থখনি পাবলৈ আৰু চাবলৈ। তেওঁৰ তৃতীয় গ্ৰন্থ 'সেতুবন্ধ'ও আছিল প্ৰাচ্যবিদ্‌সকলৰ বাবে এটি প্ৰত্যাহ্বান স্বৰূপ। পঞ্চম শতিকাৰ মহাৰাষ্ট্ৰী প্ৰাকৃতত লেখা এই কাব্যৰ অধ্যয়নেৰে সন্দিকৈ ডাঙৰীয়াই প্ৰাকৃত ভাষা-সম্পৰ্কীয় অনেক জটিলীয়া কথাৰ সমাধান দি গৈছে। বিশ্বৰ প্ৰাচ্যতত্ত্ববিদ্‌সকলে সন্দিকৈৰ সম্পাদিত 'সেতুবন্ধ' পাবলৈও আগ্ৰহেৰে অপেক্ষা কৰি আছিল।

ইমানখিনি সত্ত্বেও, অনেকে ক'ব পাৰে — এই গ্ৰন্থকেইখনৰ দ্বাৰানো আমাৰ কি উপকাৰ হ'ল? উপকাৰ এটাই হ'ল —সামগ্ৰিক-ভাৱে মানুহৰ অধ্যয়ন বিজ্ঞানক (science of study) সন্দিকৈয়ে নিজৰ অৱদানেৰে সমৃদ্ধিশালী কৰি গ'ল; সন্দিকৈৰ প্ৰদৰ্শিত পথেৰে আগবাঢ়িবলৈ আগ্ৰহান্বিতসকলে নতুন পোহৰ পালে। পাঠ সমীক্ষা নিজেই এটা মিশ্ৰিত বিজ্ঞান। লিপিতত্ত্ব, প্ৰত্নতত্ত্ব, পাণ্ডুলিপি বিজ্ঞান, মুদ্ৰা-অধ্যয়ন, ভাষাতত্ত্ব, ছন্দ-অলংকাৰ-ৰস আদি সাহিত্য-তত্ত্ব, দৰ্শন, ইতিহাস, সংস্কৃতি, সমাজতত্ত্ব আদি সংশ্লিষ্ট বিষয়বোৰৰ ওপৰত সম্যক অধিকাৰ নাথকিলে এনে কাৰ্যত হাত দিয়াটো সম্ভৱ নহয়। ইমান-খিনি জানিও এজনে কেৱল শুদ্ধ পাঠ নিৰ্ণয়ৰ ন্যূনতম প্ৰয়োজন

পূৰণহে কৰিব পাৰিব পাৰে। সন্দিকৈয়ে তাৰ উপৰিও উচ্চ-সমীক্ষাও সমান বৈদগ্ধ্য আৰু ব্যুৎপত্তিৰে কৰি থৈ গৈছে। ইয়েই তেওঁৰ প্ৰতিভাৰ আৰু মনীষাৰ যাথাৰ্থ্য বিশ্বৰ পণ্ডিতমণ্ডলীৰ মাজত প্ৰতিষ্ঠা কৰি থৈ গৈছে। অসমৰ মানুহে যদি এই প্ৰতিভা আৰু মনীষাৰ প্ৰকৃত মূল্যায়ন কৰিব নোৱাৰি "সন্দিকৈয়ে আমাৰ বাবে একো দি নগ'ল" বুলি কয়, তাতকৈ দুৰ্ভাগ্যৰ কথা একো থাকিব নোৱাৰে। পৃথিৱীৰ বৌদ্ধিক মানচিত্ৰত তেওঁ অসমক বিশেষভাৱে প্ৰতিষ্ঠা কৰি গ'ল — এই কথাষাৰ নুবুজিলে তেওঁৰ প্ৰতিয়েই নহয় আমি নিজৰ প্ৰতিও অবিচাৰ কৰা হ'ব।

সন্দিকৈ ডাঙৰীয়া জনসমাজৰপৰা বিচ্ছিন্ন হৈ কটাইছিল — এই অভিযোগটোৰ উত্তৰো তেওঁৰ অৱদানসমূহেই দি গৈছে। বিশ্ব-বিশ্ৰুত দাৰ্শনিক পণ্ডিত ইমানুৱেল কাণ্ট্ তেওঁৰ ঘৰৰপৰা দহ-মাইল ব্যাসাৰ্ধৰ বাহিৰলৈ কোনোদিন যোৱা নাছিল ; সেইবাবেই তেওঁ মানৱ-সভ্যতালৈ আৰু মানুহৰ বৌদ্ধিক জগতলৈ যোগাই যোৱা বৰঙনিক অস্বীকাৰ কৰিমনে ? বাজহুৱা সন্দিকৈ এজনক পোৱা হ'লে, মানুহৰ জ্ঞান আৰু অধ্যয়নৰ পৰিসৰ বৃদ্ধি কৰা সন্দিকৈ এজনক আমি হেৰুৱালোঁহেতেন। আমাৰ বাবে কোনজন সন্দিকৈ দৰকাৰী ?

অসমৰ সাম্প্ৰতিক সংকটৰ কালত সন্দিকৈয়ো জীৱনৰ শেহৰ সময়ছোৱাত। তথাপি, অসমৰ জাতীয় জীৱনৰ স্বাৰ্থ ৰক্ষাৰ প্ৰয়োজনীয়তাৰ কথা কৈ গৈছে। তাতকৈ অধিক ৰূপত, তেওঁক আমি সত্যাগ্ৰহীৰ ভূমিকাত বিচাৰিবলৈ যোৱাটো কোনোপ্ৰকাৰেই সংগত নহ'লহেঁতেন। আগ-জীৱনত লেখা তেওঁৰ দুটা কি তিনিটা গীত আৰু কবিতাত জাতীয় প্ৰেমৰ স্বচ্ছ প্ৰকাশ ঘটিছে। যথাৰ্থতে ক'বলৈ হ'লে, প্ৰবল স্বদেশানুৰাগ, মানৱিকতাবাদ আৰু আদৰ্শবাদ— এই তিনিওটিৰ সু-সমন্বয়ত উনবিংশ শতিকাৰ অসমত গঢ় লৈ উঠা বৌদ্ধিক পৰিমণ্ডলেই সন্দিকৈৰ মনোজগতো নিৰ্মাণ কৰি দিছে। এই পৰিমণ্ডলৰ বৈশিষ্ট্যসমূহে

তেওঁৰ জীৱনচৰ্যাৰ মাজত এক বিৰলপ্ৰায় প্ৰকাশ লাভ কৰিছে। তেওঁৰ উত্তৰ পুৰুষৰ মানসিক গাঁথনিৰ লগত সন্দিকৈৰ মনোজগতৰ পৃথকতা থকাটোৱেই স্বাভাৱিক। এটা বিজ্ঞায়তনিক জীৱনাদৰ্শৰে চালিত তেওঁৰ তপস্যাৰ ফলসমূহ এই পৃথকতাৰ লগতে অবিচ্ছেদ্য-ভাৱে সম্পৰ্কিত। তেওঁ প্ৰাচীন ভাৰতবৰ্ষৰ লগত জড়িত থাকিও ভৱিষ্যতৰ বাবেই অধ্যয়নৰ বিশিষ্ট বাট কাটি দি গ'ল — এই সত্যটো অনুভৱ কৰিব পাৰিলেই আমি তেওঁৰ প্ৰতিভাৰ ৰূপৰেখা এটাও মনেৰে অনুভৱ কৰিব পাৰিম। ●

মই জনা মানুহজন

ৰাধানাথ হাজৰিকা

ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াক দানবীৰ হিচাপে সকলোৱে জানে। সেই বাপেকৰে পুতেক কৃষ্ণকান্ত সন্দিকৈয়েও দেউতাকৰ আৰ্হিকে লৈ দান-বৰঙনি দিয়াই নহয় সাহিত্য-সংস্কৃতিতো ভালে-খিনি দান দি থৈ গ'ল। চৰকাৰী আমোলা হিচাপে ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াক বহুতে চিনি নেপালেও, দানবীৰ হিচাপে গোটেই অসমে তেওঁক জানে। অকালতে বিয়োগ হোৱা দুজন চেনেহৰ পুতেকক হেৰুৱাই, অসম সাহিত্য সভাক চন্দ্ৰকান্ত সাহিত্য ভৱন আৰু ইন্দ্ৰ-কান্ত ন্যাস পুঁজি কৰি দিলে। এই দানেই ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ জীৱন যাউতিযুগীয়া কৰি দিলে।

চৰকাৰী চাকৰিয়াল হিচাপে সন্দিকৈ ডাঙৰীয়াক চৰকাৰৰ ঘৰতহে জানে। ৰাইজৰ মাজত 'সন্দিকৈ চাহাব' হিচাপেহে তেওঁক জানিছিল। কিন্তু সাহিত্য-সভালৈ দিয়া দানে তেওঁৰ গুণৰ পৰিচয় বঢ়ালে। বিলাতৰপৰা ঘূৰি আহি কৃষ্ণকান্ত সন্দিকৈয়ে কোনো চৰকাৰী চাকৰি নললৈ, নিজৰ তিকৰাল বাগিচাত দেউতাকৰপৰা বাগিচাৰ কাম শিকি-বুজি লৈছিল। সন্দিকৈ ডাঙৰীয়াই নিজৰ বৰপুতেক কৃষ্ণকান্ত সন্দিকৈক বাগিচাৰ কাম-কাজ সকলো শিকাই দিছিল। তিকৰাল বাগিচাখন অতি ডাঙৰ বাগিচা নহয়। নিৰহ-নিপানীকৈ চলোৱাত খৰচৰ অপব্যয় নহৈছিল। সেয়েহে সন্দিকৈ ডাঙৰীয়াই মুকলি মনেৰে ৰাজহুৱা কামত দান-বৰঙনি দিব পাৰিছিল।

পুত্ৰশোকত ম্ৰিয়মান হৈ চন্দ্ৰকান্ত সাহিত্য ভৱন দান কৰি অসম-সাহিত্য সভাৰ প্ৰধান কাৰ্যালয় সন্দিকৈ ডাঙৰীয়াই স্থাপন কৰাই

দিলে। সন্দিকৈ ডাঙৰীয়াৰ দান নোপোৱা হ'লহেঁতেন অসম সাহিত্য সভাৰ প্ৰধান কাৰ্যালয়ো নহ'লহেঁতেন। বছৰি বছৰি সাহিত্য সভা ভৱন মেৰামতিত যি খৰচ হয়, ইয়াকো সন্দিকৈ ডাঙৰীয়াই দিয়াৰ বন্দোৱস্ত কৰি গৈছে।

পিতৃৰ আহিঁতে উঠি কৃষ্ণকান্ত সন্দিকৈয়েও সাহিত্য সভাৰ সাজ-সৰঞ্জাম আৰু মেৰামতিৰ বাবে যি টকা লাগে, সেই টকাও তেওঁ বহন কৰিছিল। অসম সাহিত্য সভাৰ কৰ্ম-কৰ্তাসকলে এই বিষয়ে সকলো বিতং খবৰ ৰাখিছে। ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ আঠধাতুৰ প্ৰতিকৃতি এটা অসম সাহিত্য সভাৰ প্ৰধান কাৰ্যালয়ত আছে। সেইটোও কৃষ্ণকান্ত সন্দিকৈয়ে প্ৰায় আঠ হেজাৰ টকা খৰচ কৰি মাদ্ৰাজত কৰাই আনি দিয়ালে। সেই প্ৰতিমূৰ্তিটো স্থাপন কৰা কাৰ্যত কৃষ্ণকান্ত সন্দিকৈয়ে যাৱতীয় খৰচ বহন কৰিছিল। ৰাজহুৱাভাৱে তেওঁ এবাৰো অসম সাহিত্য সভাৰ কোনো উৎসৱলৈ অহা নাছিল।

কৃষ্ণকান্ত সন্দিকৈয়ে মানুহৰ সমাগম ভাল পোৱা নাছিল। তেওঁ নিৰলে স্থিৰভাৱে থাকি নিজৰ কৰ্তব্য পালন কৰিছিল। বাহিৰৰ সমাজৰ লগত দেখাদেখিকৈ তেওঁৰ কোনো সমাগম নাছিল যদিও গোটেই নগৰৰ খা-খবৰ তেওঁ জানিছিল। তেওঁ অধ্যয়নত সদায় মগ্ন আছিল। কিতাপ পঢ়াই তেওঁৰ ধৰ্ম আছিল। জ্ঞানসাগৰত বুৰ গৈ থকাটোৱেই তেওঁৰ ধৰ্ম। পৰিয়ালৰ লগত সাধাৰণ মানুহৰদৰে তেওঁৰ সম্বন্ধ নাছিল যদিও সকলো বিষয়তে পৰিয়ালৰ তত্বাৱধান লৈছিল। 'গীতা'ৰ অনাসক্ত যোগীৰদৰে সকলো কামকে তেওঁ কৰিছিল।

ফুল তেওঁ বৰ ভাল পাইছিল। নিজৰ বাৰীৰ ফুলনিখনত গধূলিপৰত হাতত টৰ্চ আৰু কটাৰী লৈ মৰহা ডালবোৰ কাটি ফুল গছবোৰ জটাই ৰাখিছিল। ফুলৰ বিষয়ে বাপ আছিল কাৰণেই ফুলনিখন তেওঁ নিজে সদায় আটম-টোকাৰিকৈ ৰাখিছিল।

সন্দিকৈদেৱক সংসাৰ বিৰাগী বুলি মানুহে ভাবে। আচলতে তেওঁ সংসাৰীহে আছিল। কিন্তু সেযে অনাসক্ত। যি কামকে কৰিছিল কৰ্তব্য হিচাপে তাক পালন কৰিলেও, ইয়াৰ ফল বাঞ্ছা তেওঁ কৰা নাছিল। উদাহৰণ স্বৰূপে— তেওঁ পৰিয়ালৰ সকলোৰে প্ৰতি পিতৃ হিচাপে পালন কৰিবলগীয়া সকলো কামকে কৰিছিল।

বিলাতৰপৰা ঘূৰি অহাৰ পিছত তুলসীনাৰায়ণ শৰ্মাই তেওঁক জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ পদত যোগ দিবৰ কাৰণে টানি ধৰাত তেওঁ মান্তি হৈছিল। দেউতাক বাহৰত যেনেকুৱা চাহাব, পুতেক তেনেকুৱা নাছিল। বিলাতত বিলাতী ধৰণেৰে আছিল যদিও ঘৰলৈ ঘূৰি অহাৰ পিছত বিলাতী ধৰণ-কৰণ সকলো এৰি অসমীয়া ডাঙৰীয়াৰ আহিৰে ফুৰা-চকা, কথা-বতৰা কোৱা সকলোতে তেওঁ সাজে-পোছাকে অসমীয়া হৈ চলিছিল। জগন্নাথ মহাবিদ্যালয়ত অধ্যক্ষ হৈ থকা কালছোৱাত শিক্ষক আৰু ছাত্ৰই যদিও তেওঁক লগ নেপাইছিল, তেওঁৰ প্ৰতিভাৰ বলতেই মহাবিদ্যালয়ৰ সকলো কাম-কাজ নিয়াৰিকৈ চলিছিল। অধ্যক্ষৰ কোঠাৰ চাৰিবেৰৰ ভিতৰত থাকি মহাবিদ্যালয়ৰ বাক্ক-ভিতৰ সকলোতে তেওঁৰ প্ৰভাৱ বিস্তাৰ হৈছিল। সেইদৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ দহ বছৰ একেলেথাৰিয়ে উপাচাৰ্য থাকি সকলো কামকে অতি নিষ্ঠাৰে পালন কৰাত বিশ্ব-বিদ্যালয়ৰ শিক্ষকৰপৰা আৰম্ভ কৰি সাধাৰণ কৰ্মচাৰীয়েও তেওঁৰ প্ৰতি আনুগত্য স্বীকাৰ কৰিছিল। সেয়েহে আজিও গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ কাৰ্যাদিত কোনো বিখিনি ঘটিব পৰা নাই। ভাৰতৰ বিখ্যাত পণ্ডিতসকলে কৃষ্ণকান্ত সন্দিকৈদেৱক শ্ৰদ্ধা কৰিছিল। ভিতৰত থাকিয়েই বাহিৰত প্ৰভাৱ বিস্তাৰ কৰিব পৰাটো কৃষ্ণকান্ত সন্দিকৈদেৱৰ বিশেষ ব্যক্তিত্ব। চৰকাৰী কাম আৰু নিজৰ কামৰ পাৰ্থক্য তেওঁ ভালকৈ বুজিছিল। নিষ্ঠা আৰু নীতিৰ ওপৰত তেওঁৰ বিশেষ ধ্যান আছিল। বুদ্ধিমান লোকতকৈ নিষ্ঠাৱান লোকৰ প্ৰতি তেওঁৰ শ্ৰদ্ধা বেছি আছিল। এজন মানুহ গুণবান হোৱাতকৈ নিষ্ঠাৱান

হোৱাত তেওঁ বিশেষ ধ্যান দিছিল। প্ৰতিজন লোকৰ প্ৰতি তেওঁ সদায় সহজ-সৰল ভাৱেৰে সকলোকে চাইছিল।

কৃষ্ণকান্ত সন্দিকৈৰ বিষয়ে নজনা কথা বহুতো আছে। কিন্তু এই বহুগুণী লোকজনৰ গুণৰ বিকাশ হোৱাত তেওঁ অকণো মনোযোগ দিয়া নাছিল। আত্মপ্ৰকাশ আৰু যশবিস্তাৰৰ কাৰণে তেওঁ কেতিয়াও লালায়িত নাছিল। আত্মবিশ্লেষণ কৰাই তেওঁৰ গুণৰ বিশেষ কাৰণ। আত্মবিশ্লেষণ কৰি নিজৰ কামৰ কাৰণে ঘিবিলাক কথা অনুপযোগী বুলি ভাবিছিল, সেই কথাত তেওঁ সদায় বিশ্বাস ৰাখিছিল। পঢ়া-শুনাই যদিও তেওঁৰ তপস্যা আছিল, তথাপি ঘৰুৱা কথাতো তেওঁ আওকণীয়া নাছিল। ঘৰুৱা কাম-কাজো তেওঁ অতি নিযাবিকৈ কৰিছিল। সৰু বাগিচা এখনৰ উপাৰ্জনেৰে দেউতাক সন্দিকৈ ডাঙৰীয়াই বহুত দান-বৰঙণি দি গুৱাহাটীত সন্দিকৈ ছোৱালী মহাবিদ্যালয়, নাৰায়ণী সন্দিকৈ পুৰাতত্ত্ব বিভাগ আৰু ওপৰত উল্লেখ কৰা অসম সাহিত্য সভাৰ প্ৰধান কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱন নিৰ্মাণ কৰি থৈ গৈছে। দেউতাকৰদৰে পুতেক কৃষ্ণকান্ত সন্দিকৈদেৱেও তেওঁৰ পৰিবাৰ হেমলতা সন্দিকৈ আইদেউৰ নামত হেমলতা সন্দিকৈ স্কুল স্থাপন কৰিলে। এই কামৰ কাৰণে কৃষ্ণকান্ত সন্দিকৈয়ে প্ৰায় চাৰিলাখ টকা খৰচ কৰিলে। এতিয়া পিতাক ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ স্মৃতি ৰক্ষাৰ্থে অসম সাহিত্য সভাৰ দ্বাৰা প্ৰধান কাৰ্যালয়ৰ চৌহদৰ ভিতৰত এটা অনুসন্ধান আৰু গৱেষণা কৰাৰ গৃহ নিৰ্মাণ কৰিছে। ২৬ জানুৱাৰীৰ দিনা প্ৰতিবছৰে ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ মৃত্যু তিথি পালন কৰা হয়। ইয়াৰো সমস্ত খৰচ কৃষ্ণকান্ত সন্দিকৈদেৱে বহন কৰি দিয়াৰ ব্যৱস্থা কৰি গৈছে। এইদৰে দান-বৰঙণি কৃষ্ণকান্ত সন্দিকৈয়ে সদায় মুক্তহস্তে দিছিল। সোঁহাতে দিয়া দানৰ বিষয়ে বাওঁহাতে গম নোপোৱাৰদৰে কাক কি দিলে সেই বিষয়ে তেওঁ কোনো কথা কাৰো আগত প্ৰকাশ কৰা নাছিল।

সন্দিকৈদেৱৰ গুণৰ বিষয়ে বহুত কথা আছে। ওপৰত কৈ অহাবদৰে,— নৈতিকতাৰ ওপৰত তেওঁ বিশেষ আস্থা ৰাখিছিল। এজন মানুহ বিদ্বান বা বুদ্ধিমান হ'ব পাৰে, কিন্তু নৈতিকতাবিহীন হ'লে তেওঁৰ সকলো বিদ্যা-বুদ্ধি লোপ পায়। 'বিদ্বান সৰ্বতো পূজ্যতে' বুলি কোৱা আছে যদিও সন্দিকৈদেৱে নৈতিকতাৰ ওপৰত বেছি নিৰ্ভৰ কৰিছিল।

মহৎ লোকৰ জীৱনীৰে সাধাৰণ লোকৰ জীৱন গঢ়িব পৰা আৰ্হি আছে। এই জীৱন আৰ্হিৰে নিজৰ জীৱন গঢ়িব পাৰিলেই মহৎ লোকৰ জীৱনী পঢ়াৰ উদ্দেশ্য সফল হয়। কৃষ্ণকান্ত সন্দিকৈদেৱৰ জীৱন আৰ্হিৰে সৰ্বসাধাৰণৰ জীৱন গঢ়িব পৰাটো অতি দুৰূহ কথা। এটা কথাত তেওঁৰ গুণৰ প্ৰশংসা কৰিবলৈ হ'লে, সেইমতে নিজৰ জীৱন গঢ়িব পাৰিলেহে সন্দিকৈদেৱৰ জীৱনাদৰ্শ লোৱা হ'ব। এই নিয়ম পালন কৰিবলৈ হ'লে, সন্দিকৈদেৱৰ জীৱনৰ নৈতিকতা সম্বন্ধে তন্ন-তন্নকৈ বিচাৰ কৰিব লাগিব। ওপৰে ওপৰে চালে সন্দিকৈৰ জীৱন সংসাৰ-বিৰাগী যেন লাগে। কিন্তু প্ৰকৃততে তেওঁ সংসাৰ-বিৰাগী নাছিল। সংসাৰত থাকি সাংসাৰিক মানুহৰদৰে সকলো কামকে সন্দিকৈদেৱে কৰিছিল। সংসাৰ-বিৰাগী হোৱা হ'লে তেওঁ অতবিলাক সাংসাৰিক কাম কৰিব নোৱাৰিলেহেঁতেন। দান-বৰঙণি দিয়াৰ উপৰিও তেওঁ নিজৰ ঘৰৰ বনকৰা মানুহক মাটি-সম্পত্তি দি থিতাপি কৰি থৈ গৈছে। সৰ্বসাধাৰণে যিভাৱে মানুহৰ লগত হলি-গলি কৰি ফুৰে সন্দিকৈ ইয়াৰ ব্যতিক্ৰম আছিল। তেওঁ সকলোপৰা সমাজৰ লগত হলি গলিকৈ ফুৰা নাছিল। মনে মিলা লোকৰ লৈহে তেওঁ ফুৰা-চকা কৰিছিল। সভা-সমিতিত যোগদান দিয়াও তেওঁৰ স্বভাৱবিৰোধী আছিল। গোলাঘাট ছাত্ৰ অধিবেশনত সভাপতি আৰু অসম সাহিত্য সভাৰ গুৱাহাটী অধিৱেশনৰ তেওঁ সভাপতি আছিল। এই দুয়োখন সভাতে তেওঁ চমু অথচ সাৰুৱা কথাৰে অসম ছাত্ৰ সভাক আৰু সাহিত্য সভাক পৰামৰ্শ দিছিল। তেওঁৰ

কথাৰ মূল্য আজিও আছে। সেইমতে তেওঁ জাতীয় জীৱনত নিজৰ কৰ্তব্য পালন সম্বন্ধে পৰামৰ্শ দিছিল।

সন্দিকৈদেৱ যশপ্ৰাৰ্থী নাছিল। তেওঁৰ জীৱনত কোনো কামকে নিজৰ আত্মপ্ৰকাশৰ কাৰণে কৰা নাছিল। নীতি-বিৰোধ কাৰ্যক তেওঁ গৰিহণা দিছিল। আত্মসমালোচনা আৰু আত্ম-বিশ্লেষণ কৰি তেওঁ নিজৰ গাত যি বোৰ দোষ আছিল, সেই দোষ গুচাই গুণৰ বিকাশ কৰিছিল। মহৎ লোকৰ জীৱনৰ উদ্দেশ্যই হৈছে গুণৰ বিকাশ কৰা। মই এইটো কৰিলোঁ —এনেকুৱা ভাব মনলৈ নহাটোৱেই মহৎ লোকৰ স্বভাৱ। সন্দিকৈদেৱে জ্ঞান-সাগৰত বুৰ দি সাগৰতলিত পৰি থকা উজ্জ্বল ৰত্নবাশি উদ্ধাৰ কৰি আনি সাধু সমাজক দি গৈছে। সংস্কৃতক মৃত ভাষা বোলে। কিন্তু সেই সংস্কৃতক জীৱন্ত ভাষালৈ আনিলে আনন্দৰাম বৰুৱাৰ পিছতে কৃষ্ণকান্ত সন্দিকৈদেৱে। আনন্দ-ৰাম বৰুৱাৰ সুখ্যাতি সংস্কৃত পণ্ডিত হিচাপে। সেই আনন্দৰাম বৰুৱাৰ উত্তৰাধিকাৰী হিচাপে কৃষ্ণকান্ত সন্দিকৈ। এই গৱেষণাগাৰত সোমাই নথকা হ'লে সন্দিকৈ ডাঙৰীয়া ইমান বিখ্যাত পণ্ডিত নহ'ল-হেঁতেন। তেওঁৰ মৃত্যুৰ পিছত তেওঁৰ শৱ-যাত্ৰাত কিমান মানুহৰ সমাগম হৈছিল, তাৰপৰাই বুজা যায় যে তেওঁৰ প্ৰভাৱ সমাজৰ ওপৰত কিমান বেছি আছিল। শিক্ষিত, অ-শিক্ষিত সকলোৱেই তেওঁক শ্ৰদ্ধা আৰু সন্মানৰ চকুৰে চাইছিল।

চিৰং জীয়তু কৃষ্ণকান্ত।

দেউতাৰ সোঁৱৰণত

শ্ৰীমতী অহল্যা গাগৈ

১৯৪৮ চনৰপৰা ১৯৫৭ চনলৈকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হৈ থকাৰ দিনবোৰ সুঁৱৰিছোঁ। দেউতাৰ গুৱাহাটীৰ উপাচাৰ্যৰ বাসভৱনত ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ বিশ্ব-বিদ্যালয়ৰ সংক্ৰান্তত দুবাৰকৈ আতথি হৈ আছিলহি। এবাৰ ১৯৪৮ চনত বিশ্ববিদ্যালয়ৰ শিক্ষা আয়োগৰ সভাপতি হিচাপে বিশ্ববিদ্যালয় পৰিদৰ্শন কৰিবলৈ আৰু এবাৰ ১৯৫১ চনত ৰুচদেশৰ ভাৰতীয় ৰাষ্ট্ৰ-দুত হৈ থাকোতে গুৱাহাটী বিশ্ববিদ্যালযৰ সমাবৰ্ত্তনত বিশিষ্ট অতিথি হিচাপে। এই কম সময়ৰ ভিতৰতে দুজন মহান ব্যক্তিৰ অতি ঘনিষ্ঠভাৱে থকাৰ সুযোগ মিলাত অন্তৰৰ ভাৱৰ বিনিময় হৈছিল। সেই স্মৃতি দেউতাৰ মনত সদায় জাগৰিত হৈ আছিল আৰু ইয়েই দেউতাৰ মনত গভীৰ ৰেখাপাত কৰিছিল। ড° ৰাধাকৃষ্ণণৰ প্ৰতি ওপজা দেউতাৰ শ্ৰদ্ধাই তেখেতে দিয়া দুই-এটা মন্তব্যই দেউতাৰ জীৱনৰ গতিপথ নিৰ্ধাৰণ কৰিছিল। গুৱাহাটীৰ কৰ্মজীৱনৰপৰা অৱ-সৰ লৈ অহাৰ পিছত দেউতাই প্ৰায়েই সেই মন্তব্য সুঁৱৰিছিল। ড° ৰাধাকৃষ্ণণে দেউতাক কৈছিল, "আপুনি মহাকাব্য একোখনৰ গৱেষণা কৰি পৃথিৱীত যি লেখনী এৰি থৈ যাব, সেই লেখনীয়েহে আপোনাক অমৰ কৰি ৰাখিব। বিশ্বভিালয় এখনত উপাচাৰ্য হৈ জীৱনৰ অমূল্য সময়বোৰ পাৰ কৰাৰ কোনো' কাৰণ বিচাৰি নাপাওঁ। আপোনাৰ পিছত অন্য এজনে উপাচাৰ্যৰ ভাৰ ল'ব আৰু বিশ্ব-বিদ্যালয়ৰ কাম গতানুগতিকভাৱে চলি থাকিব। আপুনি আকৌ আপোনাৰ গৱেষণাৰ কামলৈ ঘূৰি যাওক।" এই পৰামৰ্শ দেউতাই

যদিও আখৰে আখৰে পালন কৰিছিল, গুৱাহাটী বিশ্ববিদ্যালয়ক সু-প্ৰতিষ্ঠিত কৰি থৈ যোৱাৰ স্মৃতিয়েও দেউতাক সদায়েই সন্তুষ্টি দিছিল।

১৯৪৭ চনৰ ডিচেম্বৰ মাহত দেউতাই হঠাতে এদিন অসমৰ তেতিয়াৰ প্ৰধান মন্ত্ৰী স্বৰ্গীয় গোপীনাথ বৰদলৈদেৱৰপৰা তেখেতক নতুনকৈ প্ৰস্তাৱিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হ'বৰ কাৰণে অনুৰোধ জনাই লেখা এখন চিঠি পায়। সেই সিদ্ধান্ত তেতিয়াই খাটাং নকৰিলেও সেই সময়ত দেউতাই দিয়া মন্তব্য এতিয়াও মোৰ মনত আছে। দেউতাই কৈছিল "মোৰ জীৱনত বৰদলৈ ডাঙৰীয়াই প্ৰথম ব্যক্তি যি অসম চৰকাৰৰ তৰফৰপৰা এনে কামৰ দায়িত্ব লʼবলৈ আগবঢ়াইছে।" ১৯৪৮ চনৰ ফেব্ৰুৱাৰী মাহত দেউতাই যেতিয়া এই পদ গ্ৰহণ কৰে, জীৱনত প্ৰথমবাৰৰ কাৰণে পৰিয়ালৰপৰা আঁতৰি গুৱাহাটী অভিমুখে যাত্ৰা কৰে। সেইবাৰ দেউতাই মাত্ৰ বিছনাখন আৰু চুটকেচ দুটা লৈ ৰেলেৰে গুৱাহাটীলৈ আহিছিল। আমি পৰিয়ালৰ সকলোটিয়ে সেইদিনা যোৰহাটৰপৰা মৰিয়নী ষ্টেচনলৈ আহি দেউতাক বিদায় দিছিলোঁ। দেউতায়ো খিড়িকীত ভেজা দি চকুৰে মনিব পৰালৈকে চলি যোৱা ৰেলখনৰপৰা আমাক চাই আছিল।

ছাত্ৰ-জীৱনৰেপৰা বিজনা ব্যক্তিৰ অসমৰ পুৰণি ভাষা-কৃষ্টি চৰ্চা কৰিবৰ বাবে অসমত এখন বিশ্ববিদ্যালয় স্থাপনৰ কাৰণে জনমত গঢ়াত বৰগুণ আছিল, স্বাভাৱিকতে তেনে এজন ব্যক্তিৰ হাতত অসমৰ প্ৰথম বিশ্ববিদ্যালয়খন গঢ় দিয়াৰ দায়িত্ব পৰাটো কম উৎসাহৰ কথা নাছিল। বিশ্ববিদ্যালয়ৰ উপাচাৰ্য পদ লোৱাৰপৰাই দেউতাক আমি বেলেগ ৰূপত দেখা পাইছিলোঁ। দেউতাৰ কাম-কাজ আৰু কথা-বতৰাত আমি বেলেগ ধৰণৰ তৎপৰতা আৰু উৎসাহ দেখিছিলোঁ। দেউতাই উপাচাৰ্য হৈয়েই কলিকতা বিশ্ববিদ্যালয়ৰ আৰ্হিৰে গুৱাহাটী বিশ্ববিদ্যালয়খন গঢ় দিবলৈ কাম হাতত লৈছিল। ১৯৫১ চনৰ প্ৰথম সমাৱৰ্তনত উপাচাৰ্য হিচাপে দিয়া ভাষণত উল্লেখ

কৰিছিল যে কেইবা দশকো ধৰি কলিকতা বিশ্ববিদ্যালয়ে অসম প্ৰদেশৰ সকলো পৰীক্ষা পৰিচালনা কৰি থকাৰ সময়তে অতি কম সময়ৰ ভিতৰত ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ে অসমৰ পৰীক্ষাবোৰ পৰিচালনা কৰাৰ দায়িত্ব ল'বলগীয়া হোৱাৰ কাৰণে শিক্ষাৰ মানদণ্ডত কোনো বাধা নপৰাকৈ কামত আগবাঢ়িবলগীয়া হৈছে।” ছাত্ৰ হৈ থকা দিনৰেপৰা ভাৰতবৰ্ষ আৰু পাশ্চাত্যৰ বিভিন্ন বিশ্ববিদ্যালয়ত শিক্ষা লাভ কৰি সমসাময়িক বিশ্ববৰেণ্য পণ্ডিতমণ্ডলীৰ সংস্পৰ্শত অহা হেতুকে বিশ্ববিদ্যালয়খন গঢ় দিয়াত তেখেতে অতি সাহসেৰে সিদ্ধান্ত ল'ব পাৰিছিল আৰু সেইদৰে ভাৰতৰ তথা ভাৰতৰ বাহিৰৰ বিশ্ববিদ্যালয়ৰ লগত যোগাযোগ ৰাখিবলৈ সক্ষম হৈছিল। অধ্যাপকমণ্ডলী নিযুক্তি দিয়াৰ বিষয়তো প্ৰথম সমাৱৰ্তনৰ উপাচাৰ্যৰ ভাষণত উল্লেখ কৰি কৈছিল, “স্থানীয় প্ৰতিভাসম্পন্ন লোকক গঢ় দিয়াত অসমৰ শিক্ষাৰ বাতাবৰণ ইমানেই পিচপৰা হৈ আছে যে বিশ্ববিদ্যালয়ৰ বিভিন্ন বিভাগত শিক্ষা দান দিবলৈ যোগ্যজনৰ অভাৱ দেখা গৈছে।” শিক্ষাদানৰ মানদণ্ড উন্নত কৰিবৰ বাবেই উপাচাৰ্যৰ ভাৰ লৈয়েই ভাৰতৰ বিভিন্ন ঠাইৰ পৰা খ্যাতিসম্পন্ন অধ্যাপক বাছনি কৰিছিল। এই ক্ষেত্ৰত তেখেতে এটা অতি উচ্চ আৰু বহল মনৰ চিনাকি দিছিল। জগন্নাথ বৰুৱা কলেজৰ অধ্যক্ষ হৈ থাকোতেও ভাৰতৰ বিভিন্ন অঞ্চলৰ পৰা জগন্নাথ বৰুৱা কলেজৰ অধ্যাপক হবলৈ প্ৰাৰ্থী আগবাঢ়ি আহিছিল আৰু সেইদৰে নিযুক্তিও দিয়া হৈছিল। এনে ক্ষেত্ৰত স্থানীয় প্ৰাৰ্থীয়েহে যে এইবোৰ পদ পাব লাগে সেই বিষয়ত সদায়েই তেখেত সজাগ হৈ আছিল। সেই কালত তেনে প্ৰাৰ্থীৰ অভাৱে তেখেতৰ মনত বৰ আঘাত দিছিল। ১৯৫৫ চনৰ সমাৱৰ্তনত ভাষণ দি তেখেতে কৈছিল, “ভাৰতীয় প্ৰশাসনীয় সেৱা (আই.এ.এছ) আৰু সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাবোৰত স্থানীয় ছাত্ৰসকলো প্ৰাৰ্থী হ'ব পৰাকৈ প্ৰস্তুতি কৰিবলৈ অসম চৰকাৰৰ আৰ্থিক সাহায্যেৰে বিশ্ববিদ্যালয়ত শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হৈছে আৰু মেধাৱী ছাত্ৰসকলে সেই-

বোৰ সুযোগ সুবিধা গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহি সৰ্বভাৰতীয় পৰীক্ষাবোৰৰ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলৈ বিশেষ যত্নপৰ হ'ব লাগে।" সৰ্বভাৰতীয় পৰ্যায়ত একাডেমিক মানদণ্ড বজাই ৰাখি পাঠ্যক্ৰম নিৰ্ধাৰণ কৰিবলৈ সৰ্বভাৰতীয় খ্যাতিসম্পন্ন শিক্ষাবিদসকলক আমন্ত্ৰণ কৰি সদায়েই পৰামৰ্শ লোৱা হৈছিল। শিক্ষানুষ্ঠানবিলাকৰ শিক্ষাৰ উচ্চ মানবিশিষ্ট মানদণ্ড হোৱাৰ মত তেখেতে গোটেই জীৱন পোষণ কৰিছিল। এই বিষয়ে মৃত্যুৰ কেইমাহমানৰ আগতেও মোৰ আগত বিশ্ববিদ্যালয়ৰ দিনবোৰৰ কথা সুঁৱৰি দেউতাই কৈছিল যে অসম মেডিকেল কলেজৰ আৰম্ভণিতে পাঠ্যক্ৰম আৰু পৰীক্ষাৰ মানদণ্ড কৰোৱাৰ প্ৰস্তুত'ৰ কেইজনমান শিক্ষাবিদে দিয়াৰ পৰামৰ্শ গ্ৰহণ নকৰিবলৈ তেখেতে বৰ দৃঢ়তাৰে লবলগীয়া হৈছিল আৰু এই বিষয়ত মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° লক্ষ্মণস্বামী মুদালিয়াৰৰ নিচিনা খ্যাতনামা লোকৰ পৰা পৰামৰ্শ লৈছিল।

১৯৪৯ চনত দেউতাই উপাচাৰ্য হিচাবে অসমৰ মেট্ৰিক পৰীক্ষাৰ কেন্দ্ৰবোৰ পৰিদৰ্শন কৰোতে যোৰহাটত হোৱা এটা ঘটনাৰ কথা আমাক কোৱা মনত পৰে। যোৰহাটৰ এটা পৰীক্ষা কেন্দ্ৰত দেউতাই পৰিদৰ্শন কৰি থকাৰ সময়তে এগৰাকী ছাত্ৰী পৰীক্ষা হলতে অসুস্থ হৈ পৰা দেউতাৰ চকুত পৰিল। দেউতাই ছাত্ৰী গৰাকীক ওচৰলৈ আহি সুধিলে, "তুমি আজিৰ যি প্ৰশ্নকাকত পাইছা, সেই প্ৰশ্নকাকত দেখি উত্তীৰ্ণ হ'ব পাৰিবা বুলি ভাবানে ?" ছাত্ৰীগৰাকীয়ে দৃঢ়ভাৱে উত্তীৰ্ণ হ'ব পাৰিব বুলি উত্তৰ দিয়াত দেউতাই তেওঁক উত্তীৰ্ণ বুলি ধৰি অসুস্থ হৈ পৰা ছাত্ৰীগৰাকীক সেইদিনাৰ পৰীক্ষা দিয়াৰ পৰা ৰেহাই দিছিল।

১৯৪৯ চনত দেউতাই ৰচনা কৰা "বৰ্ণভিত্তিক আৰু ভাৰতীয় সংস্কৃতি" নামৰ গ্ৰন্থখন প্ৰকাশ হৈছিল। সেইখিনি সময়তে বিশ্ব-বিদ্যালয়ৰ এজন বিশিষ্ট অধ্যাপক আমেৰিকালৈ যাত্ৰা কৰিছিল। দেউতাৰ অনুমতি লৈ বিদেশৰ পণ্ডিতমণ্ডলীলৈ চিন হিচাপে এই

সদ্য প্ৰকাশিত গ্ৰন্থখন তেখেতে লৈ গৈছিল। কিন্তু বিদেশৰ পৰা ফিৰি আহি অধ্যাপকজনে দেউতাক জনালে যে এই গ্ৰন্থখন ইতি-মধ্যেই আমেৰিকাৰ পাণ্ডিতমণ্ডলীৰ হাতত পৰিলেই।

দেউতাৰ প্ৰথম গ্ৰন্থ "নৈষধ চৰিত" ১৯৩৪ চনত প্ৰকাশ হৈ ওলাইছিল। ইয়াৰ পিচতে দেউতাই এবাৰ কলিকতাৰ এখন ডাঙৰ কিতাপৰ দোকানত সোমাই "নৈষধ চৰিত" গ্ৰন্থখন বিচাৰিলে। কিতাপখন হাতত তুলি দিয়াত কিতাপৰ পাত লুটিয়াই চাই নিজৰ পৰিচয় আত্মগোপন কৰি দোকানৰ ভদ্ৰলোকজনক দেউতাই সুধিলে, "এইবোৰ কিতাপ মানুহে কিনেনে ?" তেতিয়া ভদ্ৰলোকজনে অতি গৌৰৱেৰে মুখ ঘূৰাই উত্তৰ দিলে, "কিনিবইতো ; নিকিনিব কিয় ?" দেউতাই তেতিয়া নিৰৱে সেই দোকানখনৰ পৰা ওলাই আহিল। এই ঘটনা দেউতাই ঘৰত আহি কৈ ৰস পাইছিল।

দেউতাই নিজে যেনেকৈ প্ৰাচীনযুগৰ অন্ধকাৰৰ পৰা একোখনি ভাৰতীয় মহাকাব্য বখৰ পণ্ডিতমণ্ডলীৰ আগত দাঙি ধৰিছিল, সেইদৰে সদায়েই অনুভৱ কৰিছিল যে সংস্কৃত সাহিত্যৰ সৌন্দৰ্য আৰু মূল ভাৱধাৰা কেৱল মুষ্টিমেয় সংস্কৃত পণ্ডিতমণ্ডলীৰ পাণ্ডিত্যৰ আৱেষ্টনীতে সুমুৰাই পৌৰাণিককালৰ পুৰাতত্বৰ বিষয়বস্তু কৰি ৰখা বাঞ্ছনীয় নহয়। সেয়েহে ১৯৫১ চনত লক্ষ্ণৌত অনুষ্ঠিত সৰ্বভাৰতীয় প্ৰাচ্য সন্মিলনৰ প্ৰাচীন সংস্কৃত শাখাৰ সভাপতিত্ব কৰি আধুনিক যুগৰ বৌদ্ধিক সমাজেও প্ৰাচীন সংস্কৃত সাহিত্যৰ সৌৰভৰ ৰসৰ ভাগ লব পৰাকৈ উপযোগী বাতাৱৰণ সৃষ্টি কৰি এটা সাংস্কৃতিক লক্ষ্য লবলৈ ভাৰতৰ সংস্কৃত পণ্ডিতমণ্ডলীলৈ আহ্বান জনাইছিল। সেই সন্মিলনত তেখেতে উল্লেখ কৰিছিল যে সংস্কৃতৰ ছাত্ৰ নোহোৱাকৈও সংস্কৃত সাহিত্য আৰু প্ৰাচীন ভাৰতীয় চিন্তাধাৰাৰ ওপৰত অধ্যয়ন কৰিবলৈ অনেকৰেই ৰাপ থকা দেখা যায় ; শিক্ষাৰ ক্ষেত্ৰতো উঠি অহা ছাত্ৰসকলৰ চিন্তাধাৰাত এনে এটা ৰাপ জন্মাই সেই ভাৱধাৰা সুপ্ৰতিষ্ঠিত কৰি ছাত্ৰসকলৰ সাহিত্যৰ প্ৰতি আগ্ৰহ বঢ়াব আৰু

মেধাৰ পৰিসৰ বৃদ্ধি কৰিব পাৰি। এইটো উদ্দেশ্যে বিশ্ববিদ্যালয়ৰ সাহিত্যৰ বিভিন্ন বিভাগৰ পাঠ্যক্ৰমত বহু বহু অনূদিত সংস্কৃত কাব্য আৰু সংস্কৃত সাহিত্যৰ বুৰঞ্জীৰ বাহিৰে স্মৃতিৰ বিষয়ে অন্তৰ্ভুক্ত কৰি পাঠ্যপুথি আৰু ব্যৱস্থা পুস্তক প্ৰণয়ন কৰাত গুৰুত্ব আৰোপ কৰিছিল। এই সন্মিলনত সভাপতি হিচাপে যোগদান কৰি দেউতাই আমাক কোৱা মনত আছে যে সন্মিলনখন যিটো ভৱনত অনুষ্ঠিত হোৱাৰ কথা আছিল তাত শ্ৰোতাৰ সংখ্যা ইমানেই বেছি হ'ল যে ঠাইৰ অভাৱ হোৱা হেতুকে অন্য এটা ডাঙৰ ভৱনলৈ গৈ সন্মিলন পাতিবলগীয়া হৈছিল।

দেউতাৰ পাৰিবাৰিক জীৱনৰ কথা সুঁৱৰিলে পৰম শ্ৰদ্ধেয় স্বৰ্গীয় ড° ভুৱনেশ্বৰ বৰুৱাদেৱৰ কথাবোৰ আমাৰ মানসপটত চিৰদিনৰ কাৰণে জাগৰিত হৈ থাকে। দেউতা আৰু সেই মহান ব্যক্তিজনাৰ মাজত কেনেধৰণৰ আকৰ্ষণ বা মৰম-স্নেহ কিমান গভীৰ আছিল আমি নাজানিছিলো। কাৰণ সেই দুগৰাকীক একেলগে আমি বেছি সময় পোৱা নাছিলো। কিন্তু আমাৰ সৰু পৰিয়ালটিৰ মাজত এবা এবিকৈ থকাৰ সময়ত ডেখেতৰ উপস্থিতিয়ে আমাৰ মনৰ মাজৰপৰা সকলো দুঃচিন্তা আৰু আশংকা দূৰ কৰিব পাৰিছিল। লোকবন্ধু ভুৱনেশ্বৰ বৰুৱাদেৱ অনেক পৰিয়ালৰ কাৰণেই সঞ্জীৱনী শক্তি আছিল যদিও মনত পৰা দিনৰেপৰাই আমাৰ মনত ভাৱ হৈছিল, এই সম্বন্ধ যেন কেৱল আমাৰ লগতহে আছিল। মোৰ ৬/৭ বছৰমান বয়সত মোৰ আই এবাৰ টান অসুখ এটাত ভুগি আছিল। ৺ড° ভুৱনেশ্বৰ বৰুৱাদেৱৰ পৰামৰ্শ মতে এই ৰোগ নিৰাময় কৰিবৰ বাবে কলিকতাত অপাৰেশ্যন কৰিব লগীয়া হৈছিল। সেই সময়ত অসমৰপৰা গৈ কলিকতাত অপাৰেশ্যন কৰিবলগীয়া হলেই স্বাভাৱিকতে এটা ডাঙৰ আয়োজনস্বৰূপ আছিল। মোৰ ককা-দেউতাৰ (আইৰ পিতৃ স্বৰ্গীয় উমানাথ গোহাঁই) লগত আৰু এগৰাকী নাৰ্চলৈ যেতিয়া যোৰহাটৰপৰা বিদায় লৈ আহিছিল তেতিয়া বাটত

কন্দাকটাই হৈছিল। সেই সময়তো দেউতাক পৰম সান্ত্বনা আৰু নিৰ্ভয় দি ড° বৰুৱাদেৱে মোৰ আইৰ সেই যাত্ৰাৰ সহযাত্ৰীহৈ কলিকতাত চিকিৎসাৰ তত্ত্বাৱধান লৈছিল। দেউতা নবছৰকাল গুৱাহাটীত থাকোঁতেও যোৰহাটৰ ঘৰত আমাৰ টান নৰিয়া হ'লে বৰুৱাদেৱক চিকিৎসাৰ কাৰণে পঠিয়াই দি দেউতাই সকলো দুঃচিন্তাৰপৰা মুক্ত হৈছিল আৰু আমিও তেখেতক দেখাৰ লগে লগেই নৰিয়াৰ উপশম হোৱা যেন লাগিছিল। সেই সময়ত ৺ড° ভুবনেশ্বৰ বৰুৱাদেৱ যোৰহাটত পদাৰ্পণ কৰিছে বুলি খবৰটো ওলালেই যোৰহাটত এটা খলকনি উঠিছিল। এতিয়া কথাবোৰ ভাবি আচৰিত লাগে যে ৰোগীৰ নৰিয়া টান হৈ যোৱা-থোৱা হ'লে গুৱাহাটীৰপৰা ৺ড° ভুবনেশ্বৰ বৰুৱাক মাতিব লাগে বুলি মানুহে লৰা-ধপৰা কৰিছিল। ৰোগীৰ অন্তিমকালত তেখেতৰ উপস্থিতিয়ে পৰিয়ালৰ মনত সান্ত্বনা দিছিল। মই নৱমমানত থাকোঁতে এবাৰ ডিপথেৰিয়াৰ নিচিনা অসুখ এটা হোৱাত ঘৰৰ সকলো বৰ চিন্তাত পৰিছিল। সেইবাৰো দেউতাৰ অনুৰোধক্ৰমে ৺ড° বৰুৱাদেৱ আমাৰ ঘৰলৈ আহি উপস্থিত হোৱাত ঘৰৰ আন সকলোৰে লগতে ময়ো তেখেতলৈ চাই হাঁহি এটা মাৰিছিলো। তেখেতে তেতিয়া মোক খং কৰি কৈছিল, "হাঁহিছা কেলেই? মই জীৱনত হাঁহি থকা বেমাৰী কেতিয়াও দেখা নাই।" আমাৰ ঘৰত তেখেত আলহী হৈ থকাৰ সময়ত দেউতা এবাৰ যোৰহাটত আছিল। সেইখিনি সময়ত দুয়ো গৰাকীয়ে দুটি সবল শিশুৰ দৰে চুপতা-চুপতি কৰা দেখি আমি বৰ লাজ পাইছিলো। আমাৰ ইমান আপোন হোৱা সত্ত্বেও আমি কেতিয়াও তেখেতক সম্বোধন ধৰি মতা নাছিলো। কাৰণ তেখেত আমাৰ কাৰণে কিবা এগৰাকী অসাধাৰণ পুৰুষ আছিল। তেখেতৰ প্ৰতি যেনেকৈ আমাৰ অগাধ শ্ৰদ্ধা আছিল সেইদৰে আমি তেখেতক বৰ ভয়ো কৰিছিলো। দেউতা আৰু বৰুৱাদেৱ গুৱাহাটী আৰু কলিকতাত একেলগে ছাত্ৰহৈ কিছুকাল থকাৰ অভিজ্ঞতাই পৰস্পৰে পৰস্পৰৰ আজীৱন বন্ধুত্বৰ পাশত বান্ধ খুৱাব পাৰিছিল।

১৯৫৫/৫৬ চনত মই গুৱাহাটীৰ ছাত্ৰীবাৰী খৃষ্টান মিচন ছাত্ৰীবাসত থাকি বিশ্ববিদ্যালয়ত গণিত শাস্ত্ৰত এম.এচ. চি. পঢ়িছিলোঁ। সেই সময়ত কটন কলেজৰ অধ্যক্ষৰ বাসভৱনটোকে উপাচাৰ্য্যৰ বাসভৱন হিচাবে ব্যৱহাৰ কৰা হৈছিল। দেউতাই সেইটো ঘৰতে নিজে এটা কোঠাতে শোৱা-খোৱাৰ কাৰণে ব্যৱহাৰ কৰি বাকী গোটেই ঘৰটোৰেই বিশ্ববিদ্যালয়ৰ কামত ব্যৱহাৰ কৰিছিল। দেউতাই এই ঘৰটোত আশ্ৰমত বাস কৰাৰ নিচিনাকৈ আছে বুলিহে আমাৰ আগত কৈছিল। বৰ্ত্তমানৰ কটন কলেজৰ প্ৰেক্ষাগৃহ থকা ঠাই ডোখৰতে যুদ্ধৰ সময়ত ব্যৱহাৰ কৰা পুৰণা খেৰৰ ঘৰ এটাত অসমীয়া, গণিত আৰু পৰিসংখ্যা বিভাগৰ শ্ৰেণীবোৰ বহিছিল। মই ছাত্ৰীবাৰী হোষ্টেলৰপৰা ক্লাছ কৰিবলৈ আহোঁতে বা ক্লাছ ছুটী হোৱাৰ পিছত দেউতাক প্ৰায়ে অলপ সময়ৰ কাৰণে লগ ধৰি গৈছিলোঁ। দেউতায়ো মোৰ খা-খবৰ লৈ প্ৰায়ে গণিতৰ ক্লাছত অধ্যাপকসকলে কেনেভাৱে শিক্ষা দান কৰে প্ৰশ্ন কৰিছিল। দেউতাৰ গাম্ভীৰ্য পূৰ্ণ মুখখন দেখি কিবা ভুলকৈ উত্তৰ দিয়াৰ আশংকাত অতি সংক্ষেপে উত্তৰ দি গা এৰাইছিলোঁ।

দেউতাৰ ব্যক্তিত্বৰ এটা বিশেষত্ব আছিল যে যিকোনো আকস্মিক খবৰেই হওক বা যিকোনো ঘটনা যিমান দুখৰেই নহওক বা সুখৰেই নহওক সদায় ধীৰ স্থিৰভাৱে শুনিছিল। দেউতাক কেতিয়াও কোনো কথাতে এনেবোৰ ঘটনাই বিচলিত কৰিব নোৱাৰিছিল। বহুতে দেউতাৰ এই বিশেষত্বক ভুলভাৱে লৈছিল। এই ধাৰণা আনহে নালাগে আমি নিজেই সকলোতে দেউতাৰ এই কথাবোৰ দেখি আচৰিত মানিছিলোঁ। শিলঙৰ ৰবাৰ্ট হাস্পতালত যেতিয়া মোৰ আয়ে এটা অপাৰেশনত ইহলীলা সম্বৰণ কৰিছিল সেই শোকৰ বাতৰিটোও দেউতাই যোৰহাটত ধীৰ-স্থিৰভাৱেই গ্ৰহণ কৰিছিল।

এবাৰ পুৱা ১০-৩০ মান বজাত ক্লাছ কৰাৰ আগতে ছাত্ৰীবাৰী হোষ্টেলৰপৰা দেউতাৰ বাসভৱনলৈ আহিছিলোঁ। দেউতাই

মোক দেখাৰ লগে লগে "সেইয়া চোন!" বুলি বৰ উজ্জ্বলভাৱে হাঁহিমাৰি মোৰ কাষলৈ আগবাঢ়ি আহিল। মই আচৰিত হৈ উত্তৰ দিবলৈ নৌ পাওঁতেই দেউতাই ক'লে, "অলপ আগতে ইহঁতে (অৰ্থাৎ আলধৰা আৰ্দালি কেইটাই) তই মৰিলি বুলি মোৰ আগত কৈছেহি।"

১৯৪৩ চনত এটা বৰ ডাঙৰ ভূমিকম্প হৈছিল। এই ভূমিকম্পৰ প্ৰকাৰ ১৯৫০ চনৰ ভূমিকম্পতকৈ বেলেগ আছিল। এই ভূমিকম্পত মাটিত ফাট-মেলা বা নৈৰ গতি সলোৱাৰ নিচিনা দুৰ্যোগবোৰ নহ'লেও পকী ঘৰবোৰ ভাঙি চুৰমাৰ হৈছিল। মাজনিশা অহা এই ভূমিকম্পৰ সময়ত দেউতাই পঢ়া-শুনা কৰি আছিল আৰু আইও সাৰ পাই আছিল। ভয়ঙ্কৰ জোকাৰণি আৰু শব্দ কৰি আমাৰ দুমহলীয়া পকী ঘৰটোৰ ভগা অংশবোৰ ধৰমুণ পৰাদি বাহিৰলৈ পৰিছিল। এই দুৰ্যোগ হৈ যোৱাৰ পিছতহে আমি বাহিৰলৈ ভঙা ইটা, চিমেণ্টৰ ডাঙৰ ডাঙৰ ভগা অংশ, কাঠ আদিৰ মাজে মাজে সন্তৰ্পণে কি হ'ল চাবলৈ ওলাইছিলো। আমাৰ ঘৰটো সেই অৱস্থাত থিয় হৈ আছিল যদিও পিছদিনা ৰাতিপুৱাহে ওপৰ মহলালৈ গৈ দেউতাৰ গ্ৰন্থাগাৰটো চাবলৈ গৈছিলো। গ্ৰন্থাগাৰৰ আলমাৰিবোৰ ইটোৰ ওপৰত সিটো বাগৰি পৰি কিতাপ, ভগা আইনা, বালি, ইটা আৰু চিমেণ্টৰ ভগা টুকুৰাৰে এটা বিৰাট স্তূপ হৈ থকা দেখা পাইছিলো। দুৱাৰ মেলি ভিতৰত ভৰি দিয়াৰ ঠাই অকণো নোহোৱা হৈ আছিল। দেউতাক সেইখিনি সময়তো অতি ধীৰ-স্থিৰ দেখিছিলো। ঘৰ আৰু কিতাপৰ আলমাৰি বিলাক মেৰামতি কৰোৱাই দেউতাই অকলেই দুই এটা লগুৱা লৈ গ্ৰন্থাগাৰৰ হাজাৰ হাজাৰ কিতাপ চাফা চিকুণ কৰি পুনৰ পূৰ্বৰ ৰূপ দিছিল,

.... ২২ জুলাই, ১৯৮২ চন। সেইদিনা গুৱাহাটী বিশ্ববিদ্যালয়ে দেউতাই দান কৰা গ্ৰন্থাগাৰটি বিশ্ববিদ্যালয়ৰ চৌহদত উদ্বোধন কৰা সভাত অতিথি হিচাপে যোগদান কৰিছিলো। ই আছিল এক

বিষাদ আৰু আনন্দেৰে ভৰা অনুষ্ঠান।' বিষাদৰ আছিল— এজন সাধকৰ গোটেই জীৱনৰ পৰিশ্ৰমৰ স্মৃতিচিহ্ন নিজ পৰিয়ালবৰ্গৰ চিৰদিনৰ কাৰণে এঁৰাই অনা আৰু আনন্দৰ আছিল এখন বিশ্ববিদ্যালয় এক অমূল্য সম্পদৰ অধিকাৰী হোৱাৰ। সেই সভাত সকলোৱেই একে বাক্যে এই অমূল্য সম্পদটিৰ সংৰক্ষণৰ দায়িত্বৰ কথাই সোঁৱৰাই দিছিল। বিশিষ্ট অতিথিৰ ভাষণত প্ৰাক্তন উপাচাৰ্য ড° মথুৰামোহন গোস্বামীদেৱে এই কঠিন বিষয়-বস্তুৰ গ্ৰন্থ সাৰটিৰ সমূহীয়া অধ্যয়ন আৰু গৱেষণা কৰাৰ এটি মূল্যৱান পৰামৰ্শ আগবঢ়াইছিল।

গ্ৰন্থাগাৰ উদ্বোধন হোৱাৰ দুদিনমানৰ আগতে এদিন বিশ্ববিদ্যালয়লৈ গৈ দেউতাৰ ৰবৰৰ কিতাপবোৰ চাবলৈ গৈছিলোঁ। দেউতাৰ কিতাপবোৰ চাৰু-চিকুণকৈ পৰিপাটিকৈ সজাই-পৰাই তোলাৰ পিছত বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড° যোগেশ্বৰ শৰ্মাদেৱে মোক সুধিছিল, "দেখি কেনে পাইছে?" মই চমুৱাই উত্তৰ দিছিলোঁ, "দেউতাই দেখা হলে আনন্দ পালেহেঁতেন।

পৰিশিষ্ট—১

'সেতুবন্ধ' —এটি চমু পৰ্য্যালোচনা

সম্পাদক

এইখন পঞ্চম শতিকাৰ এখন প্ৰাকৃত মহাকাব্য। ইয়াৰ মূল লেখক হ'ল প্ৰৱৰসেন। কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াই এই কাব্যখনকে ইংৰাজীৰে টীকা-টিপ্পনীসহ অনুবাদ কৰাই নহয় ইয়াৰ সমালোচনাও আগবঢ়াইছে। ৮০০ পৃষ্ঠাতকৈ ওপৰৰ এই গ্ৰন্থখন ১৯৭৬ চনত আহমদাবাদৰপৰা প্ৰাকৃত টেক্সট্ ছোচাইটিয়ে প্ৰকাশ কৰিছে

সন্দিকৈ ডাঙৰীয়াৰ ই হ'ল তৃতীয কীৰ্তিস্তম্ভ। এই গ্ৰন্থখনৰ যিখন পাতনি তেওঁ লিখিলে সেয়াই ১৪৭ পৃষ্ঠাৰ। এই বিস্তৃত পাতনিখনৰ সম্বন্ধে প্ৰধান সম্পাদক শ্ৰীভায়ানিয়ে যি মন্তব্য কৰিছে সেইয়া প্ৰকৃততে প্ৰনিধানযোগ্য। তেওঁ লিখিছে 'The elaborate introduction deals with all the important aspects of the poem like authorship, date, source and influence, form, cultural & geographical bakground, language, metre, literary worth, commercial tradition & textual recensions. The detailed outline of the contents of the poem, spotlighting passages of significance, will be found very useful The problem of exactly characterizing the prakrit of the Setubandha is highly complicated' এই পাতনিখন অতি মূল্যৱান আৰু পাণ্ডিত্যপূৰ্ণ। শ্ৰীএইচ্ চি ভায়ানি গুজৰাট বিশ্ববিদ্যালয়ৰ প্ৰাকৃতৰ অধ্যাপক। তেওঁ আগকথাত উল্লেখ কৰা এটা অংশৰপৰাই এই গ্ৰন্থখনৰ পাণ্ডিত্যপূৰ্ণ অনুবাদ আৰু সমালোচনাৰ কথা বিতংকৈ

জানিব পাৰি। তেওঁৰ মতে, "মহাকাব্য-ৰীতিত উৎকৰ্ষ লাভ কৰা কেইখনমান মাত্ৰ কাব্যৰ অন্যতম প্ৰৱৰসেন প্ৰণীত সেতুবন্ধৰ অধ্যাপক সন্দিকৈয়ে লিখা এই গৱেষণামূলক অনুবাদ গ্ৰন্থখন প্ৰাচীন ভাৰতীয় সাহিত্য অনুশীলনকাৰীসকলৰ হাতত অৰ্পণ কৰিবলৈ পাই আমি আনন্দ আৰু গৌৰৱ অনুভৱ কৰিছো। বহুত সংখ্যক প্ৰাচীন টীকা তন্নতন্নকৈ অধ্যয়ন কৰি আহৰণ কৰা ব্যাখ্যান-সম্ভাৰৰ প্ৰাচুৰ্যৰ বিষয়ত বৰ্তমান সময়ত ওলোৱা প্ৰাকৃত সাহিত্য সম্বন্ধীয় কোনো গৱেষণা গ্ৰন্থ এই গ্ৰন্থৰ সমকক্ষ নহয়। প্ৰাচীনত্ব, গুৰুত্ব আৰু বহুকাল ব্যাপী উচ্চ সমাদৰৰ ফালৰপৰা চাবলৈ সেতুবন্ধখন হালৰ সপ্তশতকৰ লগত বিজাব পাৰি। সপ্তশতকখনে তালেমান দিন আগতে বেবাৰৰ (জাৰ্মানিৰ ভাৰততত্ত্বজ্ঞ বিখ্যাত পণ্ডিত আৰু বাৰ্লিন বিশ্ববিদ্যালয়ৰ সংস্কৃত অধ্যাপক) নিচিনা পণ্ডিতৰ যথাযোগ্য মনোযোগ আকৰ্ষণ কৰিছিল। এনে বোধ হয় যেন সেতুবন্ধখনে অধ্যাপক সন্দিকৈৰ পুৰঠ পাণ্ডিত্যৰ কাৰণে ইমান দিন অপেক্ষা কৰি আছিল।"

প্ৰৱৰসেনৰ মহাকাব্যৰ ৰচনা-ৰীতি প্ৰাচীন ভাৰতীয় কাব্য-ৰীতিৰ অভিব্যক্তিৰ ইতিহাসৰ কাৰণে অতি আৱশ্যকীয় সাহিত্যিক সম্বল। প্ৰৱৰসেন আছিল কালিদাসৰ প্ৰায় সমসাময়িক। প্ৰাকৃত হিচাপেও ইমান প্ৰাচীন মহাকাব্য প্ৰাকৃতত বৰ্তমান নাই। দুই-এখন আছিল প্ৰাচীন যুগতে লুপ্ত হ'ল। এই মহাকাব্যখন মহাৰাষ্ট্ৰীয় প্ৰাকৃতত লিখিত। প্ৰাকৃতত সৰু সৰু গীতি কবিতাৰ সংগ্ৰহ গাথা সপ্তশতী আদিতে পোৱা যায়। কিন্তু মহাকাব্য বেছি নাছিল। এইখনেই একমাত্ৰ এতিয়ালৈকে প্ৰচলিত প্ৰাচীন প্ৰাকৃত মহাকাব্য। এইখন লিখি উলিয়াওঁতে সন্দিকৈ ডাঙৰীয়াৰ প্ৰায় এটা যুগ লাগিছিল। ইয়াত তেওঁ প্ৰাকৃত সাহিত্য সম্পৰ্কীয় তালেমান বিষয়ৰ সমালোচনা আগবঢ়াইছে।

প্ৰৱৰসেনেই আটাইতকৈ প্ৰাচীন লেখক যি কেৱল ৰামৰ বিষয়ে বাল্মীকি ৰামায়ণৰ লগত সঙ্গতি ৰক্ষা কৰি এখন মহাকাব্য

ৰচনা কৰিছিল। তেওঁ পাতনিখনৰ চতুৰ্থখণ্ডৰ "The Satubandha & the Ramayana" বোলা অংশত উল্লেখ কৰিছে – "Pravarsena is one of the earliest writers to have composed a Kavya exclusively on the subject of Rama in Comformity with the Valmiki Ramayana.'

[প্ৰৱৰসেনেই আটাইতকৈ প্ৰাচীন লেখক যি কেৱল ৰামৰ বিষয়ে বাল্মীকি ৰামায়ণৰ লগত সঙ্গতি ৰক্ষা কৰি এখন মহাকাব্য ৰচনা কৰিছিল।]

এই মহাকাব্যখনৰ মূল বিষয়বস্তু হ'ল ৰামায়ণৰ উত্তৰ ভাগৰ কথা-বস্তু লৈ এইখন মহাকাব্য লিখা হৈছে। মূল কথা হ'ল:– সেতু-বন্ধৰ পৰিকল্পনা কৰা। প্ৰথমে পৰিকল্পনা নোহোৱাকৈ সেতু বান্ধিবলৈ যোৱাত সেতু বান্ধ নেখালে। পিছত নলে পৰিকল্পনা কৰা মতেহে সেতু বান্ধিব পৰা হ'ল। পৰিকল্পনাৰ মূল্য দেখুওৱাটোও এই মহা-কাব্যৰ উদ্দেশ্য।

The Satubandha of Pravarsena deals with a portion of the story of Rama from the return of Hanumat from Lanka with the tidings of Sita to the death of Ravana, with special emphasis on the construction of the great causeway between the mainland and the Island."

সেতুবন্ধৰ প্ৰথম অনুবাদ:

এই প্ৰাকৃত মহাকাব্যখনৰ প্ৰথমে জাৰ্মানিত এগৰাকী জাৰ্মান পণ্ডিত গল্ডস্মিথ (Goldschmidt) ছপা কৰি উলিয়ায় ১৮৮০ চনত। কেৱল প্ৰকাশেই নহয় জাৰ্মান ভাষালৈ অনুবাদ কৰে। কিন্তু এই মহাকাব্যখনৰ তিনিটা প্ৰাচীন সংস্কৰণ (Recension) আছিল। উত্তৰ ভাৰতীয়, দক্ষিণ ভাৰতীয় আৰু পূৰ্ব ভাৰতীয় বা বঙ্গীয় (গৌড়ীয়)। প্ৰথমে ইয়াৰ জাৰ্মান অনুবাদ কৰিছিল জাৰ্মান পণ্ডিতগৰাকীয়ে উত্তৰ ভাৰতীয় সংস্কৰণ অনুযায়ী। [illegible] প্ৰথমতে এই সংস্কৰণমতেই অনুবাদ

কৰিছিল। কিন্তু এই সংস্কৰণ অনুযায়ী অনুবাদ কৰাত বহুত আসোঁৱাহ ওলোৱাত আৰু অনেক কথা দুৰ্বোধ্য বুলি গণ্য হোৱাত সন্দিকৈয়ে অনুবাদৰ কাম বন্ধ ৰাখি এই মহাকাব্যৰ অন্যান্য প্ৰাচীনটীকা ভাৰতৰ সকলো ঠাইৰপৰা সংগ্ৰহ কৰিবলৈ ধৰে। এই সংগ্ৰহকাৰ্য কৰি দিয়ে তেওঁৰ বন্ধু ড° পৰশুৰামকৃষ্ণ গোডে আৰু ড° আদিনাথ নেমিনাথ উপাধ্যেয়ে। এই টীকাবিলাক সংগ্ৰহ হ'লত আটাইবিলাক সংশোধন কৰি তাত বেছিভাগ তেওঁ কৰা ইংৰাজী অনুবাদৰ ওপৰঞ্চিস্বৰূপে দিবলৈ ঠিক কৰে। অৱশেষত অনুবাদৰ ক'মতকৈও এই টীকাবিলাকৰ সংশোধনৰ কাম বেছি কঠিন আৰু দুৰূহ হৈ উঠে আৰু এইবিলাকতে তেখেতৰ কেইবাবছৰো সময় অতিবাহিত হয়। কিন্তু উত্তৰ ভাৰত, দক্ষিণ ভাৰত আৰু বঙ্গীয় এই আটাইবোৰ মিলাই প্ৰকৃত পাঠ নিৰ্দ্ধাৰণ কৰি অনুবাদ কৰাৰ ফলত অনুবাদ আগতকৈ সৰল আৰু সুগম হয়।

এই মহাকাব্যখনৰ অনুবাদৰ কাম তেওঁ কিয় হাতত ল'লে বুলি এটা প্ৰশ্ন সোধ'ত তেওঁ আমাক জনাইছিল— যে এই মহাকাব্যৰ অনুবাদ কেৱল জাৰ্মান ভাষাতহে আছে আৰু ইংৰাজী ভাষাত নাই সেইবুলিয়ে অনুবাদৰ কাম হাতত লোৱা নাছিল। ইয়াৰ আটাইকেউটা প্ৰাচীন সংস্কৰণ আৰু সেই অনুসৰি প্ৰাচীন টীকা আটাইবিলাকৰ তুলনামূলক অধ্যয়ন নকৰিলে এই কাব্যখনৰ প্ৰকৃত অনুবাদ কৰা অসম্ভৱ আছিল। সেই কাৰণেই সন্দিকৈ ডাঙৰীয়াই আগেয়ে কৰা প্ৰায় পাঁচশ শ্লোকৰ অনুবাদ নিজেই অগ্ৰাহ্য কৰি আকৌ অনুবাদৰ কাম কৰিব লগা হ'ল। এই গোটেইখন গ্ৰন্থ নিজ হাতে সুন্দৰকৈ লিখি ছপাশালালৈ পঠাওঁতে তেওঁৰ বহুত পৰিশ্ৰম আৰু সময় লাগিছিল। এই সম্বন্ধে বিস্তাৰিত বিৱৰণ তেওঁ এই গ্ৰন্থতে উল্লেখ কৰিছে।

সন্দিকৈ ডাঙৰীয়াই ইয়াকো কৈছিল যে জাৰ্মান সংস্কৰণ আৰু অনুবাদ ওলোৱা এক শতাব্দীৰ ওচৰা-উচৰি হ'ল। এই সময়ৰ

ভিতৰত অনেক প্ৰাকৃত আৰু অপভ্ৰংশ গ্ৰন্থ প্ৰকাশ হৈছে। প্ৰাকৃত ভাষা আৰু সাহিত্যৰ বিষয়ে নানা আলোচনা হৈছে। এই সকলোবিলাক গ্ৰন্থ আৰু আলোচনা আয়ত্ত কৰি সেতুবন্ধৰ কাম সমাধা কৰোতেও তেওঁৰ বহুত সময় খৰচ হৈছিল।

এই মহাকাব্যখনৰ বিভিন্ন পাঠ অনুবাদ আৰু টীকা-ভাষ্যৰ বিস্তীৰ্ণতাৰ কাৰণেই প্ৰাকৃত টেক্সট্ ছোচাইটিয়ে ছপাবলৈ বিশেষ আগ্ৰহ প্ৰকাশ কৰে। পুৰণি পুথিবিলাকৰ ভিতৰত এখন দুষ্প্ৰাপ্য টীকাৰ কাৰণে বম্বে বিশ্ববিদ্যালয়ে এটা 'ফটোষ্টেট' কপি দিয়ে আৰু বাকী-বোৰৰ বেলেগ বেলেগ ঠাইৰপৰা হাতে লেখা নকল পায়।

আৰ্থিক লাভালাভলৈ নেচাই সন্দিকৈ ডাঙৰীয়াই এককালীন দানস্বৰূপে তেওঁ প্ৰাকৃত টেক্সট্ ছোচাইটিক তেওঁৰ বন্ধু আদিনাথ নেমিনাথ উপাধ্যেৰ অনুৰোধক্ৰমে এই অমূল্য গ্ৰন্থখনি প্ৰকাশ কৰিবলৈ দিয়ে। এই গ্ৰন্থখনিক উক্ত অনুষ্ঠানে গ্ৰহণ কৰি তেওঁলৈ জনোৱা চিঠিৰ একাংশত সচিবে উল্লেখ কৰিছিল—"আপোনাৰ পাণ্ডিত্যপূৰ্ণ 'সেতুবন্ধ'ৰ সংস্কৰণ বাস্তবিকতে একাধিক কাৰণে এই ছোচাইটিৰ বাবে অতি মূল্যৱান সম্পত্তিৰূপে পৰিগণিত হ'ব।"

প্ৰধান সম্পাদক শ্ৰীভায়ানিয়ে তেওঁৰ আগকথাত উল্লেখ কৰা শেষৰ মন্তব্যটো বিশেষভাবে মন কৰিব লগা।

"এইটো স্পষ্ট যে ভৱিষ্যতৰ পণ্ডিতসকলে 'সেতুবন্ধ'ৰ ভিন ভিন প্ৰাচীন সংস্কৰণবোৰ নিৰূপণ কৰোঁতে আৰু মূল কাব্যখনৰ এটা সমালোচনামূলক সংস্কৰণ প্ৰস্তুত কৰোতে অধ্যাপক সন্দিকৈয়ে তোলা তেটিৰ ওপৰত নিৰ্ভৰ কৰিব লাগিব। কেইবাবছৰৰ সযত্ন পৰিশ্ৰমৰ ফল সেতুবন্ধৰ এই অনুবাদ আৰু আলোচনাটো পাঠক-সকলে সাদৰে গ্ৰহণ কৰিব আৰু প্ৰাকৃত ভাষাতত্ত্বৰ ক্ষেত্ৰত ইয়াক এটা মহৎ অৱদান বুলি গণ্য কৰিব তাত সন্দেহ নাই। প্ৰাকৃত টেক্সট্ ছোচাইটিয়ে এই কিতাপখন প্ৰকাশ কৰিবলৈ পাই অত্যন্ত সুখী

হৈছে। অকল সেয়ে নহয়, পৰম উদাৰ ভাবাপন্ন হৈ অধ্যাপক সন্দিকৈয়ে ইয়াৰ ছপা খৰচ বহন কৰি কিতাপখন ছোচাইটিক দান কৰাৰ কাৰণে ছোচাইটি তেওঁৰ ওচৰত কৃতজ্ঞ হৈ আছে।”

এই গ্ৰন্থখনি সন্দিকৈ ডাঙৰীয়াই তেওঁৰ বন্ধু মহীশূৰ বিশ্ব-বিদ্যালয়ৰ জৈন পুৰাতত্ত্ব আৰু প্ৰাকৃতৰ অধ্যাপক ড° আদিনাথ নেমিনাথ উপাধ্যেৰ স্মৃতিত উছৰ্গা কৰি গৈছে। এই গ্ৰন্থখনিৰ ছপা খৰচ সন্দিকৈয়ে বহন কৰিছিল কাৰণে প্ৰাকৃত টেক্সট্ ছোচাইটিয়ে চল্লিশ টকা মূল্যত বিক্ৰি মূল্য নিৰ্ধাৰণ কৰিব পাৰিলে। নহ'লে এই গ্ৰন্থখনৰ মূল্য এই দামৰ পাঁচ-ছয় গুণ হ'লহেঁতেন। ●

পৰিশিষ্ট—২

চকুৰ পচাৰতে স্বৰ্গীয় কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াৰ জীৱনৰ উল্লেখযোগ্য কথাকেইটামান

কৃষ্ণকান্ত সন্দিকৈৰ জন্ম— ১৮৯৮ চনৰ ২০ জুলাই, বুধবাৰ, দ্বিতীয়া শুক্লপক্ষত।

জন্মস্থান— যোৰহাট।

পিতা— দানবীৰ ৰাধাকান্ত সন্দিকৈ।

মাতা— নাৰায়ণী সন্দিকৈ।

মেট্ৰিকুলেচন পৰীক্ষা পাছ কৰে— যোৰহাট চৰকাৰী উচ্চ ইংৰাজী স্কুলৰপৰা— ১৯১৩ চনত, আই-এ পাছ কৰে— গুৱাহাটী কটন কলেজৰ পৰা ১৯১৫ চনত।

সংস্কৃতত অনাৰ্চ লৈ বি-এ পাছ কৰে কলিকতাৰ সংস্কৃত কলেজৰপৰা— ১৯১৭ চনত। কলিকতা বিশ্ববিদ্যালয়ৰ পৰা সংস্কৃতৰ বৈদিক শাখাত এম এ পাছ কৰে— ১৯১৯ চনত।

ইউৰোপ যাত্ৰা— ১৯২০ চনত।

লণ্ডনত থাকে— ১৯২০ চনত।

অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰপৰা মডাৰ্ণ হিষ্ট্ৰিত (Modern History) এম-এ উপাধি লাভ কৰে— ১৯২৩ চনত।

ইংলেণ্ডত তিনি বছৰ থকাৰ পিচত চাৰি বছৰ কাল ফ্ৰান্স আৰু জাৰ্মানিত কটায়— বিভিন্ন ভাষা আৰু সাহিত্য অধ্যয়ন কৰি।

১৯২৭ চনৰ ফেব্ৰুৱাৰী মাহত ইউৰোপৰ পৰা ঘূৰি আহে।

১৯২৮ চনৰ ফেব্ৰুৱাৰী মাহত হেমলতা সন্দিকৈক আইদেউক বিয়া কৰায়।

১৯২৯ চনত অসম ছাত্ৰ সম্মিলনৰ সভাপতি হয়।

১৯৩০ চনৰপৰা ১৯৪৭ চনলৈকে যোৰহাট জগন্নাথ বৰুৱা কলেজৰ অধ্যক্ষ হৈ থাকে।

১৯৩৪ চনত প্ৰকাশ হয়— নৈষধ চৰিত।

১৯৩৭ চনত অসম সাহিত্য সভাৰ সভাপতি (গুৱাহাটী অধিবেশন) হয়।

১৯৪৮ চনৰপৰা ১৯৫৭ চনলৈকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হৈ থাকে।

১৯৪৯ চনত প্ৰকাশ হয়— যশস্তিলক আৰু ভাৰতীয় সংস্কৃতি (Yasastilaka & Indian culture)

১৯৫১ চনত লক্ষ্ণৌত বহা সৰ্বভাৰতীয় প্ৰাচ্য সম্মিলনৰ প্ৰাচীন সংস্কৃত শাখাৰ সভাপতি হয়।

১৯৫২ চনত Inter University Board of India ৰ (ভাৰত আন্তঃ বিশ্ববিদ্যালয় সমিতি) সভাপতি নিৰ্বাচিত হয়।

১৯৫২ চনত মাদ্ৰাজ বিশ্ববিদ্যালয়ত বহা Inter University বৰ্ডৰ বিশেষ সভাত পৌৰোহিত্য কৰে। এই সভাতে ইউ-জি-চি (বিশ্ব-বিদ্যালয় অনুদান আয়োগ) গঠন কৰিবৰ কাৰণে ভাৰত চৰকাৰক অনুৰোধ কৰি প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

১৯৫৫ চনত ভাৰত চৰকাৰে 'পদ্মশ্ৰী' উপাধি প্ৰদান কৰে।

১৯৫৮ চনৰপৰা 'সেতুবন্ধ' লিখাৰ প্ৰস্তুতি!

১৯৭৫ চনৰ লগে লগে লিখা সম্পূৰ্ণ হয়।

১৯৬১ চনৰ ২০ জুলাইত তেওঁৰ পত্নী হেমলতা সন্দিকৈৰ বিয়োগ হয়।

১৯৬৭ চনত ভাৰত চৰকাৰে 'পদ্মভূষণ' উপাধি প্ৰদান কৰে।

১৯৬৮ চনত ডেকান কলেজে Honorary fellowship [সম্মানিত সদস্যপদ] প্ৰদান কৰে। এই একে বছৰতে গুৱাহাটী বিশ্ববিদ্যালয়ে ডি-লিট্ উপাধি প্ৰদান কৰে।

১৯৭২ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ে ডি-লিট্ উপাধি প্ৰদান কৰে।

১৯৭৫ চনৰ আৰম্ভণিলৈকে ইংৰাজী আৰু অসমীয়াত লিখা প্ৰবন্ধৰ সংখ্যা প্ৰায় ৩০ টা।

১৯৭৬ চনত প্ৰাকৃত টেক্সট্ চছাইটিয়ে 'সেতুবন্ধ' প্ৰকাশ কৰে।

১৯৭৮ চনত অসম সাহিত্য সভাই 'সদস্য-মহীয়ান' উপাধিৰে সন্দিকৈ-দেৱক বৰণ কৰে।

১৯৮২ চনৰ জুন মাহৰ ৭ তাৰিখ সোমবাৰে দিনৰ ১০ বাজি ২০ মিনিটত ডিব্ৰুগড় ডি এম হস্পিটেলত মৃত্যু বৰণ কৰে।

জুনৰ ৮ তাৰিখে অন্ত্যেষ্টিক্ৰিয়া সমাপন হয়— যোৰহাট তৰাজানৰ শ্মশানত।

১৯৮২ চনৰ জুলাই মাহৰ ৬ তাৰিখে সন্দিকৈৰ ব্যক্তিগত লাইব্ৰেৰীটো গুৱাহাটী বিশ্ববিদ্যালয়ে স্থানান্তৰ কৰে।

কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াই অসমীয়া আৰু বঙালী বাদ দি পৃথিবীৰ ১১ টা ভাষা জানিছিল।

তেওঁৰ একমাত্ৰ পুত্ৰ—শ্ৰীবিজয়কৃষ্ণ সন্দিকৈ বৰ্তমান ৰাজ্যসভাৰ সদস্য।

বোৱাৰীয়েক শ্ৰীমতী স্বৰূপৰাণী সন্দিকৈ।

বৰ জীয়াৰী—শ্ৰীমতী প্ৰমীলা গগৈ। শ্ৰীডম্বৰুধৰ গগৈৰ পত্নী।

সৰু জীয়াৰী—শ্ৰীমতীঅহল্যা গগৈ। শ্ৰীবুদ্ধীন্দ্ৰনাথ গগৈৰ পত্নী।

১৯৮৩ চনৰ ৭ অক্টোবৰ তাৰিখে ভাৰত চৰকাৰৰ দ্বাৰা সন্দিকৈৰ স্মৃতিত ডাকটিকট উন্মোচন হয়।

পৰিশিষ্ট — ৩

শোকবাৰ্তা

মই ক'ব নোৱাৰো এইয়া 'টেলিপেথি'ৰ (Telepathy—ইন্দ্ৰিয়ৰ সহায় নোহোৱাকৈ দূৰৰ দুজন মানুহৰ মনোভাৱৰ যোগাযোগ) কাৰণেই নেকি এজন মানুহে আন এজন মানুহক লগ পোৱাৰ প্ৰবল স্পৃহা মনত জাগে। তেওঁৰ (সন্দিকৈৰ) মৃত্যুৰ কেইমাহমানৰ আগতে মই অনুভৱ কৰিছিলো যে সত্তমুক্ত কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াই বোধহয় মোক লগ পাবৰ কাৰণে ইচ্ছা কৰিছে। মই যোৱা ফেব্ৰুৱাৰী মাহত যোৰহাটলৈ গৈছিলো আৰু গৈ তেওঁক দেখা কৰিছিলো। মোক দেখাৰ লগে লগে তেওঁ জেনেই ভাগি পৰিছিল কিন্তু তৎক্ষণাৎ নিজকে সংযত কৰি আগৰ অৱস্থাপ্ৰাপ্ত হ'ল। তেওঁক বৰ ক্ষীণ দেখিছিলো কিন্তু মানসিকভাৱে তেওঁ সম্পূৰ্ণ সক্ষম আছিল। তেওঁ মোক ধেমালিৰ ছলেৰেই ক'লে যে তেওঁ কেনো মোক প্ৰায়ে সপোনত দেখিছিল। তেওঁৰ ওচৰত তেতিয়া এটা লগুৱা ল'ৰা আছিল আৰু তেওঁ কৈছিল যে সেই ল'ৰাটো বৰ অনুগত। তাৰ কাৰণে তেওঁ ভৱিষ্যতৰ সংস্থান কৰি গৈছে — সেইয়া আছিল সন্দিকৈসুলভ কাৰ্য — চিৰদিন বিবেচক আৰু দয়ালু। মোক দেখুৱাই তেওঁ কৈছিল— "তই যে মোক সোধ বিজনৰ বিষয়ে মই প্ৰায়ে কৈ থাকো সেইজনেই হৈছে এইজন লোক।" কথা শুনি স্বাভাৱিকতে মই বিচলিত হৈছিলো।

প্ৰয়াত সন্দিকৈ ডাঙৰীয়াই গুৱাহাটী বিশ্ববিদ্যালয়ৰ কথা বোমন্থন কৰি বৰ ভাল পাইছিল। মই তেওঁক কুৰুক্ষেত্ৰ বিশ্ব-বিদ্যালয়ত সাম্প্ৰদায়িকতা আৰু জাত বিচাৰৰ কাৰণে কি ব্যৱস্থা লৈছিলো তাৰ সম্বন্ধে জনাইছিলো। তেওঁ মোৰ কাৰ্যপন্থা সম্বন্ধে

জানি বৰ প্ৰশংসা কৰিছিল আৰু কৈছিল যে সাম্প্ৰদায়িকতা ভাবসম্পন্ন কোনো মানুহকে কেতিয়াও কোনো অৱস্থাত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য নিয়োগ কৰিব নেলাগে ।

প্ৰয়াত সন্দিকৈ ডাঙৰীয়াৰ লগত কথা পাতিবলৈ মই সদায়ে বৰ ভাল পাইছিলো । তেওঁ যি কোনো বিষয়ৰ কথাকে পাতিব পাৰিছিল । তেওঁ বিশেষ ভাৱপ্ৰৱণতা থকা এজন ব্যক্তি আছিল । যিবিলাকক তেওঁ ভাল নেপাইছিল তেওঁলোকৰ পৰা সদায় আঁতৰি আছিল । তেওঁ কেতিয়াও কোনো মানুহৰ লগত তৰ্ক-বিতৰ্ক কৰা নাছিল । নাইবা কোনো মানুহৰ লগত হাই-কাজিয়াওঁ কৰা নাছিল । তেওঁ মোলৈ যি স্নেহ-প্ৰীতি দেখুৱাইছিল সেইয়া মোৰ কাৰণে অতি মূল্যবান আছিল । ২৯ মে তাৰিখে যেতিয়া মই তেওঁক ডিব্ৰুগড়ৰ নাৰ্চিং হ'মত দেখিছিলো (ঠিক তাৰ পিচদিনাই মই কমিচনৰ কামত শ্বিলঙলৈ গৈছিলো ।) তেতিয়া তেওঁ অৰ্দ্ধচেতন অৱস্থাত আছিল যদিও তেওঁৰ জীয়েকে মোৰ কথা কোৱাত তেওঁ দুই-তিনিবাৰ কৈছিল "দত্ত ক'ত ?" মই তেতিয়া তেওঁৰ ওচৰতে থিয় হৈ আছিলো! কিন্তু তেওঁ মোক চিনি নেপালে, এইদৰেই এজন মহৎলোকৰ অৱসান ঘটিল । কিন্তু সেইজন ব্যক্তি তেওঁৰ গ্ৰন্থকেইখনৰ যোগেদিয়েই চিৰ যুগমীয়া হৈ থাকিব ।

তেওঁৰ আত্মাই শান্তি লাভ কৰক ।

শ্বিলং চাৰ্কিট হাউচ
১৬/৭/৮২

এচ·কে দত্ত
(শৰৎ কুমাৰ দত্ত)

কুৰুক্ষেত্ৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য আৰু অসম আৰু নগাভূমিৰ প্ৰাক্তন ন্যায়াধীশ শ্ৰীশৰৎ কুমাৰ দত্তই শ্বিলঙৰ পৰা আমালৈ ওপৰত দিয়া সৰু প্ৰবন্ধটো ইংৰাজীতে লিখি পঠোৱাত তাকে শোকবাৰ্তাৰূপে ইয়াত অনুবাদ কৰি দিয়া হ'ল ।
[সম্পাদক]

[গুৱাহাটী বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ প্ৰতিষ্ঠাপক আৰু মুৰব্বী অধ্যাপক শ্ৰীভি-ডি থাৱানিয়ে কৃষ্ণকান্ত সন্দিকৈৰ মৃত্যুত শোক প্ৰকাশ কৰি সন্দিকৈৰ জীয়াৰী শ্ৰীমতী অহল্যা গগৈলৈ দিয়া চিঠিৰ অংশ তলত তুলি দিয়া হ'ল। প্ৰফেচাৰ থাৱানি কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ বেংলাৰ আছিল। সম্পাদক]

V.D. Thawani

"GANIT"
490-A Adarsh Nagar
Jaipnr-302004
August 22.1982.

Dear Mrs,Ahalya,

I had learnt with profound grief about the sad death of your dear father, Krishna Kanta Handiqui· I and my wife pray for peace on his soul. Please convey our condolences to your brother and other kith and kin.

Although he lived upto a ripe old age, persons of his eminence and integrity are always missed. I came close to him during the years 1948-57 when he was the Vice-Chancellor of the Gauhati University and I developed deep respect for him. Much of the work we could do at the University was due to his encouragement. His love for the University necessarily instilled a sense of duty to the University among the staff.

—ভাৰতীয় সংস্কৃতি বিদ্যামন্দিৰ প্ৰাকৃত টেক্সট্ চচাইটি আৰু প্ৰাকৃত বিদ্যামণ্ডলৰ শোক প্ৰস্তাৱ—

(২।৮।৮২ তাৰিখে, স্বৰ্গীয় কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াৰ একমাত্ৰ পুত্ৰ শ্ৰীবিজয়কৃষ্ণ সন্দিকৈ ডাঙৰীয়ালৈ আহমদাবাদৰ এল-ডি ইন্সটিটিউটৰ সঞ্চালক ডাঙৰীয়াই তলত দিয়া শোক প্ৰস্তাৱটো পঠাইছিল। মূল প্ৰস্তাৱৰ অসমীয়া অনুবাদো তলত দিয়া হল। সম্পাদক)

* (আহমদাবাদত অনুষ্ঠিত লালভাই দলপতভাই ভাৰতীয় সংস্কৃতি বিদ্যামন্দিৰ, প্ৰাকৃত টেক্সট্ চচাইটি আৰু প্ৰাকৃত বিদ্যামণ্ডলে একত্ৰিত হৈ তলত দিয়া প্ৰস্তাৱটো ১৯৮২ চনৰ ১৪ জুলাইত বহা শোক সভাত গ্ৰহণ কৰে।)

'ভাৰতৰ তত্বৰ মহান পণ্ডিত আৰু প্ৰাকৃত সাহিত্যৰ মাত্ৰ কেইজনমান শ্ৰেষ্ঠ পণ্ডিতৰ ভিতৰৰে এজন ব্যক্তি ড° কে কে সন্দিকৈৰ বিয়োগত আমি গভীৰ শোক প্ৰকাশ কৰিছোঁ। প্ৰাচীন সংস্কৃত গ্ৰন্থৰ সাংস্কৃতিক অধ্যয়ন আৰু প্ৰাচীন প্ৰাকৃত গ্ৰন্থৰ ব্যাখ্যানেৰে যি অৱদান তেওঁ দি গ'ল তাৰ মূল্য চিৰযুগমীয়া হৈ ৰ'ব। তেওঁৰ মৃত্যুত ভাৰততত্বৰ পাণ্ডিত্যৰ যি হানি হ'ল সি অপূৰণীয়। আমি তেওঁৰ পৰিয়ালটৈ আমাৰ এই শোক-বাৰ্তা প্ৰেৰণ কৰিছোঁ।'

(True copy)

L. D. Institute of Indology

Near Gujarat University.
AHMEDABAD-380 009
(India)

Ref.No.399/82 **Date 2.8.1982**

The L.D. Institute of Indology, Ahmedabad, The prakrit Text Society, Ahmedabad and the Prakrit

Vidya Mandal, Ahmedabad, passed the following resolution at the condolence meeting held jointly on the 14th July 1982.

We express deep sense of sorrow at the sad demise of Dr.K.K. Handiqui, who was a great Indologist and one of the few topmost scholars of Prakrit literature. His contributions to the cultural study of classical sanskrit texts and the interpretation of classical Prakrit texts have a permanent value. The loss to the indological scholarship is irrepairable. We send our condolence to his bereaved family.

পৰিশিষ্ট – ৪

কৃষ্ণকান্ত সন্দিকৈৰ পাণ্ডিত্যপূৰ্ণ গ্ৰন্থ তিনিখনৰ পোৱাৰ ঠিকনা তলত দিয়া হ'ল—

১) Naisadhacarita of Sriharsa
3rd Edition – 1965
Price Rs 21.00
Deccan college
post Graduate & Research Institute, Poona

২) Yasastilaka and Indian Culture
2nd Edition—1968
Price Rs 25.00
Jaina Samskriti samrakshaka
Sangha, Sholapur,

৩) Setubandha
1st Edition – 1976
price Rs 40.00
Prakrit Text Socity
L. D Intitute of Indology
Ahmedabad – 9

Available from

1. **Motilal Banarasidas, Delhi, Varanasi, Patna.**
2. **Munshiram manoharlal, Delhi**
3. **Sarasvatí Pustak Bhandar**
   Ratanpole, Ahmedabad
4. **Oriental Book Centre,**
   Manek Chouk, Ahmedabad

পৰিশিষ্ট - ৫

'প্ৰাচ্যবিদ্যাৰ্ণৱ কৃষ্ণকান্তৰ' লেখকসকল

সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকা : অসমৰ এগৰাকী প্ৰখ্যাত কবি, নাট্যকাৰ আৰু প্ৰথিতযশা সাহিত্যিক। হাজৰিকাৰ সাহিত্য-কীৰ্তিৰ কাৰণে তেওঁক অসম সাহিত্যসভাই 'সাহিত্যাচাৰ্য' উপাধিৰে ১৯৮২ চনত বিভূষিত কৰিছে 'মঞ্চলেখাৰ' যোগেদি তেওঁ সাহিত্য অকাডেমীৰ পুৰস্কাৰ লাভ কৰিছে। অসম সাহিত্যসভাৰ এগৰাকী প্ৰাক্তন সভাপতি। অসমীয়া শিশু সাহিত্যত হাজৰিকাদেৱৰ আচু-তীয়া এখন আসন আছে। গুৱাহাটীৰ উজান বজাৰত থকা 'তপো-বন'ৰ ঘৰৰ পৰাই অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতিক জীপাল কৰি ৰাখিছে।

শ্ৰীঅজিত কুমাৰ শৰ্মা : সংসদী সদস্য শৰ্মা ৰাজনীতিতে আৱদ্ধ নাথাকি মাজে সময়ে শিক্ষা আৰু সাহিত্য-জগতলৈ আলোকপাত কৰে। শৰ্মাৰ নিৰীক্ষণ শক্তি অতি সূক্ষ্ম। প্ৰয়াত সন্দিকৈৰ সান্নিধ্য লাভ কৰা শৰ্মা এজন বিশিষ্ট ব্যক্তি। তেওঁৰ ৰচিত উল্লেখযোগ্য পুথি হৈছে 'অমত আৰু অভিমত' আৰু প্লেটোৰ ৰিপাব্লিকৰ অসমীয়া অনুবাদ— 'প্লেটোৰ গণৰাজ্য' অলপতে সাহিত্য অকাডেমীয়ে প্ৰকাশ কৰিছে।

ড° মহেশ্বৰ নেওগ : প্ৰখ্যাত সমালোচক, কবি আৰু নিবন্ধকাৰ। অসমৰ এজন আগ শাৰীৰ পণ্ডিত বুলি জনাজাত। শঙ্কৰী সাহিত্যত লব্ধপ্ৰতিষ্ঠ পণ্ডিতৰূপেও নেওগ ডাঙৰীয়া সুপ্ৰসিদ্ধ। ড° নেওগৰ উল্লেখযোগ্য পুথি হ'ল— শ্ৰীশ্ৰীশঙ্কৰদেৱ, পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি, অসমীয়া গীতি সাহিত্য, অসমীয়া সাহিত্যৰ

ৰূপৰেখা, প্ৰাচ্য শাসনাৱলী, Tradition and style ইত্যাদি। ড° নেওগ অসম সাহিত্য সভাৰ এগৰাকী প্ৰাক্তন সভাপতি।

চৈয়দ আব্দুল মালিক : প্ৰথিতযশা কথা-শিল্পীৰূপে পৰিচয় লাভ কৰা মালিক চাহেব কেৱল ঔপন্যাসিকেই নহয়— চুটি গল্পৰ এজন সাৰ্থক ৰচয়িতা, কবি, নাট্যকাৰ আৰু নিবন্ধকাৰ। 'অঘৰী আত্মাৰ কাহিনী'য়ে তেওঁক আনি দিলে সাহিত্য অকাডেমীৰ পুৰস্কাৰ। ভ্ৰমণ সাহিত্য আৰু ব্যঙ্গ সাহিত্যতো তেওঁ খ্যাতি অৰ্জিছে। তেওঁৰ 'অসমীয়া জিকিৰ আৰু জাৰী' গৱেষণামূলক গ্ৰন্থ। মালিক চাহেব অসম সাহিত্য সভাৰ এগৰাকী প্ৰক্তন সভাপতি।

ড° আদিনাথ নেমিনাথ উপাধ্যে : বিখ্যাত প্ৰাকৃতবিদ্ পণ্ডিত। তেওঁ মহাৰাষ্ট্ৰৰ কোলহাপুৰ ৰাজাৰাম কলেজত প্ৰাকৃতৰ অধ্যাপক আছিল। তেওঁ কন্নড, মৰাঠী, তেলেগু, গুজৰাটী, হিন্দী, জাৰ্মান আদি ভাষাত সুপণ্ডিত আছিল। ১৯৬২ চনত তেওঁ অৱসৰ লয়। কিন্তু তাৰ পিচত কেইবা বছৰধৰি ১৯৭০ চনলৈকে কোলহাপুৰৰ শিৱাজী বিশ্ববিদ্যালয়ৰ কলাগুৰু হৈ আছিল। ১৯৭১ চনৰপৰা মহীশূৰ বিশ্ববিদ্যালয়ৰ জৈন পুৰাতত্ত্ব আৰু প্ৰাকৃত বিভাগৰ অধ্যাপক হৈ আছিল।

ড° উপাধ্যে কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াৰ এজন অন্তৰঙ্গ বন্ধু আছিল। 'সেতুবন্ধ'ৰ পুৰণি টীকাবোৰ সংগ্ৰহ কৰাত তেওঁ সন্দিকৈক বিশেষভাৱে সহায় কৰিছিল। সন্দিকৈৰ মৃত্যুৰ কিছু দিনৰ আগতে ড° উপাধ্যেৰ মৃত্যু হয়।

শ্ৰীযতীন্দ্ৰনাথ গোস্বামী : জগন্নাথ বৰুৱা কলেজৰ অধ্যাপক ৰূপে অৱসৰ গ্ৰহণ কৰা শ্ৰীযতীন্দ্ৰনাথ গোস্বামী অসম সাহিত্য সভাৰ এগৰাকী প্ৰাক্তন সভাপতি। গোস্বামীক এজন চিন্তাশীল প্ৰবন্ধকাৰৰূপে জনা যায়।

ড° বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য : জ্ঞানপীঠ বঁটা বিজয়ী ঔপন্যাসিক ড° বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য সম্প্ৰতি অসম সাহিত্য সভাৰ সভাপতি।

'মৃত্যুঞ্জয়' তেওঁলৈ জ্ঞানপীঠ পুৰস্কাৰ আনিলে আৰু "ইয়াৰুইংগমে" আনিলে সাহিত্য অকাডেমীৰ পুৰস্কাৰ। চিন্তাশীল লব্ধপ্ৰতিষ্ঠ সাহিত্যিকৰূপে ড° ভট্টাচাৰ্য সুপ্ৰসিদ্ধ; সাংবাদিক ৰূপেও তেওঁ সুপৰিচিত। "ৰামধেনু" আৰু 'নৱযুগৰ' যুগ সৃষ্টিকাৰী সম্পাদকৰূপেও ভট্টাচাৰ্য জনাজাত।

ড° বিশ্বনাৰায়ণ শাস্ত্ৰী : চিন্তাশীল লেখক আৰু প্ৰবন্ধকাৰ-ৰূপে শাস্ত্ৰী ডাঙৰীয়াক জনা যায়। এজন সংস্কৃত পণ্ডিত। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা' শাস্ত্ৰীৰ এখন তত্ত্ব গধুৰ পুথি। আনপতে 'কথা সৰিৎ সাগৰ' (প্ৰথম খণ্ড) সংস্কৃত কাব্যৰ পৰা অনুবাদ কৰি প্ৰকাশ কৰিছে। শাস্ত্ৰীৰ উল্লেখযোগ্য আন এখন গ্ৰন্থ হ'ল 'অসমীয়া সাহিত্যৰ ভূমিকা।'

শ্ৰীপৰনাথ শৰ্মা :— এগৰাকী শিক্ষাবিদ, সাহিত্যিক আৰু সাংবাদিকৰূপে শৰ্মা ডাঙৰীয়াক জনাৰ উপৰিও তেওঁ এগৰাকী সমাজ সেৱক। ৰস-ৰচনা আৰু গহীন ৰচনাৰ ৰচয়িতাৰূপে শৰ্মা জনাজাত। ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ, বিনোৱাজীৰ জীৱন-কথা, চেঙা-তেল, জেতুলিপকা, পঞ্চৰঙ্গ, আমাৰ হেডমাষ্টৰ ৺আফিজুৰ ৰহমান আদি শৰ্মাৰ উল্লেখযোগ্য পুথি।

ড° যোগেশ্বৰ শৰ্মা :— ড° শৰ্মাই শেহতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ লাইব্ৰেৰীয়ান পদৰ পৰা অৱসৰ গ্ৰহণ কৰিছে। এজন প্ৰবন্ধকাৰৰূপে শৰ্মা ডাঙৰীয়াৰ সুখ্যাতি আছে। 'কালিদাস আৰু তপস্যা' আৰু 'উপনিষদ বেণু' ড° শৰ্মাৰ উল্লেখযোগ্য পুথি।

অধ্যাপক ভিম্বেশ্বৰ দয়াল শৰ্মা :— জীৱনীকাৰ, সু-সাহিত্যিক আৰু নিবন্ধকাৰৰূপে শৰ্মাৰ সুখ্যাতি আছে। শৰ্মাৰ দৃষ্টি প্ৰখৰ আৰু সেয়েহে শৰ্মাই জীৱনী লেখকৰূপে সাৰ্থকতা লাভ কৰিছে। তেওঁৰ 'সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা' উল্লেখযোগ্য অৱদান।

শ্ৰীমুনীন বৰকটকী : এগৰাকী প্ৰসিদ্ধ সমালোচক আৰু চিন্তাশীল লেখকৰূপে প্ৰতিষ্ঠা লাভ কৰা বৰকটকী অতি স্পষ্টবাদী। তেওঁ নিজৰ চিন্তাধাৰা ব্যক্ত কৰাত অতি নিৰ্ভীক। "বিস্মৃত ব্যতিক্ৰমতে" বৰকটকী ডাঙৰীয়াৰ কেৱল গভীৰ চিন্তাধাৰাৰ সুন্দৰ উমান পোৱা যায় এনে নহয়—ইয়াৰ প্ৰতিটো নিবন্ধই চিন্তোদ্দীপক আৰু চিন্তাবৰ্দ্ধক। বৰকটকী ডাঙৰীয়া এসময়ৰ এগৰাকী সুন্দৰ গল্প লেখক।

অধ্যক্ষ পৰাগধৰ চলিহা : অসমৰ শিক্ষা-সাহিত্য আৰু সংস্কৃতি জগতলৈ যথেষ্ট বৰঙণি যোগাওঁতা চলিহা ডাঙৰীয়া এজন শক্তিশালী লেখক আৰু বক্তা। বৰ্তমান শিৱসাগৰ কলেজৰ অধ্যক্ষ হৈ আছে। "চাৰি হাজাৰ বছৰৰ অসম" চলিহাৰ প্ৰখ্যাত পুথি।

ড° নগেন শইকীয়া : সুপ্ৰতিষ্ঠিত গল্পলেখক আৰু নিবন্ধকাৰ। বৰ্তমানঅসম সাহিত্য সভাৰ প্ৰধান সম্পাদক। ড° শইকীয়াৰ উল্লেখযোগ্য পুথি হৈছে—কুবেৰ হাতী বৰুৱা, অপাৰ্থিৱ পাৰ্থিৱ, চিন্তা আৰু চৰ্চা, ছবি আৰু ফ্ৰেম।

শ্ৰীৰাধানাথ হাজৰিকা : এগৰাকী- সাংবাদিক আৰু সু-সাহিত্যিক ৰূপেই হাজৰিকাদেৱক জনা যায়। প্ৰবন্ধকাৰৰূপেও তেওঁ সুপৰিচিত।

শ্ৰীমতী অহল্যা গগৈ : প্ৰয়াত কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াৰ সুমলীয়া কন্যা। উচ্চ শিক্ষিতা এগৰাকী সমাজ সেৱিকা।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰূপে কৃষ্ণকান্ত সন্দিকৈ

গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমাবৰ্তন উৎসৱত ভাষণ পাঠ কৰোঁতে
উপাচাৰ্য কৃষ্ণকান্ত সন্দিকৈ ।

সন্দিকৈৰ পৰিবাৰ হেমলতা সন্দিকৈ ডাঙৰীয়ানী।

বাওঁফালৰ পৰা ড° ভুবনেশ্বৰ বৰুৱা, ড° ৰাধাকৃষ্ণন আৰু উপাচাৰ্য
কৃষ্ণকান্ত সন্দিকৈ ।

১৯-৩-৭৮ তাৰিখে 'সদস্য-মহীযান' বৰণ-পত্ৰৰ সঁফুৰা অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক আব্দুছ ছাত্তাৰে প্ৰদান কৰোঁতে অধ্যাপক কৃষ্ণকান্ত সন্দিকৈ। কাষত অধ্যাপক যতীন্দ্ৰনাথ গোস্বামী আৰু সহকাৰী সম্পাদক বসন্তকুমাৰ গোস্বামী।

অন্তিম শয্যাত কৃষ্ণকান্ত সন্দিকৈ— শ্ৰদ্ধাঞ্জলি দিওঁতে চন্দ্ৰকান্ত সন্দিকৈ ভৱনত ।
ফটো : অৰুণ দত্ত

যোৰহাটৰ চন্দ্ৰকান্ত সন্দিকৈ ভৱনত প্ৰয়াত সন্দিকৈক বাইজে শ্ৰদ্ধাঞ্জলি জনাওঁতে ।
ফটো : অৰুণ দত্ত

বিজ্ঞান আৰু বৈজ্ঞানিক

পাৰুকুটি বৰুৱা, এম. এচ-চি (বি. এইচ. ইউ), এম.এ., পি-এইচ-ডি (কেণ্টাব)

প্ৰাক্তন অন্‌চল' ফেলো, নিউন্‌হাম কলেজ, (কেম্ব্ৰিজ)।

এ. ডি. পি. আই., অসম, শ্বিলং

আৰু

হিতেন্দ্ৰ কুমাৰ বৰুৱা, এম. এচ-চি. (কেল.), পি. এইচ-ডি (কেণ্টাব)।

গুৱাহাটী বিশ্ববিদ্যালয়।